স্মাৰক গ্ৰন্থ

# সুগন্ধি বৈভৱ

হীৰক জয়ন্তী বৰ্ষ উদ্‌যাপন ঃ সামৰণী অনুষ্ঠান ২০২৪

ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ বাণিজ্য মহাবিদ্যালয়




সম্পাদক

ড° নৰজ্যোতি দত্ত




স্মাৰক গ্ৰন্থ

# সুগন্ধি বৈভৱ

হীৰক জয়ন্তী বৰ্ষ উদযাপন ঃ সামৰণী অনুষ্ঠান ২০২৪

ডিব্ৰুগড় হনুমানবক্স সূৰজমল কানৈ বাণিজ্য মহাবিদ্যালয়

সম্পাদক

ড° নৱজ্যোতি দত্ত

**SUGANDHI BAIBHAV :** A souvenir published to mark the concluding function of the yearlong Diamond Jubilee Celebration of DHSK Commerce College, Dibrugarh, Assam, India. Edited by Dr. Nabajyoti Dutta (Assistant Professor & HoD, Department of Assamese) and published by Sailen Gogoi, Secretary, Diamond Jubilee Celebration Committee. Printed at CREATIVE DESIGN, Dibrugarh, Assam, India and published at the concluding function of the Jubilee celebration held on August 18, 2024.

ISBN : 978-81-977087-4-9
Goodwill Contribution ₹ 499.00




# সুগন্ধি বৈভৱ (স্মাৰক-গ্ৰন্থ)

**হীৰক জয়ন্তী উদযাপন বৰ্ষ ঃ সামৰণী অনুষ্ঠান ২০২৪**

ডিব্ৰুগড় হনুমানবক্স সূৰজমল কানৈ বাণিজ্য মহাবিদ্যালয়

**প্ৰকাশক**

ডিব্ৰুগড় হনুমানবক্স সূৰজমল কানৈ বাণিজ্য মহাবিদ্যালয়ৰ হৈ হীৰক জয়ন্তী উদযাপন সমিতিৰ সম্পাদক অধ্যাপক শৈলেন গগৈ।

© গ্ৰন্থস্বত্ব ঃ
হীৰক জয়ন্তী উদযাপন সমিতি
ডিব্ৰুগড় হনুমানবক্স সূৰজমল কানৈ বাণিজ্য মহাবিদ্যালয়

**প্ৰকাশ কাল ঃ** ১৮ আগষ্ট, ২০২৪ খ্ৰীষ্টাব্দ

**আৱৰণ পৃষ্ঠাৰ শিল্পী ঃ** দিগন্ত বিজয়

**অক্ষৰ বিন্যাস ঃ** ৰীমা দেৱনাথ, ক্ৰিয়েটিভ ডিজাইন, ডিব্ৰুগড়

**আহিঁ পাঠ নিৰীক্ষণ ঃ**
ড° বিদিশা মহন্ত
অধ্যাপক নাজৰানা হক
অধ্যাপক বাণী কছাৰী

**ৰঙীণ পৃষ্ঠাৰ অলংকৰণ আৰু লে'আউট ঃ** আশিস দেৱনাথ

**মুদ্ৰণ ঃ**
ক্ৰিয়েটিভ ডিজাইন, বৰবাৰী, ডিব্ৰুগড়, ম'বাইল নম্বৰ ঃ ৯৭০৬১৫৪৫৩৫

**শুভেচ্ছামূলক বৰঙণি** ৪৯৯.০০ টকা মাত্ৰ

সন্নিবিষ্ট লেখাসমূহত প্ৰকাশিত বক্তব্য লেখকৰ নিজা। এই ক্ষেত্ৰত সম্পাদনা-সমিতি কোনো ধৰণেৰে দায়ী নহ'ব। অনিচ্ছাকৃতভাৱে ৰৈ যোৱা যিকোনো ধৰণৰ ভুল-ত্ৰুটিৰ বাবে সম্পাদনা-সমিতি ক্ষমাপ্ৰাৰ্থী।

## -ঃ সম্পাদনা-সমিতি ঃ-

### মুখ্য উপদেষ্টা

**ড° খনীন্দ্ৰ মিশ্ৰ ভাগৱতী**
অধ্যক্ষ তথা সভাপতি, হীৰক জয়ন্তী উদ্‌যাপন সমিতি

### উপদেষ্টা

**প্ৰাধ্যাপক কুমুদ চন্দ্ৰ গোস্বামী**
*বাণিজ্য-গুৰু*, ডিব্ৰুগড় বিশ্ববিদ্যালয়

**অধ্যাপক শৈলেন গগৈ**
সম্পাদক, হীৰক জয়ন্তী উদযাপন সমিতি
তথা সহযোগী অধ্যাপক আৰু বিভাগীয় প্ৰধান, হিচাপবিদ্যা বিভাগ

**ড° টংকপ্ৰসাদ উপাধ্যায়**
সহযোগী অধ্যাপক আৰু বিভাগীয় প্ৰধান, বেংকিং বিভাগ।

### সম্পাদক

ড° নৱজ্যোতি দত্ত

### সহযোগী সম্পাদক

ড° স্বপ্না নাথ
ড° তুলিকা মটক
ড° জেকব কোঁৱৰ
ড° বিদিশা মহন্ত

### সদস্য

ড° সত্যৰঞ্জন দলে
অধ্যাপক বাণী কছাৰী
ড° অনিতা বৰুৱা
ড° ঈপ্সিতা ভট্টাচাৰ্য্য
অধ্যাপক ভাৰতী লালুং
ড° কস্তুৰী শইকীয়া
অধ্যাপক নাজৰানা হক
শ্ৰীযুতা সংগীতা শেনছোৱা গগৈ, গ্ৰন্থাগাৰিক
শ্ৰীযুত পৱন কুমাৰ গাড়োদিয়া
সভাপতি, প্ৰাক্তন বিদ্যাৰ্থী সংস্থা
শ্ৰীমতী পূজা ঘোষ
আলোচনী সম্পাদক, ছাত্ৰ একতা সভাঃ ২০২২-২৩ বৰ্ষ

# উছৰ্গা



“

উত্তৰ-পূৰ্বাঞ্চলৰ বাণিজ্য শিক্ষাৰ প্ৰথম পূৰ্ণাংগ মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠাকালৰ লগতে যোৱা ছয় দশকৰো অধিক সময়ছোৱাত মহাবিদ্যালয় পৰিয়ালৰ বিদ্যাৰ্থী, শিক্ষক, কৰ্মচাৰী তথা শুভাকাংক্ষী হিচাপে উচ্চ শিক্ষানুষ্ঠানখনৰ উত্তৰণত অৰিহণা আগবঢ়াই যোৱা যিসকল মহানক আমি কায়িকভাৱে হেৰুৱালোঁ, সেই সকলো মহানৰ পৰিত্ৰ সোঁৱৰণত...

”

## ।। মহাবিদ্যালয় সংগীত ।।

**কথা ঃ** ড° ভূপেশ ভাগৱতী
**সুৰ ঃ** ভুবন গগৈ

আমি পোহৰৰ গান গাম
হেঁপাহৰ কৰণি ভৰাই
জ্ঞানৰ মাণিকেৰে বিকাশৰ সোপান সাজিম
আমি পোহৰৰ গান গাম।

ত্যাগেৰে সেৱাৰ মালিতা ৰচিম
সাহসেৰে শকতিৰ কঠীয়া সিঁচিম
সুন্দৰ সত্যৰ অমল অনলত
সাধনাৰ শলিতা জ্বলাম
আমি পোহৰৰ গান গাম।

মৈত্ৰীৰে জয়দ'ল সাজি অসমীৰ
কলচী থাপিম সমন্বয়ৰ
পূৰ্বাচলত মহাভাৰতৰ, আমাৰ অহংকাৰ
অপাৰ গৰিমা বহু শতিকাৰ
ধৰাত আমিয়ে বিলাম
আমি পোহৰৰ গান গাম।

অবিৰত যাত্ৰাত আমাৰ উলাহ
ন-পুৰুষৰ সপোন-হেঁপাহ
প্ৰজ্বলিত শিখা লৈ আমি আগুৱাম
আমি পোহৰৰ গান গাম।

***

**ড° ভূপেশ ভাগৱতী**
সহযোগী অধ্যাপক তথা বিভাগীয় প্ৰধান
বাণিজ্য বিভাগ আৰু স্নাতকোত্তৰ মহলাৰ সমন্বয়ক
ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ বাণিজ্য মহাবিদ্যালয়

**ভুবন গগৈ**
বিশিষ্ট সংগীত-শিল্পী তথা সৰস্বতী বিদ্যা মন্দিৰ,
ডিব্ৰুগড়ৰ শিক্ষক।

## ।। হীৰক জয়ন্তী সংগীত ।।

**কথা ঃ** ড° নৰজ্যোতি দত্ত
**সুৰ ঃ** মাণিক চন্দ্ৰ দে, ড° নৰজ্যোতি দত্ত

কত মনীষীৰ স্বপ্ন-সাধনা
যত দ্ৰষ্টাৰ স্নিগ্ধ ভাবনা
সুগভীৰ চিন্তাৰ সাঁচ
প্ৰজ্ঞাৰ বকুল-সুৱাস
তুমি কানৈ কমাৰ্চ
হেঁপাহৰ- মৰমৰ- বুকুৰ আপোন
তুমি কানৈ কমাৰ্চ ...

পোহৰৰ বাটেৰে জগতৰ সভালে'
বৰ অসমক নিলা
নতুনৰ মানসত বণিজৰ হেঁপাহৰ
প্লাৱন আনি দিলা
তুমি কানৈ কমাৰ্চ
হেঁপাহৰ-মৰমৰ-বুকুৰ আপোন
তুমি কানৈ কমাৰ্চ ...

জাতিক বিলালা জ্ঞান বেহাৰ
দেখুৱালা ন-বাট উচ্চ-শিক্ষাৰ
ভোলানাথ, লক্ষ্মীনাথ, জ্যোতিপ্ৰসাদৰ
বাটেৰে বুলিবলে' হাট নতুনৰ
তুমি কানৈ কমাৰ্চ
হেঁপাহৰ-মৰমৰ-বুকুৰ আপোন
তুমি কানৈ কমাৰ্চ ...

***

**ড° নৰজ্যোতি দত্ত**
জ্যেষ্ঠ সহকাৰী অধ্যাপক তথা বিভাগীয় প্ৰধান
অসমীয়া বিভাগ
ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ বাণিজ্য মহাবিদ্যালয়

**মাণিক চন্দ্ৰ দে**
ডিব্ৰুগড়ৰ এগৰাকী
বিশিষ্ট সংগীত-শিল্পী তথা সংগীত-শিক্ষক।

ড° হিমন্ত বিশ্ব শৰ্মা
Dr. Himanta Biswa Sarma

সত্যমেৱ জয়তে

মুখ্যমন্ত্ৰী, অসম
Chief Minister, Assam

দিছপুৰ
চি এম এছ. ৭/২০২৩/
০৬ শাওন, ১৪৩১ ভাস্কৰাব্দ
২২ জুলাই, ২০২৪ ইং

## শুভেচ্ছাবাণী

ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ বাণিজ্য মহাবিদ্যালয়ৰ হীৰক জয়ন্তী উৎসৱৰ সামৰণী অনুষ্ঠান অহা ১৮ আগষ্টত এদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত কৰাৰ বাবে সিদ্ধান্ত লোৱা বুলি জানিবলৈ পাই মই সুখী হৈছোঁ। এই অনুষ্ঠানৰ লগত সংগতি ৰাখি 'সুগন্ধি বৈভৱ' নামৰ এখনি স্মৰকগ্ৰন্থ প্ৰকাশৰ দিহা কৰাটো নিতান্তই প্ৰশংসনীয়।

১৯৬০ চনৰ ১৫ জুনত প্ৰতিষ্ঠা হোৱা ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ বাণিজ্য মহাবিদ্যালয়ে উত্তৰ-পূৰ্বাঞ্চলৰ বাণিজ্য শিক্ষাৰ বাটকটীয়া হিচাপে শৈক্ষিক ক্ষেত্ৰখনত সুনাম কঢ়িয়াই আনিছে। ড° লক্ষ্মীপ্ৰসাদ দত্ত, ড° নিৰ্মল বসুৰ দৰে শিক্ষাবিদৰ আশাশুধীয়া প্ৰয়াসৰ ফলত গঢ় লৈ উঠা এই শিক্ষানুষ্ঠানখনৰ বহু বিদ্যাৰ্থীয়ে আজি কেৱল ৰাজ্যখনতে নহয়, দেশ-বিদেশতো সফলতাৰে উজ্বলিবলৈ সক্ষম হৈছে।

বাণিজ্য আৰু উদ্যোগ পৰিচালনাৰ বাবে প্ৰয়োজনীয় জ্ঞান, দক্ষতা আৰু মনোভাব বিকশিত কৰাৰ দিশত বাণিজ্য শিক্ষাৰ প্ৰভাৱ অপৰিসীম। বাণিজ্য শিক্ষাই প্ৰতিটো প্ৰজন্মকে আত্মনিৰ্ভৰশীলতাৰে আগুৱাই যোৱাৰ বাবে উদগণি যোগাই আহিছে। দেশে পাঁচ ট্ৰিলিয়ন অৰ্থনীতি গঢ়ি তোলাৰ লক্ষ্যৰে আগবঢ়াৰ পৰিপ্ৰেক্ষিতত আজি বাণিজ্য শিক্ষাই অধিক গুৰুত্ব লাভ কৰিছে। ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ বাণিজ্য মহাবিদ্যালয়েও সেইবাবে বিগত সময়ছোৱাৰ সমৃদ্ধ ইতিহাসক লৈ বাণিজ্য শিক্ষা সম্প্ৰসাৰণৰ পৰিকল্পনা কৰিব লাগিব যাতে শিক্ষাৰ্থীসকলে উত্তৰণৰ এক নৱ দিগন্ত চুবলৈ সক্ষম হয়। একবিংশ শতিকাৰ প্ৰযুক্তি নিৰ্ভৰ পৃথিৱীত শিক্ষা আহৰণ, শিক্ষা গ্ৰহণ আৰু শিক্ষা প্ৰদানৰ ধ্যান-ধাৰণাও ক্ৰমাৎ সলনি হ'বলৈ ধৰিছে। এনে সন্ধিক্ষণত পৰিৱৰ্তিত শিক্ষা ব্যৱস্থাৰ সৈতে নিজকে কিদৰে খাপ খুৱাই ল'ব সেয়া শিক্ষানুষ্ঠানখনে এতিয়াৰে পৰা চিন্তা-চৰ্চা আৰম্ভ কৰাৰ সময় আহি পৰিছে। কি কি ক্ষেত্ৰত মহাবিদ্যালয়খনৰ সম্ভাৱনা আছে তাক হীৰক জয়ন্তী উৎসৱৰ সামৰণী অনুষ্ঠান উদ্যাপনৰ সময়ছোৱাতে মহাবিদ্যালয় কৰ্তৃপক্ষই ফঁহিয়াই চোৱাৰ প্ৰক্ৰিয়া আৰম্ভ কৰিব বুলি মই আশা কৰিলোঁ।

মই হীৰক জয়ন্তী উৎসৱৰ সামৰণী অনুষ্ঠানৰ সকলো কাৰ্যসূচীৰ সফলতা আন্তৰিকতাৰে কামনা কৰাৰ লগতে স্মাৰকগ্ৰন্থখনৰ সফল প্ৰকাশ কামনা কৰিলোঁ।

(ড° হিমন্ত বিশ্ব শৰ্মা)

**Ranoj Pegu**
**Minister**
Education, Tribal Affairs (P),
Indigenous and Tribal Faith & Culture (L & M) Deptt.

सत्यमेव जयते

Dispur, Guwahati - 781006, Assam
Ph. No. : +91 99547 03825 (M)
+91-361-2337023 (O)
E-mail : ranojpegu@gmail.com



# MESSAGE

I feel happy to know that D.H.S.K Commerce College, Dibrugarh is going to publish a souvenir entitled "Sugandhi Baivab" on the occasion of its glorious diamond jubilee celebration.

To consider the renowned scientist and inventor George Washington Carver "Education is the key that unlocks the golden door to freedom".

Education is referred to as the key to unlock the golden doors. One of the most powerful aspects of education is its ability to unlock opportunities that may have otherwise been closed off. At the same time education is one of the most important and mandatory elements in the life of a student, as it helps the students to do analysis while making important decisions in life. Learning commerce capacitates students with a range of skills that begins from basic to professional skills. Communication is a key skill required to lead a desirable social life and a commerce student carries the essential abilities to converse and communicate in a better way.

I extend my heartfelt gratitude and best wishes to all the faculty members, staff and students of the institution on this special moment and hope that the institution will shine in the days to come.

(Dr. Ranoj Pegu)

सर्बानंद सोणोवाल
SARBANANDA SONOWAL

SAGARMALA
PORT-LED PROSPERITY

सत्यमेव जयते

पत्तन, पोत परिवहन और जलमार्ग मंत्री
भारत सरकार
Minister of Ports, Shipping and Waterways
Government of India



## শুভেচ্ছাবাণী

অসমৰ এখন ঐতিহ্যমণ্ডিত উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ বাণিজ্য মহাবিদ্যালয়ে প্ৰতিষ্ঠাকালৰেপৰা বাণিজ্য শিক্ষাৰ এক উন্নত শৈক্ষিক পৰিৱেশ গঢ় দিয়াত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে।। মই জানিবলৈ পাই সুখী হৈছো যে উত্তৰ-পূৰ্বাঞ্চলৰ বাণিজ্য শিক্ষাৰ প্ৰথমখন পূৰ্ণাংগ উচ্চ শিক্ষানুষ্ঠান এই মহাবিদ্যালয়খনিয়ে বৰ্ষযোৰা গৌৰৱোজ্জ্বল হীৰক জয়ন্তী উৎসৱৰ সামৰণী অনুষ্ঠানটি অহা ১৮ আগষ্ট, ২০২৪ তাৰিখে অনুষ্ঠিত কৰিবলৈ লৈছে। মহাবিদ্যালয়খনৰ হীৰক জয়ন্তীৰ সামৰণী অনুষ্ঠানৰ সৈতে সংগতি ৰাখি বিভিন্ন তথ্যসমৃদ্ধ লেখাৰে 'সুগন্ধি বৈভৱ' নামেৰে এখনি স্মাৰক গ্ৰন্থ প্ৰকাশৰ দিহা কৰাটো নিতান্তই প্ৰশংসাৰ বতৰা। স্মাৰক গ্ৰন্থখনিয়ে মহাবিদ্যালয়খনৰ বৰ্ণিল ইতিহাস আৰু বাণিজ্য শিক্ষা তথা সামগ্ৰিক উচ্চ শিক্ষা বিষয়ৰ তথ্যসমৃদ্ধ মনোগ্ৰাহী লেখাৰে পঢ়ুৱৈৰ সমাজক আকৰ্ষিত কৰিব বুলি মই আশাবাদী। এই সুযোগতে সেইসকল স্বনামধন্য ব্যক্তি আৰু শিক্ষাগুৰুক শ্ৰদ্ধাৰে স্মৰণ কৰিছোঁ, যাৰ অক্লান্ত প্ৰচেষ্টাই মহাবিদ্যালয়খনৰ শৈক্ষিক ভেটি গঢ়াত গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল। এই বিশেষ ক্ষণত কানৈ বাণিজ্য মহাবিদ্যালয়ৰ প্ৰাক্তন আৰু বৰ্তমানৰ সকলো ছাত্ৰ-ছাত্ৰী তথা শ্ৰদ্ধাৰ শিক্ষাগুৰু আৰু সংশ্লিষ্ট সকলোকে মোৰ আন্তৰিক শুভকামনা জনাইছোঁ। মই আশা কৰোঁ অনাগত দিনবোৰতো মহাবিদ্যালয়খনে গুণগত শিক্ষাৰ মান অটুট ৰাখি মানৱ সম্পদ গঢ়াৰ দিশত সবল ভূমিকা পালন কৰি যাব আৰু বাণিজ্য খণ্ডৰ প্ৰতি উঠি অহা প্ৰজন্মক আকৰ্ষিত কৰি এক নতুন দিগন্তৰ সূচনা কৰিব।

১৩ জুলাই, ২০২৪
নতুন দিল্লী

(সৰ্বানন্দ সোণোৱাল)

Room No. 201, Transport Bhawan, 1, Sansad Marg, New Delhi - 110001 Ph. : 011-23717422, 23717423, 23717424 (O),23356709 (F)
E-mail : minister-shipping@gov.in; Website : www.shipmin.gov.in

पबित्र मार्घेरिटा
**Pabitra Margherita**

सत्यमेव जयते

विदेश एवं वस्त्र राज्य मंत्री
भारत सरकार
**Minister of State for**
**External Affairs and Textiles**
**Government of India**

## শুভেচ্ছা বাণী

উত্তৰ-পূৰ্বাঞ্চলৰ বাণিজ্য শিক্ষাৰ প্ৰথমখন পূৰ্ণাংগ উচ্চ শিক্ষানুষ্ঠান ডিব্ৰুগড় হনুমানবক্স সূৰজমল কানৈ বাণিজ্য মহাবিদ্যালয়ে হীৰক জয়ন্তী সম্পূৰ্ণ কৰাৰ এই পৱিত্ৰ ক্ষণত মহাবিদ্যালয়খনৰ প্ৰতিগৰাকী শিক্ষাগুৰুলৈ সেৱা আৰু প্ৰতিগৰাকী প্ৰাক্তন তথা বৰ্তমানৰ ছাত্ৰ-ছাত্ৰীলৈ মই শুভেচ্ছা জনাইছোঁ। মহাবিদ্যালয়খনে হীৰক জয়ন্তীৰ সৈতে সংগতি ৰাখি আয়োজন কৰা বছৰজোৰা কাৰ্যসূচীৰ সামৰণী অনুষ্ঠানটি অহা ১৮ আগষ্ট, ২০২৪ তাৰিখে অনুষ্ঠিত কৰিব বুলি জানি অতিশয় আনন্দিত হৈছোঁ । উক্ত অনুষ্ঠানৰ সৈতে সংগতি ৰাখি 'সুগন্ধি বৈভৱ' শীৰ্ষক অসমীয়া আৰু ইংৰাজী ভাষাৰ লেখা সমৃদ্ধ এখন স্মাৰক-গ্ৰন্থ প্ৰকাশ কৰাৰ খবৰে আমাক আপ্লুত কৰিছে। আশা কৰিছোঁ এই স্মাৰক গ্ৰন্থখনে সমাজৰ সকলো স্তৰৰ পাঠকৰ পৰা সমাদৰ লাভ কৰিব আৰু মই নিশ্চিত যে, এই স্মাৰকগ্ৰন্থখনি এক সংগ্ৰহযোগ্য সংস্কৰণ হৈ ৰ'ব । মহাবিদ্যালয়খনৰ শৈক্ষিক ক্ষেত্ৰত উত্তৰণৰ এই অনিৰুদ্ধ যাত্ৰা চিৰঞ্জীৱ হওক।

শ্ৰদ্ধা সহকাৰে -

(পবিত্ৰ মাৰ্ঘেৰিটা)

Ministry of Textiles : Room No. 129, D Wing, Udyog Bhawan, New Delhi-110011
Phone : 011-23063704, 23063779 Fax : 011-23061575, E-mail : mos-textiles@gov.in
Ministry of External Affairs : 181, South Block, New Delhi-110001
Phone : 011-23017763, E-mail : mos.pm@mea.gov.in

**Prasanta Phukan,** MLA
88 Dibrugarh, LAC
**Chairman of Estimate Committee**
**Chairman, AIDC ltd.**
Block A-3, MLA Hostel, Dispur
Mobile: 9435031311/9435470444
Phone: 0361-2201215/2202216
Email: prasantaphukan30@gmail.com
aidcltd@gmail.com(O)

सत्यमेव जयते

**Date:** ১৪/০৭/২০২৪



# শুভেচ্ছাবাণী

১৯৬০ চনতে প্ৰতিষ্ঠিত অসমৰ শিক্ষা জগতৰ এক আগশাৰীৰ শিক্ষানুষ্ঠান ডিব্ৰুগড়ত স্থিত ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স কানৈ বাণিজ্য মহাবিদ্যালয়ে ইতিমধ্যে ৬০ বছৰ অতিক্ৰম কৰি হীৰক জয়ন্তী উদযাপন কৰিবলৈ লোৱাৰ বিষয়ে জানিবলৈ পাই প্ৰাক্তন ছাত্ৰ ৰূপে মই নথৈ আনন্দিত তথা গৌৰান্বিত। ডিব্ৰুগড়ৰ হনুমানবক্স কানৈ বাণিজ্য মহাবিদ্যালয়ে শিক্ষাৰ প্ৰসাৰৰ আৰু উন্নতমানৰ শিক্ষা প্ৰদানৰ ক্ষেত্ৰত আৰম্ভণিৰে পৰা এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। এই শুভক্ষণত মহাবিদ্যালয়খনৰ অধ্যক্ষ সন্মানীয় ড° খনীন্দ্ৰ মিশ্ৰ ভাগৱতীকে প্ৰমুখ্য কৰি সমূহ সন্মানীয় শিক্ষকবৃন্দ, নিষ্ঠাৱান কৰ্মচাৰীসকল আৰু প্ৰত্যেকজন প্ৰাক্তন তথা বৰ্তমানৰ মৰমৰ শিক্ষাৰ্থীসকলক লগতে যিসকল মহান মনীষীৰ ত্যাগ আৰু প্ৰচেষ্টাৰ ফলত মহাবিদ্যালয়খনে আজিৰ এই অৱস্থাত উপনিত হ'বলৈ সক্ষম হৈছে তেওঁলোকলৈও অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰিছোঁ।এই মহাবিদ্যালয়খনে বিগত বৰ্ষত বহুকেইগৰাকী মানৱ সম্পদ গঢ় দি দেশৰ উজ্বল ভৱিষ্যত গঢ়ি তোলাৰ ক্ষেত্ৰত এক সবল নেতৃত্ব প্ৰদান কৰি আহিছে।

অসমৰ শৈক্ষিক জগতৰ উজ্বল নক্ষত্ৰ স্বৰূপ ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স কানৈ বাণিজ্য মহাবিদ্যালয়ৰ সোণালী ইতিহাস তথা গৌৰৱময় যাত্ৰাৰ প্ৰতিটো মূহূৰ্ত চিৰযুগমীয়া কৰি ৰখাৰ মানসেৰে হীৰক জয়ন্তী উৎসৱৰ এই পবিত্ৰ ক্ষণত "সুগন্ধি বৈভৱ" শীৰ্ষক এখন স্মৃতিগ্ৰন্থখন প্ৰকাশ কৰি উলিওৱাৰ দিহা কৰা হৈছে বুলি জানিবলৈ পাই মই নথৈ আনন্দিত হৈছো। এই স্মৃতিগ্ৰন্থখন নিশ্চিত ৰূপে উঠি অহা প্ৰজন্মৰ আদৰ্শ নিৰ্মাণৰ এক সবল উৎস হৈ ৰ'ব লগতে জ্ঞানৰ পোহৰেৰে মহাবিদ্যালয়খনক আৰু সমগ্ৰ শৈক্ষিক জগতখনক উজ্বলাই তুলিব।

অৱশেষত স্মৃতিগ্ৰন্থখনৰ বাবে সন্মানীয় সম্পাদক ড° নৱজ্যোতি দত্তকে প্ৰমুখ্যে গ্ৰন্থ প্ৰকাশন সমিতিলৈ মোৰ তৰফৰ পৰা শুভকামনা জ্ঞাপন কৰিছোঁ। আশা কৰোঁ স্মৃতিগ্ৰন্থখন উঠি অহা যুৱপ্ৰজন্মৰ বাবে দলিল স্বৰূপ হৈ ৰৱ।

**প্ৰশান্ত ফুকন**
বিধায়ক (ডিব্ৰুগড় বিধানসভা সমষ্টি-৮৮)

অধ্যাপক জিতেন হাজৰিকা
উপাচাৰ্য

ডিব্ৰুগড় বিশ্ববিদ্যালয়
ডিব্ৰুগড় | পিন-৭৮৬০০৪ | অসম
দূৰভাষ ঃ ০৩৭৩-২৩৭০২৩৯
ইমেইল ঃ vc@dibru.ac.in



## *শুভেচ্ছা-বাণী*

মানৱ সভ্যতাৰ ইতিহাসৰ পৃষ্ঠাসমূহ লুটিয়ালে আমি অতি স্পষ্টৰূপত সেইসমূহত লিপিবদ্ধ হৈ থকা দেখিবলৈ পাওঁ যে দূৰদৃষ্টিসম্পন্ন কৰ্মৰ ফচল প্ৰজন্মৰ পিছত প্ৰজন্মই লাভ কৰি থাকিবলৈ সক্ষম হয়। বিগত ১৯৬০ খ্ৰীষ্টাব্দত কেইগৰাকীমান সমাজ-হিতৈশী বৰেণ্য শিক্ষাবিদ তথা দূৰদৰ্শী ব্যক্তিৰ আপ্ৰাণ প্ৰচেষ্টাৰ ফলশ্ৰুতিত ডিব্ৰুগড়ত গঢ় লৈ উঠে উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমখন পূৰ্ণাংগ বাণিজ্য উচ্চ শিক্ষানুষ্ঠান 'ডিব্ৰুগড় হনুমানবক্স সূৰজমল কানৈ বাণিজ্য মহাবিদ্যালয়'। উল্লেখ্য যে মহাবিদ্যালয়খনৰ ভৱনটোৰ আধাৰশিলা স্থাপন কৰিছিল ভাৰতৰ তদানীন্তন বিত্ত মন্ত্ৰী প্ৰয়াত মোৰাৰজী দেশাই ডাঙৰীয়াই। মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠাৰ আঁৰৰ ব্যক্তিকেইগৰাকী কায়িকভাৱে আজি আমাৰ মাজত নাই যদিও তেখেতসকলৰ প্ৰচেষ্টাৰ ফলশ্ৰুতিত সমাজখনে ইতিমধ্যে যথেষ্ট সংখ্যক মানৱ সম্পদ লাভ কৰিছে আৰু এই ধাৰা ভৱিষ্যতলৈও নিশ্চয় অব্যাহত হৈ থাকিব। সমগ্ৰ ৰাজ্যখনৰ ভিতৰতে এখন অন্যতম ঐতিহ্যমণ্ডিত উচ্চ শিক্ষানুষ্ঠানৰূপে পৰিচয় বহন কৰি অহা মহাবিদ্যালয়খনে প্ৰতিষ্ঠাৰ বৰ্ষটোৰ লেখেৰে ইতিমধ্যে হীৰক জয়ন্তী উৎসৱ পালন কৰিছে আৰু উক্ত উৎসৱৰ সামৰণী অনুষ্ঠানটি অহা ১৮ আগষ্ট, ২০২৪ তাৰিখে অনুষ্ঠিত কৰিবলৈ আগবঢ়া হৈছে বুলি জানি স্বাভাৱিকতে আমি সুখী হৈছোঁ। আনন্দৰ বিষয় যে এক দীৰ্ঘকালীন যাত্ৰাপথত বহু উত্থান-পতনৰ মাজেৰে আগবাঢ়ি মহাবিদ্যালয়খনে আজি এক পৰিপূৰ্ণ অৱস্থা লাভ কৰিছে।

এনে এক সন্ধিক্ষণত মহাবিদ্যালয়খন তথা ডিব্ৰুগড়ৰ ঐতিহ্যৰ উপৰি বাণিজ্য শিক্ষা তথা সামগ্ৰিক উচ্চ শিক্ষা বিষয়ক বিভিন্ন তথ্যসমৃদ্ধ লেখাৰে 'সুগন্ধি বৈভৱ' শীৰ্ষক এখন দ্বি-ভাষিক স্মাৰক-গ্ৰন্থ প্ৰকাশৰ দিহা কৰা হৈছে বুলি জানি আমি ততোধিক সুখী হৈছোঁ। আমি আশাবাদী যে স্মাৰক-গ্ৰন্থখনে সঁচা অৰ্থত অমূল্য বৈভৱেৰে পৰিপূৰ্ণ এখন নিৰ্ভৰযোগ্য তথা সুখপাঠ্য তথ্য-সম্বলিত দলিলৰূপে পৰিগণিত হৈ সঁচা অৰ্থত সুগন্ধি বিলাবলৈ সক্ষম হ'ব আৰু পাঠকৰ বৃহৎ সমাজখনেও প্ৰকাশটিক তদনুৰূপে সাদৰেৰে গ্ৰহণ কৰিবলৈ আগবাঢ়ি আহিব।

প্ৰয়াসটিৰ সৈতে জড়িত হৈ থকা সদৌটিলৈকে আমাৰ আন্তৰিক অভিনন্দনৰ লগতে শুভ-কামনা থাকিল।

দিনাংক ঃ ১৯ জুলাই, ২০২৪

(জিতেন হাজৰিকা)

অসম মহিলা বিশ্ববিদ্যালয়
Assam Women's University
Rowriah, Jorhat-785004, Assam, India

Prof. Ajanta Borgohain Rajkonwar
Vice Chancellor

No.AWU/Estt/114/2019/56

Date: 13/07/2024

## MESSAGE

Congratulations to DHSK Commerce College Dibrugarh on its Diamond Jubilee Celebration!

This esteemed institution has been a significant part of my journey, giving me countless opportunities and life lessons. While it has given me much, it has also demanded dedication and perseverance in return. However, at the end, the truth prevails, and the experiences here have shaped me into who I am today.

As we commemorate this milestone, we must not only look back with pride at our achievements but also look forward with hope and determination. Let us continue to uphold the values of knowledge, integrity, and progress as we step into the future.

By leveraging generative AI, DHSK Commerce College can provide more personalized, efficient & inclusive educational experiences, fostering a more engaging & effective learning environment.

I wish all the best & look forward in illuminating our college's canvas with a flourish of entrepreneurial spirit & innovation.

Prayers for many more years of excellence and growth of DHSK Commerce College, Dibrugarh, my Alma Mater!

Best Regards

ABkonwar.
(Ajanta Borgohain Rajkonwar)
Vice Chancellor
Assam Women's University
Jorhat, Assam

Address: Rowriah, Jorhat-785004
Contact: 0376 2310075
Email: vc@awu.ac.in/abrajkonwar@awu.ac.in

ঠিকনা: ৰৌৰিয়া, যোৰহাট-৭৮৫০০৪
যোগাযোগ: ০৩৭৬২৩১০০৭৫
ই-মেইল: vc@awu.ac.in /abrajkonwar@awu.ac.in

ড° সূৰ্য্যকান্ত হাজৰিকা
সভাপতি

# অসম সাহিত্য সভা

কেন্দ্ৰীয় কাৰ্যালয় ঃ চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট-৭৮৫০০১
প্ৰশাসনিক কাৰ্যালয় ঃ ভগৱতীপ্ৰসাদ বৰুৱা ভৱন, গুৱাহাটী-৭৮১০০১

আঞ্চলিক কাৰ্যালয়
ৰাংছিনা ভৱন, ডিফু-৭৮২৪৬০
ধুবুৰী আঞ্চলিক কাৰ্যালয়, ধুবুৰী-৭৮৩৩০১
ৰায়বাহাদুৰ ৰামেশ্বৰলাল চহৰীয়া সংহতি ভৱন, ডিব্ৰুগড়-৭৮৬০০৩
শিলচৰ আঞ্চলিক কাৰ্যালয়, শিলচৰ-৭৮৮০০১
উত্তৰ লক্ষীমপুৰ আঞ্চলিক কাৰ্যালয়, উত্তৰ লক্ষীমপুৰ-৭৮৭০০১
কমলাদেৱী তোদী স্মৃতিভৱন, মহীচন্দ্ৰ বৰা পথ, নগাঁও-৭৮২০০১
অচ্যুত নিৱেদিতা মেধি সাহিত্য ভৱন, জালাহ-৭৮১৩২৭
সাহিত্য সভা প্ৰকল্প, মঙলদৈ, দৰং-৭৮৪১২৫
১/১৪ বি-সৎসঙ্গ বিহাৰ মাৰ্গ, ব্লক এ, কুটুব ইন্সটিটিউচেনেল এৰিয়া, নতুন দিল্লী, ১১০০৬৭




## শুভেচ্ছাবাণী

১৯৬০ চনৰ ১৫ জুনত প্ৰতিষ্ঠা লাভ কৰা 'ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ বাণিজ্য মহাবিদ্যালয়'ৰ গৌৰৱোজ্জ্বল ইতিহাস, ঐতিহাসিক পৰিক্ৰমা আৰু বিগত ৬৪ বছৰীয়া অতীতৰ ভেটিত উন্নত শিক্ষানুষ্ঠান ৰূপে পৰিচয় দাঙি ধৰিবলৈ সক্ষম হোৱা এই ঐতিহ্যমণ্ডিত মহাবিদ্যালয়ৰ কৰ্তৃপক্ষই সম্প্ৰতি 'হীৰক জয়ন্তী উৎসৱ'ৰ আয়োজন কৰা পদক্ষেপ অতিশয় আদৰণীয়। এই মুহূৰ্তত যিসকল শুভানুধ্যায়ীৰ অপৰিসীম শ্ৰম, ত্যাগ তথা অহোপুৰুষাৰ্থৰ বাবে মহাবিদ্যালয়খনে অসমৰ ভিতৰতে এখন উচ্চ আদৰ্শৰ শিক্ষানুষ্ঠান ৰূপে স্বীকৃতি লাভ কৰিবলৈ সক্ষম হৈছে সেইসকল পূজ্যপাদ ব্যক্তিৰ অৱদানক শ্ৰদ্ধাৰে সোঁৱৰণ কৰিছোঁ।

স্বকীয় গৰিমাৰে উদ্ভাসিত 'ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ বাণিজ্য মহাবিদ্যালয়'খন উত্তৰ-পূৰ্বাঞ্চলৰ বাণিজ্য বিষয়ক শিক্ষা ব্যৱস্থাৰ প্ৰথম পূৰ্ণাঙ্গ শিক্ষানুষ্ঠান আছিল। মহাবিদ্যালয়খনৰ মই এজন প্ৰাক্তন ছাত্ৰ হোৱাৰ সুবাদতে ছাত্ৰকালৰ বহু স্মৃতিবিজড়িত ঐতিহাসিক ক্ষণৰ সাক্ষী হৈ ৰোৱাৰ সুযোগ পাইছিলোঁ আৰু সম্প্ৰতি পুৰণি দিনৰ ঐতিহ্যৰ স্মৰণাৰ্থে অনুষ্ঠিতব্য 'হীৰক জয়ন্তী উৎসৱ'ৰ শুভ মুহূৰ্তত অতিশয় গৌৰৱ অনুভৱ কৰিছোঁ। বৰ্তমান সময়ত এক উচ্চস্তৰীয় শিক্ষানুষ্ঠান ৰূপে স্থান দখল কৰিবলৈ সক্ষম হোৱা মহাবিদ্যালয়খনৰ বৰ্ষজোৰা হীৰক জয়ন্তী উৎসৱ অহা ১৮ আগষ্ট, ২০২৪ তাৰিখে এদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰাত আনন্দিত হৈছোঁ। 'হীৰক জয়ন্তী উৎসৱ'ৰ সৈতে ৰজিতা খুৱাই 'সুগন্ধি বৈভৱ' শীৰ্ষক এখনি স্মাৰক গ্ৰন্থ প্ৰকাশৰ বাবে লোৱা পদক্ষেপ প্ৰশংসনীয়। ছাত্ৰ-ছাত্ৰী, প্ৰবক্তা, অভিভাৱক তথা অন্যান্য কৰ্মচাৰীসকলৰ বিভিন্ন স্মৃতিবিজড়িত আৰু তথ্যসমৃদ্ধ লিখনিৰে 'সুগন্ধি বৈভৱ'ৰ সৌষ্ঠৱ বৃদ্ধি কৰিব বুলি আশা কৰিছোঁ।

মহাবিদ্যালয়খনে সৰ্বদিশেৰে জাতিস্কাৰ হৈ ৰাষ্ট্ৰীয় প্ৰেক্ষাপটতে এখন উল্লেখযোগ্য উচ্চশিক্ষাৰ অনুষ্ঠান ৰূপে মহিমামণ্ডিত হৈ ডিব্ৰুগড় তথা অসমৰ শিৰৰ মুকুট হৈ পৰক,- এয়াই আমাৰ একান্ত কাম্য। হীৰক জয়ন্তী উৎসৱ উপলক্ষে গ্ৰহণ কৰা সকলো কাৰ্যসূচীৰ সফলতা অন্তঃকৰণেৰে কামনা কৰি সকলোলৈকে শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

।। চিৰ চেনেহী মোৰ ভাষা জননী।।

শুভেচ্ছাৰে,-

(ড° সূৰ্য্যকান্ত হাজৰিকা)
সভাপতি
অসম সাহিত্য সভা

২৭ আহাৰ, ১৪৩১ ভাস্কৰাব্দ
১২ জুলাই, ২০২৪ খ্ৰীঃ


বাসগৃহৰ ঠিকনা ঃ চন্দ্ৰকান্ত প্ৰেছ ভৱন, ১, চন্দ্ৰকান্ত হাজৰিকা পথ, তৰুণ নগৰ, গুৱাহাটী-৭৮১০০৫, অসম
ফোন ঃ ৯৪৩৫০১৪০৯৯, ই-মেইল ঃ sheducationaltrust@gmail.com , ৱেবচাইট ঃ www.drsurjyahazarika.com





হীৰক জয়ন্তী উদ্‌যাপন সমিতিৰ

# সম্পাদকৰ একাষাৰ

উত্তৰ-পূৰ্বাঞ্চলৰ বাণিজ্য শিক্ষাৰ প্ৰথমখন পূৰ্ণাংগ মহাবিদ্যালয় 'ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ বাণিজ্য মহাবিদ্যালয়'ৰ বৰ্ষজোৰা হীৰক জয়ন্তী উৎসৱৰ উদ্‌যাপন সমিতিৰ সম্পাদকৰ দায়িত্ব পালন কৰিবলৈ পাই এই অভাজনে স্বাভাৱিকতেই আদিত হৈছোঁ। যদিওবা মহাবিদ্যালখনৰ হীৰক জয়ন্তী বৰ্ষ অনিবাৰ্য কাৰণত চাৰি বছৰ পলমকৈহে আমি উদ্‌যাপন কৰিবলৈ সক্ষম হৈছোঁ আৰু গাম্ভীৰ্যপূৰ্ণকৈ অথচ অনাড়ম্বৰভাৱেহে আয়োজন কৰিছোঁ, তথাপি আমাৰ মনৰ উলাহ অলপো কম নহয়। এই হীৰক জয়ন্তীৰ বছৰজোৰা কাৰ্যক্ৰম ২০২৩ চনৰ ১৫ জুনত আৰম্ভ হোৱাৰ পৰৱৰ্তী সময়ত বিভিন্ন বিভাগ তথা শৈক্ষিক কোষৰ সমন্বয়মূলক প্ৰচেষ্টাত কেইবাটাও বিশেষ শৈক্ষিক কাৰ্যক্ৰমেৰে সমৃদ্ধ হয়।

এই বছৰটোতে 'ৰাষ্ট্ৰীয় নতুন শিক্ষানীতি' অনুসৰি ডিব্ৰুগড় বিশ্ববিদ্যালয়ে প্ৰৱৰ্তন কৰা চাৰি বছৰীয়া স্নাতক বাণিজ্যৰ পাঠ্যক্ৰম আমাৰ মহাবিদ্যালয়তো প্ৰৱৰ্তন হোৱাৰ সূত্ৰে স্বাভাৱিকতেই সেই দিশৰ পৰাও আমাৰ শিক্ষক-কৰ্মচাৰী-প্ৰশাসনিক কৰ্তৃপক্ষৰ ব্যস্ততা বাঢ়িছিল। একে সময়তে বছৰজোৰা চূড়ান্ত প্ৰস্তুতিৰ অন্তত তৃতীয়বাৰৰ বাবে 'ৰাষ্ট্ৰীয় মূল্যায়ন আৰু প্ৰত্যায়ন পৰিষদ'ৰ স্বীকৃত হোৱাৰ বাবে নিৰ্দিষ্ট প্ৰক্ৰিয়াৰ অংশীদাৰ হৈ নিৰ্দিষ্ট দলৰ দ্বাৰা চলিত ২০২৪ চনৰ ২০-২১ মে'ত পৰিদৰ্শিত হোৱাৰ প্ৰস্তুতিত হোৱা আমাৰ ব্যস্ততাও এই হীৰক জয়ন্তী বৰ্ষ উদ্‌যাপনৰ মাজতেই আহি পৰিছিল। যোৱা বছৰৰ পৰা 'ই-সমৰ্থ' নামৰ ই-পৰ্টেলৰ জৰিয়তে মহাবিদ্যালয়ত নামভৰ্তি কৰোৱাৰ নতুন প্ৰক্ৰিয়া তথা আনুষংগিক আন বিভিন্ন কাম-কাজো আমাৰ এই হীৰক জয়ন্তী বৰ্ষ উদ্‌যাপনৰ মাজে-মাজে আমি কৰি যাবলগীয়া হৈছিল। নিয়মীয়া কৰ্তব্যসূচীৰ উপৰি গুণোৎসৱকে ধৰি বিভিন্ন জৰুৰী চৰকাৰী কাৰ্যক্ৰম তথা চলিত বৰ্ষত সম্পন্ন হোৱা দেশৰ সাধাৰণ নিৰ্বাচনৰ ব্যস্ততাইও আমাৰ হীৰক জয়ন্তীৰ বৰ্ষজোৰা সূচী আমি মনে বিচৰা ধৰণেৰে, প্ৰয়োজনত নতুন পৰিকল্পনাও যোগ দি উদ্‌যাপন কৰাত আউল লগোৱাটোও এটা উল্লেখনীয় দিশ।

তথাপি সকলোৰে সহযোগত বছৰজোৰা কাৰ্যসূচী সম্পূৰ্ণ কৰি নিৰ্ধাৰিত ৰপ্ত জুনতকৈ অনিবাৰ্য কাৰণত পুনৰ প্ৰায় দুমাহৰ পাছত ১৮ আগষ্ট, ২০২৪ তাৰিখে বক্তৃতানুষ্ঠান, অন্তৰংগ আলাপ, সম্বৰ্ধনা সভা, মুকলি সভা, স্মাৰক-গ্ৰন্থ উন্মোচন, সাংস্কৃতিক অনুষ্ঠান আদি বৰ্ণিল কাৰ্যক্ৰমেৰে দিনজোৰাকৈ আমি এই জয়ন্তী উৎসৱৰ সামৰণী অনুষ্ঠানটো উদ্‌যাপন কৰিবলৈ পোৱাটো আমাৰ বাবে এটি সুখৰ কথা বুলিয়েই অনুভৱ কৰিছোঁ।

১৫ জুন, ২০২৩ ৰ হীৰক জয়ন্তীৰ বৰ্ষজোৰা কাৰ্যক্ৰমৰ উদ্বোধনী কাৰ্যক্ৰম হিচাপে 'নতুন ৰাষ্ট্ৰীয় শিক্ষানীতি' সন্দৰ্ভত গুৰুত্বপূৰ্ণ বক্তৃতা প্ৰদান কৰি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ প্ৰাধ্যাপক ড° দেৱকুমাৰ চক্ৰৱৰ্তীয়ে সমৱেতসকলক আকৃষ্ট কৰিছিল। হীৰক জয়ন্তী বৰ্ষ আনুষ্ঠানিকভাৱে আৰম্ভ হোৱাৰ এপষেক পূৰ্বেই এই উৎসৱৰ উপলক্ষত 'অপেক্ষা হাস্পতাল' কৰ্তৃপক্ষৰ সহযোগত মহাবিদ্যালয়ৰ বাণিজ্য বিভাগে 'কাৰ্ডিঅ'পালমনেৰি ৰেচিচিটেশ্যন' বিষয়ক সাম্প্ৰতিক সময়ত জীৱন-ৰক্ষাৰ বাবে অতি প্ৰয়োজনীয় বিষয় এটিৰ সন্দৰ্ভত এখনি কৰ্মশালা (Workshop on CPR) আয়োজন কৰি মহাবিদ্যালয় পৰিয়ালৰ স্বাস্থ্য সজাগতা দিশটোৰ প্ৰতিফলন ঘটায়। পুনৰ একেটা বিভাগেই ৫ জুন, ২০২৩ ত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ 'ব্যৱস্থাপনা অধ্যয়ন কেন্দ্ৰ'ৰ অধ্যাপক ড° হিমাদ্ৰী বৰ্মনক নিৰ্দিষ্ট বক্তা হিচাপে আমন্ত্ৰণ জনাই 'Professional Ethics' শীৰ্ষক এটি বক্তৃতানুষ্ঠানৰ আয়োজন কৰে।

২০২৩ বৰ্ষৰে ২৬- ২৮ জুলাইত 'ৰাষ্ট্ৰীয় কৃষি আৰু গ্ৰামোন্নয়ন বেংক'(NABARD) আৰু 'জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰ'(DICC)ৰ সহযোগত মহাবিদ্যালয়ৰ বাণিজ্য বিভাগে মূলতঃ বিদ্যাৰ্থীক উদ্দেশ্যি উদ্যমিতা বিষয়ক এখনি তিনিদিনীয়া কৰ্মশালা (Workshop on Entreprenureship) সফলতাৰে সম্পন্ন কৰে। একেদৰে, হীৰক জয়ন্তীৰ উপলক্ষতে ২৮-২৯ জুলাই, ২০২৩ ত ইংৰাজী বিভাগে মহাবিদ্যালয়ৰ 'আভ্যন্তৰীণ অভিযোগ সমিতি'(Internal Complaint Committee- ICC) আৰু ছাত্ৰী নিৱাসৰ সহযোগত ছাত্ৰী নিৱাস চৌহদতে দুদিনীয়াকৈ এটি 'লিংগ সচেতনকৰণ' কাৰ্যক্ৰম (Gender Sensitization Programme) সফলভাৱে আয়োজন কৰি আমাৰ পূৰ্ব-নিৰ্ধাৰিত কাৰ্যক্ৰমৰ আয়োজনৰ শৃংখলা অব্যাত ৰাখিছিল। একেদৰে, ২০২৩ চনৰ আগষ্টতেই মহাবিদ্যালয়ৰ বাংলা বিভাগে কটন বিশ্ববিদ্যালয়ৰ বাংলা বিভাগৰ বিভাগীয় প্ৰধান নিৰ্দিষ্ট বক্তা হিচাপে ড° প্ৰশান্ত চক্ৰৱৰ্তীক আমন্ত্ৰণ জনাই 'অসমীয়া আৰু বঙালীৰ মাজৰ সামাজিক-সাংস্কৃতিক আৰু সাহিত্যিক সম্পৰ্কঃ যোগাত্মক দৃষ্টিকোণেৰে' শীৰ্ষক এক মনোজ্ঞ  বক্তৃতনুষ্ঠানৰ আয়োজন কৰি আমাৰ হীৰক জয়ন্তী বৰ্ষ উদযাপনৰ সৌষ্ঠৱ বঢ়াইছিল।

এইসমূহৰ উপৰি মহাবিদ্যালয়ৰ হীৰক জয়ন্তীৰ উপলক্ষত তথা মহাবিদ্যালয়ত নিয়মীয়াকৈ হৈ থকা ছাত্ৰ-ছাত্ৰী, শিক্ষক-কৰ্মচাৰী তথা সমাজৰ বিভিন্ন স্তৰৰ লোকৰ কল্যাণকামী বিভিন্ন নিয়মীয়া কৰ্মসূচী আমাৰ দ্বাৰা ২০২৩-২৪ বৰ্ষটোত পালন কৰি অহা হৈছিল। হীৰক জয়ন্তীৰ উপলক্ষত আৰু কেইটামান বিশেষ কাৰ্যক্ৰমৰ পৰিকল্পনা গ্ৰহণ কৰা হৈছিল যদিও মূলতঃ নতুন পাঠ্যক্ৰমৰ প্ৰৱৰ্তন তথা নিয়মীয়া পৰীক্ষা আদিৰ ব্যস্ততাই আমাক সেইসমূহ বাস্তৱায়িত কৰাৰ সুযোগ প্ৰদান নকৰিলে। তৎসত্বেও, অলপ পলমকৈ হ'লেও আমাৰ মহাবিদ্যালয়ৰ হীৰক জয়ন্তী বৰ্ষৰ সামৰণী অনুষ্ঠানৰ আয়োজন কৰিবলৈ লোৱাৰ এই পৱিত্ৰ আৰু গৌৰৱময় মুহূৰ্তত মই ক'ব খোজোঁ যে এই বছৰটোত  নতুন নতুন, বিশেষ কাৰ্যক্ৰমৰ আয়োজনে  আমাৰ উৎসাহ বৃদ্ধি কৰিছিল। অৱশ্যে, পূৰ্বেও মহাবিদ্যালয়ৰ ইতিহাসত  এনে বিভিন্ন কাৰ্যক্ৰম আমি সফলতাৰে আয়োজন কৰি আহিছোঁ। কেৱল হীৰক জয়ন্তী উদযাপনৰ উপলক্ষত বুলিয়েই নহয়, আহিবলগীয়া বছৰবোৰতো উত্তৰ-পূৰ্বাঞ্চলত বাণিজ্য শিক্ষাৰ এক গৌৰৱময় ধাৰাৰ সূচনা কৰা আমাৰ মহাবিদ্যালয়খনে এনে ধৰণৰ বিভিন্ন কাৰ্যক্ৰমৰ আয়োজনেৰে উচ্চ-শিক্ষানুষ্ঠানখনৰ সফলতাৰ যাত্ৰা অব্যাহত ৰাখিব বুলি মই একান্তই আশাবাদী।

মহাবিদ্যালয়খনৰ হীৰক-জয়ন্তীৰ স্মাৰক-গ্ৰন্থ 'সুগন্ধি-বৈভৱ'ৰ প্ৰস্তুতি আৰু সম্পাদনাৰ ক্ষেত্ৰত দায়িত্ব লোৱাৰে পৰা সম্পাদক ডক্টৰ নৱজ্যোতি দত্তই  নিজৰ বিভাগীয় তথা আন ব্যস্ততা সত্বেও শাৰীৰিক, মানসিক আদি বিভিন্ন দিশত যিখিনি কষ্ট আৰু ত্যাগ  স্বীকাৰ কৰি বিভিন্ন অসুবিধাৰ মাজতো মহাবিদ্যালয়ৰ অতীত বিচাৰিবলৈ যিমান পাৰি চেষ্টা কৰিছে। বিভিন্ন লেখা-আলোকচিত্ৰ আদি  সংগ্ৰহ আৰু সম্পাদনাৰ ক্ষেত্ৰতো তেওঁ যিদৰে নিস্বাৰ্থভাৱে পালন কৰিবলৈ যত্ন কৰিছে, তাক  নিজ চকুৰে নেদেখিলে বা বুজিবলৈ যত্ন নকৰিলে উপলব্ধি কৰিব নোৱাৰি। প্ৰতিটো পদক্ষেপ সম্পাদনা-সমিতি, মহাবিদ্যালয় কৰ্তৃপক্ষ, পৰিচালনা সমিতিৰ সভাপতি মহোদয় তথা হীৰক জয়ন্তী উদযাপন সমিতিৰ সম্পাদকৰ সৈতে আলোচনামূলকভাৱে গ্ৰহণ কৰা সম্পাদকগৰাকীৰ এই প্ৰচেষ্টাৰ  মই শলাগ লৈছোঁ। লগতে, তেওঁৰ দ্বাৰা সম্পাদিত এই  স্মাৰক-গ্ৰন্থখন সকলোৱে আন্তৰিকভাৱে আদৰি লোৱাটো কামনা কৰিছোঁ।

শেষত মই  মহাবিদ্যালয়ৰ হীৰক জয়ন্তী বৰ্ষ উদযাপনৰ পৰিকল্পনাকে ধৰি উদ্বোধনী কাৰ্যক্ৰমৰ পৰা সামৰণী অনুষ্ঠানলৈকে বিভিন্ন দিহা-পৰামৰ্শ আৰু কাম-কাজৰ সফল ৰূপায়ণত সক্ৰিয়তা প্ৰদৰ্শন কৰি এই অভাজনক উৎসাহিত কৰা মহাবিদ্যালয়ৰ সন্মানীয় অধ্যক্ষ মহোদয় ড° খনীন্দ্ৰ মিশ্ৰ ভাগৱতী, পৰিচালনা সমিতিৰ সভাপতি শ্ৰীযুত গোপাল চন্দ্ৰ শৰ্মা ছাৰ প্ৰমুখ্যে সমিতিৰ সমূহ বিষয়ববীয়া তথা সদস্য, মহাবিদ্যালয়ৰ সমূহ শিক্ষক-কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী, প্ৰাক্তন বিদ্যাৰ্থী মঞ্চৰ সভাপতি-সম্পাদক প্ৰমুখ্যে সমূহ বিষয়ববীয়া তথা সদস্য আৰু ডিব্ৰুগড়বাসী তথা মহাবিদ্যালয়ৰ শুভাকাংক্ষী ৰাইজ আৰু আমাৰ হীৰক জয়ন্তীৰ কাৰ্যক্ৰমসমূহৰ প্ৰচাৰত সহযোগিতা আগ বঢ়োৱা সন্মানীয় সংবাদ-মাধ্যম তথা সংশ্লিষ্ট সাংবাদিকসকললৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। মই ভাবোঁ, এনে ধৰণৰ সহযোগিতা আমাৰ মহাবিদ্যালয়খনক ভৱিষ্যতৰ দিনবোৰত  আগতকৈও অধিক সফলতাৰ দিশলৈ আগ বঢ়াই নিয়াত অত্যন্ত সহায়ক হ'ব।

শৈলেন গগৈ

(শৈলেন গগৈ)

সম্পাদক,  হীৰক জয়ন্তী উদযাপন সমিতি

হীৰক জয়ন্তী উদ্‌যাপন বৰ্ষ ঃ ২০২৩-২৪

ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ বাণিজ্য মহাবিদ্যালয়, ডিব্ৰুগড়





# সম্পাদকীয়...

## বণিজৰ বাটেৰে, জগতৰ সভালে'...

অসমৰ লোকসাহিত্যত ৰূপকথাৰ চান্দ সদাগৰৰ বণিজৰ আখ্যান আদিৰ লগতে ইতিহাসৰ পাতত ৰাজ্যখনৰ বাণিজ্যৰ পৰিক্ৰমাৰ উল্লিখন যথাস্থানত পোৱা যায়। আজিৰ তাৰিখতো প্ৰতীকি ৰূপত হ'লেও বৰ্তি থকা 'জোনবিল মেলা'ই তাহানিৰ 'বৰ অসম'ৰ ভৈয়াম আৰু পাহাৰীয়া লোকসকলৰ মাজৰ বিভিন্ন প্ৰয়োজনীয় সামগ্ৰীৰ বিনিময়-প্ৰথাক সোঁৱৰোৱাৰ দৰে এতিয়াও চুবুৰীয়া দেশ ভূটানৰ সৈতে অব্যাহত থকা বজাৰ ব্যৱস্থা, জাগীৰোডৰ এছিয়াৰ সৰ্ববৃহৎ শুকান মাছৰ বজাৰ আদিয়ে আমাৰ বাণিজ্যৰ গৌৰৱ-গাঁথাকে সূচায়। উত্তৰ-পূৰ্বাঞ্চলৰ পাহাৰ-ভৈয়ামৰ বিভিন্ন জনগোষ্ঠীৰ নাৰীসকলে পৰম্পৰাগতভাৱে বিভিন্ন ক্ষেত্ৰৰ উৎপাদক আৰু বিক্ৰেতা হিচাপে আজিৰ তাৰিখত বহু প্ৰচলিত 'Home Delivery' বা 'Door to Door' সেৱাৰ সৈতে নিজকে জড়িত কৰাৰ উদাহৰণে আমাৰ সমাজখনৰ নাৰী সবলীকৰণ তথা গৌৰৱময় বাণিজ্যৰ ইতিহাসকে জানো প্ৰতিনিধিত্ব নকৰেনে?

ঐতিহাসিক কোচ ৰাজ্যই কৃষি, পাট-মুগা আদি বস্ত্ৰশিল্পকে ধৰি বিভিন্ন ক্ষেত্ৰত গুৰুত্ব প্ৰদানৰ সমান্তৰালভাৱে 'নাৰায়ণী মুদ্ৰা' প্ৰৱৰ্তনেৰে যিদৰে অৰ্থনৈতিক উত্তৰণৰ বাবে কাযৰীয়া ৰাজ্য, মোগল-শাসিত ভাৰতৰ লগতে ভূটান, নেপাল, চীনৰ লগতো ব্যৱসায়িক সম্পৰ্ক স্থাপন কৰিবলৈ সক্ষম হোৱাৰ তথ্যই অসমীয়াৰ ব্যৱসায়িক মানসিকতাৰ অৱলোকন কৰোৱায়। একেদৰে, সুনিৰ্দিষ্ট পাইক-প্ৰথাৰে জাতিটোক কৰ্মমুখী কৰি গঢ়ি তোলাৰ সমান্তৰালভাৱে কৃষি আৰু আনুষংগিক ব্যৱসায়তো মনোনিৱেশ কৰা আহোম ৰজাসকলেও মোগল শাসিত ভাৰতৰ লগতে তিব্বত আৰু ভূটানৰ সৈতেও বাণিজ্যিক সম্পৰ্ক ৰক্ষা কৰাটোও মধ্যযুগৰ অসমৰ অৰ্থনৈতিক ইতিহাসৰ এটি গৌৰৱময় দিশ। ইংৰাজসকলে 'বিনিময় প্ৰথা'ৰ ঠাইত মুদ্ৰা প্ৰচলন কৰাৰ সমান্তৰালভাৱে চলোৱা ব্যবসায়িক সন্ধানৰ ফলশ্ৰুতিত অসমৰ বাণিজ্য ঠন ধৰিছিল। ব্যৱসায় সম্প্ৰসাৰণৰ প্ৰচেষ্টাৰেই তেওঁলোকে দক্ষিণ-পূৱ এছিয়াৰ সৈতে বৰ্তমানৰ উত্তৰ-স্বাধীন কালৰ ভাৰত চৰকাৰে 'লুক ইষ্ট পলিচী' আৰু পৰৱৰ্তী সময়ত 'এক্ট ইষ্ট পলিচী' ৰূপায়ণৰ প্ৰয়াস কৰাৰ মাধ্যমস্বৰূপ মাৰ্ঘেৰিটাৰ পৰা ম্যানমাৰৰ মাজেৰে চীনক সংযোগ কৰিব ষ্টীলৰেল পথৰো নিৰ্মাণ কৰোৱাইছিল। সেই সময়ত ইংৰাজ শাসকে চীনৰ সৈতে বিভিন্ন ব্যৱসায়ৰ উপৰি ভূটানৰ সৈতে অব্যাহত ৰখা বিভিন্ন জল পথকেন্দ্ৰিক ব্যৱসায়ৰ কথাও বিভিন্ন ঐতিহাসিক তথ্যই প্ৰকাশ কৰে। স্থানীয়ভাৱে বিভিন্ন সাপ্তাহিক হাট-বজাৰ প্ৰতিষ্ঠা তথা পুনঃউজ্জীৱিত কৰা বৃটিছ শাসকে ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰখনতো বিশেষকৈ চাহকেন্দ্ৰিক বাণিজ্যৰ দিশত অসমক এটি চৰ্চিত নাম কৰি তুলিছিল। এই একবিংশ শতিকাতো কেন্দ্ৰীয় তথা ৰাজ্যিক উভয় চৰকাৰে ব্যৱসায়ৰ দিশত বিভিন্ন সা-সুবিধা উদ্যমীসকলক আগ বঢ়োৱাৰ লগতে ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়তো বাণিজ্যিক সম্পৰ্কৰ বিভিন্ন পথ মুকলি কৰাৰ সুব্যৱস্থা কৰাটো নিশ্চিতভাৱে সুখবৰ।

প্ৰসংগক্ৰমে মনলৈ আহিছে বৃটিছ শাসিত ভাৰতত ব্যক্তিগত পৰ্যায়ত অসমক ব্যৱসায়ৰ ক্ষেত্ৰখনত এখন বহল পৃথিৱীৰ সন্মুখত চিনাকি কৰি দিয়া প্ৰথমজন উত্তৰ-পূৰ্বাঞ্চলবাসী, ঊনবিংশ শতিকাৰ অসমীয়া সাউদ ভোলানাথ বৰুৱাৰ কথা। আনুষ্ঠানিকভাৱে কেৱল স্কুলীয়া শিক্ষাহে গ্ৰহণ কৰিবলৈ সক্ষম হোৱা, নিজৰ যোগ্যতাৰে অসম আৰু অসমীয়াৰ নাম উজ্জ্বলাই যশস্বী ব্যৱসায়ী হোৱা বৰুৱাই তাহানিৰ দিনতে ইংলেণ্ডলৈ গৈ তাৰ ৰাণীক হীৰাৰ হাৰ উপহাৰ দিয়াৰ কথা শুনিলে আচৰিত লাগে। পালতৰা নাৱেৰেই ৰাজ্যত ব্যৱসায় কৰি থকাৰ কালতেই ৰেলসেৱাৰ সপোন দেখি নিজাকৈ ব্যক্তিগত খণ্ডতে ইয়াক কাৰ্যকৰী কৰাৰ কথা ভবা সাউদগৰাকী জানো আমাৰ আদৰ্শ হোৱা উচিত নহয়? ইংৰাজৰ পৰা ব্যৱসায় কৌশল শিকি পৰৱৰ্তী সময়ত আজিৰ দিনৰ টাটা, বিৰলাৰ সমকক্ষ ব্যবসায়ী হোৱাৰ সমান্তৰালভাৱে যৌথ কোম্পানীৰ বাবে বাধ্যতামূলক CSR (Corporate Social Responsibility) ৰ দৰে অতুলনীয় সামাজিক দায়বদ্ধতা প্ৰদৰ্শন কৰি সমকালৰ উৰিষ্যা, বংগ আৰু অসমত ক্ৰমে *Jute Marchant, Timber Prince* আৰু 'দানবীৰ' বুলি চৰ্চিত হোৱা সাউদ গৰাকীয়ে নিজৰ এশ কোটি টকা অৰ্থমূল্যৰ সম্পত্তি ৰাজ্যখনত প্ৰাথমিক শিক্ষাৰ সম্প্ৰসাৰণৰ বাবে উইল কৰি যোৱাটোও ঊনবিংশ শতিকাৰ অসমৰ অৰ্থনৈতিক ইতিহাসৰ এটি গুৰুত্বপূৰ্ণ ঘটনা। অসমৰ চাহ বাগিচাত স্থানীয় যুৱক-যুৱতীৰ সংস্থাপনৰ দূৰদৰ্শী চিন্তাৰে তাহানিতেই নগাঁৱৰ শিলঘাটত কাৰিকৰী প্ৰশিক্ষণৰ বিদ্যালয় প্ৰতিষ্ঠা কৰা অসমীয়া সাউদগৰাকীৰ পৰা আমাৰ জানো একো শিকিবলগীয়া নাই!!

এসময়ৰ নিজৰ ব্যৱসায়িক সহযোগী সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ 'শ্ৰীশ্ৰীশংকৰদেৱ আৰু শ্ৰীশ্ৰীমাধৱদেৱ' নামৰ গ্ৰন্থ, হেমচন্দ্ৰ গোস্বামীৰ 'অসমীয়া ভাষাৰ চানেকি' শীৰ্ষক গ্ৰন্থৰ সাতোটাকৈ খণ্ডৰ লগতে গোস্বামীৰ অন্যান্য গ্ৰন্থৰ প্ৰকাশ তথা কলিকতা বিশ্ববিদ্যালয়ত অসমীয়া ভাষাৰ বিভাগ খুলিবলৈ নগদ দহ হাজাৰ টকাৰ দানৰ লগতে সাউদগৰাকীৰ ব্যৱসায় সন্দৰ্ভত বৌদ্ধিক মহলত চৰ্চিত কথাবোৰে জানো আমাক সাউদগৰাকীৰ দৰে বিশাল স্তৰত ব্যৱসায়ৰ সপোন দেখাৰ বাবে, ইয়াক কাৰ্যকৰী কৰিবৰ বাবে আৰু ইয়াৰ দ্বাৰা নিজৰ,পৰিয়ালৰ লগতে সমাজ, জাতি তথা স্বদেশৰ বাবে কাম কৰি যোৱাৰ ক্ষেত্ৰত অনুপ্ৰাণিত নকৰে?

একেদৰে মাণিক চন্দ্ৰ বৰুৱা, লক্ষ্মীনাথ বেজবৰুৱা, জগন্নাথ বৰুৱা, জ্যোতিপ্ৰসাদ আগৰৱালা, ৰাধাগোবিন্দ বৰুৱা, ৰায়চাহাব হনুমানবক্স কানৈ, যাদুৰাম বৰুৱা, হেমেন্দ্ৰ প্ৰসাদ বৰুৱাৰ দৰে ব্যৱসায়ী ব্যক্তিসকলৰ লগতে অসম তথা ভাৰতত বিশেষভাৱে ব্যৱসায়িক উত্তৰণ ঘটাবলৈ সক্ষম হোৱা আৰু নিজৰ কৰ্মসূচীৰ দ্বাৰা উত্তৰ-পূৰ্বাঞ্চলবাসীকো বণিজৰ প্ৰতি আকৃষ্ট কৰি অহা মাৰোৱাৰীসকল, বাণিজ্যৰ জৰিয়তে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ অন্যান্য লোকসকলক উত্তৰণৰ পথ দেখুওৱা বাঙালীসকলকে ধৰি বাণিজ্যৰ মন্ত্ৰত বিশ্বাসী এই লোকসকলৰ আদৰ্শ আমি জানো গ্ৰহণ কৰিব নোৱাৰোঁ

## আমাৰ মহাবিদ্যালয় ঃ হীৰক জয়ন্তীৰ উপলব্ধি

তেনেবোৰ কথাৰ উপলব্ধিৰেই আজিৰ পৰা চৌযষ্ঠি বছৰ পূৰ্বেই ড° লক্ষীপ্ৰসাদ দত্ত, ড° নিৰ্মল কুমাৰ বসু প্ৰমুখ্যে কেইগৰাকীমান শিক্ষাসদী মনীষীৰ আত্মিক প্ৰয়াসত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ বাণিজ্য মহাবিদ্যালয়ৰ দৰে উত্তৰ পূৰ্বাঞ্চলৰ বাণিজ্যৰ উচ্চশিক্ষাৰ প্ৰথমখন উচ্চ শিক্ষানুষ্ঠানৰ বীজ ৰোপণ হৈছিল। আজিৰ প্ৰেক্ষাপটত উপযুক্ত প্ৰায়োগিক পৰিকল্পনাৰে আগ বাঢ়িলে ব্যৱসায়-বাণিজ্যৰ ক্ষেত্ৰত আমাৰ এই মহাবিদ্যালয়খনৰ বিদ্যাৰ্থীসকলৰ মাজৰ পৰাই ৰাষ্ট্ৰীয়, আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত উজ্জ্বলি উঠিব পৰা ব্যৱসায়ী তথা উদ্যমীৰ জন্ম হ'ব বুলি আমাৰ বিশ্বাস। হীৰক জয়ন্তী বৰ্ষ উদ্যাপন কৰা আমাৰ দৰে বাণিজ্য মহাবিদ্যালয় এখনৰ মজিয়াৰ পৰা এই বাৰ্তাবোৰ সমাজলৈ যাবই লাগিব। কাৰণ-- বাণিজ্যৰ অবিহনে, জাতীয় অৰ্থনীতিৰ উত্তৰণৰ অবিহনে আমাৰ জাতিটো, সমাজখন, আমাৰ সংস্কৃতি সবল ৰূপত জীয়াই থাকিবলৈ স্বাভাৱিকতেই সক্ষম নহ'ব।

## স্মাৰক-গ্ৰন্থ ঃ অভিজ্ঞতাৰ নিৰ্যাস

উত্তৰ-স্বাধীনকালত বিংশ শতিকাৰ ষাঠিৰ দশকতে উত্তৰ-পূৰ্বাঞ্চলত পূৰ্ণাংগ ৰূপত প্ৰতিষ্ঠা হোৱা বাণিজ্য শিক্ষাৰ প্ৰথমখন উচ্চ শিক্ষানুষ্ঠানৰ চাৰি বছৰ পলমকৈ হ'লেও উদ্যাপিত হোৱা বৰ্ষজোৰা হীৰক জয়ন্তী উৎসৱৰ সামৰণী অনুষ্ঠানত প্ৰকাশ কৰিবলৈ লোৱা স্মাৰক-গ্ৰন্থখনৰ সম্পাদকৰ দায়িত্ব এই অভাজনক প্ৰদান কৰি সাহিত্যচৰ্চা তথা সম্পাদনাৰ ক্ষেত্ৰখনত মোৰ অনুভৱ আৰু অভিজ্ঞতাক স্বীকৃতি দিয়াৰ বাবে মই মহাবিদ্যালয় পৰিয়াললৈ কৃতজ্ঞতা প্ৰকাশ কৰিছোঁ। লগতে যিসকল শ্ৰদ্ধেয় লেখক-লেখিকাই আমাৰ অনুৰোধ ৰক্ষা কৰি আমালৈ তেখেতসকলৰ মূল্যবান লেখা প্ৰেৰণ কৰি স্মাৰক-গ্ৰন্থখনৰ প্ৰকাশৰ বাট সুচল কৰি তুলিলে সকলোলৈকে মোৰ আত্মিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। লগতে দুটাকৈ গুৰুত্বপূৰ্ণ লেখা সংগ্ৰহত সহযোগিতা আগ বঢ়োৱাৰ বাবে শিক্ষক, তথা 'যুক্তি বিকাশ সমিতি, অসম'ৰ অন্যতম কৰ্মকৰ্তা শৈলেন গোহাঁই ডাঙৰীয়ালৈও আন্তৰিক ধন্যবাদ যাচিছোঁ। প্ৰাৰম্ভৰে পৰা মোক সম্পাদনাৰ কামৰ ক্ষেত্ৰত দিহা-পৰামৰ্শ প্ৰদান কৰি উপকৃত কৰি থকাৰ বাবে মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ মাননীয় সভাপতি অধ্যাপক গোপাল শৰ্মা ডাঙৰীয়ালৈ মই মোৰ আন্তৰিক শ্ৰদ্ধা যাচিছোঁ। এই স্মাৰক-গ্ৰন্থখন মহাবিদ্যালয়ৰ ঐতিহ্যৰ ছাঁটোও নথকা এখন গ্ৰন্থহে হৈ ৰ'লহেঁতেন, যদিহে মহাবিদ্যালয়খনৰ ঐতিহ্যৰ সন্ধানত মোৰ পৰিকল্পনাৰ লগতে নিজা ধাৰণাৰে হীৰক জয়ন্তী উদ্যাপন সমিতিৰ সভাপতি, স্মাৰক-গ্ৰন্থ সম্পাদনা-সমিতিৰ মুখ্য উপদেষ্টা তথা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° খনীন্দ্ৰ মিশ্ৰ ভাগৱতী ডাঙৰীয়া অহৰ্নিশ মোক তথ্য যোগান আৰু দিহা-পৰামৰ্শ প্ৰদানৰ বাবে সাজু নাথাকিলহেঁতেন! তেখেতে আগ বঢ়োৱা এই সহযোগিতাৰ মই আন্তৰিক শলাগ লৈছোঁ। সমিতিৰ মুখ্য উপদেষ্টা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ 'বাণিজ্য গুৰু' ড° কুমুদ চন্দ্ৰ গোস্বামী ডাঙৰীয়া, অন্যতম উপদেষ্টা তথা মহাবিদ্যালয়ৰ উপাধ্যক্ষ শৈলেন গগৈ ডাঙৰীয়া আৰু আনগৰাকী উপদেষ্টা, মহাবিদ্যালয়ৰ বেংকিং বিভাগৰ বিভাগীয় প্ৰধান ড° টংকপ্ৰসাদ উপাধ্যায় ডাঙৰীয়াই সততে প্ৰদান কৰি অহা দিহা-পৰামৰ্শৰ বাবে আৰু সমিতিৰ বিভিন্ন সদস্যই সমিতিৰ পাঁচোখনকৈ বৈঠকত উপস্থিত থাকি মোক কামবোৰ যথাৰীতি আগ বঢ়াই নিয়াত আৰু সম্পাদনাৰ ক্ষেত্ৰত যথাসম্ভৱ সহযোগিতা আগ বঢ়োৱাৰ বাবে সকলোৰে ওচৰত মই কৃতজ্ঞতা প্ৰকাশ কৰিছোঁ। সম্পাদনা বিষয়ক আৰু আনুষংগিক সকলো কামতে যথাসম্ভৱ সহযোগিতা আগ বঢ়োৱাৰ বাবে সমিতিৰ অন্যতম সহযোগী সম্পাদক ড° বিদিশা মহন্ত, অতি আগ্ৰহেৰে আৰ্হি পাঠ নিৰীক্ষণৰ দায়িত্ব লোৱাৰ বাবে সদস্য অধ্যাপক নাজৰানা হকলৈ আৰু লগতে আৰ্হি পাঠ নিৰীক্ষণত সামান্য হ'লেও সহযোগিতা আগ বঢ়োৱাৰ বাবে অধ্যাপক বাণী কছাৰীলৈ বিশেষভাৱে ধন্যবাদ যাচিছোঁ। স্মাৰক-গ্ৰন্থখনত প্ৰকাশিত লেখাসমূহৰ প্ৰায়সমূহেই পলমকৈ আমাৰ হাতত পৰাৰ বাবেই হওক অথবা ২০২৩-২৪ বৰ্ষটোত 'নতুন ৰাষ্ট্ৰীয় শিক্ষানীতি- ২০২০'ৰ অধীনত নতুন পাঠ্যক্ৰমৰ প্ৰৱৰ্তনকে ধৰি অধ্যাপকসকলৰ কামত আহি পৰা বিভিন্ন ব্যস্ততা আৰু স্মাৰক-গ্ৰন্থখনৰ চূড়ান্ত প্ৰস্তুতিৰ সময়ছোৱাত গ্ৰীষ্ম বন্ধ আহি পৰাত পূৰ্ব নিৰ্ধাৰিত কাৰ্যক্ৰমৰ বাবে সমিতিৰ সদস্যসকলে ইচ্ছা থাকিলেও সকলোৰে হয়তোবা বিচৰা ধৰণেৰে সহযোগিতা আগ বঢ়াব নোৱাৰিলে। সেয়েহে যথাসম্ভৱ সকলো ধৰণেৰে কষ্ট স্বীকাৰ কৰাৰ পাছতো মই যে স্মাৰক-গ্ৰন্থখনৰ সম্পাদনা তথা আনুষংগিক কামবোৰত মোৰ পৰিকল্পনা অনুসৰি মোৰ অনুভৱ আৰু অভিজ্ঞতাক কামত লগাব পৰা নাই এই কথা মই স্বীকাৰ কৰোঁ। এই স্মাৰক-গ্ৰন্থখনৰ সম্পাদনাৰ কামটোৰ সুদীৰ্ঘ প্ৰক্ৰিয়াত যি অভূতপূৰ্ব অভিজ্ঞতা লাভ কৰিলোঁ, সেয়া মোৰ সদায়েই মনত থাকিব। অক্ষৰবিন্যাসৰ পৰা ছপা কৰালৈকে সকলোখিনি সুন্দৰকৈ সম্পাদন কৰি গ্ৰন্থখনি পাঠকৰ হাতত তুলি দিয়াৰ বাবে 'ক্ৰিয়েটিভ ডিজাইন'ৰ স্বত্বাধিকাৰ আশিস দেবনাথ প্ৰমুখ্যে কৰ্মচাৰীবৃন্দৰ আন্তৰিক শলাগ ল'লোঁ। 'সুগন্ধি বৈভৱ'ত আমাৰ মহাবিদ্যালয়খন, বাণিজ্য চিন্তা, সাহিত্য-চিন্তা তথা ডিব্ৰুগড়ৰ ঐতিহ্যৰ প্ৰতিফলন সামান্যভাৱে হ'লেও হোৱা বুলি কোনো যোগাত্মক চিন্তাৰ পাঠকে ভাবিলে, সেয়াই মোৰ বাবে পৰম প্ৰাপ্তি হ'ব বুলি মই অনুভৱ কৰিছোঁ। আমাৰ সকলোৰে মৰমৰ মহাবিদ্যালয়খনক ইয়াৰ বৈভৱৰ সুগন্ধিয়ে সমাগত সময়তো আমোলমোলাই ৰাখক! এই কামনাৰে...

বিনয়াৱনত

**(ড° নৰজ্যোতি দত্ত)**
**সম্পাদক 'সুগন্ধি বৈভৱ'**

# বিষয়-ক্ৰমণিকা



## বাটচ'ৰা


- ডিব্ৰুগড় হনুমানবক্স সূৰজমল কানৈ বাণিজ্য মহাবিদ্যালয় ঃ ঐতিহ্য আৰু উত্তৰণৰ ছয় দশকৰ সুদীৰ্ঘ পৰিক্ৰমা
  **গোপাল চন্দ্ৰ শৰ্মা** / ২১
- কানৈ বাণিজ্য মহাবিদ্যালয় ঃ পুৰণি তথ্যৰ অৱলোকন
  **ড° খনীন্দ্ৰ মিশ্ৰ ভাগৱতী** / ২৬


## চিন্তন


- মোৰ সপোনৰ অসম
  **নগেন শইকীয়া** / ৩০


## ঐতিহ্য-স্মৰণ


- Reminiscences of an old associate of D.H.S.K Commerce College
  **P.C. Jain** / ৩৬
- Background of D.H.S.K. Commerce Colege, Dibrugarh
  **Safauddin Ahmed** / ৩৯
- মোৰ কলেজীয়া জীৱনৰ শিক্ষা আৰু গতি
  **প্ৰশান্ত ফুকন** / ৪১
- DHSK Commerce College : A Grandson's Reflection on the Enduring Legacy of Hanumanbux ji Kanoi
  **Jyoti Prasad Kanoi** / ৪৩
- Down The Memory Lane
  **Prasanta Banerjee** / ৪৫
- L. P. Dutt : Some Reminiscences
  **Rupnanda Dutt** / ৪৭
- Dr. L. P. Dutta : In the Eyes of Late Safauddin Ahmed
  **Nasreen Begum** / ৪৮
- নিৰ্মল বসু ছাৰ আৰু কানৈ কমাৰ্চ কলেজ
  **শ্যামলী বসু** / ৪৯
- DHSK Commerce College- A college of Memories and a Family Legacy
  **S. K. Barua** / ৫১
- কলেজীয়া জীৱনৰ স্কেচ্
  **মনজিৎ বৰা** / ৫৩
- মোৰ কলেজীয়া দিনৰ কিছু স্মৃতি ৰোমন্থন
  **ড° সূৰ্য্যকান্ত হাজৰিকা** / ৫৬

## বাণিজ্য-চিন্তা


- Need For Popularaising Commerce Education
  **Dr. Devadas Bhorali** / ৭৩
- জ্যোতিপ্ৰসাদ আগৰৱালা আৰু ব্যৱসায়
  **দেৱীপ্ৰসাদ বাগড়োদিয়া** / ৭৫
- Agricultural Export Scenario of NER With Bhutan & Bangladesh
  **Bibhuti Dutta** / ৮০
- The Changing Scenario of MSME in Assam (with special reference to Dibrugarh district)
  **Moon Moon Sarmah** / ৮৪
- Jaduram Barooah: Architect of Dibrugarh's Commercial Renaissance
  **Dr. Anita Baruwa** / ৮৯
- আমাক স্মাৰ্ট গাঁৱো লাগিব
  **ড° লোহিত শইকীয়া** / ৯২
- অসমত মাৰোৱাৰী
  **দেৱীপ্ৰসাদ বাগড়োদিয়া** / ৯৪


## সাহিত্য-সুষমা


- অসমীয়া অনুবাদ সাহিত্যৰ ধাৰা
  **নীৰাজনা মহন্ত বেজবৰা** / ৯৭
- 'উপলা নদীৰ দৰে' ঃ মহেন্দ্ৰ বৰাৰ মনোৰম আত্মাৱলোকন
  **ড° জয়ন্ত কুমাৰ বৰা** / ১০১
- ব্যক্তিত্ব গঠনৰ পাঠ আৰু লক্ষ্মীনাথ বেজবৰুৱাৰ চিন্তাৰ প্ৰাসংগিকতা
  **পল্লৱী ডেকা বুজৰবৰুৱা** / ১০৭




## ডিবৰু-কথা


- ডিব্ৰুগড় তথ্যৰ দাপোণত অতীতৰ এডোখৰ
  **প্ৰসেনজিৎ চৌধুৰী** / ১১২
- পঞ্চাশৰ বৰভূঁইকপ আৰু ছগৰাকী মানৱ-হিতৈষী
  **ভূষণজ্যোতি সন্দিকৈ** / ১১৫
- ডিব্ৰুগড়ৰ ঐতিহ্য ঃলোকগীতত অনুৰণন
  **টুনুজ্যোতি গগৈ** / ১২১
- দুৰ্গাপ্ৰভা-হেমপ্ৰভা-অমলপ্ৰভা-ৰাজবালা ঃ ডিব্ৰুগড়ৰ নাৰীৰ উচ্চ শিক্ষাৰ ক্ষেত্ৰখনৰ চাৰিগৰাকী বাটকটীয়া নাৰী
  **গায়ত্ৰীদেৱী গোস্বামী** / ১২৮
- ডিব্ৰুগড়ত বিজ্ঞান সচেতনতাৰ এটি ৰেঙনি
  **পৰমানন্দ মহন্ত** / ১৩৩
- ডিব্ৰুগড় জিলাৰ 'মটক জনগোষ্ঠী' ঃ এক সমীক্ষা
  **ড° কৰবী বৰুৱা গগৈ** / ১৩৭
- ডিব্ৰুগড়ৰ নাট্য চৰ্চা
  **মুনীন শৰ্মা** / ১৪৩
- অসমীয়া শিশু-সাহিত্য ঃ ডিব্ৰুগড়ৰ অৱদান
  **প্ৰসেনজিৎ কুমাৰ গোস্বামী** / ১৫০

- ডিব্ৰুগড়ৰ চিকিৎসা সেৱা ঃ ঐতিহ্য আৰু উত্তৰণ
  **ডাঃ প্ৰণয় ফুকন** / ১৫৫
- ডিবৰুৰ আইন জগত
  **বিশ্বজিৎ বৰুৱা** / ১৫৮
- আকাশবাণী ডিব্ৰুগড় আৰু উজনি অসমৰ শৈক্ষিক-সাংস্কৃতিক তথা আৰ্থসামাজিক জাগৰণ
  **লোহিত ডেকা** / ১৬৪
- দিহিং-পাটকাই ৰাষ্ট্ৰীয় উদ্যান
  **সৌম্যদ্বীপ দত্ত** / ১৬৮
- ইতিহাসৰ পম খেদি ঃ ডিব্ৰুগড়ৰ সংবাদ সাহিত্য
  **ইকবাল আহমেদ** / ১৭৩
- ডিব্ৰুগড় সাহিত্য সভা ঃ ইতিহাসৰ পম খেদি
  **বিভাস দুৱৰা** / ১৭৭
- চলচিত্ৰ জগতঃ ডিব্ৰুগড়ৰ অৱদান
  **শৈলেন্দ্ৰ কুমাৰ দত্ত** / ১৮০
- ডিব্ৰুগড়ৰ গ্ৰন্থ ব্যৱসায় ঃ তেতিয়াৰ আৰু এতিয়াৰ
  **ড° বিদিশা মহন্ত** / ১৮৩
- ডিব্ৰুগড়ৰ গ্ৰন্থাগাৰ সেৱা ঃ ঐতিহ্য আৰু উত্তৰণ
  **দীপিকা দাস** / ১৮৬
- সুৰৰ মায়াৰে মন্ত্ৰমুগ্ধ কৰা ডিব্ৰুগড়ৰ চাৰিগৰাকী শিল্পী
  **প্ৰাঞ্জল পাত্ৰ** / ১৯০




## নতুনৰ বাটেৰে...


- বাণিজ্যৰ পৰা সাহিত্যৰ পৰিক্ৰমালৈ ঃ এক সুৰীয়া যাত্ৰা
  **ললিত শৰ্মা** / ১৯৮
- D.H.S.K. Commerce College 2014-2024 : An Overview
  **Tanka Prasad Upadhaya** / ২০০
- DHSK Commerce College Alumni Association (DHSKCCAA) : A Brief Profile
  **Pawan Kumar Garodia**
  **Jecob Konwar** / ২০৫
- Dr. L. P. Dutt Library : An Introduction
  **Sangeeta Sensua Gogoi / Dipankar Debnath** / ২০৭
- Tracing the Historical Trajectory of The BANIJYA DARPAN: Celebrating Academic Excellence and Social Consciousness
  **Dr. Kasturi Saikia**
  **Nazrana Haque** / ২০৯


## স্মৃতিসুধা


- My Alma Mater
  **Navaneeta Das Skinner** / ২১৭

- আমাৰ মহাবিদ্যালয়, আমাৰ গৌৰৱ
  **পৱন কুমাৰ গাৰোদিয়া** / ২১৮
- DHSK Commerce College : Some Musings
  **Protim Boruah** / ২১৯
- বিষ্ণুপ্ৰসাদ চক্ৰৱৰ্তী আৰু কানৈ বাণিজ্য মহাবিদ্যালয়
  **সঞ্জীৱ চক্ৰৱৰ্তী** / ২২০
- Remeniscence
  **Pulin Rajbongshi** / ২২১
- Those Golden Days...
  **Binita Jain** / ২২২
- Reminiscence of DHSK Commerce College ...
  **Unmesh Kumar Jain** / ২২৩
- My Librarian Father and DHSK Commerce College
  **Ranjan Phukon** / ২২৪
- মহাবিদ্যালয়ৰ এমুঠি স্মৃতি...
  **ঘনলতা চাহু** / ২২৪
- কানৈ কমাৰ্চ কলেজ ঃ অতীতৰ সোঁৱৰণী...
  **চিত্ৰ গগৈ** / ২২৫
- My Days at DHSK Commerce College
  **Maitrayee Chaliha** / ২২৬
- কানৈ বাণিজ্য মহাবিদ্যালয় আৰু মই
  **মৈত্ৰেয়ী বৰুৱা ভৌমিক** / ২২৭
- প্ৰয়াত পিতৃ কৰুণাকান্ত চৌধুৰী আৰু কানৈ বাণিজ্য মহাবিদ্যালয়
  **জয়শ্ৰী চৌধুৰী** / ২২৯
- কানৈ বাণিজ্য মহাবিদ্যালয়ৰ সৈতে মোৰ স্মৃতি বিজড়িত অলপমান কথা
  **গোপাল কৃষ্ণ ঘোষ** / ২৩০
- অতীতৰ সোঁৱৰণী
  **চনম আগৰৱালা** / ২৩৪
- ডিব্ৰুগড় হনুমানবক্স কানৈ বাণিজ্য মহাবিদ্যালয় আৰু মোৰ ব্যক্তিগত অনুভৱৰ অভিব্যক্তি
  **জগদীশ ভৰালী** / ২৩৬
- My Days at DHSK Commerce College
  **Neeta Agarwal** / ২৩৭
- স্মৃতিৰ মণিকোঠাত এভুমুকি
  **প্ৰদীপ্ত ভট্টাচাৰ্য** / ২৩৮
- সোঁৱৰণিৰ দীঘলীয়া আলিবাট
  **শৈলেন গগৈ** / ২৩৯




## বিবিধা


- আলোকচিত্ৰ / ৬৫-৭২ আৰু ২৪১-২৬৪
- মহাবিদ্যালয় আৰু হীৰক জয়ন্তী উদ্‌যাপন বিষয়ক বিভিন্ন তথ্য / ২৬৫-২৮৮

# ডিব্ৰুগড় হনুমানবক্স সূৰজমল কানৈ বাণিজ্য মহাবিদ্যালয় ঃ ঐতিহ্য আৰু উত্তৰণৰ ছয় দশকৰ সুদীৰ্ঘ পৰিক্ৰমা

গোপাল চন্দ্ৰ শৰ্মা

ডিব্ৰুগড় হনুমানবক্স সূৰজমল কানৈ বাণিজ্য মহাবিদ্যালয় উত্তৰ-পূৰ ভাৰতৰ বাণিজ্য শিক্ষাৰ প্ৰথমখন পূৰ্ণাংগ উচ্চ শিক্ষানুষ্ঠান। অৱশ্যে, ইয়াৰ আগতে ১৯৪৪ চনত যোৰহাটৰ জগন্নাথ বৰুৱা মহাবিদ্যালয়ত বাণিজ্য শাখা প্ৰতিষ্ঠাৰ মাধ্যমত উত্তৰ-পূৰ ভাৰতত বাণিজ্যৰ উচ্চ শিক্ষাৰ শুভাৰম্ভণি ঘটিছিল। মহাবাহু ব্ৰহ্মপুত্ৰৰ পাৰত স্বৰ্ণিল শৈক্ষিক ইতিহাস ৰচনা কৰি এই ঐতিহ্যমণ্ডিত মহাবিদ্যালয়খনে ইতিমধ্যে প্ৰতিষ্ঠাৰ গৌৰৱময় ৬৪টা বৰ্ষ সম্পূৰ্ণ কৰিছে। অনিবাৰ্য কাৰণত পলমকৈ আয়োজন কৰিবলগীয়া হোৱা মহাবিদ্যালয়খনৰ বৰ্ষজোৰা হীৰক জয়ন্তী উদ্‌যাপনৰ সামৰণী অনুষ্ঠানটিৰ অংশীদাৰ হ'বলৈ পাই এই লেখকে অতিশয় গৌৰৱ অনুভৱ কৰিছোঁ।

স্বাধীনোত্তৰ কালৰ আৰম্ভণিৰে পৰাই অৰ্থাৎ ১৯৪৭ চনৰ পৰাই ডিব্ৰুগড় হনুমানবক্স সূৰজমল কানৈ মহাবিদ্যালয়ত পুৱাৰ শাখাত 'ইণ্টাৰমিডিয়েট অব কমাৰ্চ' (I. Com.)ৰ বাণিজ্য শিক্ষাৰ পাঠদান সম্পন্ন হোৱাৰ তথ্য পোৱা যায়। পাছলৈ অৱশ্যে বাণিজ্য শাখাৰ শ্ৰেণীসমূহ গধূলিৰবেলিকাহে অনুষ্ঠিত হৈছিল। বাণিজ্য শিক্ষাৰ প্ৰতি আগ্ৰহী ছাত্ৰৰ সংখ্যা বৃদ্ধি পোৱাত এখন পূৰ্ণাংগ বাণিজ্য মহাবিদ্যালয় স্থাপনৰ বাবে ১৯৫৯ চনত কানৈ মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাত এক সিদ্ধান্ত গৃহীত হয়। সেই সূত্ৰে, ১৯৬০ চনৰ ১৫ জুনত কানৈ কলেজৰ চৌহদতে কানৈ বাণিজ্য মহাবিদ্যালয়ৰ জন্ম হয়। ব্যক্তিগত জীৱন সংগ্ৰামৰ সহস্ৰ প্ৰতিবন্ধকতাক আওকাণ কৰিও কেইগৰাকীমানৰ পোহৰ-সন্ধানী ব্যক্তিয়ে নিঃস্বাৰ্থ সেৱাৰ মনোভাৱেৰে বাণিজ্য শিক্ষাৰ এখন পূৰ্ণাংগ মহাবিদ্যালয়ৰ গুৰুত্ব উপলব্ধি কৰি এই জ্ঞানবৃক্ষৰ বীজ ৰোপণ কৰিছিল। মহাবিদ্যালয়খনৰ হীৰক জয়ন্তী বৰ্ষ উদ্‌যাপনৰ সামৰণী অনুষ্ঠানৰ এই মাহেন্দ্ৰ ক্ষণত সেইসকল মহান মনীষীৰ পবিত্ৰ প্ৰচেষ্টাৰ প্ৰতি গভীৰ শ্ৰদ্ধাৰ অঞ্জলি যাচিছোঁ।

জ্ঞান অন্বেষণ আৰু বিদ্যায়তনিক ক্ষেত্ৰখনত তাহানিৰে পৰাই ডিব্ৰুগড়ত অব্যাহত থকা অধ্যয়ন আৰু সৃষ্টিশীলতাৰ পৰিৱেশে সুধী সমাজক উদ্বুদ্ধ কৰি আহিছে। উত্তৰ-পূৰ্বাঞ্চলত বাণিজ্যৰ উচ্চশিক্ষাৰ বাটকটীয়া এই মহাবিদ্যালয়খনৰ বিকাশ আৰু উত্তৰণতো বহুকেইগৰাকী বৰেণ্য ব্যক্তিৰ অৱদান অতুলনীয় আৰু স্মৰণীয়। সেইসকলৰ ভিতৰত প্ৰথমেই প্ৰয়াত শিক্ষাবিদ ড° লক্ষীপ্ৰসাদ দত্তৰ নাম ল'ব লাগিব। ১৯১৭ চনৰ ১৬ ফেব্ৰুৱাৰীত ডিব্ৰুগড় নগৰত জন্ম লাভ কৰা প্ৰয়াত শিক্ষাবিদগৰাকীয়ে কলিকতা বিশ্ববিদ্যালয়ৰ পৰা বুৰঞ্জী বিষয়ত স্নাতকোত্তৰ শিক্ষা লাভ কৰাৰ উপৰি ১৯৪৩ চনত গুৱাহাটী আইন মহাবিদ্যালয়ৰ পৰা আইন শিক্ষাৰ এল.এল.বি. ডিগ্ৰী লৈছিল। তেখেত আছিল কানৈ বাণিজ্য মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ। এগৰাকী দক্ষ প্ৰশাসক হিচাবে তেখেতে একে সময়তে কানৈ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ পদৰ উপৰি কানৈ মহাবিদ্যালয়ৰো উপাধ্যক্ষৰ দায়িত্ব পালন কৰি দুয়োখন মহাবিদ্যালয়ৰ প্ৰশাসন কাৰ্য অতি নিয়াৰিকৈ পৰিচালনা কৰিছিল। তেখেত ডিব্ৰুগড় হনুমানবক্স সূৰজমল কানৈ আইন মহাবিদ্যালয়খনৰো প্ৰতিষ্ঠাপক অধ্যক্ষ আছিল।

১৯৬৫ চনত কানৈ বাণিজ্য মহাবিদ্যালয়তে গধূলিৰ ভাগত এই আইন মহাবিদ্যালয়খনৰ শ্ৰেণীসমূহ আৰম্ভ কৰাৰ কিছু বছৰৰ পাছত মহাবিদ্যালয়খন বৰ্তমান ডিব্ৰুগড় চহৰৰ ৰে'ড ক্ৰছ পথৰ

*লেখক আমাৰ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ, অৰ্থনীতি বিভাগৰ প্ৰাক্তন অধ্যাপক তথা বিভাগীয় প্ৰধান আৰু সম্প্ৰতি মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি।*

কাষত থকা নিজা মাটি আৰু কানৈ পৰিয়ালে দান কৰা ভৱনলৈ স্থানান্তৰ কৰা হয়। কানৈ বাণিজ্য মহাবিদ্যালয়তে গধূলিৰ সময়ছোৱাত আইন মহাবিদ্যালয়ৰ শ্ৰেণীসমূহ চলি থকাৰ সময়ছোৱাতে ১৯৭০-৭১ চন মানত এই লেখকৰ আইন মহাবিদ্যালয়ৰ প্ৰথম বাৰ্ষিকত নামভৰ্তি কৰাৰ সৌভাগ্য ঘটিছিল। তেতিয়া অধ্যক্ষ আছিল ড° লক্ষ্মীপ্ৰসাদ দত্তদেৱ। তেখেতৰ প্ৰশাসনীয় দক্ষতাৰ বাবে ৰাতি চলা মহাবিদ্যালয়খনৰ শ্ৰেণীসমূহ অতি নিয়মীয়াকৈ চলিছিল। শিক্ষকসকলৰ বাবে বেলেগ জিৰণি চ'ৰা নাছিল। তেখেতৰ সন্মুখতে সকলো অধ্যাপকক বহাৰ বাবে ব্যৱস্থা কৰি দিছিল।

১৯৭১-৭২ বৰ্ষত ডিব্ৰুগড় বিশ্ববিদ্যালয়ে আমাৰ মহাবিদ্যালয়ক এম. কম. শ্ৰেণী আৰম্ভ কৰাৰ বাবে অনুমতি প্ৰদান কৰিছিল। সৌভাগ্যবশতঃ এই স্নাতকোত্তৰ শ্ৰেণীত অৰ্থনীতি বিষয়ৰ পাঠদান কৰাৰ সুযোগ এই লেখকেও লাভ কৰিছিলোঁ। স্নাতকোত্তৰ শ্ৰেণীৰ বিশ্ববিদ্যালয়ৰ পৰীক্ষাৰ ফলাফল অতি উচ্চ স্তৰৰ আছিল। ডিব্ৰুগড় বিশ্ববিদ্যালয়ে নিজাকৈ বাণিজ্যৰ স্নাতকোত্তৰ শ্ৰেণী আৰম্ভ কৰাৰ বাবে ১৯৭৭ চনত আমাৰ মহাবিদ্যালয়ত চলি থকা এম. কম. শ্ৰেণীসমূহ বন্ধ কৰি দিয়া হৈছিল। ২০১৯ চনত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা মহাবিদ্যালয়খনে পুনৰ বাণিজ্যৰ স্নাতকোত্তৰ পাঠ্যক্ৰম প্ৰৱৰ্তনৰ অনুমতি লাভ কৰে। বৰ্তমানলৈকে মহাবিদ্যালয়ৰ স্নাতকোত্তৰ শিক্ষাৰ্থীসকলে বিশ্ববিদ্যালয়ৰ পৰীক্ষাত প্ৰদৰ্শন কৰা ফলাফল খুবেই সন্তোষজনক।

লক্ষণীয় কথাটো হ'ল যে ড° লক্ষীপ্ৰসাদ দত্তৰ পৰৱৰ্তী সময়ত অধ্যক্ষ ড° নিৰ্মল কুমাৰ বসুদেৱে কানৈ বাণিজ্য মহাবিদ্যালয়ক সুচাৰুৰূপে নেতৃত্ব দি মহাবিদ্যালয়খনক মহিমামণ্ডিত কৰি তুলিছিল। মহাবিদ্যালয়খনৰ উত্তৰণত তেখেতৰ অৱদান স্মৰণীয়। সদালাপী আৰু মৃদুভাষী গুণৰ বাবে তেখেত সকলোৰে শ্ৰদ্ধাৰ পাত্ৰ হৈ পৰিছিল। তেখেতৰ পাছত অধ্যক্ষ হিচাপে সেৱা আগ বঢ়োৱা প্ৰয়াত প্ৰেমচান্দ জৈন, প্ৰয়াত চাফাউদ্দিন আহমেদ, প্ৰয়াত ড° চন্দ্ৰদেউ মিশ্ৰ, প্ৰয়াত মনোমোহন দাস আদিৰ লগতে অধ্যাপক তথা ভাৰপ্ৰাপ্ত অধ্যক্ষ প্ৰয়াত ঘনশ্যাম অধিকাৰী, প্ৰয়াত উপাধ্যক্ষ বিষ্ণুপ্ৰসাদ চক্ৰৱৰ্তীৰ লগতে প্ৰয়াত শৈলেন কুমাৰ বৰুৱা আদিৰ উপৰি শ্ৰীযুত প্ৰবোধ চন্দ্ৰ মেধি, প্ৰয়াত নগেন চন্দ্ৰ দাস, ড° লক্ষানন্দ পাঠক আদি অধ্যাপকসকলৰ সান্নিধ্য লাভৰ সৌভাগ্য এই লেখকৰ হৈছিল। এইসকল ব্যক্তিয়ে স্ব-মহিমাৰে মহাবিদ্যালয়খনৰ উত্তৰণ আৰু বিকাশত সাধ্যানুসাৰে যথাসম্ভৱ অৱদান আগবঢ়াই থৈ গৈছে।

প্ৰয়াত অধ্যক্ষ মনোমোহন দাস ডাঙৰীয়াই এবাৰ স্বাস্থ্যজনিত কাৰণত এমাহ ছুটীত আছিল আৰু মোক এমাহৰ বাবে অধ্যক্ষৰ দায়িত্ব দিছিল। এই এমাহ সময়ৰ সৎ ব্যৱহাৰৰ বাবে মই দুটা কথা চিন্তা কৰি মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰীসকলৰ এখন সভা আহ্বান কৰি দুটা প্ৰস্তাৱ দাঙি ধৰিছিলোঁ। প্ৰথমটো হ'ল 'বিশ্ববিদ্যালয় অনুদান আয়োগ'ৰ পৰা আন্তঃগাঁথনি নিৰ্মাণৰ বাবে অনুদান আনিবৰ বাবে প্ৰচেষ্টা চলোৱা আৰু দ্বিতীয়টো হ'ল আয়োগৰ পৰা ইতিমধ্যে লাভ কৰা পুঁজিৰে পঢ়াত পাছ পৰি থকা ছাত্ৰ-ছাত্ৰীসকলক Remedial class ৰ সুবিধা প্ৰদান কৰি ছাত্ৰ-ছাত্ৰীসকলৰ উপকাৰ সাধন কৰা। দুয়োটা প্ৰস্তাৱকে সকলোৱে কেৱল সমৰ্থন জনোৱাই নহয়, ইয়াক বাস্তৱায়িত কৰাৰ বাবে আন্তৰিকতাৰে সক্ৰিয় সহযোগিতাও আগ বঢ়াইছিল। দুদিনমানৰ ভিতৰতে মই নিজে গুৱাহাটীস্থিত 'বিশ্ববিদ্যালয় অনুদান আয়োগ'ৰ আঞ্চলিক কাৰ্যালয়ত উপস্থিত হৈ প্ৰয়োজনীয় নথি-পত্ৰৰে সৈতে সংশ্লিষ্ট আবেদন-পত্ৰ জমা দিছিলোঁগৈ। কেইদিনমান পাছতে আয়োগৰ ফালৰ পৰা আমাৰ মহাবিদ্যালয়ক সাত লাখ টকাৰ পুঁজি আবণ্টন দিয়া হৈছে বুলি খবৰ আহিছিল। এই পুঁজিৰে ড° লক্ষীপ্ৰসাদ দত্তদেৱৰ নামত উৎসৰ্গিত পুথিভঁৰাল ভৱনটোৰ প্ৰথম মহলাটো নিৰ্মাণ কৰা হৈছিল। Remedial class বিলাকতো অধ্যাপক-অধ্যাপিকাসকলে নিয়মীয়াকৈ পাঠদান কৰিছিল।

বৰ্তমানৰ অধ্যক্ষ ড° খনীন্দ্ৰ মিশ্ৰ ভাগৱতীয়ে অধ্যক্ষৰ দায়িত্ব লোৱাৰ পাছত যোৱা প্ৰায় এটা দশকৰো অধিক সময়ছোৱাত মহাবিদ্যালয়খনৰ পৰিকাঠামোলৈ বিভিন্ন পৰিৱৰ্তন অহাটো সচেতন ব্যক্তি মাত্ৰেই প্ৰত্যক্ষ কৰিছে। পূৰ্বে মহাবিদ্যালয়ৰ মূল পুৰণি ভৱনটোৰ লগত পিছফালে 'ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ স্বেচ্ছাসেৱকৰ সহযোগত নিৰ্মিত অসম আৰ্হিৰ এটা প্ৰেক্ষাগৃহ আছিল। কোনো বিশেষ অনুষ্ঠান নোহোৱা সময়খিনিত এই দীঘলীয়া হলঘৰটো দুটা শ্ৰেণীকোঠা হিচাপেও ব্যৱহাৰ হৈছিল। ইয়াৰ ঠিক কাষতেই সংলগ্ন হৈ আছিল চতুৰ্থ বৰ্গৰ কৰ্মচাৰীৰ আৱাস। সেই অসম আৰ্হিৰ ঘৰটোৰ অৱস্থা পাছলৈ ক্ৰমে বেয়া হ'বলৈ ধৰাত মেৰামতি কৰি ২০২০ চনলৈকে যেনেতেনে ব্যৱহাৰ কৰি থকা হৈছিল। পৰৱৰ্তী সময়ত ২০২১ চনত এই ঘৰটোৰ ঠাইত এটা কেইবামহলীয়া ভৱন নিৰ্মাণ কৰা হয়। এই বিষয়ে এই লেখাতেই যথাস্থানত উল্লেখ কৰা হৈছে।

প্ৰাথমিক পৰ্যায়ত অসম চৰকাৰৰ পৰা পৰিকাঠামো উন্নয়নৰ বাবদ লাভ কৰা ৯৯.৫০ লাখ টকাৰ সৈতে মহাবিদ্যালয়ৰ অলপ নিজা পুঁজি যোগ কৰি মহাবিদ্যালয়ৰ মূল পুৰণি ভৱনটোক

সংলগ্ন কৰি সোঁফাল, বাওঁফাল আৰু মাজৰ ভৱনৰ নিৰ্মাণকাৰ্য ২০১৪ চনতে আৰম্ভ কৰা হৈছিল। ২০১৬ চনৰ ১ আগষ্ট তাৰিখে সম্প্ৰসাৰিত ভৱনৰ তিনিওটা অংশ ক্ৰমে সম্প্ৰসাৰিত ভৱন 'ক', 'খ' আৰু 'গ' অংশ উন্মোচন কৰা হয় । অৱসৰপ্ৰাপ্ত অধ্যাপক ইমৰান হুছেইন, ঘনশ্যাম অধিকাৰী আৰু মোৰো এটা অংশ উন্মোচন কৰাৰ সৌভাগ্য ঘটে । এই নিৰ্মাণকাৰ্যই মহাবিদ্যালয়ৰ আন্তঃগাঁথনিৰ ক্ষেত্ৰত এক উল্লেখযোগ্য ভূমিকা পালন কৰিলে। সুকীয়া ছাত্ৰ-জিৰণি কোঠা, ছাত্ৰী জিৰণি কোঠা, 'ৰাষ্ট্ৰীয় সেৱা আচঁনি'ৰ কোঠা, 'ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী'ৰ কোঠা, মহিলা কোষৰ কোঠা, 'আভ্যন্তৰীণ মান নিশ্চয়তা কোষ'ৰ কোঠা, সৰুকৈ হ'লেও শিশু ওমলা কোঠা, চতুৰ্থ বৰ্গৰ আৱাস আৰু পিছলৈ ব্যায়ামাগাৰৰ সুবিধাৰ উপৰি শ্ৰেণীকোঠাৰ সংখ্যা বৃদ্ধি কৰা তথা ছাত্ৰ একতা সভাৰ কোঠা, পৰিকলন-কক্ষ, স্নাতকোত্তৰ শ্ৰেণীৰ বাবে প্ৰয়োজনীয় কোঠা তথা কাৰ্যালয়ৰো ব্যৱস্থা কৰা হয়।

মহাবিদ্যালয়ৰ পুৰণি ভৱনটোৰ লগত থকা পিছফালৰ পুৰণি অসম আৰ্হিৰ ভৱনটোৰ অৱস্থা বেয়া হ'বলৈ ধৰাত তাক ভাঙি 'ৰাষ্ট্ৰীয় উচ্চতৰ শিক্ষা অভিযানৰ আঁচনি'ৰ অধীনত প্ৰশাসনিক আৰু শৈক্ষিক ভৱনৰ নামত লাভ কৰা পুঁজিৰে ভৱিষ্যতৰ বাবে অতি কমেও ৬ মহলাৰ ভৱনৰ লগতে লিফ্‌টৰো সুবিধা ৰাখি নতুন ভৱনৰ এটা ভেটি নিৰ্মাণৰ কাম ৭ নৱেম্বৰ, ২০২১ত আৰম্ভ কৰা হয়। সকলোৰে উপস্থিতিত মাননীয় বিধায়ক শ্ৰীযুত প্ৰশান্ত ফুকন ডাঙৰীয়াই এই নতুন ভৱনৰ নিৰ্মাণ কাৰ্যৰ শিলান্যাস কৰে। উল্লিখিত পুঁজিৰ সাহায্যত মহাবিদ্যালয়ৰ বিভিন্ন শ্ৰেণীকোঠাৰ উন্নতি সাধন কৰাৰ লগতে পুথিভঁৰালৰ ওপৰৰ প্ৰেক্ষাগৃহটোৰো টিনপাত সলনি কৰাৰ লগতে মজিয়াত টাইলছ্‌ লগাই এক নতুন ৰূপ দিয়া হয়। পুথিভঁৰালটোত পূৰ্বতে তলৰ মহলালৈ যোৱাৰ বাবে থকা পথটোও বন্ধ কৰি প্ৰেক্ষাগৃহটি আহল-বহল কৰা হয়। তদুপৰি, মহাবিদ্যালয়ৰ কাৰ্যালয়টোও পূৰ্বতকৈ ডাঙৰ আৰু বহল কৰি প্ৰস্ৰাৱগাৰো সংলগ্নভাৱে নিৰ্মাণ কৰি দিয়া হয়। একে বিত্তীয় অনুদানেৰে এইবোৰৰ উ পৰি পুথিভঁৰালৰ বাবে ভালেখিনি পুথি ক্ৰয় কৰাৰ লগতে ৫০ টাকৈ কম্পিউটাৰ ক্ৰয় কৰি পৰিকলন কক্ষটো ছাত্ৰ-ছাত্ৰীৰ ব্যৱহাৰৰ বাবে মুকলি কৰি দিয়া হয়। বৰ্তমান এই নৱনিৰ্মিত প্ৰশাসনীয় ভৱনৰ ৩ খন ছাদ ঢালি প্ৰথম মহলাৰ কাম সম্পূৰ্ণ কৰাত ২টা শ্ৰেণীকোঠা, ১টা পৰীক্ষা নিয়ন্ত্ৰণ কোঠা, এটা শিক্ষকৰ জিৰণি কোঠা আৰু শিক্ষয়িত্ৰীসকলৰ বাবে সুকীয়া কোঠা এটাৰ ব্যৱস্থা কৰা সম্ভৱ হৈ উঠিছে। এই ভৱনৰ তলৰ মহলাটোত মঞ্চৰ ব্যৱস্থা কৰাত এক প্ৰেক্ষাগৃহ হিচাপেও ব্যৱহাৰ কৰিব পৰা হৈছে। অৱশ্যে, এটা ডাঙৰ প্ৰেক্ষাগৃহৰ প্ৰয়োজনীয়তা ভৱিষ্যতৰ দিনবোৰত পূৰণ কৰিব লাগিব। এই নতুন ভৱনৰ নিৰ্মাণ সম্পূৰ্ণ কৰিব পাৰিলে মহাবিদ্যালয়খনৰ বাবে অতি প্ৰয়োজনীয় আৰু ভালেকেইটা শ্ৰেণীকোঠা সাজু হৈ উঠিব।

এইখিনিতে উল্লেখ কৰাটো ভাল হ'ব যে ২০২২-২৩ বিত্তীয় বৰ্ষত স্থানীয় বিধায়ক শ্ৰীযুত প্ৰশান্ত ফুকনদেৱৰ সহযোগত অসম চৰকাৰৰ Untied পুঁজি আঁচনিৰ অধীনত পৰিকাঠামো উন্নয়নৰ বাবে পাঁচ লাখ টকা লাভ কৰে। জিলা গ্ৰামোন্নয়ন অভিকৰণৰ অধীনত ৰূপায়ণ কৰা এই আঁচনিৰ দ্বাৰা ছাত্ৰ একতা সভাৰ কোঠাৰ খিৰিকীসমূহ সলনি কৰি এলুমিনিয়ামৰ খিৰিকী লগোৱা আৰু আন কামৰ লগতে দ্বিতীয় মহলাৰ প্ৰেক্ষাগৃহৰ সমীপত পুৰুষ আৰু মহিলাৰ বাবে সুকীয়াকৈ দুটা প্ৰসাৰগাৰৰ ব্যৱস্থা কৰা হয়।

খলিহামাৰিৰ আগৰ ছাত্ৰ-নিৱাসটিৰ ঠাইত সকলো সুবিধা উপলব্ধ হোৱাকৈ এটি তিনিমহলীয়া ছাত্ৰী-নিৱাস আটকধুনীয়াকৈ নিৰ্মাণ কৰা হৈছে। বৰ্তমান ৭৫গৰাকীমান ছাত্ৰী আৱাসী হিচাপে থকা নিৱাসটোত এটা পুথিভঁৰালৰ উপৰি বিভিন্ন ক্ৰীড়া-সামগ্ৰীৰে সুসজ্জিত বিনোদন কক্ষও আছে। এই পদক্ষেপে ছাত্ৰীসকলৰ মানসিক আৰু শাৰীৰিক উৎকৰ্ষ সাধনত নিশ্চিতভাৱে সহায় কৰিব। ২০১১ চনত তদানীন্তন ভাৰপ্ৰাপ্ত অধ্যক্ষা শ্ৰী যুতা কল্পনা খাউণ্ডৰ প্ৰচেষ্টাত পূৰ্বৰ ছাত্ৰাৱাসৰ ঠাইত ছাত্ৰী-নিৱাসৰ বাবে প্ৰকল্প প্ৰস্তুত কৰি বিশ্ববিদ্যালয় অনুদান আয়োগলৈ প্ৰেৰণ কৰা হয় আৰু ২০১২ চনত বৰ্তমানৰ অধ্যক্ষই কামখিনি আগবঢ়াই নিয়াৰ সুযোগ লাভ কৰে। প্ৰাৰম্ভিক পৰ্যায়ত ২০১৬ চনৰ জানুৱাৰীৰ পৰা কম সংখ্যক ছাত্ৰীৰ বাবে ছাত্ৰী-নিৱাসটো মুকলি কৰি দিয়া হয়। বিশ্ববিদ্যালয় অনুদান আয়োগৰ পৰা অনুদানৰ আন এটা কিস্তি লাভ কৰাৰ পিছত মহাবিদ্যালয়ৰ নিজা পুঁজি অলপো বিনিয়োগ কৰি প্ৰথম মহলাৰ কোঠাৰ সংখ্যা বৃদ্ধি কৰাৰ লগতে তলৰ মহলাত থকা অধীক্ষকৰ আৱাস নতুনকৈ নিৰ্মাণ কৰা দুমহলীয়া ভৱনলৈ স্থানান্তৰ কৰা হয়। বৰ্তমান ৭৫ গৰাকী ছাত্ৰী আৱাসী হিচাপে থকাৰ লগতে Matron থকাৰ সুবিধাও ছাত্ৰী- নিৱাসটোত আছে। পৃথকে চকীদাৰ থকাৰ বাবেও পূৰ্বৰ অসম আৰ্হিৰ ছাত্ৰাৱাসটো ভাঙি সেই ঠাইত এটি অসম আৰ্হিৰ ঘৰ তৈয়াৰ কৰি দিয়া হ'ল । ইয়াৰ উপৰি অধীক্ষকৰ ভৱনৰ একেবাৰে ওপৰৰ মহলাত 'ৰাষ্ট্ৰীয় উচ্চতৰ শিক্ষা অভিযান'ৰ আঁচনিৰ অধীনত লাভ কৰা পুঁজিৰে ক্ৰয় কৰা ব্যায়াম আৰু খেলৰ কিছু সৰঞ্জাম ছাত্ৰীসকলক ব্যৱহাৰৰ ব্যৱস্থা কৰাৰ বাবে মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ ঋষিৰাজ বৰকটকীৰ বিত্তীয় সাহায্যত

ৰৈ যোৱা নির্মাণকার্যখিনি সম্পূর্ণ কৰি ব্যবহাৰ উপযোগী কৰি তোলা হয়। ছাত্ৰীসকলৰ বিদ্যায়তনিক উৎকৰ্ষ সাধনৰ কথা চিন্তা কৰি ছাত্ৰী-নিৱাসটোত এটি সৰু পুথিভঁৰালৰো ব্যবস্থা কৰা হৈছে। ছাত্ৰী-নিৱাসৰ চৌহদত থকা মহাবিদ্যালয়ৰ কেঁচুসাৰ উৎপাদনৰ প্ৰকল্পটোত সম্প্ৰতি ব্যৱসায়িক ভিত্তিত কেঁচুসাৰৰ উৎপাদন চলি আছে।

আগৰ ছাত্ৰ-নিৱাসটো বাণীপুৰত থকা মহাবিদ্যালয়ৰ নিজা মাটিলৈ স্থানান্তৰিত কৰি নতুনকৈ নির্মাণ কৰি সকলো সুবিধা উপলব্ধ হোৱাকৈ ছাত্ৰসকলৰ বাবে সম্পূর্ণ কৰা হৈছে। মহাবিদ্যালয় পৰিয়ালৰ সকলো সদস্য, নির্মাণ-সমিতি আৰু পৰিচালনা সমিতিৰ সহযোগত ২০২৩ চনৰ ২৩ ফেব্ৰুৱাৰীত মহাবিদ্যালয়ৰ পুঁজিৰে বাণীপুৰত থকা মহাবিদ্যালয়ৰ দ্বিতীয় চৌহদত এটা সৰু ছাত্ৰাৱাস আৰু দুজন শিক্ষক থাকিব পৰাকৈ আৰ. চি. চি. (ৰিইনফৰ্চড চিমেণ্ট কংক্ৰিট) ভৱন নির্মাণৰ বাবে শিলান্যাস কৰা হয়। মহাবিদ্যালয়ৰ শিক্ষক-কর্মচাৰী তথা ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত পৰিচালনা সমিতিৰ সভাপতিৰ দায়িত্বত থকা এই লেখকেই শিলান্যাসৰ গুৰুদায়িত্ব পালন কৰে। ২০২৪ চনৰ জুন মাহৰ পৰা দুজন শিক্ষক তাত থাকিবলৈ লৈছে। বৰ্তমান ১০ জন ছাত্ৰ থকাৰ সুব্যৱস্থা থকা এই ছাত্ৰাৱাসক উদ্দেশ্যি চকীদাৰ আৰু ৰান্ধনী থকাৰ বাবে আছুতীয়া 'অসম আৰ্হি'ৰ ঘৰ এটাও নির্মাণ কৰি তাৰ লগতে ৰান্ধনি-ঘৰ আৰু খোৱা-ঘৰৰ ব্যবস্থাও কৰা হৈছে। ইতিমধ্যে নির্ধাৰিত সংখ্যক আৱাসীয়ে ছাত্ৰ নিৱাসত থকাৰ বাবে নামভৰ্তি কৰিছে আৰু লাহে লাহে বেছি ছাত্ৰ থকাৰ পৰিৱেশ তথা সুবিধা প্ৰদান কৰাৰ বাবে আমি সকলোৱে চিন্তা-চৰ্চা কৰিব লাগিব। প্ৰাসংগিক যে আমাৰ মহাবিদ্যালয়ৰ বাণীপুৰ চৌহদত প্ৰায় ৯ বিঘা মাটি আছে। তাত যোৱা তিনিটা বছৰত মাটি পেলাই এখন খেলপথাৰো গঢ়ি তোলা হৈছে। একে এলেকাতে আমাৰ মহাবিদ্যালয়ৰ ৬ বিঘাৰো অধিক মাপৰ আন এডোখৰ ভূমি আছে। একাংশ ব্যক্তিয়ে দখল কৰাৰ বাবে সেই সন্দৰ্ভত মহাবিদ্যালয়ৰ তৰফৰ পৰা নিম্ন আদালতত গোচৰ তৰা হৈছিল। আনটো পক্ষ অনুপস্থিত থকাত ২০০৯ চনতে মহাবিদ্যালয়ৰ পক্ষত নিম্ন আদালতে ৰায় দিছিল। কিন্তু, সেই আদেশ সময়মতে কার্যকৰী কৰিব নোৱৰাৰ বাবে পুনৰ ২০১৩ চনত পৰিচালনা সমিতিৰ অনুমোদন মৰ্মে প্ৰথমতে নিম্ন আদালতত আবেদন কৰিবলগীয়া হয়। অলপ দিন বিচাৰ চলাৰ পাছত আমাৰ বিপক্ষে থকা দুটা পক্ষই নিম্ন আদালতৰ পৰা সকাহ পোৱাৰ পৰিপ্ৰেক্ষিতত আমাৰ মহাবিদ্যালয় পুনৰ গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ওচৰ চাপিবলগীয়া হ'ল। বৰ্তমানো বিষয়টো গুৱাহাটী আদালতৰ বিচাৰাধীন হৈ আছে।

যি হওক, সামগ্ৰিকভাৱে যোৱা ১০/১২ টা বছৰত বিশেষকৈ আন্তঃগাঁথনিৰ ক্ষেত্ৰত মহাবিদ্যালয়খনে বহু পৰিমাণে উন্নতি কৰাটো নিশ্চিতভাৱে আমাৰ সকলোৰে বাবে গৌৰৱৰ কথা।

সম্প্ৰতি বিশ্ববিদ্যালয় অনুদান আয়োগে বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়সমূহক ন-ন বৃত্তিমুখী পাঠ্যক্ৰম প্ৰৱৰ্তনৰ সুযোগ দিছে। সময়ৰ গতিত জ্ঞানৰ কৰ্ষণ আৰু জ্ঞান দানৰ ক্ষেত্ৰত বিদ্যালয়খনে বিকশিত হোৱাৰ লগতে প্ৰয়োজনীয় আন্তঃগাঁথনিৰ ক্ষেত্ৰতো অতি দ্ৰুত গতিত আগবাঢ়িছে। বৰ্তমান অধ্যক্ষৰ নেতৃত্বত উপাধ্যক্ষ শৈলেন গগৈ, অধ্যাপক-অধ্যাপিকাসকল, কাৰ্যালয়ৰ কৰ্মচাৰী, প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকল আৰু মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সক্ৰিয় সহযোগিতাই মহাবিদ্যালয়খনৰ আন্তঃগাঁথনিক এক নতুন মাত্ৰা প্ৰদান কৰাৰ কথা ইতিমধ্যে উল্লেখ কৰিছোঁৱেই। শ্ৰেণীকোঠাসমূহো নতুন ৰূপত পাঠদানৰ উপযোগী কৰি সজাই তোলা হৈছে। মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠাপক অধ্যক্ষগৰাকীৰ স্মৃতিত নামকৰণ কৰা 'ড° লক্ষ্মীপ্ৰসাদ দত্ত গ্ৰন্থাগাৰ'টোও ছাত্ৰ-ছাত্ৰী, শিক্ষক-গৱেষক তথা কৰ্মচাৰীৰ বাবে বিভিন্ন ধৰণৰ কিতাপ, কাকত-আলোচনীৰে সমৃদ্ধ কৰি উচ্চ মানৰ আৰু আটকধুনীয়া কৰি তোলা হৈছে।

এইসমূহ আন্তঃগাঁথনিমূলক তথা আনুষংগিক বিকাশৰ সমান্তৰালভাৱে মহাবিদ্যালয়খনত সমাজৰ সকলো স্তৰৰ লোকৰ বাবে উপযোগী হোৱাকৈ ডিব্ৰুগড় বিশ্ববিদ্যালয় আৰু কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ অধীনত দূৰৱৰ্তী স্নাতক আৰু স্নাতকোত্তৰ পাঠ্যক্ৰম অধ্যয়নৰ সুবিধা থকাটোও এটা ভাল লগা কথা। কেইবছৰমান আগলৈকে মহাবিদ্যালয়খনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনতো এই দূৰৱৰ্তী অধ্যয়নৰ ব্যৱস্থা অব্যাহত আছিল। তদুপৰি, মহাবিদ্যালয়খনত নিয়মীয়া পাঠদান তথা 'নতুন ৰাষ্ট্ৰীয় শিক্ষা নীতি'ৰ অধীনত প্ৰৱৰ্তিত নতুন নতুন বিষয়ৰ পাঠ্যক্ৰম থকাৰ উপৰি ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক তথা আনুষংগিক দিশসমূহৰ উত্তৰণ সাধনৰ বাবে বিভিন্ন কোষ তথা সমিতি আদি নিৰন্তৰ সক্ৰিয় হৈ আছে। প্ৰসংগক্ৰমে এই কথাও উল্লেখনীয় যে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক অধ্যয়নৰ ক্ষেত্ৰত উৎসাহিত কৰাৰ মানসেৰেই মহাবিদ্যালয়ৰ দুগৰাকী অৱসৰপ্ৰাপ্ত অধ্যাপক প্ৰয়াত প্ৰদীপ কুমাৰ চাহু আৰু ড° দেৱীমল্লিকা ৰাজখোৱাই তেখেতসকলৰ পৰিয়ালৰ সদস্যৰ স্মৃতিত ক্ৰমে ত্ৰিশ হাজাৰ আৰু পঁয়ত্ৰিশ হাজাৰকৈ মহাবিদ্যালয়ক অৰ্থৰাশি প্ৰদান কৰিছিল। সেই অৰ্থৰাশি বেংকত জমা থৈ তাৰ পৰা আৰ্জিত সুতেৰে বছৰি ক্ৰমে বাণিজ্যিক আইন আৰু পৰিসংখ্যা বিষয়ত সৰ্বোচ্চ মূল্যাংক লাভ কৰা বিদ্যাৰ্থীক আৰ্থিকভাৱে পুৰস্কৃত কৰাৰ বাবেই তেখেতসকলে এই অৰ্থৰাশি মহাবিদ্যালয়লৈ দান হিচাপে আগ বঢ়াইছিল। এই

পুৰস্কাৰ প্ৰদানৰ ধাৰাবাহিকতা ৰক্ষাৰে ছাত্ৰ-ছাত্ৰীসকলক উৎসাহিত কৰাৰ ধাৰা অব্যাহত ৰাখিব পাৰিলে মহাবিদ্যালয়খনৰ বাবে এয়া নিশ্চিতভাৱে এটা শুভংকৰ পদক্ষেপ বুলি চিহ্নিত হ'ব।

অনুষ্ঠান, প্ৰতিষ্ঠানবিলাকে ৰূপালী জয়ন্তী সোণালী জয়ন্তী, হীৰক জয়ন্তী আদি উদযাপন কৰোঁতে একোখন স্মৃতিগ্ৰন্থ প্ৰকাশ কৰি অনুষ্ঠানৰ সকলো দিশ সামৰি যি আলোকপাত কৰে, সেয়া ভৱিষ্যৎ প্ৰজন্মৰ কাৰণে এক দলিল হিচাপে চিহ্নিত হয়। কানৈ বাণিজ্য মহাবিদ্যালয়ৰ হীৰক জয়ন্তী উদযাপন সমিতিয়ে কানৈ বাণিজ্য মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ বিভাগীয় প্ৰধান ড° নৰজ্যোতি দত্তদেৱক সম্পাদক হিচাপে দায়িত্ব দি এনে এখন স্মৃতিগ্ৰন্থ প্ৰকাশ কৰি মহাবিদ্যালয়খনিৰ গৰিমা স্মৰণীয় কৰি ৰাখিবলৈ লোৱা প্ৰচেষ্টা আদৰণীয়। ড° দত্তই মহাবিদ্যালয়ৰ নিয়মীয়া কৰ্তব্য সম্পাদন কৰাৰ উপৰি অতিশয় কষ্ট আৰু ত্যাগ স্বীকাৰ কৰি নিস্বাৰ্থভাৱে মহাবিদ্যালয়খনৰ ইতিহাস অনুসন্ধান কৰাৰ লগতে লেখা আৰু বিভিন্ন তথ্য সংগ্ৰহ কৰাৰ লগতে প্ৰতিটো ক্ষেত্ৰতে আমাৰ সকলোৰে দিহা-পৰামৰ্শ লৈ এই স্মাৰক-গ্ৰন্থখনৰ প্ৰস্তুতিত ব্ৰতী হোৱা মই লক্ষ্য কৰিছোঁ। বিভিন্ন সীমাবদ্ধতাৰ মাজত থাকিও কৰা এনে সৎ প্ৰয়াসৰ যোগাত্মক অৱলোকন হোৱাটো আমাৰ সকলোৰে নিতান্তই কাম্য।

মহাবিদ্যালয়ৰ স্বৰ্ণিল শৈক্ষিক ইতিহাসৰ সৈতে সংগতি ৰাখি এই মহাবিদ্যালয়ৰ সংগীত ৰচনা কৰিছে স্নাতকোত্তৰ শ্ৰেণীসমূহৰ সংযোজক তথা বাণিজ্য বিভাগৰ মুৰব্বী অধ্যাপক ড° ভূপেশ ভাগৱতীদেৱে আৰু সুৰ দিছে বিশিষ্ট সংগীত-শিল্পী আৰু ডিব্ৰুগড় সৰস্বতী বিদ্যামন্দিৰৰ শিক্ষক শ্ৰী ভুবন গগৈদেৱে।

বহু মনীষীৰ সাধনা আৰু ত্যাগৰ ফলশ্ৰুতিত জন্ম হোৱা এই মহাবিদ্যালয়খনৰ গুৰুত্ব আৰু গৌৰৱ ধ্বনিত হোৱাকৈ হীৰক জয়ন্তী বৰ্ষ উদ্‌যাপনৰ উপলক্ষত অসমীয়া বিভাগৰ বিভাগীয় প্ৰধান, অধ্যাপক ড° নৰজ্যোতি দত্তই ৰচনা কৰা আৰু গীতিকাৰগৰাকীয়ে মহাবিদ্যালয় পৰিচালনা সমিতিৰ সদস্য তথা সংগীতশিল্পী শ্ৰীযুত মাণিক চন্দ্ৰ দেৰ সৈতে যুটীয়াভাৱে সুৰ-সংযোজনা কৰা হীৰক-জয়ন্তী সংগীতটোও এই বৰ্ষটোত আমাৰ বাবে এক সুখবহ প্ৰাপ্তি বুলি অনুভৱ কৰিছোঁ।

কানৈ বাণিজ্য মহাবিদ্যালয়ৰ বহুতো মেধাবী ছাত্ৰ-ছাত্ৰীয়ে নিজৰ বুদ্ধিমত্তা, প্ৰতিভা আৰু নৈতিকতাৰ আদৰ্শ দাঙি ধৰি নিজকে বিভিন্ন ক্ষেত্ৰত প্ৰতিষ্ঠা কৰিছে। সেইসকলৰ নামৰ তালিকা দিবলৈ গ'লে বৰ দীঘলীয়া হ'ব। ইয়াতেই শিক্ষা গ্ৰহণ কৰি ছাত্ৰ-ছাত্ৰীসকলে পৃথিৱীৰ ইমূৰে সিমূৰে মহাবিদ্যালয়ৰ সোণালী সুৱাস বিয়পাই দিবলৈ সক্ষম হৈছে। প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলে মহাবিদ্যালয়খনৰ উত্তৰণৰ ধাৰাবাহিকতা ৰক্ষাৰ ক্ষেত্ৰতো সহযোগিতা আগবঢ়াই আহিছে। শেহতীয়াকৈ এজন প্ৰাক্তন ছাত্ৰই মহাবিদ্যালয়ৰ আন্তঃগাঁথনিৰ উন্নয়নৰ বাবে অধ্যক্ষৰ হাতত দহ লাখ টকাৰ অৰ্থৰাশি প্ৰদান কৰাটোও নিতান্তই আশাপ্ৰদ খবৰ। শিক্ষানুষ্ঠানখনৰ প্ৰতি প্ৰাক্তন বিদ্যাৰ্থীয়ে ভাৰতীয় ঐতিহ্যৰ গুৰু শিষ্যৰ পৰম্পৰা ৰক্ষা কৰি প্ৰদৰ্শন কৰা এনে বদান্যতাই মহাবিদ্যালয়খনক এক নতুন মাত্ৰা প্ৰদান কৰিছে।

ক্ৰমশঃ উন্নতিৰ পথত ধাৱমান হোৱা কানৈ বাণিজ্য মহাবিদ্যালয়ৰ পৰিয়ালৰ অকৃত্ৰিম সহৃদয়তা, সমৰ্পিত মন, বিশেষকৈ ছাত্ৰ-ছাত্ৰীসকলৰ লগত গুৰু-শিষ্যৰ পৱিত্ৰ সম্বন্ধ, তেতিয়াৰ 'বিশ্ববিদ্যালয় অনুদান আয়োগ'ৰ গুৱাহাটীস্থ আঞ্চলিক কাৰ্যালয়ৰ কৰ্মকৰ্তাসকলৰ সুন্দৰ কৰ্ম-সংস্কৃতি ... এই সকলোবোৰ মোৰ হৃদয়ৰ মণিকোঠাত আনুষ্ঠানিকভাৱে শিক্ষকতাৰ জীৱনৰ পৰা অৱসৰ লোৱাৰ সুদীৰ্ঘ বাইশ বছৰৰ পাছতো সজীৱ হৈ আছে। এই সজীৱতাই মোক মোৰ অন্তিম উশাহ পৰ্যন্ত জীপাল কৰি ৰাখিব।

ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ বাণিজ্য মহাবিদ্যালয়ৰ বৰ্ষজোৰা হীৰক জয়ন্তী উদ্‌যাপনৰ সামৰণী অনুষ্ঠানৰ উপলক্ষত ডিব্ৰুগড়ক শিক্ষাৰ পোহৰেৰে আলোকিত কৰি যোৱা মহান ব্যক্তিসকলক শ্ৰদ্ধাৰে সুঁৱৰিছোঁ। লগতে বাণিজ্য শিক্ষাৰ গুৰুত্ব উপলব্ধি কৰি আজিৰ পৰা ছয় দশক পূৰ্বে উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমখন পূৰ্ণাংগ বাণিজ্য মহাবিদ্যালয় হিচাপে ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ বাণিজ্য মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাত অহোপুৰুষাৰ্থ কৰা পুণ্যাত্মাসকলৰ প্ৰতিও আন্তৰিক শ্ৰদ্ধাৰ্ঘ্য যাচিছোঁ। তেখেতসকলৰ বৰ্ণাঢ্য জীৱনৰ, শুভংকৰ চিন্তাৰ সোণসেৰীয়া সৌধস্বৰূপ তথা সহস্ৰজনৰ মন বাণিজ্য শিক্ষাৰে পোহৰাই তোলা ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ বাণিজ্য মহাবিদ্যালয় সময়ৰ বালিত বৈ গ'ল। ১৯৬০ চনতে ৰোপণ কৰা বাণিজ্যৰ উচ্চশিক্ষাৰ সেই পুলিটো আজিৰ তাৰিখত পত্ৰে-পুষ্পে-ফুলে-ফলে সুশোভিত হৈ জ্ঞানৰ এজোপা বটবৃক্ষলৈ ৰূপান্তৰিত হোৱাটোৱে আমাক সকলোকে আহলাদিত কৰি তুলিছে।

●●●

# কানৈ বাণিজ্য মহাবিদ্যালয় ঃ পুৰণি তথ্যৰ অৱলোকন

ড° খনীন্দ্ৰ মিশ্ৰ ভাগৱতী

আধুনিক ডিব্ৰুগড় চহৰৰ উচ্চ শিক্ষাৰ ইতিহাস দোহাৰিবলৈ হ'লে আমি প্ৰায় আঠ-ন দশকৰ আগলৈ ঘূৰি যাব লাগিব। ১৯৪৫ চনৰ ১৫ জুন। দ্বিতীয় বিশ্বযুদ্ধই জুৰুলা কৰা ডিব্ৰুগড় নগৰত কলিকতা বিশ্ববিদ্যালয়ৰ অধীনত ডিব্ৰুগড় কলেজ স্থাপন হৈছিল। ডিব্ৰুগড়ৰ পুৰণি শিক্ষানুষ্ঠান জৰ্জ ইনষ্টিটিউটতে পুৱাৰ ভাগত শ্ৰেণীসমূহ অনুষ্ঠিত হৈছিল। পাছলৈ ৰায়চাহাব কানৈয়ে ১ লাখ পঞ্চাশ হাজাৰ টকা দান হিচাপে আগ বঢ়ায় আৰু মহাবিদ্যালয়খনৰ নাম হনুমানবক্স সূৰজমল কানৈ হিচাপে নামকৰণ কৰাৰ প্ৰস্তাৱ দিয়ে। অৱশ্যে, আৰম্ভণিতে তেখেতৰ এই প্ৰস্তাৱ ৰাইজে গ্ৰহণ কৰিব পৰা নাছিল। ফলস্বৰূপে, ৰাইজ আৰু মহাবিদ্যালয় কৰ্তৃপক্ষৰ মাজত মতৰ কিছু অমিল হৈছিল। সেয়ে হ'লেও পাছত সকলো মান্তি হোৱাত ডিব্ৰুগড় মহাবিদ্যালয়ক 'ডিব্ৰুগড় হনুমানবক্স সূৰজমল কানৈ মহাবিদ্যালয়' হিচাপে নামকৰণ কৰা হ'ল। ৰায়চাহাব কানৈৰ দানেৰে মহাবিদ্যলয়খনৰ স্থায়ী ভৱন গঢ় লৈ উঠিল।

কানৈ মহাবিদ্যালয়ত প্ৰথম অৱস্থাত পুৱাৰ শাখাত 'ইণ্টাৰমিডিয়েট অব কমাৰ্চ'(I. Com.)ৰ শ্ৰেণীৰ পাঠদান হৈছিল যদিও পাছলৈ বাণিজ্য শাখাৰ পাঠদান গধূলিৰ বেলিকা হোৱাৰ বিষয়ে জনা যায়। পৰৱৰ্তী সময়ত মহাবিদ্যালয়খনৰ পৰা বাণিজ্য শাখাটো ফালি আনি এখন পূৰ্ণাংগ আৰু স্বাধীন মহাবিদ্যালয় হিচাপে গঢ় দিয়া হয়। এই কাৰ্যৰ মূল পৃষ্ঠপোষক আছিল হনুমানবক্স আৰু সূৰজমল ভাতৃদ্বয়। তদুপৰি যোগীৰাজ বসু, লক্ষ্মিপ্ৰসাদ দত্ত, নিৰ্মল কুমাৰ বসু, শৈলেন্দ্ৰ নাথ বৰুৱা, বিষ্ণুপ্ৰসাদ চক্ৰৱৰ্তীৰ লগতে ৰাইজৰ ফালৰ পৰা গৌৰীপ্ৰভা চলিহা, গোৱিন্দ শৰ্মা, নন্দেশ্বৰ চক্ৰৱৰ্তী আদি ব্যক্তিসকলেও এই কামত সক্ৰিয় সহযোগিতা আগ বঢ়াইছিল। এনেদৰে কেইবাগৰাকীও বৰেণ্য ব্যক্তিৰ দূৰদৰ্শী চিন্তাৰ ফলস্বৰূপে আৰু ৰায়চাহাব কানৈৰ পৃষ্ঠপোষকতাত ডিব্ৰুগড়ত উত্তৰ পূৰ্বাঞ্চলৰ প্ৰথমখন পূৰ্ণাংগ বাণিজ্য মহাবিদ্যালয় স্থাপন কৰা হয় । নাম দিয়া হ'ল 'ডিব্ৰুগড় হনুমানবক্স সূৰজমল কানৈ বাণিজ্য মহাবিদ্যালয়'।

শৈক্ষিক ইতিহাসত ডিব্ৰুগড় হনুমানবক্স সূৰজমল কানৈ বাণিজ্য মহাবিদ্যালয় এক উজ্জ্বল নক্ষত্ৰ হৈ জিলিকি আছে। এই মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাৰ সময়লৈকে ডিব্ৰুগড়ত বিশ্ববিদ্যালয় স্থাপন হোৱা নাছিল। ডিব্ৰুগড়ৰ বাণিজ্য শিক্ষাৰ একমাত্ৰ পূৰ্ণাংগ শিক্ষানুষ্ঠান হিচাপে যোৱা ছয় দশকত উচ্চ শিক্ষাৰ এই অনুষ্ঠানটিয়ে অলেখ ছাত্ৰ-ছাত্ৰীৰ জীৱন গঢ়াৰ কমাৰশালৰ ভূমিকা পালন কৰি আহিছে।

সময়ৰ লগে লগে পৰিৱৰ্তন হোৱাটো শাশ্বত সত্য। আজি মহাবিদ্যালয়খনৰ হীৰক জয়ন্তীৰ সামৰণী অনুষ্ঠানৰ এই পবিত্ৰ ক্ষণত বৈ মনত পেলাইছোঁ সেইসকল মহান ব্যক্তিক, যিসকলৰ কায়িক শ্ৰম আৰু চিন্তাৰ ফচল হিচাপে ডিব্ৰুগড়বাসীয়ে এই মহাবিদ্যালয়খন লাভ কৰিলে। ১৯৬০ চনৰ ১৫ জুনত এই মহাবিদ্যালয় প্ৰতিষ্ঠা হৈছিল আৰু ১৯৬২ চনৰ ২৩ জুনত সেই সময়ৰ কেন্দ্ৰীয় বিত্ত মন্ত্ৰী মোৰাৰজী দেশাইয়ে ইয়াৰ মূল ভৱনটোৰ আধাৰশিলা স্থাপন কৰিছিল। প্ৰথম অৱস্থাত মহাবিদ্যালয়ৰ শ্ৰেণীসমূহ কানৈ মহাবিদ্যালয়ৰ ভৱনতে একেলগে অনুষ্ঠিত হৈছিল। আনকি প্ৰথম তিনিবছৰ মান পৰিচালনা সমিতিৰ সভাও কানৈ মহাবিদ্যালয়ৰ লগত যুটীয়াভাৱে হৈছিল। ১৯৬৪ চনৰ জুনৰ পাছৰ পৰাহে মহাবিদ্যালয়ৰ নিজৰ চৌহদত পৰিচালনা সমিতিৰ সভা অনুস্থিত হৈছিল। পৰিচালনা সমিতিৰ প্ৰথমগৰাকী সভাপতি আছিল ৰায়চাহাব হনুমানবক্স কানৈ। মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠাপক অধ্যক্ষৰ আসন শুৱনি কৰিছিল শিক্ষাবিদ ড° লক্ষীপ্ৰসাদ দত্তই।

*লেখক ডিব্ৰুগড় হনুমানবক্স সূৰজমল কানৈ বাণিজ্য মহাবিদ্যালয়ৰ বৰ্তমানৰ অধ্যক্ষ তথা মহাবিদ্যালয়ৰ হীৰক জয়ন্তী উদযাপন সমিতিৰ সভাপতি।*

তেখেতৰ পাছত ক্ৰমে ড° নিৰ্মল কুমাৰ বসু, প্ৰেমচান্দ জৈন, চাফাউদ্দিন আহমেদ, ড° চন্দ্ৰদেও মিশ্ৰ, ঘনশ্যাম অধিকাৰী, মনোমোহন দাস, ড° সুৰেন্দ্ৰ নাথ মহন্ত, ড° ৰঘুনাথ বৰবৰা, ধ্ৰুৱজ্যোতি ভট্টাচাৰ্য্য আৰু কল্পনা খাউণ্ডে অধ্যক্ষৰ দায়িত্ব পালন কৰি মহাবিদ্যালয়খনক আগ বঢ়াই নিছিল। সম্প্ৰতি, এই লেখকে মহাবিদ্যালয়খনৰ অধ্যক্ষৰ দায়িত্বত থাকি এই কথাখিনি লিখাৰ সুযোগ লাভ কৰিছোঁ।

কানৈ বাণিজ্য মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাৰ পৰৱৰ্তী দুই-তিনিবছৰমান কানৈ মহাবিদ্যালয়ৰ সৈতে যুটীয়াকৈ হোৱা পৰিচালনা সমিতিৰ সভাৰ কাৰ্যবিৱৰণীৰ পৰা ডিব্ৰুগড়ৰ শৈক্ষিক উত্তৰণৰ বাবে লোৱা বিভিন্ন গুৰুত্বপূৰ্ণ পদক্ষেপ সম্পৰ্কে বহু তথ্য জানিব পৰা যায়। ১৯৬৪ চনৰ ৩০ মে'ত জাৰি কৰা জাননী অনুসৰি ৩ জুনত কানৈ বাণিজ্য মহাবিদ্যালয়ে প্ৰথমবাৰৰ বাবে এদনীয়াকৈ পৰিচালনা সমিতিৰ সভা অনুষ্ঠিত কৰিছিল। এই বৈঠকতে মহাবিদ্যালয়খনে ছৰ্টহেণ্ড আৰু টাইপিঙৰ পাঠ্যক্ৰম আৰম্ভ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল। পৰিচালনা সমিতিখনত সদস্য হিচাপে থাকি কানৈ মহাবিদ্যালয়ৰ তদানীন্তন অধ্যক্ষ যোগীৰাজ বসুৱেও কানৈ বাণিজ্য মহাবিদ্যালয়ৰ উত্তৰণৰ দিশত বিভিন্ন ভূমিকা গ্ৰহণ কৰিছিল। ১৯৬৪ চনৰ ১ অক্টোবৰত কানৈ বাণিজ্য মহাবিদ্যালয়ৰ পৰিচালনা সমিতি পুনৰ্গঠন কৰি অধ্যক্ষ নিৰ্মল কুমাৰ বসুক সম্পাদক, কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ যোগীৰাজ বসু আৰু ড° লক্ষীপ্ৰসাদ দত্তক যুটীয়া সম্পাদক, উপাধ্যক্ষ প্ৰেমচান্দ জৈনক সহকাৰী সম্পাদক হিচাপে মনোনীত কৰি শৈক্ষিক যাত্ৰাৰ গতি অব্যাহত ৰাখিছিল।

একেদৰে, দুয়োখন মহাবিদ্যালয়ৰ যুটীয়া পৰিচালনা সমিতিয়ে স্নাতকোত্তৰ শ্ৰেণীসমূহ আৰম্ভ কৰাৰ ক্ষেত্ৰত উদ্যোগ গ্ৰহণ কৰিছিল। কানৈ বাণিজ্য মহাবিদ্যালয় প্ৰতিষ্ঠা হোৱাৰ পিছত প্ৰেমচান্দ জৈন, বিষ্ণুপ্ৰসাদ চক্ৰৱৰ্তী, ৰত্ন দত্ত, চাফাউদ্দিন আহমেদ, ৰাজকুমাৰ মৌৰ্য(পিছত ইংলেণ্ডলৈ গুচি যায়), টি. আলি, বীৰেন্দ্ৰ চন্দ্ৰ ভট্টাচাৰ্য্য, মৃণালকান্তি সৰকাৰ, প্ৰবোধ চন্দ্ৰ মেধি, আদি বিভিন্নজনে শিক্ষকতাৰ দ্বাৰা সেৱা আগ বঢ়াই এই মহাবিদ্যালয়ৰ শৈক্ষিক যাত্ৰাৰ অংশীদাৰ হৈছিল। ইয়াৰ উপৰি বিভিন্ন সময়ত অংশকালীন হিচাপে শিক্ষাদান কৰিও বিভিন্নজনে অধ্যাপকে মহাবিদ্যালয়খনৰ প্ৰতি সেৱা আগ বঢ়াইছিল। ড° চি. এচ. ৰাওক অৰ্থনীতিৰ অধ্যাপক হিচাপে নিযুক্তি দিয়া হৈছিল। পি. ডি. ৰাজখোৱাই পুথিভঁৰালী হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। ১৯৬৪ চনত গাণনিক সুৰেন্দ্ৰ নাথ মহন্ত আৰু পুথিভঁৰালী পি. ডি. ৰাজখোৱাক সম্পূৰ্ণ বেতন সহিতে ক্ৰমে বি. কম. আৰু এম. এ. পৰীক্ষাৰ প্ৰস্তুতি চলাবলৈ তথা অৱতীৰ্ণ হবলৈ ছুটী দিয়া হৈছিল। ৩০/৯/৬৪ তাৰিখৰ পৰিচালনা সমিতিৰ সভাত ১ অক্টোবৰ, ১৯৬৪ ৰ পৰা কাৰ্যকৰী হোৱাকৈ প্ৰেমচান্দ জৈনক বাণিজ্য বিভাগৰ, শৈলেন্দ্ৰ নাথ বৰুৱাক হিচাপবিদ্যা বিভাগৰ, বিষ্ণুপ্ৰসাদ চক্ৰৱৰ্তীক অৰ্থনীতি বিভাগৰ, চাফাউদ্দিন আহমেদক বেংকিং বিভাগৰ, ড° চন্দ্ৰদেও মিশ্ৰক পৰিসংখ্যা বিভাগৰ আৰু ৰাজকুমাৰ মৌৰ্যক ব্যৱসায় পৰিচালনা বিভাগৰ মুৰব্বী হিচাপে অনুমোদন জনাই গুৱাহাটী বিশ্ববিদ্যালয় আৰু অসম চৰকাৰলৈ আবেদন জনোৱাৰ তথ্য পোৱা যায়।

কানৈ বাণিজ্য মহাবিদ্যালয়ে ১৯৬৪ চনতে 'বিশ্ববিদ্যালয় অনুদান আয়োগ'ৰ পৰা প্ৰথমটো অনুদানৰ মঞ্জুৰী লাভ কৰিছিল। গুৱাহাটী বিশ্ববিদ্যালয়ৰ পঞ্জীয়কৰ ০৬/১১/৬৪ তাৰিখৰ চিঠি নং GU/UGC/TDC/R/XV/64-65/23865 মৰ্মে সেই ধন লাভ কৰিছিল। এই মহাবিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি হিচাপে বিভিন্ন গুণী-জ্ঞানী ব্যক্তি জড়িত হৈ মহাবিদ্যালয়খনৰ দিক্ নিৰ্ণয়ত সহায় কৰি আহিছে। প্ৰথম সভাপতি হিচাপে ৰায়চাহাব হনুমানবক্স কানৈয়ে দায়িত্ব লোৱাৰ পৰৱৰ্তী সময়ত সেই পদত এইচ. পি. কানৈ, প্ৰদীপ হাজৰিকা, জি. চি. ৰাজকোঁৱৰ, এইচ. চি. থাং, পি. চি. বড়ো, এম. দাস, এচ. আই. এক্কা, সাহিত্যিক আৰু প্ৰাধ্যাপক ড° মহেন্দ্ৰ বৰাই কাৰ্যনিৰ্বাহ কৰাৰ পৰৱৰ্তী সময়ত কেইবাটাও বছৰ কেইবাখনো বিশেষ সমিতিয়ে মহাবিদ্যালয়খন পৰিচালনা কৰিছিল। বিশেষ সমিতিৰ সভাপতি হিচাপে জিলা উপায়ুক্তদ্বয় ক্ৰমে এ. কে. ভাল্লা আৰু এচ. মেৰাৰ; ভাৰতীয় আৰক্ষী সেৱাৰ বিষয়া এম. এচ. ৰাও আৰু জিলা উপায়ুক্ত বাণীকান্ত পেগুৱে কাৰ্যনিৰ্বাহ কৰিছিল। পুনৰ নিয়মীয়া পৰিচালনা সমিতি গঠন হোৱাৰ পৰৱৰ্তী সময়ত ডাঃ কল্যাণ কুমাৰ গগৈ, প্ৰাধ্যাপক আনোৱাৰ হুছেইন আৰু প্ৰাধ্যাপক জয়ন্ত কুমাৰ গগৈয়ে সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰাৰ পাছত বৰ্তমান অৱসৰপ্ৰাপ্ত অধ্যাপক গোপাল চন্দ্ৰ শৰ্মাদেৱে এই দায়িত্ব পালন কৰি আছে। তদুপৰি, এই সুদীৰ্ঘ কালছোৱাত কোনো কোনো সময়ত সংশ্লিষ্ট সভাপতিগৰাকীৰ অনুপস্থিতিত তেওঁৰ অনুমোদনক্ৰমে পৰিচালনা সমিতিৰ সদস্য হিচাপে থকা কেইবাগৰাকীও সদস্যইও সমিতিৰ বৈঠকসমূহত সভাপতিত্ব কৰিছিল। সভাপতিৰ দায়িত্ব পালন কৰা সেইসকল হ'লঃ ড° লক্ষীপ্ৰসাদ দত্ত, ড° নিৰ্মল কুমাৰ বসু, আইতৰা দাস, অণিমা দেৱী, ড° কুমুদ চন্দ্ৰ বৰা আৰু ড° প্ৰকাশ গগৈ। লগতে, গোবিন্দ চন্দ্ৰ শৰ্মাইও ৰায়চাহাব কানৈ ডাঙৰীয়াৰ কাৰ্যকালত তেখেতৰ অনুৰোধমৰ্মে পৰিচালনা সমিতিৰ সভাসমূহ পৰিচালনা কৰাত সহযোগিতা আগ বঢ়াইছিল।

১৯৬৪-৬৫ চনতে মহাবিদ্যালয়ৰ আলোচনীৰ প্ৰথমটো সংখ্যা ললিত বৰুৱাৰ সম্পাদনাত প্ৰকাশ হৈ ওলাইছিল। প্ৰাৰম্ভিক অৱস্থাত আলোচনীখনৰ নাম আছিল 'কানৈ বাণিজ্য কলেজ আলোচনী'। পৰৱৰ্তী সময়ত আলোচনীখনৰ নাম 'বাণিজ্য দৰ্পণ'লৈ সলনি হয়। প্ৰাসংগিক যে ২০২২-২৩ বৰ্ষৰ ৫৮ সংখ্যক বাণিজ্য দৰ্পণৰ সম্পাদনাৰ দায়িত্ব পূজা ঘোষে বহন কৰিছিল।

মহাবিদ্যালয়খনে উচ্চশিক্ষাৰ আন প্ৰতিষ্ঠানৰ প্ৰতিষ্ঠা তথা উত্তৰণৰ ক্ষেত্ৰতো প্ৰত্যক্ষ বা পৰোক্ষভাৱে বৰঙণি আগ বঢ়োৱা দেখা যায়। ১৯৬৫ চনত ডিব্ৰুগড় বিশ্ববিদ্যালয় আৰম্ভ হয় আৰু এই মহাবিদ্যালয়তে কাৰ্যালয় মুকলি কৰাৰ দ্বাৰা বিশ্ববিদ্যালয়খনৰ গৌৰৱময় যাত্ৰাৰ সূচনা হয়। মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ কাৰ্যবিৱৰণীত ডিব্ৰুগড় বিশ্ববিদ্যালয়ে মহাবিদ্যালয়ৰ ভৱনটো ১৯৬৫ চনৰ জুলাইৰ পৰা কাৰ্যালয় হিচাপে ব্যৱহাৰ কৰিব বিচৰাৰ কথা উল্লেখ আছে। লগতে, মহাবিদ্যালয় পৰিচালনা সমিতিয়ে মাহে ১০০০/-টকাৰ বাবদ বিশ্ববিদ্যালয়ক ব্যৱহাৰ কৰিবলৈ দিয়াৰ সিদ্ধান্তৰ তথ্যও ইয়াত লিপিবদ্ধ হৈ আছে। মহাবিদ্যালয়ৰ ভৱনটো ব্যৱহাৰ কৰিবলৈ দিয়াৰ বাবদ পৰিচালনা সমিতিয়ে বিশ্ববিদ্যালয় কৰ্তৃপক্ষৰ পৰা ১৯৬৫-৬৬ বৰ্ষত ৬৫০০.০০ টকা, ১৯৬৬-৬৭ বৰ্ষত ১৯৫০০.০০ টকা, ১৯৬৭-৬৮ বৰ্ষত ২২,৫০০.০০ টকা, ১৯৬৮-৬৯ বৰ্ষত ২৩১৭.১১ টকা আৰু ১৯৬৯-৭০ বৰ্ষত অৱশিষ্ট ১৬০০.০০ টকা লাভ কৰা বুলি তথ্য পোৱা যায়।

ডিব্ৰুগড়ত নাৰী শিক্ষাৰ বাটকটীয়া মনোহাৰী দেৱী কানৈ মহিলা মহাবিদ্যালয়কে ধৰি কাষৰীয়া উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানসমূহৰ উত্তৰণৰ বাবেও মহাবিদ্যালয়ে সহযোগ কৰি অহাৰ তথ্য পোৱা যায়। উদাহৰণস্বৰূপে, চুবুৰীয়া মনোহাৰী দেৱী মহিলা মহাবিদ্যালয়ৰ তদানীন্তন অধ্যক্ষৰ ০১/০২/১৯৬৪ তাৰিখৰ চিঠি মৰ্মে দৰমহা প্ৰদানৰ ক্ষেত্ৰত বিত্তীয় নাটনিৰ জোৰা মৰাৰ বাবে ঋণ হিচাপে ৭,০০০/-টকা আগ বঢ়োৱাৰ পৰৱৰ্তী সময়ত ১৯৬৪ চনৰ ৩ জুনৰ পৰিচালনা সমিতিৰ বৈঠকত পুনৰ ৭৩০০/-টকাৰ ঋণ কৰ্মচাৰীৰ দৰমহাৰ বাবে আগ বঢ়োৱাৰ প্ৰস্তাৱ গ্ৰহণ কৰা হৈছিল। ইয়াৰ উপৰি, এই মহাবিদ্যালয়ৰ জন্মদাতা কানৈ মহাবিদ্যালয়ৰ পৰিচালনা সমিতিয়ে মহাবিদ্যালয়খনক বাণিজ্যৰ স্নাতকোত্তৰ শ্ৰেণী আৰম্ভ কৰাৰ ক্ষেত্ৰত সহযোগিতা আগ বঢ়োৱাৰ সিদ্ধান্তও এইখন বৈঠকতে গ্ৰহণ কৰা হৈছিল। একে বছৰৰে ডিচেম্বৰ মাহৰ শেষৰ ফাললৈ কানৈ আইন মহাবিদ্যালয় স্থাপনৰ প্ৰস্তাৱো আগবঢ়োৱা হৈছিল। কানৈ বাণিজ্য মহাবিদ্যালয়ৰ পৰিচালনা সমিতিয়ে পৃষ্ঠপোষক হিচাপে মহাবিদ্যালয়খনৰ ভূমি, ভৱন আৰু আচবাব 'কানৈ আইন মহাবিদ্যালয়'ক ব্যৱহাৰৰ অনুমতি প্ৰদান কৰি মহাবিদ্যালয়খনৰ প্ৰাৰম্ভিক যাত্ৰাত উল্লেখনীয় বৰঙণি আগ বঢ়াইছিল। সেই সূত্ৰেই ১৯৭১ চনত কানৈ আইন মহাবিদ্যালয়ৰ স্বীকৃতি সন্দৰ্ভত পৰিদৰ্শনৰ বাবে কানৈ বাণিজ্য মহাবিদ্যালয়লৈকে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা এটি দলৰ আগমন ঘটিছিল। বিশ্ববিদ্যালয়ৰ পৰা অনুমতি লাভ কৰাৰ পাছত ১৯৭১ চনৰ জুলাইৰ পৰা কানৈ আইন মহাবিদ্যালয়ৰ শ্ৰেণীসমূহ কানৈ বাণিজ্য মহাবিদ্যালয়ৰ চৌহদত আৰম্ভ হৈছিল।

বিশ্ববিদ্যালয়ক আগবঢ়োৱাৰ দৰেই কানৈ বাণিজ্য মহাবিদ্যালয়ে আইন মহাবিদ্যালয়কো যৎপৰোনাস্তি সহায় আগবঢ়াইছিল। প্ৰথম অৱস্থাত কানৈ বাণিজ্য মহাবিদ্যালয়ৰ নামত থকা ৫ বিঘা মাটিও 'কানৈ আইন মহাবিদ্যালয়'ক ব্যৱহাৰৰ বাবে প্ৰস্তাৱ দিয়া হৈছিল। একে বছৰেই আগষ্টত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ বাণিজ্য শাখাৰ স্নাতকোত্তৰ শ্ৰেণীৰ প্ৰস্তাৱ গৃহীত হৈছিল। এই শ্ৰেণীসমূহো কানৈ বাণিজ্য মহাবিদ্যালয়তে আৰম্ভ হৈছিল। ১৯৭১-৭২ শৈক্ষিক বৰ্ষৰ পৰা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনৰ বাণিজ্যৰ স্নাতকোত্তৰ শ্ৰেণী এই মহাবিদ্যালয়তে আৰম্ভ হয় আৰু ১৯ জন শিক্ষাৰ্থীয়ে প্ৰথম বৰ্ষত নামভৰ্তি কৰে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ে নিজা চৌহদত বাণিজ্যৰ স্নাতকোত্তৰ শ্ৰেণী আৰম্ভ কৰাৰ পিছত এই মহাবিদ্যালয়ত স্নাতকোত্তৰ শ্ৰেণীৰ পাঠদান বন্ধ হয়।

১৯৭০ চনৰ অক্টোবৰ মাহত বাণীপুৰত প্ৰায় ন বিঘা অৰু পিছত অতিৰিক্ত ২ বিঘা ১ কঠা ৩ লোচাৰ এটা খণ্ডৰ লগতে ৫ বিঘা ভূমিৰ আন এটা খণ্ড মহাবিদ্যালয়ে ক্ৰয় কৰে। সেই সময়ত যদিও বিঘাত ২,১০০/- টকাকৈ দাম বন্দবস্ত কৰা হৈছিল, শেষত বিক্ৰেতাৰ আপত্তিত বিঘাই প্ৰতি ২২০০/- টকাকৈ দৰত মহাবিদ্যালয় কৰ্তৃপক্ষই মাটিখিনি ক্ৰয় কৰিবলগীয়া হৈছিল। সম্প্ৰতি, বাণীপুৰৰ ৯ বিঘা মাটিতে মহাবিদ্যালয়ৰ দ্বিতীয়টো চৌহদ গঢ় দিয়া হৈছে। বৰ্তমান তাত ছাত্ৰ-ছাত্ৰীৰ বাবে খেলপথাৰ, ছাত্ৰাবাস আৰু শিক্ষক-কৰ্মচাৰীৰ আৱাসগৃহ গঢ় লৈ উঠিছে।

প্ৰাৰম্ভিক পৰ্যায়ত ছাত্ৰৰ সংখ্যা অধিক আছিল বাবে খলিহামাৰিত থকা মহাবিদ্যালয়ৰ ভূমিখণ্ডত এটা অসম আৰ্হিৰ ঘৰ নিৰ্মাণ কৰি ছাত্ৰসকলৰ বাবে ছাত্ৰাবাস হিচাপে ব্যৱহাৰ কৰা হৈছিল। কিন্তু, পৰৱৰ্তী সময়ত ছাত্ৰীৰ সংখ্যা বৃদ্ধি পাবলৈ ধৰাত ছাত্ৰী নিবাসৰ প্ৰয়োজনীয়তা অনুভৱ কৰি তদানীন্তন ভাৰপ্ৰাপ্ত অধ্যক্ষ কল্পনা খাউণ্ড ডাঙৰীয়ানীৰ উদ্যোগত বিশ্ববিদ্যালয় অনুদান আয়োগলৈ বিস্তৃত প্ৰস্তাৱ জমা দিয়াত ২০১২ চনত মহাবিদ্যালয়ে ছাত্ৰী নিবাসৰ নিৰ্মাণৰ বাবে প্ৰথম কিস্তিৰ ধন লাভ কৰে আৰু বৰ্তমানৰ অধ্যক্ষই ইয়াৰেই নিৰ্মাণ কাৰ্য আৰম্ভ কৰাৰ সুযোগ লাভ কৰে। পিছত ২০১৬ চনত দ্বিতীয় কিস্তি তথা মহাবিদ্যালয়ৰ পুঁজি যোগ দি কম সংখ্যক ছাত্ৰীৰ বাবে হ'লেও থকাৰ সুবিধা

সম্পূৰ্ণ কৰি তোলা হয়। আজিৰ তাৰিখত ছাত্ৰী নিৰাসটোত ৭৫ গৰাকী ছাত্ৰী থকাৰ সুব্যৱস্থা থকাৰ উপৰি অধীক্ষক আৰু আন কৰ্মচাৰীৰ বাবে সুকীয়া আৱাসৰ লগতে ঋষিৰাজ বৰকটকীৰ সাহায্যত সম্পূৰ্ণ হোৱা শৰীৰ চৰ্চা কেন্দ্ৰ, বৰ্তমানৰ পৰিচালনা সমিতিৰ সভাপতি গোপাল চন্দ্ৰ শৰ্মাৰ বৰঙণিৰে গঢ় দিয়া এটি সৰু পুথিভঁৰাল আদি সংযোজিত হৈ নিৰাসটো মহাবিদ্যালয়ৰ ছাত্ৰীসকলৰ বাবে এক আকৰ্ষণৰ কেন্দ্ৰ হৈ উঠিছে।

ইতিমধ্যে শিক্ষাৰ পৰিকাঠামোতো যথেষ্ট পৰিৱৰ্তন আহিল। উচ্চতৰ মাধ্যমিক শ্ৰেণী মহাবিদ্যালয়ৰ পৰা আঁতৰি গ'ল আৰু নতুন শিক্ষানীতি ২০২০ ৰ অধীনত চাৰি বছৰীয়া স্নাতক পাঠ্যক্ৰম আৰম্ভ হ'ল। পৰিৱৰ্তিত প্ৰত্যাহ্বান গ্ৰহণ কৰি আমাৰ মহাবিদ্যালয়েও ২০২৩ চনৰ পৰা চাৰি বছৰীয়া স্নাতক পাঠ্যক্ৰম আৰম্ভ কৰিলে। ইয়াৰ পূৰ্বে ২০১৯ চনত মহাবিদ্যালয়খনত 'ড° নিৰ্মল কুমাৰ বসু স্নাতকোত্তৰ ভৱন'ত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনত CBCS পদ্ধতিত বাণিজ্যৰ স্নাতকোত্তৰ পাঠ্যক্ৰম আৰম্ভ কৰা হয়। এই স্নাতকোত্তৰ পাঠ্যক্ৰমৰ অধীনত ২০ খন আসন আছে। উল্লেখযোগ্য যে এতিয়ালৈকে যোৱা তিনিবছৰত প্ৰতি বছৰে স্নাতকোত্তৰ শিক্ষা সাং কৰি ছাত্ৰ-ছাত্ৰীসকল মহাবিদ্যালয়ৰ পৰা সুখ্যাতিৰে ওলাই গৈছে। ২০২৩ বৰ্ষত মহাবিদ্যালয়ৰ স্নাতকোত্তৰ মহলাৰ ছাত্ৰ আদিত্য ভট্টাচাৰ্যই ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ভিতৰত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান অধিকাৰ কৰি সোণৰ পদক লাভ কৰিছে। স্নাতক পৰীক্ষাৰ ফলাফলৰ ক্ষেত্ৰতো মহাবিদ্যালয়ৰ প্ৰদৰ্শন চমকপ্ৰদ। যোৱা বছৰবোৰত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনৰ মহাবিদ্যালয়সমূহৰ সামগ্ৰিক ফলাফলৰ তুলনাত মহাবিদ্যালয়ৰ ফলাফল সদায়েই উন্নত হৈ আহিছে। উচ্চতৰ মাধ্যমিক শ্ৰেণী থাকোতে মহাবিদ্যালয়ৰ কেইবাগৰাকীও শিক্ষাৰ্থীয়ে উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত ৰাজ্যখনৰ ভিতৰত স্থান লাভ কৰিবলৈও সক্ষম হৈছিল। মহাবিদ্যালয়ৰ ছাত্ৰ ছাত্ৰীসকলে অন্যান্য দিশটো পাৰদৰ্শিতা দেখুৱাবলৈ সক্ষম হৈছে। পাঞ্জা খেলত মহাবিদ্যালয়ৰ ছাত্ৰই দেশক প্ৰতিনিধিত্ব কৰি মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনিছে। একেদৰে, মহাবিদ্যালয়ৰ আন্তঃগাঁথনি নিৰ্মাণৰ ক্ষেত্ৰখনতো সময়ৰ লগে লগে বিকাশ সাধন হোৱাৰ কথা ইতিমধ্যে উল্লেখ কৰিছোঁৱেইহু মহাবিদ্যালয়ৰ মুঠ দহটা বিভাগত ২৬ জন নিয়মীয়া অধ্যাপক আৰু ১৬ জন অংশকালীন অধ্যাপক আছে। বৰ্তমান মহাবিদ্যালয়ৰ সকলো শিক্ষকৰ পদেই পুৰণ হৈ আছে। দিনৰ শাখাৰ সমান্তৰালকৈ মহাবিদ্যালয়ত পুৱাৰ শাখাও চলে। ছাত্ৰ-ছাত্ৰীৰ বৰ্ধিত চাহিদাৰ প্ৰতি লক্ষ্য ৰাখি মহাবিদ্যালয়ত দুয়োটা শাখাই চলাই থকা হৈছে। নতুন শ্ৰেণীকোঠা নিৰ্মাণ, শীত-তাপ নিয়ন্ত্ৰিত আৰু তথ্য-প্ৰযুক্তিযুক্ত শ্ৰেণীকোঠাৰ ব্যৱস্থা, সম্প্ৰসাৰিত ভৱন নিৰ্মাণ, শিক্ষকসকলৰ বাবে বিভাগীয় কোঠা নিৰ্মাণ, ছাত্ৰী-নিৱাস আৰু ছাত্ৰ-নিৱাস তথা শিক্ষক-কৰ্মচাৰীৰ আৱাস-গৃহ, শৰীৰ-চৰ্চা কেন্দ্ৰ, কনফাৰেন্স হল আৰু দুটাকৈ অডিটৰিয়াম আদিৰ প্ৰয়োজনীয় আন্তঃগাঁথনি নিৰ্মাণৰ যোগেদি মহাবিদ্যালয়খনৰ বহুদিনীয়া অভাৱ পুৰণ হৈছে। মহাবিদ্যালয়খনৰ ড° লক্ষীপ্ৰসাদ দত্ত গ্ৰন্থাগাৰত বৰ্তমান প্ৰাসংগিক পুথিৰে সৈতে মুঠ ৩০,৪১৬ খন পুথি আছে। অনাগত দিনত পৰিকাঠামোৰ আৰু উন্নয়ন ঘটাই মহাবিদ্যালয়খনক অধিক আগ বঢ়াই নিয়াৰ সুব্যৱস্থাও কৰি ৰখা হৈছে। ইতিমধ্যে মহাবিদ্যালয়খন তৃতীয়বাৰৰ বাবে NAAC-ৰ দ্বাৰা মূল্যায়ন কৰা হৈছে আৰু শেহতীয়াকৈ মহাবিদ্যালয়খনে এই মূল্যায়নত B + গ্ৰেড লাভ কৰিবলৈ সক্ষম হৈছে।

মহাবিদ্যালয়খনৰ হীৰক জয়ন্তী উদযাপনৰ আজিৰ এই পৱিত্ৰ ক্ষণত উপনীত হৈ আমি মহাবিদ্যালয়খনৰ ইতিহাস ৰোমন্থন কৰাৰ এক সৌভাগ্য লাভ কৰিছোঁ। ক্ৰমশঃ জ্ঞানৰ এজোপা বটবৃক্ষলৈ ৰূপান্তৰিত হোৱা বাণিজ্য শিক্ষাৰ এই অনুষ্ঠানটিৰ সমাগত সময়ত আৰু অধিক উত্তৰণ হওক! এই আশা আন্তৰিকতাৰে কৰিছোঁ।

এই সুদীৰ্ঘ পৰিক্ৰমাত জড়িত হোৱা পূৰ্বৰ আৰু বৰ্তমানৰ সকলো শিক্ষক-কৰ্মচাৰী, শুভাকাংক্ষীলৈ কৃতজ্ঞতা জনোৱাৰ লগতে যিসকল ব্যক্তিৰ চিন্তা আৰু চেষ্টাত এই মহাবিদ্যালয়খনিয়ে জন্ম লাভ কৰিছিল, সকলোলৈকে সশ্ৰদ্ধ প্ৰণাম যাচিছোঁ। জয়তু ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ বাণিজ্য মহাবিদ্যালয়!!

●●●

# মোৰ সপোনৰ অসম

**নগেন শইকীয়া**

**অসম আৰু অসমীয়া**

চাৰিওফালে গভীৰ নীলা সাগৰেৰে আবৃত সৌন্দৰ্যশালী লংকা জয় কৰি সীতাক উদ্ধাৰ কৰাৰ পিছত সেই স্বৰ্ণপুৰী লংকাতকৈয়ো তেওঁৰ মন জন্মভূমিয়ে কেনেকৈ আচ্ছন্ন কৰি ৰাখিছিল সেই কথা শ্ৰীৰামচন্দ্ৰই লক্ষ্মণক কৈছিল—

ইয়ং স্বৰ্ণপুৰী লংকা ন মে ৰোচত লক্ষ্মণ
জননী জন্মভূমিশ্চ স্বৰ্গাদপি গৰীয়সী।।

মানুহে যি ঠাইত জন্মগ্ৰহণ কৰি প্ৰতিপালিত হৈ ডাঙৰ-দীঘল হয় সেই ঠাইৰ প্ৰকৃতি, মানুহ, সমাজ, সভ্যতা, সংস্কৃতিৰ লগত জীৱন-প্ৰৱাহ সম্পূৰ্ণৰূপে একাকাৰ হৈ যায়— সেই বাবেই জন্মভূমি আনৰ বাবে যেনেকুৱাই নহওক, প্ৰত্যেক মানুহৰ বাবে কল্পনাৰ স্বৰ্গতকৈয়ো অধিক সুন্দৰ। এই জন্মভূমিক মানুহে সৌন্দৰ্যশালী, সমৃদ্ধিশালী আৰু সুৰক্ষিত ৰূপত পাবলৈ আৰু চাবলৈ একান্তভাৱে কামনা কৰাটো মানৱ প্ৰকৃতিৰ এটা ডাঙৰ বৈশিষ্ট্য।

আমাৰ মধ্যযুগৰ কবিসকলৰ পৰা আৰম্ভ কৰি আধুনিক কালৰ কবি-লেখকসকলৰ অনেকে তেওঁবিলাকৰ ৰচনাৰ মাজত পৰোক্ষভাৱে আৰু আধুনিককালত প্ৰত্যক্ষভাৱে জন্মভূমিৰ প্ৰকৃতি আৰু মানুহৰ কথা মুগ্ধচিত্তে কৈ গৈছে। শংকৰদেৱে 'হৰমোহন'ত যিখন উপবনৰ বৰ্ণনা দি গৈছে — শিৰীষ সেউতী/তমাল মালতী/লৱংগ বাণ্ডি গুলাল/। কৰবীৰ বক/কাঞ্চন চম্পক/ফুলে ভৰি ভাঙে ডাল— সেই উপবনখন ব্ৰহ্মপুত্ৰ উপত্যকাৰ উপবন। বেজবৰুৱাই-পৃথিৱীৰ ক'তো/ বিচাৰি জনমটো/ নোপোৱা কৰিলেও পাত— বুলি তেওঁৰ 'আপোনাৰ দেশখন'ৰ কথা সুঁৱৰিছে। *মই অসমীয়াত* অসমৰ সৌন্দৰ্যৰ কথা, অসম জয় কৰিবলৈ আহি মন্ত্ৰমুগ্ধ হৈ ৰৈ যোৱা মোগল সৈন্যৰ মনৰ কথা চৈয়দ আব্দুল মালিকে কৈছে, *এয়েই অসম-চৌদিশে ধূসৰ পাহাৰ/প্ৰতিটো বনৰ পাত জাংফাই, মিনাকৰা, ৰূপ জাতিষ্কাৰ। দুবৰিৰ পাতে পাতে মুকুতাৰ থোপা, গচকত ভাগে 'মৰকত', হাতীৰ দাঁতেৰে কৰে খৰমৰ চুলা/ভৰি ধোৱে পোৱালৰ ভৰা দলঙত।*

পৃথিৱীৰ বুকুৰ এচমকা সৰু ঠাই— 'ৰঙা নদী আৰু নীলা পাহাৰ'ৰ ঠাই— ৮৯.৪৯° আৰু ৯৭.২৬° দ্ৰাঘিমাংশ, আৰু ২৪.১০° আৰু ২৭.৫৮° অক্ষাংশৰ ভিতৰৰ ৭৮,৪৩৮ বৰ্গ কিলোমিটাৰৰ এখন ৰাজ্য অসম--- ভাৰতবৰ্ষৰ উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰধান ৰাজ্য। মহাবাহু ব্ৰহ্মপুত্ৰ নদ আৰু ইয়াৰ অনেক উপনদীৰ জলধাৰাৰে বিধৌত এই ভূমিখণ্ড অসম নামেৰে পৰিচিত হোৱাৰ ইতিহাস প্ৰাচীন নহয়।

অসম এই নামটো মধ্যযুগৰ ইতিহাসৰ দান। অসম নামটো-সম্পৰ্কে কেইবাটাও মত আছে। কিন্তু মই ভাবোঁ যে শংকৰদেৱৰ ৰচনাত আৰু আমাৰ বুৰঞ্জী আৰু চৰিতপুথি আদিত আহোম ৰজাক আৰু আহোম ৰজাৰ সৈন্যসকলৰ কথা কওঁতে অসম আৰু আসাম শব্দ দুটা ব্যৱহৃত হোৱালৈ চাই 'আহোম' শব্দৰ পৰাই যে অসম শব্দটোৰ উৎপত্তি হৈছে সেই বিষয়ে নিশ্চিত হ'ব পাৰি। এই অসমে সামৰি লৈছে তিনিটা প্ৰধান অঞ্চল— ব্ৰহ্মপুত্ৰ উপত্যকা, সুৰমা উপত্যকা আৰু কাৰ্বি আংলং আৰু উত্তৰ কাছাৰ পাৰ্বত্য অঞ্চল, এতিয়াৰ ডিমা হাচাও। নীলা পাহাৰ আৰু সেউজীয়া গছ-গছনিৰে আবৃত আৰু পৰিপূৰ্ণ এই সমগ্ৰ অঞ্চলটোৰ ঘাই বিভাগেই হ'ল ব্ৰহ্মপুত্ৰ উপত্যকা। সকলো প্ৰধান জনপদ, নগৰ, মহানগৰ এই উপত্যকাতেই অৱস্থিত। উত্তৰে বিশাল হিমালয় পৰ্বতমালাৰ অংশ বিশেষেৰে পৰিপূৰ্ণ ভূটান আৰু অৰুণাচল প্ৰদেশৰ পৰ্বতমালা, পূবে অৰুণাচল প্ৰদেশৰ পৰ্বতমালা, দক্ষিণে ম্যানমাৰৰ সীমাত থকা অৰুণাচল প্ৰদেশ, নাগালেণ্ড, মণিপুৰ আৰু মিজোৰামৰ পৰ্বতমালা আৰু ত্ৰিপুৰা ৰাজ্য আৰু বাংলাদেশ, পশ্চিমে বাংলাদেশ আৰু উত্তৰ বংগ। এই সীমাৰ মাজত অৱস্থিত হৈ আছে অসম।

অসমক, ঘাইকৈ ব্ৰহ্মপুত্ৰ উপত্যকাক, আৱৰি ৰাখিছে সুউচ্চ পৰ্বতমালা আৰু ঘন সেউজীয়া অৰণ্যানিয়ে। ৭২৫ কিলোমিটাৰ দৈৰ্ঘ্যৰে আৰু ৮০ ৰ পৰা ১০০ কিলোমিটাৰ প্ৰস্থৰে ব্ৰহ্মপুত্ৰ উপত্যকাত মানুহৰ সভ্যতাৰ ইতিহাস কেতিয়া আৰম্ভ হৈছিল, তাৰ সঠিক চন, বাৰ, তাৰিখ বিচাৰি উলিওৱা সম্ভৱ নহয়। কিন্তু ইয়াৰ

**লেখক এগৰাকী বিশিষ্ট চিন্তাবিদ, 'সাহিত্য অকাডেমী বঁটা'প্ৰাপক প্ৰথিতযশা সাহিত্যিক, 'অসম সাহিত্য সভা'ৰ প্ৰাক্তন সভাপতি তথা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত প্ৰাধ্যাপক।**

ভৌগোলিক বৈশিষ্ট্যই, প্ৰাকৃতিক অৱস্থানে, ইয়াৰ এতিয়ালৈকে পোৱা নানা ঐতিহাসিক সমলে, ইয়াৰ বিচিত্ৰ জন-গাঁথনি আৰু বৰ্ণাঢ্য লোক-জীৱনে, ইয়াৰ ভাষাৰ উন্নত ৰূপে আৰু সমৃদ্ধ সাংস্কৃতিক ঐতিহ্য আৰু পৰম্পৰাই এই ৰাজ্যখনৰ এক প্ৰাচীন ইতিহাসৰ সম্ভেদ দান কৰিছে।

এই উপত্যকাৰ সভ্যতাৰ উত্থান-পতনৰ ইতিহাসৰ সাক্ষী হৈ বৈ আছে পৃথিৱীৰ একমাত্ৰ 'পুৰুষ নদী' ব্ৰহ্মপুত্ৰ। ব্ৰহ্মপুত্ৰই যিদৰে শ-শ, হাজাৰ-হাজাৰ বছৰ ধৰি ইয়াৰ বুকুত ভঙা-গঢ়াৰ খেল খেলি আহিছে, তেনেকৈয়ে হাজাৰ-হাজাৰ বছৰ ধৰি ব্ৰহ্মপুত্ৰ উপত্যকাৰ ইতিহাসে খেলি আহিছে কত সভ্যতাৰ ভঙা-গঢ়াৰ খেল। এই বিশাল ব্ৰহ্মপুত্ৰ— *কত শত বৰষৰ কত শত বেদনাৰ কথা* বুকুত গাঁথি ইতিহাসে ঢুকি পোৱা কালৰ আগৰ পৰাই বিৰামহীনভাৱে বৈ আছে। ব্ৰহ্মপুত্ৰৰ ইতিহাসৰ লগত অসমৰ ইতিহাস সাঙোৰ খাই আছে। অসমৰ বুকুৰেদি ৭২৫ কিলোমিটাৰ অতিক্ৰম কৰা ব্ৰহ্মপুত্ৰৰ, ইয়াৰ উৎসৰ পৰা বংগোপসাগৰৰ মোহনালৈকে মুঠ ২৯০০ কিলোমিটাৰ। এই সুদীৰ্ঘ নদীখনৰ নাম কেতিয়া ব্ৰহ্মপুত্ৰ হ'ল তাৰ সঠিক সময় উলিওৱা টান। কিন্তু ব্ৰহ্মপুত্ৰ-- এই নামৰ অন্বেষণেও ইয়াৰ তীৰৱৰ্তী এই ৰাজ্যৰ ইতিহাসত পোহৰ পেলাব পাৰে।

দুয়োফালে পৰ্বতমালাৰে আবৃত লুইত-ব্ৰহ্মপুত্ৰ উপত্যকাত কেতিয়া কোন মানুহে আহি প্ৰথম বসতি স্থাপন কৰিলে, গঢ়ি তুলিলে জনপদ, মানুহৰ হাতৰ স্পৰ্শত গঢ় লৈ উঠিল স্তৰে স্তৰে ইয়াৰ সভ্যতা আৰু সংস্কৃতিৰ ইতিহাস, এই প্ৰাগৈতিহাসিক কালৰ বিৱৰণ কালৰ বুকুত হেৰাই গৈছে। কিন্তু এই কথা প্ৰতিপন্ন হৈছে যে ইয়ালৈ চীন, তিব্বত, ব্ৰহ্মদেশ (ম্যানমাৰ), শ্যামদেশ (থাইলেণ্ড) আদি দক্ষিণ-পূব এছিয়াৰ জনপ্ৰৱাহ, জনসংস্কৃতি যিদৰে ইতিহাসৰ বিভিন্ন সময়ত সোমাই আহিছিল; তেনেদৰে পশ্চিমৰ পৰা সোমাই আহিছিল আৰ্যভাষী জনপ্ৰৱাহ, চহকী আৰ্যভাষা সংস্কৃতি সমন্বিতে দাৰ্শনিক চিন্তা-চৰ্চা আৰু সাহিত্যৰ ঢল। পূব আৰু পশ্চিমৰ এই সংমিশ্ৰণ ব্ৰহ্মপুত্ৰ উপত্যকাতেই ঘটিছিল। আধুনিক কালত যাতায়াতৰ সুবিধাই দান কৰা প্ৰব্ৰজনৰ ফলত আৰু আন্তঃৰাষ্ট্ৰীয় সম্পৰ্ক স্থাপনৰ ফলত এতিয়াহে এনে সমাহাৰৰ ৰেখাডাল অসমৰ সীমাৰ পৰা হয়তো বাঢ়ি গৈছে।

নৃ-তাত্ত্বিক এনে সংমিশ্ৰণৰ ফলতে যিসকল মানুহক আমি 'অসমীয়া' বুলি কৈছোঁ সেই মানুহখিনিৰ এটা নিৰ্দিষ্ট আৱয়বিক সম্পূৰ্ণ সাঁচ এটা দেখা নাযায়। আমি উত্তৰ আৰু দক্ষিণ ভাৰতৰ বিভিন্ন ৰাজ্যৰ গৰিষ্ঠ সংখ্যক মানুহকে দেখিলেই গম পাওঁ কোন অঞ্চলৰ মানুহ হ'ব পাৰে। কিন্তু অসমীয়া মানুহৰ মাজত যিদৰে মংগোলীয় গঢ় আছে, তেনেদৰে আছে আলপাইন বা ককেছীয় গঢ়, তেনেদৰে আছে ভেদ্দিড বা দক্ষিণ ভাৰতীয় গঢ়, তেনেদৰে আছে নিষাদ বা প্ৰাচীন অষ্ট্ৰেলীয় গঢ়। অসমীয়া মানুহৰ ঘৰ সজাৰ উপাদান আৰু পদ্ধতি, খাদ্য সামগ্ৰী উৎপাদন, সংগ্ৰহ, প্ৰস্তুতকৰণ আৰু খোৱাৰ সঁজুলিৰে সৈতে খাদ্যাভ্যাস, অসমীয়া পুৰুষ আৰু মহিলাৰ পিন্ধা সাজপাৰৰ আৰ্হি প্ৰস্তুতকৰণৰ উপাদান আৰু পদ্ধতি, অলংকৰণৰ বিভিন্ন চানেকিকে ধৰি বস্তুগত সংস্কৃতিৰ সৰহখিনি সমল যিদৰে দক্ষিণ-পূব এছিয়াৰ লগত বহু পৰিমাণে সম্পৰ্কিত; ঠিক তেনেদৰে লোকবিশ্বাস আৰু লোকাচাৰৰ ক্ষেত্ৰতো অনেক বিষয় দক্ষিণ-পূব এছিয়াৰ লগত পৰোক্ষ বা প্ৰত্যক্ষভাৱে সম্পৰ্কিত।

কিন্তু অসমীয়া মানুহৰ ভাষা, লিপি, মানসিক গঠন তথা জীৱনবোধ আৰু মূল্যবোধ আৰ্য সংস্কৃতি আৰু সভ্যতাৰ মূল ধাৰাৰ লগত গভীৰভাৱে সম্পৰ্কিত। অসম কোনোদিন আৰ্যাৱৰ্তৰ ভিতৰত নাছিল বাবেই আৰ্যাৱৰ্তৰ মানুহে জনা নাছিল, এতিয়াও হয়তো অনেকে নাজানে, ব্ৰহ্মপুত্ৰ উপত্যকা ৰাজনৈতিক ভাৰতবৰ্ষত নাথাকিলেও প্ৰাচীন ভাৰতীয় ভাষা-সংস্কৃতিৰ দ্বাৰা কেনেভাৱে বিধৌত হৈ আহিছে। পঞ্চদশ শতিকাৰ ঠিক মাজভাগতে জন্মগ্ৰহণ কৰা শংকৰদেৱৰ সময়ত অসম, কামৰূপ, বেহাৰ-- ব্ৰহ্মপুত্ৰ উপত্যকাৰ এই তিনিওখন দেশ ভাৰতৰ ৰাজনৈতিক মানচিত্ৰত থকাৰ প্ৰশ্ন নাছিল। কিন্তু শংকৰদেৱে তেওঁৰ সমগ্ৰ ৰচনাত ৪৬ বাৰ ভাৰতৰ প্ৰশংসা কৰি গৈছে আৰু তেওঁৰ *ভক্তি-ৰত্নাকৰ* গ্ৰন্থত *ভাৰত ভূপ্ৰশংসা* শিৰোনামেৰে এটা অধ্যায় সংযুক্ত কৰি সংস্কৃতত তাৰ টীকা-ভাষ্য ৰচনা কৰি গৈছে। তেওঁৰ সেই ভাৰতবৰ্ষখন সাংস্কৃতিক ভাৰতবৰ্ষ। অসমক তেওঁ সাংস্কৃতিক ভাৰতৰ অবিচ্ছেদ্য অংগস্বৰূপেই চিনি পাইছিল।

## ঊনবিংশ শতিকা ঃ ভাষিক জাতীয় চেতনাৰ জাগৰণ

অসম বা আসাম দেশ ১৮২২-১৮২৬ খ্ৰীষ্টাব্দৰ আৰম্ভণিলৈকে ব্ৰহ্ম ৰজাৰ অধীনত আছিল। ১৮২৬ খ্ৰীষ্টাব্দত ইংৰাজ ইষ্ট-ইণ্ডিয়া কোম্পানীয়ে ব্ৰহ্ম ৰজা বা মান ৰজাক জয় কৰি ইয়াণ্ডাবু নামৰ ঠাইত কৰা চুক্তিৰ যোগেদি অসমক ব্ৰিটিছ ভাৰতৰ অংগীভূত কৰিলে আৰু বেংগল প্ৰেছিডেন্সিৰ লগত চামিল কৰিলে। ইয়াৰ ফলত অসম ব্ৰিটিছ ৰাজনৈতিক ভাৰতৰ অংশ হ'ল যদিও বংগৰ লগত চামিল কৰাৰ ফলত অসম আৰু অসমৰ মানুহৰ ভাষা-লিপি-সাহিত্য-সংস্কৃতি-সমন্বিতে অসম আৰু অসমীয়াৰ পৰিচয় ঢাকি পেলোৱা হ'ল। এই পৰিচয় হেৰোৱাটো ৰাজনৈতিক পৰিচয় হেৰুওৱাতকৈও অধিক ক্ষতিকাৰক হৈ পৰিল।

ইংৰাজ শাসক আৰু বংগৰ বিষয়া-কৰ্মচাৰীয়ে অসমৰ আৰু অসমীয়া মানুহৰ সমৃদ্ধিশালী ভাষা, সাহিত্য, সংস্কৃতিৰ ইতিহাস নাজানি ওচৰ-চুবুৰীয়া বাংলা ভাষাৰ লগত থকা কিছু সাদৃশ্য দেখি এই ভাষা বাংলা ভাষাৰ এটা উপভাষা বুলি গণ্য কৰিবলৈ ধৰিলে। ইয়াৰ ফলত অসমীয়া মানুহে তথা অসমীয়া ভাষা, সাহিত্য, সংস্কৃতিয়ে ইয়াৰ পৰিচয় হেৰুওৱাৰ উপক্ৰম ঘটিল। ১৮৩৬ খ্ৰীষ্টাব্দত খ্ৰীষ্টধৰ্ম প্ৰচাৰৰ বাবে অহা আমেৰিকান বেপ্টিষ্ট মিছনৰ ড° নাথান ব্ৰাওন, ড° মাইলছ ব্ৰন্সন, অলিভাৰ টি কাটাৰ আদি

মিছনেৰীসকলে অসমীয়া ভাষাৰ স্বতন্ত্ৰতা বুজি পাই এই ভাষা ধৰ্ম-প্ৰচাৰৰ বাবে ব্যৱহাৰ কৰাৰ ঘাই লক্ষ্যৰে ইয়াক প্ৰতিষ্ঠা কৰাৰ আধুনিক কালৰ উপযোগীকৈ বিকাশ কৰাৰ যত্ন কৰিবলৈ ধৰিলে। চৰকাৰৰ লগত মিছনেৰীসকলে পত্ৰযুদ্ধও আৰম্ভ কৰিলে। অৱশেষত ১৮৭২-৭৩ খ্ৰীষ্টাব্দত অসমৰ প্ৰশাসন আৰু বিদ্যালয়ত অসমীয়া ভাষা পুনৰ সংস্থাপনৰ বাবে পুনৰ সিদ্ধান্ত গ্ৰহণ কৰিলে। ৩৬ বছৰ কাল বাংলা ভাষাৰ প্ৰভাৱে অসমীয়া ভাষাক হেঁচা মাৰি ধৰি আছিল। অনেক বাঙালী পণ্ডিতৰ অসমীয়া ভাষা, সাহিত্য আৰু লিপি-সম্পৰ্কে থকা ভ্ৰান্ত ধাৰণা বিংশ শতিকাৰ মাজভাগলৈকে আছিল। তেওঁবিলাকে জনা নাছিল যে অসমত চতুৰ্থ-পঞ্চম শতিকাৰ লিপি যিদৰে পোৱা হৈছে তেনেভাৱে পুথি লিখিবৰ বাবে ব্যৱহাৰ কৰা সাঁচিপাত কেৱল অসমতেই উৎপন্ন হয়। অনেক বাঙালী পণ্ডিতৰ আৰু সাধাৰণ মানুহৰো অসমীয়া ভাষা-সম্পৰ্কে থকা এনে ভ্ৰান্তিৰ বাবেই অসমত বাঙালীসকলৰ লগত 'প্ৰেম-বিদ্বেষ'ৰ সম্পৰ্ক এটাও গঢ় লৈ উঠিল। ইয়াৰ জেৰ বিংশ শতিকাৰ সত্তৰৰ দশকৰ আৰম্ভণিলৈকে চলি আছিল।

ঊনবিংশ শতিকাৰ তৃতীয় দশকটোৱে এহাতে অসমৰ স্বাধীনতা চিৰদিনৰ বাবে কাঢ়ি লৈ গ'ল, আনহাতে, এই দশকটোৱেই অসমক আধুনিক যুগৰ নতুন পোহৰলৈও লৈ আহিল। আন্ধাৰ আৰু পোহৰৰ, পোৱা আৰু হেৰুওৱাৰ এই খেলাৰ মাজতে আধুনিক অসমৰ জন্ম। আধুনিক আনুষ্ঠানিক শিক্ষাৰ পোহৰত লাহে লাহে শিক্ষিত হৈ উঠা এমুঠি অসমীয়া মানুহে, মিছনেৰীসকলে সৃষ্টি কৰা ভাষিক জাতীয় চেতনাৰ পোহৰত নিজকে চিনি পাবলৈ আৰু নিজৰ পৰিচয় প্ৰতিষ্ঠা কৰিবলৈ প্ৰেৰণা লাভ কৰিলে। আনন্দৰাম ঢেকিয়াল ফুকন, গুণাভিৰাম বৰুৱা, হেমচন্দ্ৰ বৰুৱা আছিল ঊনবিংশ শতিকাৰ প্ৰথমাৰ্ধত জন্মগ্ৰহণ কৰা আধুনিক 'অসমীয়া ত্ৰিমূৰ্তি।' তেওঁবিলাকে সেই সময়ত দেখা সপোনটো আছিল অসমক নতুন শিক্ষাৰ পোহৰলৈ আগবঢ়াই অনাৰ, অসমীয়া ভাষাৰ হৃত মৰ্যদা ঘূৰাই অনাৰ বাবে যত্ন কৰাৰ, অসমৰ এলান্ধুকলীয়া অন্ধবিশ্বাস দূৰ কৰি আধুনিক জ্ঞানৰ পোহৰত নিজক চিনি পাবলৈ শিকোৱাৰ, ব্ৰিটিছ শক্তিয়ে সুমুওৱা কানিৰ গ্ৰাসৰ পৰা অসমীয়া মানুহক ৰক্ষা কৰাৰ, মানুহক কৰ্মঠ হ'বলৈ আৰু নিজৰ ৰাজ্যখন গঢ়ি তোলাৰ বাবে মনৰ মাজত উদ্যম সৃষ্টি কৰাকে ধৰি অনেক কাম সম্পন্ন কৰাৰ। নতুন শিক্ষাৰ পোহৰত আনৰ তুলনাত নিজৰ দৈন্য উপলব্ধি কৰা সেই সময়ৰ অসমীয়া শিক্ষিত ডেকাসকলৰ বাবে আত্ম পৰিচয় প্ৰতিষ্ঠাৰ যোগেদি অসমীয়া ভাষা-সাহিত্য আৰু সমাজ- জীৱনক সমকালীন আধুনিক শিক্ষাৰ ৰূপত গঢ়ি তোলাৰ স্বপ্ন বাস্তৱায়ন কৰাৰ বাবে তেওঁলোকক নিজৰ নিজৰ শক্তি আৰু সামথ্যৰে কাম কৰিবলৈ প্ৰেৰণা দিছিল এই সময়ছোৱাতেই।

ঊনবিংশ শতিকাৰ শিক্ষিত অসমীয়াসকলৰ আৰ্হি হৈ পৰিছিল বংগৰ নৱজাগৰণত সাৰ পাই উঠা আধুনিক বংগ, বাংলা ভাষা সাহিত্য, শিক্ষা, সভ্যতা আৰু সংস্কৃতি। নৱজাগৰণৰ এই পোহৰত কলিকতাত উচ্চ শিক্ষা ল'বলৈ যোৱা অসমীয়া ডেকাসকলে নিজৰ দেশ অসম, নিজৰ ভাষা অসমীয়া ভাষা, অসমীয়া সাহিত্যকে ধৰি অসমৰ সমাজ-জীৱনৰ আধুনিক কালৰ অনগ্ৰসৰ অৱস্থাই তেওঁলোকৰ চকুৰ আগত দাঙি ধৰিছিল অসমক অন্ধকাৰৰ পৰা পোহৰলৈ অনা, অসমীয়া সমাজ-জীৱনক অন্ধবিশ্বাসৰ পৰা মুক্ত কৰা, অসমীয়া ভাষা-সাহিত্যক সমৃদ্ধিশালী কৰি তোলা আৰু সামগ্ৰিকভাৱে অসমৰ উন্নয়নত নিজৰ সামৰ্থ্য অনুসৰি বৰঙনি যোগোৱা। শতিকাটোৰ শেহৰফালে কলিকতাত প্ৰায় অৰ্ধ শতাধিক ছাত্ৰই পঢ়া-শুনা কৰি আছিল। ভাষিক স্বাধীনতা শক্তিশালী কৰি তোলা, জাতীয় পৰিচয় শক্তিশালীভাৱে প্ৰতিষ্ঠা কৰাৰ বাবে তেওঁবিলাকে দেখা স্বপ্নৰ এটা ৰূপ আছিল অ.ভা.উ.সা.সভা স্থাপন কৰা আৰু এখন আধুনিক অসমীয়া মাহেকীয়া পত্ৰিকা প্ৰকাশ কৰা। এই পত্ৰিকাৰ নাম আছিল *জোনাকী*। অ.ভা.উ.সা.সভাৰ কাৰ্যবিৱৰণীত উল্লিখিত প্ৰস্তাৱিত কাৰ্যসমূহৰ মাজতে ভৱিষ্যৎ অসমৰ তেওঁবিলাকে দেখা স্বপ্ন এতিয়াও জিলিকি আছে। অ.ভা.উ.সা.সভাৰ মুখপত্ৰ 'জোনাকী'ৰ প্ৰথম সম্পাদকীয়ত সম্পাদক চন্দ্ৰকুমাৰে লিখিছিল ঃ *সকলো কথাৰে 'আৰম্ভন' আছে— আমাৰো আত্মকথা আছে। আমাৰ ক'বলগীয়া বহুত আছে, লাহে লাহে কই থাকিম এই নিমিত্তেই আমি ওলাইছোঁহি। যেই কামতে কি হওক হাত দিবলৈ গ'লেই আগেয়ে নিজৰ পৰিচয় দিব লাগে— এয়ে সংসাৰৰ নিয়ম। পাঠকক আমাৰ চিনাকি দিব লাগিব। কিন্তু অনেকে আমাক দেখিয়েই চিনিব; আৰু কোনোএ বা আমাৰ নিৰ্বুদ্ধিতাৰ সাহ দেখি হাঁহিব— সন্দেহ নাই। আমি যে এই বিপদ সাগৰত ভুৰ বান্ধি ল'ৰাৰ দৰে পাৰ হ'বলৈ ওলাইছোঁ (দুই) তাক আমি জানো। অসমত কাকতৰ গতি কচুপাতত পানীটুপিৰ দৰে। মানুহৰ চেষ্টা 'অজৰ অমৰ' বুলি জানিহে আমাৰ সাহ; উদ্যোগীয়ে মৰণ কি, ক'ব নোৱাৰে। জীৱনেই হইছে কাৰ্য্যশীল—কৰিবলগীয়া আমি কৰিম--- ফল লাভ পাছৰ কথা। কামৰ চকৰিৰ তলত বহু মৰেও, জীয়েও--- মৰি, জীহে সংসাৰৰ কাৰ্য সাধিব পাৰি।*

*আমাৰ উদ্দেশ্য কি অনেকে শুধিব। সম্প্ৰতি ইয়াকে ক'লেই হ'ব যে আমাৰ কাৰ্য্য দেখি, আমাক সকলোএ বুজিব পাৰিব— আমাৰ কমিটী বুজিব নোৱৰা সাঁথৰ নহয় ৰাজনীতি আমাৰ 'ৰাজ্যৰ' বাহিৰ, এই পৰাধীন দেশত 'প্ৰজানীতি'হে ধৰিবলগীয়া। সাহিত্য, বিজ্ঞান, সমাজ ইত্যাদি আমাৰ আলোচনাৰ বিষয়— এইবিলাক সাধ্যমতে বুজিবলৈ ও প্ৰকাশ কৰিবলৈ যত্ন কৰিম। 'বাদ' 'প্ৰতিবাদ' আমি আদৰেৰে আমাৰ কোলাত ঠাই দিম। সেইবুলি ব্যক্তিগত নিন্দাক ওচৰ চাপিবলৈ নিদিওঁ। ভাষালৈ আমাৰ বিশেষ চকু থাকিব। অসমৰ আটাই শ্ৰেণীৰ মানুহে যেন আমাক মৰম কৰে তালৈ আমি যত্ন কৰিম। নকৈ উঠি অহা অসমৰ নিমিত্তে আমাৰ আটাই শক্তি ব্যয় কৰিম। এই পাছপৰি থকা আন্ধাৰ দেশলৈ অলপ 'জোনাক' সুমুৱাব নোৱাৰিলেও, যদি নিজে নিজেও যত্নৰ ফিৰিঙতিৰ পোহৰত বাট পাওঁ তেনে আমাৰ শক্তিৰ মিছা ব্যয় হোৱা নাই বুলি ভাবিম।*

*আমি জানো আমাৰ দেশ শিক্ষাত পাছ, জ্ঞানত ভিখাৰী, ধনত দুখীয়া, সংখ্যাবলত শক্তিহীন, স্বাস্থ্যত ৰুগীয়া, কামত এলেহুৱা আৰু পৰাধীন- কিন্তু আমি নিজ শক্তি অনুযায়ী হইহে কামত হাত দিব পাৰোঁ। আমি যুঁজিবলৈ ওলাইছোঁ 'আন্ধাৰৰ' বিপক্ষেঃ উদ্দেশ্য- দেশৰ উন্নতি, 'জোনাক'। কিমা(ত) নলৈ আগবাঢ়িব পাৰিমহঁক সেইটো নিজৰ শক্তি চালনা ও সুযোগৰ ওপৰতহে ৰই আছে। আটায়ে উঠি পৰি লাগোঁহঁক, সুযোগ ও আপুনি ওলাবহি; পাটিত পৰি দিন গণিবৰ সময় নাই। চাৰিওফালে হুৰহুৰাই 'কাম' চলিছে— অসমীয়া বহি থাকিবনে? এই ভাপ- নাও, ভাপ-ৰথ, বিজুলি-ডাকৰ দিনতো যদি হাত-ভৰি কোঁচাই বহি থাকোঁহঁক, তেনে আৰু আগ- বাঢ়ি যোৱাসকলৰ লগ ধৰিবলৈ আশা কৰিব নোৱাৰি। আমি নিজকে নিজে 'যোগ্য' নকৰিলে অন্যে কৰি নিদিয়েহি। এই সংসাৰে হইছে যোগ্যৰ ঘৰ, অযোগ্য অধঃপাতলৈ যাব— Survival of the fitttest — পাঠকে দায় নধৰিব, তাৰ অৰ্থ ওপৰতে দিয়া হইছে। তুঁহ জুইৰ দৰে অসমীয়াৰ 'তেজ' আৰু উৎসাহ এতিয়া ভাগ্যৰ জাপৰ তলত লুকাই আছে— এবাৰ ভমকাই উঠিব।*

***জোনাকী*** যুগৰ এই সাৰথিসকলে যিটো অসমীয়া জাতীয় চেতনাৰ সৃষ্টি কৰিলে সেই চেতনাই আধুনিক অসমীয়া জাতিৰ আত্ম পৰিচয়ৰ ভেটি সুদৃঢ় কৰিলে। এই চেতনাই অসমীয়া মানুহৰ প্ৰাণত নিজৰ অতীতৰ শৌৰ্য, বীৰ্য, ভাষা, সাহিত্য, সংস্কৃতিৰ সমৃদ্ধিশালী ঐতিহ্যৰ প্ৰতি চকু মোকলাই দিলে। যিসকলে পৰৱৰ্তী কালত এইসকলক ব্ৰিটিছ সাম্ৰাজ্যবাদী শক্তিৰ সমৰ্থক স্বৰূপে দাঙি ধৰিবলৈ যত্ন কৰি আহিছে তেওঁবিলাকে পূৰ্বসূচীসকলে প্ৰতিষ্ঠা কৰি থৈ যোৱা ভেটিতে থিয় হৈ পূৰ্বসূৰী সকলে প্ৰতিষ্ঠা কৰি থৈ যোৱা ভাষাৰেই তেওঁবিলাকক ভৰ্ৎসনা কৰে। জাতীয় চৈতন্যৰ ভেটি প্ৰতিষ্ঠা নোহোৱা হ'লে অসমত গান্ধীজীৰ নেতৃত্বত হোৱা স্বাধীনতা আন্দোলনে যি শক্তি আৰু ব্যাপ্তি লাভ কৰিছিল সেই শক্তি আৰু ব্যাপ্তি লাভ কৰিলেহেঁতেন বুলি ভাবিবলৈ কঠিন। ***জোনাকী*** যুগৰ সাৰথিসকলকে ধৰি তেওঁবিলাকৰ অনুগামী সকলৰ চকুৰ আগত আছিল ভাষিক-সাংস্কৃতিক জাতীয়তাৰে নিজৰ পৰিচয় প্ৰতিষ্ঠা কৰি লোৱাৰ লক্ষ্য। তেতিয়াই ব্ৰিটিছৰ বিৰুদ্ধে থিয় দি শক্তিক ক্ষয় কৰাৰ পথ তেওঁবিলাকে লোৱা হ'লে আজি অসমীয়া মানুহে নিজৰ পৰিচয়ৰ ভেটি এনেভাৰে স্থাপন কৰিব নোৱাৰিলেহেঁতেন।

## ব্ৰহ্মপুত্ৰক শক্তিৰ উৎস কৰিব লাগিব

১৯৫০ খ্ৰীষ্টাব্দৰ পিছৰ পৰাই অসমত ব্ৰহ্মপুত্ৰ আৰু নৈ-উপনৈসমূহৰ বাঢ়নী পানীয়ে কঢ়িয়াই অনা দুখ-কষ্টই এই বছৰো সীমা চেৰাই যোৱা দেখা গৈছে। এই ক্ষেত্ৰত ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰণৰ কাম সঠিকভাৱে খৰতকীয়াকৈ আৰম্ভ কৰিব নোৱাৰিলে ৰাজ্যখনে যে জীয়াতু ভুগিব লাগিব সেই বিষয়ে সন্দেহ নাই। মই সেইবাবে ১৯৮৮ খ্ৰীষ্টাব্দৰপৰাই বহুবাৰ এটা বিষয়ত গুৰুত্ব দি আহিছোঁ যে ব্ৰহ্মপুত্ৰক বিজ্ঞানসন্মতভাৱে নিয়ন্ত্ৰণ কৰি এই নদীৰ জলধাৰা এটা কেন্দ্ৰীভূত সোঁতলৈ ৰূপান্তৰিত কৰিব নোৱাৰিলে ব্ৰহ্মপুত্ৰৰ তলী আৰু ওপৰলৈ উঠি আহি থাকিব আৰু বানপানী আৰু গৰাখহনীয়াই প্ৰতিবছৰে জন-ধন-সম্পত্তি অভাৱনীয়ভাৱে গ্ৰাস কৰি গৈ থাকিব। এই বছৰো (২০১৭) 'নমামি ব্ৰহ্মপুত্ৰ' উৎসৱৰ ডিব্ৰুগড়ৰ অনুষ্ঠানতো মই এই কথাষাৰকে কৈছিলোঁ যে ব্ৰহ্মপুত্ৰক পূজা-পাতলেৰে সন্তুষ্ট কৰিব পৰা নহ'ব যদি বিজ্ঞানসন্মতভাৱে নিয়ন্ত্ৰণ কৰি বৈ যাবলৈ সুবিধা দিয়া নহয়। তেনে কৰিব পাৰিলে ব্ৰহ্মপুত্ৰৰ দুয়োফালে লাখ লাখ হেক্টৰ পলসুৱা মাটি ওলাই পৰিব। মই অদূৰ ভৱিষ্যতৰ ব্ৰহ্মপুত্ৰখন তেনেভাৱে প্ৰচুৰ উপকাৰ কৰিব পৰাকৈ বৈ যোৱাটো আৰু ব্ৰহ্মপুত্ৰৰ এই জলধাৰা এটি সহজ, কম ব্যয়ৰ বাণিজ্য আৰু যাতায়তৰ পথলৈ ৰূপান্তৰিত হোৱাটো চাবলৈ বাঞ্ছা কৰোঁ। বাঞ্ছা কৰোঁ দুয়োপাৰে শস্য, লাগনী গছ আৰু সেউজীয়া বন-বননিৰে ভৰপূৰ জনপদ গঢ়ি উঠা। মই বাঞ্ছা কৰোঁ, ব্ৰহ্মপুত্ৰৰ দুয়োপাৰৰ পৰা বৈ অহা নৈ, জান, জুৰিৰ মোহনাবোৰ আমাৰ গ্ৰামীণ ঐতিহ্যৰ সময় উপযোগী ৰূপেৰে উজ্জ্বল হৈ বৰ্তি থাকক। এইটোও চাবলৈ বাঞ্ছা কৰোঁ যে আমাৰ জলাশয়বিলাক মৎস্য উৎপাদনৰ একো একোটি কেন্দ্ৰলৈ ৰূপান্তৰিত হওক আৰু অসমে ভাৰতবৰ্ষৰ অন্য ঠাইৰ পৰা মাছ আমদানি কৰাৰ পৰিৱৰ্তে অসমৰ পৰা আন ঠাইলৈ ৰপ্তানি কৰিব পৰা হওক। অসমৰ কৃষিজাত সামগ্ৰীৰে অসমক স্বাৱলম্বী কৰাই নহয় অসমক অৰ্থনৈতিকভাৱেও চহকী কৰি তোলক। কেৱল সেয়ে নহয়, বিভিন্ন উদ্ভিদ বিজ্ঞানীসকলে দেখুৱাইছে অসমত অজস্ৰ ঔষধি বন, বৃক্ষ কেনেভাৱে নিজে নিজেই গজি উঠে। এনে স্বভাৱজাত বন বৃক্ষৰ সুশৃংখলিত, পদ্ধতিগত উদ্যান গঢ়ি তুলি ইয়াৰ সহায়ত গৱেষণালব্ধ সমলেৰে ঔষধ উৎপাদনৰ কেন্দ্ৰ গঢ়ি তোলা হওক।

## উদ্যোগ আৰু ব্যৱসায়-বাণিজ্য

অসমৰ চাহ এসময়ত বিশ্ববিশ্ৰুত আছিল, এতিয়াও নাম সম্পূৰ্ণৰূপে নাইকিয়া হৈ যোৱা নাই। কিন্তু পূৰ্বৰ যি মৰ্যাদা আছিল সেই মৰ্যাদা যে বহুগুণে কমি গৈছে আৰু বিশ্বৰ প্ৰতিযোগিতামূলক বজাৰত ইয়াৰ স্থান নিম্নগামী যে হৈছে সেই বিষয়ে সন্দেহ নাই। আনকি যিবিলাক ৰুগীয়া বাগিচা, ৰাজ্য চৰকাৰে নিগমৰ অধীনলৈ নিছিল সেইবিলাক প্ৰায় মৰণমুখী হৈ পৰিছে। মই এই অৱস্থাৰ পৰিৱৰ্তন বাঞ্ছা কৰোঁ আৰু অসমৰ চাহে পূৰ্বৰ খ্যাতি আৰু ৰাজ্যখনৰ ৰাজকোষলৈ ধন কঢ়িয়াই অনাটো বিচাৰোঁ।

খনিজাত সম্পদে অসম ইতিপূৰ্বে তেল আৰু কয়লা উদ্যোগ গঢ়ি উঠিছে যদিও আৰু পৰৱৰ্তী কালত তাৰ সম্প্ৰসাৰণ ঘটিছে যদিও যেনেভাৱে ৰাজ্যখনত থলুৱা মানুহৰ হাতত ভটায়নী উদ্যোগ গঢ়ি উঠিব লাগিছিল তাৰ আৰম্ভণিয়েই হোৱা নাই। আনকি, এই উদ্যোগবোৰত বিশেষজ্ঞ হিচাপে সকলো বিভাগত কাম কৰিব পৰা অৰ্হতা সম্পন্ন মানুহো বাঞ্ছা কৰা মতে আমি উলিয়াব পৰা নাই। কেৱল সেয়ে নহয় অসমৰ সমলৰ ভিত্তিত উদ্যোগ গঢ়ি তুলিবলৈ

আমি বাহিৰৰ বিনিয়োগকাৰীকো আকৰ্ষণ কৰি আনিব পৰা নাই। অৰ্থনৈতিক উন্নয়ন অবিহনে ৰাজ্যখনৰ সামগ্ৰিক উন্নয়ন হ'ব কেনেকৈ? মোৰ সপোনৰ অসমখন অৰ্থনৈতিকভাৱে স্বচ্ছল, নিকা, আধুনিক জীৱন-যাপনৰ উপযোগী সুযোগ আৰু সুবিধাৰে এখন চকুত লগা অসম। অসমৰ থলুৱা মানুহে ৰাজ্যখনৰ অৰ্থনীতি নিজৰ হাতৰ মুঠিলৈ আনিব নোৱাৰিলে আনৰ দুৱাৰে দুৱাৰে ভিক্ষা কৰি বিহু পতাৰ অপমানিত সংস্কাৰৰ মাজত মূৰ দোঁৱাই বাচি থাকিব লাগিব। মই তেনে এটা অসমীয়া জাতি চাবলৈ নিবিচাৰোঁ। আমাৰ জনমূৰি আয় এতিয়াও বহুত তলত। ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগৰ গৰাকী হ'ব নোৱৰাৰৈলেকে, আমাৰ ৰাজ্যলৈ আনিবলগীয়া আৰু অনা সামগ্ৰীৰ ব্যৱসায় নিজৰ হাতলৈ আনিব নোৱৰাৰৈলেকে আমাৰ জনমূৰি আয় কেৱল চাকৰিৰ ধনেৰে বঢ়াৰ সম্ভাৱনা কম। ইয়াৰ বাবে আমি নিজেও কম জগৰীয়া নহয়। বাহিৰৰ পৰা শুদা হাতেৰে আহি যদি ইয়াত হাজাৰ কোটি টকাৰ সম্পত্তিৰ অধিকাৰী হ'ব পাৰে, আমি কিয় নোৱাৰোঁ? আমাৰ উৎসাহ, উদ্যম যদি নাথাকে, আমি যদি আৱশ্যকীয় অৰ্হতা আহৰণ কৰি ল'ব নোৱাৰোঁ আমি নিজৰ ভৰিত নিজে থিয় হ'ম কেনেকৈ? অসমীয়া মানুহ আশুতোষ। অলপতে সন্তুষ্ট হয়। উচ্চতৰ আৰু উচ্চতম স্থানলৈ আগবাঢ়ি যোৱাৰ লক্ষ্য নাথাকিলে মানুহৰ ব্যক্তিগত আৰু সমষ্টিগত জীৱনৰ উন্নয়ন সাধিত নহয়। যি লোকে সহজ ধনৰ আশা কৰে, তেনে লোকে যিদৰে পৰিশ্ৰম কৰাৰ পৰিৱৰ্তে গোপন বাট বিচাৰে, তেনেদৰেই সেই বাটেৰেই গৈ থাকোঁতে আটাইতকৈ অন্ধকাৰ কোঠাত ভৰি দিবগৈলগীয়া হয়। আমাৰ অসমৰ ডেকা ল'ৰা, গাভৰু ছোৱালী আনি এনেভাৱে সহজ ধনৰ স্বীকাৰ হ'বলৈ এৰি দিমনে? সংস্কৃতত এক প্ৰবাদ বাক্য আছে,

বাণিজ্যে বসতি লক্ষ্মী
তদৰ্ধং কৃষিকৰ্মণি।
তদৰ্ধং ৰাজঃসেৱায়াং
ভিক্ষায়াং নৈৱ নৈৱচ।।

## ঐতিহ্যৰ ভেটিত ঐক্য আৰু আধুনিকতাৰ স্বপ্ন

মোৰ সপোনৰ অসমখনত মই অসমৰ সভ্যতা আৰু সংস্কৃতিৰ, ভাষা আৰু সাহিত্যৰ ঐতিহ্যৰ লগত সম্পৰ্ক থকা বিলাকৰ আধুনিক ৰূপ চাবলৈ বিচাৰোঁ যাতে আমাৰ ভাষা, সাহিত্য, সভ্যতা আৰু সংস্কৃতি পৃথিৱীৰ দেশৰ আৰু জাতিৰ তেনে সম্পদৰ সকলো ক্ষেত্ৰতে সমকক্ষস্বৰূপে প্ৰতিষ্ঠিত আৰু পৰিচিত হৈ ৰয়। অনাদি কালৰপৰা অসমত ঘটি অহা ৰক্ত ভাষা, সংস্কৃতিৰ সমন্বিত ৰূপৰ মাজত ভেদাভেদ নাছিল। কিন্তু সপ্তদশ শতিকাৰ শেষাৰ্দ্ধৰপৰা ইয়াত যেন নকৈ ভেদাভেদ সৃষ্টি হোৱাৰ বাট ওলাবলৈ ধৰিলে। তদুপৰি আধুনিক শিক্ষা আৰু সভ্যতায়ো মানুহৰ ব্যৱহাৰিক জীৱনত আৰু তাৰ মনোজগতত পেলোৱা প্ৰভাৱে বিভাজনৰ নতুন একো একোটি সৰু সৰু বাট কাটিবলৈ ধৰিলে। ইয়াৰে কিছু স্বাভাৱিক আৰু কিছু জোৰকৈ সৃষ্টি কৰা বাট।

এসময়ত অসমৰ বিভিন্ন জনগোষ্ঠীৰ উমৈহতীয়া ভাষা আছিল আজিৰ অসমীয়া ভাষাটোৰ সেই সময়ৰ ৰূপেই। কিন্তু আধুনিক শিক্ষাৰে শিক্ষিত হৈ উঠা বিভিন্ন ভাষিক-সামাজিক গোটৰ মাজত অতি স্বাভাৱিকভাৱে বাঢ়ি অহা আত্মপৰিচয় প্ৰতিষ্ঠাৰ যত্নই বহু সময়ত সৰু একোদাল বিভাজনৰ ৰেখা আঁকি দিয়া যেন হ'বলৈ ধৰিলে। অসমত এনে বিভাজনে উগ্ৰপন্থাৰ প্ৰতিও একাংশ লোকক আকৃষ্ট কৰা দেখা যাবলৈ ধৰিলে। ফলত সুকীয়া ৰাজ্যৰ দাবীও উঠিবলৈ ধৰিলে। মই এনে এখন বিভাজনমুখী অসম নিবিচাৰোঁ। সকলো সামাজিক গোটৰ লোকেই নিজৰ নিজৰ পৰিচয়ৰে বৃহত্তৰ অসমৰ সমান অংশীদাৰ হৈ আমি থাকিব কিয় নোৱাৰিম? ভাতৃ-বিদ্বেষ আমাক নালাগে, লাগে ভাতৃ-মিলন। ঘৃণা আমাক নালাগে, লাগে প্ৰেম। কিন্তু ব্যক্তিগত আৰু সমষ্টিগত ৰাজনৈতিক আকাংক্ষাই আমাক বহুসময়ত ভুল বাট দেখুৱাই আহিছে। মাজে মাজে আনকি অসম ৰক্তাক্ত হৈছে। মোৰ সপোনৰ অসমত মৰিশালিৰ হুমুনিয়াহ থাকিব নোৱাৰে, থাকিব আনন্দ-উজ্জ্বল চকু-মুখৰ ছবি। আমি প্ৰত্যেকেই যদি প্ৰত্যেকক নিজৰ বুলি ভাবিব পাৰোঁ, সংঘাতৰ ঠাই থাকিব ক'ত? আমি দেবদূতৰ কথা নুশুনি যদি চয়তানৰ কথা শুনো, আমি আমাৰ ভৱিষ্যৎ নিজেই অন্ধকাৰ কৰি লোৱা হ'ব।

## মাতৃভাষা আৰু মাতৃদুগ্ধ

মাতৃদুগ্ধৰ সমানেই পুষ্টিকৰ মাতৃভাষা। ইংৰাজী বা হিন্দীৰদ্বাৰা কোনো মাতৃভাষা কেনো ক্ষেত্ৰতে অপসাৰিত হোৱাটো মই চাব নোখোজোঁ। মাতৃভাষাকে ভেটি কৰিয়েই ল'ৰা-ছোৱালীয়ে হিন্দী আৰু ইংৰাজী বিষয় হিচাপে সফলতাৰে আয়ত্ত কৰাটো মই বিচাৰোঁ আৰু মই দাবী কৰোঁ। পিতৃৰ আজ্ঞা পালি পৰশুৰামে মাতৃ ৰেণুকাক হত্যা কৰাৰ দৰে ঘটনা ভাষাৰ ক্ষেত্ৰত যাতে হ'ব নোৱাৰে তাৰ বাবে 'ৰজাঘৰ' সন্থম হৈ ব্যৱস্থা গ্ৰহণ কৰিব লাগিব আৰু ৰাইজক আশ্বস্ত কৰিব লাগিব। ভাষাৰ ক্ষেত্ৰত এনে এটা অসমীয়া ভাষাৰ ক্ষেত্ৰত থকা এই দুঃস্বপ্ন শীঘ্ৰেই আঁতৰি যোৱাটো বিচাৰোঁ। আমি মনত ৰাখিব লাগিব মাতৃভাষাৰ শিপাৰপৰা উভালি পৰা মানুহৰ ব্যক্তিত্বৰ পূৰ্ণ বিকাশ কেতিয়াও হ'ব নোৱাৰে। আমি আমাৰ নতুন প্ৰজন্মৰ ব্যক্তিত্বৰ পূৰ্ণ বিকাশ বিচাৰোঁ নে নিবিচাৰোঁ— এই প্ৰশ্নটো প্ৰত্যেকেই নিজক কৰি চোৱা উচিৎ। বিশ্বায়নৰ ধুমুহাই যাতে আমাক উৰাই লৈ যাব নোৱাৰে তাৰ বাবে আমাৰ স্থিতি নিজেই সুদৃঢ় কৰাৰ ওপৰত আমাৰ ভৱিষ্যৎ নিৰ্ভৰ কৰিছে।

## ধৰ্ম-বিদ্বেষ নথকা ৰাজ্য

আমাৰ এই ৰাজ্যখন ধৰ্ম-বিদ্বেষ নথকা ৰাজ্য। সেইবাবেই অসমীয়া হিন্দু, মুছলমান, বৌদ্ধ, খ্ৰীষ্টিয়ান, শিখ আদি বিভিন্ন ধৰ্মাৱলম্বীৰ মাজত কোনো কালে সংঘাত সৃষ্টি হোৱা নাই। নিজৰ নিজৰ ধৰ্ম মানুহে আনৰ ক্ষতি নকৰাকৈ পালন কৰি আহিছে। কিন্তু ভাষা আৰু সংস্কৃতিত তথা জীৱন-যাপনৰ প্ৰণালীত অসমীয়া মানুহ এক আৰু অভিন্ন। তাৰ প্ৰধান কাৰণটোৱেই হ'ল অসমলৈ ইছলাম প্ৰচাৰ কৰিবলৈ চুফী সন্ত শ্বাহ মিৰান যাক অসমীয়া মানুহে 'আজান ফকীৰ' বুলি নাম দি ল'লে, তেওঁৰ আগমন, অসমলৈ আহি অসমীয়া ভাষাক সংকটৰ মুখৰ পৰা পৰিত্ৰাণ কৰাত আগভাগ লওঁতা নাথান ব্ৰাউনকে ধৰি আমেৰিকান বেপ্টিষ্ট মিছনেৰীসকল, অসমলৈ আহি থলুৱা অসমীয়া পৰিয়ালৰ লগত বৈবাহিক সম্পৰ্ক স্থাপন কৰি তেজ আৰু ভাষাত অসমীয়া হোৱা শিখসকল--- এই সকলোৰে মাজত থকা ছিঙিব নোৱৰা সম্পৰ্কই অসমীয়াসকলক ঐক্যবদ্ধ কৰি ৰাখিছে। ঐক্যবদ্ধ কৰি ৰাখিছে প্ৰাচীন কামৰূপত স্থান লোৱা বৌদ্ধ ধৰ্মৰ অনুগামী অসমীয়াসকলক। *'পৰিও নপৰা/মৰিও নমৰা/বাণ ভগদত্ত চুকাফা জাত'*ৰ মিশ্ৰিত অসমীয়াসকলৰ তেজ ভাষা আৰু সংস্কৃতিৰ সমন্বিতৰূপে জাতিটোক ধৰি ৰাখিছে। মই চিৰদিন, চিৰকাল এই সমন্বিত ৰূপৰ ছবিখন সজীৱ হৈ থকাটো বিচাৰোঁ।

## মূল্যবোধৰ অৱক্ষয়

আধুনিক বিজ্ঞান আৰু প্ৰযুক্তিৰ দ্ৰুত বিকাশে আৰু আমাক অনিচ্ছাসত্বেও আমাৰ অনেক মূল্যবোধ নষ্ট কৰা দেখিবলৈ পোৱাটো হ'ল এক চৰম দুৰ্ভাগ্যৰ ঘটনা। সভ্যতাৰ এই বিশ্বায়নে যিদৰে আমাৰ চিন্তা, ধ্যান ধাৰণা, জীৱন-যাপনৰ পদ্ধতিক নতুন মাত্ৰাৰে সলনি কৰি দিছে তেনেদৰে আমাৰ আধ্যাত্মিক নৈতিক, মানৱীয় সামাজিক আৰু সাংস্কৃতিক মূল্যবোধ ভাঙি পেলাবলৈ আৰম্ভ কৰিছে। ভাল-বেয়া, উচিৎ- অনুচিতৰ পাৰ্থক্য নোহোৱা হৈছে। দৈনিক সংবাদ মাধ্যমত হত্যা, বলাৎকাৰ, হিংসাৰ ঘটনাই অগ্ৰাধিকাৰ পাবলৈ ধৰিছে। এইবিলাকৰ কু-প্ৰভাৱ নতুন প্ৰজন্মৰ ওপৰত ক্ষতিকাৰকভাৱে পৰাৰ সম্ভাৱনা বাধা দিব নোৱৰা অৱস্থালৈ আহিছে। আমাৰ অসমৰ সংবাদ মাধ্যমসমূহে আত্মবিশ্লেষণ আৰু আত্মসমালোচনাৰে উন্নততৰ অৱস্থালৈ আগবঢ়াটো আৰু বেয়া ঘটনাবোৰৰ সংবাদেৰে ভাল বিষয়বোৰ যাতে ঢাক নাখাই তাৰ প্ৰতি কঠোৰ দৃষ্টি ৰখাটো চাবলৈ বিচাৰোঁ। এখন দুৰ্নীতিমুক্ত অসম; সাম্প্ৰদায়িক- ভাষিক- ধৰ্মীয় বিদ্বেষ নথকা অসম, উগ্ৰবাদ নথকা অসম আমি সকলোৱে পাবলৈ বিচৰোঁ।

## বহুত্ববাদী দৃষ্টিভংগী

আধুনিক সমাজ হ'ল বহুত্ববাদী সমাজ। বিভিন্ন মত, বিভিন্ন ভাষা, বিভিন্ন ধৰ্ম, বিভিন্ন সম্প্ৰদায় একেলগে ঐক্যবদ্ধ হৈ থকা সমাজ। এনে সমাজত পৰস্পৰে পৰস্পৰৰ প্ৰতি সন্মানবোধ ৰক্ষা কৰিব পাৰিলে সমাজ সংঘাতহীন আৰু শান্তিপূৰ্ণ হৈ বৰ্তি থাকে। তেনে এখন সংঘাতহীন শান্তিপূৰ্ণ অসম যিদৰে মই চাব খোজোঁ আৰু পাব খোজোঁ ঠিক তেনেদৰেই বিচাৰোঁ যাতে অসমত সকলো বিষয়ৰ শিক্ষানুষ্ঠানসমূহৰ পৰা দেশৰ শ্ৰেষ্ঠ নাগৰিক ওলাই আহিব পাৰে।

এই সময়লৈকে অসমত হোৱা বিকাশক আৰম্ভণিৰ সময় বুলিহে ক'ব পাৰি। চকুৰ আগত দেশ গঢ়াৰ, জাতি গঢ়াৰ সপোন নাথাকিলে দেশ আৰু জাতি আমি কল্পনা কৰা ভৱিষ্যতটোত থিয় দিবগৈ কেনেকৈ? অসমৰ সকলো মানুহ ঐক্যবদ্ধ হৈ অসমৰ জাতীয় স্বাভিমান ৰক্ষা কৰিব পাৰিলেহে ভাৰতবৰ্ষৰ ৰাষ্ট্ৰীয় স্বাভিমান ৰক্ষা কৰাৰ আমি নিষ্ঠাৱান প্ৰহৰী হ'ব পাৰিম। আনন্দৰাম ঢেকিয়াল ফুকনৰ ভাষাৰে ক'বৰ মন গৈছে— *"হে কৃপাময় জগদিস্বৰ, এই অসম দেসৰ লোকসকলক সভ্য, গিয়ানি আৰু ধাৰ্মিক কৰিবলৈ মতি দিয়া, সিবিলাকৰ অভাৱ আৰু দুৰৱস্থা জানিবলৈ সিবিলাকক গিয়ান দিয়া আৰু তোমাৰ বিচিত্ৰ সক্তিৰে সিবিলাকক সভ্য কৰা আৰু তোমাক জানিবৰ আৰু আগ্যা পালিবৰ জোগ্য কৰা। জি সময়ত অসম হাবি গুচি ফুলবাৰী হব, নৈত ডোঙা গুচি জাহাজ হব, ঘৰ বাঁহৰ গুচি সিল ইটাৰ হব, গাঁয়ে গাঁয়ে হেজাৰ হেজাৰ পৰ্হাসালি হব, গিয়ানৰসভা, চিকিতসালয়, দুখীয়া-দৰিদ্ৰ পৰিত্ৰাণৰ আলয় হব আৰু জি কালত লোকসকলে পৰস্পৰে হিংসাহিংসি নকৰি আটায়ে আটাইক ভাত্ৰিৱত চেনেহ কৰিব... সেই সময়, হে পৰমপিতা জগদিস্বৰ, সিঘ্ৰে ঘটোৱা।"*বৰ্তমানৰ উপযোগীকৈ যেন আনন্দৰামৰ সেই স্বপ্ন ফলিয়াওক।

এনে এখন সপোনৰ নতুন অসম পাবলৈ আৰু চৈয়দ আব্দুল মালিকৰ দৰে নমস্য লেখকগৰাকীৰ ভাষাৰে ক'বলৈ মন গৈছে ঃ

জীৱনে মৰণে মই চিৰদিন অসমীয়া<br>
অসমীয়া দেহ-প্ৰাণ-মন;<br>
জীয়াই থাকোঁতে মই অসমৰে অসমীয়া<br>
মৰিলেও বৰি ল'ম অসমৰ অমিয়া মৰণ।

●●●

**সম্পাদকৰ টোকা ঃ** অসম আৰু বৃহত্তৰ অসমীয়া সমাজৰ ভৱিষ্যৎ সন্দৰ্ভত বিশেষভাৱে আলোকপাত কৰা বিশিষ্ট চিন্তাবিদ গৰাকীৰ একেই শীৰ্ষকেৰে পূৰ্ব প্ৰকাশিত এই বহুচৰ্চিত, মননশীল প্ৰবন্ধটো তেখেতৰ অনুমতি সহকাৰে পুনৰ প্ৰকাশ কৰা হৈছে।

# Reminiscences of an old associate of D.H.S.K Commerce College

**P. C. Jain**

Having begun and ended my career in the portals of this very institution I feel prompted to recall many a sweet and sour memory of the gone by days stretching over a span of thirty five years. During the period from 15th September, 1950, the of date my joining and the 15th October, 1935, the date of my retirement. I had the opportunity to serve the College in various capacities : Lecturer, Head of the Department, Vice principal, Acting Principal and Principal, watch events from close quarters and participate in programmes of its progress and development. The present generation of teachers and students need be aware of the history of their Alma Meter, especially of those times when the resources at the disposal were quite meagre and the remuneration offered for the services rendered very scanty. Let me recaptulate and reproduce here some of my reminiscences depicting important Landmarks in the onward journey coverd by this premier centre of education in Upper Assam.

Initially, the commerce-faculty was a wing of D.H.S.K. College along with those of Arts and Science. As the commerce studies were then pursued mainly by the office-goers, the classes were held in the evening; but from July, 1951 the timings were changed to morning. This was, however not done on permanent basis, for after a few years the classes were again shifted to evening and vice-versa. The academic performance of the Commerce-Students was quite up to the mark, for several times they topped the list in I. Com. And B.Com. examinations of the Guwahati University whose jurisdiction at the time extended to the whole of un-divided Assam and Manipur.

ঐতিহাসিক ডিব্ৰুগড় চহৰখনৰ এটা বিশেষ পথ। কলেজ ৰোড বুলিয়েই জনাজাত পথটো এতিয়া প্ৰাক্তন মুখ্যমন্ত্ৰী কেশৱ গগৈৰ নামকৰণ হ'ল। অৱশ্যে পথৰ পূৰ্বৰ গুৰুত্ব অথবা গৰিমা অক্ষুণ্ণ আছে। পথটোৰ গুৰুত্ব এতিয়া বাঢ়িছেহে, কোনো গুণে কম হোৱা নাই। চহৰৰ থানা চাৰিআলিৰ পৰা গাভৰু পথাৰ তিনিআলিলৈকে পথছোৱাত চাৰিখনকৈ মহাবিদ্যালয়ৰ লগতে কেইবাখনো বিদ্যালয়ো আছে। এটা ব্যতিক্ৰমী পথ। এই পথটোতেই আছে আমাৰ হৃদয়ত সদায় কঢ়িয়াই লৈ ফুৰা অতি আপোন মহাবিদ্যালয়খনি। জীৱনৰ এটা গুৰুত্বপূৰ্ণ সময় পাৰ কৰা ডিব্ৰুগড় হনুমানবক্স সূৰজমল কানে বাণিজ্য মহাবিদ্যালয়ত অধ্যয়ন কৰা সময়ৰ বহু স্মৃতি আজিও কঢ়িয়াই লৈ ফুৰিছোঁ। সেই সকলো কথা এটা লেখাত সম্পূৰ্ণকৈ তুলি দিয়াটো সম্ভৱ নহ'ব। তথাপি কিঞ্চিত চেষ্টা কৰিছোঁ। ৰাজ্যৰ ভিতৰত বাণিজ্য শিক্ষাৰ এখন আগশাৰীৰ মহাবিদ্যালয় হৈছে ডিব্ৰুগড় হনুমানবক্স সূৰজমল কানৈ বাণিজ্য মহাবিদ্যালয়। ৬৪ বছৰ অতিক্ৰম কৰা মহাবিদ্যালয়খনৰ অনিৰুদ্ধ যাত্ৰাক লৈ আমি সদায় গৌৰৱান্বিত। সুখৰ কথা যে এই মহাবিদ্যালয়ৰ মজিয়া গছকিবলৈ এদিন আমিও সুযোগ লাভ কৰিছিলোঁ। এই মহাবিদ্যালয়খনৰ পৰা উত্তীৰ্ণ হৈ অনেক শিক্ষাৰ্থী দেশে-বিদেশত কৰ্মৰত হোৱাৰ উপৰি এই সকলৰ বহুজনে অসমীয়া সমাজ জীৱনৰ বাবেও কাম কৰি আছে। আনহাতে, এই মুহূৰ্তত প্ৰতিষ্ঠাকালৰ পৰা শিক্ষাদান কৰি অহা শিক্ষকসকলেও মহাবিদ্যালয়খনৰ প্ৰতি থকা আগ বঢ়োৱা অৱদান আমি শ্ৰদ্ধাৰে সুঁৱৰিছো। আজিৰ পৰা ৬৪ বছৰৰ পূবে বাণিজ্য শিক্ষাৰ প্ৰয়োজনীয়তাৰ কথা উপলব্ধি কৰা মহান শিক্ষাবিদসকলৰ বাবেই আমাৰ দৰে বহু হাজাৰ হাজাৰ শিক্ষাৰ্থী শিক্ষাগ্ৰহণৰ সুযোগ লাভ কৰিলে। সেইসকল শিক্ষাগুৰুৰ আৰ্শীবাদ শিৰত লৈ মোৰ ক্ষুদ্ৰ লেখাটো তেখেতসকলৰ চৰণত নিবেদন কৰিছোঁ। আমাৰ ছাত্ৰ জীৱনত মহাবিদ্যালয়ত এই অভাজনে দেখা কিছু দৃশ্য তুলি ধৰাৰ ক্ষুদ্ৰ প্ৰয়াসহে মাথোঁ কৰিছোঁ।

আমাৰ দিনত বহু মহাবিদ্যালয়ত শ্ৰেণীসমূহ ভালদৰে বহা নাছিল। এই ক্ষেত্ৰত আমাৰ প্ৰিয় শিক্ষানুষ্ঠান ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ বাণিজ্য মহাবিদ্যালয়ো ব্যতিক্ৰম নাছিল। শ্ৰেণীকোঠাত কেতিয়াবা ছাত্ৰ নাথাকে আৰু বহু সময়ত অধ্যাপক/অধ্যাপিকাও নাথাকিছিল। অৱশ্যে আমাৰ সকলো সন্মানীয় অধ্যাপক/অধ্যাপিকাই শিক্ষাদান কৰিবলৈ আগ্ৰহী নহয় বুলি অভিযোগ আনিব বিচৰা নাই। কিন্তু এটা কথা সত্য যে দুটা বা তিনিটা ক্লাছৰ পিছত কেতিয়াবা আমাৰ মহাবিদ্যালয়ত শিক্ষাৰ্থী অথবা অধ্যাপক-অধ্যাপিকাও নাথাকিছিল।।

এই ক্ষেত্ৰত বৰ্তমানৰ অধ্যক্ষ শ্ৰদ্ধাৰ ড° খনীন্দ্ৰ মিশ্ৰ ভাগৱতী ছাৰ, কুমুদ গোস্বামী ছাৰ, ৰমা গগৈ ছাৰ, ভূপেশ ভাগৱতী, দেৱীমল্লিকা ৰাজখোৱা বাইদেউ, হাতীবৰুৱা বাইদেউ আদি ব্যতিক্ৰম আছিল। দুই-এজনৰ নাম মনত পৰা নাই। কিন্তু পৰৱৰ্তী সময়ত আমাৰ ছাত্ৰ সমাজৰ প্ৰচেষ্টাত সেই সময়ৰ অধ্যক্ষ তথা শ্ৰদ্ধাৰ শিক্ষাগুৰু প্ৰয়াত মনমোহন দাস ছাৰে গে'টত তলা লগাই সাত টাকৈ শ্ৰেণী বহাটো বাধ্যতামূলক কৰিছিল। দাস ছাৰৰ নেতৃত্বত মহাবিদ্যালয়খনলৈ এক সুস্থ শৈক্ষিক পৰিৱেশ ঘূৰি আহিছিল। গতিকে মোৰ ভাৱ হয় সকলোৰে প্ৰচেষ্টা আৰু প্ৰশাসনিক কঠোৰতাই আমাৰ মহাবিদ্যালয়লৈ শৈক্ষিক পৰিৱেশ ঘূৰাই অনাৰ লগতে কেৱল টিউচন আৰু ব্যৱসায়ত ব্যস্ত একাংশ অধ্যাপকক মহাবিদ্যালয়মুখী হ'বলৈ বাধ্য কৰাইছিল। সেই কথা মনত পৰিলে আজিও ভাল লাগে। মহাবিদ্যালয়খনত এক সুস্থ পৰিৱেশ সৃষ্টিৰ ক্ষেত্ৰত আমিও সবলভাবে সহযোগ আগ বঢ়াইছিলোঁ। এনে অনেক

*লেখক এগৰাকী অভিজ্ঞ, প্ৰতিভাসম্পন্ন সাংবাদিক, 'অসম আদিত্য'ৰ সম্পাদক আৰু আমাৰ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ তথা ছাত্ৰ একতা সভাৰ প্ৰাক্তন উপ-সভাপতি।*

ভাল স্মৃতি আমি সদায় কঢ়িয়াই লৈ ফুৰিম। এনেধৰণৰ ইতিবাচক চিন্তাই সমাজক এটা সুস্থ বাট দেখুৱাই নতুন প্ৰজন্মক অনুপ্ৰেৰণা প্ৰদান কৰে।

আনহাতে, ক্ৰীড়া ক্ষেত্ৰৰো বহু কথা মনলৈ আহিছে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আন্তঃ কলেজ ক্ৰিকেট প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ে একেৰাহে দুবছৰ চেম্পিয়ন হৈছিল। গৌৰৱৰ বিষয় যে উক্ত দুয়োটা টীমৰ সদস্য আছিলোঁ এই অভাজন। এই দলটোৰ গঠনৰ ক্ষেত্ৰত অভাজনৰ লগতে বন্ধু ফ্ৰাচেংমুং গগৈ, প্ৰদ্যুৎ প্ৰকাশ বৰা আৰু গুঞ্জানন্দ শইকীয়াৰ নাম ল'বই লাগিব। '৯৬ত ফ্ৰাচেং আৰু '৯৭ত গুঞ্জানন্দ ক্ৰীড়া সম্পাদকৰ দায়িত্বত আছিল। এইখিনিতে উল্লেখ কৰিব লাগিব যে '৯৭ ত অভাজন আছিলোঁ ছাত্ৰ একতা সভাৰ উপ-সভাপতি। আমি চাইকেল মাৰি টীমৰ সদস্যসকলক যোগাযোগ কৰাৰ ক্ষেত্ৰত কিমান যে কষ্ট কৰিছিলোঁ, সেই কথা আজিও মনত পৰিলে ভাল লাগে। সেই সময়ত ক্ৰীড়া বিভাগৰ দায়িত্বত থকা শ্ৰদ্ধাৰ প্ৰশান্ত দাস ছাৰৰ ঘৰলৈতো বহুবাৰ আমি গৈছিলোঁ। তেখেতৰ উৎসাহ, প্ৰেৰণাই আমাক উদ্বুদ্ধ কৰিছিল। দুটা বছৰ 'টীম কেপ্তেইন' আছিল প্ৰয়াত জিন্তু চুতীয়া দাদা। কিছু দিনৰ পূৰ্বে ৰোগত আক্ৰান্ত হৈ ইহ সংসাৰ ত্যাগ কৰিছে তেওঁ। দুয়োটা বছৰ জিন্তু দাদাই ক্ৰিকেট দলটো সুদক্ষভাৱে নেতৃত্ব দিয়াৰ কথা পাহৰিব নোৱাৰোঁ। সেই সময়ত টীমত থকা খেলুৱৈসকলৰ একাংশ হৈছে ঃ জিন্তু চুতীয়া, প্ৰদ্যুৎ প্ৰকাশ বৰা, ফ্ৰাচেং মুং গগৈ, গিৰিন্দ্ৰ বৰা, গুঞ্জানন্দ শইকীয়া, ৰঞ্জু গগৈ, কামাখ্যা শইকীয়া, নীৰজ সিংহানিয়া, অজয় মজুমদাৰ (পংকজ), বিজয় পুন্নি, মনদীপ বৰকটকী, মানস বৰপূজাৰী, ঋষি ঋষভ দাস, ৰামেশ্বৰ দাস, দিলীপ ছেত্ৰী, গৌতম মিলি, মাধৱ দত্ত, কল্যাণ হাজৰিকা, মনজিৎ বৰা আদি। যোৰহাট ইঞ্জিনিয়াৰিং কলেজ, অসম মেডিকেল কলেজক পৰাজিত কৰাৰ ৰোমাঞ্চকৰ খেলকেইখনৰ মুহূৰ্তৰ কথা আজিও পাহৰিব নোৱাৰোঁ। আনহাতে, আমাৰ টীমত বহু প্ৰতিভাৱান খেলুৱৈ আছিল। তেওঁলোকৰ ভিতৰত কেইবাজনো ডিব্ৰুগড় বিশ্ববিদ্যালয় টীমত অন্তৰ্ভুক্ত হৈ আন্তঃবিশ্ববিদ্যালয় প্ৰতিযোগিতাত অংশগ্ৰহণ কৰাৰ সুযোগ লাভ কৰিছিল। ডিব্ৰুগড় বিশ্ববিদ্যালয়ক প্ৰতিনিধিত্ব কৰা আমাৰ কলেজৰ খেলুৱৈসকল হৈছেঃ অজয় মজুমদাৰ, জিন্তু চুতীয়া, প্ৰদ্যুৎ প্ৰকাশ বৰা, কামাখ্যা শইকীয়া। এইখিনিতে উল্লেখ কৰিব লাগিব যে আমাৰ মহাবিদ্যালয়ৰ কামাখ্যা শইকীয়াই অসম দলক প্ৰতিনিধিত্ব কৰি ৰঞ্জি ট্ৰফি খেলাৰো সুযোগ পাইছিল। কিন্তু ক'বই লাগিব যে একেৰাহে দুটা বৰ্ষৰ বাবে বিজয়ী টীমটোক লৈ আজিও আমি গৰ্বিত।

**ঘোষ ছাৰৰ ওচৰত ক্ষমা প্ৰাৰ্থনাৰে...**

ছাত্ৰৱস্থাতে জাতীয় জীৱনৰ স্বাৰ্থত বহু সংগ্ৰামত জড়িত হৈ পৰিছিলোঁ। কোনটো কথা কিমান সঠিক আছিল, সেই কথা এতিয়া বিশ্লেষণ কৰিব বিচৰা নাই। কিন্তু, আমাৰ মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ ঘোষ ছাৰৰ বিৰুদ্ধে এটা গুৰুতৰ অভিযোগ আনি আমাৰ 'ছাত্ৰ একতা সভা'ই সেই সময়ত কৰা আন্দোলনৰ আমিও অংশীদাৰ হৈছিলোঁ। অৱশ্যে সেই আন্দোলন হয়তোবা কাৰোবাৰ প্ৰৰোচনাত হৈছিল। আমাৰ তেনে ধাৰণাই হয়। কাৰণ, ছাৰে সেই অভিযোগ ওফৰাই নিজৰ চাকৰিকাল সম্পূৰ্ণ কৰিবলৈ সক্ষম হৈছে। সেই আন্দোলন হয়তো সঠিক নাছিল বুলি মোৰ মনে বাৰে বাৰে কৈছে। গতিকে ভুলবশতঃ আন্দোলনৰ জৰিয়তে শ্ৰদ্ধাৰ শিক্ষাগুৰুজনক মনোকষ্ট দিয়াৰ বাবে আমি ক্ষমাপ্ৰাৰ্থী।

**ভাই জয়ন্তৰ স্মৃতিত....**

আমি চূড়ান্ত বৰ্ষত উপনীত হোৱাৰ সময়ত পেঙেৰী অঞ্চলৰ এজন অমায়িক ছাত্ৰই আমাৰ মহাবিদ্যালয়ৰ উচ্চতৰ মাধ্যমিক প্ৰথম বাৰ্ষিকত নামভৰ্তি কৰিছিল। তেওঁ চহৰৰ খলিহামাৰিৰ দলবীৰ সিং লোহাৰ পথত থকা আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰাৱাসৰ আবাসী আছিল। আমি ছাত্ৰাৱাসলৈ যোৱাৰ সময়ত শান্ত স্বভাৱৰ জয়ন্তক নিজৰ কোঠাতে সোমাই পঢ়ি থকাই দেখিছিলোঁ। নম্ৰ জয়ন্তই আমাৰ সৈতে সদায় বিনয়েৰে মত-বিনিময় কৰিছিল। কিন্তু, সেইজন আমাৰ ভাতৃপ্ৰতিম জয়ন্ত শইকীয়াক চহৰৰ মাজমজিয়াৰ শাকপাচলি আৰু ফলমূলৰ বজাৰত ১৯৯৮ চনৰ ২৬ ফেব্ৰুৱাৰীত একাংশ দুৰ্বৃত্তই নিৰ্মমভাৱে প্ৰহাৰ কৰি হত্যা কৰে। সেইসময়ত এজন ভাতৃক হেৰুৱাই দুখত ভাগি পৰিছিলোঁ। দোষীক শাস্তিৰ দাবীত আমি তীব্ৰ প্ৰতিবাদ গঢ়ি তোলাৰ কথা আমাৰ মনত আজিও সজীৱ হৈ আছে। কিন্তু, জয়ন্তৰ হত্যাকাৰীয়ে আজিও শাস্তি নাপালে। গতিকে, সেই দুখ সদায় মনত কঢ়িয়াই লৈ ফুৰিছোঁ। অৱশ্যে, ফলমূলৰ বজাৰৰ সন্মুখত জয়ন্তৰ স্মৃতিত তোৰণখনৰ নিৰ্মাণ সম্পূৰ্ণ কৰাৰ বাবে ডিব্ৰুগড় পৌৰসভাক আন্তৰিক শলাগ জ্ঞাপন কৰিলোঁ।

গুৰু ব্ৰহ্মা, গুৰু বিষ্ণু, গুৰুৰ্দেৱ মহেশ্বৰ<br>
গুৰু সাক্ষাৎ পৰম ব্ৰহ্ম, তস্মৈ শ্ৰী গুৰুৱে নমঃ

গুৰু অবিহনে মানৱ জীৱন অসম্পূৰ্ণ। জীৱনক শিক্ষা গুৰু, দীক্ষা গুৰু আৰু আদি গুৰুৰ প্ৰভাৱে জ্ঞান-প্ৰজ্ঞাৰে উজ্জীৱিত কৰে। উজনি অসমৰ বাণিজ্য শিক্ষাৰ বাটকটীয়া শিক্ষানুষ্ঠানখনৰ বহু স্মৃতি আজিও মানসপটত ভাঁহি আহি আছে। বিশেষকৈ ক্লাছ কম কৰিছিল যদিও নাছিম আলী ছাৰে একাউন্টেঞ্চী বৰ সুন্দৰকৈ

পঢ়াইছিল। অৱশ্যে অধিকাৰী ছাৰ, ৰমা গগৈ ছাৰ, কে. ভাগৱতী ছাৰ, গোস্বামী ছাৰ, ৰাজখোৱা বাইদেউ, বি. ভাগৱতী ছাৰৰ পাঠদনৰ কথা কেতিয়াও পাহৰিব নোৱাৰোঁ। তেখেতসকলে দিয়া শিক্ষাৰ আশীৰ্বাদতহে আমি বাণিজ্যৰ স্নাতক হ'বলৈ সক্ষম হ'লোঁ। যিসকল গুৰুৱে আমাক শিক্ষাদান দি আজিৰ পৰ্যায়ত উপনীত কৰালে, তেখেতসকলৰ শ্ৰীচৰণত প্ৰণিপাত জনাইছোঁ।

তাহানি আমি পঢ়া শিক্ষানুষ্ঠানখন এতিয়া ন-ৰূপত গঢ়ি তোলা হৈছে। বহু নতুন আন্তঃগাঁঠনিৰ সংযোগ ঘটিছে। ইয়াৰ মূল খনিকৰৰ দায়িত্বত আছে বৰ্তমানৰ অধ্যক্ষ তথা আমাৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু ড° খনীন্দ্ৰ মিশ্ৰ ভাগৱতী। কেইবাটাও নতুন গৃহ নিৰ্মাণ কৰাৰ লগতে আমাৰ আপোন মহাবিদ্যালয়খনত বাণিজ্যৰ স্নাতকোত্তৰ পাঠ্যক্ৰমো আৰম্ভ কৰা হৈছে। এই নতুন খবৰবিলাকে আমাক বৰ আনন্দ দিছে। নিশ্চিতভাৱে অধ্যক্ষ ভাগৱতী ছাৰৰ উদ্যোগক প্ৰশংসা কৰিবই লাগিব। এইখিনিতে এটা কথা ক'বলৈ মন গৈছে। আমাৰ তেতিয়াৰ অধ্যক্ষ মহোদয়ক দিয়া এটা প্ৰস্তাৱো পৰৱৰ্তী সময়ত কাৰ্যকৰী হোৱাত আমি অতিশয় আনন্দিত হৈছোঁ। মূল তোৰণ আৰু গে'টখন মাজলৈ অনাৰ বাবে তেতিয়া আমি দাবী জনাইছিলোঁ। কিন্তু সেই সময়ত ধনৰ অভাৱত তেতিয়াৰ অধ্যক্ষ মহোদয়ে আমাৰ দাবী কাৰ্যকৰী কৰিব নোৱাৰিলে। এতিয়া মূল তোৰণখন সোঁ-মাজত হোৱাৰ বাবে মহাবিদ্যালয়খনৰ শোভা বৰ্ধন হৈছে বুলি ক'ব লাগিব। মূলতঃ মহাবিদ্যালয়ৰ নতুন আন্তঃগাঁথনি গঢ়ি তোলাৰ বাবে বৰ্তমানৰ শ্ৰদ্ধাৰ অধ্যক্ষ ড০ খনীন্দ্ৰ মিশ্ৰ ভাগৱতী ছাৰৰ কৃতিত্বক কোনেও অস্বীকাৰ কৰিব নোৱাৰে। জ্ঞান আৰু প্ৰজ্ঞাৰ বাহক আমাৰ মহাবিদ্যালয়খন লুইতৰ পাৰৰ পৰা বিশ্বৰ বুকুতো এদিন নিশ্চয় জিলিকি উঠিব।

জয়তু ডিব্ৰুগড় হনুমানবক্স সূৰজমল কানৈ মহাবিদ্যালয়।

●●●

Creative DESiGN
The Unique Creation

# Creative Design

**A Unique Creation**

***We Deals in***

Souvenir, Journal, School College Magazine, Visiting Cards, Letterpad, Multicolored Brochure, Invitation, Trophy, Momentos, T-shirt Printing, School Bedge and many more....

Phone No.: +91 9706154535

# মোৰ কলেজীয়া দিনৰ কিছু স্মৃতি ৰোমন্থন

## ড° সূৰ্য্যকান্ত হাজৰিকা

১৯৭৩ চনত ডিগবৈৰ বিবেকানন্দ বিদ্যালয়ৰ পৰা প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ পোনতে নামভৰ্তি কৰিছিলোঁগৈ গুৱাহাটীস্থিত 'গুৱাহাটী বাণিজ্য মহাবিদ্যালয়'ত। কিন্তু তাত প্ৰথম বৰ্ষ অধ্যয়ন কৰাৰ পিছতে ১৯৭৪ চনত মই গৃহ-চহৰ ডিব্ৰুগড়লৈ উভতি আহি, ডিব্ৰুগড়ৰ 'ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ বাণিজ্য মহাবিদ্যালয়'ত নামভৰ্তি কৰোঁহি।

সেই সময়ত আমাৰ অধ্যক্ষ আছিল ড° নিৰ্মল কুমাৰ বসু ছাৰ। ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ বাণিজ্য মহাবিদ্যালয়ৰ ছাত্ৰ হিচাপে নামভৰ্তি কৰাৰ সময়ত মহাবিদ্যালয়ৰ ছাত্ৰসকলে অধ্যক্ষগৰাকীক চমুকৈ ড° এন.কে.বসু ছাৰ বুলিয়েই মাতিছিল। আমি জানিব পাৰিছিলো,- ডিব্ৰুগড়ত হনুমানবক্স সুৰজমল কানৈ বাণিজ্য মহাবিদ্যালয় আৰু বিশেষকৈ ডিব্ৰুগড়ত স্থাপন হোৱা 'ডিব্ৰুগড় বিশ্ববিদ্যালয়' প্ৰতিষ্ঠাৰ ক্ষেত্ৰত প্ৰয়োজনীয় পৰিকল্পনা অৰ্থাৎ 'প্ৰকল্প পত্ৰ' (Project Report) প্ৰস্তুত কৰাৰ ক্ষেত্ৰত ড° লক্ষ্মীপ্ৰসাদ দত্ত ছাৰৰ লগতে অধ্যক্ষ বসু ছাৰৰ অৱদান যথেষ্ট আছিল। কানৈ মহাবিদ্যালয় প্ৰতিষ্ঠাৰ ক্ষেত্ৰত পণ্ডিতপ্ৰৱৰ ড° যোগীৰাজ বসু, ড° মহেন্দ্ৰ বৰা, অশ্বিনীচৰণ চৌধুৰী, ভূৱন ডেকাসহ ডিব্ৰুগড়ৰ বহু গণ্য-মান্য ব্যক্তিৰ নাম তাহানি আমি শুনিছিলো। তেখেতসকলৰ ভিতৰত বহুকেইজনৰ অৱদান প্ৰত্যক্ষভাৱে আৰু আন বহুকেইজনৰ অৱদান পৰোক্ষভাৱে উল্লেখযোগ্য আছিল।

'হনুমানবক্স সুৰজমল কানৈ বাণিজ্য মহাবিদ্যালয়'ত নাম লগাই পুৱাৰ শাখা (Morning Shift)ত অধ্যয়ন কৰিবলৈ লৈছিলোঁ। সেই সময়ত পুৱাৰ শাখাটোৱেই আমাৰ মহাবিদ্যালয়খনত বাণিজ্য শিক্ষাৰ বাবে প্ৰধান ব্যৱস্থা হিচাপে পৰিচালিত হৈছিল। দিনৰ ভাগত মূল পাঠ্যক্ৰমৰ আনুষংগিক বিষয় (Subsidiary Subjects)সমূহৰ পাঠদানৰ ব্যৱস্থা আছিল। আমাৰ মহাবিদ্যালয়ত অধ্যয়ন কৰা বুজন সংখ্যক ছাত্ৰ বিভিন্ন ধৰণৰ ব্যৱসায়-বাণিজ্যৰ সৈতে জড়িত আছিল। অধিক সংখ্যকেই পুৱা ৬ বজাৰ পৰা ১০ মান বজালৈকে শ্ৰেণীসমূহত অংশগ্ৰহণ কৰিবলৈ ঢাপলি মেলিছিল আৰু ১০ বজাৰ পিছত ব্যক্তিগত ব্যৱসায়-বাণিজ্যৰ কামত ব্ৰতী হ'বলৈ ঢাপলি মেলিছিল। আমি অধ্যয়ন কৰি থকা সময়ত মাড়োৱাৰী সম্প্ৰদায়ৰ ছাত্ৰৰ সংখ্যা যথেষ্ট আছিল। অসমীয়া বা বঙালী বা অন্যান্য ছাত্ৰৰ সংখ্যা আছিল তাকৰ। ছাত্ৰী নাছিল বুলিয়েই ক'ব পাৰি। এনে লাগিছিল বাণিজ্য বিষয়টো কেৱল যেন মাড়োৱাৰী ছাত্ৰসকলৰ বাবেহে প্ৰযোজ্য বিষয়। হয়তো সেই সময়ৰ আমাৰ অসমৰ সমাজ ব্যৱস্থাই তেনে অৱস্থাৰ বাবে মুখ্য কাৰক আছিল, য'ত ছাত্ৰীৰ বাবে বাণিজ্য বিভাগত পঢ়াৰ কথাই গুৰুত্ব লভা নাছিল। পিছে আনন্দৰ বিষয় যে আমাৰ অধ্যয়নৰ সময়ৰ পৰাই চকুত লগা ধৰণেৰে বাণিজ্য শিক্ষাৰ ক্ষেত্ৰখন লাহে লাহে সলনি হ'বলৈ ধৰিছিল। বাণিজ্য পাঠ্যক্ৰমত শিক্ষা গ্ৰহণ কৰিবলৈ ক্ৰমান্বয়ে অসমীয়া ছাত্ৰ-ছাত্ৰীসকল আগবাঢ়ি অহা হ'ল। আনহাতে আমাৰ মহাবিদ্যালয়ৰ বাণিজ্য পাঠ্যক্ৰমৰ প্ৰধান পাঠদানৰ সময়সূচী পুৱাবেলা (Morning Shift)ৰ পৰিৱৰ্তে দিনৰ ভাগ (Day Shift) অৰ্থাৎ পুৱা ৯ বজাৰ পৰা পাঠদান আৰম্ভ কৰা হ'ল যিটো আজিও চলি আছে।

ড° নিৰ্মল কুমাৰ বসু ছাৰৰ অৱসৰৰ পাছত আমি কলেজত অধ্যক্ষ হিচাপে পাইছিলো শ্ৰদ্ধাস্পদ প্ৰেমচান্দ জৈনদেৱক। প্ৰেমচান্দ জৈনদেৱ অধ্যক্ষ হৈ থকা সময়ত মই কলেজৰ সহকাৰী সাধাৰণ সম্পাদক হিচাপে আছিলোঁ। কিছুদিন পিছত আমাৰ কাৰ্যকালৰ সাধাৰণ সম্পাদক ৰুদ্ৰ সোণোৱালে চাকৰিত যোগদান কৰিবলৈ মহাবিদ্যালয় এৰি যোৱাৰ পিছৰ সময়খিনিত 'সাধাৰণ সম্পাদক'ৰ দায়িত্বভাৰো মোৰ ওপৰতেই পৰিছিল। সেয়া আছিল ১৯৭৫-৭৬ চনৰ কথা। হনুমানবক্স সুৰজমল কানৈ বাণিজ্য মহাবিদ্যালয়ৰ 'ছাত্ৰ একতা সভা'ৰ ভাৰপ্ৰাপ্ত সাধাৰণ

*লেখক আমাৰ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ তথা দেশৰ সাহিত্য তথা শিক্ষা-খণ্ডলৈ বিশিষ্ট অৱদান আগ বঢ়োৱাৰ বাবে ভাৰত চৰকাৰৰ অন্যতম অসামৰিক সন্মান 'পদ্মশ্ৰী' সন্মানেৰে বিভূষিত হোৱা এগৰাকী বিশিষ্ট অসমীয়া। সম্প্ৰতি তেখেতে অসমৰ ভাষা-সাহিত্যৰ শতবৰ্ষ গৰকা জাতীয় অনুষ্ঠান 'অসম সাহিত্য সভা'ৰ সন্মানীয় সভাপতিৰ আসন অলংকৃত কৰি আছে।*

সম্পাদক (In-charge G.S.) ৰ দায়িত্ব লাভ কৰিয়েই সুযোগৰ সৎব্যৱহাৰ কৰাৰ অৰ্থে কেইবাটাও পৰিকল্পনাক বাস্তৱ ৰূপ দিয়াৰ প্ৰয়াস কৰিছিলোঁ। পিছৰ বছৰত আলোচনীৰ সম্পাদকৰ দায়িত্বত আছিলো। জৈন ছাৰৰ অৱসৰৰ পাছতে আমি মহাবিদ্যালয়ৰ অধ্যক্ষ হিচাপে সকলোৰে শ্ৰদ্ধাৰ শিক্ষাবিদ তথা শিক্ষাক্ষেত্ৰৰ সাংগঠনিক দিশত বিশেষ গুণেৰে মহীয়ান ড° লক্ষ্মীপ্ৰসাদ দত্ত ছাৰক পাইছিলোঁ। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ৰূপকাৰ ৰূপে পৰিচিত দত্ত ছাৰে সেই সময়ত নিৰ্দ্ধাৰিত সময় (Term Post)ত নিয়োজিত হৈ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ 'ৰেক্টৰ' হিচাপে কাৰ্যনিৰ্বাহকৰ দায়িত্ব শেষ কৰিছিল। তাৰ পিছত আমাৰ মহাবিদ্যালয়ত পূৰ্ণকালীন অধ্যক্ষৰূপে দায়িত্বভাৰ লৈছিলহি। এসময়ত 'ডি.এইছ.এছ.কে. মহাবিদ্যালয়'ৰ উপাধ্যক্ষ পদত কাৰ্যনিৰ্বাহ কৰা দত্ত ছাৰক আমি আমাৰ কলেজত অধ্যক্ষ হিচাপে লাভ কৰি অতিশয় আনন্দিত হৈছিলোঁ। তেখেতৰ ব্যক্তিত্ব আৰু ব্যৱহাৰে সকলো শিক্ষাৰ্থীক মোহিত কৰিছিল। সেইখিনি সময়ত মই মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উপ-সভাপতি (Vice President)ৰ দায়িত্ব পালন কৰিছিলোঁ।

অধ্যক্ষ লক্ষীপ্ৰসাদ দত্ত ছাৰে আমাক যথেষ্ট উৎসাহ-উদ্দীপনা যোগাইছিল। ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকলৰ একত্ৰিত গোটৰ নেতৃত্ব লৈ আমি তেখেতৰ নেতৃত্বাধীন মহাবিদ্যালয় পৰিচালনা সমিতিৰ সৈতে মহাবিদ্যালয়খনৰ বিকাশৰ অৰ্থে আলোচনাত মিলিত হৈছিলোঁ। হস্তলিখিত 'প্ৰাচীৰ পত্ৰিকা', 'বাৰ্ষিক আলোচনী' আদিৰ উপৰি অন্যান্য সাহিত্য আৰু সংস্কৃতিৰ দিশসমূহতো মনোযোগ প্ৰদানেৰে শিক্ষানুষ্ঠানখনক গঢ় দিয়াৰ কথা চিন্তা-চৰ্চা কৰিছিলোঁ। মহাবিদ্যালয় পৰিচালনা কৰ্তৃপক্ষই উচ্চ প্ৰশংসাৰে আমাৰ চিন্তাধাৰাৰ শলাগ লৈছিল আৰু বাস্তৱ ৰূপ দিবলৈ সহযোগিতা আগবঢ়াব বুলি প্ৰতিশ্ৰুতি দিছিল। সি যি নহওক, পৰম উৎসাহেৰে কামত অগ্ৰসৰ হৈ 'কানৈ বাণিজ্য মহাবিদ্যালয়ৰ আলোচনী', 'প্ৰাচীৰ পত্ৰিকা' আদি প্ৰকাশ কৰিবলৈ সক্ষম হৈছিলোঁ।

অধ্যক্ষ লক্ষ্মীপ্ৰসাদ দত্তদেৱৰ অকুণ্ঠ সহযোগিতা আৰু আমাৰ একান্ত ইচ্ছাত সম্পাদিত কেইটিমান কাৰ্যৰ বিষয়ে থোৰতে উল্লেখ কৰিব বিচাৰিছোঁ। অৱশ্যে এইখিনিতে এযাৰ কথা অকপটে স্বীকাৰ কৰিব খুজিছোঁ,- শিক্ষাৰ্থীসকলৰ মানসিক উৎকৰ্ষতাৰ সমানুপাতিকভাৱে শাৰীৰিক সুস্থতা বা স্বাস্থ্য ৰক্ষাৰ বাবে অতি প্ৰয়োজনীয় বিভিন্ন খেল-ধেমালি প্ৰতিযোগিতামূলকভাৱে অনুষ্ঠিত কৰিছিলোঁ। ইয়াৰ বাবে প্ৰয়োজনীয় অনুশীলন, চৰ্চা তথা পৰিৱেশ সৃষ্টিৰ ক্ষেত্ৰতো প্ৰত্যক্ষভাৱে মই জড়িত হৈ পৰিছিলোঁ। শিক্ষাৰ্থীক নানাভাৱে সচেতন কৰি, উৎসাহ-উদ্দীপনা যোগাই প্ৰতিবছৰে খেল-ধেমালি প্ৰতিযোগিতা অনুষ্ঠিত কৰিছিলোঁ আৰু আগৰ তুলনাত অধিক পৰিমাণে শিক্ষাৰ্থীৰ পৰা সঁহাৰি পাইছিলোঁ। প্ৰতিযোগিতাৰ সংখ্যা বৃদ্ধিৰ ক্ষেত্ৰতো বিশেষ মনোযোগ দিয়া হৈছিল। একেদৰে সকলোৰে সহায় তথা সমৰ্থন আদায় কৰি সংগীত প্ৰতিযোগিতা, একাংকিকা নাট আৰু কলেজৰ ছাত্ৰসকলৰ মাজত চিত্ৰ-প্ৰদৰ্শনী আদি অনুষ্ঠিত কৰিছিলোঁ।

স্মৃতিৰ কোঁহ ফালি বাহিৰ হ'ব খোজা বহু কথাৰ ভিতৰত হনুমানবক্স সুৰজমল কানৈ বাণিজ্য মহাবিদ্যালয়খনে সেই সময়ত ভুগি থকা সমস্যাসমূহৰ বিষয়ে কিছু কথা মনলৈ আহিছে। আমাৰ অধ্যয়ন কালত মহাবিদ্যালয়খনে বহুকেইটা সমস্যাৰ সৈতে সহবাস কৰি থকা বিষয়সমূহ লক্ষ্য কৰিছিলোঁ। সেইসমূহ সমাধানাৰ্থে মহাবিদ্যালয় তথা ছাত্ৰ-ছাত্ৰীৰ অভাৱ-অভিযোগৰ কিছু অংশ মহাবিদ্যালয় কৰ্তৃপক্ষৰ সহযোগ আদায় কৰিবলৈ লিখিতভাৱে অৱগত কৰিছিলোঁ। সেইখিনি সময়ত মহাবিদ্যালয় কৰ্তৃপক্ষৰ ওচৰত দাবী উত্থাপন কৰা বিষয়সমূহৰ অন্যতম আছিল,-

(১) আমাৰ মহাবিদ্যালয়ৰ সন্মুখভাগত উপযুক্ত ৰূপত কোনো পকী দেৱাল বা তোৰণ নাছিল। সাধাৰণভাৱে থকা 'হাফ ৱাল' সদৃশ বেৰ আৰু সাধাৰণ ধৰণৰ এখন 'গেট'। সেয়ে আমি মহাবিদ্যালয়খনৰ প্ৰৱেশদ্বাৰত সুন্দৰ ৰূপত এখন তোৰণ নিৰ্মাণ কৰি উপযুক্ত ধৰণে পকী দেৱাল নিৰ্মাণ কৰিব লাগে বুলি কৰ্তৃপক্ষক দাবী জনাইছিলো।

(২) আমি পঢ়া সময়ছোৱাৰ কেইবাবছৰৰ আগৰে পৰা ভাৰতৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৰ এটা প্ৰতিমূৰ্তি ভিতৰৰ কোঠা এটাত কাপোৰেৰে মেৰিয়াই থৈ দিয়া দেখিছিলোঁ। কৌতূহলৰশতঃ সোধ-পোছ কৰাত গম পাইছিলো সেয়া প্ৰাক্তন প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুদেৱৰ প্ৰতিমূৰ্তি। কোনে কেতিয়া কি কাৰণত সেই মূৰ্তিটো আনি ৰাখিছিল সেই বিষয়ে আমি জ্ঞাত নহয়। বোধকৰোঁ ১৯৬৪ চনত ভাৰতৰ প্ৰধানমন্ত্ৰী নেহৰুদেৱৰ মৃত্যুৰ পাছত কোনো সভাত হোৱা প্ৰস্তাৱ আদিৰ যোগেদি সেই মূৰ্তি প্ৰতিষ্ঠা কৰাৰ সিদ্ধান্ত লোৱা হৈছিল চাগে। মূৰ্তিটো যথাস্থানত প্ৰতিষ্ঠা নকৰাত বা সেইদৰে কোঠা এটাৰ ভিতৰত ৰাখি থোৱাৰ কাৰণ যিয়েই নহওক, ভাৰতবৰ্ষৰ এজন প্ৰাক্তন প্ৰধানমন্ত্ৰীৰ প্ৰতিমূৰ্তি আনি সেইধৰণে ৰখাৰ কাৰণে আমি সেই প্ৰতিমূৰ্তিটি উপযুক্ত স্থানত স্থাপন কৰিবৰ বাবে আহ্বান জনাইছিলো। আমাৰ দাবীৰ প্ৰতি সঁহাৰি জনাই এসময়ত সেই মূৰ্তিটো আনি মহাবিদ্যালয়ৰ সন্মুখ প্ৰাঙ্গণত স্থাপন কৰা হৈছিল। মহাবিদ্যালয় চৌহদত এতিয়া সেই প্ৰতিমূৰ্তিটো দেখি বৰ ভাল লাগে। উপযুক্ত স্থানত প্ৰতিষ্ঠা কৰাৰ লগতে ফুলনি বাগিচাৰে সৌন্দৰ্যবৰ্ধন কৰি মহাবিদ্যালয়খনক সজ্জিত কৰা হৈছে, ইও এক আনন্দৰ কথা।

(৩) মহাবিদ্যালয়ৰ ছাত্ৰসকলৰ কাৰণে এটা ছাত্ৰ জিৰণিকোঠা আছিল যদিও সেই কোঠাটো প্ৰায় প্ৰতিদিনেই বিভিন্ন বিষয়ৰ পাঠদান কাৰ্য চলোৱাৰ বাবেও ব্যৱহৃত হৈছিল। সেয়ে আমি কৰ্তৃপক্ষক আহ্বান জনাইছিলো ছাত্ৰসকলৰ সুবিধাৰ্থে সকলো সুবিধাযুক্ত এটি স্বকীয় ছাত্ৰ জিৰণিকোঠাৰ ব্যৱস্থা কৰিব লাগে।

(৪) মহাবিদ্যালয়ত সেই সময়ত ছাত্ৰীৰ সংখ্যা নাছিল বুলিয়েই ক'ব লাগিব। তথাপি দুই-চাৰিগৰাকী যে নাছিল তেনে নহয়। কিন্তু সেই ছাত্ৰীসকলৰ সুবিধাৰ বাবে মহাবিদ্যালয়ত কোনো ছাত্ৰী জিৰণিকোঠা বা প্ৰস্ৰাৱগাৰ (Ladies Toilet) নাছিল। সেয়ে আমি ছাত্ৰীসকলৰ কাৰণেও এটি জিৰণিকোঠা আৰু অন্যান্য প্ৰয়োজনীয় কোঠাৰ ব্যৱস্থা কৰিবলৈ আহ্বান জনাইছিলোঁ।

(৫) সেইখিনি সময়ত আমাৰ মহাবিদ্যালয়ত কোনো প্ৰেক্ষাগৃহ নাছিল। মূল ভৱনৰ পিছফালে থকা এটি দীঘলীয়া ভৱনৰ মাজে মাজে ৰখা অস্থায়ী বেৰ গুচাইহে প্ৰয়োজনীয় সময়ত সভা-সমিতি বা নৱাগত আদৰণী সভা, বিদায় সভা আদি অনুষ্ঠিত কৰা হৈছিল। মঞ্চখনৰ অৱস্থা তথৈবচ আছিল। কোনো ধৰণৰ আঁৰ-বেৰ বা অন্তঃসজ্জা গৃহ (গ্ৰীণৰুম) আদিৰ ব্যৱস্থা নাছিল। আমি ছাত্ৰসকলে সেই সময়ত পোৱা অসুবিধা দূৰীকৰণৰ বাবে প্ৰয়োজনীয় আৰু উপযুক্ত সা-সুবিধাৰে এটি স্বকীয় প্ৰেক্ষাগৃহৰ ব্যৱস্থা কৰিবলৈ কৰ্তৃপক্ষৰ ওচৰত দাবী উত্থাপন কৰিছিলোঁ। সেইখিনি সময়ত আমাৰ দাবীৰ প্ৰতি সঁহাৰি জনাই প্ৰেক্ষাগৃহটিৰ সামান্য উন্নতি কৰি আৰু মাজৰ অস্থায়ী বেৰ (পাৰ্টিশ্বন)সমূহ আঁতৰাই স্বকীয় প্ৰেক্ষাগৃহ কৰাত আমাৰ সভা-সমিতিসমূহ পৰিচালনা কৰিছিলোঁ। কিন্তু সৌ-সিদিনা মহাবিদ্যালয়লৈ গৈ আধুনিক ৰূপত সু-সজ্জিত আৰু উপযুক্ত সা-সৰঞ্জামেৰে নিৰ্মিত প্ৰেক্ষাগৃহটি দেখি যথেষ্ট আনন্দ অনুভৱ কৰিলোঁ।

(৬) হনুমানবক্স সূৰজমল কানৈ বাণিজ্য মহাবিদ্যালয়ত অধ্যয়ন কৰা ছাত্ৰ-ছাত্ৰীয়ে যাতায়াতৰ ক্ষেত্ৰত ব্যৱহাৰ কৰা চাইকেলসমূহ সুৰক্ষিতভাৱে ৰখাৰ বাবে চাইকেল আস্থান (Cycle Stand)ৰ ব্যৱস্থা নথকাত সকলোৱে নানান দুৰ্ভোগ ভুগিবলগীয়া হৈছিল। বৰষুণত তিতি থকা তথা বহু সময়ত চাইকেল চুৰি হোৱা ঘটনাই ছাত্ৰসকলক অনবৰতে শংকিত কৰি তুলিছিল। এনে অসুবিধাসমূহ আঁতৰ কৰাৰ অৰ্থে আমি মহাবিদ্যালয় কৰ্তৃপক্ষক মৌখিক তথা লিখিতভাৱে আৱেদন-নিৱেদন জনাইছিলোঁ। অৱশ্যে এতিয়া মহাবিদ্যালয়খনৰ প্ৰায়সমূহ সমস্যাৰ লগতে চাইকেল বা দুচকীয়া মটৰচাইকেল আদি ৰাখিবলৈ সুন্দৰ আস্থানৰ ব্যৱস্থা চৌহদত থকা দেখিবলৈ পাই পুৰণি দিনৰ বহু স্মৃতি মনলৈ আহিছে। আজিকালি অৱশ্যে আমাৰ দিনৰ দৰে ছাত্ৰসকলৰ মাজত চাইকেলৰ পয়োভৰ নাইকিয়া হ'ল। তাৰ পৰিৱৰ্তে স্কুটাৰ, গাড়ীৰ সংখ্যা বাঢ়িল।

(৭) বাণিজ্য বিষয়ক একমাত্ৰ শিক্ষা প্ৰতিষ্ঠান আমাৰ মহাবিদ্যালয়লৈ অসমৰ বিভিন্ন প্ৰান্তৰৰ পৰা ছাত্ৰসকল আহি অধ্যয়ন কৰিছিল। কিন্তু তেওঁলোকৰ পঢ়া-শুনাৰ ক্ষেত্ৰত সুবিধা হোৱাকৈ 'ছাত্ৰাৱাস' (Boys Hostel)ৰ ব্যৱস্থা নাছিল। এনে অসুবিধাই ছাত্ৰসকলক যথেষ্ট অসুবিধাত পেলাইছিল। ছাত্ৰাবাসৰ অসুবিধা আঁতৰাবলৈ আমি মহাবিদ্যালয় কৰ্তৃপক্ষক ছাত্ৰাবাস নিৰ্মাণৰ বাবে আৱেদন জনাইছিলোঁ। উল্লেখযোগ্য যে সেই সময়ত বহু ছাত্ৰই অধ্যয়নৰ খাতিৰত অঘৰীৰ দৰে জীৱন নিৰ্বাহ কৰা আমাৰ দৃষ্টিগোচৰ হৈছিল। এই সমস্যাৰ সমাধানৰ ক্ষেত্ৰত অধ্যক্ষ দত্ত ছাৰে তেতিয়াৰ অধ্যাপক মণিৰাম শইকীয়াদেৱক দায়িত্ব অৰ্পণ কৰিছিল।

(৮) আমাৰ মহাবিদ্যালয়ৰ পুথিভঁৰালত ছাত্ৰ অনুপাতে কিতাপৰ সংখ্যা আছিল অতি নগণ্য। তদুপৰি একোখন কিতাপ এজন ছাত্ৰক মাত্ৰ দহদিনৰ বাবেহে দিয়া হৈছিল বাবে বহু ছাত্ৰৰ অধ্যয়নৰ ক্ষেত্ৰত কিতাপৰ অভাৱত বহু অসুবিধাৰ সৃষ্টি হৈছিল। গতিকে মহাবিদ্যালয়খনৰ পুথিভঁৰালৰ উন্নয়নৰ কাৰণে আৰু বাণিজ্য বিষয়ৰ বিভিন্ন গ্ৰন্থ ক্ৰয় কৰাৰ কাৰণে আমি কৰ্তৃপক্ষৰ ওচৰত অনুৰোধ জনাইছিলোঁ।

(৯) আমাৰ দিনত আমাৰ কলেজৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে কোনো নিৰ্দ্ধাৰিত 'কলেজ ইউনিফৰ্ম' (College Uniform) নাছিল। অন্যান্য কলেজসমূহত থকাৰ দৰে আমাৰ ছাত্ৰসকলৰ বাবে মহাবিদ্যালয়খনৰ পৰিচয়জ্ঞাপক 'College Badge'ও নাছিল। সেয়ে কৰ্তৃপক্ষক আমি তেনে নিৰ্দ্ধাৰিত 'কলেজ ইউনিফৰ্ম' আৰু 'বেজ'ৰ ব্যৱস্থা প্ৰৱৰ্তন কৰিবৰ বাবে অনুৰোধ জনাইছিলোঁ।

(১০) আমাৰ কলেজত আৰম্ভণিৰ সময়ত Main College খন Morning Shift ত আৰু Subsidiary Class সমূহ Day Shift তহে হৈছিল। কিন্তু কলেজখনৰ মূল পাঠ্যক্ৰম দিনৰ ভাগত নোহোৱাৰ বাবে ছাত্ৰসকলৰ পঢ়া-শুনাৰ ক্ষেত্ৰত যথেষ্ট অসুবিধা হৈছিল। সেয়ে আমি কলেজৰ মূল পাঠ্যক্ৰম পুৱাৰ ভাগৰ সলনি দিনৰ ভাগলৈ আনিবলৈ কলেজ কৰ্তৃপক্ষক আহ্বান জনাইছিলো, যাতে ছাত্ৰ-ছাত্ৰীৰ অধ্যয়নত যথেষ্ট সুবিধা হয়। সৌভাগ্যৰ বিষয়, ১৯৭৭ চনৰ ১ ছেপ্টেম্বৰৰ পৰা মুখ্য ৰূপত পাঠ্যক্ৰমৰ পাঠদান (Main Shift)ৰ ব্যৱস্থাটো দিন (Day Time)ৰ ভাগলৈ পৰিৱৰ্তন কৰা হয়। তদুপৰি স্নাতক মহলাৰ পাঠ্যক্ৰম (Degree Course)টো 'পুৱাবেলা'ৰ পাঠদান (Morning Shift) আৰু 'দিনৰ বেলা'ৰ পাঠদান (Day Shift) দুয়োটা বেলাতেই চলোৱাৰ ব্যৱস্থা কৰা হয়। এই ব্যৱস্থা প্ৰৱৰ্তন কৰাৰ ফলত সেই সময়ত মহাবিদ্যালয়ত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকলৰ বাবে যথেষ্ট সুবিধা হৈছিল।

(১১) ১৯৭৭ চনত আমাৰ কানৈ বাণিজ্য মহাবিদ্যালয়ত ভালেকেইগৰাকী ছাত্ৰীয়ে নামভৰ্ত্তি কৰিছিল। সাম্প্ৰতিক সময়ত বাণিজ্য শিক্ষাৰ প্ৰতি ছাত্ৰীসকলৰ মাজত ক্ৰমবৰ্দ্ধিত হাৰত যি

আগ্ৰহ আৰু অংশগ্ৰহণ দেখা গৈছে ই অতিশয় আনন্দদায়ক আৰু বাণিজ্য বিষয়ত অধ্যয়নৰ দিশত ইতিবাচক বিষয়।

(১২) ১৯৭৭ চনৰ ছেপ্টেম্বৰ মাহত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অন্তৰ্গত সমূহ বাণিজ্য মহাবিদ্যালয় আৰু বাণিজ্য শাখা থকা মহাবিদ্যালয়সমূহৰ ছাত্ৰ-ছাত্ৰীসকলক লৈ আমি 'সদৌ ডিব্ৰুগড় বিশ্ববিদ্যালয় বাণিজ্য ছাত্ৰ সন্থা' নামেৰে এটি সন্থা গঠন কৰিছিলো। মই সেই সন্থাৰ সভাপতি পদৰ দায়িত্ব লৈছিলোঁ। সেই সন্থাৰ যোগেদি আমি ডিব্ৰুগড় বিশ্ববিদ্যালয় কৰ্তৃপক্ষক বাণিজ্য ছাত্ৰ-ছাত্ৰীসকলৰ সুবিধাৰ্থে দহটি বিষয় উপস্থাপন কৰি সেইসমূহৰ আশু সমিধান বিচাৰি দাবী উত্থাপন কৰিছিলোঁ। **সেই দাবীসমূহৰ ভিতৰত অন্যতম প্ৰধান এটি আছিল ডিব্ৰুগড় বিশ্ববিদ্যালয়ত স্নাতকোত্তৰ শ্ৰেণীৰ ব্যৱস্থা গ্ৰহণ কৰা**। কাৰণ, বিশ্ববিদ্যালয়খনত তেতিয়ালৈকে বাণিজ্য বিভাগৰ স্নাতকোত্তৰ শ্ৰেণীৰ বাবে নিজস্ব কোনো বিভাগৰ ব্যৱস্থা নাছিল। তাৰ আগতে বিশ্ববিদ্যালয়ৰ বাণিজ্য শিক্ষাৰ বাবে আমাৰ মহাবিদ্যালয়তে অংশকালীন শিক্ষক নিয়োগেৰে অস্থায়ী ভিত্তিত পাঠ্যক্ৰম পৰিচালনা কৰাৰ ব্যৱস্থাহে আছিল। কিন্তু আমাৰ সেই আহ্বানৰ প্ৰতি সঁহাৰি জনাই ডিব্ৰুগড় বিশ্ববিদ্যালয় কৰ্তৃপক্ষই বিশ্ববিদ্যালয় প্ৰাঙ্গণত পোনপ্ৰথমবাৰৰ বাবে বাণিজ্যৰ স্নাতকোত্তৰ বিভাগ খুলি পাঠ্যক্ৰমৰ আৰম্ভণি কৰে। মোৰ ক'বলৈ ভাল লাগিছে যে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ বাণিজ্য বিভাগৰ প্ৰথম পাঠ্যক্ৰমত মই নিজেও নামভৰ্তি কৰি মোৰ স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰাৰ সুবিধা পাইছিলোঁ। প্ৰথম অৱস্থাত সেই বিভাগত ২০ জন ছাত্ৰৰ নামভৰ্তিৰ ব্যৱস্থা আছিল। ডিব্ৰুগড় বিশ্ববিদ্যালয়ত বাণিজ্য বিভাগৰ স্নাতকোত্তৰ শ্ৰেণীৰ জন্মক্ষণত যি প্ৰতিবাদেৰে আগভাগ লৈছিলো, এতিয়া ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ বাণিজ্য বিভাগটিৰ পূৰ্ণতা দেখা পাই গৌৰৱবোধ কৰোঁ।

### মহাবিদ্যালয়ৰ পুৰণি আলোচনীৰ আঁতধৰি...



*কানৈ বাণিজ্য মহাবিদ্যালয়ৰ আলোচনীৰ 'সম্পাদকীয় পৃষ্ঠা'ত এই ফটোখন প্ৰকাশ পাইছিল।*

*[টোকা ঃ ১৯৭৬-৭৭ বৰ্ষটিত মই স্নাতক দ্বিতীয় বৰ্ষৰ ছাত্ৰ আছিলো। সেই বৰ্ষৰ ছাত্ৰ একতা সভাৰ মই আলোচনী সম্পাদকৰ বাবে নিৰ্বাচিত হৈছিলো। গতিকে ডি.এইছ.এছ.কে. মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীখন মই সম্পাদনা কৰি উলিয়াইছিলো। সেইখিনি সময়ত আমাৰ মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীখনৰ সম্পাদনা সমিতিত তত্ত্বাৱধায়ক আছিল ক্ৰমে,- অধ্যাপক দেৱৰঞ্জন ধৰ, অধ্যাপক মনমোহন দাস, অধ্যাপক শৈলেন বৰুৱা, অধ্যাপক ঘনশ্যাম অধিকাৰী। ছাত্ৰ সদস্য আছিল প্ৰবীণ আচাৰ্য্য, শশীকান্ত দত্ত, জ্যোতিপ্ৰকাশ ভট্টাচাৰ্য্য, ইন্দ্ৰজিত বৰুৱা।*

*২০২৪ খ্ৰীষ্টাব্দত মহাবিদ্যালয়ৰ ৬০ সংখ্যক 'হীৰক জয়ন্তী' উপলক্ষে উদ্‌যাপনৰ লগত সংগতি ৰাখি প্ৰকাশ কৰিব বিচৰা 'স্মৃতিগ্ৰন্থ'খনত আজিৰ পৰা ৪৮ বছৰ আগতে প্ৰকাশিত 'কানৈ বাণিজ্য মহাবিদ্যালয় আলোচনী'ত মোৰ 'সম্পাদকীয়' টো পুনৰ উদ্ধৃত কৰিব বিচাৰিছোঁ।]*

### ১৯৭৬-৭৭ চনত ডি.এই ছ.এছ.কে. বাণিজ্য মহাবিদ্যালয় আলোচনীত মই লিখা সম্পাদকীয়ত আছিল,




*১৯৭৬-৭৭ চনৰ কানৈ বাণিজ্য মহাবিদ্যালয়ৰ আলোচনীৰ বেটুপাত*

"সাহিত্য জীৱনৰ প্ৰতিবিম্ব। সাহিত্যৰ প্ৰেক্ষাপটত আমি মানৱ সভ্যতাৰ বিশ্লেষণ কৰিব লাগে। সাহিত্য মানৰ জীৱনৰ মনুষ্যত্বৰ প্ৰহৰী। জাতিৰ সামগ্ৰিক উন্নতিৰ বাবে সাহিত্যৰ অৱদান অপৰিহাৰ্য্য। আকৌ সাহিত্যই সমাজ সংস্কাৰ কৰিব পাৰে। ভাৰতীয় সাহিত্যত ব্যাস, বাল্মীকি, কালিদাস, ৰবীন্দ্ৰনাথ, প্ৰেমচান্দ, ইকবাল, শ্ৰীমন্ত শঙ্কৰদেৱ, শ্ৰীশ্ৰীমাধৱদেৱ, সাহিত্যৰথী

লক্ষ্মীনাথ বেজবৰুৱা, ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা প্ৰমুখ্যে প্ৰতিভাধৰ মনীষীয়ে নিজ নিজ যুগৰ সমাজৰ সমস্যা গুচাবৰ কাৰণে আৰু সভ্যতাৰ উন্নতিৰ উপযুক্ত দিগন্ত নিৰ্দেশ কৰাৰ বাবে আজিও অমৰ হৈ আছে। আমি জানো 'Literature is the Train of Humanity'— সাহিত্য মানৱতাৰ মস্তিষ্ক স্বৰূপ। আমি জানো 'জাতীয় সাহিত্য জাতীয় জীৱনৰ সিংহদুৱাৰ'। যি জাতিৰ সাহিত্য নাই সেই জাতি দুৰ্ভগীয়া। কাৰণ জাতিৰ স্মৃতিৰ স্বাক্ষৰ স্বৰূপ জাতীয় সাহিত্য। আমি কামনা কৰোঁ, আমাৰ জাতীয় সাহিত্য চিৰসেউজীয়া হওক। আনহাতে, এটা জাতিৰ মানসিক অনুভূতিৰ পৰিচয় দিবলৈ বা সেইবোৰৰ বিকাশ সাধন কৰিবলৈ হ'লে উপযুক্ত মাধ্যম হৈছে সেই জাতিৰ আলোচনী সাহিত্য। বিখ্যাত পণ্ডিতপ্ৰৱৰ সুনীতি কুমাৰ চট্টোপাধ্যায়ে কৈছিল, 'ভাষা হ'ল বোৱঁতী নৈ'। তেনেহ'লে, আলোচনী সেই নৈৰ প্ৰবহমান শক্তি বুলি ক'ব পাৰি। দেশৰ প্ৰতিটি শিক্ষা প্ৰতিষ্ঠানৰ আলোচনীসমূহ ভাবী জাতীয় সাহিত্যিকৰ সূতিকাগৃহ বুলি ক'ব পাৰি। প্ৰাথমিক পৰ্যায়ত সাহিত্য চৰ্চা কৰিবলৈ হ'লে মহাবিদ্যালয়ৰ আলোচনীসমূহ হ'ল এটা শক্তিশালী মাধ্যম। কিন্তু মহাবিদ্যালয়ৰ আলোচনীসমূহ অত্যন্ত দুঃখজনক পৰিস্থিতিত প্ৰকাশিত হয়। বিশেষকৈ আমাৰ কানৈ বাণিজ্য মহাবিদ্যালয়ৰ এই দিশ বেদনাদায়ক ৰূপত উপেক্ষাৰত হৈ আছে। অতি বিনয়েৰে কৈছোঁ, আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ সমাজৰ তেনে বৌদ্ধিক চৰ্চা নাই বুলিয়েই ক'ব পাৰি। ছাত্ৰ-ছাত্ৰীসকলৰ এই বৌদ্ধিক পক্ষাঘাতগ্ৰস্ততা ভৱিষ্যতৰ কাৰণে ভয়াৱহ। মনত ৰাখিব লাগিব যে, যিটো যুগত বিশ্বৰ বিভিন্ন দেশসমূহে গ্ৰহান্তৰৰ অভিযান চলাইছে, সেই একে যুগতে থিয় হৈ আমি পেটত গামোচা বান্ধি খাদ্যৰ চিন্তাত ভিক্ষাৰ ভাগু লৈ ফুৰিছো। এনে ধৰণৰ সমস্যা সৃষ্টিৰ মূলতে হৈছে জনসংখ্যা বৃদ্ধি, অসৎ বাণিজ্যৰ প্ৰসাৰ, নিবনুৱা সমস্যা আৰু জাতীয় চাৰিত্ৰিক মানৰ অৱনতি। আমাৰ বৰ্তমান কৰ্তব্যবিমুখিতা আৰু আত্মোপলব্ধিহীনতা জগদ্বিখ্যাত।

অসমীয়া সমাজ বাণিজ্যবিমুখ। বৰ্তমানে অসমীয়া সমাজখনক বাণিজ্যমুখী কৰি তোলা অত্যন্ত প্ৰয়োজন হৈ পৰিছে। অসমীয়া সমাজৰ বাবে বেহা-বেপাৰৰ কথা চিন্তা কৰি সাহিত্যিক জ্ঞাননাথ বৰাদেৱে কোৱা কথাষাৰ আমি চিন্তা কৰা উচিত। অসমীয়া ডেকাৰ আত্মবিশ্বাস, শাৰীৰিক পৰিশ্ৰম, ধৈৰ্য আৰু বাণিজ্যিক শিক্ষা,- এই দিশত ই এটা অতি প্ৰয়োজনীয় বিষয়। নিঃস্বাৰ্থ দেশপ্ৰেম, সৎ সাহস, উৎসাহ আৰু উদ্দীপনা হ'ল বাণিজ্যিক জীৱনৰ মূলধন। কিন্তু বাণিজ্য মহাবিদ্যালয়ৰ ছাত্ৰ সমাজক বিশ্লেষণ কৰিলে দেখা যায় যে অধিকাংশ ছাত্ৰই বাণিজ্য শিক্ষা ল'বলৈ আহে লক্ষ্যহীন অৱস্থাত। লক্ষ্য কৰিলে দেখা যায় প্ৰায় সমগ্ৰ বাণিজ্যৰ স্নাতকে বেঙ্কৰ কেৰেণীহে হ'ব বিচাৰে। কেৰেণীগিৰিৰ কাৰণে বাণিজ্য শিক্ষাৰ প্ৰয়োজন আছে বুলি আমি নাভাবোঁ। বাণিজ্য ছাত্ৰই এই মনোভাব সলনি কৰাৰ প্ৰয়োজন আছে।

মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীবৃন্দই আলোচনী সম্পাদকৰ দৰে এটি গধুৰ দায়িত্ব ল'বলৈ সুবিধা দিয়াৰ বাবে, মহাবিদ্যালয়ৰ সদৌটিলৈকে মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। আলোচনীখন সৰ্বাঙ্গসুন্দৰ কৰিবলৈ চেষ্টাৰ ত্ৰুটি কৰা নাই। কিন্তু কিমানখিনি ফলৱতী হ'ব পাৰিছো সেয়া পাঠক শ্ৰেণীৰ বিচাৰ্যৰ বিষয়। অতি সীমিত সংখ্যক পুঁজিৰে আলোচনীখন প্ৰকাশ কৰিবলগীয়া হোৱাত যথেষ্টখিনি সমস্যাৰ সন্মুখীন হ'বলগীয়া হৈছে। আলোচনীখন সম্পাদনা কৰাৰ দিশত আমাৰ মত আন এজনৰ সৈতে এক নহ'বও পাৰে, সেয়ে ক'ৰবাত কিবা ভুল-ত্ৰুটি সংশোধন হ'বলগীয়া কিবা থকাটো খুবেই স্বাভাৱিক। সেয়ে অজানিতভাৱে কৰা দোষ-ত্ৰুটি সহৃদয় পাঠকে আঙুলিয়াই দি ভৱিষ্যতলৈ সংশোধন হোৱাত যদি সহায় কৰে— তেন্তে কৃতাৰ্থ হ'ম।

আলোচনীখন প্ৰকাশ কৰাৰ ক্ষেত্ৰত অনেকৰে পৰা শুভেচ্ছা, উপদেশ, পৰামৰ্শ আৰু সহায় পাই যথেষ্ট প্ৰেৰণা লাভ কৰিছিলোঁ। এই ক্ষেত্ৰত আমাৰ মহাবিদ্যালয়ৰ অধ্যাপকমণ্ডলী তথা ছাত্ৰ-ছাত্ৰীবৃন্দই যি অৰিহণা যোগালে এই সুযোগতে সকলোলৈকে মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

সৰ্বশেষত যিসকল শিক্ষাগুৰু আৰু ছাত্ৰ-ছাত্ৰীয়ে এই আলোচনীত তেখেতসকলৰ লিখা প্ৰবন্ধ-পাতি প্ৰকাশ কৰিবলৈ দি সহায় কৰিলে তেখেতসকললৈ পুনৰবাৰ কৃতজ্ঞতা আৰু শুভেচ্ছা জনাই আজিলৈ ইমানতে সামৰণি মাৰিলো।

*ওঁম্ সাহানাভৱতু, সাহানৌ ভুনক্তু,*
*সহৰীৰ্যম্ কৰভাৱাহে,*
*তেজস্বীনাৱধীতমস্তু মা ৱিদ্বিষৱহাই,*
*ওঁম্ শান্তিঃ শান্তিঃ শান্তিহিঃ।।*

**টোকা ঃ**

'Om Saha Naav(au)-Avatu, Saha Nau Bhunaktu, Saha Viryam Karavaavahai Tejasvi Naav(au)-Adhitam-Astu, Maa Vidvisavahai, Om Shanti Shanti Shantihi'

(এই শ্লোকফাকি মানৱৰ সমাজ জীৱনৰ উন্নয়নাৰ্থে শান্তিৰ বাৰ্তাবাহক, উপদেশমূলক বাক্যৰূপে প্ৰাচীন কালৰ পৰা চলি আহিছে। 'শান্তি মন্ত্ৰ' ৰূপে অভিহিত এই শ্লোকফাকি তৈত্তিৰীয় কথা উপনিষদৰ পৰা উদ্ধৃত।)

**শ্ৰীসূৰ্য্যকান্ত হাজৰিকা**

সম্পাদক, কানৈ বাণিজ্য মহাবিদ্যালয় আলোচনী,
১৯৭৬-৭৭"

## ইংৰাজী বিভাগৰ বাবে লিখা সম্পাদকীয়,-

''At the very outset I must offer my thanks and gratitude to my student friends of our College, who have given me such opportunity so that I can express my views in the capacity of an editor.

**Commerce as Education:**

The subjects of commerce has get a vast scope in the international sphere of education. Its scope should be wider in a new ray of hope and should be manifested amongst all sections of the people. Its scope should be popularised amongst women also. Who are the prime of household affairs they should get commerce education by imbiling its fruits in the truest meaning of the term. The government also should look into the facts and other sufficient facilities to the growing commerce educational institution in the state.

I would also appeal the Dibrugarh University Authority to open up a full fledged Commerce Dept. so that deserving students can utilise its scope to its fullest extent. The government also should organise well equipped commerce libraries in every part of the state. Girls students should also be encouraged to take up this course in their right earnest.

At last I am gratefull to my honourable teachers, students for their kind help, advice and sympathy extended to me on all times.

Long Live D.H.S.K. Commerce College.

Long Live D.H.S.K. Commerce College Student Union.

**Surjya Kanta Hazarika**
Editor, 1976-77''

## ১৯৬৬-৬৭ চনৰ সম্পাদক লক্ষেশ্বৰ মৰাণৰ দ্বাৰা সম্পাদিত আলোচনীৰ পৰা,

"১৯৬৬-৬৭ চনত অসমৰ সাহিত্য-সংস্কৃতি জগতৰ দুই ধ্ৰুৱতৰা খহি পৰিল। যাৰ মৃত্যুত অসমবাসী হ'ল ম্ৰিয়মাণ আৰু অসমীয়া সাহিত্যৰ এটা বিশেষ অঙ্গ হৈ পৰিল পঙ্গু। স্কুলীয়া অৱস্থাৰ পৰাই সাহিত্য জগতত আলোড়ন সৃষ্টি কৰা সেই দুজন মহান ব্যক্তিৰ ইতিহাস অসমৰ বুৰঞ্জী পাতত মচিব নোৱৰা আখৰেৰে চাপ বহি ৰ'ল। সেই দুজন অসমীয়া সাহিত্য আৰু সংস্কৃতিৰ আজন্ম সেৱক অম্বিকাগিৰী ৰায়চৌধুৰী আৰু ডিম্বেশ্বৰ নেওগক আমি শ্ৰদ্ধাৰে স্মৰণ কৰোঁ। তেখেতসকলৰ অমৰ সৃষ্টি কাব্য সাহিত্যৰাজি পঢ়ি তেখেতসকলৰ বিয়োগত বেদনাৰ অশ্ৰু অঞ্জলি যাচো...।"

* * *

## 'হনুমানবক্স সূৰজমল কানৈ বাণিজ্য মহাবিদ্যালয়'ৰ প্ৰতীক চিহ্ন সম্পৰ্কত

ডি, এইচ, এচ, কে বাণিজ্য মহাবিদ্যালয় আলোচনী।
১৯৭৬—৭৭ বাৰ্ষিক কাল

সম্পাদনা সমিতি : —

(তত্বাৱধায়ক) — অধ্যাপক মনমোহন দাস; অধ্যাপক শৈলেন বৰুৱা; অধ্যাপক ঘনশ্যাম অধিকাৰী; অধ্যাপক দেৱ ৰঞ্জন ধৰ।

(ছাত্ৰ সদস্য) প্ৰবীন আচাৰ্য্য; শশীকান্ত দত্ত; জ্যোতি প্ৰকাশ ভট্টাচাৰ্য্য; আৰু ইন্দ্ৰজিত বৰুৱা।

সম্পাদক — সূৰ্য্য কান্ত হাজৰিকা।

আন্তৰিক কৃতজ্ঞতা :

আলোচনী খনৰ বেটুপাত সজ্জা আৰু পৰিকল্পনাৰ বাবে শ্ৰীঅবিনাশ শৰ্ম্মা আৰু শ্ৰীপ্ৰনৱ কুমাৰ ভট্টাচাৰ্য্য।

আমাৰ মহাবিদ্যালয়ৰ প্ৰতীক ( Emblem )ৰ পৰিকল্পনা/অঙ্কনৰ বাবে বন্ধুবৰ সহপাঠী শ্ৰীসনৎ কুমাৰ বৰুৱা।

দিহা পৰামৰ্শৰ বাবে অধ্যক্ষ প্ৰেমচান্দ জৈন, অধ্যাপক মনমোহন দাস, অধ্যাপক দেৱ ৰঞ্জন ধৰ, অধ্যাপক ঘনশ্যাম অধিকাৰী, আৰু অধ্যাপক শৈলেন বৰুৱা।

বিভিন্ন বিষয়ত সহায়-সহযোগ আগবঢ়োৱাৰ বাবে বন্ধুবৰ প্ৰবীন আচাৰ্য্য, শশীকান্ত দত্ত, জ্যোতি প্ৰকাশ ভট্টাচাৰ্য্য, দেৱজ্যোতি বৰুৱা; গুণ লাহন; ৰঞ্জন দাস; ভবেন গগৈ; সুৰেন শৰ্ম্মা।

---

ডি, এইচ, এচ, কে, বাণিজ্য মহাবিদ্যালয় ছাত্ৰ সন্থাৰ হৈ শ্ৰীসূৰ্য্যকান্ত হাজৰিকাৰ দ্বাৰা প্ৰকাশিত আৰু ডিব্ৰুগড়ৰ মনপুৰ প্ৰেছত শ্ৰীজীৱেশ্বৰ হাজৰিকাৰ দ্বাৰা মুদ্ৰিত।

*১৯৭৬-৭৭ চনত প্ৰকাশিত আমাৰ মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীৰ ৬নং পৃষ্ঠাত প্ৰকাশিত তথ্য বৰ্তমানৰ ছাত্ৰ-ছাত্ৰীসকলৰ জ্ঞাতাৰ্থে পুনৰ মুদ্ৰণ কৰা হ'ল।*

১৯৭৬-৭৭ চনত ডিব্ৰুগড় হনুমানবক্স সূৰজমল কানৈ বাণিজ্য মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী সম্পাদনা কৰাৰ সময়ত আমি মহাবিদ্যালয়ৰ বাবে প্ৰযোজ্য হ'ব পৰাকৈ এটি প্ৰতীক চিহ্ন প্ৰস্তুত কৰি উলিয়াইছিলোঁ। গোলাকৃতিৰ প্ৰতীক চিহ্নটিৰ মাজৰ অংশত লিখা 'উত্তিষ্ঠত জাগ্ৰত' বাক্যাংশক আৱৰি থকা চিহ্নটিয়ে

বাণিজ্যৰে সম্পৰ্কিত ঔদ্যোগিক কাঠামোক প্ৰতিনিধিত্ব কৰিছে। আনহাতে তলত থকা দুটি পাতৰ চিহ্নই ডিব্ৰুগড় জিলাখনক আৱৰি থকা বিশ্বখ্যাত অসমৰ চাহশিল্পৰ 'এটি কলি দুটি পাত'ৰ গৌৰৱগাঁথা নিৱেদন কৰিছে। প্ৰতীকটিত দেৱনাগৰী লিপিত থকা 'উত্তিষ্ঠত জাগ্ৰত' শব্দ দুটি 'কথোপনিষদ'ৰ তৃতীয় অধ্যায়ৰ ১৪-১৭ সূত্ৰত থকা 'উত্তিষ্ঠত জাগ্ৰত প্ৰাপ্য ৱৰান নিৰোধত ক্ষুৰস্য ধাৰা নিশিতা...' শীৰ্ষক বাক্য শাৰীৰ পৰা উদ্ধৃত কৰা হৈছিল। ভাৰতৰ গৌৰৱৰ সন্তান স্বামী বিবেকানন্দই এই শ্লোকফাকিক প্ৰচাৰ-প্ৰসাৰৰ যোগেদি সমাজৰ, বিশেষকৈ যুৱ সমাজক প্ৰেৰণাদায়ক বক্তব্যৰে উদ্ভাসিত কৰিছিল। শব্দ দুটিৰে যুৱ সমাজক 'Arise, Awake' বুলি কৈ সকলোকে উত্তৰণৰ দিশত অগ্ৰসৰ হ'বলৈ আহ্বান কৰিছিল। 'প্ৰতীক চিহ্ন'ৰ গোলাকৃতিৰ সোঁমাজত থকা বন্তিগছিয়ে জ্ঞানৰ পোহৰ বিলোৱাৰ কথা সূচাইছে। উল্লেখযোগ্য যে আমি সেই বছৰত সম্পাদনা কৰা আলোচনীত সন্নিৱিষ্ট সেই প্ৰতীকটিৰ পূৰ্বে আমাৰ ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ বাণিজ্য মহাবিদ্যালয়ৰ নিজা কোনো প্ৰতীক দেখা পোৱা নাছিলোঁ। সেয়ে আমাৰ মনত আগ্ৰহ জন্মিছিল আমাৰ মহাবিদ্যালয়ৰো নিজা এটি 'প্ৰতীক চিহ্ন' উপস্থাপন কৰিবলৈ। আমাৰ সহপাঠী শিল্পী শ্ৰীসনৎ কুমাৰ বৰুৱাক ওপৰত উল্লেখ কৰা বিষয়কেইটিৰ পৰিকল্পনাৰে এটি প্ৰতীক অংকন কৰি দিবলৈ কৰা প্ৰয়াসৰ ফলশ্ৰুতিতেই আমাৰ কলেজৰ সেইখিনি সময়ৰ কৰ্তৃপক্ষৰ অনুমোদন সাপেক্ষে এই প্ৰতীকচিহ্নটি আলোচনীখনৰ আৰম্ভণিতেই প্ৰকাশ কৰিছিলোঁ। সম্প্ৰতি ব্যৱহৃত হৈ থকা হনুমানবক্স সুৰজমল কানৈ বাণিজ্য মহাবিদ্যালয়ৰ প্ৰতীক চিহ্নটো আমি সেই আলোচনীত সংলগ্ন কৰাৰ ধৰণেই আছে যদিও সামান্য সম্পাদনাৰে ডিব্ৰুগড় শব্দটো ওপৰৰ পৰা তলৰ শাৰীলৈ অনা হৈছে। এতিয়া 'প্ৰতীক চিহ্ন'টো দেখিলে সেই অতীতৰ সোণোৱালী দিনবোৰলৈ মনটো ঢাপলি মেলে। নৱ-প্ৰজন্মৰ ছাত্ৰ-ছাত্ৰীসকলৰ জ্ঞাতাৰ্থে মহাবিদ্যালয়ৰ 'প্ৰতীক চিহ্ন' আৰু প্ৰাসংগিক পৃষ্ঠাটো এই লেখাত সংলগ্ন কৰি দিয়া হ'ল।

"হঠাতেই এদিন আমাৰ মাজৰ পৰা অন্য এক অচিন দিগন্তলৈ

**D.H.S.K.COMMERCE COLLEGE EDITORIAL BOARD, 1976-77 SESSION**



**Sitting:** Debaj Srutikar (G.Secy), Prof.Debaranjan Dhar (In charge), Prof.Manmohan Das (In charge), Principal, Premchand Jain. Prof. Ghanashyam Adhikary (In charge), Surjya Kanta Hazarika (Magazine Secy.).

**Standing:** Anjan Borthakur (V.P.), Guna Lahan. (Member) Jyotiprakash Bhattacharyya (Member), Indrajit Barua (Member), Sashi Kanta Dutta (Member), Prabin Acharyya (Member), Achyut Chutia (Member).

# D.H.S.K.COMMERCE COLLEGE UNION BOARD, 1977-78 SESSION



**Sitting:** Sri Surjya Kanta Hazarika (Vice President), Prof. Gopal Sarma, Prof. Raghunath Borbora, Prof. Suren Mahanta, Prem Chand Jain (Principal), Prof. Probodh Medhi, Prof. Ghanashyam Adhikari, Prof. Debaranjan Dhar, Pradip Barma (G.S).

**Standing**: Student representatives of our college.

আঁতৰি গ'ল দানবীৰ পদ্মশ্ৰী প্ৰাপক হনুমানবক্স কানৈ। এটি উজ্জ্বল তৰা যেন খহি পৰিল। সুদূৰ ৰাজস্থানত ১৮৮৩ চনত জন্মগ্ৰহণ কৰি জীৱনৰ মাজছোৱাত অসমলৈ আহি অসমৰ মোহত আবদ্ধ হৈ ৰৈ যোৱা এইজনা দানবীৰে অশেষ কষ্ট কৰি অসমৰ ব্যৱসায়িক জগতত শীৰ্ষস্থান অধিকাৰ কৰিছিল। লগতে তেখেতৰ শিক্ষাৰ প্ৰতি থকা আগ্ৰহৰ বাবেই এসময়ৰ ডিব্ৰুগড় পৌৰ সভাৰ আৱৰ্জনাৰে ভৰপূৰ অঞ্চলটোত ১৯৪৫ চনত স্থাপিত হ'ল D.H.S.K. College আৰু সেই সিদিনা (১৯৬৫ চন), অসমৰ দ্বিতীয়খন বিশ্ববিদ্যালয় (ডিব্ৰুগড় বিশ্ববিদ্যালয়)ৰ কাৰণে যাৰ দান অবৰ্ণনীয়। কিন্তু নিয়তিৰ কুটিল চক্ৰই দানবীৰ কানৈক তেখেতৰ শেষ আশাৰ প্ৰতীক অসমৰ দ্বিতীয়খন বিশ্ববিদ্যালয় পূৰ্ণ হোৱা দেখিবলৈ সুযোগ নিদিলে। ৮৪ বছৰ বয়সত বৃদ্ধ হৈ হঠাৎ হৃদপিণ্ডৰ ধ্বনি বন্ধ হৈ ইহ সংসাৰ ত্যাগ কৰা পদ্মশ্ৰী কানৈক সেইদিনা ডিব্ৰুগড়ীয়া ৰাইজে বেজাৰৰ হুমুনিয়াহেৰে গণেশবাৰী চাহ বাগিচাৰ পৰা কঢ়িয়াই লৈ সমদল যাত্ৰাৰে আগবাঢ়ে নালিয়াপুল, গ্ৰেহেমবজাৰ আদি কৰি শেষ বিশ্ৰামৰ ঠাইলৈ। ভাবি বেয়া লাগে, পদ্মশ্ৰী কানৈ আজি আৰু আমাৰ মাজত নাই। কিন্তু ডিব্ৰুগড়ত প্ৰতিষ্ঠা কৰি যোৱা কানৈ কলেজৰ প্ৰাঙ্গণত থিয় হৈ প্ৰত্যেক কানৈয়ানে আজি ৰৈ ৰৈ সোঁৱৰে, সৰল গছৰ ফাকেৰে উজলি উঠা সেই অতুলনীয় দুই তলাৰ দালানটোলৈ চাই চাই।"

* * *

**১৯৬৭-৬৮ চনৰ সম্পাদক ৰঙ্গিধৰ নামাৰ সম্পাদিত আলোচনীত প্ৰকাশ হৈছিল...**

"I am really very sorry that the students of commerce college as well as teachers do not have much interest in this very field. It is not exageration to say that for the lack of good number of healthy materials and absence of co-operative spirit amongst the students. I had to face much difficulty in bringing out the Magazine earlier. And it is all that caused under delay in bringing out the Magazine much earlier. So, I request the authority concerned and as well as teachers and students friends to supply more healthy materials and render co-operative hand to our newly elected secretary to make the issue a healthy and prosperous one."

**১৯৭০-৭১ চনৰ সম্পাদক দেৱকীনন্দন দেওৰাৰ সম্পাদিত আলোচনীৰ পৰা উদ্ধৃত আষাৰচেৰেক...**

"A college magazine mirrors all the chequered activities of students. The character and performance of the college itself can be seen through its magazine. Our magazine, I am sure, has served the purpose of representing a true, glorious picture of our talents and performance. I hope this intellectual and cultural pursuit will be intesified with market distinction."

‘‘The Ahoms brought with them their colonial classics when they first come to Assam from their Shan homeland. Their literature consists of worship manuals, astrological treatises, chronicles and romances. Living in Assam for a long time, they wrote the story of the Ramayana in the Ahom Language compiled lexicons from Ahom to Assamese and from Assamese to Ahom. Their greatest took in minmang phura-lung which elaborates the gospel of Ahinsa in the form of a simple story. Another classic is Pung-Gao-Kham, i.e., The Ahom Ramayana.” [These lines are quoted from our Ex-Principal Dr. N.K. Basu, M.A., B.L., D.Phill's article TAI-AHOM LITERATURE.]

**১৯৭৪-৭৫ চনৰ সম্পাদক ভূপেন্দ্ৰ শৰ্মাৰ সম্পাদিত আলোচনীৰ পৰা উদ্ধৃত আষাৰচেৰেক...**

‘‘The question, however, arises that if the modern scientific technology isso fustian, why then are the sapient scientists all over the world engaged in tireless efforts of research. Why than, did Alexander blaming strive throughout his lifetime to discover a small drug called Penicillin which was to become the ‘magic healing bullet’ of the subsequent years. The mind is torn between the two extremes and the decission can best be left to the judgement of the coming generation.’’

* * *

**১৯৭৫-৭৬ চনৰ সম্পাদক অশোক চৌধুৰীৰ সম্পাদিত আলোচনীৰ পৰা উদ্ধৃত আষাৰচেৰেক...**

মহাবিদ্যালয়ত এটা সাংস্কৃতিক পৰিৱেশ লাগে। বৃত্তিমূলক শিক্ষা প্ৰতিষ্ঠানবিলাক সাধাৰণতে সাংস্কৃতিক দিশৰ পৰা দুৰ্বল যেন লাগে। ক'বলৈ গ'লে, নিয়ম ৰক্ষাৰ বাবেহে বছৰত এবাৰ তৰ্ক, কবিতা, সঙ্গীত, নাটক ইত্যাদিৰ উৎসৱ পতা হয়। কিন্তু— এই উৎসৱ বিলাকৰ পটভূমিত মনৰ কোনো চাহিদা অনুভূত নহয়। আমাৰ এই অসমৰ প্ৰাচীনতম বাণিজ্য মহাবিদ্যালয়খন একে শাৰীতে পৰে। Aesthetic sense যদি প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ মনত অঙ্কুৰিত নহয়, (Vocational Education) বৃত্তিমূলক শিক্ষাই মাথোন মানৱ মনক বস্তুতান্ত্ৰিক আকাংক্ষাৰ বাবে সঙ্কীৰ্ণ কৰি তুলিব। ছাত্ৰ সমাজ আৰু শ্ৰদ্ধেয় অধ্যাপক-অধ্যাপিকামণ্ডলীৰ ওচৰলৈ মোৰ বিনীত নিৱেদন তেখেতসকলে যেন মহাবিদ্যালয়ৰ এই দিশটোৰ কথা চিন্তা কৰে। কাৰণ, ‘Man can't live by bread alone.’

‘‘আলোচনীখন প্ৰকাশ কৰাৰ ক্ষেত্ৰত ছপা কৰা সমস্যাৰ উপৰি গল্প, প্ৰবন্ধ-পাতি লিখাৰ ক্ষেত্ৰত কিছুসংখ্যক ছাত্ৰবন্ধু বাদ দিলে বাকী ছাত্ৰ সমাজ লিখাত ইমান অনুৎসাহী যে নিজৰে বৰ আচৰিত লাগে। আলোচনী বিলম্ব প্ৰকাশৰ বহু কাৰণৰ মাজত এটা হ'ল ঃ বিৰাট স্ফীতকায় সম্পাদকীয় সন্থা (Editorial Board) বহুজনৰেই বহু মত। বহু মত মানেই ঐক্য মতত উপনীত হোৱাত বহু দিন সময়। ফল বিলম্ব। মোৰ অভিজ্ঞতাৰ পৰা কৈছোঁ, সম্পাদকে কিছু স্বাধীনতা পাব লাগে।”

আমাৰ স্নাতক পৰীক্ষা দিয়াৰ সময় আহি পৰাত মহাবিদ্যালয়ৰ শিক্ষান্ত পৰীক্ষাৰ্থীসকলক বিদায় সম্ভাষণ আৰু আগন্তুক পৰীক্ষাৰ বাবে শুভেচ্ছা জনাবৰ বাবে অধ্যক্ষ লক্ষ্মীপ্ৰসাদ দত্তদেৱৰ সভাপতিত্বত এখনি বিদায় সভা অনুষ্ঠিত হৈছিল। বিদায় সভাৰ অতীত ৰোমন্থনত আজি আকৌ বিষাদ ব্যাকুলতাৰ সুৰ বুকুত বাজি উঠিছে। ভাষণৰ সময়ত থোকাথুকি হৈ পৰা শব্দসমূহ পুনৰ কৰ্ণকুঁহৰত বাজি উঠে। অনাকাংক্ষিত অথচ অৱধাৰিতভাৱে নামি অহা চকুলোৰ দ্যুতিত জিলিকি উঠা তিৰবিৰ চকুবোৰ মন দাপোণত পুনৰ ভাঁহি উঠে। চকুলো ৰোধৰ ব্যৰ্থ প্ৰয়াসত হোৱা নাকৰ শব্দবোৰে পুনৰবাৰ চকুহালিক সেমেকা কৰি তোলে। বিগত সময়সমূহক ঘূৰাই পাব পৰা হ'লে যিকোনো মূল্যৰ বিনিময়ত উভতাই আনিবলৈ হেঁপাহ জাগি উঠে। উপায়ান্তৰ অনুভূতিত নিগৰিত শব্দগুচ্ছতেই আৱেগ তথা স্মৃতিকাতৰ কাহিনী প্ৰবাহৰ এটি কলি দুটি পাত গাঁথি দিবলৈ প্ৰয়াস কৰিছোঁ। বহুখিনি হয়তো মনৰ মাজতেই প্ৰকাশ কৰিব নোৱাৰাৰ বেদনাত চটফটাই আছে। যি নহওক, মোৰ প্ৰাণৰো প্ৰাণৰ ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ বাণিজ্য মহাবিদ্যালয়ৰ গৌৰৱগাঁথাত সামান্য পৰিমাণে হ'লেও অংশীদাৰ হ'বলৈ পাই নিজকে ধন্য মানিছোঁ। সামাজিক ক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ স্বীকৃতি স্বৰূপে ‘পদ্মশ্ৰী’ সন্মান লাভ কৰাৰ উপৰি শ্ৰীমন্ত শঙ্কৰদেৱ কলাক্ষেত্ৰৰ উপ-সভাপতি, অসম সাহিত্য সভাৰ সভাপতি আদি অনেক গুৰুত্বপূৰ্ণ দায়িত্বত কাৰ্যনিৰ্বাহ কৰিবলৈ পাই ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ ছাত্ৰ হিচাপে গৌৰৱানুভূতিত নীৰলে আপ্লুত হৈছোঁ। এই লেখাৰ তলত মোৰ জীৱনত পোৱা বিভিন্ন অভিজ্ঞতা, কৰ্ম সম্পাদন কৰাৰ সুযোগ-সুবিধা, ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত বৰেণ্য ব্যক্তিৰ লগত কটোৱা কিছু উল্লেখযোগ্য মুহূৰ্তৰ আলোকচিত্ৰ সন্নিৱিষ্ট কৰিছোঁ। আলোকচিত্ৰসমূহে কাৰোবাৰ কিবা কামত আহিব নে নাহিব সেই কথা ভাবি চোৱা নাই যদিও কানৈ বাণিজ্য মহাবিদ্যালয়ৰ এজন প্ৰাক্তন ছাত্ৰ হিচাপে মোৰ প্ৰাপ্তিৰ কিছু তথ্যৰ সমল অৱগত কৰোৱাৰ উদ্দেশ্যেই উপস্থাপন কৰা হ'ল।

শেষত কওঁ,- ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় যাউতিযুগীয়া কীৰ্তিৰে চিৰকাল মহীয়ান হৈ থাকক। শিক্ষক, শিক্ষয়িত্ৰী, কৰ্মচাৰী, শিক্ষাৰ্থী সকলোৰে ভৱিষ্যৎ উজ্জ্বল হওক, মহাবিদ্যালয়খনে দশোদিশে উন্নতি কৰি আগবাঢ়ক।

●●●

কাৰৈ বাণিজ্য মহাবিদ্যালয়ৰ ছাত্র হিচাপে ভাৰত চৰকাৰৰ পৰা পোৱা 'পদ্মশ্ৰী' সন্মানৰ লগতে অসমৰ সাংস্কৃতিক ক্ষেত্ৰখনৰ সৰ্ববৃহৎ অনুষ্ঠান 'শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ'ৰ নেতৃত্ব তথা অসমৰ সৰ্ববৃহৎ জাতীয় অনুষ্ঠান 'অসম সাহিত্য সভা'ৰ সভাপতিৰ দায়িত্ব গ্ৰহণ কৰিবলৈ পোৱাটো কেৱল মোৰ বাবেই গৌৰৱৰ বিষয় নহয়, এই গৌৰৱ আমাৰ মহাবিদ্যালয়ৰ প্ৰত্যেকজন ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মচাৰীবৃন্দৰ বাবেও বুলি মই গণ্য কৰোঁ।



ভাৰতৰ তদানীন্তন ৰাষ্ট্ৰপতি শ্ৰীমতী প্ৰতিভা দেৱী সিং পাটিলৰ পৰা 'পদ্মশ্ৰী বঁটা' গ্ৰহণৰ মুহূৰ্তত, ২০০৮ খ্ৰীষ্টাব্দ।



২০১৫-১৯ বৰ্ষত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত উপ-সভাপতিৰ দায়িত্ব পালন কৰি মুহূৰ্তত।








অসম সাহিত্য সভা সভাপতি ৰূপে



সচিত্ৰ সাঁচিপতীয়া পুথি 'চিত্ৰ ভাগৱত' উন্মোচন কৰাৰ মুহূৰ্তত তদানীন্তন অসমৰ মুখ্যমন্ত্ৰী শ্ৰীসৰ্বানন্দ সোণোৱালৰ সৈতে



অন্য এক দৃষ্টিকোণেৰে লক্ষ্মীনাথ বেজবৰুৱা' উন্মোচন কৰাৰ মুহূৰ্তত অসমৰ মুখ্যমন্ত্ৰী ডক্টৰ হিমন্ত বিশ্ব শৰ্মাৰ সৈতে



আমেৰিকান মহাকাশচাৰী মাইক ফিঙ্কেৰ সৈতে



প্ৰখ্যাত ব্ৰিটিছ লেখক ৰাস্কিন বণ্ডৰ সৈতে



জাৰ্ম্মানীৰ 'ফ্ৰেঙ্কফ'ৰ্ট ইণ্টাৰনেশ্বনেল বুক ফেয়াৰ'ত আন্তৰ্জাতিক গ্ৰন্থমেলাখনৰ সঞ্চালক Jurgen Bosse ৰ সৈতে।



বিশ্বখ্যাত ব্ৰিটিছ অনুবাদক গিলমটিজৰ সৈতে



'ভাৰতৰত্ন' তথা 'নবেল বঁটা' বিজয়ী ড° অৰ্মত্য সেনৰ সৈতে
ইংলেণ্ডৰ কেম্‌ব্রিজ বিশ্ববিদ্যালয়ত




'ভাৰত ৰত্ন' কোকিল কণ্ঠী গায়িকা
লতা মঙ্গেশকাৰৰ সৈতে



'ভাৰত ৰত্ন' তথা ভাৰতীয় সঙ্গীত নাটক অকাডেমীৰ অধ্যক্ষ
ড° ভূপেন হাজৰিকা আৰু ভাৰতীয় 'সাহিত্য অকাডেমী'ৰ অধ্যক্ষ
সুনীল গঙ্গোপাধ্যায়ৰ সৈতে



ইউ.জি.চি.ৰ অধ্যক্ষ (Chairman, University Grants Commission), প্ৰখ্যাত ভাৰতীয় অৰ্থনীতিবিদ
ড° সুখদেউ থ'ৰাটৰ সৈতে




National Institute of Advanced Studies আৰু Indian
Space Research Organisationৰ অধ্যক্ষ পদ্মভূষণ
ড° কৃষ্ণস্বামী কস্তুৰীৰঙ্গণৰ পৰা বিশেষ সম্বৰ্ধনা গ্ৰহণ কৰাৰ
সময়ত ড° সূৰ্য্য হাজৰিকা



লোকসভাৰ অধ্যক্ষ
পূৰ্ণ এ. চাংমাৰ সৈতে





লণ্ডনৰ 'ভিক্টোৰিয়া এণ্ড এলবার্ট মিউজিয়াম' আৰু 'ব্রিটিছ মিউজিয়াম'ত সংৰক্ষণ কৰি ৰখা মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ দ্বাৰা কৃত অসমৰ ঐতিহাসিক 'বৃন্দাৱনী বস্ত্ৰ'ৰ সন্ধানত গৈ সংশ্লিষ্ট দুয়োটি সংগ্ৰহালয়ত বস্ত্ৰ দৰ্শন আৰু পৰ্যবেক্ষণৰ সময়ত



লণ্ডনৰ 'নেহৰু চেণ্টাৰ'ত আয়োজিত এখন সভাত বৰ্ষীয়ান ব্ৰিটিছ লেখিকা ড° অড্ৰি কেণ্টলি, অক্সফোৰ্ড বিশ্ববিদ্যালয়ৰ হিন্দু অধ্যয়ন বিভাগৰ অধ্যাপক ড° নিকোলাচ চাটন, ব্ৰিটিছ মিউজিয়ামৰ কিউৰেটৰ ড° ৰিচাৰ্ড ব্লাৰ্টন আৰু ইংলেণ্ডৰ ভালেসংখ্যক সাহিত্যিক, বুদ্ধিজীৱী আৰু সমালোচকৰ সৈতে

ডিব্ৰুগড় হনুমানবক্স সূৰজমল কানৈ বাণিজ্য মহাবিদ্যালয়ৰ

# হীৰক জয়ন্তী মূল উদযাপন সমিতিৰ কৰ্মকৰ্তাসকল



ড° খনীন্দ্ৰ মিশ্ৰ ভাগৱতী, অধ্যক্ষ
সভাপতি



অধ্যাপক শৈলেন গগৈ, উপাধ্যক্ষ
সম্পাদক



ড° ভূপেশ ভাগৱতী
সদস্য



ড° টংকপ্ৰসাদ উপাধ্যায়
সদস্য



ড° স্বপ্না নাথ
সদস্য



ড° নৰজ্যোতি দত্ত
সদস্য



ড° জয়দেৱ গগৈ
সদস্য



ড° ঈপ্সিতা ভট্টাচাৰ্য্য
সদস্য



ড° মিণ্টু কুমাৰ দাস
সদস্য



অধ্যাপক ভাৰতী লালুং
সদস্য



সংগীতা শেনচোৱা গগৈ, গ্ৰন্থাগাৰিক
সদস্য



প্ৰেমা গগৈ চুতীয়া
তত্ত্বাৱধায়ক সহায়ক, সদস্য

তদুপৰি, মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ অনিৰ্দিষ্ট এগৰাকী সদস্যক এই সমিতিৰ সদস্য হিচাপে অন্তৰ্ভুক্ত কৰা হৈছিল।

ডিব্ৰুগড় হনুমানবক্স সূৰজমল কানৈ বাণিজ্য মহাবিদ্যালয়ৰ

# হীৰক জয়ন্তী বিভিন্ন উপ-সমিতিৰ আহ্বায়কসকল



ড° ঈপ্সিতা ভট্টাচাৰ্য্য
আহ্বায়ক, আৰম্ভণী আৰু সামৰণী কাৰ্যক্ৰম উপ-সমিতি



ড° সত্যৰঞ্জন দলে
আহ্বায়ক, বিত্ত উপ-সমিতি



ড° টংক প্ৰসাদ উপাধ্যায়
আহ্বায়ক, প্ৰকাশন উপ-সমিতি



ড° নৰজ্যোতি দত্ত
আহ্বায়ক, স্মাৰক-গ্ৰন্থ উপ-সমিতি



ড° অজিত গোস্বামী
আহ্বায়ক, প্ৰচাৰ উপ-সমিতি



ড° বিদিশা মহন্ত
আহ্বায়ক, সাংস্কৃতিক উপ-সমিতি



ড° অনিতা বৰুৱা
আহ্বায়ক, আলোচনা-সত্ৰ আৰু কৰ্মশালা আয়োজন উপ-সমিতি

ডিব্ৰুগড় হনুমানবক্স সূৰজমল কানৈ বাণিজ্য মহাবিদ্যালয়ৰ

# প্ৰাক্তন বিদ্যাৰ্থী সংস্থাৰ বৰ্তমান সমিতিৰ মুখ্য বিষয়ববীয়া



পৱন কুমাৰ গাড়োদিয়া
সভাপতি



ড° জেকব কোঁৱৰ
সম্পাদক

ডিব্ৰুগড় হনুমানবক্স সূৰজমল কানৈ বাণিজ্য মহাবিদ্যালয়ৰ

## হীৰক জয়ন্তী উৎসৱৰ স্মাৰক-গ্ৰন্থ 'সুগন্ধি বৈভৱ'ৰ সম্পাদনা-সমিতি



**ড° খনীন্দ্ৰ মিশ্ৰ ভাগৱতী**, মুখ্য উপদেষ্টা
অধ্যক্ষ তথা সভাপতি
হীৰক জয়ন্তী উদযাপন সমিতি



**প্ৰাধ্যাপক কুমুদ চন্দ্ৰ গোস্বামী**, উপদেষ্টা
*বাণিজ্য গুৰু, ডিব্ৰুগড় বিশ্ববিদ্যালয়*



**অধ্যাপক শৈলেন গগৈ**, উপদেষ্টা
উপাধ্যক্ষ তথা সম্পাদক, হীৰক জয়ন্তী উদযাপন সমিতি



**ড° টংকপ্ৰসাদ উপাধ্যায়**
উপদেষ্টা



**ড° নৰজ্যোতি দত্ত**
সম্পাদক

## সহযোগী সম্পাদক



**ড° স্বপ্না নাথ**



**ড° তুলিকা মটক**



**ড° জেকব কোঁৱৰ**



**ড° বিদিশা মহন্ত**

ডিব্ৰুগড় হনুমানবক্স সূৰজমল কানৈ বাণিজ্য মহাবিদ্যালয়ৰ

# হীৰক জয়ন্তী উৎসৱৰ স্মাৰক-গ্ৰন্থ 'সুগন্ধি বৈভৱ'ৰ সম্পাদনা-সমিতিৰ সদস্য



ড° সত্যৰঞ্জন দলে



অধ্যাপক বাণী কছাৰী



ড° অনিতা বৰুৱা



ড° ঈপ্সিতা ভট্টাচাৰ্য্য



অধ্যাপক ভাৰতী লালুং



ড° কস্তুৰী শইকীয়া



অধ্যাপক নাজৰানা হক



সংগীতা শেনছোৱা গগৈ
গ্ৰন্থাগাৰিক



পৱন কুমাৰ গাড়োদিয়া
সভাপতি, প্ৰাক্তন বিদ্যাৰ্থী সংস্থা



পূজা ঘোষ
আলোচনী সম্পাদক, ছাত্ৰ একতা সভাঃ ২০২২-২৩ বৰ্ষ

# Need for Popularising Commerce Education

**Dr. Devadas Bhorali**

**H**igh school education is the most important phase of a student's life. By the time students complete their school education they more or less make up their minds as to what subject or course they will pursue in course of their higher studies. Generally it is observed that students usually prefer higher education in *Science* with the intention of pursuing engineering or medical courses to become engineers and doctors. Majority of the other successful students, including some students securing very good marks join the *Arts* stream. It is also seen that a sizable section of this group go for the competitive examinations like IAS, IFS, IES or State Public Service Commissions examinations. Some from this group selected teaching as their profession. The remaining small percentage of the students studied Commerce because of compulsion of earning while learning or simply by chance. This is because till a few decades back there was not much awareness about commerce. Only a few colleges introduced commerce subjects. School curriculum did not have any subject which is distantly related to commerce or business. Under the circumstances it is not surprising that school students were not familiar with commerce as they were familiar with arts and science subjects. This will explain why only a few handful of students opted for commerce. With the establishment of a few Commerce Colleges and introduction of commerce stream in some of the arts and science colleges from early sixties, commerce became familiar to the students as well as to the guardians. What is more encouraging is that a good number of girl students have also enrolled in the commerce stream. Interest for this *third preferred stream* for both boys and girls, have increased substantially. Notwithstanding this encouraging trend commerce has yet miles to go. Let us have a look at the enrolment trend.

Of the total students who have passed the High School Leaving Examination last year (2023), it is stated that an overwhelming 75% have enrolled in the Arts stream. This is as per data assessed by the leading daily Times of India, from Darpan portal, the common platform to get admission in the state Board affiliated Schools and Colleges. Till 1st July, 2023, of the 2.51 lakh successful students, 18% have enrolled in Science and only a meagre, less than 6% (5.89%) have taken admission in the Commerce Stream. Admission in the vocational stream, which was introduced for addressing Joblessness was quite insignificant. Only 0.41% (less than 1 Percent) enrolled in that stream.

The position was not much different in 2022. Of the total enrolment of 2,67,735 in the AHSEC affiliated institutions, 2,01,468 or 75.24% took admission in the Arts stream, as against 48,200 (18.03%) preferring the science stream. Enrolment in the commerce stream attracted only 16,905 students which is 6.31% of the total. Vocational stream was preferred by only 0.40%, i.e. 1081 students. This has become a set pattern or preference of the three streams. A decade back, 1,16,822 students appeared in the AHSEC Examination 2000, of which only 6420 students appeared in the commerce stream, accounting for 5.49% of the total.

***The writer is retired Head of the Department of Commerce and former Dean, Faculty of Commerce, Gauhati University***

In another decadal study, for the period 2012-22, undertaken by the Ministry of Education, Government of India through the Performance, Assessment, Review and Analysis (PARAKH) a new division of the NCERT, students pursuing higher secondary education, science and arts emerged as the most popular option (82%) while commerce stagnated at 14% during the same period. Vocational stream showed marginal increase from 2% to 3% during that period. (Times of India, June 1, 2023)

The picture is no doubt gloomy for Commerce. As against this gloomy pictures, it was good news that the Board of Secondary Education has already introduced Commerce as an Elective subject in Class IX and X in the High Schools of Assam from the academic year 2020. (The Assam Tribune, August 2, 2019). The demand for introduction of Commerce for School students of Class IX and X has been there for a long time. The All Assam Commerce Student's Association and the Inter Gauhati University Commerce Students' Association, (both Associations now defunct) have moved SEBA number of times for introduction of Commerce for the School students. Incidentally, it will be pertinent to mention here that SEBA introduced an Elective paper in commerce for Class IX and X students in late seventies. But the elective paper was discontinued towards the end of nineteen eighties. Again during early part of 2000, the Student's Unions of the city-based Commerce Colleges of Guwahati under a joint platform, urged SEBA for introduction of the subject commerce for school students. Teachers associated with commerce education, including the present writer, raised this demand at different platforms. SEBA's belated response in 2019, no doubt fulfilled a long standing demand of the commerce fraternity.

As an elected subject, may be, commerce will be opted by only a small section of the class IX and Class X students. There is therefore an urgent need to make the general school students and public aware of the importance of commerce by popularizing commerce education among the school students, in the line of Science education.

3. Vaidyanath, Nandini 'Start Up Stand Up', Jaico Publishing House Mumbai-2016,2018.
4. 'Arowan'-a Souvenir of Rangpur Utsav,2005.
5. Griffiths, Sir Percival : The History of Indian Tea Industry. Weidenfield and Nicolson, London.1957.
6. Myrdal, Gunar : Asian Drama, Penguin Books (1965).


***

**N.B. :** In this paper/article an attempt is made to sketch a picture of the present status of small industries with a simple introduction. A few emerging and successful units of Dibrugarh district is also enlisted here. Primary information of the emerging units has collected personally from the owners of the units.

●●●

# Jaduram Barooah: Architect of Dibrugarh's Commercial Renaissance

**Dr. Anita Baruwa**

The tranquil town of Dibrugarh, nestled in the North Eastern state of Assam, underwent a remarkable transformation in the 19th century, owing to the visionary entrepreneurial initiatives of Jaduram Barooah, the son of the legendary freedom fighter Maniram Dewan. He was an extraordinary businessman, who not only played a crucial role in shaping the economic landscape of the region but also left an indelible mark on the socio-cultural fabric of Dibrugarh. Jaduram Barooah's entrepreneurial endeavours, innovative spirit and pioneering initiatives contributed to the growth and development of Dibrugarh. The life and works of Jaduram Barooah (JRB) could indeed incline one to compare him with the likes of JRD Tata!



**Late Jaduram Barooah (1847 - 1908)**

## Early Life: Legacy of Freedom and Resilience

Born in 1847 to Binandini, the fourth wife of Maniram Dewan at their Arjunguri home in present Sivasagar district, he was the third son of the Dewan. From an early age, he was exposed to the fervent spirit of resistance that permeated the atmosphere of his home. He was hardly ten years old at the time of execution of his father in 1858. The family moved to Dibrugarh in 1861. Dibrugarh had been made the district headquarters of the then greater Lakhimpur district in 1840 not only because of its strategic military importance, but also on account of being the upcoming commercial, industrial and administrative hub of Upper Assam region. This must surely have been one of the factors behind the migration of Dewan's family from Nazira to Dibrugarh.

***The writer is an Associate Professor of the Department of Economics in our college.***

The young JRB had to revive the finances of his household immediately after his family settled in Dibrugarh, as the British had confiscated all the wealth and property of Maniram Dewan, including the tea gardens he had established at Cinnamara and Singlo.

## Timber Business: Uplifting the Tea Industry

Inspired by the success of his father's tea plantations, JRB recognised the immense potential of the tea industry in the region. His innovative approach to marketing made him realise his fortune in the tea trade and he started a flourishing timber business of making tea chests from *Simolu* wood to export tea leaves. In this way, he revived the lost fortune of the Dewan household.His marketing efforts helped improve the quality of Assam tea, making it renowned not only in India but also globally.

## Infrastructure Development: Paving the Way for Progress

JRB's entrepreneurial vision extended beyond his timber business. He joined the Public Works Department as a contractor and also started the business of making concrete rings for pucca wells. This was the first such industry in Assam, established in 1893, as "J.R.Barooah and Sons". The industry was later on discontinued when it became unviable with the introduction of deep tube wells. JRB also recognised the need for robust infrastructure to support the growing economic activities in Dibrugarh. His strategic investments in public work constructions not only boosted trade and commerce but also laid the groundwork for Dibrugarh's emergence as a commercial hub.



TELEGRAM : CONCRETE
TELEPHONE : DIBRUGARH 170.

J. R. BAROOAH & SONS.

ESTABLISHED 1893.

HYDRAULIC, SANITARY & CONCRETE ENGINEERS.

AGENTS :
BEMOLAPUR COLLIERY LTD.

"CONCRETE HOUSE"
REHABARI P. O. (Assam)

## Architectural Excellence and Historical Significance: The Dibrugarh Court Building

Around 1842,after Dibrugarh became the Head Quarter of the Lakhimpur district, demand grew for a court in the town. The Dibrugarh Court Building, a historic landmark of Assam, which is one of the oldest architecture and among the most beautiful buildings in the entire country, was completed in 1872 under the contractorship of JRB, thus becoming the first court building in North East India. JRB generously donated to fund the construction of this building. This played a pivotal role in initiating and completing the project within six years of construction. Some of the construction materials like the iron posts etc. were procured from Manchester. All the materials used for the construction were brought in by steamer throughBrahmaputra. A brick kiln was constructed at Chaulkhowa to make bricks for the building.

That his vision extended beyond mere funding was testified by his collaboration with architects and engineers to help shape the design and aesthetics of the structure. After passing of about one and half century, the court building still standsmagnificently at Phulbagan near Brahmaputra. It is an architectural marvel that continues to serve its purpose as a centre of justice while also being a symbol of Assam's heritage. In this

regard, a letter was received by the Deputy Commissioner, Dibrugarh in 1999 from London. Legal professionals who visited this building expressed their opinion that it should be granted heritage status.

## Benevolent Bequest: Employment Generation and Social Impact

JRB's generosity towards the Dibrugarh Court Building is just one aspect of his philanthropic endeavours. As his entrepreneurial ventures flourished, they had a cascading effect on the local economy. The expansion of tea plantations and associated industries led to a surge in employment opportunities for the local population. This not only improved their socio-economic status but also contributed to the overall development of the region.As a prominent philanthropist of his time, he also contributed to education, healthcare and other social causes in the region, benevolently be-questing a lasting legacy of community service. His commitment to the welfare of his workers translated into better living conditions, access to education, and healthcare facilities, thereby fostering a sense of community and belonging.

## Philanthropic Legacy: Cultural Patronage and Heritage Preservation

Beyond his economic pursuits, JRB was a patron of arts and culture. He was one of the executive heads of the public institutions of his time. Through his philanthropic initiatives, he supported traditional art forms, literature, and cultural events, ensuring that Dibrugarh remained a vibrant centre of cultural exchange and creativity. That he was the President of the Dibrugarh Arts Players' Society (popular as DAP Natya Mandir), during its establishment, which was founded on public donation, bears testimony of his philanthropy. According to historian Late Deepali Barua, this theatrical society, situated at Amolapatty, Dibrugarh, helped immensely towards a cultural awakening not only in the town but in the whole of Assam.

## Continuing Influence: A Multifaceted Visionary

JRB's entrepreneurship enriched Dibrugarh's trajectory. His pioneering spirit, innovative approaches, and unwavering commitment to progress laid the foundation for the town's growth into a dynamic commercial and cultural hub. His legacy continues to inspire entrepreneurs and business leaders to harness their talents for the betterment of society.

This worthy son of the exemplary and illustrious father, Maniram Dewan passed away on 28th of April, 1908. His entrepreneurial journey exemplifies the transformative power of vision, determination, and innovation. His contributions to Dibrugarh's economic, social, and cultural spheres serve as a testament to his enduring impact. As Dibrugarh continues to thrive and evolve, it does so with gratitude for the visionary entrepreneur who played a pivotal role in shaping its destiny. Jaduram Barooah's legacy serves as a beacon of inspiration, reminding us that entrepreneurial endeavours can be catalysts for positive change, upliftment and progress in both local communities and the larger world.

**References:**


1. Article on Jaduram Barooah by Late L.P. Dutt (1952), collected by Late Heramba Bordoloi.
2. The Urban History of India by Deepali Barua, Mittal Publications.
3. Dibrugarh: Its Past, Present and Future by Pronob Goswami.
4. The History of District Judicial Court, Dibrugarh. Accessed at: https://www.dibrugarhjudiciary.gov.in/history.htm
5. বিশ্বজিৎ বৰুৱাৰ 'সপোনৰ চহৰ ঃ ঐতিহ্যমণ্ডিত ডিব্ৰুগড়'

   Retrieved from : https://www.facebook.com/1185702891514273/photos/dba-member-biswajit-barooah


●●●

# আমাক স্মাৰ্ট গাঁৱো লাগিব ...

ড° লোহিত শইকীয়া

**অ**ঞ্চল একোটা হয় গাঁও আৰু নগৰৰ এটা সামূহিক ৰূপ। ইয়াৰ উভয়ে পৰস্পৰৰ পৰিপূৰক। দুয়োটাৰ উন্নয়নেহে আনে অঞ্চল একোটাৰ উন্নয়ন। আজিৰ তাৰিখত আমাৰ দেশতো 'স্মাৰ্ট চিটি' এটা বহুচৰ্চিত বিষয়।

সমাজ-বিজ্ঞানীৰ গৱেষণাই কয়, 'স্মাৰ্ট ভিলেজ' অৰ্থাৎ স্মাৰ্ট গাঁও অবিহনে 'স্মাৰ্ট চিটি' অৰ্থাৎ স্মাৰ্ট মহানগৰে বাঞ্ছিত গতি লাভ নকৰে। ভিন্ন দেশত স্মাৰ্ট নগৰীৰ চৰ্তভেদ আছে। ভাৰতত ২০১৫ চনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কেন্দ্ৰীয় চৰকাৰৰ গৃহ নিৰ্মাণ আৰু পৌৰ পৰিক্ৰমা মন্ত্ৰালয়ৰ নগৰ পৰিকল্পনা খণ্ডৰ অধীনত মুঠ ৭২০ হাজাৰ কোটি টকাৰ সেই ৰাষ্ট্ৰীয় স্মাৰ্ট চিটি অভিযানটোৰ অধীনত স্মাৰ্ট চিটি প্ৰকল্প প্ৰৱৰ্তন কৰে। অভিযানৰ দ্বাৰা কিছু লোক মহানগৰত নাগৰিক অনুকূল আৰু বহনক্ষম কৰাৰ লক্ষ্যৰে নৱীকৰণ আৰু নৱগঠন কৰিবলৈ বিচৰা হৈছে। স্মাৰ্ট নগৰীকেন্দ্ৰিক শাসন প্ৰণালী (Governance), পৰিবহণ, metering, আন্তঃগাঁথনি আদিৰ দৰে ব্যৱস্থাবোৰ স্মাৰ্ট মহানগৰী অভিযানৰ প্ৰকল্পত কৰা হয়। স্মাৰ্ট মহানগৰীৰ সৰ্বজনগ্ৰাহ্য সংজ্ঞা এটা দিয়াটোও কঠিন বুলি কোৱা হৈছে। দেশ-বিদেশৰ চহৰ পৰিকল্পনা (vision) ভেদে তাৰ সংজ্ঞা ভিন্ন হয়। মহানগৰীখনৰ উত্তৰণৰ স্তৰৰ ওপৰতো অভিযান নিৰ্ভৰ কৰে। প্ৰতিষ্ঠানিক, ভৌতিক, সামাজিক আৰু অৰ্থৰে ওপৰতো আমি আদি দিশসমূহ সামৰি সামগ্ৰিক পৌৰ পৰিৱেশ তন্ত্ৰৰ উন্নয়ন ঘটোৱাটোৱেই স্মাৰ্ট মহানগৰীৰ লক্ষ্য বুলি ধৰা হয়।

ভাৰতত ভুৱনেশ্বৰ, পুনে, চুৰাট, জয়পুৰ, আহমেদাবাদ, বিশাখাপট্টনম, ইন্দোৰ, কইম্বটৰ, নাগপুৰ আৰু লক্ষ্ণৌ হৈছে প্ৰথম দহখন স্মাৰ্ট মহানগৰী। অভিযানৰ প্ৰকল্পৰ ভিতৰৰ পৰৱৰ্তী মহানগৰীকেইখনে লক্ষ্য সাধনৰ দিশে গতি কৰিছে বুলি কোৱা হয়।

মহানগৰ একোখনক স্মাৰ্ট প্ৰযুক্তিৰে আগুৱাই নি পৌৰবাসীৰ জীৱনশৈলীক নতুন ৰূপ দিয়াটোৱেই স্মাৰ্ট চিটি অভিযানৰ লক্ষ্য। তাৰ বাবে যাবতীয় আন্তঃগাঁথনিৰ লগতে প্ৰযুক্তি পাৰ্গতালি আৰু বুদ্ধিমত্তা আদিৰ প্ৰয়োজনীয়তাৰ দিশো সাঙোৰ খাই আছে।

নগৰৰ যাৱতীয় আন্তঃগাঁথনিৰ কথাৰ পৰা আঁতৰি এইখিনিতে গাঁও আৰু নগৰৰ পাৰ্থক্য বিচাৰ কৰাৰ এটা প্ৰয়োজনবোধ কৰা হৈছে। গাঁও-নগৰ পৃথকীকৰণৰ বাবে কেইটামান নিৰ্ণায়ক লক্ষণ (symptom) চিহ্নিত আছে।

উমৈহতীয়া উদ্দেশ্যৰে সংগঠিত জনসমষ্টি (community) হয় প্ৰথমটো নিৰ্ণায়ক। উল্লেখনীয় যে গাঁও বা নগৰ (বা চহৰ) মানেই অঞ্চল একোটাৰ জনবসতি। গ্ৰাম্য বসতি হয় মানৱ বসতি পদানুক্ৰম (settlement hierarchy)ৰ দ্বিতীয় স্থান। স্থায়ী বসতিৰ পদানুক্ৰমত চুবুৰি, গাঁও, বজাৰ বা সেৱা কেন্দ্ৰ (Market or Service Centre), নগৰ, মহানগৰ আৰু মেট্ৰ'পলিটান। নগৰ আৰু মহানগৰবোৰৰ কেইটামান স্তৰ থাকে। সেইকেইটা হৈছে নগৰ সমিতি বা পৌৰসভা বা পিয়ল নগৰী (Census town-CT)।

প্ৰতি বৰ্গ কিঃমিঃত জনবসতিৰ ঘনত্ব হয় দ্বিতীয় কাৰক। গাঁৱতকৈ নগৰত সেই ঘনত্ব বেছি অৰ্থাৎ মানুহ বেছিকৈ ঠাহ খোৱা। সেয়ে, গাঁৱৰ বাসিন্দাসকলৰ মাজত আন্তৰিকতা গাঢ় আৰু দৃঢ় বুলি কোৱা হয়।

কৃষি, মৎস্য, বৃত্তি, খনিজ পজাৰ্থ, বন্য জন্তু চিকাৰ, কাঠ

*লেখক মনোহাৰী দেৱী কানৈ মহিলা মহাবিদ্যালয়ৰ ভূগোল বিভাগৰ অৱসৰপ্ৰাপ্ত সহযোগী অধ্যাপক।*

কটা বা খৰি গোটোৱা ধৰণৰ প্ৰাথমিক বৃত্তিয়েই হয় গ্ৰাম্য অৰ্থনীতিৰ মূল। একেটা পৰিয়ালৰ মূল কৰ্মীজনে বা দলীয়ভাৱে কামখিনি কৰে। কামখিনিত প্ৰকৃতিৰ লগত মানুহৰ আত্মিক সম্পৰ্কও বিদ্যমান।

কৃষক সমাজৰ বাবে মাটিও মাতৃয়েই। মাটি বিনে গতি নাই। খাদ্য, বস্ত্ৰ যাক বাসস্থান তাৰ ওপৰতে হয়। ড০ ভূপেন হাজৰিকাই গানতেই গাই গৈছে সেই সত্য।

চহা সমাজত বহুদিশত সমৰূপতা (Homogenity of Population) বিদ্যমান। কৃষি আৰু তাৰ সংযোগী প্ৰাথমিক কাৰ্যসমূহ হয় জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষেই।

সামাজিক স্তৰায়ন (social stratification) ৰো ৰূপ গাঁৱত প্ৰকট। সামাজিক আন্তঃসম্পৰ্ক আৰু সামাজিক অৱকাশো (social space) থাকে বেছি। অৰ্থাৎ বাসিন্দাসকল গাইপতি বেছি সামাজিক ঠাইৰ অধিকাৰী। একাত্মতাবোধো বেছি। যৌথ পৰিয়ালতন্ত্ৰ গাঁৱলীয়া এক উত্তম পৰম্পৰা।

ভাৰতৰ লোকপিয়ল বিভাগৰ পঞ্জীয়ক প্ৰধানে ভিন্ন সময়ত নগৰ হ'ব পৰা বসতিৰ চৰ্তাৱলী বান্ধি দিছে। অতি শেহতীয়া (২০১১ ৰ লোকপিয়ল)ৰ চৰ্তমতে, নগৰ সমিতি, পৌৰসভা, পৌৰনিগম, মেট্ৰ'পলিটান পৰিষদ - ইয়াৰ যিকোনো পৌৰ নিকায় থকা এলেকা, কেন্টনমেন্ট এলেকা বা আন 'জাননীভুক্ত' এলেকা, য'ত জনসংখ্যা ৫,০০০ ৰ উৰ্ধত, জনবসতিৰ ঘনত্ব প্ৰতিবৰ্গ কিঃমিঃত ৪০০ জনৰো ওপৰ, ৭৫ শতাংশ পুৰুষ কৰ্মশক্তি অনাকৃষি খণ্ডত নিয়োজিত থাকিব।

স্মাৰ্ট চিটি অভিযানৰ সফলতাৰ বাবে হয় গাঁও-নগৰ প্ৰব্ৰজন হ্ৰাস কৰিব লাগিব বা নগৰত বাস কৰা প্ৰজাতিসকলৰ জীৱিকা ধাৰণৰ মান উন্নত কৰিব লাগিব। স্মাৰ্ট মহানগৰীৰ উত্তৰণত প্ৰব্ৰজনক প্ৰধান প্ৰাচীৰ বুলি গণ্য কৰা হৈছে।

কাৰণ, প্ৰব্ৰজনে অবাঞ্ছিত নগৰীয়া বস্তি (slum)ৰ উন্মেষ ঘটায়, য'ত নাথাকে ঘৰ-দুৱাৰ, অনাময় ব্যৱস্থা, বাট-পথ, বিজুলী-বাতি, নলা-নৰ্দমা আদিকে ধৰি মানুহৰ দৈনন্দিন সা-সুবিধাবোৰ। বস্তিবোৰ তাৰ ঠাইত হয়গৈ ভিন্ন অপৰাধমূলক কাম-কাজ আৰু বেমাৰৰ বীজাণুৰো ঘাটিহে। বৃহৎ মাত্ৰাৰ প্ৰব্ৰজনে আনে শ্ৰমিক শ্ৰেণীৰ সংখ্যাধিক্যতাৰ সমান্তৰালকৈ শ্ৰমিকৰ অধোগামী মজুৰি। সেইটোৱেই বস্তিৰ সূত্ৰপাতৰ মূল কাৰণ। মুঠতে চাৰিওফালে প্ৰাকৃতিক, পৰিৱেশিক আৰু সামাজিক অৱক্ষয়ৰ যথেষ্ট গভীৰ সাঁচ।

ইফালে গ্ৰাম্য বসতি তেনেবোৰ অৱক্ষয়ৰ পৰা বহু নিলগত। অৰ্থনৈতিক বৃত্তিসমূহতো থাকে বিস্তৰ পাৰ্থক্য। গ্ৰামা-পৌৰ আহ-যাহ আৰু গ্ৰামা-পৌৰ প্ৰব্ৰজন বৃত্তিভেদে জনসংখ্যাৰ হেঁচাৰে ফল। সেইমতে, ক্ৰমাৎ বৰ্ধিত ৰূপত অহা যান- যট, শব্দ প্ৰদূষণ, বায়ু, পানী আৰু সামাজিক প্ৰদূষণ, এছিড বৰষুণ, সেউজ গৃহ গেছ নিৰ্গমণ, উষ্ণায়ন আৰু পৌৰ তাপ সৃষ্টিকে ধৰি অলেখ লেঠা।

সু-পৰিকল্পিত নগৰ ব্যৱস্থাহে ইয়াৰ মূল সমাধান, য'ত হ'ব লাগিব মূল ব্যৱসায়িক কেন্দ্ৰ (CBD-central business district)ৰ লগতে ভিন্ন পৰিকল্পিত পৌৰ খণ্ড, পৌৰ বলয়, বৃত্তাকাৰ বলয়ৰ ব্যবস্থা। ইয়াৰ আৰ্হি (Model)— ও ভিন্ন পৰিৱহণকাৰী বা সমাজ বিজ্ঞানীসকলে দিছে। তাৰ ভিতৰত Burgess ৰ 'ঐককেন্দ্ৰিক অঞ্চলৰ আৰ্হি (১৯২৫), Hoytৰ 'বৃদ্ধাংশ আৰ্হি' (১৯৩৯), Harris and Ulman 'বহু নিউক্লি আৰ্হি' (১৯৪৫) উল্লেখনীয়। স্থান-কাল ভেদে আৰ্হিবোৰ ব্যৱহৃত হোৱা দেখা যায়। পৌৰ কেন্দ্ৰৰ চাৰিওফালে থাকে ভিন্ন খণ্ড। যেনে ঔদ্যোগিক এলেকা, আৱাসিক এলেকা, ক্ৰীড়াংগণ, উদ্যান, ৰাজহুৱা স্থান, বিনোদন এলেকা আদি।

আমাৰ দেশৰ পঞ্জাব আৰু হাৰিয়ানা ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চল চণ্ডীগড়ৰো ৰাজধানী চণ্ডীগড় মহানগৰী প্ৰমুখ্যে ভাৰতৰ মহানগৰ বা স্মাৰ্ট মহানগৰসমূহো হৈছে এক দৃষ্টান্তস্বৰূপ সু-পৰিকল্পিত মহানগৰ। দেশখনত নগৰ বা চহৰখনৰ নাভি কেন্দ্ৰ (focal point) ক ধৰি বাহিৰৰ বলয়বোৰ স্মাৰ্ট গাঁও ৰূপ দি নাভিকেন্দ্ৰিক স্মাৰ্ট চিটি ৰূপ দিয়াটোক উত্তম কাম বুলি বিবেচিত হয়। আঞ্চলিক পৰিকল্পনা (Regional Planning)ত তেনে নাভিকেন্দ্ৰক Growth Pole আখ্যা দিয়া হয়।

পৰিকল্পিত তথা স্মাৰ্ট মহানগৰৰ এই ছবিখন পোৱাৰ পাছত স্মাৰ্ট গাঁও একোখন কেনে হ'ব লাগে তাক ক'বলৈ বিচৰা হৈছে। চহৰৰ চৌপাশৰ গাঁওবোৰৰ সম্পদৰ দ্বাৰা বৃহৎ ঔদ্যোগিক আকৰ্ষণ কৰাব পৰা হ'ব লাগে। যুগৰ লগত খোজত খোজ মিলাই 'ডিজিটেল প্ৰযুক্তি'ৰেও সেই গাঁওবোৰ আগবঢ়াই নিয়াটো বাঞ্ছনীয়। ডিজিটেল প্ৰযুক্তিৰে গাঁওবোৰকো 'স্মাৰ্ট' কৰি তোলাটো অপৰিহাৰ্য। ডিজিটেল ইণ্ডিয়াৰ কথা চলি আহিলেও বিশেষকৈ গাঁৱলীয়া বহু ঠাইত পুতৌ লগা ইণ্টাৰনেট ব্যৱস্থাই জৰুৰী কামতো দি অহা যন্ত্ৰণাও দূৰ হ'ব লাগিব। আমাৰ ৰাজ্যত চাইবাৰ প্ৰযুক্তিৰ ক্ষেত্ৰখনতো ফেৰ মাৰিব পৰাকৈ আগবঢ়াই নিয়াৰ দৰকাৰ হৈছে। চাইবাৰ অপৰাধৰ বিৰুদ্ধে যুঁজিবলৈকে লাগে সেই smartness। গাঁওবোৰক অধিক সৰলীকৰণ কৰি গোলকীয় গাঁৱৰ যোগ্য বাসিন্দা কৰিবলৈ 'স্মাৰ্ট' কৰি তোলাটো বাঞ্ছনীয়।

●●●

# অসমত মাৰোৱাৰী

## দেৱীপ্ৰসাদ বাগড়োদিয়া

ৰাজস্থান, হাৰিয়ানা আৰু মালৱাৰ পৰা অহা আগৰৱালা, মহেশ্বৰী, অসৱাল, ৰাজপুত, ব্ৰাহ্মণ আদি জাতিৰ আৰু হিন্দু, জৈন, মুছলমান ধৰ্মৰ মানুহ তথা বেলেগ বেলেগ বৃত্তিৰ যেনে বৈশ্য, নাপিত, সোণাৰী আনকি হৰিজন সকলকো মাৰোৱাৰী বুলি কোৱা হয়। মাৰোৱাৰী মানেই ধনী মানুহ বুলি ভ্ৰান্ত ধাৰণা থাকিলেও আজিও মুষ্টিমেয় মাৰোৱাৰী লোকহে সম্পত্তিশালী ব্যৱসায়ী হ'ব পাৰিছে।

মাৰোৱাৰীসকল যেতিয়া অসমলৈ আহিছিল তেতিয়া তেওঁলোক অসমৰ পৰিস্থিতিৰ কথা বুজা নাছিল আৰু সেইবাবে তেওঁলোক অসমত ব্যৱসায় কৰিবলৈ কোনো সুকীয়া আঁচনি লৈ অহা নাছিল। বৈশ্যসকলৰ প্ৰব্ৰজন হোৱাৰ প্ৰধান কাৰণ হ'ল তেওঁলোকে বেপাৰ-বাণিজ্য কৰি জীৱন যাপন কৰাটো উত্তম উপায় বুলি ভাবে আৰু ইয়াক জাতীয় সংস্কৃতি ৰূপে জ্ঞান কৰে। মাৰোৱাৰী সকলৰ আন এটি বৈশিষ্ট্য হ'ল তেওঁলোক যথাৰ্থতে ভদ্ৰ, নম্ৰ আৰু উদাৰ স্বভাৱৰ। এই স্বভাৱৰ বাবেই তেওঁলোক যি ঠাইলৈকে নাযাওক, তাৰেই স্থানীয় লোকৰ লগত সহজে মিলি যাব পাৰে। অসমলৈ অহা মাৰোৱাৰী-সকলে অসমীয়া মানুহৰ লগত মিলি যোৱাত কোনো অসুবিধাৰ সন্মুখীন হ'ব লগা নহৈছিল আৰু আজিও সেই পৰিৱেশ বিৰাজ কৰি আছে। মাৰোৱাৰীসকলে অসমীয়াৰ দৰেই চুৰিয়া আৰু চোলা পিন্ধিছিল, একেটা ধৰ্মত বিশ্বাস কৰিছিল আৰু বহুতে মহাপুৰুষীয়া ধৰ্মত শৰণ লৈছিল। আনহে নালাগে নিয়মিতভাৱে ডাঙৰীয়া থানত আৰু ভাদ মাহত নামঘৰত শৰাই আগবঢ়োৱা বুজন সংখ্যক মাৰোৱাৰী মানুহ গাওঁ অঞ্চলত এতিয়াও আছে। মাৰোৱাৰী মানুহৰ যিহেতু ৰুটি খোৱাৰ অভ্যাস আছিল তেওঁলোকে চাউল, মগু মাহ আৰু বুটমাহ গুড়ি কৰি আটা তৈয়াৰ কৰি ৰুটি প্ৰস্তুত কৰি (যিটোক মিচা ৰুটি বুলি কোৱা হয়) খাইছিল। আজিও অসমৰ মাৰোৱাৰীসকলৰ এইটো প্ৰিয় খাদ্য আৰু ভাৰতৰ সকলো ঠাইতে অসমৰ এই 'মিচা' ৰুটি বিখ্যাত। বৰ্তমান অসমত বসবাস কৰা মাৰোৱাৰী লোকসকলে দৈনন্দিন ব্যৱহাৰ কৰা ভাষাটো মাৰোৱাৰী, হিন্দী আৰু অসমীয়া ভাষাৰ মিশ্ৰণ এটাহে।

মাৰোৱাৰীসকল আৰম্ভণিতে কেৱল কিনা-বেচাতে লিপ্ত আছিল যদিও কালক্ৰমত তেওঁলোকে সৰু-সুৰা দ্ৰব্যজাত বিশেষকৈ ধাতুৰ দ্ৰব্য, পাট, ধান, মাহ আদি উৎপাদনৰ ক্ষেত্ৰত স্থানীয় লোকক আগধন আগ বঢ়াইছিল। কেতিয়াবা ক্ষুদ্ৰ উৎপাদনকাৰীক কেঁচামালৰ যোগন ধৰাৰ লগতে উৎপাদিত সামগ্ৰী কিনি লৈ খেতিয়কক সকাহ দিছিল। ফলত সাধাৰণ খেতিয়কসকল উপকৃত হৈছিল আৰু বনিয়াসকল তেওঁলোকৰ বিশ্বাসভাজন হৈ পৰিছিল।

ঊনবিংশ শতিকাৰ শেষৰফালে মাৰোৱাৰী সম্প্ৰদায়ৰ লোকে সৰু সুৰা উদ্যোগ যেনে— তেল পেৰা, কুঁহিয়াৰ পেৰা, ধানবনা কল, বাচন-বৰ্তন তৈয়াৰ কৰা কাৰখানা আদি স্থাপন কৰিবলৈ লয়। ইয়াৰ ফলত অসমত সৰু সুৰা উদ্যোগ স্থাপনৰ গতি বৃদ্ধি হ'বলৈ ধৰে।

যিকোনো ব্যৱসায়-বাণিজ্যৰ ক্ষেত্ৰতেই বিত্ত যোগান অপৰিহাৰ্য। উল্লেখ্য যে টকা-পইচাৰ যোগানৰ ক্ষেত্ৰত মাৰোৱাৰী সম্প্ৰদায় অপ্ৰতিদ্বন্দ্বী। যি সময়ত দেশত বেংক ব্যৱসায় সীমিত আছিল তেনে সময়তো মাৰোৱাৰীসকলে চাহ বাগিচাৰ মালিক ব্ৰিটিছসকলক প্ৰয়োজন মতে হুণ্ডিৰ বিনিময়ত টকা-পইচাৰ যোগান ধৰিবলৈ লয়। চাহ বাগিচাৰ চাহাবসকলে সহজে পোৱা বেংকাৰ হ'ল এই মাৰোৱাৰীসকল।

*লেখক ৰাষ্ট্ৰীয় স্তৰত স্বীকৃতিপ্ৰাপ্ত এগৰাকী বিশিষ্ট অনুবাদক তথা সাহিত্যিক হোৱাৰ উপৰি এগৰাকী বিশিষ্ট অসমীয়া চাহ উদ্যোগপতি।*

মৰাপাটে অসমৰ কৃষিত থিতাপি লোৱাৰ লগে লগে মানসিংহ নামৰ এগৰাকী মাৰোৱাৰীয়ে অসমত প্ৰৱেশ কৰি মৰাপাটৰ ব্যৱসায় কৰে আৰু অতি কম দিনৰ ভিতৰতে ইয়াৰ শাখা-প্ৰশাখা গঢ়ি তোলে। তেওঁলোকে এই মৰাপাট কিনি বেলিংপ্ৰেছৰ দ্বাৰা 'বেলিং' কৰি কলিকতালৈ চালান দিছিল।

মণিৰাম দেৱানৰ পাছতেই ১৮৬৮ খ্ৰীষ্টাব্দত ডিব্ৰুগড় জিলাৰ লাহোৱাল অঞ্চলত হৰিবিলাস আগৰৱালাই চাহ খেতি আৰম্ভ কৰিছিল আৰু চাহ বাগিচাৰ নামকৰণ কৰিছিল তামোলবাৰী চাহ বাগিচা।

ৰায়চাহাব হনুমানবক্স কানৈয়ে ১৯১৭ খ্ৰীষ্টাব্দত ডিব্ৰুগড় জিলাৰ মোহনবাৰী অঞ্চলত এখনি চাহ বাগিচা স্থাপন কৰে আৰু তেওঁৰ দেউতাকৰ নামেৰে বাগিচাখনৰ নাম গণেশবাৰী ৰাখে। ১৯৫৯ খ্ৰীষ্টাব্দত কানৈ বাৰখন চাহ বাগিচাৰ গৰাকী হয়।

ইয়াৰ পাছতে অন্য মাৰোৱাৰী পৰিয়ালে চাহ খেতি কৰিবলৈ লয়। ১৯৪০ খ্ৰীষ্টাব্দত অসমত ১১২৬ খন চাহ বাগিচা আছিল তাৰ ভিতৰত ৩৪৩ খন ভাৰতীয় লোকৰ আছিল আৰু বাকিখিনি ব্ৰিটিছ সকলৰ। চাহ খেতি কৰা মাটিৰ ৪৩৮০০০ একৰ মাটিৰ ভিতৰত মাত্ৰ ৬০০০০ একৰ মাটি ভাৰতীয় সকলৰ অধীনত আছিল।

ব্ৰিটিছসকলে ভাৰতীয় মানুহে চাহ খেতি কৰাটো ভাল পোৱা নাছিল। তেওঁলোকে নানা ধৰণে বাধা প্ৰদান কৰিছিল।

স্বাজোত্তৰ কালত ব্ৰিটিছসকলৰ অধীনত থকা যিবিলাক বাগিচাত উৎপাদন কমি গৈছিল, সেই বাগিচাবিলাক তেওঁলোকে বিক্ৰী কৰাৰ ব্যৱস্থা কৰিছিল আৰু তাৰ অধিক সংখ্যক বাগিচাই মাৰোৱাৰীসকলে ক্ৰয় কৰিছিল। প্ৰণিধানযোগ্য যে সেই চাহ বাগিচাসমূহে আজিও অৰ্থনৈতিক দিশত অসমত প্ৰতিনিধিত্ব কৰি আছে।

আজি অসমত যিমান ক্ষুদ্ৰ চাহ বাগিচা আৰু চাহ ফেক্টৰী গঢ় লৈ উঠিছে তাৰ মূলতে হৈছে মাৰোৱাৰীসকল। ডিব্ৰুগড় জিলাৰ আলিমূৰত ১৯৮৫ খ্ৰীষ্টাব্দত প্ৰয়াত ৰাধেশ্যাম আগৰৱালাই ব্যৱসায়-ভিত্তিত প্ৰথম কিনা পাতৰ চাহ তৈয়াৰ কৰা কাৰখানা (Bought leaf factory) প্ৰতিষ্ঠা কৰে । নাম দিলে টিমেফকো (Teamafco.) আৰু তাৰ লগতে শতাধিক স্থানীয় লোকক চাহ খেতি কৰাত হাতে কামে সহায়-সহযোগ কৰি ক্ষুদ্ৰ চাহ খেতি কৰাত অগ্ৰণী ভূমিকা পালন কৰে। তাৰ পিছত অন্য মাৰোৱাৰীসকলৰ প্লাইউড কাৰখানা বন্ধ হোৱাত শতাধিক চাহ ফেক্টৰী গঢ় লৈ উঠে আৰু অসংখ্য স্থানীয় লোক ক্ষুদ্ৰ চাহ বাগিচা খুলি চাহ খেতিয়ক হয়। অসমত নিবনুৱা সমস্যা সমাধান কৰাত ই কেনে ভূমিকা গ্ৰহণ কৰিছে এইটো সকলোৰে জ্ঞাত।

অসমত চাহ তৈয়াৰ কৰা উন্নত মানৰ মেচিন যেনে চি. টি. চি. মেচিন আদি তৈয়াৰ কৰি বিদেশলৈ ৰপ্তানি কৰা তিনিচুকীয়াৰ ষ্টীলছৱৰ্থ ফেক্টৰী ১৯৪৭ খ্ৰীষ্টাব্দত প্ৰতিষ্ঠা কৰিছিল তেজপুৰৰ দ্বাৰকা প্ৰসাদ বাগাৰিয়াই। এইটোৱেই অসমৰ পৰা বিদেশলৈ ৰপ্তানি কৰা প্ৰথম উদ্যোগ। অসমৰ এখন নাপিতৰ দোকান (চেলুন)ৰ পৰা আৰম্ভ কৰি ব্যক্তিগত হাস্পিতেল (নাৰ্চিং হোম)লৈকে আৰু অন্যান্য ডাঙৰ ডাঙৰ উদ্যোগ প্ৰতিষ্ঠা কৰি অসমৰ সৰ্বাংগীন বিকাশ কৰি ৰাজ্যখনৰ উন্নতি কৰাৰ মূলতে হ'ল এই মাৰোৱাৰীসকল।

মাৰোৱাৰীসকলে পৰাপক্ষত নিজৰ ভৰিত নিজে থিয় দিবলৈ যত্ন কৰে। আৱশ্যক অনুসৰি সমৰ্থ নোহোৱাজনে যোগ্যজনৰ পৰা ব্যৱসায়ত হাত দিবৰ পৰত সহায় বিচাৰে। সেই হিচাপে আত্মীয়জনেও সহায় কৰিবলৈ আগবাঢ়ি আহে। ইয়াৰ প্ৰধান কাৰণ হ'ল মাৰোৱাৰীসকলে কাৰো ঋণৰ বোজা লৈ মৰিবলৈ নিবিচাৰে। তেনে কৰিলে তেওঁৰ আত্মাই শান্তি নাপায় বুলি দৃঢ় বিশ্বাস কৰে। মাৰোৱাৰীসকল কোনো ধৰণৰ অনুদানৰ আশাত বহি নাথাকে। আনহাতেদি তেওঁলোকে সংৰক্ষণৰ দাবী জনোৱাও দেখা নাযায়।

তেওঁলোকে নিজৰ উপাৰ্জনৰ এটা অংশ জনসাধাৰণৰ মংগলৰ বাবে খৰচ কৰাটো ধৰ্ম বুলি ভাবে। মাৰোৱাৰীসকলৰ জ্যেষ্ঠজনৰ মৃত্যু হ'লে তেওঁৰ নামত এটা পুঁজি উছৰ্গা কৰে আৰু তেনে উছৰ্গা কিবা দুৰ্বিপাকত নিৰ্দিষ্ট সময়ত সমাধা কৰিব নোৱাৰিলে তৃতীয় পুৰুষত হ'লেও পূৰণ কৰিবৰ দিহা কৰে। যাৰ ফলত অসমত ইমান অনুষ্ঠান, প্ৰতিষ্ঠান গঢ় লৈ উঠিছে।

মাৰোৱাৰীসকলে অকল ভাৰতবৰ্ষতেই নহয়, বিশ্বৰ চুকে-কোণে বেহা-বেপাৰৰ কাম-কাজ চলাই আহিছে। এই বাণিজ্যিক মতাদৰ্শ অথবা জীৱনাদৰ্শই অকল মাৰোৱাৰী সম্প্ৰদায়কেই যে লাভান্বিত কৰিছে তেনে নহয়। বাণিজ্যৰ প্ৰসাৰতাৰ বাবে বহুতো অঞ্চল উন্নতি আৰু প্ৰগতিৰ পথেৰেও ধাবিত হ'ব পাৰিছে।

ঊনৈশ শতিকাত অসমলৈ মাৰোৱাৰী লোকসকলৰ প্ৰব্ৰজনে অসমত এটা দ্ৰুত পৰিৱৰ্তনৰ অধ্যায় মুকলি কৰিলে। এই পৰিৱৰ্তন ইমানেই ব্যাপক হৈ পৰিল যে ই শিক্ষা, সাহিত্য, সংস্কৃতি আদি সকলো দিশকে স্পৰ্শ কৰি যাবলৈ ধৰিলে। জ্যোতিপ্ৰসাদে 'ভাৱীকালৰ সংস্কৃতি' প্ৰৱন্ধত কৈছে— "সাধাৰণতে সংস্কৃতি বুলিলে সুকুমাৰ কলাকে বুজায় আৰু বিশেষভাৱে তাকে বুজাবলৈ 'সংস্কৃতি' শব্দৰ ব্যৱহাৰ কৰা হয়। কিন্তু দৰাচলতে সংস্কৃতিয়ে সমস্ত মানুহৰ চিন্তা আৰু কৰ্মক সামৰি ধৰিছে।" আকৌ কৈছে, "মানুহ সাংস্কৃতিক জীৱ। এটা মুৰ্তি গঢ়া শিলডোখৰো অৰ্থনীতি

আৰু শিলত কাটি যি বস্তু গঢ়ে সিয়েই সংস্কৃতি। তেন্তে অৰ্থনীতি নহ'লে সংস্কৃতি অসম্ভৱ আৰু সংস্কৃতিৰ পোহৰেৰে অৰ্থনীতিক পৰিচালনা কৰিব নোৱাৰিলেও সি হ'বগৈ সভ্যতাৰ ভেকোভাওনা। সংস্কৃতি হ'ল মানুহৰ জীৱনৰ উদ্দেশ্য আৰু তাৰ বাস্তৱিক বিকাশ আৰু প্ৰকাশ হয় অৰ্থনীতিৰ যোগেদি। সেই কাৰণেই মই মানুহক সাংস্কৃতিক জীৱ বুলি উপলব্ধি কৰিছোঁ।"

ভাৰতবৰ্ষ আৰু অসমৰ মুখ্য বজাৰসমূহ মাৰোৱাৰী সম্প্ৰদায়ে নিয়ন্ত্ৰণ কৰি আহিছে। অসমৰ উৎপাদিত থলুৱা সামগ্ৰী ভাৰতবৰ্ষ তথা বিশ্বৰ বিভিন্ন প্ৰান্তত যোগান ধৰি আৰু পৰিচয় কৰাই দি অসমৰ নাম-যশ বৃদ্ধি কৰাৰ উপৰি ৰাজভঁৰাল টনকিয়াল কৰাত আৰু অসমৰ মানুহক স্বাৱলম্বী হোৱাত যি অৰিহণা যোগাইছে, এইটোৱেই মাৰোৱাৰী সম্প্ৰদায়ৰ অসমলৈ প্ৰশংসনীয় অৱদান বুলি ভাবোঁ।

যিকোনো দেশৰ সংস্কৃতিক ব্যৱসায়ীসকলৰ শ্ৰেণীটোৱেই নিয়ন্ত্ৰণ কৰে। ভাৰতবৰ্ষৰ কথাও সুকীয়া নহয়। ভাৰতবৰ্ষৰ ব্যৱসায়িক শ্ৰেণীটোৰ ভিতৰত মাৰোৱাৰীসকলো আছে। অসমৰ কথাও একে ধৰণৰ। অসমৰ সাংস্কৃতিক জীৱন নিয়ন্ত্ৰণ কৰিবলৈ মাৰোৱাৰীসকল নিজেও অসমীয়া সংস্কৃতিৰ দ্বাৰা গভীৰ ভাৱে প্ৰভাৱিত।

মাৰোৱাৰীসকল ব্যৱসায় কৰিবলৈ কিছুমান কথা মানি চলে আৰু এইটো তেওঁলোকৰ সংস্কৃতি বুলি গণ্য কৰে — (ক) তেওঁলোকে পৰাপক্ষত ঋণ ল'ব নোখোজে আৰু ল'লেও সময়তে পৰিশোধ কৰে। (খ) কিনা-বেচা কৰাত যিটো সিদ্ধান্ত হয় তাক শেষলৈকে মানি চলে। (গ) ব্যৱসায়ৰ ৰাহি হোৱা ধনৰ এটা অংশ ৰাইজৰ মংগলৰ বাবে খৰচ কৰে, বিশেষকৈ ধৰ্মৰ নামত যেনে গোশালা, মন্দিৰ, পূজা-পাৰ্বন, খোৱা পানীৰ যোগান, ধৰ্মশালা, শিক্ষানুষ্ঠান আৰু চিকিৎসাৰ বাবে। (ঘ) তেওঁলোকে ৰাহি হোৱা ধনৰ এটা অংশ সাঁচি থ'বলৈ বিচাৰে আৰু সেইটো ব্যৱসায়ৰ সম্প্ৰসাৰণত খৰচ কৰে। (ঙ) যিমানেই উপাৰ্জন হওক তেওঁলোক সন্তুষ্ট নহয় আৰু অধিক উপাৰ্জন কৰাৰ চেষ্টা কৰে। (চ) নিজৰ সুখ-সুবিধা আৰু বিলাসিতাত অযথা খৰচ নকৰে। (ছ) নিজৰ সতি-সন্ততিৰ বাবে সা-সম্পত্তি থৈ যাবলৈ যত্ন কৰে। (জ) ঋণৰ বোজা লৈ মৰিব নোখোজে। (ঝ) কোনো ধৰ্মীয় অনুষ্ঠান বা দান-বৰঙনিৰে আয়োজন কৰা কোনো উৎসৱ বা অনুষ্ঠানৰ টকা-পইচা নিজৰ কামত লগোৱাটো পাপ বুলি গণ্য কৰে। (ঞ) তেওঁলোক য'লৈকে যায়, সেই ঠাইৰ আৰু সমাজৰ লগত নিজকে খাপ-খুৱাই লয়। সেই ঠাইৰ যিমান সম্ভৱ ভাষা, পিন্ধন-উৰণ, খাদ্য আদিক আদৰি ল'ব পাৰে। (ট) ব্যৱসায়ত কৰ্মচাৰী নিয়োগ কৰোঁতে আৰু লেন-দেন কৰোঁতে কোনো ধৰ্ম, বৰ্ণ, জাতিৰ বাচ-বিচাৰ নকৰে। (ঠ) মাৰোৱাৰীসকল সংযুক্ত পৰিয়াল হৈ বাস কৰে, যাৰ ফলত পুৰুষসকলে ব্যৱসায়ত অধিক মনোযোগ দিব পাৰে।

মাৰোৱাৰী মূলৰ অসমীয়াসকলে এই নিয়মবোৰ সাধাৰণতে মানি চলে। এই নৈতিকতাক তেওঁলোকে ক'ৰ পৰা আহৰণ কৰিছে? সংস্কৃতিৰ বিনিময়ৰ মাজেদিয়েই এই নৈতিকতা তেওঁলোকে আহৰণ কৰিছে। যুগ যুগ ধৰি বিভিন্ন স্তৰৰ অসমীয়া মানুহৰ লগত তেওঁলোকৰ সাংস্কৃতিক বিনিময় হৈছে। দিয়া আৰু লোৱাৰ মাজেদিয়েই সম্প্ৰতি মাৰোৱাৰীসকলে মানি চলা কেতবোৰ নৈতিকতাই তেওঁলোকৰ সংস্পৰ্শলৈ অহা অসমীয়া মানুহকো প্ৰভাৱিত কৰিছে। আনহাতেদি দেশৰ এই অঞ্চলত নানা জাতিগোষ্ঠীৰ লগত হোৱা আদান-প্ৰদানৰ মাজেদিয়েই এই নীতিসমূহ সৃষ্টি হৈছে।

অসমত বসতি কৰা কোনো মাৰোৱাৰী লোকৰ যদি ৰাজ্যখনৰ বাহিৰত মৃত্যু হয়, তেনে ক্ষেত্ৰত পৰাপক্ষত শৱটো অসমলৈ আনিহে দাহ কৰাৰ নিয়ম। এনে কৰিলে মৃতকৰ আত্মাই সদ্‌গতি লাভ কৰে বুলি মাৰোৱাৰী সমাজে বিশ্বাস কৰে। বহু লোকে শেষ সময়ত এইটো মোৰ শেষ ইচ্ছা বুলি আত্মীয়ক কৈ থৈ যায়।

আমাৰ দৃষ্টিত অসমত যুগ যুগ ধৰি বসতি কৰি থকা মাৰোৱাৰীসকল কৰ্মসংস্থাপনৰ বাবেহে পূৰ্বে অসমত থিতাপি লৈছিলহি। এই মাৰোৱাৰীসকলে কোনো দিনেই অসম এৰি যোৱাৰ কথা চিন্তা কৰিব নোৱাৰে। গতিকে মাৰোৱাৰী ল'ৰা-ছোৱালীয়ে শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত যি মাধ্যমকে ব্যৱহাৰ নকৰক লাগে, খাদ্যাভ্যাস যি পদ্ধতিৰেই নহওক লাগে, তেওঁলোকক ভাষিক আৰু সাংস্কৃতিকভাৱে উদ্বুদ্ধ কৰি তোলাটোহে সাম্প্ৰতিক কালত আমাৰ প্ৰধান কৰ্তব্য হোৱা উচিত বুলি ভাবোঁ।

●●●

# অসমীয়া অনুবাদ সাহিত্যৰ ধাৰা

**নীৰাজনা মহন্ত বেজবৰা**

ত্ৰয়োদশ শতিকাৰ শেষ ভাগ বা চতুৰ্দশ শতিকাৰ আগ ভাগৰ পৰা প্ৰবাহিত অসমীয়া অনুবাদ সাহিত্যৰ ধাৰাটোক বিভিন্ন ধৰণেৰে বিভাজিত কৰি চোৱাৰ অৱকাশ থাকিলেও কম পৰিসৰত আলোচনাৰ সুবিধাৰ বাবে ইয়াক প্ৰধানকৈ প্ৰাচীন আৰু আধুনিক এই দুটা ভাগত ভাগ কৰি লোৱাৰ প্ৰাসংগিকতা আছে। এই দৃষ্টিৰে অসমীয়া সাহিত্যৰ আধুনিক যুগৰ আৰম্ভণিলৈকে প্ৰাচীন আৰু তাৰ পিছৰখিনি আধুনিক যুগৰ অনুবাদ সাহিত্য।

প্ৰাচীন যুগৰ অসমীয়া অনুবাদ সাহিত্যৰ ধাৰাটোক বিশেষ বৈশিষ্ট্য প্ৰদান কৰা লক্ষণসমূহ তলত দিয়া ধৰণেৰে কেইবাটাও দিশত ফঁহিয়াই চাব পাৰি ঃ

১/ প্ৰবল চালিকা শক্তি (Motivation) ঃ ভাৰতীয় মূল সুঁতিৰ ধৰ্ম-সাহিত্য-সংস্কৃতি আৰু ব্যৱহাৰিক জ্ঞানৰ লগত সংযোগ স্থাপন তথা চালুকীয়া অৱস্থাত থকা নিজৰ সাহিত্যক সমৃদ্ধি প্ৰদান প্ৰাচীন অসমীয়া অনুবাদকসকলৰ অনুবাদ কৰ্মৰ মূল চালিকা শক্তি আছিল। আপোন সাহিত্য-সংস্কৃতি-সমাজৰ উপযুক্ত ভেটি নিৰ্মাণৰ উদ্যমৰ লগত জড়িত প্ৰবল চালিকা শক্তিয়েই প্ৰাচীন যুগৰ অসমীয়া অনুবাদ সাহিত্যৰ ধাৰাটোতো এক অসাধাৰণ প্ৰাবল্য আনি দিছিল।

২/ উদ্দেশ্যগত স্পষ্টতা ঃ সচেতন অনুবাদকসকলে বিশেষ উদ্দেশ্য আগত ৰাখিহে অনুবাদ কাৰ্য সম্পন্ন কৰে। অসমীয়া অনুবাদ সাহিত্যৰ আৰম্ভণিকে ধৰি সমস্ত প্ৰাচীন যুগৰ ক্ষেত্ৰত এইটো কথা বিশেষভাৱে খাটে। অসমীয়া সাহিত্যৰ ভেটি অনুবাদমূলক সাহিত্যৰেই প্ৰতিষ্ঠা হৈছিল। ত্ৰয়োদশ-চতুৰ্দশ শতিকাৰ পৰা অষ্টাদশ-ঊনবিংশ শতিকালৈকে চাৰি-পাঁচশ বছৰীয়া এই দীঘলীয়া সময়ছোৱাত অসমীয়া সাহিত্যৰ জগতত প্ৰধানকৈ হেম সৰস্বতী, ৰুদ্ৰ কন্দলী, মাধৱ কন্দলী, শংকৰদেৱ, মাধৱদেৱ, অনন্ত কন্দলি, ভট্টদেৱ আদিয়ে স্পষ্ট আৰু নিৰ্দিষ্ট উদ্দেশ্য আগত ৰাখি অনুবাদৰ কাম সম্পাদন কৰিছিল। ব্যক্তিগতভাৱে নিজৰ নিজৰ আৰু সামগ্ৰিকভাৱে সম্পূৰ্ণ যুগটোৰ অনুবাদ সম্পৰ্কীয় স্পষ্ট দৃষ্টিভংগী (vision) আৰু কাৰ্যপন্থা (mission) লৈ এইসকল অনুবাদকে কাম কৰিছিল। অনুবাদৰ যোগেদি কি কি উদ্দেশ্য সাধন কৰিব খুজিছে, তাৰ বাবে কেনে ধৰণৰ উৎস পাঠ সহায়ক হ'ব, কি পদ্ধতিৰে অনুবাদ কৰিলে সমকালীন অসমীয়া পাঠকৰ বাবে উপাদেয় তথা ধৰ্ম-সমাজ-সংস্কৃতি-সাহিত্য-ব্যৱহাৰিক জ্ঞানৰ বাবে উপযোগী হ'ব --- এই সকলো কথা অসমীয়া সাহিত্যৰ এইটো যুগৰ অসমীয়া অনুবাদকসকলৰ চকুৰ আগত আছিল।

৩/ অনুবাদকৰ যোগ্যতা ঃ অনুবাদৰ ক্ষেত্ৰত অনুবাদকজন উৎসভাষা আৰু লক্ষ্যভাষা দুয়োটাতে দক্ষ হোৱাৰ কথাটো প্ৰাথমিক চৰ্ত বুলি ধৰা হয়। উপযুক্ত অনুবাদ কৰ্মৰ বাবে আচলতে এই প্ৰাথমিক চৰ্তই ভাষিক সীমা অতিক্ৰম কৰি আন ভালেকেইটা দিশ সামৰি লয়। ভাষা দুটাৰ ক্ষেত্ৰত সাৱলীলতাৰ লগতে সিহঁতৰ লগত সাঙোৰ খাই থকা সামাজিক-সাংস্কৃতিক সাৱলীলতা, পাঠটোত উপস্থাপিত বিষয়সমূহৰ আৰু সিবিলাকৰ লগত জড়িত থকা ভিন ভিন প্ৰসংগৰ পানী নসৰকা জ্ঞানৰ লগতে আৱেগিক উপলব্ধি বা সিবিলাকৰ সৈতে একাত্মতা আদিবিলাক এনে দিশৰ অন্তৰ্গত। উল্লেখনীয় যে এই দিশসমূহৰ ক্ষেত্ৰত হীন-দেঢ়ি নঘটিবলৈ হ'লে অনুবাদ মূল পাঠৰ কোনো অনূদিত ৰূপৰ পৰা নহৈ মূল ৰূপৰ পৰা হোৱাৰ প্ৰয়োজন। প্ৰাচীন যুগৰ অসমীয়া অনুবাদকসকল সংস্কৃত ভাষাত থকা মূল কৃতিসমূহৰ পৰা পোনে পোনে অনুবাদ কৰিবৰ বাবে পূৰ্ণ ৰূপত সমৰ্থ আছিল। আনুষংগিক সমস্ত দিশেৰে সৈতে মূল ভাষা সংস্কৃত তথা মূল পাঠৰ বিষয়বস্তু

*লেখিকা এগৰাকী যশস্বী অনুবাদক আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ এগৰাকী প্ৰাধ্যাপক। আনুষ্ঠানিক শৈক্ষিক কৰ্মজীৱনৰ প্ৰাৰম্ভতে তেখেতে আমাৰ মহাবিদ্যালয়তো হিন্দী বিভাগৰ অধ্যাপক হিচাপে কেইটামান বছৰ সেৰা আগ বঢ়াইছিল।*

সম্পৰ্কীয় ছিদ্ৰহীন জ্ঞানোপলব্ধি প্ৰাচীন যুগৰ অসমীয়া অনুবাদকসকলৰ দক্ষতা-যোগ্যতাৰ মূল বিন্দু আছিল।

৪/ স্বচ্ছন্দতা ঃ প্ৰাচীন অসমীয়া অনুবাদ সাহিত্যৰ অন্য এক বৈশিষ্ট্য হ'ল স্বচ্ছন্দতা। আধুনিক যুগৰ দৰে লেখক বা তেওঁৰ উত্তৰাধিকাৰীৰ পৰা অনুমতি আদায় কৰাৰ নিয়ম নথকাৰ বাবে অনুবাদকসকলে দুই ধৰণৰ স্বচ্ছন্দতা উপভোগ কৰিবলৈ পাইছিল। প্ৰথমতে অসমীয়া সমাজ-সাহিত্য-সংস্কৃতিৰ কাৰণে লাগতিয়াল বুলি ভবা যি কোনো ৰচনাকেই অনুবাদৰ বাবে হাতত লোৱাৰ সুযোগ লাভ কৰিছিল। দ্বিতীয় কথাটো হ'ল — অসমীয়া মানুহ আৰু তাৰ লগত জড়িত বিভিন্ন উপযোগী বিষয়ক লক্ষ্য কৰি লোৱাৰ বাবে অনেক সময়ত আমাৰ অনুবাদকসকলে একেখন গ্ৰন্থৰ অনুবাদ নকৰি বিভিন্ন গ্ৰন্থৰ অংশ একেলগে সন্নিবিষ্ট কৰি নতুন ৰূপ প্ৰদানৰ (উদাহৰণ- নামঘোষা) লগতে কেতিয়াবা একে গ্ৰন্থৰে ভিন্নজনে ভিন্ন সময়ত ভিন্ন অংশৰ অনুবাদ কৰি গ্ৰন্থক সম্পূৰ্ণতা প্ৰদান কৰাৰ উদাহৰণো (ৰামায়ণ — মাধৱ কন্দলী, মাধৱদেৱ আৰু শংকৰদেৱ; ভাগৱতৰ দশম স্কন্ধ শংকৰদেৱ আৰু অনন্ত কন্দলী) আছে। এনেবিলাক কথাই প্ৰাচীন অসমীয়া অনুবাদ সাহিত্যৰ ক্ষেত্ৰত ব্যক্তিগত তথা সমষ্টি পৰ্যায়ত এক উদ্যোগৰ ৰূপত অনুবাদ কৰ্মক গ্ৰহণ কৰাৰ সাক্ষ্যও বহন কৰে।

আৱশ্যকতা অনুসৰি মূল পাঠৰ পৰিবৰ্তন অৰ্থাৎ অনুবাদ কৰ্ম একোটাহঁতৰ উদ্দেশ্য অনুসৰি আৱশ্যকতা অনুভৱ কৰিলে পৰিৱৰ্তন, সংযোজন, সংক্ষেপকৰণ আদিৰে মূলৰ বক্তব্য সালসলনি কৰি অনুবাদকে নিজৰ অভীষ্ট অৰ্থৰ উপস্থাপন কৰাটো প্ৰাচীন অসমীয়া অনুবাদ সাহিত্যৰ অন্য এক উল্লেখযোগ্য লক্ষণ বুলিব পাৰি। এই লক্ষণেও প্ৰাচীন অসমীয়া অনুবাদ সাহিত্যৰ ধাৰাটোৰ স্বচ্ছন্দতাৰ কথাকে সূচায়। মাধৱ কন্দলীয়ে বাল্মীকি ৰামায়ণৰ অনুবাদৰ সম্পৰ্কত কৰা 'লম্ভা পৰিহৰি সাৰোদ্ধৃতে' তথা কিষ্কিন্ধা কাণ্ডত কৰা 'আপোনাৰ বুদ্ধি অৰ্থ যিমতে বুজিলোঁ, সংক্ষেপ কৰিয়া তাক পদ বিচাৰিলোঁ' আৰু 'কবিসব নিবন্ধয় লোক ব্যৱহাৰে, কতো নিজ কতো লম্ভা কথা অনুসাৰে' আদিৰ নিচিনা উক্তিসমূহে মূলৰ পৰিৱৰ্তন সাধনৰ ক্ষেত্ৰত গ্ৰহণ কৰা স্বচ্ছন্দতাৰ সাক্ষ্য দাঙি ধৰে।

সামগ্ৰিক ৰূপত ক'বলৈ গ'লে মূলৰ আত্মাৰ হেৰফেৰ নকৰাকৈ যিমান পাৰি সিমান সহজ-সৰলভাৱে সাধাৰণ লোকে হৃদয়ংগম কৰিব পৰা অনুবাদ প্ৰাচীন যুগৰ অসমীয়া অনুবাদ সাহিত্যৰ মূল বৈশিষ্ট্য। অসমীয়া অনুবাদ সাহিত্যৰ এইটো যুগৰ মূল উৎস ভাষা আছিল সংস্কৃত আৰু প্ৰায়খিনি ৰচনাই ধৰ্মমূলক। অনুবাদকৰ্মসমূহৰ উদ্দেশ্যও মোটামুটিভাৱে সেই যুগৰ এজন বিশিষ্ট অনুবাদক অনন্ত কন্দলীৰ উদ্ধৃতিৰে ক'বলৈ গ'লে — 'স্ত্ৰী শূদ্ৰ আদি য'ত জানোক পৰমতত্ত্ব, শ্ৰৱণত মিলয় আনন্দ'। প্ৰাচীন যুগৰ এই একে প্ৰবাহতেই আধুনিক যুগৰ অসমীয়া অনুবাদ সাহিত্যৰো আৰম্ভণি ঘটিছিল। ধৰ্মমূলক গ্ৰন্থৰ অনুবাদেৰে (১৮১৩ চনত প্ৰকাশ পোৱা বাইবেল (নিউ টেষ্টামেণ্ট)ৰ অনুবাদ) ঊনবিংশ শতিকাত আৰম্ভ হোৱা আধুনিক অসমীয়া অনুবাদ সাহিত্যই বিংশ শতিকালৈ সৃষ্টিশীল সাহিত্যৰ ক্ষেত্ৰত প্ৰৱেশ কৰি ক্ৰমে ক্ৰমে ধৰ্মনিৰপেক্ষ ৰূপ গ্ৰহণ কৰিবলৈ ল'লে। উৎস ভাষাৰ ক্ষেত্ৰত ইংৰাজী মূল ৰূপৰ লগতে অনূদিত ৰূপত ইংৰাজীত উপলব্ধ দেশ-বিদেশৰ অন্য ভাষাৰ সাহিত্যও অসমীয়া অনুবাদ সাহিত্যৰ ধাৰাত সংযুক্ত হ'ল। বিংশ শতিকাৰ প্ৰথমাৰ্ধত হোৱা কবিতা, উপন্যাস, গল্প, নাটক, শিশুসাহিত্য আদিৰ অনুবাদসমূহ লক্ষ্যভাষাৰ, অৰ্থাৎ অসমীয়া পৰিৱেশত উপস্থাপন কৰিবৰ বাবে অনুবাদকসকলে (আনন্দচন্দ্ৰ আগৰৱালা, যতীন্দ্ৰনাথ দুৱৰা, পদ্মধৰ চলিহা, আনন্দচন্দ্ৰ বৰুৱা, দুৰ্গেশ্বৰ শৰ্মা, অতুলচন্দ্ৰ হাজৰিকা আদি) যথেষ্ট যত্ন কৰা পৰিলক্ষিত হয় আৰু সেই ক্ষেত্ৰত তেওঁলোকে আশানুৰূপ সফলতাও অৰ্জন কৰিছে। লক্ষ্য পাঠকক উদ্দেশ্য কৰি অসমীয়া পৰিবেশত উপস্থাপনৰ ক্ষেত্ৰত আধুনিক যুগৰ আৰম্ভণিৰ অসমীয়া অনুবাদ সাহিত্যই প্ৰায় প্ৰাচীন যুগৰ ধাৰাকে অনুসৰণ কৰাৰ যত্ন কৰা বুলিব পাৰি যদিও ইতিমধ্যে অনুবাদ কৰ্মৰ লগত জড়িত বিধি-নিয়ম কিছুমান আহি পৰাৰ বাবে অনুবাদকসকলে অনুবাদৰ বাবে কোনো পাঠ হাতত লোৱাকে ধৰি আন কোনো ক্ষেত্ৰতে প্ৰাচীন যুগৰ দৰে অবাধ স্বাধীনতা গ্ৰহণৰ সুযোগ লাভ কৰিব পৰা নাই।

ৰামায়ণৰ অনুবাদক মাধৱ কন্দলীয়ে অনুবাদৰ কামত গ্ৰহণ কৰা স্বচ্ছন্দ নীতিৰ বিষয়ে নিজে উল্লেখ কৰাৰ প্ৰসঙ্গ আমি ওপৰত উনুকিয়াই আহিছোঁ। বিংশ শতিকালৈ অনুবাদৰ স্বৰূপ সম্পৰ্কে বিশ্ব কিম্বা দেশীয় প্ৰেক্ষাপটতো যথেষ্ট চিন্তা-চৰ্চা হোৱা স্বত্ত্বেও কিন্তু মহেন্দ্ৰ বৰা, অজিৎ বৰুৱা আদিৰ নিচিনা দুই-এজনক বাদ দি নিজৰ নিজৰ অনুবাদৰ ক্ষেত্ৰত অৱলম্বন কৰা নীতি সম্পৰ্কে স্পষ্ট কৰি দিয়াৰ পৰা অসমীয়া অনুবাদকসকল প্ৰায়ে বিৰত থকা দৃষ্টি গোচৰ হয়। বিংশ শতিকাৰ শেষ আৰু একবিংশ শতিকাৰ আৰম্ভণি কালছোৱাত অসমীয়া অনুবাদ সাহিত্যলৈ বৃহৎ পৰিমাণৰ অৱদান আগবঢ়োৱা তথা 'অনুবাদ পৰিক্ৰমা' নামেৰে অনুবাদৰ তাত্ত্বিক বিষয় সম্পৰ্কীয় পুথি ৰচনা কৰা ডঃ প্ৰফুল্ল কটকীয়েও আনকি তেওঁৰ অনুবাদ কৰ্মসমূহত গ্ৰহণ কৰা অনুবাদৰ বিধি-নিয়ম সম্পৰ্কে (সামগ্ৰিক ৰূপতেই হওক বা বিশেষ বিশেষ পুথি একোখনৰ ক্ষেত্ৰতেই হওক) উল্লেখ কৰা নাই।

অনুবাদ শব্দটো প্ৰধানকৈ দুটা অৰ্থত প্ৰয়োগ হয় — সম্পাদন পদ্ধতিৰে সৈতে অনুবাদ কৰা কামটো আৰু সেই কামৰ

পৰিণাম স্বৰূপে লাভ কৰা অনূদিত পাঠটো। প্ৰয়োগ কৰা পদ্ধতি অনুসৰিয়ে আমি বেলেগ বেলেগ গুণ-বিশিষ্টতাৰ অনূদিত পাঠ লাভ কৰোঁ অথবা কথাটো ওভোটাই চালে আমাৰ বাঞ্ছিত গুণ-বিশিষ্টতাৰ অনূদিত পাঠ লাভ কৰিবলৈ আমি তাৰ বাবে উপযোগী হোৱা অনুবাদৰ নীতি-পদ্ধতি গ্ৰহণ কৰিব লাগে। এনেবোৰ দিশত বিংশ শতিকাৰ উত্তৰাৰ্ধত বিশেষ গুৰুত্ব পাবলৈ লোৱা মাত্ৰাসমূহৰ ভিতৰত অনুবাদ কাৰ্য সম্পাদনৰ ক্ষেত্ৰত লক্ষ্য ভাষা-সাহিত্য-সংস্কৃতিকে ধৰি অনুবাদৰ পাঠকক কেন্দ্ৰবিন্দুত ৰখা, অথবা তেওঁলোকৰ গ্ৰহণযোগ্য, উপভোগ্য হোৱাকৈ অনুবাদটো তৈয়াৰ কৰি উলিওৱাৰ প্ৰসংগ এক প্ৰধান প্ৰসংগ। অনুবাদ সাহিত্যই মূল ভাষা-সাহিত্য-সংস্কৃতি আৰু লক্ষ্য ভাষা-সাহিত্য-সংস্কৃতিৰ মাজত এক যোগাযোগকাৰীৰ ভূমিকা পালন কৰিব লাগে। সেয়েহে মূল সামগ্ৰিক নিঘূণী, পৱিত্ৰ আৰু সেই কাৰণে অপৰিৱৰ্তনীয় বুলি ধৰি লৈ অনুবাদত তাৰ প্ৰয়োজনাধিক প্ৰভাৱ আৰু হস্তক্ষেপ নিৰ্বিবাদে মানি লোৱাৰ ঠাইত অনুবাদক অধিক ৰূপত লক্ষ্য পাঠকমুখী কৰি তুলিব লাগে। অনুবাদত মৌলিক ৰচনাৰ নিচিনা সহজ প্ৰবাহ আৰু সাৱলীলতা থাকিব লাগে আৰু মূল পাঠটোৰ আধাৰত নহয়, বৰঞ্চ লক্ষ্যভাষাৰ সাৱলীলতা, সহজ প্ৰবাহ আদিৰ সহায়ত অনূদিত কৰ্মই লাভ কৰা লক্ষ্য পাঠকৰ গ্ৰহণযোগ্যতাৰ আধাৰতহে অনূদিত পাঠ এটাৰ মূল্য নিৰ্ধাৰণ কৰিব লাগে বোলা ধাৰণাই প্ৰভাৱ বিস্তাৰ কৰিলে। অৱশ্যে ক্ষীণকৈ হ'লেও ইয়াৰ বিপৰীত ধাৰণাটোও, অৰ্থাৎ মূল পাঠক অপৰিৱৰ্তনীয় বুলি ধৰি লৈ অনূদিত পাঠটোক পাৰে মানে মূলৰ ওচৰে ওচৰে ৰাখিবলৈ বিচৰা ধৰণৰ ধাৰণা এটাও আধুনিক অসমীয়া অনুবাদ সাহিত্যৰ জগতত দৃষ্টিগোচৰ হয়। আধুনিক যুগৰ অসমীয়া অনুবাদ সাহিত্যৰ জগতত নীতি-পদ্ধতিৰ যুক্তি নিৰ্ভৰ উল্লেখেৰে সৈতে এই দুই ধাৰাৰ প্ৰতিনিধিত্ব কৰা দুজন বিশিষ্ট অনুবাদক হৈছে ক্ৰমে মহেন্দ্ৰ বৰা আৰু অজিৎ বৰুৱা। তলত এই দুজন অনুবাদকৰ উদাহৰণেৰে এই দুই বিপৰীতমুখী ধাৰাৰ কিঞ্চিৎ পৰিচয় আগবঢ়োৱা হৈছে।

ডঃ বৰাই কৰা 'শ্ৰীমদ্‌ভগৱৎগীতা'ৰ অসমীয়া ছন্দোবদ্ধ অনুবাদ 'গীতা' নামেৰে ১৯৮৬ চনত প্ৰকাশ পায়। সেই সময়লৈকে গদ্য-পদ্য উভয় ৰূপতে অসমীয়া ভাষাত গ্ৰন্থখনিৰ ভালেসংখ্যক অনুবাদ কৰ্ম সম্পাদন হৈ গৈছে। তথাপি ডঃ বৰাই স্পষ্ট উদ্দেশ্য আগত ৰাখি ইয়াৰ পুনৰবাৰ অনুবাদ কৰিবলৈ লৈছে আৰু ইয়াৰ লগত সংগতি থকা কথাখিনি অনুবাদকে গ্ৰন্থৰ সুদীৰ্ঘ ভূমিকাত স্পষ্ট কৰি দিছে। এই দিশত সৰ্বপ্ৰথমে লক্ষ্যণীয় দিশটো হৈছে অনুবাদৰ বাবে মূল গ্ৰন্থৰ নিৰ্বাচনৰ যুক্তিযুক্ততাৰ উল্লেখ। অনুবাদকে গীতা অনুবাদ কৰিবলৈ লোৱাৰ কাৰণ হ'ল গীতাত থকা 'জ্ঞান সৰ্বকালৰ যৌৱনোদীপ্ত মানুহৰ কাৰণে পথৰ পাথেয়.. গীতা তৰুণৰ বেদ' (ভূমিকা, গীতা, তৃতীয় তাঙৰণ, এপ্ৰিল, ১৯৯৬, পৃঃ ২১)। কিন্তু অসমীয়া ভাষাত থকা বিভিন্ন ভাঙনিসমূহে বৰ্তমানৰ 'তৰুণ'ৰ লগত এই 'তৰুণৰ বেদ'খনৰ উপযুক্ত যোগাযোগ স্থাপনৰ দিশত সফল ভূমিকা পালন কৰিব পৰা নাই। সেয়েহে 'গীতাৰ ভাঙনি এই যুগৰ কাব্যসম্পৰ্কীয় ধ্যান-ধাৰণাৰ লগত খাপ খোৱাকৈ' (পৃঃ ৩৯) প্ৰস্তুত কৰাই ডঃ বৰাৰ এই প্ৰস্তুতিৰ মুখ্য উদ্দেশ্য। 'নতুন দিনৰ শত-সহস্ৰ তৰুণ' (পৃঃ ৪১) তেওঁৰ ভাঙনিৰ অভিপ্ৰেত বা লক্ষ্য পাঠক। তেওঁ গ্ৰহণ কৰা ৰীতিও 'ভূমিকা'ৰ অনেক ঠাইত অনেক ধৰণেৰে স্পষ্ট হৈ উঠিছে। অনুবাদকৰ নিজৰ ভাষাত, 'প্ৰতিটো স্তৱকেই যেন ভাৱ আৰু ধ্বনিৰূপ দুয়োফালৰ পৰা মূলৰ প্ৰতিটো শ্লোকৰ প্ৰতিধ্বনি হৈ উঠে' (পৃঃ ৩৯)। আকৌ, 'আধুনিক পাঠক-মনক তুষ্ট কৰিব' (পৃঃ ৪০) পৰাকৈ তেওঁ 'যৌগিক ৰীতিৰ মুক্তক' (পৃঃ ৪০) ছন্দ বাছি লোৱাৰ বিষয়েও উল্লেখ কৰিছে।

মূলৰ অৰ্থ আৰু শৈলী দুয়োটাকে সিবিলাকৰ নিজৰ পৰিবেশত হৃদয়ঙ্গম কৰি লৈ সেইখিনি এজন লেখকৰ ৰূপত লক্ষ্য ভাষা-সাহিত্য-সংস্কৃতিত খাপ খোৱা উপস্থাপন ডঃ মহেন্দ্ৰ বৰাৰ অনুবাদৰ মূল প্ৰকৃতি। ইটালিৰ কাৰ্লো লৰেঞ্জিনিৰ বিশ্বপ্ৰসিদ্ধ শিশু-উপন্যাস 'পিনকিঅ'ৰ মেৰী চুইটে কৰা ইংৰাজী অনুবাদৰ পৰা ডঃ বৰাই একে মূল নামেৰে কৰা অসমীয়া অনুবাদৰ ক্ষেত্ৰত গ্ৰহণ কৰা পদ্ধতিৰ যোগাযোগমূলক প্ৰকৃতিয়ে অনুবাদটোত ভাষা-সংস্কৃতি-সমাজ, আচাৰ-বিচাৰ- বিশ্বাসৰ ক্ষেত্ৰত ইটালি আৰু অসমৰ মাজত থকা বিশাল দূৰত্ব নোহোৱা কৰি পেলাইছে। অনুবাদটো পঢ়ি যাওঁতে ভাৱ আৰু ভাষা দুয়ো ক্ষেত্ৰতে উজুটি খাবলগীয়া নোহোৱা উপস্থাপন ইয়াৰ এক উল্লেখনীয় দিশ। অসমীয়া শিশু-পাঠকসকলক সততে চকুৰ আগত ৰাখি গোটেই উপন্যাসখনতে অনুবাদকে শিশুৰ উপযোগী ভাষা, শিশুৰ বাবে আকৰ্ষণীয় ঠাঁচ ব্যৱহাৰ কৰিছে। এই অনুবাদ কৰ্মটিৰ যোগাযোগমূলক ভূমিকাৰ আন এটি উল্লেখনীয় দিশ হ'ল— মূল পাঠৰ পৰিৱেশ-পৰিস্থিতিৰ সজীৱ উপস্থাপনেৰে মূলৰ লগত লক্ষ্য পাঠকৰ পৰিচয় কৰোৱা। উপন্যাসখন পঢ়ি যাওঁতে ইটালিৰ এখন গাঁৱৰ ছবি কেৱল চকুৰ আগত ভাঁহি উঠাই নহয়, বৰঞ্চ নিজে সেই গাঁৱৰে এজন বুলিয়েই বহু সময়ত অনুভৱ হয়। অনুবাদত গ্ৰহণ কৰা উপস্থাপন কলাৰ যোগেদি চৰিত্ৰ আৰু ঘটনাসমূহৰ লগত আত্মীয়তা স্থাপন সম্ভৱ হোৱাৰ বাবেই মূল পৰিৱেশৰ ভিতৰ সোমোৱাও সহজ হৈ পৰিছে।

মহেন্দ্ৰ বৰাই তেওঁৰ সমস্ত অনূদিত কৰ্মতে 'পুনঃসৃজন'ৰ ধাৰা অনুসৰণ কৰিছে। ইয়াৰ সম্পূৰ্ণ বিপৰীতধৰ্মী ধাৰাৰ সমৰ্থক অজিৎ বৰুৱাৰ মতে 'কোনো মহৎ লেখকৰ লেখাৰ 'পুনসৃষ্টি' কৰা

বুলি কৰাটো এটা চূড়ান্ত ধৃষ্টতা। কি অধিকাৰ আছে এজন ক্ষুদ্ৰ লেখকৰ মহৎ লেখকৰ সৃষ্টিক পুনৰ সৃষ্টি কৰাৰ? ... পুনৰ্সৃষ্টি মানে অক্ষম অনুবাদ। ... মহৎ লেখকৰ অনুবাদকৰ লক্ষ্য হোৱা উচিত এই যে তেওঁ যাৰ অনুবাদ কৰিছে সেইজনৰ মূল লেখাৰ যাতে যথাসম্ভৱ ওচৰ চাপিব পাৰে। পুনৰ সৃষ্টিৰতো প্ৰশ্নই নাই, যথেষ্ট শ্ৰদ্ধাৰে সৈতে তেওঁ কিমান যথাযথ অনুবাদ কৰিব পাৰে তাৰে চেষ্টা' (মানুহৰ স্থিতি, গৰীয়সী, এপ্ৰিল, ১৯৯৫)। ফৰাচী ঔপন্যাসিক অঁদ্ৰে ম্যালৰোৰ 'লা কঁডিচিঅঁ য়্যুমেইন্' নামৰ উপন্যাসৰ 'মানুহৰ স্থিতি' নামেৰে কৰা অসমীয়া ভাঙনিৰ ভূমিকাৰ ৰূপত এইখিনি কথা অনুবাদক অজিৎ বৰুৱাই লেখা কথা। মূলৰ সাহিত্যিক বৈশিষ্ট্য, আলংকাৰিক বৈশিষ্ট্যসমূহ ধৰি ৰাখি মূলৰ নিখুঁত, নিঘূণী পৰিচয় প্ৰদানৰ অজুহাত লৈ কৰা এনে অনুবাদত বহু সময়ত লক্ষ্য ভাষাৰ স্বাভাৱিকতা তথা শুদ্ধতা উপেক্ষিত হয়। অজিৎ বৰুৱাই কৰা উল্লিখিত 'মানুহৰ স্থিতি' উপন্যাসৰ 'আধা ৰক্ষা পৰি তাৰ চাৰিওফালে চাবলৈ সাহ হ'ল', '..সাবট মাৰি ধৰিবলৈও খুজিছিল...' (পূৰ্বোক্ত, পৃঃ ২১) আদি তেনে ধৰণৰ উদাহৰণ।

সামৰণিত, আধুনিক অসমীয়া অনুবাদ সাহিত্যৰ ধাৰাত পাঠক-সমালোচকৰ ৰূপত দৃষ্টিপাত কৰিলে অনুভৱ হয় যে অধিকাংশ অনুবাদকেই ডঃ মহেন্দ্ৰ বৰাই গ্ৰহণ কৰা লক্ষ্য পাঠকৰ উপযোগী হোৱা ধৰণৰ নীতিৰে অনুবাদ কৰাৰে যত্ন কৰিছে। কিন্তু কাৰ্যক্ষেত্ৰত কিছুমান অনুবাদে মূলৰ প্ৰভাৱশীলতা তথা বৈশিষ্ট্যসমূহ ধৰি ৰাখিবগৈ পৰা নাই। ইয়াতকৈও অধিক ৰূপত দৃষ্টিগোচৰ হোৱা লক্ষণটো হৈছে বেছিভাগ অনুবাদে মূল অথবা যিটো ভাষাৰ পৰা অনুবাদ কৰিছে তাৰ প্ৰভাৱৰ পৰা মুক্ত হৈ লক্ষ্যভাষাৰ স্বাভাৱিক স্বৰূপ ধাৰণ কৰিব পৰা নাই। অসমীয়া অনুবাদ সাহিত্যৰ ধাৰা সম্পৰ্কে একে আষাৰতে ক'বলৈ গ'লে প্ৰাচীন যুগৰ তুলনাত সাম্প্ৰতিক অসমীয়া অনুবাদ সাহিত্যত স্পষ্ট ভিছন-মিছনৰ অভাৱ। আধুনিক কালতো আৰম্ভণিৰ সময়তকৈ ই যেন বেছি শিথিল আৰু গুৰুত্বহীন হৈ আহিবলৈ ধৰিছে।

●●●

With Best Compliments from :

JOHARMAL AND SONS

NEW MARKET, DIBRUGARH - 786001

We are Multi-branded Showroom for Men's Clothing.
We also deal in School & College Uniforms with
some very reputed clients like:
**D.H.S.K. Commerce College | D.H.S.K. College | DIBRU College**
and many more...

**Phone No.: +91 9401500230 / 7086575930 / 6003645823**

# ‘উপলা নদীৰ দৰে’ ঃ
# মহেন্দ্ৰ বৰাৰ মনোৰম আত্মাৱলোকন

**ড° জয়ন্ত কুমাৰ বৰা**

**উ**ক্তৰ মহেন্দ্ৰ বৰাৰ *উপলা নদীৰ দৰে* নামৰ আত্মজীৱনীখন প্ৰকাশিত হৈছিল ১৯৮৯ চনত। ভাষা সাহিত্যৰ জগতখনত তেওঁ কবি, সমালোচক, ছান্দসিক আৰু অনুবাদক আদি বেলেগ বেলেগ ৰূপত অৱতীৰ্ণ হৈছে। তদুপৰি কানৈ কলেজ, দৰং কলেজ, কটন কলেজ, গোৱালপাৰা কলেজ, বিলাসীপাৰা কলেজ আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ত অসমীয়া বিভাগৰ অধ্যাপনাৰে তেওঁৰ কৰ্ম-জীৱন হৈ পৰিছিল বহু অভিজ্ঞতাৰে পৰিপুষ্ট। অসমৰ জাতীয় জীৱনৰ কেইবাটাও স্পৰ্শকাতৰ পৰিস্থিতিত তেওঁ সাহসেৰে থিয় দিছিল। এনে এজন ব্যক্তিৰ জীৱন স্বাভাৱিকতে বৰণীয়-ৰমণীয় ঘটনা আৰু অভিজ্ঞতাৰে ভৰপূৰ হ’বই। এনে ব্যক্তিয়ে যেতিয়া নিজৰ জীৱনৰ কথাবোৰ লিপিবদ্ধ কৰে তেতিয়া সেই আত্মজীৱনী মনোগ্ৰাহী হোৱাৰ লগতে ঐতিহাসিক দিশৰ পৰাও মূল্যৱান হৈ পৰে। বৃহৎ আকাৰৰ এই আত্মজীৱনীখনৰ আগকথাত মহেন্দ্ৰ বৰাই কৈছে, ‘খাঁটি আত্মজীৱনী নহয় এইখন। তেনেকুৱা কিবা এখন লেখাৰ অধিকাৰো মোৰ নাই। চেষ্টা কৰিছোঁ মাথোন মই পাৰ হৈ অহা সময়ছোৱাৰ পৰিৱেশটো বন্দী কৰি থোৱাৰ।’

*উপলা নদীৰ দৰে* নামৰ আত্মবৃত্তখনিত লিখকে নিজৰ জীৱন প্ৰৱাহক ১৯২৯ চনৰ পৰা প্ৰায় ১৯৮৭ চনলৈ সামৰি লৈছে। আত্মবৃত্তখনিক তেওঁ চাৰিটা মূল ভাগত ভগাইছে সময়ৰ আঁত ধৰি। যেনে —

| | | |
|---|---|---|
| প্ৰথম অধ্যায় | ঃ | ১৯২৯ - ৪৭ |
| দ্বিতীয় অধ্যায় | ঃ | ১৯৪৭ - ৫৩ |
| তৃতীয় অধ্যায় | ঃ | ১৯৫৩ - ৭৩ |
| চতুৰ্থ অধ্যায় | ঃ | ১৯৭৩ - ৮৭ |

১৯২৯ চনৰ পৰা ১৯৪৭ চনলৈ বৰ্ণিত অধ্যায়ত তেওঁৰ শৈশৱৰ পৰা হাইস্কুলৰ উত্তৰাৰ্ধৰ সময়খিনিৰ মনোৰম ঘটনাৰ সোঁৱৰণী বিধৃত হৈছে। মহেন্দ্ৰ বৰাৰ দেউতাকৰ খাচ ঘৰ আছিল শিৱসাগৰৰ ঐতিহাসিক ৰংঘৰৰ কাষৰ ঢুলীয়াপাৰ গাঁৱত। সেই গাঁওখনৰ প্ৰথম মেট্ৰিকুলেট আছিল তেওঁৰ দেউতাক। দেউতাকে ডাক-বিভাগত চাকৰি কৰিছিল। চাকৰি সূত্ৰে তেওঁ পৰিয়ালসহ ডিব্ৰুগড়ৰ কাষৰিৰ বিভিন্ন অঞ্চলত থাকিব লগা হৈছিল। ছৈখোৱাত কটোৱা শৈশৱৰ স্মৃতিৰে সেয়ে *উপলা নদীৰ দৰে* আত্মজীৱনী আৰম্ভ হৈছে। ছৈখোৱাত থকা সময়ছোৱাৰ বহুতো স্মৃতি তেওঁৰ মনৰ ফলিৰ পৰা মচ খোৱা নাই। ডাকঘৰৰ ওচৰৰ এঘৰ নেপালী গুৱালৰ ঘৰৰ মাখনৰ জুতি, অশোকাষ্টমীত ছৈখোৱাতে ব্ৰহ্মপুত্ৰ নদীৰ সৈতে প্ৰথম চিনাকি, ব্ৰহ্মপুত্ৰৰ ছৈখোৱা নামৰ সুঁতিটোৰ সিপাৰে থকা চাপৰিত সমাধিস্থ কৰা সমনীয়া ভায়েক বাছাৰ কথা, জ্যোতিপ্ৰসাদৰ ‘জয়মতী’ বোলছবি চোৱাৰ মনোৰম স্মৃতি। ডিব্ৰুগড়ৰ জৰ্জ স্কুলৰ ছাত্ৰ হিচাপে চতুৰ্থ শ্ৰেণীত নাম ভৰ্তি কৰি, কেনেকৈ নিতৌ লাহোৱালৰ পৰা ডিব্ৰুগড়লৈ ট্ৰেইনেৰে অহা-যোৱা কৰিছিল তাৰ বৰ্ণনা পঢ়িবলৈ পোৱা যায় ‘জৰ্জ স্কুলৰ পদূলি চ’ৰাত’ নামৰ অধ্যায়ত (পৃ. ৪১)। ছৈখোৱাৰ পৰা দেউতাক বদলি হৈছিল মাকুমলৈ। মাকুমতেই প্ৰাথমিক বিদ্যালয়ৰ শিক্ষা গ্ৰহণ কৰিছিল তেওঁ।

মাকুমতেই তেওঁ দেখিবলৈ পাইছিল উপন্যাস-সম্ৰাট ৰজনীকান্ত বৰদলৈক। তেতিয়া বৰদলৈ আছিল হেভেদা চাহ বাগিচাৰ স্বত্বাধিকাৰী। মাকুমৰ স্মৃতি ৰোমন্থন কৰোঁতে সেই অঞ্চলৰ তেতিয়াৰ ৰাজনৈতিক পৰিৱেশৰো সুন্দৰ উমান পোৱা যায়। গৰুৰ খোজত আকাশ দেখাৰ দৰে সেই চহৰখনতো সমকালৰ ভাৰতীয় ৰাজনীতিৰ চিলমিল আভাস এটা ভাঁহি

*লেখক এগৰাকী বিশিষ্ট সাহিত্য-সমালোচক আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাধ্যাপক তথা বিভাগীয় প্ৰধান। সম্প্ৰতি তেখেতে বিশ্ববিদ্যালয়খনৰ ‘মানৱিকী আৰু আইন অনুষদ’ৰ ডীন হিচাপেও কাৰ্যনিৰ্বাহ কৰি আছে।*

উঠিছিল। (পৃ. ২০-২১)

দেউতাক শিৱসাগৰৰ ৰাজমাইলৈ বদলি হ'লত, মহেন্দ্ৰ বৰাই শিৱসাগৰ চৰকাৰী হাইস্কুলত নাম ভৰ্তি কৰিলে। প্ৰায় আঠমাহমান ঢুলীয়াপাৰৰ ডাঙৰজন বৰদেউতাকৰ ঘৰৰ পৰাই স্কুললৈ অহা-যোৱা কৰিছিল। তাৰ পিছতহে হাইস্কুলখনৰ ছাত্ৰাবাসলৈ আহিছিল। ঢুলীয়াপাৰত থকা এই সময়ছোৱাতে কিশোৰ মহেন্দ্ৰ পৰিচিত হৈছিল গাঁৱৰ জীৱনৰ সৈতে। ঢুলীয়াপাৰৰ জীয়ৰী-বোৱাৰীবিলাকে দিখৌৰ পৰা পানী কলহেৰে অনাৰ দৃশ্য, নৈঘাটলৈ গৈ গা ধুই অহাৰ স্মৃতি তেওঁ ৰোমন্থন কৰিছে।

ঢুলীয়াপাৰৰ গ্ৰামীণ জীৱনৰ দুটা বস্তুৱে তেওঁৰ মনত এটা স্থায়ী সাঁচ বহুৱাইছিল। পৰম দাৰিদ্ৰ আৰু নিৰ্ভেজাল সৰলতা ঃ 'তাহানিৰ সেই দাৰিদ্ৰৰ ঐশ্বৰ্য আজিও একেদৰে আছে নে নাই, ক'ব নোৱাৰোঁ। হয়তো তাৰ সলনি আছে, সমুখৰ ৰূপহী পথাৰত পণীয়া সোণৰ প্ৰৱাহত উটি অহা ঐশ্বৰ্যৰ দাৰিদ্ৰ।'(পৃ. ৭২)

শিৱসাগৰ চৰকাৰী হাইস্কুল তেতিয়া অসমৰ ভিতৰতে এখন জাকতজিলিকা স্কুল। জীৱনৰ শেষ মুহূৰ্তলৈকে এই স্কুলৰ কথা তেওঁ পাহৰিব নোৱাৰে বুলি কৈছে। এই হাইস্কুলখনৰ ছাত্ৰাবাসতেই তেওঁ লেখক হোৱাৰ সপোন বুটলিছিল। স্কুলৰ হাতে লিখা আলোচনীত কিছুমান 'কবিতা' প্ৰকাশেৰে আৰম্ভ কৰিছিল কল্পনা অনুভূতিক বাস্তৱ ৰূপ দিবলৈ। মাধৱ বেজবৰুৱাৰ সম্পাদনাত প্ৰকাশ পোৱা 'বাঁহী' আলোচনীৰ চৈয়দ আব্দুল মালিকৰ গল্পবোৰ পঢ়ি পঢ়ি, পোনতে তেওঁ লিখি উলিয়াইছিল 'নুবুজে যেতিয়া' নামৰ উপন্যাস এখন। অৱশ্যে সেইখন ছপোৱা নহ'ল। গণেশ গগৈৰ ভক্ত হৈ পৰিছিল সেই সময়ত। গণেশ গগৈৰ 'ৰূপজ্যোতি' আৰু দেৱকান্ত বৰুৱাৰ 'সাগৰ দেখিছা'ৰ অনুকৰণত লিখিছিল এনেকুৱা কবিতা ঃ

*চাহাৰাৰ মৰুভূমি দেখা*
*নাই কেতিয়াও*
*সপোনে-সচিতে ক'তো দেখা নাই তুমি!*
*শুকান বালিৰে ঢকা মোৰ ই অন্তৰখিনি*
*কলিজাৰ ফাঁকে ফাঁকে চাই যাবা জুমি।*

এনেধৰণেৰে লিখা কিছুমান কবিতাকে তেওঁ ছপাই উলিয়াবলৈ দেউতাকৰ পৰা অনুমতি পালে। কিন্তু ছপাশালত দিয়াৰ পিছতো এই কিতাপখন কিয় নোলাল, সেই ৰহস্যৰ বিষয়েও লিখিছে। (পৃ. ৯৬ )

শিৱসাগৰৰ কালিপ্ৰসাদ স্মৃতি-ভৱনত প্ৰতি দেওবাৰে বহা 'জ্ঞানোদ্দীপিকা সভা'ৰ বৈঠকবোৰলৈ নিয়মীয়াকৈ গৈ ৰচনা পাঠ, তৰ্ক-প্ৰতিযোগিতা, আবৃত্তি আদিত অংশ গ্ৰহণ কৰিছিল। এই সভালৈ অহা বিশিষ্ট ব্যক্তি সকলে তেওঁক অনুপ্ৰাণিত কৰিছিল, "কিছুমান মানুহৰ সংস্পৰ্শলৈ আহিলে শিলো সোণ হৈ পৰে। এই সকল - 'জ্ঞানোদ্দীপিকা সভা'ৰ দ্বাৰা আমন্ত্ৰিত অতিথিৰ বিৰল সান্নিধ্য লাভে আমাৰ বহুতকে অভাৱিতৰূপে অনুপ্ৰাণিত কৰিছিল।" (পৃ. ৯৭) অসম সাহিত্য সভাৰ ১৯৪৪ চনত অনুষ্ঠিত শিৱসাগৰ অধিৱেশনে তেওঁৰ সাহিত্য সাধনাৰ ধৃষ্টতাতো বঢ়াই তুলিছিল। 'জ্ঞানমালিনী'ৰ কবি মফিজুদ্দিন আহমদ হাজৰিকা আৰু গীতি-কবি পাৰ্বতিপ্ৰসাদৰ কথনভঙ্গী আৰু ব্যক্তিত্বই তেওঁৰ মনত গভীৰ সাঁচ বহুৱাইছিল।

কালিপ্ৰসাদ স্মৃতি ভৱনত এবাৰ আৰ. চি. পি. আই.ৰ বাৰ্ষিক অধিৱেশন অনুষ্ঠিত হৈছিল। তাতে বিষ্ণু ৰাভাক তেওঁ প্ৰথম দেখা পাইছিল। সেই সভালৈ 'শৰাই' কবি পদ্মধৰ চলিহাও গৈছিল। মহেন্দ্ৰ বৰাই সেই স্মৃতি ৰোমন্থন কৰিছে কোমল আৰু কাব্যিক ভাষাত।

মহেন্দ্ৰ বৰাৰ স্কুলৰ জীৱনতে দ্বিতীয় মহাসমৰৰ বিভীষিকা আৰম্ভ হৈছিল। যুদ্ধৰ সংকটৰ ছাঁ তেওঁলোকৰ স্কুলীয়া জীৱনৰ ওপৰতো পৰিছিল। স্কুলঘৰ সামৰিক বাহিনীৰ চাউনী পাতিবলৈ অধিগ্ৰহণ কৰিলে। পঢ়া-শুনাও ঢিমা-তেতালা ছন্দতহে চলিবলৈ ধৰিলে। ডিব্ৰুগড়ৰ স্কুল বন্ধ হৈ গ'লত চাবুৱালৈ গুচি আহিছিল। সেই সময়ত চাবুৱা সামৰিক বাহিনীৰ গুৰুত্বপূৰ্ণ ঘাটিলৈ ৰূপান্তৰিত হৈছিল। মাৰ্কিন সৈন্য বাহিনীৰ গড়কাপ্তানী বিভাগটোৱে থাউকতে একোটা বাট পকী কৰি উলিয়াইছিল। মাৰ্কিন সৈন্যবোৰৰ উৎপাতৰ দুই-এটা ঘটনাৰ কথাও তেওঁ উল্লেখ কৰিছে। এই ক্ষেত্ৰত তেওঁৰ প্ৰকাশভঙ্গী বৰ জীৱন্ত। মহাযুদ্ধৰ ভয়াবহ বৰ্ণনাও তেনেই চাক্ষুস। সেই সময়তে তেওঁ এবিধ আচহুৱা নোটৰ সৰু জাপৰ গৰাকী হৈ উঠিছিলঃ 'জীৱনটোৰ ওপৰেদি বহুতো বছৰ পাৰ হৈ গ'ল। কিন্তু সেই নোটৰ জাপটো এতিয়াও মোৰ হাতত আছে। সেই নোটবোৰ জাপানী দখলদাৰী সৈন্যবাহিনীয়ে নিজৰ দখললৈ নিয়া ভাৰতীয় এলেকাবোৰত চলোৱা নোট। সেই জাপটোত এখন এহাজাৰ টকীয়া নোট আছে। সিখনত সুভাষ চন্দ্ৰ বসুৰ নিজৰ হাতৰ চহী এটা আছে। তদুপৰি, এটা বেচ গধুৰ ওজনৰ ৰূপৰ টকাও আছিল। তাত থকা ছবিখন আছিল, জৱাহৰলাল নেহৰুৰ। টকাটো হেৰাল।' (পৃ. ৬৯) মহাযুদ্ধৰ স্মৃতি হিচাপে নোটৰ জাপটো মহেন্দ্ৰ বৰাৰ বাবে অতি মূল্যৱান বুলি উল্লেখ কৰিছে।

১৯৪৭ চনৰ পৰা ১৯৫৩ চনৰ সময়খিনি মহেন্দ্ৰ বৰাৰ জীৱনৰ অতি তাৎপৰ্যপূৰ্ণ সময়। এই সময়তে তেওঁৰ বৌদ্ধিক আৰু সামাজিক চেতনা গভীৰ হৈ পৰিছিল। কটন কলেজত ছাত্ৰ হিচাপে তেওঁ চাৰিটা বছৰ আছিল। সেয়ে 'চিৰ যৌৱনা কটন কলেজ'ৰ দিনবিলাকৰ স্মৃতি লিপিবদ্ধ কৰিছে পাঁচোটা শিতানত ঃ কটনৰ ৰ'দ কাঁচলিত, কটনতে আৰু এছোৱা, ছাত্ৰ আন্দোলনৰ জোৱাৰত, মোৰ বাবে স্মৰণীয়, মৌন মধুময়তা —

এই শিৰোনামেৰে। তদুপৰি ১৯৪৭-৫৩ চনৰ সময়ছোৱাৰ অধ্যায়ত আছে কলিকতা বিশ্ববিদ্যালয়ত অধ্যয়ন কৰা দুবছৰৰ স্মৃতি সঞ্চয়ন।

কটন কলেজলৈ নিয়মীয়াকৈ অহা-যোৱা কৰিবলৈ লোৱাৰ আগতেই, আনকি প্ৰৱেশিকা পৰীক্ষাৰ ফলাফল ওলোৱাৰ আগতেই কেইজনমান বন্ধুৰ লগত তেওঁ এদিন কটন-কলেজৰ শ্ৰেণী এটাত ভূমুকিয়াই আহিছিল। অসমীয়া দ্বিতীয় ভাষাৰ শ্ৰেণীটোৰ অধ্যাপক হিচাপে সোমাই আহিছিল বিখ্যাত কবি আৰু নাট্যকাৰ অতুল চন্দ্ৰ হাজৰিকা। সেই শ্ৰেণীটোৰ কথা বৰ্ণনা কৰিছে এনেদৰে ঃ "মই চিন্তা কৰিবলৈ লৈছিলোঁ, মোৰ সমুখত বহি থকা সেই দৰদী কবিজনৰ দৰদটো কোন খিনিত। হঠাৎ, মোৰ সেই তন্দ্ৰামগ্ন অৱস্থাতে এটা বিৰাট বিস্ফোৰণৰ দৰে কবি অধ্যাপক খণ্ডত ফাটি পৰিল। পোনতে ধৰিবই পৰা নাছিলোঁ, কি হ'ল আৰু কিয় হ'ল! কোনোবা এজন ছাত্ৰই অতি বিনয় দেখুৱাই সুধিছিল, 'ছাৰ, এই কবিতাফাঁকি চেষ্টা কৰিও বুজি নেপালোঁ। বৰ টান পাইছোঁ, ছাৰ ব্যাখ্যা কৰি দিব নেকি? কবিতটো ব'ৰ্ডত লিখি থোৱা আছে আপোনাৰ পিছফালে।' মোৰ চকুত পৰিছিল সেই কবিতাটো। মোৰ স্মৃতিয়ে যদি বিশ্বাসঘাতকতা কৰা নাই চৰণ কেইটা আছিল ঃ *নীলিমাৰ বুকু ফালি / পোহৰৰ ৰেখা ঢালি / হিমানী-কিৰণ সানো বুলি লওঁতেই / ভানুক অঞ্জলি দিলে/ উষাই ওৰণি টানি / দলিতৰ ক্ষুধাবোৰ নৌ গুচোঁতেই* /....... পিছত গম পালোঁ, সেই শ্ৰেণীটোৰ আঠগৰাকী ছাত্ৰীৰ নাম খাঁজি থোৱা আছিল 'কবিতা' নামৰ সেই টেঁটকুটীয়া পদ্যফাঁকিত। সেইবাবেই দৰদী কবিৰ সেই বিস্ফোৰণ। গালিত তিধগতি দেখুৱালে সকলোকে।" (পৃ. ১০৭-১০৮)

কটন কলেজত সেই সময়ত 'তৰাৰ থূলৰ দৰে পণ্ডিত-বিদ্বানৰ সমাগম' ঘটিছিল। আত্মজীৱনীখনত তেনেকুৱা বিখ্যাত অধ্যাপকসকলৰ স্মৃতি চাৰণ কৰিছে পৰম শ্ৰদ্ধাৰে। বেছি ভাগ স্মৃতিচাৰণতে আছে অধ্যাপক সকলৰ কিছুমান ৰসাল ঘটনা। কিছুমানত আছে তেওঁলোকৰ পাণ্ডিত্য আৰু শিক্ষাদানৰ অনন্য পদ্ধতিৰ কথা। কটন কলেজৰ অধ্যক্ষ হিচাপে পোৱা ড° বাণীকান্ত কাকতি; ইংৰাজী সাহিত্যৰ অধ্যাপক হীৰেন চৌধুৰী— যিজনে এবাৰ কলেজলৈ অহা আচাৰ্য কৃপালনীৰ *'The Assamese people specialize in speaking bad English.'* বোলা কথাষাৰ সৰোষে প্ৰতিবাদ কৰিছিল; অধ্যাপক তাৰিণীকান্ত ভট্টাচাৰ্য; অধ্যাপক ৰায়হান শ্বাহ আদিৰ কথা। কটন কলেজৰ অসমীয়া বিভাগটো তেতিয়া "ৰসৰ ৰহঘৰা" আছিল বুলি অভিহিত কৰিছে। অধ্যাপক উপেন্দ্ৰ চন্দ্ৰ লেখাৰু, সত্যেন্দ্ৰ নাথ শৰ্মা আদিৰ শ্ৰেণী সমূহৰ কথাও প্ৰসঙ্গক্ৰমে বৰ্ণনা কৰিছে। কটন কলেজৰ এখন তৰ্ক-সভাত অংশ গ্ৰহণ কৰি তেওঁ চিনাকি হৈছিল অধ্যক্ষ হেম বৰুৱাৰ লগত। আই. এ. মহলাত তৃতীয় স্থান অধিকাৰ কৰি পুনৰ তেওঁ সেই কলেজতে বি. এ. মহলাত নাম লগালে। বিষয় বাচি ল'লে — ইংৰাজীত অনাৰ্চ আৰু 'পাছ' পাঠ্যক্ৰমৰ দৰ্শন আৰু অৰ্থনীতি। ১৯৪৯-৫০ চনত কেইবাজনো নতুন অধ্যাপকৰ আগমনেৰে কটন কলেজৰ বিদ্যায়তনিক দিশত এক ডাঙৰ পৰিৱৰ্তন আনিছিল। ১৯৪৯-৫০ বছৰটোৰ বাবে কটন কলেজৰ ইউনিয়ন চোচাইটিৰ সাধাৰণ সম্পাদক হিচাপে তেওঁ নিৰ্বাচিত হ'ল। ১৯৪৯ চনত পূব পাকিস্তানৰ পৰা অহা শৰণাৰ্থী বিলাকৰ আগমনৰ লগে লগে অসমৰ ঠায়ে ঠায়ে সাম্প্ৰদায়িক অশান্তিয়ে দেখা দিছিল। গুৱাহাটীৰ লাখটকীয়া অঞ্চলতো এটা সন্ত্ৰাসৰ পৰিস্থিতি সৃষ্টি হৈছিল। কথাষাৰ ইউনিয়নৰ সাধাৰণ সম্পাদক হিচাপে তেওঁৰ কাণত পৰাৰ লগে লগে অধ্যক্ষৰ অনুমতি লৈ কলেজৰ ছাত্ৰসকলক লৈ নিশা পহৰা দিছিল। এই ঘটনাও তেওঁ সোঁৱৰণ কৰিছে।

কটনিয়ান হিচাপে কটোৱা চাৰিটা বছৰৰ ফৰকাল দিশ এটা তেওঁৰ চেতনাত সম্পৃক্ত হৈ আছে। জীৱনত যেতিয়া মাজে-সময়ে দুখৰ মুখামুখি হয়, সেই দিনবোৰৰ কথা সুঁৱৰিলেই তেওঁৰ মনটো সঁজাল হৈ উঠে। যিটো সময়ত তেওঁ কটন কলেজৰ ছাত্ৰ হৈ আছিল, সেই সময়ত 'ৰেগিং' বোলা স্থূল ৰুচিৰ পৰিচায়ক বস্তুটো নাছিল। সেই 'ৰেগিং' ব্যৱস্থাটো সদায় বাঢ়ি অহা দেখি তেওঁ মৰ্মাহত হৈছে।

বহুতো বিচিত্ৰ অভিজ্ঞতাৰ ভাৰ বান্ধি মহেন্দ্ৰ বৰাই তেওঁৰ ছাত্ৰ-জীৱন পাৰ কৰাৰ বিৱৰণ *উপলা নদীৰ দৰে*ৰ মাজত পঢ়িবলৈ পাওঁ। জৱাহৰলাল নেহৰুৱে কৈছিল যে, মানুহৰ জীৱনত কিছুমান *too private moments* আছে। মহেন্দ্ৰ বৰাইও জীৱন নৈৰ মাজৰ পানী ডৰাত আৰু একাঁজলি পানীৰ সোৱাদ লৈছিল। একান্তভাৱেই ব্যক্তিগত সেই মুহূৰ্তবোৰৰ সোঁৱৰণো কৰিছে এই আত্মজীৱনীখনত। যিখিনি তেওঁ অকপটে কৈ যাম বুলি কৈয়ো 'সিবিলাকৰ আনুপুংখিক বৰ্ণনা দিবলৈ মই অক্ষম' বুলি উল্লেখ কৰিছে। 'মৌন মধুময়তা' শিতানত বৰ্ণনা কৰা সেই অধ্যায়টি হ'ল কটন কলেজৰ ছাত্ৰী, মধুৰ কণ্ঠস্বৰৰ অধিকাৰিণী 'গীতা' নামৰ গাভৰুৰ সৈতে হোৱা তেওঁৰ আত্মিক প্ৰেমৰ সম্পৰ্ক। এটা জাপানী কবিতাৰ উদ্ধৃতিৰে সেই সম্পৰ্কৰ কথা তেওঁ বৰ্ণনা কৰিছেঃ 'মই নিজে ক'বই পৰা নাছিলোঁ, তুমিও ক'ব পৰা নাছিলা, আমি গম পোৱাৰ আগতেই গোটেইখনতে জনাজনি হৈ গ'ল কথাষাৰ - আমি যে ইজনে-সিজনক ভাল পাওঁ।' পিছত সেই 'গীতা' হৈ পৰিছিল, তেওঁৰ সহধৰ্মিণী। ১৯৫১ চনৰ ২০ এপ্ৰিলৰ সেই দিনটোৰ স্মৃতি এনেদৰে বৰ্ণনা কৰিছে আত্মজীৱনীখনত ঃ "... মই লৰালৰিকৈ ওলালোঁ। গৈ দেখিলোঁ, গীতা আৰু বকুল (অৰ্থাৎ এতিয়াৰ নিৰুপমা বৰগোহাঞি) তাত আগৰে পৰা ৰৈ আছিল। আমি দুয়ো কাষৰ কোঠা এটাত সোমালোঁ। আমি

দুয়ো নিৰলে কথা পাতিবলৈ আৰম্ভ কৰিলোঁ - কি কথা, মনত ভালকৈ নপৰে। আচল কথাটো যে বহুত পৰলৈকে পতাই নাছিলোঁ, সেয়া কিন্তু ৰিণিকি ৰিণিকিকৈ আজিও মনত আছে। যেন সেই কথাটো কোনোবা কাহানিবাই পাতি থোৱাই আছে। অৱশেষত, কথাষাৰ আপোনাআপুনি স্পষ্ট হৈ উঠিল, আমি দুয়োজনেই দুয়োজনক গভীৰ ভাৱেই ভাল পাওঁ - দুয়ো দুয়োজনকে পথৰ লগৰীয়া কৰি ল'বলৈ প্ৰস্তুত।"(পৃ. ১৮৯)

১৯৫২-৫৩ চনৰ সময়ছোৱাত কলিকতা বিশ্ববিদ্যালয়ত এম. এ. পঢ়ি থাকোঁতে দুজন পৃথিৱীবিখ্যাত পণ্ডিত অধ্যাপকক দুটা দুৰ্লভ মুহূৰ্তত দেখা পোৱাৰ কথা তেওঁ সুঁৱৰিছে! এজন হ'ল আচাৰ্য সুনীতি কুমাৰ চট্টোপাধ্যায় আৰু আনজন হ'ল সংস্কৃত বিভাগৰ অধ্যাপক মহামহোপাধ্যায় শাস্ত্ৰী। আচাৰ্য চট্টোপাধ্যায় ঢপলিয়াই আহিছে মহামহোপাধ্যায় শাস্ত্ৰীৰ ওচৰলৈ এটা শব্দৰ বিষয়ে জানিবলৈ। সেইদিনা কেণ্টিনলৈ গৈ মহেন্দ্ৰ বৰাই বাৰে বাৰে মূৰ দোঁৱাইছিল - কলিকতা বিশ্ববিদ্যালয়লৈ। য'ত বিশ্ববিখ্যাত পণ্ডিতক দেখা যায় চিৰন্তন ছাত্ৰৰ ৰূপত।

কলিকতাৰ বৌদ্ধিক জীৱন আৰু কফি হাউচ অভিন্ন বোলা কথাষাৰৰ তেওঁ সামান্যতম আভাসটোও পোৱা নাছিল বুলি উল্লেখ কৰিছে। এদিন তেনেকুৱা কফি হাউচতেই লগ পাইছিল কলিকতাৰ বিখ্যাত গ্ৰন্থ প্ৰকাশক অৰুণ পুৰকায়স্থক। শ্ৰীভূমি পাবলিছিং কোম্পানীৰ এই মালিক জনেই মহেন্দ্ৰ বৰাৰ গ্ৰন্থ পোনপ্ৰথমে প্ৰকাশ কৰিছিল। সেই দুখন হ'ল 'গালিভাৰ' আৰু 'ডন কুইকচোট'। এই দুখন পুথিৰেই তেওঁ লেখক জীৱনৰ আৰম্ভণি কৰিছিল। কলিকতাত থকা কালছোৱাত, কলিকতা সম্পৰ্কে তেওঁৰ এটা সম্যক ধাৰণা উপজিছিল। সেই ধাৰণা হ'ল— কলিকতাই তিনিটা কাম ভালদৰে জানে ঃ কলিকতাই মচিব জানে, ভাঙিব জানে আৰু সাজিব জানে। কলিকতাই মচি পেলালে, চিন-মোকাম নৰখাকৈ প্ৰাক্-স্বাধীনতা যুগৰ সাম্প্ৰদায়িক সংঘাত জৰ্জৰিত দিনবোৰৰ কথা। কলিকতাই ভাঙিবও জানে - কাৰণ এক পইচা ট্ৰামৰ ভাৰা বাঢ়িলেই গোটেই কলিকতা গুজৰি উঠে। তেনে এক স্মৃতিও ইয়াত লিপিবদ্ধ কৰিছে। আকৌ কলিকতাই সাজিব জানে; কিয়নো পশ্চিমবংগত যি বামপন্থী চৰকাৰৰ সুদীৰ্ঘ শাসন চলি আছে; তাক প্ৰতিষ্ঠা কৰিবলৈ বহুতে ৰাজপথত তেজ ঢালিব লগা হৈছিল।

১৯৫৩ চনৰ ১০ ডিচেম্বৰ তাৰিখে কলিকতাৰ পৰা গুৱাহাটীলৈ প্ৰত্যাৱৰ্তন কৰিলে 'উপলা নদীৰ দৰে'ৰ নায়কজনে। আৰম্ভ হ'ল তেওঁৰ জীৱনৰ দ্বিতীয় পৰ্ব - অধ্যাপকৰ জীৱন।

১৯৫৪ চনৰ জানুৱাৰী মাহত ডিব্ৰুগড়ৰ কানৈ কলেজত তেওঁ যোগদান কৰিলে। সেই সময়ত কানৈ কলেজ লক্ষ্মী আৰু সৰস্বতীৰ মহামিলনৰ মহাতীৰ্থ আছিল বুলি তেওঁ উল্লেখ কৰিছে। কানৈ কলেজৰ অধ্যক্ষ পণ্ডিত যোগীৰাজ বসু, উপাধ্যক্ষ লক্ষ্মী প্ৰসাদ দত্ত আদিয়ে কলেজখন সৰ্বাঙ্গ সুন্দৰ কৰি গঢ়ি তুলিবলৈ যত্ন কৰিছিল।

১৯৫৫ চনৰ জুলাইৰ ১১ তাৰিখে তেওঁ কটন কলেজত যোগদান কৰিলে। কটন কলেজত অধ্যাপক হিচাপে যোগদান কৰাৰ পিছত তেওঁ অনুভৱ কৰিছিল 'ভৰিৰ তলত মাটি এডোখৰৰ অস্তিত্ব।' সেয়ে তেওঁ কৈছে, 'প্ৰত্যেক শিশুৱেই যেনেকৈ তাৰ শৈশৱৰ প্ৰথম উক্মুকনিটোৰে লালিত হয় মাতৃ-গৰ্ভত, ঠিক তেনেকৈ মোৰ যৌৱনৰ প্ৰথম জাগৰণটোৰে মই লালিত হৈছিলোঁ, সেই কটন কলেজৰ মানস-গৰ্ভত। এই যুগৰ বহুতো মনস্তত্ত্ববিদে -হোমাৰ লে'ন আৰু গেয়ৰ্গ ভালথাৰ গ্ৰডেকৰ দৰে মনস্তত্ত্ববিদে অৱদমিত মনৰ মাতৃ-গৰ্ভলৈ প্ৰত্যাৱৰ্তনৰ আনন্দ এটাৰ কথা কয়। যিদিনা কটন কলেজত অধ্যাপকৰ কামত যোগ দিছিলোঁগৈ, সেইদিনা সেই আনন্দটোকে লাভ কৰিছিলোঁগৈ।' (পৃ. ২৬২)

১৯৬০ চনত অসমৰ জাতীয় জীৱনৰ ওপৰেদি এজাক ধুমুহা বৈ গৈছিল। ৰাজ্যভাষাৰ সমস্যাটোৱেই সৃষ্টি কৰিছিল সেই ধুমুহাৰ। স্বাধীনতাৰ পিছত দেশৰ প্ৰতিখন ৰাজ্যতে সংশ্লিষ্ট ৰাজ্যখনৰ প্ৰধান ভাষাটো ৰাজ্যভাষা বুলি ঘোষিত হৈছিল। কিন্তু অসম আছিল তাৰ ব্যতিক্ৰম। ১৯৬০ চনত ফেব্ৰুৱাৰী-মাৰ্চ মাহত বিধান সভাত মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহাই এক আচহুৱা ধৰণৰ কথা কৈ অসমক দুৰ্যোগৰ মুখলৈ ঠেলি দিলে। শিলপুখুৰী অঞ্চলত বাঙালী আৰু অসমীয়া ভাষীৰ সংঘৰ্ষৰ প্ৰত্যক্ষদৰ্শী আছিল মহেন্দ্ৰ বৰা। শিলপুখুৰীত অম্বিকাগিৰি ৰায়চৌধুৰীৰ সভাপতিত্বত শান্তি সভা বহিল। এক সুন্দৰ বক্তৃতাৰে সকলোকে সতৰ্ক কৰি দিছিল কোনেও কোনো অশান্তিৰ সৃষ্টি কৰিব নোৱাৰিব। প্ৰয়োজন হ'লে তেখেতে নিজেই ৰাতি পহৰা দিব। তেখেতে প্ৰস্তাৱ দিছিল অসমীয়া-বঙালী মিলি এখন অসমীয়া নাটক মঞ্চস্থ কৰিবৰ বাবে আখৰা আৰম্ভ কৰিব। 'গধূলি তেখেতে সঁচাসঁচিকৈয়ে বাঙালী মানুহৰ ঘৰে ঘৰে গৈ খবৰ লৈ ফুৰিছিল, ক'ৰবাত কোনোবাই কাৰোবাক ভাবুকি দিছে নেকি! সেই নিশা দুয়োটা চুবুৰীতে সকলোৰে মনোৰম শান্তিত টোপনিয়াব পাৰিছিল।' (পৃ. ৩১৩-৩১৪) কটনৰ ছাত্ৰাবাসৰ এজন ছাত্ৰ ৰাজ্যভাষা সংক্ৰান্ত অশান্তিত পুলিচৰ গুলীত নিহত হোৱাৰ পাছত, এখন কাকতত তাৰ প্ৰতিবাদ কৰি তেওঁ চিঠি লিখিলে। অৱশেষত, এই সুদীৰ্ঘ প্ৰতিবাদী চিঠিখন লিখাৰ অপৰাধত 'চৰকাৰী চাকৰিয়ালৰ আচৰণ বিধি' ভংগ কৰিছে বুলি, ৰাজৰোষত কটন কলেজৰ অধ্যাপক পদৰ পৰা বিদায় ল'বলৈ বাধ্য হৈছিল। 'Police Firing at Gauhati' শিৰোনামৰ এই চিঠিখন আত্মজীৱনীখনৰ পৰিশিষ্ট অংশত সন্নিবিষ্ট হৈছে। (পৃ. ৫২৭-৫৩৩)

১৯৬১ চনৰ ১১ জানুৱাৰীৰ পৰা ১৯৭৩ চনৰ জুন মাহৰ ৭ তাৰিখলৈকে তেওঁ গোৱালপাৰা কলেজৰ অধ্যাপক আৰু অধ্যক্ষ হিচাপে কটালে। 'ডাংগৰ স্কুলানি হেড্-মাষ্টৰ' শিৰোনামৰ অধ্যায়টোত গোৱালপাৰাত কটোৱা দিনবিলাকৰ কথা লিখিছে। এই অধ্যায়টো লিখিবলৈ লৈ আত্মজীৱনীৰ নায়কজন বাৰে বাৰে থমকি ৰৈছে। কোনখিনি লেখিব আৰু কোনখিনি ডেই গুচি যাব! কাৰণ ঃ 'মোৰ যৌৱনৰ উভৈনদী শক্তিখিনি তাতেই প্ৰায় নিঃশেষে খৰচ কৰিলোঁ আৰু সেই যৌৱনৰ পথাৰৰ পৰা দাই আনিলোঁ মোৰ জীৱনৰ সৰু-সুৰা সফলতাৰ বহুতো ডাঙৰি; তাৰ লগতে দুখৰ-এথৰ বিনৈবনৰ মুঠি।' (পৃ. ৩২৯)

এই গোৱালপাৰাত থাকোঁতেই ১৯৬০ চনৰ নৱেম্বৰ মাহৰ পৰা তেওঁৰ সম্পাদনাত 'মণিদীপ' আলোচনী প্ৰকাশিত হৈছিল। 'ৰামধেনু'ৰ প্ৰকাশ বন্ধ হৈ যোৱাৰ পিছত গহীন কিবাকিবি লেখিবৰ বাবে আলোচনী এখন নোহোৱাৰ লেখীয়া হৈছিল। 'মণিদীপ'ৰ প্ৰকাশে ইয়াৰ অভাৱ দূৰ কৰিলে। সপ্তম বছৰৰ নৱম সংখ্যালৈকে সেইখন সম্পাদনা কৰি বিনিময়ত একো লোৱা নাছিল। তেওঁৰ ভাষাৰে, 'সেই 'মণিদীপ' হয়তো কোনো যুগৰ বাৰ্তাবাহী নহয়, কিন্তু যুগটোৰ নাটনি পূৰ কৰা এক বৈশিষ্টপূৰ্ণ সঁহাৰি। 'ৰামধেনু' যুগত যিসকল প্ৰবীণ লেখকে কাপ-মৈলামৰ লগত সম্পৰ্কটো সামৰি পেলাবলৈ লৈছিল, সেই সকলক আকৌ লেখাৰ জগতলৈ নিমন্ত্ৰণ কৰি আনিছিলোঁ।' (পৃ. ৩৩২)

গোৱালাপাৰাত থকা সময়ছোৱাৰে শেষৰ ফাললৈ তেওঁ বেছি সামাজিক জীৱনৰ কামত ব্যস্ত হৈ পৰিছিল। ১৯৬২ চনৰ চীন-ভাৰত যুদ্ধত নিহত সৈন্যবোৰৰ তালিকাত গদাধৰ সিং নামৰ কোনোবা এজন মৃতকৰ নামটো দেখি ইয়াতেই ৰচনা কৰিছিল 'চামুৰাই' নামৰ বিখ্যাত কবিতাটি। মাৰ্কিন লেখিকা মাৰ্জৰী কিনান ৰলিংচৰ *ইয়েলিং* আৰু ইটালীয় লেখক কাৰ্লো কল'ডিৰ *পিনক্কিঅ* নামৰ কিশোৰ উপন্যাস দুখন ইয়াতেই অনুবাদ কৰিছিল। এদিন তেওঁৰ পত্নীয়ে ক'লে, 'এইবোৰ যিহকে তিহকে লেখি সময় খৰচ কৰাতকৈ দেখোন থেচিচ এখনকে লেখি পেলাব পাৰি।' তাৰ পিছত ড° মহেশ্বৰ নেওগৰ তত্বাৱধানত "অসমীয়া ছন্দৰ মূলতত্ত্ব আৰু তাৰ ইতিহাস" শীৰ্ষক গৱেষণা গ্ৰন্থৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ১৯৭১ চনত 'ডক্টৰেট' ডিগ্ৰী লাভ কৰে। ইংৰাজী সাহিত্যৰ ছাত্ৰ হৈ অসমীয়া সাহিত্য সম্পৰ্কে গৱেষণা কৰিবলৈ লোৱাৰ দুটা কাৰণ বুলি তেওঁ আত্মজীৱনীখনত উল্লেখ কৰিছে ঃ 'এক, মই মোৰ দেশৰ মানুহখিনিৰ বৌদ্ধিক আৰু নান্দনিক সাধনাৰ গতিপ্ৰৱাহৰ অংশীদাৰ হৈয়েই জীয়াই থাকিম - সাত সাগৰ তেৰ নদীৰ সিপাৰৰ সাধনা প্ৰৱাহলৈ মুক্তাৰ মুঠি চটিয়ায়ো জীয়াই থাকিব নোৱাৰোঁ। দুই, ইংৰাজী সাহিত্যৰ ভঁৰাল চহকী কৰাৰ ক্ষমতাই বা মোৰ কিমানখিনি!খুব বেছি, চৰ্বিতকে চৰ্বণ কৰিব পাৰিম।' (পৃ. ৩৫২)

মহেন্দ্ৰ বৰাৰ *উপলা নদীৰ দৰে* আত্মজীৱনীখনৰ গোৱালপাৰাত কটোৱা সময়খিনিৰ বৰ্ণনাত, গোৱালপাৰাৰ সমাজ-জীৱন, ৰাজনীতি আদিৰ কথাও পঢ়িবলৈ পাওঁ। গোৱালপাৰাত যিডোখৰ ঠাইত তেওঁ আছিল, তাৰ অদূৰেদি বৈ গৈছিল জিঞ্জিৰাম নামৰ এখন অকণমানি নৈ। তাৰ পাৰঘাটত বহি তেওঁ বহুতো ক্ষণত প্ৰকৃতিৰ বিচিত্ৰ সৌন্দৰ্যৰ পোহাৰ চাই, কল্পনাৰ বোল সানি সৃষ্টি কৰিছিল বহুতো কবিতা। 'অপৰূপ এই নদী', 'এই নদীয়েদি', 'মৎস্যগন্ধা', 'সন্ধ্যাৰ গুঞ্জন' ইত্যাদি কবিতাত সেই বিচিত্ৰ অনুভূতি সিঁচৰতি হৈ আছে বুলি গ্ৰন্থখনত উল্লেখ কৰিছে।

মূল আত্মজীৱনীখনৰ 'আঁচুফুল' হিচাপে আছে তিনিটা নিবন্ধ ঃ 'লেখা-লেখা খেলাৰ খেলিমেলি', 'মোৰ প্ৰথম গ্ৰন্থ' আৰু 'মই কিয় লিখোঁ' — এইকেইটা। এই আত্মজৈৱনিক টোকাবোৰৰ মাজতো মহেন্দ্ৰ বৰাৰ সাহিত্যিক ব্যক্তিত্বৰ মনোমোহা দিশবোৰ উজলি উঠিছে। তদুপৰি *উপলা নদীৰ দৰে* আত্মজীৱনীখনত সন্নিবিষ্ট হৈছে এক বিদেশ ভ্ৰমণৰ কাহিনী। চিকিৎসা সংক্ৰান্তত কৰা সেই ভ্ৰমণৰ বৰ্ণনাও যথেষ্ট ৰসাল। লিখকৰ ভাষাৰে, 'এক খাঁটি ভ্ৰমণ কাহিনীয়ে লেখি গৈ থকা আত্মাৰ ভ্ৰমণ কাহিনীৰ লগতে টিকেটবিহীন যাত্ৰী হৈ পৰিলহি আচল যাত্ৰীৰ ক্ষতি নকৰাকৈ।'

*উপলা নদীৰ দৰে* আত্মজীৱনীখনত মাজে মাজে আত্ম-সমালোচনাৰ দিশটিও পৰিলক্ষিত হয়। কাৰণ তেওঁৰ অক্ষমতাবোৰৰ সম্পৰ্কে আত্মবীক্ষণৰ অধিকাৰী নোহোৱাকৈও তেওঁ যথেষ্ট পৰিমাণে সজাগ। সেয়ে তেওঁ কৈছে, 'মই মোৰ আপোন চৰিত্ৰৰ অন্ধ বিন্দুবোৰৰ বিষয়ে যিদৰে অলপ অৱহিত, মোৰ প্ৰতিৰোধ ক্ষমতাৰ দুৰ্ভেদ্য অংশবোৰৰ সম্পৰ্কেও সিদৰে কিঞ্চিৎ সচেতন।' তেওঁৰ জীৱনৰ আটাইতকৈ ডাঙৰ দুৰ্বলতা হিচাপে চিহ্নিত কৰিছে, পেটত কথা লুকুৱাই ৰাখিব নজনাটোক। তেওঁ নিজকে 'ভাগ্যবাদী' নহয় বুলিও উল্লেখ কৰিছে। জীৱনৰ মূল্যবোধ সম্পৰ্কীয় কথাবোৰ লৈ তেওঁ ক'তো আপোচ কৰা নাই বুলি ভাবে।

আত্মজীৱনীখনত বহুতো এনে ব্যক্তি চৰিত্ৰৰ বৰ্ণনা পঢ়িবলৈ পাওঁ, যিবোৰ গল্প-উপন্যাসৰ চৰিত্ৰৰ দৰে অত্যন্ত মৰ্মস্পৰ্শী। মাকন মাহীদেউ, সুমলা বাইদেউ, সোণটি মামা ইত্যাদি এনেকুৱা চৰিত্ৰ। আনকি ব্যক্তিগত জীৱনত তেওঁলোকৰ সান্নিধ্যত অনুভৱ কৰা বহু ভাব তেওঁৰ কবিতাৰ মাজত বন্দী কৰি থৈছে। ঢুলীয়াপাৰৰ 'সুমলা বাইদেউ'ৰ অকাল মৃত্যুৰ সোঁৱৰণী ভূমুকিয়াই গৈছেহি তেওঁৰ 'চিনাকি গাঁৱৰ বাট' নামৰ কবিতাত ঃ

*ঘৰলে' উভতি আহে সোণতৰা উদুলি-মুদুলি*
*মাথোন সুমলা নাহে যদিও অহাৰ কথা*
*আইতাকে চাই থাকে দূৰণিত চকু থাপি*
*চকুলো মলচি চায় বাট কিয় ধুঁৱলি-কুঁৱলী।*

'জোনাকী'ৰ পাতত প্ৰকাশিত হেমচন্দ্ৰ বৰুৱাৰ আত্মজীৱনীমূলক ৰচনা খনিয়ে ঊনবিংশ শতিকাতে আত্মজীৱনীৰ পথ অসমীয়া সাহিত্যত মুকলি কৰে। হৰকান্ত সদৰামীনৰ আত্মজীৱনী ঊনবিংশ শতিকাৰ শেষ ভাগতে ৰচনা কৰা হৈছিল। লক্ষ্মীনাথ বেজবৰুৱাৰ *মোৰ জীৱন সোঁৱৰণ* অসমীয়া সাহিত্যৰ প্ৰথম আত্মজীৱনীমূলক প্ৰকাশিত গ্ৰন্থ। তাৰ পিছত তৈয়বউল্লা, পদ্মধৰ চলিহা, হৰিনাৰায়ণ দত্তবৰুৱা, পদ্মনাথ গোহাঞিবৰুৱা, বেণুধৰ ৰাজখোৱা, নলিনীবালা দেৱী, অতুলচন্দ্ৰ হাজৰিকা, বেণুধৰ শৰ্মা, অম্বিকাগিৰি ৰায়চৌধুৰী, মহেশ্বৰ নেওগ, হোমেন বৰগোহাঞি, মামনি ৰয়ছম গোস্বামী আদি বহুকেইজন লিখকৰ আত্মজীৱনী প্ৰকাশিত হৈছে। ১৯৮৯ চনত প্ৰকাশিত মহেন্দ্ৰ বৰাৰ *উপলা নদীৰ দৰে* আত্মজীৱনীখনো বহুদিশৰ পৰা মূল্যৱান গ্ৰন্থ হিচাপে বিবেচিত হৈছে। এই সু-বৃহৎ আত্মজীৱনীখনত লেখকে ব্যক্তিগত জীৱনৰ কাৰ্যকলাপৰ বৰ্ণনা দিবলৈ যাওঁতে, সমসাময়িক সামাজিক-সাংস্কৃতিক-ৰাজনৈতিক বিৱৰ্তনৰ লগতে, বৌদ্ধিক জগতখনৰ কথাও বহলভাৱে স্পৰ্শ কৰি গৈছে। ব্যক্তিগত জীৱনৰ এই মনোৰম কাহিনীয়ে আত্মজীৱনীখনক ঐতিহাসিক দৃষ্টিকোণৰ পৰাও চহকী কৰি তুলিছে। ঐতিহাসিক ক্ষেত্ৰৰ বহুতো আপুৰুগীয়া তথ্য ইয়াত পোৱা যায়। এই আত্মজীৱনীখনৰ উদ্দেশ্য আছিল, 'পাৰ হৈ অহা সময়ছোৱাৰ পৰিৱেশটো বন্দী কৰি থোৱাৰ।' একোটা অঞ্চলৰ তাৰ থলুৱা পৰিৱেশ আত্মজীৱনীখনত জীৱন্ত হৈ পৰিছে। উদাহৰণ স্বৰূপে ছৈখোৱা, চাবুৱা, ডিব্ৰুগড়, শিৱসাগৰ আদিত কটোৱা দিনবোৰৰ পৰিৱেশলৈ আঙুলিয়াব পাৰি। বহুতো বিখ্যাত আৰু অখ্যাত লোকৰ চিত্ৰণ অথবা বৰ্ণনা বেছ উপভোগ্য আৰু হাস্যৰস-ঘন। নিজৰ পাণ্ডিত্যক লৈ গৰ্ব নকৰা, নিজৰ প্ৰতিভা আৰু শক্তিৰ সীমাবদ্ধতাৰ সম্পৰ্কে যি সজাগ দৃষ্টিভংগী ইয়াত ফুটি উঠিছে, সি অত্যন্ত মোহনীয়।

আত্মজীৱনীখনৰ প্ৰকাশভঙ্গীত যি কাব্যিক গুণ দেখা পাওঁ, সেইখিনিক স্বীকাৰ কৰি লৈও ক'ব লাগিব— বহুসময়ত এই প্ৰকাশভঙ্গী হৈ পৰিছে কৃত্ৰিম। শেহৰ ফালৰ বহু বৰ্ণনা নিৰস হৈ পৰা দেখা গৈছে। মহেন্দ্ৰ বৰাৰ ব্যক্তিত্বৰ এটা অন্যতম দিশ হ'ল অসাধাৰণ স্মৃতিশক্তি। সেয়ে আত্মজীৱনীখনত শৈশৱৰে হওক, যৌৱনৰে হওক বা প্ৰৌঢ় বয়সৰে হওক বিভিন্ন কথা বৰ্ণনা কৰোঁতে যেতিয়া কোনো ব্যক্তি বা অনুষ্ঠানৰ তথ্য-পাতি, বক্তব্য আদি অবিকল প্ৰকাশ কৰে, পাঠক হিচাপে আমি বিস্ময়াবিভূত হওঁ। লিখক নিজেও এই দিশটোৰ প্ৰতি সচেতন ঃ 'অলপ আত্মশ্লাঘাৰ অপবাদ মূৰ পাতি লৈয়ো মই এষাৰ কথা ক'ব পাৰোঁ, মই ভালপোৱা কথাবোৰ, গদ্যই হওক অথবা কবিতাই হওক বৰং গদ্যবোৰ বেছি মোৰ স্মৃতিৰ কোঠাৰ পৰা সহজে নিৰুদ্দেশৰ ৰূপ লৈ সুলকি নপৰে।' (পৃ. ৪৫)

শিলনিৰ ওপৰেদি বাগৰি যোৱা নদীৰ দৰে এটা জীৱনৰ ইতিকথা ঃ *উপলা নদীৰ দৰে*। আত্মজীৱনীখনৰ নায়কে কোৱাৰ দৰে, 'পোনতে সিখনৰ এটা থমকিব নজনা জিৰজিৰণি আছিল। তাৰ পিছত দোকোল-টঁকা প্ৰবাহ; মাজে মাজে তাৰ পাক-ঘূৰণিত শুদ্ধ হৈ পৰা দুয়োটা পাৰৰ আৱৰ্জ্জনা। এতিয়া যেতিয়া জীৱনৰ আবেলি হৈছেহি, সিখনৰ পানীৰ ধাৰত আছে মাথোন বৈ আহিব পৰাৰ ধীৰ প্ৰশান্তি। ইপাৰৰ পৰা সিপাৰ নমনি— মাজত মাথোন এডৰা পানী, লহিয়াবলৈ লোৱা বেলিটোৱে তাক সেন্দুৰীয়া কৰি তুলিছে, তাৰ পাতল ধেনুভিৰীয়া টৌবোৰৰ ওপৰত। সিঁচি দিছে মুঠি মুঠি সোণৰ মণি। মই বৰ্ণনা কৰিছোঁ, অতদিনে দেখি অহা দুটা নৈ ডঁৰিয়লিৰ কথা, কোনটো ডঁৰিয়লিয়েদি উঠি জীৱনৰ কঁহুৱা ডৰাৰ হাতবাউলটোক সঁহাৰি জনাওঁ — সেই মোৰ দুধোৰমোধোৰ লহমাবোৰৰ কথা। মাথোন সেইটো অৰ্থতেই এইখন এখন আত্মজীৱনী।'

মুঠতে, অসমীয়া সাহিত্যৰ অতি কমসংখ্যক উচ্চ খাপৰ আত্মজীৱনীৰ ভিতৰত *উপলা নদীৰ দৰে* অন্যতম এক আত্মাৱলোকন।

●●●

**সম্পাদকৰ টোকা ঃ** ডক্টৰ মহেন্দ্ৰ বৰা আমাৰ মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ এগৰাকী প্ৰাক্তন সভাপতি। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ বিভাগীয় প্ৰধান হৈ থকাৰ সময়ত প্ৰথিতযশা সাহিত্যিকগৰাকীয়ে আমাৰ মহাবিদ্যালয়ৰ ১৯ সংখ্যক বাৰ্ষিক ক্ৰীড়া সমাৰোহ(১৯৮১-৮২ বৰ্ষ)ৰো উদ্বোধন কৰিছিল। তেখেতৰ আত্মজীৱনীৰ সন্দৰ্ভত পূৰ্ব প্ৰকাশিত এই বহুচৰ্চিত, মননশীল প্ৰবন্ধটো লেখকৰ অনুমতি সহকাৰে পুনৰ প্ৰকাশ কৰা হৈছে।

# ব্যক্তিত্ব গঠনৰ পাঠ আৰু
# লক্ষ্মীনাথ বেজবৰুৱাৰ চিন্তাৰ প্ৰাসংগিকতা

**পল্লৱী ডেকা বুজৰবৰুৱা**

## প্ৰস্তাৱনা

সাম্প্ৰতিক সময়ত বিশ্বজুৰি ব্যক্তিত্ব-বিকাশৰ সূত্ৰই জনপ্ৰিয়তা লাভ কৰিছে। শেহতীয়াকৈ ভাৰতবৰ্ষৰ লগতে অসমতো মানৱ সম্পদৰ সৰ্বাংগীন ব্যক্তিত্ব নিৰ্মাণৰ লক্ষ্য নিহিত থকা শিক্ষাৰ গুৰুত্ব বাঢ়িছে। লগতে বাস্তৱ জীৱনৰ লগত সম্পৰ্ক থকা প্ৰায়োগিক শিক্ষাৰ প্ৰয়োজনীয়তাৰ উপলব্ধি ঘটিবলৈ ধৰিছে। সেয়ে বিদ্যালয়-মহাবিদ্যালয়-বিশ্ববিদ্যালয় আদিত চেগা-চোৰোকাকৈ ব্যক্তিত্ব গঠন আৰু বিকাশৰ পাঠৰ প্ৰয়োগ কৰা দেখা যায়। বেজবৰুৱাৰ ৰচনাত ইমান বছৰ আগতেই বিকাশ লাভ কৰা এই চিন্তাৰ সংযোজনৰ বিষয়ে পোহৰলৈ অনাই এই আলোচনাৰ উদ্দেশ্য। বিস্ময়কৰভাৱে বেজবৰুৱাৰ ব্যক্তিত্বত একেসময়তে বহুবিচিত্ৰ প্ৰতিভা আৰু বিৰল চিন্তাৰ সমাহাৰ ঘটিছিল। অসমীয়া আত্মসত্তা নিৰ্মাণৰ গধূৰ দায়িত্ব কান্ধ পাতি লোৱা বেজবৰুৱাৰ ব্যতিক্ৰম উপলব্ধি আছিল-অসমীয়া আত্মসত্তা নিৰ্মাণৰ বাবে প্ৰতিজন অসমীয়াৰ স্বতন্ত্ৰ ব্যক্তিত্ব গঠন অতি প্ৰয়োজন। বেজবৰুৱাৰ এনে দায়বদ্ধতাৰ সাক্ষ্য বহন কৰা ৰচনাৰাজিৰ যথাযথ মূল্যায়নতো দূৰৰে কথা, এই বিষয়ে সৰহভাগ বুদ্ধিৰ চৰ্চা কৰা অসমীয়ায়ো খবৰ ৰখা নাই। বেজবৰুৱাৰ চিন্তাৰ সাম্প্ৰতিক সময়ত প্ৰায়োগিক প্ৰাসংগিকতা থকা এই বিশিষ্ট দিশক উদ্‌ঘাটন কৰাই এই আলোচনাৰ লক্ষ্য।

## ব্যক্তিত্বনো কি ?

ব্যক্তিত্ব কি এই প্ৰশ্নৰ উত্তৰত বিভিন্ন পণ্ডিতৰ বিভিন্ন ব্যাখ্যাৰ সূত্ৰ উপলব্ধ হয়। তাৰ ভিতৰত দুটা সূত্ৰক সাম্প্ৰতিক সময়ত গুৰুত্ব দিয়া দেখা যায়। সেই কেইটা হ'ল—

— **মনস্তাত্ত্বিক গতিবিষয়ক তত্ত্ব** (Psychodynamic Theories) ঃ এই সূত্ৰই ব্যক্তিৰ ব্যক্তিত্বৰ অন্তৰ্নিহিত ক্ৰিয়া, অৰ্থাৎ মনৰ ভিতৰ চ'ৰাৰ অন্তৰ্দ্ধন্দ্বক নিৰ্দ্দেশ কৰে। চিগ্‌মুণ্ড ফ্ৰয়েডে নেতৃত্ব দিয়া এই সূত্ৰ অনুযায়ী ব্যক্তিত্ব হ'ল মানুহৰ অন্তৰ্সত্তাই নিৰ্মাণ কৰা অভিব্যক্তি।

— **আচৰণগত তত্ত্ব** (Behaviouristic Theories) ঃ এই সূত্ৰই ব্যক্তিৰ চৌপাশৰ বৰ্হি পৰিপাৰ্শ্বৰ লগত সংগতি ৰক্ষা কৰি উদ্ধাৰ কৰা সম্পৰ্কক অগ্ৰাধিকাৰ দিয়ে। এই মতক গুৰুত্ব দিয়া সকলৰ মতে ব্যক্তিত্ব হ'ল পৰিৱেশ-পৰিপাৰ্শ্বৰ পৰ্যবেক্ষণ, নিৰীক্ষণ আৰু অনুশীলনৰ আধাৰত ব্যক্তিসত্তাই লাভ কৰা অভিব্যক্তি।

ব্যক্তিগত অভিজ্ঞতাৰ আধাৰত বিকাশ লাভ কৰা ব্যক্তিৰ মনৰ ভিতৰ চ'ৰাৰ সংগঠন আৰু পৰিপাৰ্শ্বক অধ্যয়ন কৰি লাভ কৰা অভিজ্ঞতাৰ সংযোগত লাভ কৰা অভিব্যক্তিক ব্যক্তিত্ব বুলি কোৱাএনে সূত্ৰৰ আধাৰত ক'ব পাৰি—

ব্যক্তিৰ অন্তৰ্মন আৰু বৰ্হি পৰিপাৰ্শ্বৰ পৰা আহৰণ কৰা অভিজ্ঞতাৰ ভেটিত নিৰ্মাণ হয় ব্যক্তিত্ব। ব্যক্তিত্বই একোজন ব্যক্তিক পৰিচিতি প্ৰদান কৰে। যি পৰিচয়ক নিৰ্মাণ কৰে মানুহৰ অন্তৰ্সত্তাই, মানুহৰ সেই অন্তৰ্সত্তাৰ বিকাশ সাধন কৰে পৰিৱেশ-পৰিপাৰ্শ্বৰ পৰ্যবেক্ষণ, নিৰীক্ষণ আৰু অনুশীলনে, সমৃদ্ধ কৰে ব্যক্তিৰ মনৰ ভিতৰ চ'ৰাৰ মানসিক সংগঠন অনুযায়ী গ্ৰহণ কৰা পৰিপাৰ্শ্বক অধ্যয়ন কৰি লাভ কৰা অভিজ্ঞতাই।

## লক্ষ্মীনাথ বেজবৰুৱাৰ সাহিত্যত ব্যক্তিত্ব গঠনৰ শিক্ষা ঃ

লক্ষ্মীনাথ বেজবৰুৱাই অসমীয়া প্ৰাণত অসমীয়া সত্তাক প্ৰতিষ্ঠা কৰাৰ সংগ্ৰাম কৰিছিল। এই সংগ্ৰাম কেৱল ভাষা-সাহিত্য-

*লেখিকা এগৰাকী বিশিষ্ট সাহিত্য-সমালোচক তথা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাধ্যাপক।*

সংস্কৃতিৰ উৎকৰ্ষ সাধনৰ দায়িত্বতে সীমাৱদ্ধ ৰখা নাছিল- অসমৰ ঐতিহ্য-ইতিহাস-দৰ্শন ফঁহিয়াই অসমীয়া মানুহৰ নিষ্প্ৰাণ সত্তাত আত্মাক প্ৰতিষ্ঠা কৰাৰ জীৱন-পণ লৈছিল বেজবৰুৱাই। বেজবৰুৱাৰ সামগ্ৰিক সাহিত্যকৰ্মতে পৰোক্ষ আৰু প্ৰত্যক্ষভাৱে অসমীয়াৰ ব্যক্তিসত্তা নিৰ্মাণৰ লক্ষ্য পৰিস্ফুট হয়। তাৰ ভিতৰত কোনোবাখিনিক বিশেষ বুলি চিনাক্ত কৰা কঠিন। আচলতে বেজবৰুৱাৰ সমগ্ৰ ৰচনাত অসমীয়া মানুহৰ ব্যক্তিত্ব নিৰ্মাণৰ সচেতন প্ৰয়াস পৰিলক্ষিত হয়। যদিও বেজবৰুৱাৰ সমগ্ৰ সাহিত্য ৰচনাৰ মাজতে সিঁচৰতি ৰূপত সেই চেতনা বিয়পি আছে, এই আলোচনা-পত্ৰৰ বাবে পোনপটীয়াভাৱে ব্যক্তিত্ব গঠন আৰু নিৰ্মাণৰ লগত জড়িত ৰচনাকহে বাছি লোৱা হ'ল—

— কামত কৃতিত্ব লভিবৰ সংকেত
— কাৰ্টুন
— ৰেণুকা

ইয়াৰ ভিতৰত প্ৰথম দুটাকেই এই আলোচনা পত্ৰত আলোচনা কৰা হ'ল। কাৰণ, এতিয়ালৈকে জাতিৰ প্ৰতি বেজবৰুৱাৰ দায়ৱদ্ধতাৰ সাক্ষ্য বহন কৰা এনে ৰচনাৰাজিৰ যথাযথ মূল্যায়নতো দূৰৰে কথা, এই বিষয়ে সৰহভাগ বুদ্ধিৰ চৰ্চা কৰা অসমীয়াই খবৰ ৰখা নাই। সাধাৰণতে একেজন মানুহৰ ব্যক্তিত্বত একেসময়তে এনে বিৰল গুণৰ সমাহাৰ অতি বিস্ময়কৰ কথা। বেজবৰুৱাৰ চিন্তাৰ সাম্প্ৰতিক সময়ত প্ৰায়োগিক প্ৰাসংগিকতা থকা এই বিশিষ্ট দিশক উদ্‌ঘাটন কৰিবলৈ এই আলোচনা পত্ৰত প্ৰয়াস কৰা হ'ল ।

**বাস্তৱ জীৱনৰ লগত প্ৰায়োগিক সংগতি থকা ব্যক্তিত্ব গঠনৰ  শিক্ষা আৰু বেজবৰুৱাৰ ৰচনা ঃ**

অসমৰ প্ৰতিটো মানৱসম্পদৰ অন্তৰ্নিহিত ব্যক্তিসত্তাৰ পৰিপূৰ্ণ বিকাশ সাধন কৰিলেহে অসমীয়াৰ সুপ্ত আত্মসত্তাক নিৰ্মাণ কৰিব পাৰিব বুলি বেজবৰুৱাই উপলব্ধি কৰিছিল। সেই লক্ষ্য আগত ৰাখি একেসময়তে শিশুৰ পৰা প্ৰাপ্তবয়স্কলৈকে প্ৰযোজ্য হ'ব পৰা পাঠ্যক্ৰমৰ উপযোগিতা থকা সাহিত্য ৰচনা কৰিছিল। 'কামত কৃতিত্ব লভিবৰ সংকেত', কাৰ্টুন আৰু 'ৰেণুকা' ৰ অন্তৰ্গত পাঠখিনিয়ে সৰ্বস্তৰৰ পাঠকৰ চিন্তা-চেতনাক জাগ্ৰত কৰি ব্যক্তিত্ব গঠনৰ ক্ষেত্ৰত পোনপতীয়া ভূমিকা গ্ৰহণ কৰিব পৰা ধৰণৰ বৈশিষ্ট্য বহন কৰিছে। তলত সেই বিষয়ে আলোচনা আগবঢ়োৱা হ'ল।

বাস্তৱ জীৱনৰ প্ৰায়োগিক কৰ্ম বুলি ক'লে কেৱল মানুহৰ অন্ন-বস্ত্ৰ-বাসস্থানৰ দৰে মৌলিক প্ৰয়োজন সামৰি ব্যক্তিগত জীৱনটোৱেই নহয়, সেই জীৱনটোৰ শাৰীৰিক, মানসিক অৱস্থা আৰু তাক আগুৰি ৰখা চৌপাশৰ পাৰিপাৰ্শ্বিকতাকেন্দ্ৰিক চিন্তা-চেতনা, সমস্যা আদিৰ পৰা উদ্ভৱ হোৱা বাস্তৱ সত্যও ইয়াত সন্নিৱিষ্ট হৈ থাকে। ব্যক্তিগত, পাৰিবাৰিক, সামাজিক, সাংস্কৃতিক, নৈতিক, অৰ্থনৈতিক, ৰাজনৈতিক সকলোধৰণৰ ক্ষেত্ৰ আগুৰি মানুহে জন্মৰ পৰা মৃত্যুলৈকে যাপন কৰিবলগীয়া জীৱনটোৰ স্তৰে স্তৰে পালনীয় কৰ্মও তাৰ মাজতে থাকে।

**বেজবৰুৱাৰ কামত কৃতিত্ব লভিবৰ সংকেত**

অসমৰ সৰ্বাংগীন উন্নতি কামনা কৰা বেজবৰুৱাৰ চিন্তাই আসমীয়া মানুহৰ অৰ্থাৎ মানৱসম্পদৰ সৰ্বাংগীন ব্যক্তিত্বৰ উত্থান মনে-প্ৰাণে কামনা কৰিছিল। সেইকাৰণেই ব্যক্তিত্বৰ সুস্থ আৰু সবল নিৰ্মাণৰ কাৰণে অসমৰ মানুহ আৰু পটভূমি চকুৰ আগত ৰাখি দৈনন্দিন পালনীয় ৫০ টি শিকন-সূত্ৰ নিৰ্মাণ কৰিছিল 'কামত কৃতিত্ব লভিবৰ সংকেত' নামেৰে। অসমীয়া জীৱন আৰু জগতৰ চিনাকি পৰিৱেশৰ পৰা গ্ৰহণ কৰা উদাহৰণৰে সৈতে অসমীয়া মানুহে বুজিব পৰাকৈ সেই সূত্ৰসমূহৰ ব্যাখ্যাও দাঙি ধৰিছে। বাস্তৱিকতে ব্যৱহাৰিক বাস্তৱৰ লগত সংগতি থকা প্ৰতিটো সূত্ৰৰ লগত দিয়া উদাহৰণৰ সাম্প্ৰতিক সময়ৰ লগত প্ৰাসংগিকতা আছে। 'কামত কৃতিত্ব লভিবৰ সংকেত'ৰ ৫০ টি সূত্ৰৰ—

— সদায় সঁচা কথা ক'বা
— বিশ্বাসৰ পাত্ৰ হ'বলৈ সদায় লক্ষ্য ৰাখিবা
— কেতিয়াও কৰ্তব্য কৰিবলৈ নিপিছুৱাবা
— কথা জুখি ঠিককৈ ক'বা
— নিজৰ দোষ ততালিকে স্বীকাৰ কৰিবা
— আত্মসন্মান সদায় অতি যতনেৰে ৰাখি চলিবা
— ক্ষুদ্ৰ বিষয়তো সৰল অকপট আৰু এহাশুধীয়া হ'বা
— সত্য পথত থাকি, আপোন অভিপ্ৰায় নিষ্কলংক ৰাখি ধন ঘটিবলৈ পুৰুষাৰ্থ কৰিব
— ধনৰ সদস্তুব্যয় কৰিবা
— তোমাৰ নিৰ্দিষ্ট কামত সদায় উপস্থিত থাকিবা

**'কামত কৃতিত্ব লভিবৰ সংকেত'ত ব্যক্তিত্ব নিৰ্মাণৰ শিকন-কৌশল**

জীৱনৰ বাস্তৱ প্ৰেক্ষাপটৰ লগত সংগিত ৰাখি কিদৰে নিজৰ ব্যক্তিত্ব নিৰ্মাণ কৰিব পাৰি সেই বিষয়ে যথাৰ্থ ব্যাখ্যাসহ সূত্ৰ নিৰ্মাণ কৰা বেজবৰুৱাৰ এই চিন্তাসমূহৰ লগত সাম্প্ৰতিক সময়ৰ জীৱন আৰু সমাজৰ সংযোগ আছে। কেৱল সাম্প্ৰতিক সময়ৰ লগতেই নহয়, সৰ্বকালৰ সৰ্বমানৱৰ ক্ষেত্ৰত প্ৰযোজ্য হোৱা এই সূত্ৰৰাজিৰ

সাৰ্বজনীন আৱেদন হ'ল— সৰ্বমানৱৰ কল্যাণ-কামনা। ইয়াৰ মাজত বেজবৰুৱাৰ নিজা জীৱনদৰ্শন নিহিত হৈ আছে। দ্ব্যৰ্থহীনভাৱে বেজবৰুৱাৰ সামগ্ৰিক ব্যক্তিত্বই অসম আৰু অসমীয়াৰ প্ৰতি সকলো সময়তে সমৰ্পিতপ্ৰাণ আছিল।

উদাহৰণ —

— সদায় সঁচা কথা ক'বা ঃ '— দেখা যায় যে মুদৈ সদাগৰৰ 'অফিচ'ৰ অনেক কাৰ্যকাৰকে মিছা কথা কৈ বা মিছা হিচাপ দি গ্ৰাহকক প্ৰৱঞ্চনা কৰি মালিকক ন্যায্য প্ৰাপ্যতকৈ অধিক ধন আনি দি লাভ কৰি নিজৰ কাৰ্যদক্ষতা দেখুৱাই তেওঁৰ প্ৰিয়পাত্ৰ হয় বা হ'বলৈ যতন কৰে। কিন্তু সেই কাৰ্যদক্ষ বেপাৰীয়ে এইফেৰা কথা পাহৰে যে সম্প্ৰতি তেওঁৰ মালিক তেওঁৰ ওপৰত যিমানেই সন্তুষ্ট হওক, সদায় সেই মালিকৰ এনে এটা চোভাৰ ভাব তেওঁৰ প্ৰতি নেথাকি নোৱাৰে যে এই অতি চতুৰ কৰ্মচাৰীজনে গ্ৰাহকক যেনেকৈ ফাঁকি দি তেওঁক টকা দিছে, তেওঁকো তেনেকৈ ফাঁকি দিব পাৰে; গ্ৰাহকক যেনেকৈ মিছা কথা কৈ লুটিছে, তেওঁকো তেনেকৈ লোটা অসম্ভৱ নহয়।'

— কথা জুখি ঠিককৈ ক'বা ঃ '— বহুত বেপাৰী-দোকানী-পোহাৰীয়ে নিজৰ বস্তু বেচিবৰ নিমিত্তে তাৰ গুণ ওফোন্দাই ফিকাই কয়। কিন্তু এবাৰ বা দুবাৰ সেই বস্তু ফিকনিত বিক্ৰী হ'লেও কিনোঁতাই ভৱিষ্যতলৈ তেওঁলোকৰ বস্তুৰ প্ৰকৃত গতিগোত্ৰ বুজি আকৌ সেই দোকানৰ দুৱাৰডলিত ডেৱলৈ কেৰজেৰ কৰে আৰু ডেব লাগিলেও সেই বেপাৰীৰ কথা অসাৰ ডাল-পাত কাটি দলিয়াই পেলাই আচলফেৰা ল'বলৈ হাতত কেচি লৈ আহে; আৰু কথাত ৰহন সনা বেপাৰীজনৰ কথা খৰা-মূৰা হৈ মিছাৰ শাৰীলৈ নামে।'

— নিজৰ দোষ ততালিকে স্বীকাৰ কৰিবা ঃ '— আপোনাৰ গাত ঘাটি হৈছে বুজিব পাৰিলে তাক স্বীকাৰ কৰা মানুহে লোকৰ পৰা সন্মান আৰু শ্ৰদ্ধা আকৰ্ষণ কৰে। দহজনে যাক প্ৰকৃত সন্মান আৰু শ্ৰদ্ধা কৰে তেৱেঁই উন্নত, আৰু তেওঁৰে জীৱন সাৰ্থক। যি কাৰ্যকাৰকে তেওঁৰ গৰাকীৰ আগত নিজৰ ভুল আৰু দায় মুকলি মনেৰে সৈ কাঢ়ে, সেই কাৰ্যকাৰকৰ ওপৰত গৰাকীৰ শ্ৰদ্ধা বাঢ়ে আৰু তাৰ ফলস্বৰূপে তেওঁৰ আগলৈ ভাল হোৱাটো ধ্ৰুৰূপ। যি নিজৰ দোষ বুজিও অস্বীকাৰ কৰি সেই ভুল মত বা কাৰ্য সাবটি থাকে, সেই বুজন নিৰ্গতক সকলোৱে গোঁৱাৰ আৰু সৰু মানুহ বুলি ভাবে।'

— আত্মসন্মান সদায় অতি যতনেৰে ৰাখি চলিবা ঃ '— কোনো কোনো লোকে ধন, সম্পত্তি, খোৱা-লোৱা বা অনুগ্ৰহৰ লোভত বিবেকৰ টেটুত খোৰোচা গাঁঠি দি তাক ওলোমাই থৈ, ডাঙৰ মানুহৰ খোচামোদ বা খাটনিত প্ৰবৃত্ত হয়। সিহঁত অতি ঘিণ লগা প্ৰাণী। সিহঁতৰ মনত নেখেলায় যে আত্মসন্মান বেচি পোৱা ধন-সম্পত্তি, অনুগ্ৰহ আদি অতি অকিঞ্চিৎকৰ। অনুগ্ৰহ দিওঁতাজনৰ মনতো সেই খোচামোদীয়াজন ঘৃণিত নহৈ নোৱাৰে, নিশ্চয় জানিবা। কিন্তু আত্ম সন্মান মানে ভেম বা মিছা অহংকাৰ নহয়। বহুতে আকৌ ভেমক আত্মসন্মানেৰে সৈতে সানমিহলি কৰি তেওঁলোক এই বিপদ পৰে।'

শিকন-সূত্ৰকেইটিৰ উদাহৰণৰ মাজতে জীৱন-যাত্ৰাৰ পদে পদে প্ৰয়োজন হোৱা কেইবাটিও শিকন-সমল নিহিত হৈ থকা পৰিলক্ষিত হয়—

জীৱনত সঠিক সিদ্ধান্ত গ্ৰহণৰ শিক্ষা। সিদ্ধান্ত সঠিক নহ'লে ভুল হয়, ভুলৰ পৰা উৎপন্ন হ'ব পৰা বিপদৰ আগজাননীৰ শিক্ষা।

মাতৃভাষাৰ সবল আৰু কলাত্মক প্ৰকাশশৈলী। বাছকবনিয়া নিটোল থলুৱা শব্দৰ সমাহাৰত বেজবৰুৱাৰ স্বতন্ত্ৰ আৰু নিভাঁজ উপস্থাপন শৈলী।

ভাৱৰ লগত সংগতি ৰাখি ব্যৱহাৰ কৰা আকৰ্ষণীয় ব্যঞ্জনাৰ্থৰ সুনিপুন প্ৰয়োগ, যি বহন কৰে একোটা ভাষাৰ কালিকা।

সহজাত ব্যংগ-টিপ্পনিৰ ব্যৱহাৰেৰে ৰসাল হৈউঠা বেজবৰুৱাৰ ভাষাশৈলীত প্ৰতিভাত হোৱা অসমীয়া মাতৃভাষাৰ কালিকা।

ডেল্ কাৰ্ণেগী, ডেল্ কাৰ্ণেগীৰ অনুবাদ কৰা পাৰ্থ চট্টোপাধ্যায় আদিৰ ব্যক্তিত্ব আৰু জীৱনৰ বিষয়ে এনে শিক্ষা দিয়া গ্ৰন্থবোৰৰ পিছে পিছে গ্ৰন্থমেলাবোৰত ছাত্ৰ-ছাত্ৰীয়েই নহয়, ছাত্ৰ-ছাত্ৰীৰ অভিভাৱককো দৌৰা দেখা যায়। নিজৰ ভাষাত ইমান বছৰৰ আগতেই সৰ্বকালৰ বাবে গ্ৰহণযোগ্য ৰূপত বেজবৰুৱাই ইমান আধুনিক চিন্তাৰ স্বাক্ষৰ ৰাখি থৈ যোৱা এনে শিকন-পাঠৰ কথা কিন্তু কোনেও নাজানে। আজিকালি দেখা যায়, অসমৰ মহাবিদ্যালয়-বিশ্ববিদ্যালয়তো ভিজিটিং লেক্‌চাৰাৰ আনি 'পাৰ্চনেলিটি ডেভলপমেন্ট'ৰ শিক্ষা দিয়া হয় ইংৰাজী মাধ্যমৰ ইংৰাজী সূত্ৰৰ গ্ৰন্থবোৰৰ জেৰ্ টানিহে। এনে শিকন-পাঠবোৰ বহুসময়ত থলুৱা পৰিৱেশ বা সমস্যাৰ লগত বিসংগিতপূৰ্ণ হয় অথবা চৰ্বিত-চৰ্বন নিষ্প্ৰাণ সূত্ৰৰে ভাৰাক্ৰান্ত হয়। তথাপি কিন্তু থলুৱা জীৱনবোধৰ লগত সংগতি থকা বাস্তৱৰ পৰিচিত পৰিৱেশৰ লগত সংগতি ৰাখি বেজবৰুৱাই ৰচনা কৰা শিকন-পাঠৰ খবৰ থাকিলেও গুৰুত্ব প্ৰদান কৰা নহয়। ইয়াৰ এটা প্ৰধান কাৰণ হ'ল অসমীয়া মানুহৰ আত্মধ্বংসী হীনমন্যতা। সেই হীনমন্যতাই অসমীয়া মানুহক নিজৰ আত্ম-সম্পদৰ ফালে ঘূৰি চাবলৈ উৎসাহিত নকৰে। অথচ বেজবৰুৱাই অসমীয়াৰ অন্তৰ্সত্তাক এই হীনমন্যতাৰ পৰা উদ্ধাৰ কৰিবলৈকে আজীৱন চেষ্টা কৰিছিল।

## সমাজ সংস্কৃতিৰ অতন্দ্ৰ প্ৰহৰী বেজবৰুৱাৰ কাৰ্টুন ঃ সাম্প্ৰতিক প্ৰাসংগিকতা

বিশাল ভাৰতীয়তাৰ পটভূমিত অসম আৰু অসমীয়াৰ আছে স্বতন্ত্ৰ বৈশিষ্ট্যৰে ঐশ্বৰ্যশালী এটি আত্ম-পৰিচয়। এই পৰিচয় এদিনীয়া নিৰ্মাণৰ পৰিণতি নহয়। কেৱল ভাৰতৰেই নহয় পৃথিৱীৰ আন আন জাতি-গোষ্ঠীবোৰৰ দৰেই অসমীয়া জাতিসত্তা নিৰ্মাণৰও আছে এক অতীত ইতিহাস। সময়ে সময়ে ঘটা সামাজিক-সাংস্কৃতিক-ৰাজনৈতিক বিভিন্ন উত্থান-পতনৰ বিপ্লৱ-জাগৰণ-আন্দোলন আদিয়ে মহা ভাৰতীয়তাৰ লগে লগে ভাৰতৰ আঞ্চলিক জাতিসত্তাসমূহৰ বিকাশৰ ক্ষেত্ৰতও সৃষ্টি কৰি আহিছে অনেক পৰিৱৰ্তন আৰু বিৱৰ্তন। সামগ্ৰিক ভাৰতীয়তাৰে ব্যাপক পৰিৱৰ্তন সাধন কৰা এনে এটি জাগৰণ আছিল ঊনবিংশ শতিকাৰ নৱজাগৰণ। ভাৰতবৰ্ষত ইংৰাজৰ ৰাজনৈতিক খোপনিৰ কেন্দ্ৰ আছিল কলকতা। ভাৰতৰ অন্য প্ৰান্ততকৈ আগতীয়াকৈ ইংৰাজৰ লগত পৰিচয় আৰু প্ৰত্যক্ষ সংযোগ ঘটিছিল বংগবাসীৰ। একেসময়তে স্বাধীনতা সংগ্ৰামৰ সমান্তৰালভাৱে ভাৰতবৰ্ষজুৰি আৰম্ভ হৈছিল আঞ্চলিক স্বতন্ত্ৰতাৰে সামাজিক-সাহিত্যিক-সাংস্কৃতিক উত্থানৰো বিপ্লৱ। আত্ম অস্তিত্বৰ শিপাক চিনাক্ত কৰি স্বাভিমানৰ পোহৰত উদীপ্ত হৈ সকলো দিশতে আত্ম-উদ্বোধন কৰিবলৈ তৎপৰ হৈ উঠিছিল শিক্ষিত ভাৰতীয় সমাজ।

### বেজবৰুৱাৰ কবি আৰু কবিতা সম্পৰ্কীয় কাৰ্টুন




* বাঁহী : ৩য় বছৰ, ২য় সংখ্যা, ১৮৩৩ শক




কাৰ্টুন চিত্ৰ—১ বংগদেশত ৰোমান্টিক নৱজাগৰণৰ সময়ত প্ৰভাৱশালী কবি ৰবীন্দ্ৰনাথ ঠাকুৰৰ প্ৰতিভাই সমগ্ৰ ভাৰতবৰ্ষতে প্ৰভাৱ বিস্তাৰ কৰিছিল। ৰবীন্দ্ৰনাথৰ দৰে কবিতাৰ মান ৰক্ষা কৰিব নোৱাৰিব পাৰে বুলি এক ধৰণৰ মানসিকতাই গঢ় লোৱাৰ সম্ভাৱনাক নুই কৰিব নোৱাৰি। বেজবৰুৱাই এই কাৰ্টুনৰ জৰিয়তে সেই সময়ৰ কবিতাৰ চৰ্চা কৰা কবিসকলক কাব্যচৰ্চাৰ বাবে উৎসহিত কৰিছিল এইদৰে। অসমৰ ঐতিহ্য সোঁৱৰাই কবিসকলৰ মনোবল আৰু আত্মবিশ্বাস বৃদ্ধি কৰিছিল।

কাৰ্টুনচিত্ৰ— ২ ৰ প্ৰাসংগিকতা আজিকালি কবিতাৰ পাঠকতকৈ হাজাৰ গুণে বৃদ্ধি পোৱা কবি আৰু কবিতাৰ লগত ৰিজাব পাৰি। জ্ঞানৰ গৰ্বক লৈও কাৰ্টুন চিত্ৰ আছে।




* বাঁহী : ১ম বছৰ, ( ১৯৩১ শক )

## ভাষা-বিভ্ৰাট




## উপসংহাৰ

— মানুহৰ ব্যক্তিত্বৰ সুস্থ সবল আৰু ৰুচিসন্মত নিৰ্মাণৰ পৰাহে ব্যক্তিগত আৰু সামূহিক কল্যাণ সাধন হয়। বেজবৰুৱাহ এই সত্য উপলব্ধি কৰিয়েই অসমীয়া মানুহৰ ব্যক্তিত্ব নিৰ্মাণত গুৰুত্ব দিছিল।

— এটা ঐতিহাসিক অভিযানৰ নেতৃত্ব বহন কৰি বেজবৰুৱাই প্ৰায় অকলশৰেই অসমীয়াৰ সামগ্ৰিক অসমীয়াআত্মসত্তা নিৰ্মাণৰ সৰ্ব দায়িত্ব অৱলীলাৰে কান্ধ পাতি লৈছিল।

— বেজবৰুৱাৰ ব্যক্তিত্ব-নিৰ্মাণৰ পাঠসমূহ সহজবোধ্য জ্ঞান, চিত্তাকৰ্ষকৰসবোধ, নিৰ্বাচিত থলুৱা শব্দ আৰু বুদ্ধিদীপ্ত ব্যংগৰ জতুৱা উপস্থাপনশৈলীৰ সমাহাৰত অতুলনীয় হৈ উঠা প্ৰায়োগিক জ্ঞানৰ ভঁৰাল।

— বিদ্যালয়-মহাবিদ্যালয় আৰু আনকি বিশ্ববিদ্যালয়বোৰ 'পাৰ্ছনেলিটি ডেভলপমেন্ট'ৰ দৰে পাঠ্যক্ৰমবোৰ মন-মগজু আৰু হৃদয়ৰ একেলগে বিকাশ সাধন কৰিব পৰা এনে পাঠৰ সংযোজন হোৱা উচিত।

### সামৰণি ঃ

দুৰ্ভাগ্যজনকভাৱে বেজবৰুৱাৰ মৃত্যুৰ ইমান বছৰৰ পিছতো বেজবৰুৱাৰ উত্তৰসূৰী অসমীয়াই বেজবৰুৱাই নিৰ্মাণ কৰি থৈ যোৱা অসমীয়া আত্মসত্তাৰ কোনো বিকাশ সাধন কৰিব পৰা নাই। বেজবৰুৱাৰ নিৰ্মিত আত্মসন্মানৰ আলোকত উজ্জীৱিত অসমীয়া সত্তাৰ ৰক্ষণাবেক্ষণ দূৰৰে কথা বেজবৰুৱাকেই যথাৰ্থভাৱে ধৰি ৰাখিব পৰা নাই। অসমীয়াৰ যথাৰ্থ আত্মপৰিচয় নিৰ্মাণ কৰা বেজবৰুৱাক অসমীয়া সৰ্বসাধাৰণে জনাকৈ প্ৰতিষ্ঠা কৰিব পৰা নাই। এটাই আনটোক স্বীকৃতি দিব নোখোজা কিছুমান বৌদ্ধিক বৃত্তৰ কৰ্তৃত্বৰ মাজত সৰ্বসাধাৰণৰ মাজলৈ প্ৰসাৰিত হ'বলৈ নিদিয়াকৈ বেজবৰুৱা সম্পৰ্কীয় অধ্যয়নৰ পৰিসৰক আৱদ্ধ কৰি ৰাখিলে বেজবৰুৱাও হেৰাব আৰু বেজবৰুৱাৰ নিৰ্মিত অসমীয়াৰ আত্মসত্তাৰ ভৱিষ্যতো হেৰাব।

●●●

# ডিব্ৰুগড়ঃ তথ্যৰ দাপোণত অতীতৰ এডোখৰ

**প্ৰসেনজিৎ চৌধুৰী**

**ডি**ব্ৰুগড়ক লৈ যদি কোনোবাই গৌৰৱ কৰিব বিচাৰে তেন্তে তেওঁ অৱধাৰিতভাৱে অতীতলৈ ঢাপলি মেলিব লাগিব। কিয়নো অধিকাংশ ক্ষেত্ৰত গৌৰৱবোধে পুষ্টি আহৰণ কৰে অতীতৰ পৰা। বিভিন্ন সূত্ৰৰ পৰা সংগৃহীত তথ্যৰ ভিত্তি ক'ব পাৰি যে এসময়ত এই চহৰখন আছিল জিলিকা অসমৰ এখন নামজ্বলা চহৰ। শ্যামকুমাৰ বিদ্যাৰত্ন নামৰ এজন ব্ৰাহ্ম প্ৰচাৰক কলিকতাৰ পৰা কেইবাবাৰো অসমলৈ আহিছিল। তেওঁ লিখা উদাসীন সত্যশ্ৰবাৰ আসাম ভ্ৰমণ' শীৰ্ষক পুথিখনত অসমৰ সামাজিক ইতিহাস সম্পৰ্কে বহু মূল্যবান তথ্য পোৱা যায়। বন্ধুবৰ মুনীন শৰ্মাই কথা পুথিখনৰ অসমীয়া অনুবাদৰ পৰা দুটামান বাক্য উদ্ধৃত কৰিলে আমি তাহানিৰ ডিব্ৰুগড়ৰ গৌৰৱময় অতীতৰ কিছু সম্ভেদ পাম। ১৮৮১ চনত প্ৰকাশ পোৱা ভ্ৰমণ-বৃত্তান্তত বিদ্যাৰত্নই লিখিছে— 'চাকচিক্যৰ দিশত অসমৰ ভিতৰত গুৱাহাটীৰ বাহিৰে আন কোনো স্থান নগৰ যেন বোধ নহয়। কিন্তু ডিব্ৰুগড় তেনে নহয়। ইয়াৰ ইংৰাজসকলৰ বাসস্থানবোৰ আৰু ৰাজকীয় কাৰ্যালয়াদি পৰিদৰ্শন কৰিলেই বুজা যায় ই এখন সুন্দৰ চহৰ।' ১৮৮৯ চনত প্ৰকাশিত অজ্ঞাতনামা লেখকৰ 'আসাম ভ্ৰমণ' নামৰ বাংলা পুথিখনতো আমি ডিব্ৰুগড়ৰ সৌন্দৰ্যৰ উল্লেখ পাওঁ। চহৰখনৰ যি এলেকাত শ্বেতাংগসকলৰ বসবাস সেই এলেকাক তেখেতে 'ডেব্ৰুগড়েৰ চৌৰঙ্গী' বুলিছে। এই চৌৰঙ্গী-সদৃশ এলেকাতেই আছিল এক দৃষ্টিনন্দন স্থাপত্য কৃতি ডিব্ৰুগড়ৰ সুউচ্চ আৰু সুদৃশ্য গীৰ্জাটো। 'অতি মনোহৰ' এই উপাসনালয়টোৰ দৰে সুন্দৰ গীৰ্জা কলিকতাৰ বাহিৰে বঙ্গৰ অন্য ঠাইত নাই বুলিয়েই ৰামকুমাৰ বিদ্যাৰত্নই তেওঁৰ পুথিত ইংগিত দিছে। বিগত শতিকাৰ পঞ্চাশৰ দশকত ব্ৰহ্মপুত্ৰৰ বুকুত জাহ গ'ল এই মনোহৰ গীৰ্জাটো। শান্তি গগৈৰ স্মৃতিচাৰণ ধৰ্মী ৰচনাৰ পৰা জনা যায় যে ভ্ৰমণকাৰীৰ প্ৰশংসা-ধন্য গীৰ্জাটো নদীৰ বুকুত জাহ যোৱাৰ দিনা এটা প্ৰচণ্ড শব্দই চহৰখন কঁপাই তুলিছিল, "কাৰণ গীৰ্জাঘৰটো থিয়ৈ থিয়ৈ একেবাৰতে ব্ৰহ্মপুত্ৰৰ বুকুত সোমাই পৰিছিল।"

ডিব্ৰুগড়ৰ নিকট অতীতৰ বুৰঞ্জীত এনে কেতবোৰ সমাচাৰ পোৱা যায় যিবোৰৰ ওপৰত ভেজা দি ডিব্ৰুগড়ীয়াই গৌৰৱ কৰিব পাৰে। উদাহৰণ হিচাপে ক'ব পাৰি যে ১৮৮৫ চনত এই চহৰতেই প্ৰথমখন চৰকাৰী ছোৱালী স্কুল স্থাপিত হয়। স্ত্ৰী-শিক্ষাৰ প্ৰসাৰত স্কুলখনৰ অৱদান ইতিহাসখ্যাত। যোগাযোগৰ ইতিহাসতো ডিব্ৰুগড়ৰ নাম স্মৰণীয় হৈ আছে। ১৮৮৪ চনৰ ১৮ ফেব্ৰুৱাৰীৰ দিনা ডিব্ৰুগড়ৰ পৰা লিডুলৈ চলিছিল প্ৰথমখন যাত্ৰীবাহী ৰে'ল। সেইদিনাৰ যাত্ৰাত অন্যান্য আমন্ত্ৰিত ব্যক্তিৰ সৈতে জন বেৰী হোৱাইটেও অংশ লৈছিল। উল্লেখ্য যে অসমত ৰে'লপথ নিৰ্মাণৰ যি আঁচনি যুগুত কৰা হৈছিল তাৰ আঁৰৰ অন্যতম মানুহজন আছিল বেৰী হোৱাইট। এই গৰাকী ভীমকৰ্মা আৰু দূৰদৰ্শী চিকিৎসক-ব্যৱসায়ীৰ দানেৰেই ১৯০০ চনত ডিব্ৰুগড়ত স্থাপিত হয় বেৰী হোৱাইট মেডিকেল স্কুল। বেৰী হোৱাইটে স্কুল প্ৰতিষ্ঠাৰ কাৰণে ৫০০০০ টকা দান দি গৈছিল। ইচ্ছাপত্ৰত তেওঁ মাত্ৰ এটা চৰ্ত ৰাখিছিল— তেওঁৰ বৰঙণিৰে ডিব্ৰুগড়তেই স্কুলখন পাতিব লাগিব। মেডিকেল স্কুলখনৰ উদ্বোধক চীফ কমিছনাৰ ফুলাৰ চাহাবৰ মনত স্কুলখনৰ তাৎক্ষণিক সাফল্য সম্পৰ্কে সংশয় থাকিলেও চিকিৎসা বিজ্ঞানৰ প্ৰতি আগ্ৰহী বিদ্যাৰ্থীৰ অভাৱ কিন্তু দেখা নগ'ল। ডিব্ৰুগড়ৰ এই স্কুলখনৰ পৰাই অসমত আধুনিক চিকিৎসা বিজ্ঞানৰ শিক্ষাৰ সূচনা। বৰ্তমানৰ অসম মেডিকেল কলেজৰ ভ্ৰূণ লুকাই আছিল এইখন মেডিকেল স্কুলতেই। স্বাভাৱিকতে বেৰী হোৱাইট মেডিকেল স্কুলক লৈ গৰ্ব কৰা ডিব্ৰুগড়ীয়াৰ অভাৱ নাই। এইখিনিতে আৰু এটা কথা উনুকিয়াই

*লেখক অসমৰ এগৰাকী বিশিষ্ট চিন্তাবিদ তথা ডি. আৰ. কলেজ, চাবুৱাৰ ইংৰাজী বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক।*

থ'ব পাৰি। ডিব্ৰুগড়ৰ ডাঃ উমেশ চন্দ্ৰ মুখাৰ্জীয়ে ১৯১৪ চন বা তাৰো কিছু আগতে প্ৰথমবাৰৰ বাবে অসমীয়া গীত বাণীবন্ধ কৰে। ইয়াৰ প্ৰায় দহ বছৰৰ পিছত প্ৰফুল্ল চন্দ্ৰ বৰুৱাই চাৰিটা অসমীয়া গান ৰেকৰ্ড কৰে। বহুতে বৰুৱা অসমীয়া ভাষাত গীত বাণীবদ্ধ কৰি প্ৰচাৰ কৰা প্ৰথম গায়ক বুলি ক'ব খোজে। অনুসন্ধিৎসু লেখক মনজিৎ ৰাজকোঁৱৰে এইচ. এম. ভি.ৰ ৰে'কৰ্ডৰ পুৰণি তালিকা সংগ্ৰহ কৰি প্ৰমাণ্য তথ্যৰ ভিত্তিত 'সাতসৰী' (মে', ২০২২) ত লিখা এটা প্ৰবন্ধত দেখুৱাইছে যে ডিব্ৰুগড়ৰ ডাঃ উমেশ চন্দ্ৰ মুখাৰ্জীয়ে এইচ এম ভিত বাণীবদ্ধ কৰা গানকেইটা হ'ল ৰে'কৰ্ডৰ বুকুত প্ৰাণ পাই উঠা প্ৰথম অসমীয়া গীত। (উমেশ চন্দ্ৰ মুখাৰ্জীক প্ৰাপ্য স্বীকৃতি দিয়াৰ উদ্দেশ্যে দেৱৰঞ্জন ধৰেও এটা প্ৰবন্ধত কিছু আপুৰুগীয়া তথ্য দাঙি ধৰিছিল।)

ডিব্ৰুগড়ৰ নিকট অতীতৰ এটা গুৰুত্বপূৰ্ণ ঘটনা হ'ল ইম্পিৰিয়েল বেংক অৱ ইণ্ডিয়াৰ শাখা স্থাপন। আমাৰ সকলোৰে পৰিচিত ষ্টেট বেংকৰ অৱ ইণ্ডিয়াৰ সূচনা এই ইম্পিৰিয়েল বেংক অৱ ইণ্ডিয়াৰ পৰাই। বম্বে, মাদ্ৰাজ আৰু বেংকলৰ তিনিটা প্ৰেচিডেন্সি বেংকক একত্ৰিত কৰি ১৯২১ চনত গঠিত হয় আধুনিক প্ৰণালীৰে পৰিচালিত 'ইম্পিৰিয়েল বেংক অৱ ইণ্ডিয়া'। তাৰ দুবছৰ পিছতেই— আজিৰ পৰা এশবছৰ পূৰ্বে ডিব্ৰুগড়ত আৰম্ভ হয় ইম্পিৰিয়েল বেংক অৱ ইণ্ডিয়াৰ শাখা। এই কথাটোৱে সৰ্বভাৰতীয় বিত্তীয় মানচিত্ৰত ডিব্ৰুগড়ৰ গুৰুত্বৰ কথা প্ৰতিপন্ন কৰে। বিশেষভাৱে উল্লেখ্য বিষয়টো হ'ল, ডিব্ৰুগড়ৰ এই বেংকটোৱেই আছিল উত্তৰ পূব ভাৰতত স্থাপন কৰা ইম্পিৰিয়েল বেংক অৱ ইণ্ডিয়াৰ প্ৰথম শাখা। ডিব্ৰুগড়ৰ অতীত সম্পৰ্কেও ওৱাকিফহাল দীপালী বৰুৱাৰ এটা লেখাৰ পৰা জনা যায় যে ৰাধাগোবিন্দ বৰুৱা আৰু কেমৰন চাহাবৰ উদ্যোগত চহৰখনত ইম্পিৰিয়েল বেংক অৱ ইণ্ডিয়াৰ শাখা প্ৰতিষ্ঠিত হয় ১৯২৩ চনত। এটা সূত্ৰ অনুযায়ী কৃতী পুৰুষ ৰাধাগোবিন্দ বৰুৱা আছিল এই বেংকৰ প্ৰথম অসমীয়া কৰ্মচাৰী। দীপালী বৰুৱাৰ লেখাটোত অৱশ্যে এই তথ্যটোও নাই। (মন কৰিবলগীয়া যে ডেকাকালত কলিকতালৈ গৈ ৰাধাগোবিন্দই চৰ্ট হেণ্ড, একাউন্সেন্সি আদি শিকি আহিছিল।) ইম্পিৰিয়েল বেংক অৱ ইণ্ডিয়াত ৰাধাগোবিন্দ বৰুৱা আৰু তেখেতৰ দেউতাকৰ একাউণ্ট আছিল। ডিব্ৰুগড়ৰ আন বহুতো গণ্য-মান্য ব্যক্তিৰ একাউণ্টো এই বেংকত থকাৰ সমাচাৰ ভীমকান্ত কোঁৱৰৰ এটা তথ্যপূৰ্ণ লেখাত পোৱা যায়। এইসকলৰ ভিতৰত কেইজনমান হ'ল— লক্ষ্মীনাথ দত্ত, প্ৰসন্ন কুমাৰ বৰুৱা, ডাঃ ফণীন্দ্ৰ নাথ ঘোষ, ডাঃ উমেশ মুখাৰ্জী, ফাইজনুৰ আলি, চয়িদুৰ ৰহমান, লোকেশ্বৰ ফুকন, যোগেশ চন্দ্ৰ দাস, নপৎৰয় কেডিয়া, হনুৎৰাম ৰামপ্ৰতাপ। অসমৰ আন ঠাইত বেংক নথকাৰ কাৰণে শিৱসাগৰ, যোৰহাট আদি চহৰৰ আঢ্যৱন্ত লোকে ডিব্ৰুগড়ৰ ইম্পিৰিয়েল বেংক অৱ ইণ্ডিয়াত একাউণ্ট খুলিছিল। দুটামান নাম ইয়াত উল্লেখ কৰিব পাৰি— ৰাধানাথ ফুকন, কৃষ্ণকান্ত সন্দিকৈ, বিমলা প্ৰসাদ চলিহা। কালিৰাম মেধি, নবীন চন্দ্ৰ বৰদলৈ।

ব্যক্তিৰ উপৰি বিভিন্ন প্ৰতিষ্ঠানৰ একাউণ্টৰ তথ্যও ইম্পিৰিয়েল বেংক অৱ ইণ্ডিয়াৰ নথি পত্ৰত আছে। এইবোৰৰ ভিতৰত অসম সাহিত্য সভা আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ নাম বিশেষভাৱে উল্লেখ্য। আৰু এটা চিত্তাকৰ্ষক আৰু সামাজিক ইতিহাসৰ কাৰণে গুৰুত্বপূৰ্ণ বিষয় হ'ল— আৰম্ভণিৰে পৰা ইম্পিৰিয়লে বেংক অৱ ইণ্ডিয়াৰ প্ৰামাণিক কাগজ-পত্ৰত মহিলাৰ নাম পোৱা যায়। কেৱল ইউৰোপিয়ানেই নহয়, ভাৰতীয় মহিলাৰ নামতো একাউণ্ট খোলাৰ প্ৰমাণ আছে। এইসকলৰ ভিতৰৰ কেইগৰাকীমানৰ নাম আমি ভীম কোঁৱৰৰ উল্লিখিত প্ৰবন্ধটোৰ পৰা বুটলি আনিব পাৰোঁ— হেমপ্ৰভা দাস, গৌৰীপ্ৰভা চলিহা, কুন্তী ফুকননী, ৰত্নকুমাৰী ৰাজখোৱানী। বেংকত নিজৰ নামত মহিলাই টকা জমা ৰখা তথ্যটোৱে সমাজ জীৱনত গা কৰি উঠা নতুন প্ৰৱণতাৰ সাক্ষ্য বহন কৰে। এটা অৰ্থত মহিলা সবলীকৰণৰ ই যেন প্ৰথম পদক্ষেপ।

ডিব্ৰুগড়ৰ বিকাশৰ লগত কেতবোৰ অৰ্থনৈতিক স্বাৰ্থৰ সম্পৰ্ক নথকা নহয়। আমি জানো, চাহৰ উপৰি তেল আৰু কয়লাৰ ব্যৱসায়ৰ সৈতে উজনি অসমত যোগাযোগ ব্যৱস্থাৰ প্ৰৱৰ্তন কাহিনীযুক্ত। ডিব্ৰুগড়ৰ পৰা শদিয়ালৈ যোৱা পথটোৰ দুয়োকাষে পঞ্চাশতকৈ অধিক চাহ বাগিচা আছিল। কোনো সন্দেহ নাই যে ৰে'ল লাইন পতাৰ পিছত বাগিচাৰ মালিক পক্ষই সন্মুখীন হোৱা যোগাযোগৰ সমস্যা কিছু পৰিমাণে হ্ৰাস পাইছিল। ঠিক সেইদৰে ইম্পিৰিয়েল বেংক অৱ ইণ্ডিয়া স্থাপন কৰাৰ ফলত বেপাৰ - বাণিজ্যৰ কিছুমান অসুবিধা দূৰ হৈছিল বুলি অক্লেশে অনুমান কৰিব পাৰি। সেই সময়ত ডিব্ৰুগড়ৰ বাণিজ্যিক বাতাবৰণ বৰ পিছ পৰা নাছিল। উদাহৰণ হিচাপে Lakhimpur Oil Mills Ltd. ৰ কথা ক'ব পাৰি। তেল উৎপাদন কৰা এই কলঘৰটো ১৯০৮ চনত পঞ্জীভুক্ত কৰা হৈছিল। তেলৰ এই ব্যৱসায়ত বৃটিছ পুঁজি বিনিয়োগ কৰা হৈছিল। অৱশ্যে এই বৃটিছ কোম্পানীটোত দুগৰাকী মাৰোৱাৰী লোকৰো শ্বেয়াৰ থকা বুলি জনা যায়। উল্লেখ কৰিব পাৰি যে ডিব্ৰুগড়তে মাৰোৱাৰী ব্যৱসায়ীৰ সংখ্যা বৰ কম নাছিল। হৰিবিলাস আগৰৱালাৰ আত্মচৰিতৰ পৰা জানিব পাৰি যে "কেঞ্জাপট্টিত ১৭ ঘৰ কেঞ্জা বেপাৰী আছিল।" এওঁলোকৰ সংখ্যা পৰৱৰ্তী কালত বাঢ়িল আৰু বহুতেই চহৰখনৰ নিগাজি বাসিন্দা হৈ পৰিল। অস্থায়ীভাৱে ডিব্ৰুগড়ত থকা ব্যৱসায়ীও নিশ্চয় আছিল। এটা উদাহৰণ দিওঁ। বাণিজ্যৰ লগত সম্পৰ্ক থকা আনন্দিলাল

পোদ্দাৰ নামৰ এজন মাৰোৱাৰী লোক ঊনৈশ শতিকাৰ শেষ ভাগত বম্বেৰ পৰা কলিকতা হৈ ডিব্ৰুগড়লৈ অহাৰ আৰু ইয়াতে কিছুদিন থকাৰ তথ্য পোৱা যায়। আমি এই ধৰণৰ তথ্যবোৰ পৰিৱেশন কৰাৰ ঘাই উদ্দেশ্যে হ'ল — অসমত বিশেষকৈ উজনি অসমত, বেপাৰ বাণিজ্যৰ সম্প্ৰসাৰণ ঘটিছিল যাৰ ফলশ্ৰুতিত আধুনিক পদ্ধতিৰ পৰিচালিত বেংকৰো প্ৰয়োজন অনুভূত হ'ব ধৰিলে। মূলতঃ এই প্ৰয়োজনবোধৰ পৰাই ইম্পিৰিয়েল বেংক অৱ ইণ্ডিয়াৰ ডিব্ৰুগড় শাখাৰ সূচনা আৰু বৰ্তমান ইয়েই আমাৰ ষ্টেট বেংক অৱ ইণ্ডিয়া।

**ব্যৱহৃত উৎসসমূহ ঃ**


ডম্বৰুধৰ নাথ সম্পাদিত, ***ডিব্ৰুগড়ৰ বুৰঞ্জী***

চিদানন্দ বৰুৱা, ***অসম বুৰঞ্জীৰ অপ্ৰকাশিত তথ্য সম্ভাৰ***

প্ৰশান্ত চক্ৰৱৰ্তী সম্পাদিত, ***ৰাগ-অনুৰাগ***

শান্তি গগৈ, ***সোঁৰৰণিৰ ৰঙীন পাত***

হৰিবিলাস আগৰৱালা, ***আত্মজীৱনী***

ৰামকুমাৰ বিদ্যাৰত্ন, ***উদাসীন সত্যশ্ৰবাৰ অসম ভ্ৰমণ*** (অনুবাদ ঃ মুনীন শৰ্মা)

শিৱনাথ বৰ্মন, ***অসমীয়া জীৱনী অভিধান***

***আসাম ভ্ৰমণ***

S. Purkayastha, ***Indigenous Industries of Assam***

P. Goswami, *Colonial Assam : Trade, Development and Dependence*

H.K. Borpujari ed., *The Comprehensive History of Assam, Volume IV & V*

T.A. Timberg, *The Marwaris- From Jagat Seth to the Birlas*

**স্যামন্তক**/ *Syamantak* (Souvenir- Platinum Jubilee Celebration -SBI)

***সাতসৰী, নৱেম্বৰ, ২০২২***

**সাতসৰী, মে', ২০২২**

***https-assamtribune.com./amp/dibrugarh-marko-210th-foundation-day-of-SBI accessed on 25/4/2023***


●●●

**সম্পাদকৰ টোকাঃ বিষয়বস্তুৰ গুৰুত্ব উপলব্ধি কৰি বিশিষ্ট চিন্তাবিদগৰাকীৰ ডিব্ৰুগড় বিষয়ক পূৰ্ব প্ৰকাশিত এই বহুচৰ্চিত, তথ্যনিষ্ঠ প্ৰবন্ধটো তেখেতৰ সন্মতি সহকাৰে প্ৰকাশৰ বাবে গ্ৰহণ কৰা হৈছে।**


**SHANTI**
**BASTRALAYA**

**A House for**
**School, College, Medical College & University Uniform**

**Main Showroom :**
Mahalaya Road, Near Ranisati Mandir, Dibrugarh-786001
**Mobile : +91 8134857833**

**Branch Showroom:**
K.C. Gogoi Path, Near Sampoorna Kendra Vidyalaya
Khalihamari Road, Dibrugarh-786001, Assam
**Mobile : 8638875797 / 0373-3597079**

# পঞ্চাশৰ বৰভূঁইকপ আৰু ছগৰাকী মানৱ-হিতৈষী

ভূষণজ্যোতি সন্দিকৈ

**পা**ৰ হৈ যোৱা দুটা শতিকাৰ দুটা ঘটনাই আজিও অসমবাসীৰ হৃদয়-মন আলোড়িত কৰি যায়। সেই দুটা ঘটনা হৈছে উনবিংশ শতিকাৰ মানৱ দিনৰ আতংক আৰু আনটো হৈছে বিংশ শতিকাৰ মাজ ভাগত সংঘটিত পঞ্চাশৰ বৰভূঁইকঁপ। ইয়াৰে প্ৰথমটো ৰাজনৈতিক ঘটনা আৰু দ্বিতীয়টো প্ৰাকৃতিক। প্ৰাকৃতিক ঘটনা নিয়ন্ত্ৰণত মানুহৰ হাত নাই। পঞ্চাশৰ ভূমিকম্প আৰু তাৰ পাছত হোৱা প্ৰবল বানপানী আৰু গড়াখহনীয়াই বিশেষকৈ উজনি অসমৰ ডিব্ৰুগড়, লখিমপুৰ, ধেমাজি, বৰদলনি, আৰু আৰুণাচলৰ আবৰ আৰু মিচিমি পাহাৰ খহি যি ধ্বংসলীলা সংঘটিত হৈছিল সেইবোৰ পঢ়ি-শুনি গাৰ নোম শিয়ৰি উঠে। ১৯৫০ চনৰ ১৫ আগষ্টৰ দিনা আৰম্ভ হৈছিল প্ৰলয়ংকৰী ভূমিকম্প। ভূমিকম্পৰ জোকাৰণি মাজে মাজে এমাহলৈকে চলি আছিল বুলি লিপিবদ্ধ তথ্য আছে। ভূমিকম্পৰ ফলত উজনি অসমত ব্যাপক ভূ-প্ৰাকৃতিক পৰিৱৰ্তন সংঘটিত হৈছিল। ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপ-নৈ সমূহৰ পৃষ্ঠভাগ ওপৰলৈ উঠি আহিছিল। খেতি-বাতি, গছ-গছনি, পশুধনৰ লগতে হাজাৰ হাজাৰ লোকৰ মৃত্যু হৈছিল। তাৰ সঠিক হিচাপ উলিয়াব পৰা নহ'ল। কেৱল অনুমানহে কৰা হ'ল। অসমৰ ১০/১১ লাখ লোকৰ ঘৰবাৰী-মাটি-ভেটি হেৰাল সেই ভূমিকম্পত।

সেই সময়তে ভূমিকম্পৰ দুৰ্যোগ-দুৰ্দশাৰ মাজতে ডিব্ৰুগড়ত সংঘটিত হৈছিল আন এক অসহনীয় দুখজনক ঘটনা। ১৯৫০ চনৰ ২২ অক্টোবৰৰ দিনা অসমৰ তদানীন্তন খাদ্যমন্ত্ৰী অমিয় কুমাৰ দাসৰ নেতৃত্বত ডিব্ৰুগড়ৰ উত্তৰ পাৰৰ বান-খহনীয়াত আক্ৰান্ত দুৰ্গতসকলক সাহায্য দিবলৈ গৈ ছজনকৈ মানৱ-হিতৈষী পুৰুষে ব্ৰহ্মপুত্ৰৰ বুকুত প্ৰাণ বিসৰ্জন দিবলগীয়া হ'ল। গোটেই অসম শোকত ম্ৰিয়মান হৈ পৰিল। সেই ছগৰাকী মানৱদৰদী সমাজ-হিতৈষী ব্যক্তি আছিল নিস্বাৰ্থ কংগ্ৰেছ-কৰ্মী জীৱন ৰাম ফুকন, বংগৰ সমাজসেৱক তথা 'শ্ৰীকাশী বিশ্বনাথ সেৱা সমিতি'ৰ সম্পাদক বাবুলাল পোদ্দাৰ, কৰ্তব্যনিষ্ঠ ৰাজহ বিষয়া (এছ ডি চি) অজয় মেচ, মাৰোৱাৰী ৰিলিফ ছ'চাইটিৰ যোগাযোগ শাখাৰ সম্পাদক হনুমান সিংহানিয়া, যুৱ-সমাজকৰ্মী, ছাত্ৰ ৰুদ্ৰ বৰঠাকুৰ আৰু আৰক্ষী কনিষ্টবল গৌৰচান্দ সিং। এই আটাইকেইজনকে পৰৱৰ্তী সময়ত মানৱহিতৈষী শ্বহীদ হিচাপে ঘোষণা কৰা হয় আৰু তেওঁলোকৰ স্মৃতিত 'ছহিদ তৰ্পণ' শীৰ্ষক এখনি সোঁৱৰণী পুথি আসাম ট্ৰিবিউনৰ তেতিয়াৰ সাংবাদিক নবীন চন্দ্ৰ বৰদলৈ আৰু টাইমছ অৱ আছাম কাকতৰ প্ৰাক্তন সম্পাদক সাৰদাশংকৰ প্ৰসাদ দত্তৰ সম্পাদনাত প্ৰকাশ কৰি ১৯৫১ চনৰ গণৰাজ্য দিৱসৰ দিনা আনুষ্ঠানিকভাৱে উন্মোচন কৰা হৈছিল। প্ৰথম প্ৰকাশ হোৱাৰ পৰা সাতটা দশকৰ পাছত পুথিখন এতিয়া পাবলৈ নোহোৱা হ'ল। মাজতে ২০০৭ চনত পুথিখনৰ দ্বিতীয় মুদ্ৰণ হৈছিল যদিও তাৰ কপিও এতিয়া পাবলৈ নাইকিয়া। পিছে সোঁৱৰণী পুথিখনৰ এটা কপি কিবাকৈ জীৱনৰাম ফুকনৰ ভতিজাক তথা ডিব্ৰুগড়ৰ বিধায়ক শ্ৰীযুত প্ৰশান্ত ফুকনদেৱে কোনো ব্যক্তিৰ পৰা উদ্ধাৰ কৰি আনিছিল আৰু তেখেতৰ পৰিবাৰ শ্ৰীমতীজ্যোতি ফুকনে সেইখন সংৰক্ষণ কৰি ৰাখিছিল। সেই কথা জানিব পাৰি ডিব্ৰুগড়ৰ শ্বহীদ স্মৃতিৰক্ষা সমিতিৰ সম্পাদক শ্ৰীঅনিল প্ৰসাদ সিংহদেৱে বিধায়ক ফুকনদেৱ আৰু ফুকন ডাঙৰীয়ানীক পুথিখনৰ এটা বৰ্ধিত সংস্কৰণ পুনৰ প্ৰকাশ কৰিব লাগে বুলি খাতনি ধৰাত তেওঁলোকে প্ৰকাশৰ দায়িত্ব ল'বলৈ সন্মতি প্ৰকাশ কৰিলে। গতিকে সিংহদেৱৰ ব্যৱস্থাপনাত আৰু আমাৰ সম্পাদনাত 'ছহিদ তৰ্পণ' সোঁৱৰণী পুথিখনি নতুন কিছু সংযোজেনেৰে পুনৰ প্ৰকাশ কৰি যোৱা ২০২৩ বৰ্ষৰ ১৫

*লেখক এগৰাকী চিন্তাশীল নিবন্ধকাৰ তথা সাংবাদিক। সম্প্ৰতি তেখেতে ডিব্ৰুগড়ৰ 'অনিৰুদ্ধদেৱ জুনিয়'ৰ কলেজ'ৰ অধ্যক্ষ হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে।*

আগষ্টত আনুষ্ঠানিকভাৱে ৰাইজৰ হাতত তুলি দিয়া হয়।

যিকেইগৰাকী মানৱ-হিতৈষী ব্যক্তিয়ে ভূমিকম্প-বান-খহনীয়াত আক্ৰান্ত লোকক সাহায্য প্ৰদান তথা উদ্ধাৰ অভিযানত গৈ মৃত্যুক আকোঁৱালি ল'লে সেইসকলৰ চমু পৰিচিতি থোৰতে আগবঢ়োৱা হ'ল—

**জীৱনৰাম ফুকন**



জীৱনৰাম ফুকন। (Late Jibonram Phookan)

১৯৫০ চনৰ ২২ অক্টোবৰত সংঘটিত হোৱা মৰ্মান্তিক নৌকা দুৰ্ঘটনাত মহাবাহু ব্ৰহ্মপুত্ৰৰ বুকুত সলিল সমাধিস্থ হোৱা ছজন শ্বহীদৰ ভিতৰত অন্যতম আছিল সমাজসেৱক তথা কংগ্ৰেছকৰ্মী জীৱনৰাম ফুকন। মৃত্যুৰ সময়ত প্ৰায় চল্লিশ বছৰ বয়সীয়া জীৱনৰাম ফুকনে পত্নী সুশীলা ফুকন, এজন পুত্ৰ আৰু দুগৰাকী কন্যা, বৃদ্ধ মাতৃ আৰু খুড়াক নীলমণি ফুকন, দুজন ভাতৃৰ লগতে কেইবাগৰাকীও ভগ্নী আৰু অন্যান্য আত্মীয়-স্বজনক এৰি গৈছিল। প্ৰয়াত ফুকন এগৰাকী মেধাবী ছাত্ৰ আছিল আৰু তেখেতৰ শৈক্ষিক কেৰিয়াৰ আছিল অতি উজ্জ্বল। ডিব্ৰুগড়তেই স্কুলীয়া শিক্ষা আৰম্ভ কৰি তেতিয়াৰ জৰ্জ হাইস্কুলৰ পৰা (বৰ্তমান বাগ্মীবৰ নীলমণি ফুকন উঃ মাঃ বিদ্যালয়) মেট্ৰিক, কটন কলেজৰ পৰা আই এছ চি, কলিকতা প্ৰেচিডেন্সি কলেজৰ পৰা বি এছ চি আৰু কলিকতা বিশ্ববিদ্যালয়ৰ পৰা সুখ্যাতিৰে এম.এছ চি পৰীক্ষাত উত্তীৰ্ণ হয়। সমান্তৰালভাৱে তেখেতে বি.এল. ডিগ্ৰীও লাভ কৰিছিল। আনুষ্ঠানিক শিক্ষা শেষ হোৱাৰ পাছত তেওঁ ভালেমান লোভনীয় পদৰ প্ৰস্তাৱ পাইছিল, কিন্তু তেওঁ অসমৰ ৰাজহুৱা জীৱনৰ সৈতে স্বাধীন মনোভাৱেৰে কাম কৰাৰ প্ৰতিহে আগ্ৰহী আছিল। সেয়েহে প্ৰয়াত ফুকনে সেইবোৰ গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰিছিল আৰু ডিব্ৰুগড়ত উকীল হিচাপে নিজৰ কেৰিয়াৰ আৰম্ভ কৰিছিল। এজন উকীল হিচাপে তেওঁ কেইবছৰমানৰ ভিতৰতে নিজৰ নাম উজলাইছিল।

ইফালে ঐতিহাসিক ৪২ ৰ গণ-আন্দোলনে তেওঁক ৰাজনীতিৰ পথাৰলৈ ঠেলি দিলে আৰু তেওঁ কংগ্ৰেছত যোগদান কৰিলে। কংগ্ৰেছ স্বেচ্ছাসেৱক হিচাপে তেওঁ ত্যাগ আৰু নিষ্ঠাবান কৰ্মৰ দ্বাৰা ব্যাপক জনপ্ৰিয়তা অৰ্জন কৰিছিল। তেওঁ দুবাৰকৈ ক্ৰমে ডিব্ৰুগড় জিলা কংগ্ৰেছৰ সভাপতি আৰু সম্পাদক হিচাপে নিৰ্বাচিত হৈছিল। এগৰাকী নিষ্ঠাৱান গান্ধীবাদী হৈ ভাৰত ত্যাগ আন্দোলনত অংশ গ্ৰহণ কৰিছিল। তেখেতৰ সাংগঠনিক ক্ষমতাও আছিল বিৰল। বিশেষকৈ শ্ৰমিক সংগঠনৰ ক্ষেত্ৰত তেওঁৰ দক্ষতা আছিল অতুলনীয়। কংগ্ৰেছকৰ্মী হৈয়ো তেখেত সমাজবাদী আদৰ্শৰ প্ৰতি নিষ্ঠাৱান আছিল। কংগ্ৰেছত তেওঁ সদায় প্ৰগতিশীল মতামতৰ পোষকতা কৰিছিল আৰু আন ৰাজনৈতিক দলৰ মতামতৰ প্ৰতি সহনশীল আছিল।

কংগ্ৰেছৰ এশ-এবুৰি সাংগঠনিক বোজাৰ মাজতো জীৱনৰাম ফুকন সামাজিক আৰু ৰাজহুৱা কাম-কাজৰ ক্ষেত্ৰত সদায় আগৰণুৱা আছিল। এনে স্বভাৱ তেওঁৰ স্কুলীয়া জীৱনৰ পৰাই আছিল, যাক তেওঁৰ পাৰিবাৰিক পৰম্পৰা বুলি ক'ব পাৰি। তেওঁ আছিল একাধাৰে এজন খেলুৱৈ, এজন শিল্পী, এজন জনকৰ্মী আৰু সৰ্বোপৰি এজন শক্তিশালী ঋণত উদীমান নেতা।

বিশিষ্ট শিক্ষাবিদ, ডিব্ৰুগড় কানৈ কলেজৰ তদানীন্তন অধ্যক্ষ ড° যোগীৰাজ বসুৱে জীৱনৰাম ফুকনৰ বিষয়ে লিখিছিল এনেদৰে— "লক্ষীমপুৰ জিলাৰ উচ্চশিক্ষাৰ বুৰঞ্জীত জীৱনৰ নাম চিৰদিনলৈ জিলিকি থাকিব। যিসকলে এই চহৰত এটা কলেজ স্থাপনৰ কাৰণে উঠি-পৰি লাগিছিল, অহোপুৰুষাৰ্থ কৰিছিল, সেইসকলৰ ভিতৰত ফুকন এজন অগ্ৰগণ্য আছিল। স্বৰ্গীয় জীৱনৰাম ফুকন, ডক্তৰ ৰোহিণীকান্ত বৰুৱা আৰু শ্ৰীযুত বিপিন কুমাৰ বৰগোহাঁই আদি ডিব্ৰুগড়বাসীসকলে ১৯৩৮ চনত ডিব্ৰুগড়ত এখন কলেজ পাতিবৰ কাৰণে আপ্ৰাণ চেষ্টা কৰিছিল, কিন্তু সেই সময়ৰ বিপৰীত মতাৱলম্বী প্ৰভু স্ব-গৰ্বিত সংবাজ জিলাধিপতিৰ বিৰোধিতাৰ কাৰণে তেওঁলোকৰ চেষ্টা কাৰ্যকৰী নহ'ল। ১৯৪৭ চনত ফুকন ডিব্ৰুগড় কলেজৰ ব্যৱস্থাপক সভাৰ এজন সভ্য নিৰ্বাচিত হয়; মৃত্যুৰ সময়লৈকে তেওঁ এই পদত যুক্ত আছিল। কিছুদিনৰ কাৰণে তেওঁ উক্ত সভাৰ অস্থায়ী সভাপতি পদো লাভ কৰিছিল।

ফুকন ব্যৱস্থাপক সভাৰ সভ্য আছিল বুলিয়েই সভাৰ সম্পাদক হিচাবে মই তেওঁৰ লগত ঘনিষ্ঠভাৱে মিলিবলৈ সুযোগ পাইছিলো আৰু তেওঁৰ চৰিত্ৰৰ বিবিধ গুণাৱলী মোৰ বিদিত হৈছিল। আমাৰ পুৰণি বন্ধুত্ব পুনৰ গঢ়ি উঠিছিল আৰু আমি বহুতো কাম একেলগে কৰিবলগীয়া হোৱাৰ কাৰণে আমাৰ মাজত এটি অন্তৰংগ ঘনিষ্ঠতাৰ ভাব ঠন ধৰি উঠিছিল। এই কথা মই স্পষ্টভাৱে কওঁ যে জীৱনৰ ঐকান্তিক প্ৰচেষ্টা আৰু দৃঢ় প্ৰতিজ্ঞাৰ অবিহনে আমি এই বছৰ (অৰ্থাৎ ১৯৫০ চন) ডিব্ৰুগড় কলেজত বিজ্ঞান শাখা খুলিবলৈ সমৰ্থ নহ'লোহেঁতেন। ডিব্ৰুগড় কলেজত বিজ্ঞান শাখা খোলাৰ কাৰণে তেওঁ প্ৰাণেপণে যত্ন কৰিছিল; আনকি আৱশ্যক অনুযায়ী সেই সজ উদ্দেশ্যে তেওঁ কেইবাবাৰো গুৱাহাটী, শ্বিলং আৰু কলিকতা আদি ঠাইলৈকো গৈছিল।"

গুৱাহাটী বিশ্ববিদ্যালয় প্ৰতিষ্ঠাৰ ক্ষেত্ৰতো জীৱনৰাম ফুকনে অগ্ৰণী ভূমিকা গ্ৰহণ কৰিছিল বুলি জনা যায়। অসমৰ স্বনামধন্য শিক্ষাবিদ, সাহিত্যিক ড° বিৰিঞ্চি কুমাৰ বৰুৱাই এই সংক্ৰান্তত লিখিছিল এনেদৰে— "অসমত সুকীয়া বিশ্ববিদ্যালয় স্থাপন আন্দোলনৰ জন্মৰ পৰা সমাধানলৈকে জীৱন জড়িত আছিল। ১৯৪৪ চনৰ ডিচেম্বৰ মাহত গুৱাহাটীত যি বিশ্ববিদ্যালয় কনভেনচন বহিছিল তাত প্ৰকাশ্যে মই সম্পাদক আছিলোঁ যদিও প্ৰধান কামৰ ভাৰ লৈছিলহি জীৱনে। দুপৰ ৰাতিলৈকে বহি দুয়ো প্ৰস্তাৱ যুগুত কৰিছিলোঁ, টাইপ কৰিছিলোঁ, দোকমোকালিতে সভ্যসকলৰ ওচৰ চাপি তেওঁলোকৰ সন্মতি লৈছিলোঁ যাতে দুপৰীয়া সভাত তেওঁলোকে কোনো উজৰ-আপত্তি নোতোলে। তাতোকৈ ডাঙৰ সমস্যা হৈছিল বৰদলৈদেৱক (গোপীনাথ) ট্ৰাষ্ট বোৰ্ডৰ সভাপতি হ'বলৈ মান্তি কৰোৱা। কেইবাটিও বিশেষ কথাৰ কাৰণে বৰদলৈদেৱে এই পদ ল'বলৈ আগনাবাঢ়িছিল। কেইবাজনেও তেওঁক এই আন্দোলনৰ পৰা আঁতৰি থাকিবলৈ পৰামৰ্শ দিছিল। বৰদলৈদেৱৰ প্ৰধান ভয় হৈছিল- কিজানিবা প্ৰস্তাৱিত টকা সংগ্ৰহ কৰিব নোৱাৰে, কিজানিবা যিকেইজন ডেকাই তেওঁক আগবঢ়াই আনিছে তেওঁলোকে শেষত চৌঠেঙীয়া কৰেগৈ। ইতিপূৰ্বে কোনো অনুষ্ঠানৰ কাৰণে অসমত এক লাখতকৈ অধিক টকা সংগ্ৰহ হোৱা নাছিল। বিশ্ববিদ্যালয়ৰ কাৰণে এক-দুই লাখ নহয়, একেবাৰে পঁচিশ লাখ। তাতে সেই সময়ৰ অসমৰ মন্ত্ৰীসভা (শ্ৰীযুত ৰোহিনী কুমাৰ চৌধুৰীৰ বাহিৰে, এখেত উক্ত কনভেনচনৰ সভাপতি আছিল) বিশ্ববিদ্যালয়ৰ কাৰণে ধন সংগ্ৰহ আন্দোলনৰ অনুকূলত নাছিল। এইবোৰ ভাবি-চিন্তি বৰদলৈ ডাঙৰীয়াই হোহকা-পিছলা কৰি আছিল। কনভেনচন বহাৰ পূৰ্ব দিনাৰ ৰাতি আমি কেইজনমানে টকা তোলাত দেহে-কেহে খাটি দিম বুলি প্ৰতিশ্ৰুতি দিয়াতহে বৰদলৈদেও ট্ৰাষ্ট বোৰ্ডৰ সভাপতি হ'বলৈ ৰাজী হৈছিল।"

## বাবুলাল পোদ্দাৰ



বাবুলাল পোদ্দাৰ। (Late Babulal Poddar)

কলকতাত জন্ম গ্ৰহণ কৰা বাবুলাল পোদ্দাৰে পোন্ধৰ বছৰ বয়সৰ পৰাই সমাজ-সেৱাত আত্মোৎসৰ্গা কৰিছিল আৰু সমাজত প্ৰচলিত কু-প্ৰথাবোৰ দূৰ কৰিবৰ নিমিত্তে যুঁজিছিল। বিশেষ আনুষ্ঠানিক শিক্ষা নহ'লেও তেখেতৰ চিন্তা-চৰ্চা আছিল উচ্চখাপৰ আৰু সমাজমুখী। সমাজ সংস্কাৰমূলক তিনিখন নাটকো তেওঁ হিন্দীত লিখিছিল। নাও দুৰ্ঘটনাৰ সময়ত চল্লিশ বছৰ বয়সীয়া বাবুলাল পোদ্দাৰে ১৯৩-০-৩২ ৰ আইন অমান্য আৰু **১৯৪২** চনৰ ভাৰত ত্যাগ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। প্ৰয়াত পোদ্দাৰে মাৰোৱাৰী সাহায্য সমিতিৰ তত্বাৱধানত 'বাৰ্মা শৰণাৰ্থী সাহায্য সংস্থা'ৰ কামৰ তত্ত্বাৱধান কৰি অসমলৈ আহিছিল। তেখেত 'শ্ৰীকাশী বিশ্বনাথ সেৱা সমিতি'ৰ অন্যতম প্ৰতিষ্ঠাপক আছিল। ১৯৪৯ চনত প্ৰয়াত পোদ্দাৰে কিছু মতপাৰ্থক্যৰ বাবে কংগ্ৰেছ ত্যাগ কৰি সমাজবাদী দলত যোগ দিছিল। পোন্ধৰ বছৰ বয়সৰ পৰাই তেওঁ সমাজসেৱাত আত্মনিয়োগ কৰিছিল। পঞ্চাশৰ ভূমিকম্পৰ সময়ত অশান্ত ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে বৰদলনি আৰু বৰদৈবামৰ আটাইতকৈ বেছি ক্ষতিগ্ৰস্ত অঞ্চলত উদ্ধাৰ অভিযানৰ বাবে উপস্থিত হোৱা তেওঁ আছিল প্ৰথমজন ব্যক্তি। তেখেতৰ বিষয়ে 'শ্ৰীকাশী বিশ্বনাথ সেৱা সমিতি'ৰ ডিব্ৰুগড় শাখাৰ তদানীন্তন সম্পাদক চৌথমল খেমানীয়ে লিখিছিল এইদৰে— "স্বৰ্গীয় পোদ্দাৰে কংগ্ৰেছৰ স্বাধীনতা সংগ্ৰামত জড়িত থাকি ১৯৩০ আৰু

৩২ চনৰ আন্দোলনত বিশেষ অংশগ্ৰহণ কৰিছিল। যোৱা '৪২ চনৰ গণ আন্দোলনত তেওঁ দেহে-কেহে খাটিছিল আৰু মহাত্মা গান্ধীৰ 'ভাৰত ত্যাগ' (Quit India) প্ৰস্তাৱ কংগ্ৰেছে গ্ৰহণ কৰাত অতি আনন্দিত হৈছিল। '৪২ৰ আন্দোলনত প্ৰধান অংশগ্ৰহণ কৰাৰ বাবে তেওঁক চৰকাৰে জেলত বন্দীৰূপে আটক কৰে আৰু জেলৰ পৰা ওলোৱাৰ লগে লগেই কলিকতাৰ পৰা বহিৰ্ভুত কৰে। এওঁৰেই মাৰোৱাৰী ৰিলিফ চোচাইটিৰ তৰফৰ পৰা '৪২ চনত 'বৰ্মা ৰিফিউজী ৰিলিফ এচ'চিয়েচন' খুলি ভগনীয়াসকলক আশ্ৰয় আৰু সহায় দান কৰিছিল। কলিকতা 'টিনেণ্টচ এচ'চিয়েচনৰ' এওঁ প্ৰাণ-স্বৰূপ আছিল। আজীৱন কংগ্ৰেছৰ সেৱক হিচাপে কাম কৰি ১৯৪৯ চনত তেওঁ মতভেদৰ বাবে কংগ্ৰেছ ত্যাগ কৰে আৰু চোচিয়েলিষ্ট দলত যোগ দিয়ে। তেওঁৰ আদৰ্শ আৰু মূল নীতিৰ লগত কংগ্ৰেছৰ পাৰ্থক্য দেখা দিয়াত তেওঁ এই সিদ্ধান্ত গ্ৰহণ কৰিলে আৰু চোচিয়েলিষ্ট দলত যোগদান কৰি সংগঠনৰ দায়িত্ব গ্ৰহণ কৰিছিল। শ্ৰীকাশী বিশ্বনাথ সেৱা-সমিতিৰ এওঁ এজন প্ৰতিষ্ঠাতা। যথেষ্ট ত্যাগ আৰু কষ্টৰ মাজত দেশৰ নিমিত্তে তেওঁ কাম কৰিছিল। অসমৰ ভুঁইকপে তেওঁক অসমলৈ আনিলে আৰু যেতিয়া বিপদ অতি ভয়ঙ্কৰ আছিল সেই সময়তেই সাহসিকতাৰ সৈতে এওঁৰেই সৰ্বপ্ৰথমে বৰদৈবাম আৰু বৰদলনি অঞ্চলত সাহায্যৰ কাম আৰম্ভ কৰে। এবাৰ ব্ৰহ্মপুত্ৰৰ বুকুত এওঁৰ প্ৰাণৰ সংশয় হৈছিল। নাও ডুবু ডুবু তথাপিও তেওঁ প্ৰাণৰ মমতা এৰি বিধ্বস্ত অঞ্চলবোৰলৈ সঘনে গৈছিল। যোৱা ২২ অক্টোবৰৰ দিনা ব্ৰহ্মপুত্ৰতেই বাবুলালে প্ৰাণ এৰিলে পীড়িত জনতাৰ সেৱাত। তেওঁৰ মৃত্যুত দেশৰ অজস্ৰ ক্ষতি হ'ল, কিন্তু দেশৰ হকে প্ৰাণ দান দি তেওঁ ছহিদৰ মৃত্যুবৰণ কৰিলে।"



'অজয় মেচ। (Late Ajoy Mech)

### অজয়কুমাৰ মেচ

১৯৫০ চনৰ ২২ অক্টোবৰৰ নাও দুৰ্ঘটনাৰ সময়ত অজয় কুমাৰ মেচৰ বয়স আছিল মাত্ৰ ৩২ বছৰ। তেওঁ সেই সময়ত লখিমপুৰ জিলাৰ ছাব-ডেপুটি কালেক্টৰ (উপ-প্ৰতি সমাহৰ্তা) হিচাপে ডিব্ৰুগড়ত কৰ্মৰত আছিল।১৯১৯ চনৰ ১৫ মাৰ্চত বৰ্তমান বাংলাদেশৰ ৰাজধানী চহৰ ঢাকা মহানগৰীত তেখেতৰ জন্ম হৈছিল। তেজপুৰ এম. ই. স্কুলৰ পৰা এম.ই. পাছ আৰু বৰপেটা চৰকাৰী হাইস্কুলৰ পৰা মেট্ৰিক পাছ কৰি পাছত কটন কলেজত অধ্যয়ন কৰে আৰু তাৰ পৰাই তেখেতে ১৯৩৮ চনত বি. এ .পাছ কৰে। পাছত আৰ্ল. ল. কলেজত আইন বিষয়তো অধ্যয়ন কৰি ইণ্টাৰমিডিয়েট পাছ কৰিছিল। কিন্তু ইয়াৰ মাজতে তেখেতৰ পিতৃবিয়োগ ঘটাত আনুষ্ঠানিক শিক্ষা সিমানতে সামৰি ছাব ডেপুটি কালেক্টৰ হিচাপে চৰকাৰী সেৱাত যোগদান কৰে। এজন ব্যক্তি আৰু এজন চৰকাৰী বিষয়া দুয়োটা ৰূপতে তেওঁ বহুলভাৱে জনপ্ৰিয় আছিল। ক্ৰীড়া আৰু সংগীত চৰ্চাৰ ক্ষেত্ৰতো তেখেতৰ দখল আছিল। চাকৰিয়াল হিচাবে তেওঁ সকলো ৰাইজৰে প্ৰিয়ভাজন হ'ব পাৰিছিল। চাকৰী জীৱনত তেওঁ যথাক্ৰমে শিৱসাগৰ, ডিব্ৰুগড়, উত্তৰ লক্ষীমপুৰ, কলাইগাঁও, নাহৰকটীয়া আদি ঠাইত যথেষ্ট সুখ্যাতিৰে কাম কৰি সৰ্বশেষত ডিব্ৰুগড়ৰ নাও দুৰ্ঘটনাত মানৱ সেৱাৰ হকে জীৱন দান কৰে। প্ৰয়াত অজয় মেচৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনাই তেখেতৰ বন্ধু হৰপ্ৰসাদ চলিহাই লিখিছিল এনেদৰে —'স্বৰ্গীয় অজয় মেচৰ আন দুটি লক্ষ্য কৰিবলগীয়া বিষয় হৈছে — তেওঁৰ খেলাৰু হিচাবে দেখুওৱা পাৰ্গতালি আৰু সঙ্গীতত ৰাপ। সকলো বিধৰ খেলেই তেওঁ ভালকৈ জানিছিল আৰু নিপুণ খেলুৱৈ হিচাবে অসমত তেওঁ জনাজাত। সঙ্গীতত ৰাপ থকাৰ নিমিত্তে আৰু সঙ্গীত গাব আৰু বাদ্যযন্ত্ৰ বজাব জনাৰ বাবে তেওঁ সভা-সমিতি আৰু তেনে সমাজত বেচ খাপ খাব পাৰিছিল। ইয়াৰ উপৰিও হাঁহিমুখ, সৰল চিত আৰু খোলা স্বভাৱৰ গুণত তেওঁ সকলোকে মুহিব পাৰিছিল। তেওঁৰ অকাল মৃত্যুত অসমৰ এটা ডাঙৰ ক্ষতি হ'ল। তেওঁ বিয়া কৰাইছিল সিদিনাখন মাত্ৰ বৰ্তমানে তেওঁৰ এটি কন্যা সন্তান হৈছে। আমি আশা কৰো অসম চৰকাৰে নিশ্চয় এই পৰিয়ালটোৰ ভৰণ-পোষণৰ সকলো ব্যৱস্থা হাতত ল'ব।'

## হনুমান সিংহানিয়া ঃ


হনুমান সিংহানীয়া। (Late Hanuman Singhania)

ডিব্ৰুগড়ৰ এই সিংহানিয়া পৰিয়ালটিৰ আদি বাসস্থান হৈছে ৰাজস্থানৰ বিকানিৰৰ ৰতনগড়ত। ব্যৱসায়সূত্ৰে অসমলৈ আহি ডিব্ৰুগড়তে নিগাজীকৈ থাকিবলৈ লয় আৰু ডিব্ৰুগড়ৰ সমাজ-জীৱনৰ সৈতে মিলি পৰে। স্কুলীয়া শিক্ষা সাং কৰিয়েই আনুষ্ঠানিক শিক্ষা সমাপ্ত কৰা হনুমান সিংহানীয়াৰ পিতৃ চহকী মাৰোৱাৰী সদাগৰ শ্ৰীভগৱান দাস সিংহানিয়া। ডেকা কালৰ পৰাই তেখেত সমাজকৰ্মৰ প্ৰতি অনুৰক্ত আছিল। পৰৱৰ্তী সময়ত তেখেতে ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘ' (আৰ. এছ. এছ.)ত যোগদান কৰি দেশসেৱাত নামিছিল। যৌতুক প্ৰথা আৰু পৰ্দা প্ৰথাৰ বিৰুদ্ধে তেখেতে প্ৰচাৰ চলাইছিল। তদুপৰি তেখেতে স্ত্ৰী-পুৰুষ সকলোৰে সমানে শিক্ষা লাভ কৰাৰ পোষকতা কৰিছিল। হনুমান সিংহানীয়া মাৰোৱাৰী ৰিলিফ ছ'চাইটীৰ ডিব্ৰুগড় শাখাৰ যান-বাহন বিভাগৰ সম্পাদক আছিল। সেই সূত্ৰে তেখেত ভূমিকম্পত আক্ৰান্ত আৰু বানপীড়িত লোকসকলৰ সাহায্যৰ কামত ওতঃপ্ৰোতভাৱে জড়িত হৈ পৰিছিল। দুৰ্ভাগ্যজনক নাও দুৰ্যোগৰ সময়ত তেওঁ বৃদ্ধ পিতৃ-মাতৃৰ উপৰি পত্নী আৰু এটি কন্যা-সন্তান এৰি গৈছিল। সেই সময়ত তেখেতৰ বয়স হৈছিল মাত্ৰ বাইশ বছৰ। তেখেতৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনাই মাৰোৱাৰী ৰিলিফ ছ'চাইটি, ডিব্ৰুগড়ৰ তদানীন্তন প্ৰধান সম্পাদক বদ্ৰিপ্ৰসাদ শৰ্মাই লিখিছিল— "শোচনীয় নাও দুৰ্ঘটনাৰ গাৰ নোম শিয়ৰি উঠা স্মৃতি বিজড়িত সেই ২২ অক্টোবৰৰ দিনা স্বৰ্গীয় সিংহানীয়াই মাননীয় অসমৰ খাদ্যমন্ত্ৰী দাস ডাঙৰীয়া আৰু স্বৰ্গীয় জীৱন ফুকন ডাঙৰীয়াকে আদি কৰি বাকীসকল সহযাত্ৰীৰে সৈতে ধেমাজিলৈ বুলি নাৱেৰে যাত্ৰা কৰিবৰ সময়ত মই উত্তৰ পাৰত আছিলো। তেওঁৰ উদ্দেশ্য আছিল সিপাৰৰ চিচি কলঘৰত থকা তেওঁলোকৰ দোকানতে মাননীয় অভ্যাগতসকলক অভ্যৰ্থনা কৰা। যাবৰ সময়ত মাকৰ পৰা বিদায় লওঁতে তেওঁ এইবুলি তেখেতক সান্ত্বনা দি কৈছিল যে মাননীয় খাদ্যমন্ত্ৰী ডাঙৰীয়াৰ সৈতে লগে ভাগে যাব যেতিয়া তেওঁৰ (সিংহানীয়াৰ) নিৰাপত্তাৰ বিষয়ে যেন তেখেতে অকণো দুশ্চিন্তা নকৰে। হায়! কালৰ কি নিষ্ঠুৰ পৰিহাস! বিদায়বেলাত তেওঁ মাকক দি যোৱা সান্ত্বনাবাণী অথলে গ'ল।"

## ৰুদ্ৰনাথ বৰঠাকুৰ ঃ


ৰুদ্ৰ বৰঠাকুৰ। (Late Rudra Barthakur)

ৰুদ্ৰনাথ বৰঠাকুৰ ডিব্ৰুগড় কলেজৰ (বৰ্তমান ডি এইচ এছ কে কলেজ) প্ৰথম বৰ্ষৰ বিজ্ঞানৰ ছাত্ৰ আছিল। জৰ্জ ইন্‌ষ্টিটিউচনৰ পৰা মেট্ৰিক পাছ কৰি সেই বছৰেই (১৯৫০) তেওঁ কলেজত নামভৰ্তি কৰিছিল। তেখেতৰ চিকিৎসা বিজ্ঞান পঢ়াৰ ইচ্ছা আছিল। সেইবাবেই বিজ্ঞান শাখাত নাম লগাইছিল। তেখেতৰ ঘৰ আছিল ডিব্ৰুগড়ৰ উত্তৰ পাৰৰ বৰদলনি মৌজাত। দেউতাক এজন স্কুল মাষ্টৰ আছিল। ৰুদ্ৰনাথ আছিল দ্বিতীয় সন্তান। দৰিদ্ৰতাৰ বিৰুদ্ধে কঠোৰ সংগ্ৰাম কৰি ঘৰ-সংসাৰ চলোৱা পিতৃৰ মৃত্যুৰ পাছতে ককায়েকৰো মৃত্যু হৈছিল। সেয়েহে পৰিয়াল চলোৱাৰ সমস্ত বোজা ছাত্ৰ ৰুদ্ৰ বৰঠাকুৰেই মূৰ পাতি ল'বলগীয়া হৈছিল। ৰুদ্ৰ বৰঠাকুৰ স্থানীয় বৰদলনি সাহায্য সমিতিৰ সদস্য আছিল আৰু সেইসূত্ৰে সাহায্য অভিযানত অংশ গ্ৰহণ কৰি দুৰ্ঘটনাগ্ৰস্ত নাওখনত যাত্ৰা কৰিছিল। তেখেতৰ স্মৃতিত মাণিক চন্দ্ৰ বৰ্ম্মাই 'ছহিদ তৰ্পন'

সোঁৰণী পুথিত লিখিছিল —“বৰ্তমানে উজনি অসমত ভুমিকম্প আৰু বানপানীয়ে যি ক্ষতি কৰিছে সি সকলোৰে বিদিত। এই সুযোগতে স্কুলীয়া জীৱনত অঙ্কুৰিত হোৱা বৰঠাকুৰৰ দেশ সেৱাৰ ভাৰ প্ৰকাশৰ সুবিধা ঘটিল। সেইকাৰণে তেওঁ বৰদলনি ৰিলিফ কমিটীৰ সদস্য পদত ভৰ্তি হয়। বৰদলনি মৌজা ভূমিকম্পগ্ৰস্ত ঠাইৰ ভিতৰত অত্যন্ত বিধ্বস্ত অঞ্চল। ইয়াত প্ৰায় পাঁচশৰো অধিক মানুহৰ অকালতে মৃত্যু ঘটিল। অনেকৰ আটোমটোকাৰিকৈ ৰখা বয়-বস্তু সোঁতত উটি গ'ল। নিয়তিৰ নীতিয়ে সুখী-দুখীৰ মুখলৈ নাচায়। এই দুৰ্যোগে অনাথ পৰিয়ালটিক আৰু অনাথ কৰি তুলিলে। তথাপি ভৱিষ্যত আশা-আকাংক্ষাৰ একমাত্ৰ স্থল ছাত্ৰ বৰঠাকুৰৰ মুখলৈ চাই পৰিয়ালটিয়ে নীৰৱে চকুপানী টুকি ৰ'ল। কিন্তু বিধাতাৰ বিধান অন্যৰূপ। তেওঁলোকৰ অজানিতে বিধিয়ে তেওঁলোকৰ আশ্বস্ততাক ইতিকিং কৰিলে। তাৰ পৰিণাম জনসাধাৰণৰ বিদিত। সেই মৰ্মান্তিক ঘটনা বৰ্ণনা কৰিবলৈ কাপ নচলে। কৌতুহলপ্ৰিয় বৰঠাকুৰৰ সকলো আশা-আকাংক্ষা কালৰ সোঁতত কৰ্তব্যৰ বানত চূৰমাৰ হৈ গ'ল।.....”

### গৌৰচান্দ সিং ঃ

পঞ্চাশৰ নৌকা দুৰ্ঘটনাৰ ছয় শ্বহীদৰ অন্যতম গৌৰচান্দ সিং আৰক্ষী কনিষ্টবল আছিল। তেখেতৰ ঘৰ আছিল কাছাৰ জিলাত। তেখেতে শেহতীয়াকৈ প্ৰশিক্ষণ সম্পূৰ্ণ কৰি আৰক্ষী সেৱাত কনিষ্টবল হিচাপে যোগদান কৰিছিলহে মাত্ৰ। দুৰ্ঘটনাৰ সময়ত তেখেতৰ বয়স হৈছিল মাত্ৰ ২২ বছৰ। ডিব্ৰুগড়ৰ তদানীন্তন অতিৰিক্ত আৰক্ষী অধীক্ষক পূৰ্ণানন্দ বড়াই তেখেতৰ বিষয়ে লিখিছিল এইদৰে— ‘চলিত বছৰৰ (১৯৫০চন) ফেব্ৰুৱাৰী মাহত স্বৰ্গীয় গৌৰচান্দ ডিব্ৰুগড়ৰ পুলিচ বাহিনীত কনিষ্টবল হিচাবে ভৰ্তি হয়। তেওঁৰ ঘৰ কাচাৰ জিলাত। বৃদ্ধ পিতৃ-মাতৃ আৰু ভায়েক-ভনীয়েকৰে সৈতে তেওঁৰ পৰিয়ালৰ সংখ্যা আঠ কি ন মান হ'ব। পৰিয়ালৰ তেওঁৰেই ডাঙৰ ল'ৰা আৰু ঘৰখনৰ ভাৰো তেওঁৰ ওপৰতেই পৰিছিল। তেওঁৰ অভাবত পৰিয়ালটোৰ ভৰণ-পোষণৰ দায়িত্ব লওঁতা আন এজন নাই। অলপীয়া খেতি-বাতিৰেই পৰিয়ালটোৰে কোনোৰকমে জীৱন নিৰ্বাহ কৰে। এই পৰিয়ালটোক সহায় কৰাটো চৰকাৰৰ একান্ত কৰ্তব্য।

পুলিচ ট্ৰেইনিং কলেজত শিক্ষা সাং কৰি যোৱা ১-৯-৫০ তাৰিখৰ পৰা স্বৰ্গীয় গৌৰচান্দে নিগাজিভাৱে কাম আৰম্ভ কৰে। তেওঁ দেখনিয়াৰ, খৰটকীয়া আৰু উৎসাহী কনিষ্টবল আছিল। যি কামকে তেওঁক দিয়া হৈছিল তাকে তেওঁ মনপুতি কৰিছিল। মদ-ভাঙৰ কথা দূৰেই থাওক, আনকি চিগাৰেট-বিড়ী এটাও নেখাইছিল। তেওঁৰ কাম সদায় সন্তোষজনক আৰু আশানুৰূপ আছিল আৰু অটল কৰ্তব্যবোধ আছিল তেওঁৰ চৰিত্ৰৰ এটি বিশেষত্ব। কেইমাহ মান কাম কৰিয়েই তেওঁ আমাৰ পৰা চিৰবিদায় ল'লে। ডিব্ৰুগড়ৰ পুলিচ বাহিনীয়ে তেওঁক কোনো কালেই পাহৰিব নোৱাৰে।

১৯৫০ চনৰ ২২ অক্টোবৰৰ ভয়াৱহ নৌকা দুৰ্ঘটনাই কেৱল ডিব্ৰুগড় বা অসমকেই নহয়, সমগ্ৰ দেশতেই শোকৰ ছাঁ পেলাইছিল। মানৱ সেৱা কৰিবলৈ গৈ এনেদৰে করুণ মৃত্যুক সাৱটি লোৱা ঘটনা স্বাধীন ভাৰতত এইটোৰেই প্ৰথম আছিল। দেশৰ প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৱেও এই দুৰ্ঘটনাত গভীৰ শোক প্ৰকাশ কৰি অসম চৰকাৰলৈ শোকবাণী প্ৰেৰণ কৰিছিল। পণ্ডিত নেহৰুৰ শোকবাৰ্তাৰ উদ্ধৃতিৰেই এই চমু লেখাৰ সামৰণি মাৰিব বিচাৰিছো— “I am exceedingly sorry to learn that your Food Minister and a party of officials and non-officials accompanying him from Dibrugarh to Dhemaji had a painful experience which resulted in some members of the party being swept away. Such accidents are, I fear, unavoidable, if we have to take risks and we must not avoid risks.” (Jawaharlal Nehru, Prime Minister of India)

### সহায়ক গ্ৰন্থ ঃ


**ছহিদ তৰ্পণ ঃ** সম্পাদনা- নবীন চন্দ্ৰ বৰদলৈ, সাৰদা শংকৰ প্ৰসাদ দত্ত; প্ৰকাশকাল- ২৬ জানুৱাৰী, ১৯৫১ চন।

**ডিবৰু ১৭০ বছৰীয়া এক ঐতিহাসিক যাত্ৰা ঃ** সম্পাদনা - শংকৰ দত্ত; প্ৰকাশ কাল - ডিচেম্বৰ, ২০০৯ চন।

**ৰমেশ চন্দ্ৰ বৰুৱা আৰু ডিব্ৰুগড়ৰ কথা ঃ** সম্পাদনা- ভূদেৱ ফুকন, দ্বীপেন্দ্ৰ নাথ কাকতী; প্ৰকাশ কাল- ৩০ জুন, ২০১৩ চন।

**১৯৫০ এক করুণ গাঁথা ঃ** সম্পাদনা - সুমন দত্ত; প্ৰকাশ কাল - ২২ অক্টোবৰ, ২০১৭ চন।

**ছহিদ তৰ্পণ ঃ** সংবৰ্ধিত পুনৰমুদ্ৰণ; সম্পাদনা- ভূষণজ্যোতি সন্দিকৈ; প্ৰকাশ কাল- ১৫ আগষ্ট, ২০২৩ চন।


●●●

# ডিব্ৰুগড়ৰ ঐতিহ্য ঃ লোকগীতত অনুৰণন

টুনুজ্যোতি গগৈ

**লো**কজীৱনৰ লোক অভিজ্ঞতা আৰু লোক প্ৰজ্ঞাক ভেটি কৰিয়েই লোকভাষাৰ সহায়ত গঢ় লৈ উঠে লোক সাহিত্যৰ ঐশ্বৰ্য্যময় সম্ভাৰ। সহজ ভাষাত ক'বলৈ গ'লে, সাধাৰণ খাটি খোৱা মানুহৰ সহজ-সৰল মনৰ নিভাঁজ অথচ মধুৰ ভাৱৰাশিৰ মুকলি প্ৰকাশেই হ'ল লোক-সাহিত্য। প্ৰতিজন মানুহৰ মাজতেই জীয়াই থাকে শিল্পবোধ — ধুনীয়া ফুল এপাহ, নীলা আকাশৰ কপহুৱা মেঘ, সৰ্পিল গতিৰে বৈ অহা নিজৰা আদি প্ৰত্যক্ষ কৰি; পাখি ধুনীয়া চৰাইৰ কাকলি, শুকান পাতৰ মৰমৰণি আদি শুনি মানুহ পুলকিত হৈ পৰে। প্ৰকৃতি আৰু বাস্তৱ জীৱনৰ পৰা আহৰণ কৰা বৰ্ণিল অভিজ্ঞতা, বল্গাহীন কল্পনা, শিল্পানুভূতি আৰু বুদ্ধিমত্তাৰ সংমিশ্ৰণেৰে লোক মনে যুগে যুগে লোক সাহিত্যৰ জন্ম দি আহিছে। অন্য অৰ্থত, মূলতঃ অনাখৰী সমাজত চৌদিশৰ চিনাকি পৃথিৱীখনৰ বিভিন্ন ঘটনা-পৰিঘটনাৰ সৈতে নিজৰ আৱেগ-অনুভূতি-উপলব্ধি-অভিজ্ঞতাক ৰসোত্তীৰ্ণভাৱে পৰিৱেশন কৰাৰ প্ৰৱণতাৰ ফলতে বিভিন্ন গীত-মাত, যোজনা-পটন্তৰ, সাধুকথা আদিৰ সৃষ্টি হৈ আহিছে। আধুনিক সভ্যতাৰ বিকাশৰ সময়ছোৱাত এচাম নব্য শিক্ষিতে লোক-জীৱনৰ ইতিহাস আৰু লোক-মনৰ শৈল্পিক প্ৰতিচ্ছবিৰে সমৃদ্ধ লোক-সাহিত্যক অনাদৰ-অৱহেলা কৰিলেও পৰৱৰ্তী সময়ত শিপাসন্ধানী শিক্ষিতসকলে লোক-সাহিত্যৰ ঐশ্বৰ্য, গুৰুত্ব আৰু মহত্ব উপলব্ধি কৰিবলৈ সক্ষম হয়। বৰ্তমান বিদ্যায়তনিক পৰ্যায়তো লোক-সাহিত্যক লৈ উচ্চস্তৰীয় চৰ্চা, গৱেষণা পৰিলক্ষিত হৈছে।

অসমীয়া সাহিত্যৰ ভঁৰালত লোক-সাহিত্য 'মাণিকী মধুৰী জহা হৈ খুন্দ খাই আছে' বুলি লোক-সংস্কৃতিৰ বিশিষ্ট গৱেষক ড° লীলা গগৈয়ে কৈ গৈছে। এই লোক-সাহিত্যৰ বুকুতেই সন্ধান কৰিব পাৰি অসমৰ 'সামাজিক জীৱনৰ বুৰঞ্জী'ও। অসমীয়া বা ইংৰাজী ভাষাত উপলব্ধ বুৰঞ্জীসমূহৰ পাতত সাধাৰণতে অসমৰ শাসকপক্ষৰ কাৰ্যকলাপৰ বিৱৰণহে পোৱা যায়; সামাজিক জীৱনৰ বিষয়ে বিশেষ তথ্য পোৱা নাযায়। ড° ডম্বৰুধৰ নাথৰ মতে, "বুৰঞ্জীবোৰৰ মূল বিষয় ৰাজ্য, ৰজা আৰু ৰাজনীতি। সেয়ে ৰাজ্য আৰু ৰাজনীতিৰ ব্যতিৰেকে একোজন ৰজাৰ ল'ৰালি কালৰ কথাও বুৰঞ্জী একোখনত উল্লেখ নাথাকে। সেই একেই কাৰণতে সামাজিক, সাংস্কৃতিক বা অৰ্থনৈতিক জীৱনৰ কথাও বুৰঞ্জীবোৰত প্ৰত্যক্ষভাৱে উল্লেখ পোৱা নাযায়।" (মধ্যযুগৰ অসমৰ বুৰঞ্জীৰ সমল বিচাৰ; *প্ৰকাশ*, জুন, ২০১৬ চন, পৃঃ ২৫)। এই আপাহতে মধ্যযুগীয় অসমৰ সামাজিক-সাংস্কৃতিক-অৰ্থনৈতিক অৱস্থাৰ বিষয়ে বা সেই সময়ছোৱাৰ সাধাৰণ মানুহসকলৰ আৱেগ-অনুভূতিৰ বিষয়ে জানিবলৈ হ'লে লোক-সাহিত্য অধ্যয়ন নকৰিলেই নহয়। অধ্যয়নৰ বেলিকা কেৱল মনত ৰখা উচিত যে লোক-সাহিত্যৰ এটা প্ৰধান লক্ষণ হৈছে নৈৰ্ব্যক্তিকতা। এই সম্পৰ্কত ড° গগৈৰ মত হ'ল— "লোক-সাহিত্যৰ মাণিকী-মধুৰী জহাৰে যিকোনো সাহিত্যৰ ভঁৰালেই মেট্‌মৰা হৈ উঠিব পাৰে; কিন্তু ক'তো লেখক বা ৰচকৰ নামোল্লেখ নাই। সামূহিক জীৱনৰ আৱেগৰ অভিব্যক্তি হিচাপে এইবোৰেই ব্যক্তিজীৱনৰ অনুভূতি স্বীকৃত হয়।" (*অসমীয়া লোক-সাহিত্যৰ ৰূপৰেখা*, পৃ ঃ ২)

অসমীয়া ভাষাৰ জতুৱা ৰূপটোত উপলব্ধ বেছি ভাগ লোক-গীতেই পৌৰাণিক আখ্যান আৰু বুৰঞ্জীমূলক ঘটনা বা ব্যক্তিক কেন্দ্ৰ কৰি ৰচিত হৈছিল। পৌৰাণিক আখ্যানক আধাৰ কৰি ৰচিত গীতবোৰৰ ৰচনাকাল নিৰ্ণয় কৰাটো কঠিন। কিন্তু, বুৰঞ্জীমূলক গীতবোৰ (জয়মতী কুঁৱৰীৰ গীত, নাহৰৰ গীত, হৰদত্ত-বীৰদত্তৰ গীত, মণিৰাম দেৱানৰ গীত আদি)ৰ ৰচনাকাল নিৰ্ণয় কৰিবলৈ বিশেষ কঠিন নহয়। এই বুৰঞ্জীমূলক গীত-মালিতাবোৰত বুৰঞ্জীৰ বাস্তৱতা ৰক্ষিত হৈছে বুলি ডাঠি ক'ব নোৱাৰিলেও এইবোৰৰ পৰা বুৰঞ্জীৰ বহু মূল্যবান সমল আহৰণ কৰিব পাৰি। দৃষ্টান্তস্বৰূপে 'মণিৰাম দেৱানৰ গীত' এফাকিলৈ চোৱা যাওক —

মণিৰামক মাৰিলি ভালকে কৰিলি
পিয়ালিক মাৰিলি কিয়;
সেইনো কথা শুনি ৰংপুৰৰ আমোলৰ
আকাশে উৰি গ'ল জীৱ।

*লেখক যুক্তিনিষ্ঠতাৰে পৰিশীলিত এগৰাকী উদীয়মান চিন্তাবিদ।*

এই গীতফাকিৰ পৰা অনুমান কৰিব পাৰি যে স্বাধীনতা সংগ্ৰামী বুলি পৰিচিত মণিৰাম দেৱানৰ প্ৰতি সাধাৰণ প্ৰজাৰ বৰ ভাল ভাৱ নাছিল। কাৰণ, প্ৰথমাৱস্থাত মণিৰামে আত্মস্বাৰ্থ ৰক্ষাৰ বাবে বা নিজে ৰজা হোৱাৰ আকাংক্ষাৰে মান খেদিবলৈ অহা ব্ৰিটিছক অসমত গজগজীয়াকৈ বহিবলৈ উপায়-দিহা দিয়াই নহয়, অসমৰ স্বাধীনতাৰ বেলি চিৰদিনলৈ অস্তগামী হোৱাটো অৰিহণা যোগাইছিল। সেয়ে সাধাৰণ প্ৰজাই মণিৰামৰ পৰিৱৰ্তে পিয়ালি বা পিয়লি ফুকনকহে প্ৰকৃত স্বাধীনতা সংগ্ৰামী বুলি ভাবিছিল।

সি যি নহওক, প্ৰাচ্যতত্ত্ববিদ ড° মহেশ্বৰ নেওগে কৈছিল যে অসমীয়া লোক-সাহিত্যৰ অন্তৰ্গত বিহুনাম আৰু বনঘোষাবোৰতো অসমৰ সমাজ জীৱনৰ বহু প্ৰকাশ্য আৰু গোপন অধ্যায়েই লুকাই আছে। এই প্ৰকাশ্য বা গোপন অধ্যায়বোৰনো কি, সেয়া বিস্তৃত গৱেষণা-আলোচনাৰ বিষয়। আগ্ৰহী বিদ্বানসকলে বিহুনাম আৰু বনঘোষাবোৰত সমাজ জীৱনৰ প্ৰাণৰ স্পন্দন কেনেদৰে প্ৰকাশ পাইছে বা ইবোৰত অতীত হৈ পৰা সময়ছোৱাৰ সামাজিক-সাংস্কৃতিক-অৰ্থনৈতিক প্ৰতিচ্ছবি কেনেদৰে ফুটি উঠিছে; সেই বিষয়ে নিশ্চয় চিন্তা-চৰ্চা কৰিব। আমি কেৱল বিহুনাম আৰু বনঘোষাবোৰত অসমৰ প্ৰথমখন আধুনিক চহৰ ডিব্ৰুগড়ে কেনেদৰে গুৰুত্ব লাভ কৰিছিল সেই বিষয়েহে আলোচনা কৰিব বিচাৰিছোঁ।

এইখিনিতে বিহুনাম আৰু বনঘোষাৰ মাজত থকা ক্ষীণ পাৰ্থক্যৰ বিষয়ে কৈ লোৱাটো যুগুত হ'ব। সাধাৰণ অৰ্থত জাতীয় উৎসৱ বিহুৰ সৈতে সম্পৰ্কিত নামবোৰেই বিহুনাম। বিহুৰ বতৰত চহা ডেকা-গাভৰুৱে যৌনগন্ধী গীত গাই মনৰ ভাৱ বিনিময় কৰিছিল। তেওঁলোকে বিশ্বাস কৰিছিল যে বসন্তকালত যৌনাসক্তিপূৰ্ণ গান গাই নাচ-বাগ কৰিলে পৃথিৱী পৰ্যাপ্ত শস্য উৎপাদন কৰিব পাৰকৈ যৌৱনমতী হয়। অৱশ্যে, গৃহস্থৰ চোতালত সমবেত হৈ গোৱা বিহুনামবোৰ যৌনগন্ধী নাছিল। এই বিহুনামবোৰত ডেকাসকলে বিহুৰ প্ৰতি অনুভৱ কৰা আকুল আগ্ৰহ, প্ৰকৃতিৰ বিভিন্ন অনুষংগ আদিহে ফুটি উঠিছিল। ইপিনে, বনঘোষা হ'ল হাবি-বননি-চাপৰি-ইকৰাণিৰ মাজত বা নৈৰ পানীঘাটত ডেকা-গাভৰুৱে জ্যেষ্ঠসকলে নুশুনাকৈ মুক্তমনে গোৱা উৎকট যৌনগন্ধী গীত। ড° লীলা গগৈৰ মতে, যৌৱনৰ জোৱাৰত উটি অহা বনৰীয়া ভাৱ-ভাষাৰ গীতবোৰেই বন-ঘোষা। "বনঘোষাবোৰ বনৰীয়া নাম বা গৰখীয়াৰ নাম বুলিয়েই সাধাৰণতে জনাজাত। বনঘোষাৰ সংজ্ঞাটো নতুন; গীতবোৰ বহুত পুৰণি।" (*পূৰ্ব উল্লেখিত গ্ৰন্থ*, পৃ ঃ ১৩৪)।

লক্ষণীয় যে মধ্যযুগৰ অসমত সংঘটিত বিখ্যাত ৰণবোৰৰ উল্লেখ বিহুনাম- বনঘোষাবোৰত তেনেকৈ পোৱা নাযায়। এনেকি, বহু চৰ্চিত শৰাইঘাটৰ ৰণক লৈ ৰচিত বিহুনাম-বনঘোষাও আমাৰ দৃষ্টিগোচৰ হোৱা নাই এথোন। ইয়াৰ সম্ভাব্য কাৰণ এনেকুৱা হ'ব পাৰে ঃ বিহুনাম বা বনঘোষাবোৰ উজনি অসমৰ, বিশেষকৈ অবিভক্ত শিৱসাগৰ জিলাৰ চহা ডেকা-গাভৰুৱে ৰচনা কৰিছিল; সেই সময়ত যোগাযোগৰ সুচল ব্যৱস্থা নথকাৰ বাবে নামনি অসমত অৱস্থিত শৰাইঘাট উজনিৰ পৰা বহু দূৰৈৰ ঠাইৰূপে পৰিগণিত হৈছিল, সেয়ে শৰাইঘাটৰ ৰণৰ খবৰে ৰণত ভাগ নোলোৱা উজনিৰ ডেকা (লগতে গাভৰু)ক স্পৰ্শ কৰিব পৰা নাছিল। হয়তো শৰাইঘাট ৰণক লৈ বিহুনাম-বনঘোষা ৰচিত হ'লেও সেইবোৰ কালৰ সোঁতত হেৰাই গ'ল। কিন্তু, বিহুনাম বা বনঘোষাত অন্য ৰণবোৰৰ বিষয়ে বিশেষ উল্লেখ নাথাকিলেও ডিবৰু আৰু শদিয়াৰ ৰণৰ সঘন উল্লেখ (এই ঠাই দুখন শিৱসাগৰ জিলাৰ পৰা ওচৰ হোৱা বাবেই ?) পোৱা যায়—

"ডিবৰুৰ ৰণখন শদিয়াত লাগিলে
মিৰিয়নী কান্দিলে ডালত।

আকৌ ঃ

তোমাৰে সন্তাপত থাকিব নোৱাৰোঁ
মৰিমগৈ শদিয়াৰ ৰণত।"

নক'লেও হয় যে ১২২৮ চনত চাওলুং ছ্যু-কা-ফাই প্ৰতিষ্ঠা কৰা আহোম ৰাজ্যৰ উত্তৰ-পূব সীমান্তৰ ডিবৰু-শদিয়া অঞ্চলত স্বাধীনমনা মৰাণ, মটক, খামতি, চিংফৌ, চুতীয়া আদি জনগোষ্ঠীবোৰে বসবাস কৰিছিল। এই স্বাধীনমনা জনগোষ্ঠীবোৰৰ সৈতে আহোম সেনাই অনবৰত ৰণ-বিগ্ৰহত লিপ্ত হৈ থাকিবলগীয়া হৈছিল আৰু তেনে কোনো এখন ৰণত কোনো এজন ব্যৰ্থ প্ৰেমিকে ভাগ লোৱাৰ কথা ভাবিছিল। আহোমসকলৰ সুদীৰ্ঘ ছশ বছৰীয়া শাসনকালত বৰ্তমানৰ ডিব্ৰুগড় চহৰখন ডিবৰু, ডিব্ৰুমুখ আদি নামেৰে পৰিচিত আছিল। *দেওধাই অসম বুৰঞ্জী*ৰ লগতে অন্যান্য পুৰণি বুৰঞ্জীসমূহত উল্লেখ থকা মতে, ১৫২৩ চন (বহুতৰ মতে ১৫২২ চন)ত আহোম আৰু চুতীয়াৰ মাজত হোৱা সংঘৰ্ষৰ সময়ত আহোম সেনাই চুতীয়া সেনাক বাধা দিবৰ বাবে ডিব্ৰু নদীৰ মুখত এটা গড় মৰাইছিল আৰু সেই গড়টো ডিব্ৰুমুখৰ গড় বুলি জনাজাত আছিল। ১৭৬৯ চনত মৰাণ সেনাপতি নেওগ ফুকনেও ডিবৰু নদীৰ পাৰত আন এটা গড় বন্ধাইছিল বুলি বুৰঞ্জীত পোৱা যায়।

ঐতিহাসিক মোৱামৰীয়া গণ বিদ্ৰোহৰ পাছত ডিব্ৰুমুখ বেংমৰা ৰাজ্যৰ অন্তৰ্ভুক্ত হৈছিল। বেংমৰা ৰাজ্য স্থাপন কৰিছিল মোৱামৰীয়া বিদ্ৰোহৰ অন্যতন নায়ক সৰ্বানন্দ সিংহই। এই ৰাজ্যৰ সীমা ডিব্ৰুমুখৰ পৰা শদিয়ালৈকে বিস্তৃত আছিল। ৰাজ্যৰ ৰাজধানী আছিল বেংমৰা (বৰ্তমান তিনিচুকীয়া)ত। সৰ্বানন্দই ১৭৮৮ চনৰ পৰা মুত্যু পৰ্যন্ত অৰ্থাৎ ১৮০৫ চনৰ ২৪ মে'লৈ বেংমৰা ৰাজ্য শাসন কৰিছিল। সেই বছৰতে আহোম ডাঙৰীয়া পূৰ্ণানন্দ বুঢ়াগোহাঁয়ে বেংমৰা ৰাজ্য আক্ৰমণ কৰাত আহোম সেনা বাহিনীৰ হাতত মটক সেনা বাহিনী পৰাজিত হৈছিল। যুদ্ধৰ পাছত দুয়োপক্ষৰ মাজত চুক্তি স্বাক্ষৰিত হয়। চুক্তি অনুসৰি, বেংমৰা ৰাজ্যক আহোম ৰাজতন্ত্ৰৰ অধীনৰ এক স্বায়ত্ব শাসিত ৰাজ্য হিচাপে স্বীকৃতি দিয়াৰ

লগতে সৰ্বানন্দৰ বৰপুত্ৰ মতিবৰক ৰাজ্যৰ শাসনভাৰ অৰ্পণ কৰে। মতিবৰ মটকসকলৰ বাবে ৰজা হ'লেও আহোম ৰজাৰ বাবে তেওঁ বৰ সেনাপতি হিচাবেহে পৰিগণিত হয়। বৰ সেনাপতি মতিবৰে ১৮৩৯ চনলৈকে বেংমৰা ৰাজ্য শাসন কৰিছিল।

আহোম ৰাজতন্ত্ৰৰ অন্তৰ্কন্দলৰ সুযোগ লৈ মান সেনাই ১৮১৭ চনৰ পৰা ১৮২২ চনৰ ভিতৰত তিনিবাৰকৈ আহোম ৰাজ্য আক্ৰমণ কৰিছিল। মানৰ আক্ৰমণ আৰু অকথ্য অত্যাচাৰত আহোম ৰাজ্যৰ প্ৰজাৰ অৱস্থা তথৈবচ হৈ পৰিছিল। আহোম ৰজাৰ অনুৰোধমৰ্মে মান সেনাৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ ব্ৰিটিছ সেনা বাহিনীয়ে ১৮২৪ চনত অসমত প্ৰৱেশ কৰে। অত্যাধুনিক অস্ত্ৰ-শস্ত্ৰৰে সজ্জিত ব্ৰিটিছ সেনাই মান সেনাক অনায়াসে অসমৰ পৰা খেদি পঠিওৱাৰ পাছত নিয়ম মতে তেওঁলোকে অসম এৰি গুচি যাব লাগিছিল। কিন্তু, অসমৰ বুকুত পৰ্যাপ্ত প্ৰাকৃতিক সম্পদ দেখি তেওঁলোকে অসম এৰি যোৱাৰ কথা নাভাবিলে; অসমত ঔপনিৱেশিক শাসন প্ৰৱৰ্তন কৰিবলৈহে উদ্যোগ ল'লে।

১৮২৬ চনৰ ২৮ ফেব্ৰুৱাৰীত আহোম ৰজাক অন্ধকাৰত ৰাখি মান আৰু ব্ৰিটিছৰ মাজত ইয়াণ্ডাবু সন্ধি স্বাক্ষৰ হোৱাৰ লগে লগে আহোম ৰাজতন্ত্ৰৰ পতন ঘটে। সেই বছৰতে বৰ সেনাপতি মতিবৰৰ সৈতে বেংমৰা ৰাজ্য শাসন সন্দৰ্ভত ব্ৰিটিছ প্ৰতিনিধি ডেভিড স্কটৰ এক ঐতিহাসিক চুক্তি সম্পন্ন হয়। খামতিৰ শদিয়াখোৱা চাউচেলন গোহাঁইৰ সৈতেও শদিয়াৰ শাসন সন্দৰ্ভত স্কটে এক চুক্তি সম্পন্ন কৰে। ইপিনে, হৃত আহোম ৰাজ্য উদ্ধাৰৰ বাবে গোমধৰ কোঁৱৰ, পিয়লি ফুকন আদিয়ে ব্ৰিটিছৰ বিৰুদ্ধে বিদ্ৰোহ আৰম্ভ কৰাত ১৮৩৩ চনত ব্ৰিটিছ প্ৰশাসনে পুৰন্দৰ সিংহক ৰজা পাতি বছৰি পঞ্চাশ লাখ টকা কৰৰ বিনিময়ত শদিয়া আৰু বেংমৰা ৰাজ্যৰ বাদে উজনি অসম শাসন কৰিবলৈ দিয়ে। কিন্তু, ১৮৩৮ চনত ব্ৰিটিছে ইষ্ট ইণ্ডিয়া কোম্পানীৰ প্ৰসাৰৰ স্বাৰ্থতে চুক্তি অনুসৰি কৰ দিব নোৱৰাৰ অজুহাত দেখুৱাই পুৰন্দৰ সিংহৰ পৰা আহোম ৰাজ্য কাঢ়ি লয়। তাৰ পাছতেই ব্ৰিটিছে প্ৰশাসনৰ সুবিধাৰ্থে উজনি অসমক দুখন জিলা (ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰক লখিমপুৰ জিলা আৰু দক্ষিণ পাৰক শিৱসাগৰ জিলা হিচাপে)ত ভাগ কৰে। পৰৱৰ্তী সময়ত দক্ষিণ পাৰৰ ডিব্ৰুমুখক মহকুমা হিচাবে লখিমপুৰ জিলাত অন্তৰ্ভুক্ত কৰা হৈছিল। উল্লেখ্য যে বেংমৰা ৰাজ্য শাসনৰ দায়িত্ব তেতিয়াও বৰ সেনাপতি মতিবৰকে দি থকা হৈছিল।

১৮৩৯ চনৰ দুই জানুৱাৰীত মতিবৰৰ মৃত্যুৰ পাছত ব্ৰিটিছে তেওঁৰ ভ্ৰাতৃ ভগীৰথক বেংমৰা ৰাজ্যৰ শাসনৰ ভাৰ দিয়ে। সেই বছৰৰে ১২ নৱেম্বৰত ইষ্ট ইণ্ডিয়া কোম্পানীৰ কেপ্তেইন হেমিলটন ডেটচ্ শক্তিশালী ফৌজসহ ভগীৰথৰ কাষলৈ আহে আৰু তেওঁৰ ওপৰত ৰাজ্য শাসনৰ কেতবোৰ নতুন চৰ্ত আৰোপ কৰে। সেই চৰ্তবোৰ মানি ল'লে ভগীৰথৰ ৰজা হিচাবে কোনো স্বাধীনতা নাথাকে বাবে তেওঁ চৰ্তবোৰ মানি লোৱা নহ'ব বুলি জনোৱাত কেপ্তেইন ডেটচে বেংমৰা ৰাজ্যখন কোম্পানীৰ অধীনলৈ নিয়া হ'ল বুলি ঘোষণা কৰিলে। সেই ঘোষণা অনুসৰি ১৮৩৯ চনৰ ২৪ ডিচেম্বৰৰপৰা বেংমৰা ৰাজ্যখনো ব্ৰিটিছৰ অধীন হৈ পৰিল। উল্লেখ্য যে কোনো কোনো ঐতিহাসিকে ১৮৪১ চনৰ ২৯ ডিচেম্বৰত বৰ সেনাপতি মতিবৰ আৰু ব্ৰিটিছৰ মাজত হোৱা তিনিচুকীয়া ৰঙাগড়া সন্ধি অনুসৰি ডিব্ৰুমুখ অঞ্চল ব্ৰিটিছৰ অধীনলৈ যায় বুলি উল্লেখ কৰিছে। কিন্তু, ১৮৩৯ চনত মৃত্যু হোৱা মতিবৰৰ সৈতে ব্ৰিটিছৰ সন্ধি কেনেদৰে হ'ল বা ১৮৩৯ চনত ডিব্ৰুমুখ দখল কৰাৰ পাছত পুনৰ ডিব্ৰুমুখ দখল কৰাৰ প্ৰয়োজনীয়তা ক'ত — সেই বিভ্ৰান্তিমূলক প্ৰশ্নবোৰৰ কোনো গ্ৰহণযোগ্য উত্তৰ তেওঁলোকে দিয়া নাই।

ব্ৰিটিছসকলে চলে-বলে-কৌশলে আহোম ৰাজ্য আৰু বেংমৰা ৰাজ্য হস্তগত কৰাৰ আগৰ পৰাই উজনি অসমৰ প্ৰাকৃতিক সম্পদ লুণ্ঠনেৰে আন্তৰ্জাতিক বাণিজ্য প্ৰসাৰ কৰিবলৈ আৰু প্ৰশাসনীয় কাম-কাজ সুচাৰুৰূপে চলাবলৈ এডাখৰ সুচল ঠাইৰ সন্ধান কৰিছিল। সেই মৰ্মেই তেওঁলোকে জল আৰু স্থল পৰিবহনৰ বাবে উপযোগী ব্ৰহ্মপুত্ৰ নদীৰ গাতে লাগি থকা ডিব্ৰুমুখত এখন আধুনিক চহৰ পতাৰ সিদ্ধান্ত লৈছিল। ডিব্ৰুমুখৰ জলবায়ু তেওঁলোকৰ স্বাস্থ্যৰ বাবেও উপযোগী আছিল। উজনি অসমৰ শাসনভাৰ সম্পূৰ্ণৰূপে নিজৰ অধীনলৈ নিয়াৰ পাছতে অৰ্থাৎ ১৮৪০ চনত ব্ৰিটিছসকলে আহোমসকলৰ দৰেই স্থানীয় স্বাধীনমনা জনগোষ্ঠীসমূহৰ সম্ভাব্য আক্ৰমণৰ পৰা ৰক্ষা পাবলৈ ডিব্ৰুমুখৰ পৰা ছয় কিঃ মিঃ আঁতৰত, ডিব্ৰু নদীৰ দক্ষিণপাৰত এটা গড় (ফ'ৰ্ট) বন্ধাইছিল। সেই গড়ৰ নাম অনুসৰিয়েই পূৰ্বৰ ডিবৰু বা ডিব্ৰুমুখ নামৰ ভূমিখণ্ড ডিব্ৰুগড় হিচাবে খ্যাত হৈ পৰে।

ব্ৰিটিছ প্ৰশাসনে নিৰাপত্তাজনিত কাৰণত গড় বন্ধোৱাৰ সমান্তৰালভাৱে ডিব্ৰুমুখ বা ডিব্ৰুগড়ত সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ ভিতৰত প্ৰথমখন আধুনিক চহৰৰ পাতনি মেলিলে। প্ৰশাসনে ১৮৪০ চনত ডিব্ৰুগড়ক লখিমপুৰ জিলাৰ সদৰ ৰূপে ঘোষণা কৰাৰ লগতে প্ৰশাসনৰ বিৰুদ্ধে বিদ্ৰোহত লিপ্তসকলক বিচাৰ কৰিবলৈ খেৰ-বাঁহেৰে এখন বিচাৰালয় আৰু তেওঁলোকক বন্দী কৰি থ'বলৈ এখন পকী কাৰাগাৰ নিৰ্মাণ কৰে। এই কাৰাগাৰখনেই অসমৰ প্ৰথম পকী কাৰাগাৰ আছিল। সেই বছৰতে ঔপনিৱেশিক স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি ডিব্ৰুগড়ত প্ৰথমখন ইংৰাজী মাধ্যমৰ বিদ্যালয় স্থাপন কৰা হয়। ১৮৪২ চনত ব্ৰিটিছসকলে বৰ্তমানৰ ডিব্ৰুগড়, তিনিচুকীয়া (শদিয়া), লখিমপুৰ আৰু ধেমাজিক লৈ এখন বৃহৎ প্ৰশাসনিক জিলা গঠন কৰাৰ লগতে পূৰ্বৰ ঘোষণা অনুসৰি সদৰ কাৰ্যালয় লখিমপুৰৰ পৰা ডিব্ৰুগড়লৈ স্থানান্তৰ কৰে। এই জিলা সদৰলৈ বাণিজ্য প্ৰসাৰৰ লক্ষ্যৰে ইংলেণ্ডৰ পৰা ভালেমান ব্ৰিটিছ বিষয়াৰ আগমন ঘটিছিল। ধৰ্ম প্ৰচাৰৰ বাবে খ্ৰীষ্টান মিছনেৰীসকলো আহিল। এনেদৰেই ডিব্ৰুগড় চহৰখন ঔপনিৱেশিক যুগত উজনি অসমৰ প্ৰশাসনিক, শৈক্ষিক, ব্যৱসায়িক, সাংস্কৃতিক,

ৰাজনৈতিক আদি সকলো দিশতে বাটকটীয়া হৈ পৰে।

সি যি নহওক, ৰাজতন্ত্ৰ পতনৰ পাছতে ব্ৰিটিছসকলে অসমত নতুন ধৰণৰ শাসন পদ্ধতি প্ৰৱৰ্তন কৰিল। গা কৰি উঠিল যন্ত্ৰ সভ্যতা। এই যন্ত্ৰ সভ্যতাৰ প্ৰভাৱ স্থানীয় জনজাতীয়-জনগোষ্ঠীয় লোকসকলৰ ওপৰতো ধীৰে ধীৰে পৰিবলৈ ধৰিলে। স্থানীয় লোকসকলৰ সাজ-পোচাক, জীৱন নিৰ্বাহ পদ্ধতি আদিতো পৰিৱৰ্তনৰ বোল লাগিল। মধ্যযুগীয় সাজ-পোচাক ('গোমচেঙৰ চোলা', 'গুণা কটা পাগুৰি', 'শেল দিয়া চুৰিয়া', 'বুকু চোলা'), অলংকাৰ-পাতি (কাণত জিলিকা নৰা-জাংফাই), কেঁকোৰা দোলা আদিৰ ব্যৱহাৰ কমি আহিল। আগৰ ডেকাই প্ৰেমিকাক কৈছিল— 'পেৰাৰে সিংখাপ দি যাম উলিয়াই, বেহাই যাম প্ৰেমৰে বেহা।' গাভৰুৱে 'জালিকটা ৰিহাখন' গাত মেৰিয়াই, সৰু দৈয়া জাপি পিন্ধি বিয়া-সবাহ খাবলৈ গৈছিল। প্ৰেমিকাৰ খোপাত গুঁজিবলৈ প্ৰেমিকে পাহাৰ বগাই বগাই ছিঙি আনিছিল কপৌফুল। কিন্তু, ঔপনিৱেশিক যুগত অভিজাত পৰিয়ালৰ সদস্যই ব্যৱহাৰ কৰা আৰ্চী (আৰ্চীৰ কেনুৱা, গণে ঐ লাহৰী, আৰ্চীৰ কেনুৱা গণ), মলমলাই গোন্ধাই থকা গোন্ধতেল, ৰেচমৰ ৰুমাল, 'চিমলাই চুৰিয়া', মেলিব-জপাব পৰা ছাতি আদিৰ প্ৰতি জাৰণি-বননিৰ মাজত বনঘোষা গাই ফুৰা গাঁৱৰ ডেকা-গাভৰুও আকৰ্ষিত নোহোৱাকৈ নাথাকিল।

আগতে কেঁচ বচা ৰিহা পিন্ধা গাভৰুৰ ৰঙা চোলা বা জাকিট চোলা পিন্ধিবলৈ মন গ'ল। কঁঠালৰ খৰম পিন্ধা ডেকাজনৰো চটিজোতা পিন্ধিবলৈ বৰকৈ হাউচ হ'ল। আগতে ৰাতি বিহু মাৰিবলৈ বা হুঁচৰি গাবলৈ ডেকা-গাভৰুৱে জোঁৰ-ভমক জ্বলাই গ'লেও নতুনকৈ হাৰিকেন লেম্প্ লগা হ'ল। গাভৰুৱে ৰুমালৰ মাজত বা থুৰিয়া তামোলত চফ দিবলৈও শিকিলে। 'গা চায়ে চোলা, মূৰ চাই সেওঁতা, কাণত বাখৰ লগা কেৰু', 'ছাতিৰে পানীৰে, চেলেং তিতি গ'ল, দুৱাৰ মেলি দিয়া, সোমাওঁ' আদি বিহুনামবোৰে যেন নতুন যুগৰ অসমীয়া নাৰী-পুৰুষৰ সাজ-পোচাক বা জীৱনশৈলীৰ এখন ছবি দাঙি ধৰে।

সেই নতুন বিলাসী সামগ্ৰীসমূহ ক'ত পোৱা গৈছিল? তাৰ উত্তৰ বিহুনাম-বনঘোষাৰ মাজতেই পাওঁ —

"আমি যে যাওঁগে ডিবৰু জিলালৈ
আনি দিম বজাৰৰ সূতা;
তুমি বৈয়ে ল'বাঁ ৰিহাকৈ মেখেলা,
মোকে বৈয়ে দিবা চোলা।"

** ** ** ** ** **

"ডিবৰু জিলাতে আছে জাকিট চোলা
সেইটোৱে শুৱাব তোক।"

** ** ** ** ** **

"ডিবৰু শুৱনি দীঘলী বজাৰ এ
শিৱসাগৰ শুৱনী দ'ল।"

ডেকাই ডিবৰুৰ পৰা ঘূৰি আহিয়েই গাব পৰা হ'ল— 'ক'লা চোলা কুৰুতা, গুদাম মাৰো পাঁচোটা' বা 'ডিব্ৰুগড়তে কিনো নাইকিয়া, আছে মুগা-বোৱা ৰাঁচ'। সন্দেহ নাই, সেই সময়ত বিহুনাম-বনঘোষাৰ মূল উৎপত্তিস্থলী শিৱসাগৰৰ পৰা ডিব্ৰুগড় দূৰণিৰ চহৰ আছিল। ডিব্ৰুগড়ত বসবাস কৰা ব্ৰিটিছ চাহাব, বঙালী বা অসমীয়া আমোলাৰ আদব-কায়দাই শিৱসাগৰ আৰু লখিমপুৰ জিলাৰ সাধাৰণ গ্ৰাম্যবাসীক চমক খুৱাইছিল। অৱধাৰিতভাৱেই বিহুনাম-বনঘোষা গোৱা দলে পশ্চিমীয়া জীৱনশৈলী নিজে দেখি বা আনৰ মুখেৰে শুনি তাৰে দুই এটা উপমা প্ৰয়োগেৰে বিহুনাম-বনঘোষা ৰচিছিল। তেতিয়াৰ পৰাই বিহুনাম-বনঘোষাত কোম্পানী, চাহাব, টাইম, বঙলা, বাগিচা আদি শব্দৰ পয়োভৰ ঘটিল।

'ডিব্ৰুগড় নতুন পণ্যৰ হাট-বজাৰেৰে ভৰা ঠাই' বুলি লোক-সাহিত্যই দিয়া তথ্য অশুদ্ধ হ'বই নোৱাৰে। দীঘলী বজাৰত নিঃসন্দেহে বঙালী-মাৰোৱাৰী (কেঞা) সম্প্ৰদায়ৰ ব্যৱসায়ীয়েই হৰেক ৰকমৰ বিদেশী বয়-বস্তু বেহাইছিল। অৱশ্যে, পৰৱৰ্তী সময়ত শিৱসাগৰ, যোৰহাট আদি ঠাইতো কেঞা মহাজনৰ গোলা বহিছিল আৰু সেই গোলাসমূহতো বিদেশী বস্তু উভৈনদী হৈ পৰিছিল। ১৮৫৪ চনৰ মিলছৰ প্ৰতিবেদনত কেঞা আৰু বঙালীৰ গোলাৰ বিষয়ে উল্লেখ পোৱা যায়। উল্লেখ্য যে ১৮৬৩ চনত কৃষ্ণনাথ সাধুচৰণ পালে ডিব্ৰুগড়ত প্ৰথমখন বৃহৎ গেলামালৰ দোকান প্ৰতিষ্ঠা কৰিছিল আৰু সেই দোকানখনেই ডিব্ৰুগড়ৰ সৰ্বপ্ৰথম আয়কৰ ভৰা প্ৰতিষ্ঠান আছিল। সেই সময়ত অসমলৈ অহা বঙালী আৰু মাৰোৱাৰীসকল স্থানীয় লোকসকলতকৈ শিক্ষা-দীক্ষা আৰু বেহা-বেপাৰত আগৰণুৱা আছিল বাবে 'বঙালীৰ মাথা, মাৰোৱাৰীৰ খাটা' বুলি অসমীয়া ভাষাত এক প্ৰবচনেই সৃষ্টি হৈছিল।

১৮২৩ চনত ৰবাৰ্ট ব্ৰুচে শদিয়া অঞ্চলত বনৰীয়া চাহ আৱিষ্কাৰ কৰাৰ কেই বছৰ মানৰ পাছত অৰ্থাৎ ১৮৩৪ চনত ব্ৰিটিছসকলে ডিব্ৰুগড়ৰ ওচৰতে অৱস্থিত চাবুৱাত এখন চাহ বাগিচা স্থাপন কৰিছিল। তেওঁলোকে অসমত চাহ খেতিৰ প্ৰচুৰ সম্ভাৱনালৈ লক্ষ্য ৰাখি ১৮৩৯ চনত আসাম টি কোম্পানী গঠন কৰে আৰু কম সময়ৰ ভিতৰতে উজনি অসমৰ শ শ বিঘা সাৰুৱা মাটিত ইখনৰ পাছত সিখন চাহ বাগিচা খোলে। বিভিন্ন আৰ্থ-সামাজিক কাৰণত স্থানীয় লোকসকলে বাগিচাত শ্ৰমিকৰ কাম কৰিবলৈ আগ্ৰহ প্ৰকাশ

নকৰাত কোম্পানীয়ে উৰিষ্যা, পশ্চিমবংগ, বিহাৰ আদি ঠাইৰ পৰা হেজাৰ হেজাৰ শ্ৰমিকক বিভিন্ন প্ৰলোভনেৰে অসমলৈ আনে আৰু তেওঁলোকৰ হাড়ভঙা পৰিশ্ৰমৰ অন্তত বাগিচাবোৰ জীপাল হৈ উঠে। উজনি অসম চাহ বাগিচাৰে ভৰি পৰাৰ লগে লগে অলপ-অচৰপ ইংৰাজী পঢ়িবলৈ-লিখিবলৈ শিকা দুই এজন স্থানীয় ডেকাই বাগিচাৰ কেৰাণী-মহৰী হিচাপে নতুন জীৱনৰ পাতনি মেলিলে। কোনোৱে চৰকাৰী চাকৰিতো যোগদান কৰিলে। ডেকাৰ সেই নতুন জীৱনক যেন প্ৰেমিকাই সহজভাৱে ল'ব পৰা নাছিল। তেওঁ প্ৰেমিকৰ পূৰ্বৰ স্বচ্ছন্দ জীৱনলৈ বাধ্যবাধকতা আহি পৰিল বুলি অনুভৱ কৰি গাইছিল —

"শোৱা পাটী এৰি দুটি চকু মোহাৰি
খালা কি নেখালা ভাত,
চৰকাৰী কামলৈ ঢাপলি মেলিলা
লগাই থৈ নগ'লা মাত।"

কোনো কোনো ডেকাই সৰহকৈ দুটকা ঘটাৰ আশাত বেহা-বেপাৰত ধৰিছিল। বেপাৰত টলৌ-টলৌকৈ ঘূৰি ফুৰা ডেকাজনৰ সংগ আগৰ দৰে নোপোৱাৰ বাবে প্ৰেমিকাই তেওঁক আগৰ জীৱনলৈ উভতি আহিবলৈ অনুৰোধ নজনোৱাকৈ নাথাকিল—

"ইয়ে বোলে বেপাৰী সিয়ে বোলে বেপাৰী
নেলাগে বেপাৰৰ ধন
ঘৰতে থাকিবা ৰামায়ণ পঢ়িবা
শুনি থাকিবৰে মন।"

ডেকা-গাভৰুৰ তেনে হা-হুমুনিয়াহ বেছি দিনলৈ শুনা নগ'ল। 'কোম্পানীৰ চাকৰি নালাগে লাহৰী, নালাগে তলপৰ ধন' বুলি গোৱা ডেকাজনেও কোম্পানীৰ চাকৰি এটাৰ বাবে হাবিয়াস কৰা হ'ল। তেওঁলোকে কোম্পানী বা চৰকাৰী চাকৰিয়েহে জীৱনলৈ সুখ-সমৃদ্ধি কঢ়িয়াই আনে বুলি ভাবিবলৈ ল'লে। ডেকা-গাভৰুৰ ভাৱ-চিন্তাৰ পৰিৱৰ্তনৰ স্বাক্ষৰ বিহুনাম-বনঘোষাত সুন্দৰকৈ ফুটি উঠিছে

"কেৰেণী নহ'লোঁ মহৰী নহ'লোঁ
তোমাক কেনে কৰি পাম?"

চৰকাৰী বা কোম্পানীৰ চাকৰি কৰিবলৈ লোৱাজনৰ বাবে 'চ'ৰাঘৰ', 'বৰচ'ৰা', 'পানীচ'ৰা', 'তামুলীচ'ৰা' আদি শব্দবোৰ অব্যৱহাৰ্য হৈ পৰিল; সেই শব্দবোৰৰ ঠাই ল'লে বঙলাই—

"শহুৰৰ বঙলা দেখিবলৈ শুৱলা
দুৱাৰত ইংৰাজী লেখা।"

এই বিহুনাম ফাঁকিৰ পৰা অনুমান কৰিব পাৰি যে ব্ৰিটিছৰ তলত চাকৰি কৰা প্ৰথম প্ৰজন্মৰ অসমীয়াই গ্ৰাম্য জীৱনৰ সৈতে নিকট সম্পৰ্ক ৰক্ষা কৰি চলিছিল। আদৰৰ কন্যাক হয়তো বঙলা দেখিয়েই চমক খোৱা গাঁৱৰ চহকী ডেকালৈ বিয়া দিছিল। অৱশ্যে, এনে বিহুনাম বঙলাত বাস কৰা ধুনীয়া গাভৰুক নিজৰ কৰি লোৱাৰ হেঁপাহ থকা কল্পনাপ্ৰৱণ ডেকায়ো ৰচনা কৰিব পাৰে। সেইদৰে, 'নাচনী আছেঁগৈ ডিবৰু জিলাতে কিহতকৈ বাতৰি দিওঁ', 'আমি যে যাওঁগৈ ডিবৰু জিলালৈ, তুমি নকৰিবা বেজাৰ' আদি বিহুনাম-বনঘোষাবোৰৰ পৰা এয়াও অনুমান কৰিব পাৰি যে বগী টিন জিলিকা বঙলা ডিব্ৰুগড়ৰ দৰে আধুনিক চহৰতহে দেখা পোৱা গৈছিল। প্ৰাপ্ত তথ্য মতে, ব্ৰিটিছে ১৮৪৯-৫০ চনত ডিব্ৰুগড়ত পূৰ্বৰ খেৰ-বাঁহৰ বিচাৰালয়টো ৫,৪৪৬.০০ টকা ব্যয়ৰে নতুনকৈ নিৰ্মাণ কৰাৰ উপৰি সেই সময়তে প্ৰায় ১,৬০০.০০ টকা ব্যয়ৰে মেগাজিন গুদামঘৰ আৰু চেন্টাৰ নিৰ্মাণ কৰিছিল। ১৮৫১ চনত ৰেজিমেন্টৰ পকী গুদামঘৰ, ১৮৫৩-৫৪ চনত সামৰিক চিকিৎসালয়, ১৮৫৬-৫৭ চনত চেইন্টপল গীৰ্জাঘৰ, ১৮৫৯-৬০ চনত ফৌজদাৰী কাৰাগাৰ আদি নিৰ্মাণ কৰিছিল। দুখৰ বিষয় যে বিহুনাম-বনঘোষাত জীৱন্ত হৈ থকা ডিব্ৰুগড় চহৰখনৰ বহু ঐতিহ্য ('দীঘলী বজাৰ'কে ধৰি পেৰী পাৰ্ক, সেন্দূৰী আলি, ডিব্ৰুগড় দুৰ্গ আদি) ১৯৫০ চনত হোৱা ভূমিকম্পৰ ফলত ব্ৰহ্মপুত্ৰৰ বুকুত হেৰাই গ'ল। ঔপনিৱেশিক যুগৰ ঐতিহ্যৰ স্মাৰক বুলিবলৈ কাছাৰী ঘৰ, কাৰাগাৰ আদি দুটামানহে বাচি থাকিল।

সি যি নহওক, ১৮৪৭ চনত পোনতে কলিকতা আৰু গুৱাহাটীৰ মাজত ভাপ-জাহাজ চলিছিল। এবছৰৰ পাছতে ডিব্ৰুগড়লৈকে এই জাহাজ চলাচল কৰিবলৈ লোৱাৰ লগে লগে বিহুনাম-বনঘোষা গোৱা দলে জাহাজৰ উপমা খটুৱাই নতুন নাম ৰচিবলৈ ধৰিলে—

"উজায়ে আহিলে কোম্পানীৰ জাহাজ ঐ
পিথপী টলবল্ দেখোঁ
চপাই দে চপাই দে কোম্পানীৰ জাহাজ ঐ
মনোমতীৰ বাতৰি সোধোঁ।"

** ** ** ** ** **

"নৈয়ো গুমেগুমায় কোম্পানীৰ জাহাজ ঐ
ঢেঁকীনো গুমেগুমায় থোৱা।"

১৮৭৬ চনত লিডু আৰু মাকুম (মাৰ্ঘেৰিটা)ত কয়লা আৱিষ্কাৰ হোৱাৰ লগে লগে ব্ৰিটিছে কয়লা সৰবৰাহৰ বাবে অসমত ৰে'লসেৱা প্ৰৱৰ্তনৰ উদ্যোগ লয়। ১৮৮২ চনত ডিব্ৰুগড়ত ৰে'লৰে ৱৰ্কশ্বপ

স্থাপন কৰি সেই বছৰৰ এক মে'ত মোহনাঘাটৰ পৰা শদিয়ালৈকে ৭৮ মাইল দীঘল ৰে'লপথ নিৰ্মাণ সম্পূৰ্ণ কৰে আৰু সেইদিনাই ডিব্ৰুগড়ৰ ৰিহাবাৰী ষ্টেচনৰ পৰা লাহোৱাললৈ পৰীক্ষামূলকভাৱে ৰে'ল চলাই চায়। ১৮৮৩ চনৰ ১৬ জুলাইত ডিব্ৰুগড়ৰ পৰা মাকুমলৈ প্ৰথমখন মালবাহী ৰে'ল আৰু ১৮৮৪ চনৰ ১৮ ফেব্ৰুৱাৰীত ডিব্ৰুগড়ৰ পৰা শদিয়ালৈ প্ৰথমখন যাত্ৰীবাহী ৰে'ল চলাচল কৰে। পৰৱৰ্তী সময়ত কৰ্ণেল বেৰী হোৱাইটৰ প্ৰচেষ্টাত ডিব্ৰুগড়ৰ পৰা বংগদেশলৈও ৰেল চলিছিল। কোম্পানীৰ নতুন পৰিবহন ব্যৱস্থাই অসমৰ ডেকা-গাভৰুৰ মনৰ দিগন্তও বিশাল কৰি তুলিলে। আগতে হাবি-বনৰ মাজেৰে দূৰণিলৈ যাব লগা হ'লে হাঁহ মাৰি মিতিৰ-কুটুমৰ সৈতে এসাঁজ খাই যোৱা গাঁৱৰ মানুহক ৰেলগাড়ী-মটৰ গাড়ীয়ে এখন নতুন পৃথিৱীলৈ হাতবাউল দি মাতিলে। উজনি অসমৰ মানুহৰ বাবে সেই নতুন পৃথিৱীৰ প্ৰথমটো 'ইষ্টেশ্যন' হ'ল ডিব্ৰুগড় —

"বজাৰত কিনিলো ৰেচেমৰ ৰুমালখন,
ৰেলগাড়ী ভটিয়াই গ'ল;
বিয়া কৰিম বুলি বৰঘৰ সাজিলোঁ,
গৰু বন্ধা গোহালি হ'ল।"

** ** ** ** ** **

"ৰিহাবাৰী ইষ্টেশ্যন তিনি কুঠলীয়া
ওপৰে লগোৱা টিন।"

আগতে শদিয়াৰ ৰণত মৰিবলৈ মন কৰা বা 'মতা ম'হ বেচি', 'লাখুটি ধোঁৱা চাঙত তুলি' নগাৰ চাঙে চাঙে বগাই ফুৰাৰ কথা ভবা ডেকাজনে নতুন যুগত আৰু অলপ দূৰলৈ যাবলৈ মন মেলিলে। বিৰহী ডেকাইতো 'দীঘলী বজাৰ', 'ৰিহাবাৰী ইষ্টেছন'ৰে ভৰা ডিব্ৰুগড় হেন চহৰ এখন এৰি যোৱাৰ কথাও ভাবিলে —

"ভাটিলৈ ভটিয়াই যামে ঐ লাহৰী
নেথাকো কোম্পানীৰ দেশত।"

** ** ** ** ** **

"লুইত পাৰ হ'লোঁ দিখৌ পাৰে হ'লোঁ
জিৰালো কলিয়াবৰত,
তোমাকে বিচাৰি এৰো ঘৰে-বাৰী
নেথাকোঁ ডিবৰুগড়ত।"

লক্ষ্যণীয় যে ব্ৰিটিছ নিৰ্মিত আধুনিক চহৰ ডিব্ৰুগড়ৰ প্ৰসংগ কেৱল অসমীয়া লোক-সাহিত্যৰ অন্যতম অংগ বিহুনাম-বনঘোষাতেই উপলব্ধ নহয়; প্ৰাক্-স্বাধীনতা কালত ৰচিত আধুনিক অসমীয়া সৃষ্টিশীল সাহিত্যতো এই চহৰখনৰ ঐতিহ্যৰ বিভিন্ন প্ৰসংগ উপলব্ধ হয়। দৃষ্টান্তস্বৰূপে, লক্ষ্মীনাথ বেজবৰুৱাৰ 'ভোকেন্দ্ৰ বৰুৱা' শীৰ্ষক ব্যংগ ৰচনাখনত ভোকেন্দ্ৰই পিতৃক ফটো উঠিবৰ বাবে গৰু বিক্ৰী কৰি হ'লেও ডিব্ৰুগড়লৈ যাবলৈ পৰামৰ্শ দি চিঠি লিখাৰ পৰাই অনুমান কৰিব পাৰি যে উজনি অসমৰ ভিতৰত প্ৰথম ডিব্ৰুগড়তেই ফটো ষ্টুডিঅ' স্থাপিত হৈছিল। বীণা বৰুৱাৰ 'জীৱনৰ বাটত' উপন্যাসখনৰ নায়ক কমলাকান্তৰ ধনী-মানী শহুৰেকৰ ঘৰ আছিল ডিব্ৰুগড়ত। উপন্যাসখনত কমলাকান্তৰ শহুৰেকৰ ঘৰ-ঘৰোৱাহৰ যি সৰস বৰ্ণনা আছে, সেই বৰ্ণনাই প্ৰাক্ স্বাধীনতাকালৰ অসমৰ অভিজাত সমাজখনৰ এখন সুন্দৰ ছবি দাঙি ধৰে। সৃষ্টিশীল সাহিত্যৰ এনে সমলবোৰৰ আধাৰত নিশ্চয় ডিব্ৰুগড়ৰ সমাজ-জীৱনৰ অন্য এখন ইতিহাস ৰচনা কৰিব পৰা যায়। সেই সম্ভাব্য ইতিহাস হ'ব খাটিখোৱা জনসাধাৰণৰ ইতিহাস।

**সহায়ক গ্ৰন্থপঞ্জী ঃ**


১. গগৈ, ড° লীলা; *অসমীয়া লোক সাহিত্যৰ ৰূপৰেখা,* প্ৰকাশক ঃ বনলতা, ডিব্ৰুগড়, ২০১১ চন।

২. গগৈ, যাদৱ (সম্পা.); সদৌ অসম মটক সন্মিলন আৰু সদৌ অসম মটক যুৱ ছাত্ৰ সন্মিলনৰ ষট্‌বিংশতিতম্ দ্বি-বাৰ্ষিক ডিব্ৰুগড় অধিৱেশন উপলক্ষে প্ৰকাশিত স্মৃতিগ্ৰন্থ। ২০০৭ চন।

২. দত্ত, সুমন (সম্পা.); *১৯৫০... এক কৰুণ গাথা,* প্ৰকাশক ঃ শ্বহীদ স্মৃতিৰক্ষা সমিতি, ডিব্ৰুগড়, ২০১৭ চন।

৩. নেওগ, মহেশ্বৰ; *অসমীয়া গীতি সাহিত্য,* ( ব্যৱহৃত গ্ৰন্থখনিৰ পৰিচয় পৃষ্ঠা নষ্ট হোৱাত প্ৰকাশৰ চন আৰু প্ৰকাশকৰ নাম উদ্ধাৰ কৰিব পৰা নহ'ল।)

আলোচনী

১. দেউৰী, মিহিৰ (সম্পা.); *প্ৰকাশ,* জুন, ২০১৬ চন।


**সম্পাদকৰ টোকাঃ** বিষয়বস্তুৰ গুৰুত্ব উপলব্ধি কৰি পূৰ্বপ্ৰকাশিত, বহুচৰ্চিত এই প্ৰবন্ধটো লেখকৰ সন্মতি সহকাৰে ইয়াত পুনৰ প্ৰকাশ কৰা হৈছে।

●●●

*With Best Compliments from :*

# Hotel Dokpun
**Cum**
# Restaurant

HOTEL DOKPUN CUM RESTAURANT
DHEMAJI

**LELIN COMPLEX**
**OPP - CIRCUIT HOUSE**
**NH - 15, P.S. & DIST.- DHEMAJI**
**ASSAM, PIN - 787057**
**E-mail : hoteldokpun@gmail.com**
**Cont. No. : 8011774633**

* Suite Room : 2200 (A/C)
* Super Deluxe : 1800 (A/C)
* Deluxe Double : 1600 (A/C)
* Premium Double : 1300 (Non A/C)
* Premium Single : 1000 (Non A/C)
* Premium Double : 1500 (A/C)
* Suite Room : 2000 (A/C)

**Owner : Mr. Monuj Pegu**

# দুৰ্গাপ্ৰভা-হেমপ্ৰভা-অমলপ্ৰভা-ৰাজবালা
# ডিব্ৰুগড়ৰ নাৰীৰ উচ্চ শিক্ষাৰ ক্ষেত্ৰখনৰ চাৰিগৰাকী বাটকটীয়া নাৰী

**গায়ত্ৰীদেৱী গোস্বামী**

**চা**হ বাগিছাৰ বিৰল প্ৰাকৃতিক সৌন্দৰ্যৰ মাজত ডিব্ৰুগড় চহৰ গঢ় লৈ উঠিছিল। এফালে ই এখন বাণিজ্যিক চহৰ, আনফালে উচ্চ শিক্ষাৰ কেন্দ্ৰ হিচাপে অসমৰ দ্বিতীয়খন প্ৰধান ঠাই। 'ডিব্ৰুগড়' নামটিৰ উৎপত্তিৰ ইতিহাসলৈ চালে জনা যায় যে ১৮২৩ খ্ৰীষ্টাব্দত আহোম আৰু চুতীয়া ৰজাৰ মাজত হোৱা সংঘৰ্ষৰ সময়ত চুতীয়া সেনাক ভেটা দিবলৈ আহোম সেনাই ডিবৰু নদীৰ মুখত এটা গড় মাৰিছিল। এয়ে 'ডিবৰু মুখৰ গড়' । পাছত নদীৰ খহনীয়াত গড়টো নিচিহ্ন ঢ'ল। পুৰণি ডিব্ৰুগড়ৰো একাংশ নদীৰ বুকুত জাহ গ'ল। ডিব্ৰুগড়ৰ সীমা সলনি হ'ল। দ্বিতীয়তে, বৃটিছসকলেও উত্তৰ পূৰ ভাৰতৰ বহুতো অদমনীয় জনজাতিক দমনৰ হেতু সামৰিক সুবিধাৰ কাৰণে ডিবৰুমুখত গড় মাৰি লৈছিল। নদীৰ খহনীয়াত এই গড়ো নিচিহ্ন হ'ল। এই 'ডিবৰু মুখৰ গড়' প্ৰসংগটোৰেই ডিব্ৰুগড় নামটোৰ মূল উৎস হ'ব পাৰে। হয়তোবা এই উৎসৰ পৰাই 'ডিব্ৰুগড়' নামটোৰ সৃষ্টি হৈছে। বৰ্তমান ডিব্ৰুগড় ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰত অৱস্থিত।

ডিব্ৰুগড় এখনি বাণিজ্যিক চহৰলৈ ৰূপান্তৰিত হোৱাৰ সূত্ৰে অতীজতেই ইয়ালৈ সূচল যাতায়ত ব্যৱস্থাৰ গুৰুত্ব বাঢ়িছিল। স্থলপথৰ উপৰি জলপথ আৰু ৰে'লপথৰো ব্যৱস্থা হৈছিল। ইংৰাজসকলে ডিব্ৰুগড় চহৰখনক ভালদৰে গঢ়ি তোলাৰ প্ৰচেষ্টা কৰিছিল।

ইংৰাজ শাসনৰ সময়ছোৱাতে বিভিন্ন ঠাইৰ পৰা আহি বসবাস কৰা লোকসকলৰ বাবে ৰছদ-পাতি, অন্যান্য খাদ্যসামগ্ৰী আৰু প্ৰয়োজনীয় বয়-বস্তু যোগান ধৰাৰ বাবে মাৰোৱাৰী সম্প্ৰদায়ৰ ব্যৱসায়ীসকলে দোকান, গুদামঘৰ, বাসস্থান আদি সজাই লৈ ব্যৱসায় আৰম্ভ কৰে। সেইবাবে এসময়ত এই ঠাইডোখৰক 'দীঘলীবজাৰ' নামেৰেও জনা গৈছিল বা মানুহে 'ডিবৰুহাট' বুলিও কৈছিল। মাৰোৱাৰী বেপাৰীসকলেৰে ডিব্ৰুগড়ত এখন 'কেঞাপট্টি' গঢ়ি উঠিছিল। পাছত, এইখন ব্ৰহ্মপুত্ৰৰ বুকুত লীন হৈ গৈছিল।

ইংৰাজসকলে সমগ্ৰ উত্তৰ-পূৰত ঔপনিৱেশিক শাসন আৰম্ভ কৰাৰ পাছত ডিব্ৰুগড়ৰ বাণিজ্যিক ক্ষেত্ৰখন সুপ্ৰতিষ্ঠিত হৈ পৰে। প্ৰথম গেলামালৰ দোকানখন আছিল 'কৃষ্ণনাথ সাধুচৰণ পাল'ৰ দোকান। তেল, কাঠ, কয়লা, চাহকে ধৰি প্ৰাকৃতিক সম্পদেৰে ভৰপূৰ বাণিজ্যিক চহৰৰ গুৰুত্বৰে ক্ৰমশঃ গঢ় লৈ উঠিছিল আমাৰ সকলোৰে মৰমৰ ডিব্ৰুগড় চহৰ।

দেশ স্বাধীন হোৱাৰ পূৰ্বেই ডিব্ৰুগড়ত শিক্ষাৰ সম্প্ৰসাৰণ ঘটোৱা হৈছিল। শদিয়াত ১৮৩৯ চনত প্ৰথম ছোৱালী স্কুল ব্যেপ্টিষ্ট মিছনেৰীয়ে প্ৰতিষ্ঠা কৰাৰ পাছত ১৮৮৫ চনত ডিব্ৰুগড়ত 'মডেল গাৰ্লছ স্কুল' নামেৰে ছোৱালীৰ বাবে এখন ইংৰাজী প্ৰাইমেৰী বিদ্যালয়ৰ প্ৰতিষ্ঠা হয়। ১৮৪০ চনত 'ডিব্ৰুগড় স্কুল'কে ধৰি লাহে-লাহে ভালেমান স্কুল; কলা, বিজ্ঞান, বাণিজ্যৰ কলেজ, আইন কলেজ, মেডিকেল কলেজ; বিশ্ববিদ্যালয় প্ৰতিষ্ঠাৰে ডিব্ৰুগড় উচ্চ শিক্ষাৰ এখন কেন্দ্ৰস্থললৈ ৰূপান্তৰিত হয়।

কিন্তু, যিটো সময়ত নাৰী শিক্ষাৰ কথা ভবাটো বহু দূৰৈৰে কথা আছিল, নাৰী চাৰি বেৰৰ মাজতে আবদ্ধ থকাই

*লেখিকা ডিব্ৰুগড়ৰ মনোহাৰী দেৱী গাৰ্লছ কলেজৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ তথা অসমীয়া বিভাগৰ প্ৰাক্তন সহযোগী অধ্যাপক আৰু বিভাগীয় প্ৰধান।*

উচিত বুলি বিবেচনা কৰা হৈছিল, সেই সময়তো ডিব্ৰুগড়ৰ সম্ভ্ৰান্ত পৰিয়ালে নাৰী শিক্ষাৰ কথা ভাবিছিল। সেই উচ্চ শিক্ষাৰ বাটকটীয়া নাৰীসকল তথা তেখেতসকলৰ অভিভাৱকৰ যত্নক আমি কৃতজ্ঞতাৰে স্মৰণ কৰা উচিত। সেই উদ্দেশ্যেৰেই এই লেখা যুগুতোৱা হৈছে। উল্লেখযোগ্য যে নাৰী শিক্ষা আৰু স্বাৱলম্বিতাত গুৰুত্ব দিয়াৰ অৰ্থ বিদ্যা আৰু বাণিজ্যৰ দ্বাৰাহে মানুহে কামত সফলতা লভিব পাৰে, আত্মনিৰ্ভৰশীল হ'ব পাৰে। অমলপ্ৰভা দাস আৰু ৰাজবালা দাসে সেই দূৰদৰ্শিতাৰে উচ্চ শিক্ষাক সমাজ সেৱাৰ্থ আগ বঢ়াবলৈ যত্নপৰ আছিল।

উচ্চ শিক্ষাৰ বাবে ডিব্ৰুগড়ৰ পৰা অসমৰ বাহিৰলৈ পঢ়িবলৈ যোৱা প্ৰথম ছোৱালী দুগৰাকী আছিল বায়েক দুৰ্গাপ্ৰভা দত্ত আৰু ভনীয়েক হেমপ্ৰভা দত্ত। কলিকতাত বেথুন স্কুল হোষ্টেলত থাকি তেওঁলোকে পঢ়াশুনা কৰিছিল। দুৰ্গাপ্ৰভা দত্তই এন্ট্ৰেন্সলৈকে পঢ়ি ঘৰলৈ ঘৰলৈ ঘূৰি আহে। হেম প্ৰভা দত্তই এফ. এ. পাছ কৰে আৰু তেৱেঁই এফ. এ. পাছ কৰা প্ৰথম অসমীয়া মহিলা। ইতিমধ্যে পিতৃৰ দেহাৱসান ঘটাত বি. এ. পঢ়াৰ ইচ্ছা পৰিহাৰ কৰি ঘৰলৈ উভতি আহে। পাছত ডিব্ৰুগড় 'মডেল বালিকা স্কুল'ৰ প্ৰধান শিক্ষয়িত্ৰীৰ দায়িত্ব গ্ৰহণ কৰে। হেমপ্ৰভা দত্তৰ উদ্যোগত এই স্কুল ১৯১৯ চনত অসমৰ প্ৰথম ছোৱালী হাইস্কুল ৰূপে গঢ় লৈ উঠে। স্বামী হৰেকৃষ্ণ দাসে অৱসৰ গ্ৰহণ কৰাৰ পাছত হেমপ্ৰভা দাসেও স্বেচ্ছামূলক অৱসৰলৈ গুৱাহাটীলৈ গৈ পানবজাৰত ঘৰ লয়। সেই ঘৰতে ১৯৩৪ চনত তৃতীয়বাৰ মহাত্মা গান্ধী অসমলৈ আহোঁতে আলহী হৈ আছিল। তেওঁলোক গুৱাহাটীলৈ যোৱাৰ পাছত স্বৰাজ আন্দোলনত নামি পৰে আৰু ঘৰখনেই কংগ্ৰেছৰ কাৰ্যালয় হৈ পৰিছিল। ১৮৮৬ চনত জন্ম লোৱা হেমপ্ৰভা দত্তৰ ১৯৪৫ চনত দেহাৱসান ঘটে।

অসমৰ প্ৰথম গৰাকী মহিলা এম. এছ. চি. ডিব্ৰুগড়ৰ অমলপ্ৰভা দাসো হেমপ্ৰভা দত্তৰে কন্যা। হেমপ্ৰভা দত্তৰ বিবাহ হৈছিল ডাঃ হৰেকৃষ্ণ দাসৰ লগত যিজনে নিজৰ টকাৰে খাদী আৰু গ্ৰামোদ্যোগ ন্যাস' আৰু গুৱাহাটীৰ শৰণীয়াত থকা সমস্ত মাটিবাৰী দানেৰে 'কস্তুৰবা গান্ধী ৰাষ্ট্ৰীয় স্মাৰক ন্যাস' গঠন, কৰিছিল। ডাঃ হৰেকৃষ্ণ দাস আৰু হেমপ্ৰভা দাসৰ দুই জীয়ৰীৰ ডাঙৰ গৰাকী ডাঃ তিলোত্তমা ৰায় চৌধুৰী আৰু সৰু গৰাকী প্ৰথম অসমীয়া পদ্মশ্ৰী বঁটা লাভ কৰা অসমীয়া মহিলা অমলপ্ৰভা দাস। উচ্চ শিক্ষিতা অমল প্ৰভাই গান্ধীজী আৰু বিনোৱা ভাবেৰ আদৰ্শৰে আগবাঢ়ি গৈছিল যদিও তেওঁৰ জীৱনৰ লক্ষ্য আছিল দৰিদ্ৰসকলৰ বাবে আজীৱন সেৱা আগবঢ়াই যোৱা।



অমলপ্ৰভা দাসৰ জন্ম ডিব্ৰুগড়ত ১৯১১ চনৰ ১২ নৱেম্বৰত। স্কুলীয়া শিক্ষা 'মডেল বালিক স্কুল'ত আৰম্ভ হয়। পঢ়াৰ লগে লগে খেল ধেমালি, সঙ্গীত, সাহিত্য চৰ্চাৰে আগবাঢ়ি যোৱা অমল প্ৰভাই ইতিমধ্যে আৰম্ভ হোৱা অসহযোগ আন্দোলন আনহাতে স্বাৱলম্বিতাৰ শিক্ষাৰ সৈতে জড়িত হৈ পৰে। তাৰ মাজতো পঢ়াশুনা কৰি থকা অমল প্ৰভা দাসে ১৯২৭ চনত ডিব্ৰুগড় ছোৱালী হাইস্কুল পৰা অংক আৰু ভূগোলত লেটাৰ নম্বৰসহ প্ৰথম বিভাগত প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। তথাপিও কটন কলেজত পঢ়াৰ অনুমতি নাপাই কলিকতাৰ বেথুন স্কুলত আই এছ চি শ্ৰেণীত নাম লগায়। ১৯২৯ চনত প্ৰথম বিভাগত আই এছ চি পাছ কৰি বেনাৰস হিন্দু বিশ্ববিদ্যালয়ত বি এছ চি পঢ়িবলৈ লয়। ১৯৩০ চনত সত্যগ্ৰহ আন্দোলনে ব্যাপক ৰূপ লোৱাত অমলপ্ৰভা দাস ঘৰলৈ গুচি আহে আৰু আন্দোলত যোগ দিয়ে। পাছত কলিকতাৰ স্কটিছ চাৰ্চ কলেজত বি এছ চি ত নাম ভৰ্তি কৰি ১৯৩৩ চনত সুখ্যাতিৰে ডিষ্টিংচন লৈ বি এছ চি পাছ কৰে।

১৯৩৫ চনত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা ব্যৱহাৰিক ৰসায়ন বিজ্ঞানত এম. এছ. চি. ডিগ্ৰী লাভ কৰে আৰু প্ৰথম অসমীয়া এম এছ চি মহিলাৰ সন্মানেৰে ট্ৰিপিকেল স্কুল অব মেডিচিনৰ প্ৰশিক্ষণলৈ গুৱাহাটীত এখন 'ক্লিনিকেল লেবৰেটৰী' খোলে।

অমলপ্ৰভা দাসে গান্ধী, বিনোৱাৰ সমাজ সেৱাৰ কাৰ্যসূচীবোৰ উৎসাহত নিজে গৈ চাক্ষুস অভিজ্ঞতা আহৰণ কৰাৰ লগতে স্বদেশী বস্তু তৈয়াৰ কৰাৰ প্ৰশিক্ষনো লয়। ঘূৰি আহি ঘৰুৱা উদ্যোগৰ প্ৰশিক্ষণ আৰু উৎপাদন কেন্দ্ৰ খুলি দৰিদ্ৰ লোকসকলৰ স্বাৱলম্বনৰ বাবে যত্ন কৰে। লাহে লাহে গুৱাহাটীৰ শৰণীয়াত চাবোন

আৰু কাগজ তৈয়াৰ, তাতশালত কাপোৰ উৎপাদন, সৰিয়হ পেৰা ঘানি স্থাপন, মৌ পালন এনে উদ্যোগবোৰ স্থাপন কৰি অসমীয়া দৰিদ্ৰ লোকক বাণিজ্যৰ প্ৰতি সজাগ কৰি তোলে।

এনে কামবোৰৰ সমান্তৰালকৈ আন্দোলনতো সক্ৰিয় অমল প্ৰভা দাসক ৪৩ চনৰ জানুৱাৰীত গ্ৰেপ্তাৰ কৰা হয়। ৪৪ চনৰ শেষত জেলৰ পৰা মুক্ত হৈ 'অসম প্ৰাদেশিক সমিতি'ৰ ১৯৪৪ চনৰ ২২ ফেব্ৰুৱাৰীত মৃত্যু হোৱা কস্তুৰবা গান্ধীৰ স্মৃতি ৰক্ষাৰ্থে গঠন কৰা হৈছিল।

১৯৪৫ চনৰ জুলাই মাহত অমলপ্ৰভা দাসে মহাৰাষ্ট্ৰৰ ৱাৰ্দ্ধাত গান্ধী সেৱাশ্ৰমৰ 'হিন্দুস্তানী সংঘ'ত গঙ্গ তালিম আৰু নিম্ন বুনিয়াদী শিক্ষাৰ প্ৰশিক্ষণ লয়।

অমলপ্ৰভা দাসে কস্তুৰবা স্মাৰক নিধিৰ বাবে অশেষ কষ্ট কৰি একলাখ পঁচিছ হাজাৰ টকা সংগ্ৰহ কৰিছিল। এই পুঁজিৰ বাবে মহাত্মা গান্ধীয়ে স্বাৱলম্বী আঁচনি প্ৰস্তুত কৰিবলৈ পৰামৰ্শ দিয়ে। সেই পৰামৰ্শৰে আগবাঢ়ি ১৯৪৬ চনৰ ৯ জানুৱাৰীত শৰণীয়াত কস্তুৰবা গ্ৰাম সেৱিকা বিদ্যালয় স্থাপন কৰে আৰু মহাত্মা গান্ধীয়ে উদ্বোধন কৰে। মহাত্মা গান্ধী চাৰিদিন থাকি নানা দিহা পৰামৰ্শৰে সহায় কৰে। অমলপ্ৰভা দাসে অশেষ পৰিশ্ৰমেৰে অনুষ্টানটি গঢ়ি তোলে আৰু মহিলা প্ৰশিক্ষাৰ্থীৰ সংখ্যাও বাঢ়ি গৈ থাকে।

উল্লেখযোগ্য যে আঁচনি অনুসৰি প্ৰশিক্ষণ শেষ হোৱাৰ পূৰ্বে কৰ্মস্থলী নিৰ্দ্ধাৰণ কৰা হয়। সেইমতে বিভিন্ন গ্ৰামসেৱা কেন্দ্ৰত নিযুক্তি লাভ কৰে। সেইদৰে ৪৭ চনত ১৪ টা গ্ৰামসেৱা কেন্দ্ৰ, ৪৯ চনত পুনৰ পাঁচোটা গ্ৰাম সেৱা কেন্দ্ৰ স্থাপন কৰা হয়। গুৱাহাটী চিভিল হস্পিতেলতো নাৰ্ছৰ প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হয়।

১৯৪৯ চনত 'অসম সমগ্ৰ সেৱা সংঘ' গঠন হয়। ইয়াৰ দায়িত্বও অমলপ্ৰভা দাসকে দিয়া হয়। ১৯৫০ চনৰ ভয়াৱহ ভূমিকম্পৰ বাবে ক্ষতিগস্ত সকলক 'কস্তুৰবা স্মাৰক নিধি' আৰু 'অসম সমগ্ৰ সেৱা সংঘ' বহুত সহায় কৰে। লাহে লাহে নাৰীৰ উপৰি এই কস্তুৰবা আশ্ৰমত পুৰুষেও প্ৰশিক্ষণ ল'বলৈ আৰম্ভ কৰে।

১৯৫১ চনত 'কস্তুৰবা স্মাৰক নিধি'য়ে চাহ বনুৱাসকলৰ উন্নয়নৰ বাবেও চিন্তা কৰি বাগিচাত 'বনুৱা উন্নয়ন শিক্ষা কেন্দ্ৰ' স্থাপনৰ কাম হাতত ল'লে। লাহে লাহে সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলত ইয়াৰ প্ৰসাৰ ঘটিল। নিজৰ উৎপাদনৰ বস্তু আৰু পুঁজি সংগ্ৰহেৰে অতি কষ্টৰে সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলত গ্ৰামসেৱা কেন্দ্ৰ স্থাপন কৰি অনুন্নত অঞ্চলৰ লোকৰ উন্নয়ন, মহিলা সকলৰ স্বাৱলম্বিতাৰ হকে কাম কৰি গ'ল।

১৯৪৮ চনত লোকপ্ৰিয় গোপীনাথ বৰদলৈয়ে প্ৰতিষ্ঠা কৰা 'অসম বুনিয়াদী শিক্ষা বিভাগ'ৰ উপদেষ্টাৰ দায়িত্ব অমল প্ৰভা দাসে গ্ৰহণ কৰে।

১৯৫২ চনত ১৯৫০ চনত গঠন হোৱা 'গান্ধী স্মাৰক নিধি' অসমৰ সঞ্চালিকাৰ দায়িত্ব অমলপ্ৰভা দাসে গ্ৰহণ কৰে।

১৯৫৩ চনত দুৰ্গাবাঈ দেশমুখে গঠন কৰা 'সমাজ কল্যাণ উপদেষ্টা ব'ৰ্ড'ৰ অসম শাখাৰ অধীক্ষক ৰূপে অমলপ্ৰভা দাসে দায়িত্ব গ্ৰহণ কৰে।

বিনোৱা ভাৱে ১৯৫১ চনৰ ১৮ এপ্ৰিলত আৰম্ভ কৰা 'ভূ-দান যজ্ঞ' আন্দোলনৰ ফলত অসমতো ভূদান সমিতি গঠন হয়। ১৯৫২ চনৰ পৰা ইয়াৰ প্ৰচাৰৰ বাবে আন সকলৰ লগত অমল প্ৰভা দাসেও সক্ৰিয় অংশ লয় আৰু ১৯৫৪ চনত 'অসম সমগ্ৰ সেৱা সংঘ'ৰ জৰিয়তে ভূদান আন্দোলনৰ ব্যাপক প্ৰচাৰৰ বাবে পদ যাত্ৰা কাৰ্যসূচী হাতত লোৱা হ'ল। এই পদযাত্ৰা পৰিচালনাৰ দায়িত্ব অমলপ্ৰভা দাসৰ হাততেই থাকিল। বহু ভূমিহীন কোলে ভূমি লাভ কৰিলে। তদুপৰি বিভিন্ন ঠাইত গ্ৰাম স্বৰাজ শিবিৰ খুলি অমলপ্ৰভা দাসে পৰিচালনা কৰিছিল।

১৯৬০ চনত অসমত ভাষা আন্দোলনৰ জোৱাৰ আহিল। অমলপ্ৰভা দাসৰ নেতৃত্বত সৰ্বোদয় সেৱা সংঘৰ বহু সদস্য শান্তি সেনাৰ কামত লাগিল। সেই সময়ত ভূদান যজ্ঞৰ হোতা বিনোৱা ভাবে অসমলৈ আহে। ৰাজ্যিক বিনোৱা আদৰণি সমিতি' গঠন কৰা হয় আৰু সম্পাদিকাৰ দায়িত্বও অমলপ্ৰভা দাসক দিয়া হয়। প্ৰায় ডেৰ বছৰ কাল অসমত এই পদযাত্ৰা চলিল। বিনোৱাৰ ভাষণ অমলপ্ৰভা দাসে অসমীয়ালৈ অনুবাদ কৰি অসমীয়া মানুহক শুনালে। বিনোৱাজীৰ মৈত্ৰী আশ্ৰমৰো অমলপ্ৰভা দাসে মূল দায়িত্ব ল'লে। অসমৰ বিভিন্ন সমস্যা, সংঘৰ্ষৰ কালত শান্তি প্ৰতিষ্ঠাৰ বাবে অমল প্ৰভা দাসে তৎপৰ হৈ ব্যৱস্থা লৈছিল।

বিনোৱা ভাবেৰ ইচ্ছাত সমগ্ৰ ভাৰততে ১৯৭৩ চনত স্ত্ৰী শক্তি জাগৰণ'ৰ কাৰ্যসূচী হিচাপে 'পদযাত্ৰা' আৰম্ভ হ'ল। ১৯৭৩ চনৰ ২৭ জুলাইত অমল প্ৰভা দাসৰ নেতৃত্বত অসমতো প্ৰাদেশিক পদযাত্ৰা আৰম্ভ হয়।

১৯৭৭ চনত অমলপ্ৰভা দাসে 'গীতা'ৰ বাণী প্ৰচাৰৰ বাবে গীতা সন্মিলন, গীতা শিবিৰ, গীতা পদযাত্ৰা আদি কাৰ্যসূচী ৰূপায়ণ কৰে।

অসমৰ বিদেশী বিতাৰণ আন্দোলনলৈকো অমল প্ৰভা দাসে পূৰ্ণ সমৰ্থন আগবঢ়াইছিল।

সমাজৰ কল্যাণৰ বাবে অমলপ্ৰভা দাসৰ যি অৰিহণা তাৰ প্ৰতি সন্মান জনাই 'যমুনালাল বাজাজ' বঁটা প্ৰদান কৰা হয়। এই বঁটাৰ বাবে লাভ কৰা এখ লাখ টকা তেখেতে কস্তুৰবা স্মাৰক নিধি' অসম মৈত্ৰী আশ্ৰম উত্তৰ লক্ষিমপুৰ, সৰ্বোদয় সেৱক, গো-হত্যা নিবাৰক সমিতি আৰু অসমীয়া বিশ্ব নগৰী পত্ৰিকা লৈ আগবঢ়ায়।

১৯৮৩ চনত অসম বিদেশী বিতাৰণ আন্দোলনৰ হেতু হোৱা বিভিন্ন সাম্প্ৰদায়িক সংঘৰ্ষ ৰোধৰ বাবে 'অসম সহায়ক সমিতি' গঠন কৰা হয়। ইয়াৰ অধ্যক্ষ পদত থাকি অমল প্ৰভা দাসে দক্ষতাৰে ভালেমান সমস্যা সমাধান কৰিছিল।

অমল প্ৰভা দাসৰ ত্যাগৰ আদৰ্শৰে জীৱন উদযাপন কৰা, দৰিদ্ৰ সেৱা, নিজৰ উপাৰ্জনৰ সমগ্ৰ ধন আশ্ৰম, প্ৰতিষ্ঠান, দৰিদ্ৰ লোকক বিলাই দিয়া— এক বিৰল ব্যক্তিত্বৰ অধিকাৰী হৈ এক মহান জীৱনৰ আদৰ্শ দেখুৱাই গ'ল।

১৯৮০ চনৰ আৰম্ভণিতে হৃদৰোগত আক্ৰান্ত হৈ অমল প্ৰভা দাস অসুস্থ হৈ পৰে যদিও ভগ্ন স্বাস্থ্যৰেই বিভিন্ন কাৰ্যসূচীত অংশগ্ৰহণ কৰি সেৱা আগবঢ়াই থাকিল।

ত্যাগৰ মহিমাৰে উজ্জ্বল এইগৰাকী ডিব্ৰুগড়ৰ উচ্চ শিক্ষিত মহিয়সী নাৰী শেষ বয়সত পান বজাৰ স্থিত বাইদেৱেক ডাঃ তিলোত্তমা ৰায়চৌধুৰীৰ সৈতে থাকি ১৯৯৪ চনৰ ৩০ ডিচেম্বৰত নশ্বৰ দেহ ত্যাগ কৰে।

১৯৫৫ চনত এইগৰাকী মহান ত্যাগী সমাজ সেৱিকাক ভাৰত চৰকাৰে পদ্মবিভূষণেৰে ভূষিত কৰিছিল। কিন্তু অমলপ্ৰভা দাসে প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুলৈ লিখিলে —

"মই সামান্যভাৱে যি কণ সেৱা আগবঢ়াইছো, তাকে স্বীকৃতি দিয়াৰ বাবে অন্তৰৰ কৃতজ্ঞতা জনাইছোঁ — কিন্তু মই এই উপাধি ল'বলৈ অপাৰগ। কাৰণ ই মোৰ মনলৈ অহংভাৱ আনি দিব বুলি আশংকা কৰোঁ। সেয়ে এই উপাধি গ্ৰহণ কৰিব নোৱাৰিলো। ইয়াৰ বাবে মোক অনুগ্ৰহ কৰি মাৰ্জনা কৰে যেন।"

১৯৫৫ চনতে 'ভাৰতৰত্ন'ৰ পিছতে দেশৰ দ্বিতীয় শ্ৰেষ্ঠ অসামৰিক সন্মান 'পদ্মবিভূষণ'ৰ দ্বাৰা সন্মানিত হোৱা অথচ ত্যাগ, নিৰহংকাৰ, বিলস বৰ্জন, নিষ্কাম সেৱাৰে ভূষিতা এইগৰাকী উচ্চ শিক্ষিতা নাৰীৰ জীৱন আছিলি সমাজৰ বাবে দেশৰ বাবে উৎসৰ্গিত।

হেমপ্ৰভা দত্তৰে মোমায়েক ৰমাকান্ত বৰুৱা আৰু মামীয়েক কমলা বৰুৱা। তেওঁলোকৰ পঞ্চম সন্তান আছিল ৰাজবালা বৰুৱা। ১৮৯৩ চনৰ ৮ মাৰ্চত ডিব্ৰুগড়ত ৰাজবালা বৰুৱাৰ জন্ম হয়। ৰাজবালা বৰুৱাৰ সময়ত অসমত নাৰী শিক্ষাৰ বাট প্ৰশস্ত নাছিল। দুই এক সম্ভ্ৰান্ত পৰিয়ালৰ বাবে ক'ৰবাত সম্ভৱ হৈছিল। একে কথাই ৰাজবালা বৰুৱাৰ ক্ষেত্ৰতো সম্ভৱ হ'ল। ১৯০১ চনত তেওঁৰ ডাঙৰ ককায়েক ৰজনীকান্ত বৰুৱাই এন্ট্ৰেন্স পৰীক্ষাত উত্তীৰ্ণ হৈ উচ্চ শিক্ষাৰ বাবে কলিকতালৈ যাবলৈ ওলাই ভনীয়েক ৰাজবালাকো নিয়াৰ কথা ভাবে। কাৰণ পেহীয়েক দেৱীপ্ৰভা দত্তৰ পেহীয়েক দেৱীপ্ৰভা দত্তৰ দুগৰাকী ছোৱালী (দুৰ্গাপ্ৰভা দত্ত আৰু হেমপ্ৰভা দত্ত)ক কলিকতাৰ বেথুন স্কুলৰ হোষ্টেলত ৰাখি পঢ়ুৱাইছিল। প্ৰথমতে পিতৃ মাতৃয়ে আপত্তি কৰিছিল যদিও ককায়েকে জোৰ কৰি আঠ বছৰীয়া ৰাজবালাক নি বেথুন স্কুলত নাম লগাই দিলে। কিন্তু কেইমাহমানৰ পাছত মন ৰাজবালা ঘূৰি আহিল। কিন্তু ঘৰলৈ আহি লাগে লাগে ৰাজবালাৰ পঢ়াৰ প্ৰতি ধাউতি বাঢ়িল। লগৰীয়া ভনীয়েক সুৱাবালাৰো পঢ়াৰ প্ৰতি ধাউতি দেখি পিতৃ মাতৃয়ে তেওঁলোকক কলিকতালৈ পঠোৱাৰ চিন্তা কৰে। ঘৰতে পঢ়াশুনা কৰা দুয়োগৰাকীক কলিকতাৰ এখন নতুন স্কুলত অষ্টম শ্ৰেণীত ৰাজবালা আৰু সপ্তম শ্ৰেণীত সুৰবালাই নাম লগাই দিয়ালে। তাৰ পৰা বেথুন স্কুলত দুয়োকে ভৰ্তি কৰোৱা হয়। ১৯১৫ চনত ৰাজবালা বৰুৱাই প্ৰৱেশিকা পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হৈ অসম চৰকাৰৰ পৰা কুৰি টকাৰ বৃত্তি লাভ কৰে। ইয়াৰ পাছত তেওঁ ডায়োছেছন কলেজত আই এ শ্ৰেণীত নাম লগায়। স্বাস্থ্যজনীত কাৰণত ৰাজবালা বৰুৱাই এবছৰ পলমকৈ ১৯১৮ চনত প্ৰথম বিভাগত আই এ পাছ কৰে। ১৯২০ চনত সেই কলেজৰ পৰাই অংক আৰু অৰ্থনীতি বিষয়ত বি এক পাছ কৰে।



কলেজত পঢ়ি থাকোতেই ৰাজবালা বৰুৱাই দেশবন্ধু চিত্তৰঞ্জন দাসৰ ঘৰত মহাত্মা গান্ধীক লগ পাইছিল আৰু গান্ধীৰ আদৰ্শৰ প্ৰতি আকৃষ্ট হৈছিল। বি এ পাছ কৰি ঘৰলৈ আহি অসহযোগ আন্দোলনত নামে। ১৯২১ চনত ডিব্ৰুগড় শাখা মহিলা কংগ্ৰেছৰ সম্পাদিকা হয়। ১৯২০ চনত গয়াত অনুষ্ঠিত কংগ্ৰেছৰ অধিৱেশনত যোগ দিয়া ৰাজবালা বৰুৱা অসমৰ প্ৰথম মহিলা কংগ্ৰেছ কৰ্মী। সেই অধিৱেশনলৈ কংগ্ৰেছ কৰ্মী হিচাপে বিলাতত উচ্চ শিক্ষা লাভ কৰা বিশিষ্ট চিকিৎসক জ্যোতিষ চন্দ্ৰ দাস আহিছিল। ১৯২৩ চনত এই দাসৰ লগতে ৰাজবালা বৰুৱাৰ বিবাহ সম্পন্ন হয়।

বিয়াৰ পাছত ৰাজবালা দাসৰ কৰ্মক্ষেত্ৰ ডিব্ৰুগড়ৰ পৰা গুৱাহাটীলৈ সলনি হ'ল। ডিব্ৰুগড়ত ৰাজবালা বৰুৱাই নাৰী মুক্তিৰ বাবে সংগ্ৰাম কৰিছিল। গুৱাহাটীত ৰাজবালা দাসে স্ত্ৰী শিক্ষাৰ বাবে কাম কৰাৰ চিন্তা কৰিলে। দেশত আন্দোলন আৰু সাংসাৰিক দায়িত্বৰ বাবে ভবা কথাবোৰত আগবাঢ়িবলৈ সময় লাগিছিল।

প্ৰথমতে মাজে মাজে পানবজাৰ হাইস্কুলত শিক্ষকতা কৰে। কিন্তু পাছলৈ এই স্কুল প্ৰতিষ্ঠাত মুখ্য ভূমিকা ল'লে। স্কুলৰ সম্পাদিকাৰ দায়িত্বত থাকি দান বৰঙণি সংগ্ৰহ কৰি স্কুলখন ভালদৰে গঢ়ি তোলাৰ গুৰুত্ব দিলে। এই স্কুলৰ প্ৰধান শিক্ষয়িত্ৰী হৈ ছাত্ৰী সকলক কেৱল পাঠ্যক্ৰমতে আবদ্ধ নাৰাখি হাতে কামে তাঁত বোৱা, সুতা কটা, চিলাই কৰা, সংগীত, গাৰ্হস্থ্য বিজ্ঞানৰ কথাবোৰ শিকাৰ ব্যৱহাৰে শ্ৰেণীবোৰ খোলে। তদুপৰি ছাত্ৰী নিবাস খুলি ছাত্ৰী নিবাস নথকা কটন কলেজৰ ছোৱালীকো থকাৰ সুবিধা দিয়াৰ ব্যৱস্থা কৰিছিল— উদ্দেশ্য মহিলাক শিক্ষাৰ সুবিধা দিয়া।

কেৱল স্কুলেই নহয়, আন আন সামাজিক কামতো ৰাজবালা দাস জড়িত হৈ পৰিছিল। ১৯২৬ চনত অসম প্ৰাদেশিক মহিলা সমিতিৰ সম্পাদিকা হয়। ১৯৩২ চনত নিখিল ভাৰত মহিলা সমিতিৰ অধিৱেশনত যোগ দিয়ে। এই বিলাকৰ অভিজ্ঞতাৰে তেওঁ বিভিন্ন কামত নিজকে নিয়োগ কৰে। মহিলাক স্বাৱলম্বী হ'ব পৰাকৈ কুটীৰ শিল্পোদ্যোগ খোলা, উদ্যোগৰ প্ৰশিক্ষণৰ ব্যৱস্থা কৰা, মহিলাৰ উন্নতিত বাধা হ'ব পৰা কাৰক সমূহ চিনাক্ত কৰা —সেইবোৰ ধ্বংস কৰাৰ বাবেও ৰাজবালো দাসে চিন্তা কৰে।

কটন কলেজৰ সীমিত আসনলৈ লক্ষ্য কৰি ৰাজবালা দাসে ছাত্ৰী সকলৰ বাবে এখন সুকীয়া কলেজ খোলাৰ চিন্তা কৰে। পুঁজিৰ অভাৱ যদিও পান বজাৰ স্কুলতে পাঁচ গৰাকী ছাত্ৰীৰে মহাবিদ্যালয়ৰ পাঠদানৰ ব্যৱস্থা কৰিলে। এবছৰৰ পাছত কলিকতা বিশ্ববিদ্যালয়ক মহাবিদ্যালয়ৰ বাবে অনুমোদন বিচাৰিলে। কলিকতা বিশ্ববিদ্যালয়ৰ পৰা আহি পৰিদৰ্শন কৰাৰ অন্তত ন্যূনতম দহ হাজাৰ টকাৰ পুঁজি থাকিব লাগিব বুলি ক'লে। ৰাজবালা দাসে দহদিনৰ সময় বিচাৰিলে। দানবীৰ ৰাধাকান্ত সন্দিকৈৰ পত্নী প্ৰয়াত নাৰায়ণী সন্দিকৈয়ে স্ত্ৰী শিক্ষাৰ হেতু এখন কলজে খুলিবলৈ বিচাৰিছিল। সেই কথা মনত পৰাত ৰাজবালা দাসে স্বামী জ্যোতিষ চন্দ্ৰ দাস আৰু সূৰ্য কুমাৰ ভূঞাক ৰাধাকান্ত সন্দিকৈৰ ওচৰলৈ কিছু পুঁজিৰ সাহায্য বিচাৰি পঠিয়ালে। ৰাধাকান্ত সন্দিকৈয়ে মান্তি হৈ প্ৰয়োজনীয় দহ হাজাৰ টকা দিয়াত কলিকতা বিশ্ববিদ্যালয়ৰ অনুমোদন লাভ কৰিবলৈ সক্ষম হ'ল। পুঁজিয়েই নহয়, গৃহ নিৰ্মাণৰ বাবেও ধন দিলে। প্ৰথমতে দাতাৰ নামেৰে নামকৰণ কৰিছিল যদিও পাছত পৰিয়ালৰ নামেৰে 'সন্দিকৈ ছোৱালী কলেজ ৰখা হ'ল। ৰাজবালা দাস আছিল এই কলেজৰ প্ৰথম অধ্যক্ষ। কিন্তু তেতিয়া তেওঁ এম এ পাছ নাছিল। সেই অজুহাতত এটা দুষ্টচক্ৰই বাধাৰ সৃষ্টি কৰিছিল। কিন্তু ৰাজবালা দাসে কলিকতা বিশ্ববিদ্যালয়ৰ পৰা ১৯৪১ চনত প্ৰাইভেট পৰীক্ষাৰ্থী হিচাপেই এম এ পাছ কৰি অসমত প্ৰথম ছোৱালী কলেজ প্ৰতিষ্ঠা কৰি অধ্যক্ষা পদত ১৯৩৯ চনৰ পৰা ১৯৬৫ চনলৈ ২৬ বছৰ দায়িত্বত থাকি দক্ষতাৰে এখন জাকত জিলিকা শিক্ষানুষ্ঠান ৰূপে গঢ় দিলে।

১৯৫০ চনত ভাৰতৰ প্ৰথম নিৰ্বাচনত ৰাজবালা দাসে গুৱাহাটী সমষ্টিৰ পৰা প্ৰাৰ্থী আছিল যদিও ১২০ টা ভোটত গৌৰীশঙ্কৰ ভট্টাচাৰ্যৰ হাতত পৰাজয় ঘটে।

১৯৬০ চনত ৰাজবালা দাসে গুৱাহাটী প্ৰেছৰ পৰা 'অসম বাতৰি' নামেৰে তিনিদিনীয়া কাকত এখন উলিয়াইছিল। সম্পাদক আছিল চন্দ্ৰপ্ৰসাদ শইকীয়া। সেই প্ৰকাশন প্ৰতিষ্ঠানৰ পৰাই মাহেকীয়া আলোচনী 'মণিদীপ' প্ৰকাশ কৰিছিল।

ৰাজবালা দাসে ৰচনা কৰা প্ৰথম পুথি স্ত্ৰী শিক্ষাৰ বাবে কেইআষাৰ মান ১৯২৮ চনত প্ৰকাশ পায়। পাঠ্যপুথিৰ অভাৱলৈ লক্ষ্য ৰাখি ৰাজবালা দাসে 'সাহিত্য পাঠ' (চতুৰ্থ ভাগ) লিখি উলিয়াইছিল। 'ৰামায়ণৰ কথা' আৰু 'মহাভাৰতৰ কথা' নামেৰে দুখন গ্ৰন্থও প্ৰকাশ কৰে। 'পৌৰাণিক আদৰ্শ কাহিনী' নামৰ আন এখন গ্ৰন্থ দত্ত বৰুৱা কোম্পানীয়ে প্ৰকাশ কৰে। শিশুৰ উপযোগীকৈ সাবিত্ৰী সত্যবান, হৰিচন্দ্ৰ উপাখ্যান, নল দময়ন্তী, শ্ৰীবৎস চিন্তা আদি কেইবাখনো গ্ৰন্থ প্ৰকাশ কৰে। গীতাৰ বিশ্লেষণেৰে 'গীতাবচন' প্ৰকাশ কৰে। ১৯৭১ চনত 'তিনি কুৰি দহ বছৰৰ স্মৃতি' নামেৰে আত্মজীৱনী সম্পূৰ্ণ কৰে। 'আৱাহন' আলোচনীতো ৰাজবালা দাসৰ ভালেকেইটা প্ৰবন্ধ প্ৰকাশ পাইছিল। ১৯৮৫ চনত ৯২ বছৰ বয়সত ১৩ এপ্ৰিল তাৰিখে ৰাজবালা দাসৰ দেহাৱসান ঘটে।

এনেদৰে দেখা যায় যে ভগ্নীদ্বয় দুৰ্গাপ্ৰভা দত্ত আৰু হেমপ্ৰভা দত্ত, হেমপ্ৰভা দত্তৰে কন্যা অমলপ্ৰভা দাস আৰু উল্লিখিত ভগ্নীদ্বয়ৰ মোমায়েকৰ কন্যা ৰাজবালা দাসে তেওঁলোকৰ শৈক্ষিক পদক্ষেপেৰে উচ্চ শিক্ষাৰ ক্ষেত্ৰখনত নাৰীৰ কেৱল পদাৰ্পণেই নহয়, সামগ্ৰিক শৈক্ষিক কৰ্মসূচীৰে সৈতে কেৱল ডিব্ৰুগড়কে নহয়, সমগ্ৰ ৰাজ্যখনৰ অৰ্থাৎ তেতিয়াৰ 'বৰ অসম'ৰ সমাজখনৰ শৈক্ষিক জগতখনক, বিশেষকৈ নাৰীৰ উচ্চ শিক্ষাৰ ক্ষেত্ৰখনক পোহৰাই তুলিলে৷ ভাবিলে ভাল লাগে যে সেই পোহৰৰ পথেৰেই বাট বুলি একবিংশ শতিকাৰ এই তৃতীয় দশক পৰ্যন্ত এক সুদীৰ্ঘ, সুৰীয়া যাত্ৰাকালত অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ নাৰী সমাজৰ প্ৰতিনিধি শৈক্ষিক তথা বৌদ্ধিক ক্ষেত্ৰত কেৱল ৰাষ্ট্ৰীয় স্তৰতেই নহয়, আন্তৰ্জাতিক ক্ষেত্ৰখনতো উজ্জ্বল জ্যোতিষ্ক হিচাপে ভাস্বৰ হৈ ৰ'বলৈ সক্ষম হৈছে।

**তথ্য-উৎস ঃ**

এহেজাৰ বছৰৰ এশ গৰাকী অসমীয়া ঃ হেমন্ত কুমাৰ ভৰালী, ২০১২ চন

●●●

# ডিব্ৰুগড়ত বিজ্ঞান সচেতনতাৰ এটি ৰেঙনি

**পৰমানন্দ মহন্ত**

**ডি**ব্ৰুগড়ৰ আকাশবাণী কেন্দ্ৰটোৱে প্ৰতিদিনে পুৱা ৭.১৫ মিনিটত আজিৰ দিনটো বুলি শিতানটো এটা প্ৰচাৰ কৰে। ইয়াত অসমকে ধৰি গোটেই বিশ্বৰ প্ৰখ্যাত লোকৰ জন্ম মৃত্যুৰ, আৰু ইতিহাসৰ গুৰুত্বপূৰ্ণ ঘটনা সংঘটনৰ দিন-বাৰৰ উল্লেখেৰে তেওঁলোকৰ কৃতিৰ আভাস আৰু উল্লেখযোগ্য দিৱসসমূহৰ বিষয়ে থোৰতে আলচ কৰা হয়। উদ্দেশ্য আমি যাতে পুৰণিক পাহৰি নাযাওঁ আৰু কীৰ্তিমানসকলক সুঁৱৰি তেওঁলোকলৈ শ্ৰদ্ধাৰে কৃতজ্ঞতা জনাওঁ। এতিয়া বাণিজ্য মহাবিদ্যালয়ত উদযাপন কৰিবলৈ লোৱা হীৰক জয়ন্তীৰ মুখ্য উদ্দেশ্যে সেইটোৱেই নহয় জানো? মহাবিদ্যালয়খনৰ প্ৰাণ প্ৰতিষ্ঠাৰ দিনৰ পৰা ইয়াক একলা-দুকলাকৈ আগবঢ়াই নিওঁতে যিসকল শিক্ষক, কৰ্মচাৰী, ছাত্ৰ ছাত্ৰী আৰু শুভাকাংক্ষীয়ে অৰিহণা যোগালে তেওঁলোকৰ কৃতকৰ্মৰ শলাগ লৈ তেওঁলোকলৈ কৃতজ্ঞতা জনোৱা? যি কি নহওক, সিদিনা পাঁচ জুনৰ দিনটোত আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰই আজিৰ দিনটো অনুষ্ঠানৰ আৰম্ভণিতে 'বিশ্ব পৰিৱেশ দিৱস'ৰ পাছৰ উল্লেখনীয় সোঁৱৰণেই আছিল ১৮৩৪ চনৰ একেটা দিনতে সাত সাগৰ তেৰ নদীৰ সিপাৰৰ ইংলেণ্ডত জন্মগ্ৰহণ কৰা এগৰাকী লোকৰ-- যাৰ নাম আছিল জন বেৰী হোৱাইট। ডিব্ৰুগড় চহৰে এইজন লোকৰ প্ৰতি কৃতজ্ঞ হোৱাৰ কথাই— এওঁৰ যহতে যে ডিব্ৰুগড়ৰ গৌৰৱ 'অসম মেডিকেল কলেজ'খন সমগ্ৰ উত্তৰ-পূব ভাৰতৰ সৰ্বপ্ৰথম চিকিৎসা বিজ্ঞানৰ প্ৰতিষ্ঠানটোৱে ডিব্ৰুগড়তে পাহ মেলিলেহু প্ৰকৃতাৰ্থত জন বেৰী হোৱাইটকেই এতিয়াৰ ডিব্ৰুগড় চহৰৰ পিতৃ বুলি অভিহিত কৰিব পাৰি। আৰু ক'বলৈ গ'লে ঊনৈশ শতিকাৰ শেষৰ দুটা দশকত ডিব্ৰুগড়ক কেন্দ্ৰ কৰি গঢ়ি উঠা আধুনিক উদ্যোগ সমূহেই অসমত বিজ্ঞান সচেতনতাৰ দিশত প্ৰথমটো খোজ চিহ্নিত কৰিলে। বিশেষকৈ ১৯০০ চনত জন বেৰী হোৱাইট মেডিকেল স্কুলখনতেই অসমত প্ৰথমবাৰৰ বাবে বিজ্ঞান শিক্ষাৰ অংকুৰণো স্থাপিত হ'ল। কিয়নো তেতিয়াও গুৱাহাটীত কটন কলেজ স্থাপন হ'লেও বিজ্ঞানৰ শ্ৰেণীসমূহ আৰম্ভ কৰিবৰ নৌ হয়। কেইবাখনো উচ্চ স্তৰৰ শিক্ষা আৰু গৱেষণা প্ৰতিষ্ঠানেৰে সমৃদ্ধ ডিব্ৰুগড় চহৰৰ বৰ্তমান অৱস্থাত উপনীত হোৱাৰ আঁৰৰ অনুষ্ঠানটোৱেই আছিল 'বেৰী হোৱাইট মেডিকেল স্কুল'খন। কিয়নো মেডিকেল স্কুললৈ অহা শিক্ষক আৰু অন্যান্য সহায়কসকলৰ সৰহভাগেই আছিল বংগৰ বাঙালী লোক। তদুপৰি চৰকাৰী উচ্চ ইংৰাজী বিদ্যালয়লৈয়ো বাঙালী শিক্ষক বংগৰ পৰাই আহিছিল। প্ৰান্তীয় সামৰিক ঘাটি হিচাপেও ইয়াত অন্যান্য কাৰিকৰী লোকৰ সমাৱেশ ঘটিছিল। গুৱাহাটীতকৈ আগতেই ডিব্ৰুগড়ত এটা পৰিৱেশ গঢ়ি উঠিল, য'ত আধুনিকতাৰ ধ্যান-ধাৰণাবোৰে সাৰ, পানী পালে আৰু আধুনিক বিজ্ঞান সম্পৰ্কে সাধাৰণ লোকৰ মাজতো সচেতনতা জাগৰিত হোৱাৰ সুবিধাও ওলাল। সেয়েহে সংবাদ পত্ৰৰ প্ৰকাশ আৰু বিত্তীয় লেনদেনৰ আধুনিক বেংকিং ব্যৱস্থাও পোনতে ডিব্ৰুগড়ৰ পৰাই আৰম্ভ হোৱা কথাটোত আচৰিত হ'বলগীয়া একো নাই।

স্বাধীনতাৰ আগৰ দশককেইটাত বিজ্ঞান-সচেতনতাৰ ক্ষেত্ৰত ডিব্ৰুগড়ৰ অৱদান কি বুলি প্ৰশ্ন কৰিলে ইয়াৰ পৰা প্ৰকাশ পোৱা দুখন গুৰুত্বপূৰ্ণ আলোচনী আৰু কেইগৰাকীমান উৎসাহী বিজ্ঞান-লেখকৰ কথাই প্ৰথমে মনলৈ আহে। আলোচনী দুখন 'আলোচনী' (১৯০৮-১৯১৭) আৰু 'আসাম বান্ধৱ' (১৯০৯-১৯১৮)। এবছৰৰ অগা-পিছাকৈ প্ৰকাশ পোৱা আলোচনী দুখন এবছৰৰ অগা-পিছাকৈ বন্ধও হ'ল। 'আলোচনী'ৰ সম্পাদক আছিল

*লেখক ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পদাৰ্থবিদ্যা বিভাগৰ অৱসৰপ্ৰাপ্ত প্ৰাধ্যাপক তথা অসমত বৈজ্ঞানিক চিন্তা-চৰ্চা প্ৰসাৰৰ বাবে প্ৰয়াসৰত এগৰাকী বিজ্ঞান-লেখক।*

দুৰ্গানাথ চাংকাকতি, ৰাধানাথ চাংকাকতি আৰু প্ৰসন্ন কুমাৰ বৰুৱা, আৰু 'আসাম বান্ধৱ' সম্পাদনা কৰিছিল তাৰানাথ চক্ৰৱৰ্তীয়ে। দুয়োখনতে ভালেমান লেখকে বিভিন্ন বিষয়ৰ বৈজ্ঞানিক নিবন্ধ ৰচনা কৰিছিল। অসমৰ বিভিন্ন ঠাইৰ লেখকৰ ভিতৰত আছিল ঃ কালিৰাম মেধি, লক্ষ্মীপ্ৰসাদ চলিহা, অম্বিকা প্ৰসাদ গোস্বামী, ৰামেশ্বৰ দাস, বিপিন চন্দ্ৰ ঘোষ, সৰ্বেশ্বৰ শৰ্মা কটকী, চাইফুদ্দিন আহমেদ, ইন্দ্ৰধৰ ৰাজখোৱা। ইয়াৰে চাইফুদ্দিন আহমেদ ডিব্ৰুগড় চৰকাৰী উচ্চ ইংৰাজী বিদ্যালয়ৰ শিক্ষক আছিল। হেলিৰ ধুমকেতুটো ওলোৱাৰ বছৰতে (১৯১০ চন) কালিৰাম মেধিয়ে 'হেলিৰ নেজাল তৰা' নামৰ সুদীৰ্ঘ প্ৰবন্ধ এটাত অতি প্ৰাঞ্জল ভাষাৰে ধুমকেতুৰ জ্যোতিৰ্বৈজ্ঞানিক ব্যাখ্যা আগবঢ়ায়। পদাৰ্থবিদ্যা, উদ্ভিদবিদ্যা, স্বাস্থ্যৰক্ষা আদি বিষয়ৰ উপৰি ৰেডিয়াম আৰু ডাৰউইনৰ জীৱৰ ক্ৰমবিকাশ তত্ত্বৰ বিষয়েও উৎকৃষ্ট মানৰ প্ৰবন্ধ প্ৰকাশ হৈছিল। আনকি অন্ধবিশ্বাসৰ সম্পৰ্কেও ৰচনা প্ৰকাশ কৰি বিজ্ঞান সচেতনতাৰ আন এটা দিশৰ আলোচনা কৰিছিল। ডিব্ৰুগড়তে চাইফুদ্দিন আহমেদ, হিতেন্দ্ৰ কুমাৰ বৰুৱাই পাছলৈ 'আৱাহন' আৰু 'বাঁহী'তো বিজ্ঞান সম্পৰ্কীয় প্ৰৱন্ধ প্ৰকাশ কৰি বৈজ্ঞানিক চিন্তাৰ প্ৰসাৰত বৰঙণি আগ বঢ়াইছিল। পাছলৈ ডিব্ৰুগড়ৰ বাসিন্দা হোৱা ডাঃ মহানন্দ বৰুৱাই 'বাঁহী', 'আৱাহন' আদি আলোচনীত ভালেমান স্বাস্থ্য বিষয়ক ৰচনা লিখি স্বাস্থ্য সম্পৰ্কে সজাগতা আনিবলৈ যত্ন কৰিছিল।

স্বাধীনতাৰ আগত বিদ্যালয়ৰ উপযোগী পাঠ্যপুথিৰ ক্ষেত্ৰৰ চাইফুদ্দিন আহমেদৰ 'জ্যামিতি', 'সহজ পাটীগণিত'ৰ উপৰি 'জানানে?' নামৰ এখন পুথি বহুলভাৱে প্ৰচলিত হৈছিল। জিয়ানুদ্দিন আহমেদ আৰু ভবেশ মুখাৰ্জীয়ে যুটীয়াভাৱে ৰচনা কৰা 'বীজগণিত'খন অসমীয়া ভাষাত প্ৰকাশ হোৱা প্ৰথমখন বীজগণিতৰ পুথি আছিল।

বেৰি হোৱাইট মেডিকেল স্কুল ১৯৪৭ চনত অসম মেডিকেল কলেজলৈ ৰূপান্তৰিত হৈ চিকিৎসাবিদ্যাৰ স্নাতক পৰ্যায়ত শিক্ষাদান কৰা অনুষ্ঠান হৈ পৰিল। তেতিয়াৰ পৰা বিজ্ঞান-সচেতনতাৰ ক্ষেত্ৰত ডিব্ৰুগড়ৰ অৱদান আৰু এখোপ চৰিল। বিজ্ঞানৰ অন্যতম চালিকা শক্তি গৱেষণাৰ কামো চিকিৎসা মহাবিদ্যালয়তে প্ৰথমে আৰম্ভ হয়। দেশ বিদেশৰ প্ৰশিক্ষণপ্ৰাপ্ত ইয়াৰ শিক্ষকসকলে আৰম্ভণিৰ পৰাই মূল্যৱান গৱেষণা কৰি আহিছে। প্ৰথম দশকতে অধ্যাপক ৰোহিনীকান্ত বৰুৱাই জীৱ ৰসায়ন বিভাগটোত গৱেষণাৰ প্ৰাৰম্ভিক অৱস্থাতে ১৯৫২ চনত 'দেশীয় মদৰ পুষ্টিকাৰক গুণ' শীৰ্ষক এখন তথ্যপূৰ্ণ গৱেষণা পত্ৰ প্ৰকাশ কৰিলে। আধুনিক যন্ত্ৰপাতি যতনাই তেখেতে জীৱ ৰসায়ন বিভাগটোক উচ্চ পৰ্যায়ৰ গৱেষণাৰ বাবেও উপযুক্ত কৰি গঢ় দিলে। আন এজন চিকিৎসক পেথলজি বিভাগৰ ডাঃ বংশীধৰ বৰুৱাইয়ো ১৯৫৬ চন মানৰ পৰাই বিভাগটো উন্নত মানৰ গৱেষণাৰ বাবে উপযুক্ত কৰি গঢ়ি তুলিলে। তেখেতৰ যত্নতে ১৯৮২ চনৰ পৰা লিপিবদ্ধ কৰিবলৈ আৰম্ভ কৰা Hospital Tumour Registry খন কেন্সাৰৰ গৱেষণাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ দলিল বুলি পৰিগণিত। এই দুয়োগৰাকী গৱেষকৰ গৱেষণাই নিজ নিজ ক্ষেত্ৰত আন্তৰ্জাতিক স্বীকৃতি লাভ কৰিছে।

গৱেষণা প্ৰসংগতে উল্লেখ কৰিব পাৰি যে ১৯৬৫ চনত স্থাপিত হোৱা ডিব্ৰুগড় বিশ্ববিদ্যালয় আৰু ১৯৮৪ চনত ডিব্ৰুগড়ৰ অনতিদূৰত লাহোৱালত স্থাপিত হোৱা কেন্দ্ৰীয় চৰকাৰৰ আঞ্চলিক চিকিৎসা বিজ্ঞানৰ গৱেষণা কেন্দ্ৰ (আৰএমআৰছি)ই ডিব্ৰুগড়ত বিজ্ঞান-সচেতনতা বঢ়োৱাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ অৱদান যোগাইছে। বিগত দুটা অৰ্ধশতাব্দী জুৰি এই দুয়োটা শিক্ষা আৰু গৱেষণা প্ৰতিষ্ঠানে বিজ্ঞান আৰু চিকিৎসাবিজ্ঞানৰ বিভিন্ন বিষয়ৰ শিক্ষাদান আৰু গৱেষণা পৰিচালনা কৰি বিজ্ঞানৰ এই জীপাল পৰিৱেশৰ সৃষ্টি কৰিছে। দুয়োটা প্ৰতিষ্ঠানৰ শিক্ষক, গৱেষক দলে নিজৰ নিজৰ বিষয়ৰ আলোচনা-চক্ৰ অনুষ্ঠিত কৰি দেশ-বিদেশৰ বিজ্ঞানীৰ লগত যোগাযোগ স্থাপন কৰাই নহয়। স্থানীয় বিদ্যালয়, মহাবিদ্যালয়ৰ উপৰি ওচৰে পাজৰে বৈজ্ঞানিক বিষয়ক কাৰ্যসূচী গ্ৰহণ কৰি সাধাৰণ ৰাইজৰ মাজতো বিজ্ঞানৰ অগ্ৰগতিৰ বুজ দিয়ে। স্বাস্থ্য সজাগতা আৰু অন্ধবিশ্বাস দূৰীকৰণৰ বাবেও গাঁৱে ভূঞে স্বাস্থ্য পৰীক্ষা শিবিৰ, সজাগতা সভা আদিৰ মাধ্যমেৰেই সমাজতো বৈজ্ঞানিক চিন্তা-চৰ্চাৰ আভাস দিয়া হয়।

আন এটা অনুষ্ঠান 'অসম বিজ্ঞান সমিতি'য়েও বিশেষকৈ স্কুলীয়া ছাত্ৰ-ছাত্ৰী আৰু গাঁৱে ভূঞে ৰাইজৰ মাজত বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত কৰি বিজ্ঞান সচেতনতা বঢ়োৱাৰ ক্ষেত্ৰত বৰঙণি যোগাই আহিছে। ১৯৬৯ চনত স্থাপন হোৱাৰ দিন ধৰি সমিতিৰ ডিব্ৰুগড় শাখাই বিভিন্ন কাৰ্যসূচীৰে ডিব্ৰুগড় আৰু ইয়াৰ আশে-পাশে বিজ্ঞানৰ প্ৰতি ৰাইজৰ সচেতনতা অনাৰ চেষ্টা চলাই আহিছে। 'ৰাজ্যিক বিজ্ঞান, প্ৰযুক্তি আৰু পৰিৱেশ বিজ্ঞান পৰিষদ' (ASTEC) য়েও বছৰি 'বিজ্ঞান আৰ্হিৰ প্ৰতিযোগিতা' সমগ্ৰ ৰাজ্যজুৰি অনুষ্ঠিত কৰি আহিছে। এনেবোৰ কাৰ্যসূচীয়েও ছাত্ৰ ছাত্ৰীৰ জৰিয়তে ৰাইজৰ মাজত বিজ্ঞান সচেতনতা বঢ়ায় বুলি সহজেই অনুমেয়।

বৈজ্ঞানিক সচেতনতাৰ পক্ষে আৰু অন্ধবিশ্বাসৰ বিৰুদ্ধে অহৰহ ক্ৰিয়াশীল এটা অনুষ্ঠান হৈছে 'আকাশবাণী ডিব্ৰুগড়'। মাহেকে-পষেকে ইয়াৰ পৰা প্ৰচাৰ হোৱা বিজ্ঞানৰ বিভিন্ন বিষয়ৰ লেখা, বিজ্ঞান বিষয়ৰ নাট, কৃষি, স্বাস্থ্য-চৰ্চাৰ নিয়মীয়া শিতান, কেতিয়াবা কেইবা খণ্ডত প্ৰচাৰ হোৱা বিজ্ঞানৰ একো একোটা বিষয়ৰ খৰচি মাৰি কৰা আলোচনাৰে শ্ৰোতাৰ মাজত বিজ্ঞান সচেতনতাৰ

প্ৰয়াস এই কেন্দ্ৰই অতি উৎসাহেৰে কৰি আহিছে। এই লেখাৰ আৰম্ভণিতেই উনুকিওৱা আজিৰ দিনটো অনুষ্ঠানৰ জৰিয়তে, অতি সীমিত সময়ৰ মাজতে মনত পেলাই দিবলৈ স্মৰণ কৰা বিজ্ঞানীগৰাকীৰ বৈজ্ঞানিক অৱদানৰ সম্পৰ্কেও উল্লেখ কৰি শ্ৰোতাৰ উৎসুকতা বঢ়ায়।

আগতে উল্লেখ কৰা দৰে যোৱা শতিকাৰে পৰা অসমৰ বিভিন্ন কাকত-আলোচনীত বিজ্ঞান বিষয়ৰ লিখা-মেলা কৰাসকলৰ মাজত ডিব্ৰুগড়বাসীও আছে। তদুপৰি অনেকেই বিজ্ঞানৰ বেলেগ বেলেগ বিষয়ৰ গ্ৰন্থ লোকবোধ্য ৰূপত প্ৰকাশ কৰি আহিছে। এই ক্ষেত্ৰত ডিব্ৰুগড় হনুমানবক্স কানৈ মহাবিদ্যালয়ৰ প্ৰাণীবিজ্ঞানৰ প্ৰতিষ্ঠাপক অধ্যাপক প্ৰয়াত ডিম্বেশ্বৰ চলিহাৰ নাম প্ৰথমেই মনলৈ আহে। তেখেতে বন্যপ্ৰাণী, জীৱবৈচিত্ৰ্য, অসমৰ জীৱ-জন্তু হাবি জংঘল, পৰিৱেশ সংৰক্ষণ ইত্যাদি বিভিন্ন বিষয়ৰ দুকুৰিতকৈয়ো অধিক গ্ৰন্থ প্ৰকাশ কৰি বিষয়সমূহৰ প্ৰতি সাধাৰণ ৰাইজক আকৰ্ষণ কৰিবলৈ সমৰ্থ হৈছিল। ডিব্ৰু ছৈখোৱাৰ দেওহাঁহ, আৰু বনৰীয়া ঘোঁৰাৰ সম্পৰ্কে পোনতে তেখেতেই সজাগতাৰ সৃষ্টি কৰে। তদুপৰি ডাঃ জন বেৰি হোৱাইটকে স্মৃতি সংৰক্ষণৰ কাৰণে তেখেতে যোৱা শতিকাৰ শেষৰ দশকত 'অসম বিজ্ঞান সমিতি'ৰ ডিব্ৰুগড় শাখাৰ জৰিয়তে ডাঃ জন বেৰি হোৱাইট স্মাৰক বক্তৃতাও অনুষ্ঠিত কৰিছিল। পৰিৱেশ আৰু বন্যপ্ৰাণীৰ সংৰক্ষণৰ ক্ষেত্ৰত স্থানীয় 'ইৰাব-কিৰাব পৰিৱেশ শিক্ষাকেন্দ্ৰ' আৰু 'নেচাৰ্চ বেকন' নামৰ অনুষ্ঠান দুটায়ো গাঁৱে-ভূঞে বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰি আহিছে।

ডিব্ৰুগড় বিশ্ববিদ্যালয়ে ২০১২ চনৰ পৰা বিশিষ্ট লেখকৰ হতুৱাই 'বৰেণ্য বিজ্ঞানী গ্ৰন্থমালা'ত কেইবাগৰাকী বিশ্ববৰেণ্য বিজ্ঞানীৰ নিৰ্ভৰযোগ্য জীৱনী গ্ৰন্থ প্ৰকাশেৰে অসমীয়া বিজ্ঞান সাহিত্যক চহকী কৰিছে। বিশ্ববিদ্যালয়খনৰ প্ৰকাশন বিভাগৰ শেহতীয়া উল্লেখযোগ্য প্ৰকাশন হৈছে 'বিজ্ঞানৰ ইতিহাস'খন। বিজ্ঞানৰ আটাইকেইটা বিষয়ৰ ইতিহাস সন্নিৱিষ্ট কৰা এইখন অসমীয়া ভাষাত প্ৰকাশ পোৱা প্ৰথমখন সুবৃহৎ গ্ৰন্থ। আধুনিক বিজ্ঞানৰ বিকাশৰ বুৰঞ্জীৰ অধ্যয়নে বিজ্ঞানৰ প্ৰতি ধাউতি বঢ়াব বুলি আশা কৰিব পাৰি।

পৰিশেষত ডিব্ৰুগড়ত জন্ম লাভ কৰা আৰু কৰ্মজীৱন অভিজ্ঞ কৰা কেইগৰাকীমান কৃতী বিজ্ঞান সাধকৰ বিষয়ে কৰা আলোচনাৰে প্ৰবন্ধৰ সামৰণি মৰা হ'ব। ড° হিতেন্দ্ৰ নাথ বৰুৱা বিজ্ঞান বিষয়ত ডক্টৰেট লাভ কৰা সম্ভৱতঃ দ্বিতীয়গৰাকী অসমীয়া। (ইয়াৰ আগেয়ে ১৮৭৩ চনতেই জাৰ্মানীৰ হাইডেলবাৰ্গ বিশ্ববিদ্যালয়ৰ পৰা আনন্দৰাম ঢেকিয়াল ফুকনৰ পুত্ৰ ৰাধিকাৰাম ঢেকিয়াল ফুকনে ৰসায়ন বিষয়ত ডক্টৰেট ডিগ্ৰী লাভ কৰিছিল।) এখেতে ১৯৪২ চনত ইংলেণ্ডৰ কেম্ব্ৰিজ বিশ্ববিদ্যালয়ৰ পৰা উদ্ভিদ বিজ্ঞানত ডক্টৰেট ডিগ্ৰী লৈছিল।

এখেতে ১৯৪৮ চনত স্থাপন কৰা উদ্ভিদ বিজ্ঞানৰ বিভাগটোৱেই গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰথমটো বিজ্ঞানৰ বিভাগ। বিজ্ঞানৰ প্ৰথমগৰাকী অধ্যাপক আৰু 'বিজ্ঞান গুৰু' আৰু পাছলৈ বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য হৈ অৱসৰ লোৱা ড° বৰুৱা ৰাজ্যখনত বৈজ্ঞানিক গৱেষণাৰ পৰিৱেশ গঢ় দিয়াৰ এগৰাকী বাটকটীয়া আছিল। তেখেতে অসমীয়া ভাষাতো অনেক লোকবোধ্য বিজ্ঞানৰ প্ৰবন্ধ ৰচনা কৰিছিল আৰু পত্নী ডাঃ পাৰকুটী বৰুৱাৰ লগ লাগি 'বিজ্ঞান আৰু বৈজ্ঞানিক' নামৰ কিতাপ এখনত বিজ্ঞানৰ বিভিন্ন বিষয়ৰ প্ৰায় সত্তৰগৰাকী বিজ্ঞানীৰ চমু জীৱনী ৰচনা কৰি বিজ্ঞানৰ প্ৰতি আগ্ৰহ জন্মোৱাৰ উদ্যোগ লৈছিল। জন্মসূত্ৰে ডিব্ৰুগড়ৰ, কিন্তু তেওঁৰ কৰ্মক্ষেত্ৰ আছিল ৰেংগুন আৰু গুৱাহাটী বিশ্ববিদ্যালয়।

ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয়তে অসমত বিদ্যায়তনিক ক্ষেত্ৰত বৈজ্ঞানিক গৱেষণাৰ পাতনি মেলা ড° ৰোহিনীকান্ত বৰুৱাই ১৯২৬ চনত শিৱসাগৰ চৰকাৰী উচ্চ ইংৰাজী বিদ্যালয়ৰ পৰা সুখ্যাতিৰে উত্তীৰ্ণ হৈ কটন কলেজৰ পৰা আই. এছ. চি., কলিকতাৰ প্ৰেচিডেন্সি কলেজৰ পৰা ৰসায়ন বিজ্ঞানত সন্মানসহ স্নাতক আৰু কলিকতা বিশ্ববিদ্যালয়ৰ পৰাই ৰসায়ন বিজ্ঞানত স্নাতকোত্তৰ শ্ৰেণীত উত্তীৰ্ণ হৈ আইনৰ বি.এল. ডিগ্ৰী লৈ ডিব্ৰুগড়ত ওকালতিৰে কৰ্মজীৱন আৰম্ভ কৰে। কিন্তু ১৯৩৮ চনত কটন কলেজত অধ্যাপক হিচাপে সোমোৱাৰ পাছত ১৯৪৬ চনত চৰকাৰী জলপানি লৈ ইংলেণ্ডৰ লিভাৰপুৰ বিশ্ববিদ্যালয়ৰ পৰা ১৯৪৮ চনত সুখ্যাতিৰে ডক্টৰেট ডিগ্ৰী লাভ কৰি অসম চিকিৎসা মহাবিদ্যালয়ৰ জীৱ ৰসায়ণ বিভাগৰ অধ্যাপকৰ পদত যোগ দিয়ে। ইংলেণ্ডৰ গৱেষণাৰে অনুপ্ৰাণিত হৈ তেখেতে চিকিৎসা মহাবিদ্যালয়তে উচ্চ মানৰ গৱেষণাৰ আচনি লৈ প্ৰথমে নিজাববীয়াকৈ সাজি লোৱা যন্ত্ৰপাতিৰে আৰু পাছলৈ উন্নত মানৰ যন্ত্ৰপাতি সংগ্ৰহ কৰি জীৱ ৰসায়নৰ গৱেষণা কৰি ১৯৫২ চনত প্ৰথমখন গুৰুত্বপূৰ্ণ গৱেষণা পত্ৰ প্ৰকাশ কৰে। তেখেতৰ নিৰ্দেশনাতে ড° প্ৰতুল গোস্বামীয়ে গৱেষণা আৰম্ভ কৰি ১৯৫৯ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ডক্টৰেট ডিগ্ৰী পায়। ১৯৬০ চনত গুৱাহাটী বিশ্ববিদ্যালয়লৈ আহি ড° বৰুৱা ৰসায়ন বিভাগৰ মুৰব্বী অধ্যাপক হৈ আধুনিক যন্ত্ৰ-পাতি গোটাই উচ্চ মানৰ গৱেষণাৰ বাট মুকলি কৰে। তেখেতৰ মূল্যবান গৱেষণাৰাজিৰ কাৰণে দেশে-বিদেশে খ্যাতি অৰ্জন কৰে। তেখেতৰ গৱেষণাৰ লক্ষ্য আছিল স্থানীয় বৈজ্ঞানিক সমস্যাৰ অনুসন্ধান কৰিব নতুন তথ্য সংগ্ৰহ কৰা আৰু সেইবোৰ সমাজৰ উপকাৰত প্ৰয়োগ কৰা। তেখেত এগৰাকী সুসাহিত্যিকো আছিল। তেখেতে দুখন উৎকৃষ্ট ইউৰোপীয় উপন্যাসৰ ৰসোত্তীৰ্ণ অনুবাদ কৰি অসমীয়া সাহিত্য চহকী কৰি

গৈছে। বিৰিঞ্চি কুমাৰ বৰুৱাৰ সম্পাদনাত প্ৰকাশ পোৱা ‘অকণ’ নামৰ শিশু আলোচনীত ভালেমান শিশুপযোগী গল্প, প্ৰবন্ধ লিখিছিল। ১৯৩২ চনতে ‘বিজ্ঞানৰ সাধু’ নামৰ তেখেতৰ পুথিখনে সাহিত্য সভাৰ বঁটা লাভ কৰিছিল। ১৯৫৮ চনত প্ৰকাশিত তেখেতৰ ‘পৰিপুষ্টি বিজ্ঞান’ নামৰ পুথিখন থলুৱা শাক-পাচলিৰ গুণাগুণৰ অনুসন্ধানৰ ফল। ১৯৫৫ চনত ‘অসম সাহিত্য সভা’ৰ বিজ্ঞান শাখাৰ সভাপতি নিৰ্বাচিত হৈ তেখেতে এটা সাৰগৰ্ভ বক্তৃতা দিছিল। ১৯৬৮ চনত তেখেতৰ অকালতে মৃত্যু হয়।

ডিব্ৰুগড়তে আন তিনিজন খ্যাতিমান গৱেষক ক্ৰমে ড° বংশীধৰ বৰুৱা, ড° জ্যোতিপ্ৰসাদ মেধি আৰু ড° সত্যেন্দ্ৰ নাৰায়ণ চৌধুৰীয়ে ক্ৰমে ১৯৩৯, ১৯৪০ আৰু ১৯৪১ চনত ডিব্ৰুগড় চৰাকাৰী উচ্চ ইংৰাজী বিদ্যালয়ৰ পৰা প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ কটন কলেজৰ পৰা আই এচ ছি পৰীক্ষাত উত্তীৰ্ণ হয়গৈ।

ডঃ বংশীধৰ বৰুৱাই কলিকতাৰ চিকিৎসা মহাবিদ্যালয়ৰ পৰা ১৯৪৬ চনত এম বি বি এছ ডিগ্ৰীলৈ ১৯৪৭ চনত স্থাপন হোৱা অসম চিকিৎসা মহাবিদ্যালয়ত পেথলজি বিভাগত যোগদান কৰে। ১৯৫৬ চনত ইংলেণ্ডৰ শ্বেফিল্ড বিশ্ববিদ্যালয়ৰ পৰা ডক্টৰেট ডিগ্ৰী লৈ ডিব্ৰুগড়লৈ উভটি আহি শিক্ষাদানৰ লগতে গৱেষণাৰ কাম আৰম্ভ কৰে। তেখেত পেথলজি আৰু অনুজীৱ বিজ্ঞান বিভাগৰ দায়িত্ব লৈ স্নাতক আৰু স্নাতকোত্তৰ শ্ৰেণী চলায়। কেন্সাৰৰ বিষয়ত তেখেতৰ গৱেষণা আন্তৰ্জাতিক স্তৰতো স্বীকৃত। ভাৰতীয় চিকিৎসা বৈজ্ঞানিক গৱেষণা পৰিষদৰ সন্মানীয় ডেন্ডজ বঁটা ১৯৭৭ চনত আৰু চিকিৎসা বিজ্ঞানৰ প্ৰখ্যাত শিক্ষাক হিচাপে ১৯৯৩ চনত ডঃ বি. চি. ৰয় জাতীয় পুৰস্কাৰেৰে বিভূষিত হয়।

ড° বৰুৱাক প্ৰতিষ্ঠাপক সঞ্চালক হিচাপে লৈয়েই ১৯৮৪ চনত লাহোৱালত ভাৰতীয় চিকিৎসা বৈজ্ঞানিক গৱেষণা পৰিষদৰ অধীনত আঞ্চলিক চিকিৎসা বৈজ্ঞানিক গৱেষণা কেন্দ্ৰটো স্থাপন কৰা হয়। তেখেতৰ যত্নত গঢ়ি উঠা সুদৃঢ় ভেটিত এইটো গৱেষণা প্ৰতিষ্ঠানে কেন্সাৰকে আদি কৰি উত্তৰ-পূৰ ভাৰতত সঘনাই হোৱা ৰোগসমূহৰ ওপৰত ওখ খাপৰ গৱেষণা চলাই আছে। কোভিড ১৯ মহামাৰীৰ সময়ত এই কেন্দ্ৰই অঞ্চলটোত মহামাৰী বিধৰ প্ৰতিৰোধৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। ডিব্ৰুগড়ত ১৯৬৯ চনত স্থাপন হোৱা অসম বিজ্ঞান সমিতিৰ ডিব্ৰুগড় শাখাৰো তেখেত প্ৰতিষ্ঠাপক সম্পাদক আছিল। পাছলৈ তেখেত অসম বিজ্ঞান সমিতিৰ সভাপতি হয়গৈ।

আন এজন আন্তঃৰ্জাতিক খ্যাতিসম্পন্ন পৰিসংখ্যা বিজ্ঞানী ড° জ্যোতি প্ৰসাদ মেধিও ডিব্ৰুগড়ৰে বাসিন্দা। কলিকতা প্ৰেচিডেন্সি কলেজৰ পৰা গণিত বিষয়ত সন্মানসহ স্নাতক আৰু একে বিষয়তে স্নাতকোত্তৰ শ্ৰেণীত উত্তীৰ্ণ হৈ বিদেশলৈ গৈ তেখেতে ফ্ৰান্সৰ পৰা ডি.এচ. ছি. ডিগ্ৰী লাভ কৰে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ গণিত, আৰু পাছলৈ পৰিসংখ্যা বিজ্ঞান তেখেতে আন্তৰ্জাতিক স্তৰত স্বীকৃতি লাভ কৰে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অৱসৰৰ পাছত তেখেতে ‘অসম বিজ্ঞান সমিতি’ৰ উদ্যোগত স্থাপন হোৱা অৱসৰৰ পাছত ‘ইন্সটিটিউট অৱ এড্‌ভান্সড্‌ ষ্টাডিজ ইন চায়েন্স এণ্ড টেকনলজি’ৰ প্ৰথমজন সঞ্চালক হৈ নতুন গৱেষণা প্ৰতিষ্ঠানটোক গঢ় দিয়ে। তেখেতে অসমীয়া ভাষাত গণিত বিষয়ৰ এখন ৰসাল গণবোধ্য গ্ৰন্থও ৰচনা কৰিছে। জন্মৰে পৰা অসম বিজ্ঞান সমিতিৰ লগত যুক্ত হৈ থকা ড° মেধিয়ে অনুষ্ঠানটোৰ সভাপতিৰ পদ শুৱনি কৰিছিল।

‘ভাৰতৰ ৰেচম শিল্প পিতামহ’ অভিধাৰে বিভূষিত প্ৰখ্যাত ৰেচম গৱেষক ড° সত্যেন্দ্ৰ নাৰায়ণ চৌধুৰীয়ে ৰেচম বিষয়ৰ গৱেষণাৰে এড়ি-মুগা-পাট এই কেইবিধ কেৱল অসমৰে নহয় সমগ্ৰ ভাৰতবৰ্ষতে আধুনিক ৰেচম শিল্পৰ পথিকৃৎ ৰূপে নতুন অধ্যায়ৰ পাতনি মেলিছিল। তেখেতে ইটালীৰ পাভিয়া বিশ্ববিদ্যালয়ৰ পৰা ডক্টৰেট ডিগ্ৰী লাভ কৰে। ১৯৫৫ চনৰ পৰা তিতাবৰৰ ৰেচম গৱেষণাগাৰৰ গৱেষক হিচাবে আৰু ৰেচম প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ অধ্যক্ষৰূপে কাৰ্যনিৰ্বাহ কৰে। কেৱল অসমত উপলব্ধ মুগা খেতিৰ বিকাশৰ কাৰণে তেখেতে আধুনিক প্ৰযুক্তি উদ্ভাৱন কৰি ইয়াক শক্তিশালী শিল্প ৰূপে প্ৰতিষ্ঠা লাভ কৰোৱায়। মুগা বিষয়ক বিভিন্ন গৱেষণাৰ কাৰণে এখেতক ‘মুগাৰ পিতৃ’ আখ্যাও দিয়া হয়। ৰেচম বিজ্ঞানত ভাৰতৰ প্ৰথম আৰু একমাত্ৰ ব্যক্তি হিচাপে ১৯৬৫ চনত এখেতে কলিকতা বিশ্ববিদ্যালয়ৰ সৰ্বোচ্চ ডি. এচ. ছি. ডিগ্ৰী লাভ কৰে। ১৯৭২ চনত অসমৰ ‘ৰেচম আৰু বয়ন বিভাগ’ৰ সঞ্চালকৰ উপৰি অসম কৃষি বিশ্ববিদ্যালয়ৰ ৰেচম বিভাগত স্নাতকোত্তৰ শ্ৰেণীৰ দায়িত্বত পাঠদান কৰা, লাওচত এৰী শিল্পৰ পৰামৰ্শদাতা, বকোৰ ‘ক্ষেত্ৰীয় মুগা গৱেষণা কেন্দ্ৰ’ৰ গৱেষণা পৰামৰ্শদাতা সমিতিৰ অধ্যক্ষ, কেন্দ্ৰীয় ৰেচম ব’ৰ্ডৰ ৰাজ্যিক সমন্বয়ৰক্ষী সমিতিৰ সদস্য আদি বিভিন্ন পদত তেখেতে কাৰ্যনিৰ্বাহ কৰিছিল। ১৯৯৪ চনৰ পৰা আমৃত্যু তেখেতে ডিব্ৰুগড় গ্ৰাহাম বজাৰৰ নিজা বাসভৱনত থাকি বিভিন্ন বিষয়ৰ অধ্যয়ন আৰু দুকুৰিৰো অধিক পুথি ৰচনা কৰে। তেখেতৰ ‘এৰী, মুগা, পাট’ নামৰ কিতাপখন ‘অসম বিজ্ঞান সমিতি’য়ে প্ৰকাশ কৰিছে।

এই কেউগৰাকী বিজ্ঞানৰ বিভিন্ন বিষয়ৰ গৱেষণাৰ বাটকটীয়াহে। তাৰ পাছতো ডিব্ৰুগড়ৰ তিনিটা গৱেষণা আৰু শৈক্ষিক প্ৰতিষ্ঠান অসম চিকিৎসা মহাবিদ্যালয়, ডিব্ৰুগড় বিশ্ববিদ্যালয় আৰু আঞ্চলিক চিকিৎসা বিজ্ঞান গৱেষণা কেন্দ্ৰ (RMRC)ৰ বিজ্ঞানী সকলে বৈজ্ঞানিক গৱেষণাৰ ধাৰা বৰ্তাই ৰাখিছে।

●●●

# মটক জনগোষ্ঠী ঃ ডিব্ৰুগড় জিলাৰ এটি সমীক্ষা

ড° কৰবী বৰুৱা গগৈ

**অৱতৰণিকাঃ**

ডিব্ৰুগড় হৈছে অসমৰ এখনি আগশাৰীৰ জিলা। বৰ্তমানৰ ডিব্ৰুগড় জিলাখনৰ আধাতকৈ অধিক অংশ প্ৰাচীন সৰ্বানন্দ সিংহৰ মটক ৰাজ্যৰ অধীনত আছিল। এটা সময়ত এই অঞ্চলত কেৱল মটকসকলেই বসবাস কৰিছিল বুলি ধাৰণা কৰিব পাৰি। চাবুৱা, ডিকম, লাহোৱাল, বকুল, ডিব্ৰুগড়, বৰবৰুৱা, দুলীয়াজান, মৰাণ, নাহৰকটীয়া, নামৰূপ, টেঙাখাট, টিংখং হৈছে ডিব্ৰুগড় জিলাৰ লেখত ল'বলগীয়া কেইখনমান চহৰাঞ্চল। বৰ্তমান জিলাখনত প্ৰায় ১৩,২৬,৩৩৫ লাখ বিভিন্ন জনগোষ্ঠীৰ মানুহে বসবাস কৰি আছে। এই জনগোষ্ঠীবিলাকৰ ভিতৰত উল্লেখনীয় এটি জনগোষ্ঠী হৈছে মটক। গতিকে ঐতিহাসিক আৰু সাংস্কৃতিক দিশৰ পৰা সম্পদশালী মটকসকল হৈছে ডিব্ৰুগড় জিলাৰ এটি প্ৰধান আৰু প্ৰাচীন জনগোষ্ঠী। ডিব্ৰুগড় জিলাৰ সৰ্বমুঠ ১,৩৬১খন গাঁৱৰ ভিতৰত প্ৰায় ৮০খন গাঁৱত মটকসকলে বসবাস কৰি আছে। ত্ৰয়োদশ শতিকাৰ পূৰ্বৰে পৰা অসমত বসবাস কৰা মটকসকলে অবিভক্ত ডিব্ৰুগড় জিলাৰ টিপাম অঞ্চলত পোনতে মুৰব্বীৰ অধীনত সৰু ৰাজ্য পাতি বসবাস কৰিছিল। মটকসকলৰ প্ৰধান জীৱিকা আছিল কৃষি। কৃষি অৰ্থনীতিৰে সৰু ৰাজ্য পাতি মটকসকলে টিপাম অঞ্চলত বসবাস কৰিছিল। বৰ্তমান উজনি অসমৰ ডিব্ৰুগড়, তিনিচুকীয়া, শিৱসাগৰ, লখীমপুৰ, ধেমাজি, যোৰহাট আৰু বিশ্বনাথ জিলাকে ধৰি সমগ্ৰ অসমৰ বিভিন্ন ঠাইত বিভিন্ন সূত্ৰে বসবাস কৰা মটক এটি টাই মংগোলীয় মূলৰ জনগোষ্ঠী। অতি প্ৰচীনকালৰে পৰা জিলাখনত বসবাস কৰা এটি জনগোষ্ঠী হিচাপে ডিব্ৰুগড় জিলাৰ সামাজিক-সাংস্কৃতিক, অৰ্থনৈতিক, ৰাজনৈতিক আৰু শৈক্ষিক বিকাশৰ ক্ষেত্ৰত মটকসকলৰ এক গুৰুত্বপূৰ্ণ ভূমিকা আছে। এই সম্পৰ্কীয় অধ্যয়নেই আজিৰ আলোচনাত কৰা হ'ব।

**মটক জনগোষ্ঠীৰ ঐতিহাসিক পৰিচয় ঃ**

টাই আহোমৰ প্ৰথমজনা স্বৰ্গদেউ চাউলুং চুকাফাই এই মটকসকলকেই টিপাম অঞ্চলত লগ পাইছিল আৰু 'ফুখাও চাম বা মটক' বুলি জানি মটকসকলৰ লগত মিতিৰ পাতিছিল। মটকসকলৰ সহায়তে চুকাফাই নগাসকলক পৰাস্ত কৰাৰ লগতে বৃহত্তৰ অসমীয়া সমাজ আৰু সংস্কৃতিৰ বৰভেটি গঢ়াত আগভাগ লৈছিল। ৰায় চাহাব গোলাপচন্দ্ৰ বৰুৱাই সম্পাদনা কৰা *Ahom Buranji* খনৰ ৩৮ নং পৃষ্ঠাত উল্লেখ থকা তথ্যৰ ভিত্তিত মটক জনগোষ্ঠীৰ ইতিহাসৰ বহু তথ্য পোহৰলৈ আহিছে। এই বুৰঞ্জীখনিত আহোমসকলৰ আগমনৰ সময়ত অসমত বসবাস কৰা কেইটিমান জনগোষ্ঠীৰ নাম পোৱা যায়। এই জনগোষ্ঠীসমূহ হ'ল ঃ (১) তেওৱা (২) তুমিছা (৩) মটক (৪) লঙৱাও (৫) লামেঞাও আৰু (৬) অমতাচাৰ ইত্যাদি। গোলাপ চন্দ্ৰ বৰুৱাৰ দ্বাৰা সম্পাদিত *Ahom Buranji* ত এই জনগোষ্ঠীবিলাকৰ নাম ইংৰাজীত চুটিয়া, কছাৰী, মটক, বৰাহী, নগা আৰু কমতেশ্বৰ বুলি উল্লেখ কৰিছে। টাই আহোমৰ পিতৃপুৰুষ চাউলুং চুকাফাই সোণোৱালী শস্যৰ দেশ অসমত প্ৰৱেশ কৰি টিপাম পাহাৰৰ দাঁতি কাষৰীয়া অঞ্চলত মটকসকলক লগ পাইছিল। টিপামত লগ পোৱা মটকৰ মুৰব্বীজনৰ সহায়ত চুকাফাই নগাসকলক পৰাস্ত কৰিছিল। এইজনা মটক মুৰব্বীয়েই ৰজাক প্ৰচুৰ পৰিমাণে স্ব-উৎপাদিত বেঙেনা যোগান ধৰিছিল।

*লেখিকা মটক জনগোষ্ঠী বিষয়ৰ এগৰাকী গৱেষক আৰু ৰিমেনজ্ কলেজ, তিনিচুকীয়াৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপিকা।*

বেঙেনা যোগান ধৰাৰ বাবেই স্বৰ্গদেউৰ লগত অহা কাংগাং(Kang-Gang) বৰগোহাঁয়ে মটকৰ মুৰব্বীজনক 'লানমাখু' অৰ্থাৎ *'বেঙেনাৰ নাতি'* আখ্যা দিছিল। 'লানমাখু' টাই ভাষাৰ এটি শব্দ। 'লান' মানে নাতি আৰু 'মাখু' মানে বেঙেনা। *Ahom Buranji* খনিৰ টাই ভাষাত লিখা অংশত এই তথ্যটি এনেদৰে পোৱা যায় ঃ *"ম্যু নান তুন ফান মান ফুখাও চাম ৰা মটক।"* এইখিনি কথাকে গোলাপচন্দ্ৰ বৰুৱাই ইংৰাজীলৈ তৰ্জমা কৰি লিখিছে ঃ *"The Matak descended from Phukhao family (a family orignated from seed sewn)"*. বুৰঞ্জীখনিত উল্লেখ থকা টাই ভাষাৰ উক্ত বাক্যশাৰীৰ অৰ্থ ব্যাখ্যা কৰিলে দেখা যায় যে 'ম্যু নান' বুলিলে 'পুৰণি সময়ৰ'; 'তুন ফান' বুলিলে 'গুটি সিঁচা', 'মান ফুখাও' বুলিলে 'ভাল মানুহ'বা 'মানবিশিষ্ট মানুহ অথবা বগা মানুহ' আৰু 'চাম ৰা' বুলিলে 'মানে' বা 'বোলে' বুজায়। উক্ত টাই ভাষাৰ বাক্যশাৰীৰ সম্পূৰ্ণ অসমীয়া অৰ্থ কৰিলে অৰ্থ হ'ব ঃ *'পুৰণি সময়ৰ গুটি সিঁচা মূলৰ ভাল মানুহ বা মানবিশিষ্ট মানুহ বা বগা মানুহ* (ফুখাও) *মানে মটক মানুহকে বুজাইছিল।'* একেদৰে ইংৰাজীত উল্লিখিত বাক্যশাৰীৰ অৰ্থ হৈছে ঃ *"ফুখাও পৰিয়ালৰ পৰা মটকৰ উৎপত্তি হৈছিল।"* (যিটো পৰিয়াল গুটি সিঁচা মূলৰ পৰা অহা)। চুকাফাৰ অসম আগমনৰ সময়ত অসমত বসবাস কৰা জনগোষ্ঠীসমূহক কৰতলীয়া হিচাপে থাকিবলৈ দিছিল। এই ৰাজ্যসমূহৰ পৰা কৰ তুলিবলৈ তিনিজন ব্যক্তিক নিয়োগ কৰিছিল। এই ব্যক্তিকেইজনৰ ভিতৰত এজন মটক মুৰব্বীও আছিল। চুকাফাই লগ পোৱা অন্য এজন মটক মুৰব্বী লোক হৈছে *মিমুন মটক*। মিমুন মটকে চুকাফাক কৰ দি তেওঁৰ লগত থাকিবলৈ ইচ্ছা প্ৰকাশ কৰিছিল। চুকাফাইও মিমুন মটকক বৰ ভাল পাই তেওঁক *মিমুন পাটৰ* পাতিছিল। ৰজাই আন এটা টাই পৰিয়ালকো *মটক পাটৰ* পাতিছিল। এই তথ্যটি উক্ত বুৰঞ্জীখনিৰ টাই ভাষাত এনেদৰে লিখা আছে *"ফুখাও চাম ৰা ৰুণ টাই স্বও বাও চাংখাও চাম বা মটক পাতৰ।"* এনেদৰে কেইবাজনো মটক জনগোষ্ঠীৰ মুৰব্বীক চুকাফাই নিজৰ দলত অন্তৰ্ভুক্ত কৰি ৰাজ্য পৰিচালনা কৰিছিল। তেনেদৰে অন্য টাই পৰিয়ালৰ লোককো মটকৰ লগত লগ লগাইছিল। তদুপৰি টাই আহোমসকলৰ মাজত প্ৰচলিত পৰম্পৰাগত টাই ভাষাৰ পুথিৰ মাজতো মটক সম্পৰ্কীয় অনেক তথ্য পোৱা যায়। ইয়াৰ ভিতৰত 'নাং-হুন-ফা', 'আইজংলাও' আদি বিশেষভাৱে উল্লেখনীয় পুথি। গতিকে মটক জনগোষ্ঠীৰ এটি সুদীৰ্ঘ ইতিহাস আছে। ত্ৰয়োদশ শতিকাৰ পূৰ্বৰে পৰা অসমত বসবাস কৰা মটকসকলে ১৭৮৮ চনত মটক ৰজা স্বৰ্গদেউ সৰ্বানন্দ সিংহৰ নেতৃত্বত বেংমৰাত(বৰ্তমানৰ তিনিচুকীয়া) মটক ৰাজ্য পুনৰ প্ৰতিষ্ঠা কৰি বৃটিছ ৰাজত্বৰ কাললৈকে স্বাধীন ৰাজ্য হিচাপে উজনি অসমত মূৰ দাঙি থাকিবলৈ সক্ষম হৈছিল।

**মটকসকলৰ সামাজিক-সাংস্কৃতিক জীৱন ঃ**

পূৰ্বতেই উল্লেখ কৰা হৈছে যে ডিব্ৰুগড় জিলাত বৰ্তমান ৮০ খন মান গাঁৱত প্ৰধানকৈ মটকসকলে বসবাস কৰি আছে। তদুপৰি ডিব্ৰুগড় জিলাৰ অন্তৰ্ভুক্ত চহৰাঞ্চলতো মটক লোকসকলে বসবাস কৰি আছে। প্ৰধানকৈ গ্ৰাম্য কৃষিমুখী সমাজ আৰু সাংস্কৃতিক জীৱনৰ প্ৰতি আগ্ৰহী মটকসকলে পূৰ্বতে চহৰতকৈ ভিতৰুৱা গ্ৰাম্যাঞ্চলবিলাকত বসবাস কৰি ভাল পাইছিল। স্বভাৱগত দিশত সাধাৰণতেই লাজকুৰীয়া মটকসকলে অতি মাৰ্জিত ৰূপত নিজৰ সাংস্কৃতিক বৈশিষ্ট্যসমূহ বৰ্তাই ৰাখি অতীজৰে পৰা বসবাস কৰি আছে। মটকসকলৰ পৰম্পৰাগত ধৰ্মীয় ৰীতি-নীতি আছে যদিও সপ্তদশ শতিকাত মটকসকলে কালসংহতিৰ প্ৰবৰ্তক গোপালদেৱৰ শিষ্য অনিৰুদ্ধদেৱৰ প্ৰচাৰিত 'মায়ামৰা ধৰ্ম'ত শৰণ লৈ বৈষ্ণৱী হৈ পৰে। অথচ, তেওঁলোকৰ মাজত অবৈষ্ণৱ পৰম্পৰাৰো প্ৰচলন দেখা যায়। ডিব্ৰুগড় জিলাখনৰ অন্যান্য জনগোষ্ঠীবিলাকৰ দৰে মটকসকলৰ সাংস্কৃতিক আদৰ্শইও জিলাখনক এক সুকীয়া মৰ্যাদা প্ৰদান কৰিছে। মটকসকলৰ গছতলৰ বিহু, কুলাবুঢ়ী নাচ, হুঁচৰি আদিয়ে সকলোকে বিশেষভাৱে আকৰ্ষণ কৰে। ডাঙৰ আকৃতিৰ বিহু ঢোল, মৃদঙ্গ আদি বাদ্য অসমৰ পৰম্পৰাগত লোকবাদ্যলৈ মটকসকলৰ অমূল্য অৱদান। অতি সুন্দৰ আৰু শৃংখলাবদ্ধ ৰীতিৰে পালন কৰা পৰম্পৰা আৰু সুৰীয়া লোকসংস্কৃতিৰ বাবেই মটকসকল সামাজিক-সাংস্কৃতিক দিশত এটি চহকী জনগোষ্ঠী।

**ডিব্ৰুগড় জিলাৰ মটকসকলৰ অৰ্থনৈতিক জীৱন ঃ**

ঐতিহাসিক বেংমৰা মটক ৰাজ্যৰ অন্তৰ্ভুক্ত ডিব্ৰুগড় জিলাৰ মটকসকলৰ প্ৰধান আৰু পৰম্পৰাগত জীৱিকা হৈছে কৃষি। অতি প্ৰাচীন কালৰ পৰাই মটকসকলে কৃষি কৰ্ম কৰিয়েই জীৱিকা নিৰ্বাহ কৰি আহিছে। ডিব্ৰুগড় জিলাখন কৃষিকৰ্মৰ বাবে অতি উপযোগী এটা অঞ্চল। ব্ৰিটিছ গৱৰ্ণমেন্টৰ লগত মটকৰাজ্যৰ অন্তৰ্ভুক্তিৰ পৰৱৰ্তী সময়ত মটক ৰাজ্যৰ অন্তৰ্গত চাবুৱাতে ব্ৰিটিছসকলে চাহ উদ্যোগৰ কাম আৰম্ভ কৰে। তাৰ লগে লগে মটকসকলৰ নিজা থলুৱা ভূমিত চাহবনুৱাসকলৰ আগমন ঘটিল। সময়ৰ লগে লগে

বেহা-বেপাৰৰ বাবে অন্যান্য লোকসকলৰো আগমন ঘটিল। মটকসকলে বহিৰাগত মানুহৰ আগমনৰ বাবে চহৰাঞ্চলৰ মানুহক নিজৰ মাটি-বাৰি এৰি দি ভিতৰুৱা হাবিতলীয়া অঞ্চলবিলাকলৈ আঁতৰি যায়। ইয়াৰ উদাহৰণ অবিভক্ত ডিব্ৰুগড় জিলাৰ তিনিচুকীয়া চহৰৰ মাজমজিয়াত অৱস্থিত চেনাইৰাম স্কুলৰ ভূমিৰ কথা ক'ব পাৰি। সেইখিনি ঠাইতেই মটক ৰজা সৰ্বানন্দ সিংহৰ কাৰেং আছিল। তিনিচুকীয়াৰ মূল টাউন এলেকাতো আছিল মটক অধ্যুষিত এক ব্যস্ততাপূৰ্ণ অঞ্চল। কিন্তু সময়ৰ গতিত মটকসকলে বহিৰাগতসকলৰ হাতত নিজৰ পৈতৃক সম্পত্তি এৰি দিবলগীয়া পৰিস্থিতিৰ সৃষ্টি হৈছিল। মটক ৰাজ্যত ব্ৰিটিছসকলে প্ৰতিষ্ঠা কৰা চাহ উদ্যোগে অসমৰ অৰ্থনীতিত এক গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াই আহিছে। পূৰ্বতেই উনুকিয়াই অহা হৈছে যে মটকসকল কৃষিজীৱি জনগোষ্ঠী। কৃষি কৰ্ম কৰাত পুৰুষ , মহিলা উভয়ৰে এক গুৰুত্বপূৰ্ণ ভূমিকা আছে। পুৰুষসকলৰ সমানে মহিলাসকলেও কৃষিকৰ্মত অংশ গ্ৰহণ কৰে। খেতিৰ বাবে ধানৰ সঁচ নিৰ্বাচনৰ পৰা আৰম্ভ কৰি কোনডৰা মাটিত কি সঁচ দিলে উৎপাদন অধিক হ'ব, সেই বিষয়েও প্ৰধানকৈ মহিলাসকলেই চিন্তা-চৰ্চা কৰে । তদুপৰি কঠিয়া তোলা, ভুঁই ৰোৱা, ধান দোৱাৰ লগতে ধান দাই আনি ভঁৰালত ধানৰ মুঠিবোৰ ভাগে ভাগে জাপি থোৱা কামৰ পৰিচালনাও মহিলাসকলেই কৰে। দোকমোকালিতে ঘৰৰ পুৰুষজনে গৰুহাল লৈ পথাৰলৈ যোৱা, পথাৰত হালবোৱা, ৰুৱলৈ বুলি কঠিয়াতলিৰ পৰা পথাৰলৈ কঠিয়া কঢ়িওৱা আদিকে ধৰি পথাৰত আলি দিয়া, ধান ভাৰ বান্ধি বিৰিয়া মাৰিৰে কান্ধত তুলি ভঁৰাললৈ কঢ়িওৱা আদি কামবোৰ পুৰুষসকলে কৰে। সমান্তৰালভাৱে পথাৰত হাল বাই থকা পুৰুষজনৰ বাবে চাহ-জলপান যুগুতোৱা, দিয়া, ৰোৱনী, দাৱনীৰ ভূমিকা পালন কৰাৰ লগতে আনসকলৰ বাবে চাহ জলপান যোগাৰ কৰা কাম মটক সমাজত মহিলাসকলেই পৰম্পৰাগতভাবে কৰিবলগীয়া হয়। খেতি- বাতিৰ লগত পৰিশ্ৰম কৰিবলগীয়া হ'লেও তেওঁলোকৰ আনন্দৰ কিন্তু ম্লান নপৰে। অৰ্থনৈতিক আৰু শ্ৰমৰ সকাহৰ বাবে প্ৰয়োজনত মহিলাসকলে 'হেদাহী' প্ৰথাৰে কৃষিকৰ্ম কৰে। পইচাৰ বিনিময়ত ইঘৰে সিঘৰৰ পথাৰত ভুঁই ৰোৱা বা ধান দোৱা কাৰ্যকে 'হেদাহী' দিয়া বুলি কোৱা হৈছে। মটক সমাজত প্ৰচলিত হালোৱা গীত, ৰোৱনী গীত, লক্ষ্মীনামসমূহত মটকসকলৰ পৰম্পৰাগত কৃষি কৰ্মৰ পৰিচয় সংৰক্ষণ হৈ আছে বুলি ক'ব পাৰি। মটক জনগোষ্ঠীৰ পথাৰসমূহত হালোৱা,ৰোৱনী, দাৱনীসকলৰ মুখত নিগৰিত লোকগীতবোৰে জনগোষ্ঠীটোৰ লোকসংস্কৃতিৰ পথাৰখনো চহকী কৰি তুলিছে । এনেদৰে মটক সমাজত পুৰুষ-মহিলা উভয়েই কৃষিকৰ্ম কৰি গ্ৰাম্য অৰ্থনীতিত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰি পৰিয়াল তথা সমাজখনৰ বিকাশত সহায়-সহযোগ কৰি আহিছে।

পশুপালন কৰিও মটক মহিলাসকল উপকৃত হৈছে। মটক সমাজত মহিলাসকলে ঘৰুৱা ব্যৱহাৰ আৰু আৰ্থিক লাভৰ আশাত ঘৰতেই হাঁহ-কুকুৰা, ছাগলী আদি পোহে। তদুপৰি ঘৰত গৰু-গাই, ম'হ আদি পোহে। গৰু- গাই, ম'হ আদিৰ যত্ন পুৰুষ, মহিলা উভয়ে লয় যদিও হাঁহ-কুকুৰা, ছাগলী সাধাৰণতে কেৱল মহিলাসকলে যত্ন লৈ প্ৰতিপালন কৰে। এনেধৰণেৰে মহিলাসকলে খাদ্যৰ বাবে আৰু আপদে-বিপদে দুই এটা হাঁহ-কুকুৰা আৰু ছাগলী বিক্ৰী কৰি পৰিয়ালটিক আৰ্থিকভাৱে সকাহ দি আহিছে। তদুপৰি মটক সমাজত পৰম্পৰাগত ভাৱে এৰী পলু পালন কৰাৰ এক পৰম্পৰাৰ প্ৰচলন আছে। এনে পৰম্পৰা ৰক্ষা কৰাৰ ক্ষেত্ৰতো মহিলাসকলেই গুৰুত্ব দিব লাগে। মুগা পালনৰ লগত জৰিত পৰম্পৰাগত পদ্ধতি, চকৰি -চকৰা গীত, এৰী পলুৰ বাহৰ পৰা সূতা প্ৰস্তুত কৰা, সূতা কটা, সূতা লেটিওৱা, আহল- বহল এৰী চাদৰখন বোৱাৰ লগতে লেটাবোৰ সুন্দৰকৈ ৰান্ধি খোৱাৰ বাবে পৰিৱেশন কৰাৰ ক্ষেত্ৰতো মহিলাসকলেই আগভাগ লোৱা দেখা যায়। মুগা প্ৰতিপালনৰ জৰিয়তে যথেষ্ট লাভ কৰিব পাৰি। বজাৰত লেটা বিক্ৰী কৰি, এৰী সূতাৰে তৈয়াৰ কৰা এৰী চাদৰ বিক্ৰী কৰি আৰ্থিকভাৱে সকাহ পোৱাৰ বাদেও লেটাসমূহ মটকসকলে সুস্বাদু খাদ্য হিচাপে গ্ৰহণ কৰে।

প্ৰতিগৰাকী মটক মহিলাই ঘৰখনৰ প্ৰয়োজনীয় সকলোধৰণৰ সাজপাৰ ঘৰতে তাঁতত বৈ তৈয়াৰ কৰাত পাকৈত। বৰ্তমানৰ বজাৰ বস্ত্ৰ সামগ্ৰীৰে ভৰি আছে যদিও মটক মহিলাসকলে তাঁতখনৰ পৰম্পৰা ৰক্ষা কৰি আহিছে। বোৱা-কটা, ৰোৱা-দোৱা সকলোতে কাজী মটক মহিলাসকলৰ মাজত একে ৰাতিৰ ভিতৰতে মুগুৰা (এটা সন্তান জন্মৰ পিছত মাহেকীয়া ঋতুস্ৰাৱ নোহোৱাকৈ অন্য এটা সন্তানৰ জন্ম হ'লে তেনে সন্তানক মুগুৰা বুলি কোৱা হয়। এনে সন্তানৰ মংগলৰ বাবে একে ৰাতিৰ ভিতৰতে সূতা কাটি বৈ উলিয়াই এবিধ বস্ত্ৰ দিব লাগে।) সন্তানক দিবৰ বাবে কবচ কাপোৰ বোৱাৰ পৰম্পৰাৰ প্ৰচলন আছে। বোৱা-কটাৰ দৰে ঘৰ-দুৱাৰ পৰিষ্কাৰকৈ ৰখা, বাঁহৰ বেৰ সুন্দৰ আৰু ৰঙাকৈ মচা, কেঁচা মজিয়া সুন্দৰকৈ ৰঙা মাটিৰে মচা আদিও এগৰাকী মহিলাই পৰম্পৰাগতভাৱে কৰি আহিছে। পৰিয়ালটিৰ বাবে বস্ত্ৰ তৈয়াৰ কৰি, প্ৰয়োজনত তাঁতত

বোৱা কাপোৰ বিক্ৰী কৰি পৰিয়ালটিক অৰ্থনৈতিক ভাৱে সকাহ দিয়ে। বৰ্তমান সময়ত মটক স্বায়ত্ব শাসন পৰিষদে মহিলাসকলৰ বাবে তাঁতশিল্পৰ প্ৰশিক্ষণৰ ব্যৱস্থা কৰিছে। প্ৰতিখন জিলাতে মহিলাসকলে মটক জনগোষ্ঠীৰ পৰম্পৰাগত গামোছাৰ লগতে অন্যান্য বস্ত্ৰ তৈয়াৰ কৰিছে। এনেদৰে তৈয়াৰ কৰা বস্ত্ৰসমূহৰ বিক্ৰীৰ ব্যৱস্থা কৰিলে প্ৰতিগৰাকী মহিলাই অৰ্থনৈতিকভাৱে সবল হ'ব বুলি আশা কৰিব পাৰি।

### উজনি অসমৰ ৰাজনৈতিক প্ৰেক্ষাপটত মটক জনগোষ্ঠীঃ

ডিব্ৰুগড় জিলাখনৰ এটি অতি পুৰণি জনগোষ্ঠী হৈছে মটক। অবিভক্ত ডিব্ৰুগড় জিলাত মটকসকলেই আছিল ৰাজনৈতিকভাৱে এটি অতি শক্তিশালী জনগোষ্ঠী। মোৱামৰীয়া বিদ্ৰোহৰ আলমত মটক ৰজা সৰ্বানন্দ সিংহই মটক ৰাজ্য প্ৰতিষ্ঠা কৰিছিল। বিশ্বৰ প্ৰথমটো বৃহৎ গণবিদ্ৰোহ আছিল মোৱামৰীয়া বিদ্ৰোহ। এই বিদ্ৰোহ আৰম্ভ হৈছিল আহোম স্বৰ্গদেউ লক্ষ্মীসিংহৰ দিনত ১৭৬৯ চনৰ ২১ নৱেম্বৰত। প্ৰথমবাৰ বিদ্ৰোহত জয়লাভ কৰি নাহৰ (খুড়া) মটকৰ পুতেক ৰমাকান্তক ৰজা ঘোষণা কৰিছিল। কেইমাহমান ৰাজ্য চলোৱাৰ পাছত পুনৰ ৰমাকান্তৰ ৰাজ্য আহোমৰ হাতলৈ যায়। দ্বিতীয়বাৰ জয়ী হৈ ১৭৮৬ চনত ভৰত সিংহক ৰজা পাতিছিল। ১৭৬৯ চনৰ পৰা দীৰ্ঘদিন ধৰি চলা মোৱামৰীয়া বিদ্ৰোহৰ অন্তত এই বিদ্ৰাহৰ নেতৃত্ব দিয়া মটকৰ অন্যতম নেতা *সৰ্বানন্দই* উজনি খণ্ডত ১৭৮৮ চনত ৰঙাগড়াত ৰাজধানী পাতি মটক ৰাজ্য প্ৰতিষ্ঠা কৰে। ১৭৯১ খ্ৰীষ্টাব্দত বেংমৰা অৰ্থাৎ বৰ্তমানৰ তিনিচুকীয়ালৈ ৰাজধানী স্থানান্তৰিত কৰিছিল। ৰজা হৈ সৰ্বানন্দ সিংহই টাই পৰম্পৰা ৰক্ষা কৰি স্বৰ্গদেউ উপাধি গ্ৰহণ কৰিছিল।

মোৱামৰীয়া বিদ্ৰোহেই আছিল ৰাজতন্ত্ৰৰ বিৰুদ্ধে সাধাৰণ প্ৰজাসকলৰ সৰ্বপ্ৰথম সৰ্বব্যাপী আন্দোলন। এই সৰ্বব্যাপী আন্দোলনৰ ফলস্বৰূপে আহোম ৰাজতন্ত্ৰৰ শিকলি দলিয়াই মায়ামৰীয়া আৰু অনা-মায়ামৰীয়া প্ৰজাৰ নেতৃত্বত ঠায়ে ঠায়ে সৰু সৰু শাসনৰ গোট আৰু ৰাজ্য গঢ়ি উঠে।

মটক ৰাজ্যৰ মুঠ মাটিকালি আছিল ১১,৫২,০০০ একৰ বা ১,৮০০ বৰ্গমাইল। মটক ৰাজ্যৰ জনসংখ্যা প্ৰায় পঞ্চলিছৰ পৰা পঞ্চাশ হেজাৰৰ ভিতৰত আছিল বুলি বিভিন্ন নথিপত্ৰত পোৱা যায়।ৰাজতন্ত্ৰত গণতান্ত্ৰিক শাসন ব্যৱস্থাৰে ৰাজ্য শাসন কৰা স্বৰ্গদেউ সৰ্বানন্দ সিংহই আছিল ভাৰতৰ প্ৰথমজনা স্বৰ্গদেউ। সৰ্বানন্দ সিংহৰ দেহাৱসানৰ পাছত তেখেতৰ বৰপুত্ৰ *মাটিবৰ সেনাপতি* মটক ৰাজ্যৰ ৰজা হয়। মাটিবৰ সেনাপতিৰ পাছত তেখেতৰ পুত্ৰ *ভগীৰথ* ৰজা হয়। তেখেতেই আছিল মটক ৰাজ্যৰ শেষৰগৰাকী ৰজা। উল্লেখযোগ্য যে বেংমৰা মটক ৰাজ্যখন ১৭৮৮ চনৰ পৰা ১৮৪২ চনলৈকে স্বাধীন ৰাজ্য হিচাপে আছিল। বৃটিছ ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ভাৰতবৰ্ষৰ সকলোতকৈ শেষত লোৱা ৰাজ্যখনেই আছিল বেংমৰা মটক ৰাজ্য।

মটক ৰাজ্যৰ ৰাজনৈতিকভাৱে বিচক্ষণ মন্ত্ৰি আছিল গোধা বৰুৱা আৰু জপৰা বৰুৱা আদি। গোধা বৰুৱাৰ নেতৃত্বত কেইবাটাও ঐতিহাসিক পুখুৰী খন্দোৱাইছিল সৰ্বানন্দ সিংহই। সৰ্বানন্দ সিংহৰ বৰ পুত্ৰ মাটিবৰ সেনাপতিৰ দিনৰ এগৰাকী অতি বিচক্ষণ মন্ত্ৰী আছিল জপৰা বৰুৱা। তেখেতে বৃটিছৰ কু-চক্ৰান্তৰ কথা দূৰদৰ্শীভাৱে বুজিব পাৰি বৃটিছৰ লগত হ'বলগীয়া চুক্তিখনত চহী কৰিবলৈ সন্মতি দিয়া নাছিল। তাৰ বাবে তেখেতক বৃটিছ গৱৰ্ণমেন্টে গ্ৰেপ্তাৰ কৰিবলৈ নিৰ্দেশ দিছিল। তেখেতৰ সমাধি আৰু বংশধৰসকল বৰ্তমান ডিব্ৰুগড় জিলাৰ চাবুৱাৰ হাতীআলিৰ ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা ৫ কিলোমিটাৰ ভিতৰৰ বামুণীয়া হিলৈধাৰী গাঁৱত আছে। উল্লেখযোগ্য যে জপৰা বৰুৱাৰ উপৰিপুৰুষ বগা হাজৰিকা আছিল সৰ্বানন্দ সিংহৰ দিনৰ এগৰাকী প্ৰতিপত্তিশীল ব্যক্তি। তেখেতৰ ৭ টাকৈ ধানৰ ভঁৰাল আছিল। মোৱামৰীয়া আৰু মানৰ আক্ৰমণৰ দিনত সৰ্বানন্দ সিংহৰ নিৰ্দেশত তেখেতে বহুসংখ্যক লোকক বহুদিন ধৰি ভৰণ-পোষণ দিছিল। অতি ধাৰ্মিক বগা হাজৰিকাদেৰে এখন শৰাই আগবঢ়াই আশ্ৰয় প্ৰাৰ্থীসকলক স-সন্মানেৰে প্ৰতিদিনে আপ্যায়ন কৰাৰ লগতে থাকিবলৈ সুবিধা কৰি দিছিল। পৰৱৰ্তী সময়ত আশ্ৰয়প্ৰাৰ্থী সকলো মানুহ সেই অঞ্চলতে স্থায়ীভাৱে বসবাস কৰিবলৈ লয়।

বৰ্তমান অৱস্থাতো দেখা যায় যে মটকসকল উজনি অসমৰ এক শক্তিশালী জনগাঁথনি। কেইবাটাও বিধানসভাৰ সমষ্টিত মটকসকলে সংখ্যাগৰিষ্ঠভাৱে বসবাস কৰি আছে। তথাপি ৰাজনৈতিক ভাৱে আজি পৰ্যন্ত সৰ্বভাৰতীয় পৰ্যায়ত মটকসকলে স্থান পোৱা নাই। আনকি অসমৰ প্ৰেক্ষাপটতো ৰাজনৈতিকভাৱে নেতৃত্ব বহন কৰাৰ দিশতো মটক জনগোষ্ঠীৰ সবল ভূমিকা দেখা নাযায়। ভাৰতৰ স্বাধীনতা আন্দোলন, ভাষা আন্দোলন, অসম আন্দোলনত অন্যান্য জনগোষ্ঠীৰ দৰে মটকসকলেও সক্ৰিয় অংশ গ্ৰহণ কৰি শক্তিশালী ভূমিকা গ্ৰহণ কৰিছিল। তথাপি মটকসকলে ৰাজনৈতিকভাৱে বৰ্তমান সময়তো উজনি অসমত বিশেষ অগ্ৰাধিকাৰ পাইছে বুলি ক'ব নোৱাৰি। স্বাধীনোত্তৰ অসমৰ প্ৰথম বিধানসভা গঠন কৰিবলৈ নিৰ্বাচন অনুষ্ঠিত হৈছিল ১৯৫১ চনত।

এই নিৰ্বাচন অনুসৰি ভাৰতীয় জাতীয়  কংগ্ৰেছে সংখ্যাগৰিষ্ঠতা লাভ কৰি বিষ্ণুৰাম মেধিৰ নেতৃত্বত চৰকাৰ গঠন কৰিছিল। উল্লেখযোগ্য যে এই নিৰ্বাচনতেই সেই সময়ৰ ‘তিনিচুকীয়া উত্তৰ’ সমষ্টিক প্ৰতিনিধিত্ব কৰি  ভাৰতীয় জাতীয় কংগ্ৰেছৰ প্ৰাৰ্থী হিচাপে মটক জনগোষ্ঠীৰ প্ৰয়াত ইন্দ্ৰেশ্বৰ খাউণ্ডদেৱ  বিধানসভালৈ নিৰ্বাচিত হৈছিল ।তেখেতে তিনিবাৰকৈ বিধান সভাৰ প্ৰতিনিধি হৈছিল। বিংশ শতিকাৰ ৭০ৰ দশক ত এবাৰ তেখেতে অসমৰ পৰিবহন মন্ত্ৰী হিচাপেও দায়িত্ব পালন কৰিছিল । প্ৰয়াত ইন্দ্ৰেশ্বৰ খাউণ্ডদেৱৰ প্ৰকৃত ঘৰ চাবুৱাত যদিও স্থায়ীভাৱে তেখেত ডিব্ৰুগড়ৰ নালিয়াপুলত বসবাস কৰিছিল। তাৰ পাছত চাবুৱা সমষ্টিৰ পৰা ভৱেন বৰুৱা দুবাৰকৈ বিধানসভালৈ নিৰ্বাচিত হৈছিল আৰু অসম চৰকাৰৰ মন্ত্ৰী হৈছিলগৈ। পৰৱৰ্তী সময়ত লাহোৱাল সমষ্টিৰ পৰা ঋতুপৰ্ণ বৰুৱা, বিনোদ হাজৰিকা, চাবুৱা সমষ্টিৰ পৰা পোনাকণ বৰুৱাকে ধৰি কেইগৰাকীমান মটক জনগোষ্ঠীৰ লোক বিধানসভালৈ নিৰ্বাচিত হৈ জনপ্ৰতিনিধিৰ দায়িত্ব পালন কৰি আছে। পৰিতাপৰ বিষয় যে স্বাধীনতাৰ পাছত মটক জনগোষ্ঠীৰ এজনো আজি পৰ্যন্ত লোকসভা বা ৰাজ্যসভালৈ  সাংসদ হিচাপে নিৰ্বাচন হৈ যাব পৰা নাই। মটকসকলৰ অভাৱ অভিযোগ ৰাষ্ট্ৰীয় প্ৰেক্ষাপটত উত্থাপন কৰিব পৰাকৈ এগৰাকী নেতাইও স্বীকৃতি লাভ কৰা নাই। ফলত কেৱল ৰাজনৈতিকভাৱেই নহয়, সামাজিক-সাংস্কৃতিক দিশৰ ফালৰ পৰাও মটকসকল অতি পাছ পৰি আছে। মটক জনগোষ্ঠীৰ সাধাৰণ জনসাধাৰণৰ ৰাজনৈতিক সচেতনতা অতি কম। পুৰুষৰ তুলনাত এসময়ত মহিলাৰ সচেতনতা একেবাৰে কম আছিল। বৰ্তমান সময়ত অৱশ্যে পুৰুষৰ সমান্তৰালভাৱে মহিলাসকলো ৰাজনৈতিকভাৱে সচেতন হৈছে বুলিব পাৰি।

উজনি অসমৰ বিশেষকৈ তিনিচুকীয়া আৰু ডিব্ৰুগড় জিলাতে সংখ্যাগৰিষ্ঠভাৱে মটকসকলে বসবাস কৰি আছে। মটকসকলৰ বিভিন্ন জনগোষ্ঠী সম্পৰ্কীয় সমস্যাসমূহ দূৰ কৰিবলৈ নিজাববীয়াকৈ কেইবাটাও সংগঠন আছে। ১৯৩৯ চনৰ ২৪ নৱেম্বৰত গঠন হোৱা ‘সদৌ অসম মটক সন্মিলন’,  পৰৱৰ্তী বিভিন্ন সময়ত গঠন হোৱা ‘সদৌ অসম মটক যুৱ ছাত্ৰ সন্মিলন’,  ‘সদৌ অসম মটক মহিলা পৰিষদ’ৰ লগতে ‘সদৌ অসম মটক যুৱ ছাত্ৰ পৰিষদ’ আদি কেবাটাও সংগঠনে সক্ৰিয়ভাৱে কাম কৰি আছে। এই কেউটা সংগঠনৰ উমৈহতীয়া আন্দোলনৰ প্ৰভাৱতে মটকসকলে স্বায়ত্ব শাসনো লাভ কৰিছে যদিও পূৰ্ণাংগ ৰূপত লাভ কৰিবলৈ এতিয়াও বাকী। ত্ৰয়োদশ শতিকাৰ বহু পূৰ্বতে অসমত বসবাস কৰি অহা মটকসকল হৈছে অসমৰ ভূমিপুত্ৰ, খিলঞ্জীয়া বাসিন্দা। দীৰ্ঘদিন ধৰি অসমত বসবাস কৰি থকা মটকসকল শিক্ষা-দীক্ষা, জীৱিকা আদি সকলো দিশৰ পৰা পাছ পৰি থকা এটা জনগোষ্ঠী। তথাপিও জনজাতি হিচাপে স্বীকৃতি লাভ কৰাৰ পৰা মটকসকল বঞ্চিত। মটক সংগঠনবিলাকে জনগোষ্ঠীটোক জনজাতি কৰণৰ বাবে দীৰ্ঘদিন ধৰি আন্দোলন কৰি আহিছে। এই ক্ষেত্ৰত আজি পৰ্যন্ত ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় পৰ্যায়ত মটকসকলে নিজৰ অধিকাৰ সাব্যস্ত কৰাৰ ক্ষেত্ৰত বঞ্চিত হৈ আছে।

**শৈক্ষিক ক্ষেত্ৰত মটকসকল ঃ**

মটক জনগোষ্ঠীৰ অধিক সংখ্যক লোকেই ডিব্ৰুগড় জিলাত বসবাস কৰি আছে। শিক্ষাৰ দিশত মটক জনগোষ্ঠী অতি পাছ পৰা এটি জনগোষ্ঠী। মটক গাঁওবিলাকত ১৯৫৫-৬০ চনলৈকে ছোৱালীবিলাক বিদ্যালয়মুখী হোৱাটো নিয়মত পৰিণত হোৱা নাছিল। অলপ ডাঙৰ হ'লে ছোৱালীবিলাকক হাঁহ কুকুৰা পোহা, তাঁত বোৱা, ৰোৱা-তোলা কৰাকে ধৰি কিছুমান ঘৰুৱা কাম-কাজত ব্যস্ত কৰাই ঘৰৰ চাৰিবেৰৰ মাজতে আৱদ্ধ কৰি ৰাখিব বিচাৰিছিল। আনকি সেই সময়ত ১৬ বছৰমান হ'লেই ছোৱালীবিলাকক বিয়া দিয়াৰ কথাহে ভাবিছিল। পুষ্পিতা হৈ চাৰি-পাঁচ বছৰ ঘৰত থকাৰ পাছত ছোৱালীজনীক এঘৰলৈ উলিয়াই দিয়া হৈছিল। বিংশ শতিকাৰ সত্তৰৰ দশকৰ পৰা সকলো ছোৱালীকে বিদ্যালয়লৈ যাবলৈ দিয়া হৈছিল যদিও  বেছিভাগ ছোৱালীয়েই বিভিন্ন কাৰণত বিদ্যালযৰ শিক্ষা আধাডুখৰীয়াকৈয়ে সামৰিবলগীয়া হৈছিল। মটক সমাজখনত যি কম পৰিমাণৰ ছোৱালীয়ে পঢ়া-শুনা কৰিবলৈ আগবাঢ়ি যায়, সেইসকলৰ ভিতৰত একেবাৰে আঙুলিৰ মূৰত গণিব পৰা সংখ্যক ছোৱালীয়েহে মেট্ৰিকৰ দেওনাখন পাৰ কৰিব পাৰিছিল। ১৯৮০-৯০ৰ দশকলৈকে এনেদৰে ছোৱালীবিলাক শিক্ষা-দীক্ষাৰ ক্ষেত্ৰত অতি পিছ পৰি আছিল। ল'ৰাবিলাকৰো সকলোৱে যে বিদ্যালয়লৈ গৈছিল, এনেও নহয়। কিন্তু বিদ্যালয়লৈ যোৱাত ল'ৰাবিলাকক বাধা দিয়া হোৱা নাছিল। সামগ্ৰিকভাৱে চাবলৈ গ'লে মটক সমাজ অৰ্থনৈতিকভাৱে সবল নোহোৱাৰ বাবে জনগোষ্ঠীটোৰ অধিক সংখ্যক লোকে উচ্চ মাধ্যমিক চূড়ান্ত পৰীক্ষা বা উচ্চতৰ মাধ্যমিক পাছ কৰিয়েই শিক্ষা সমাপ্ত কৰা দেখা যায়। স্নাতক পৰ্যায়লৈ কম সংখ্যক ছাত্ৰ-ছাত্ৰীকহে যোৱা দেখা যায়। স্নাতকোত্তৰ পৰ্যায়লৈ যোৱা ছাত্ৰ-ছাত্ৰীৰ সংখ্যাও তেনেই নগণ্য। কাৰিকৰী দিশত, চিকিৎস্যা বিজ্ঞানৰ ক্ষেত্ৰতো মটক জনগোষ্ঠীৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্য

কম বুলিয়েই ক'ব পাৰি। 'পলাই যোৱা বিবাহ'ক সমাজিকভাৱে স্বীকৃতি দিয়াৰ বাবে কম বয়সতে বিয়া বাৰু কৰি সংসাৰী হোৱাৰ উদাহৰণ সমাজখনত সুলভ। ইতিহাসৰ পাত লুটিয়ালে দেখা যায় যে ডিব্ৰুগড় জিলাৰ প্ৰথম এ. চি. এচ. বিষয়া হৈছে প্ৰয়াত নিৰোদ গোঁহাইদেৱ। তেখেতেই মটক জনগোষ্ঠীৰো প্ৰথমগৰাকী কাৰ্যবাহী দণ্ডাধীশ। চিকিৎসাৰ ক্ষেত্ৰত ডাঃ শৰৎ চন্দ্ৰ গোঁহাই, ডাঃ বিজয় গগৈ, ডাঃ হৰিচন্দ্ৰ বৰুৱা আদিৰ নাম ল'ব পাৰি। শৰৎ চন্দ্ৰ গোঁহাইৰ নেতৃত্বতে ডিব্ৰুগড়ত জি. এম. আৰু জি. এম. আৰ. নামেৰে দুখন হস্পিতেল গঢ় লৈ উঠিছিল। স্বাধীনোত্তৰ কালত বিংশ শতিকাৰ সত্তৰৰ দশকৰ পৰাহে মটক জনগোষ্ঠীৰ লোকসকলৰ মাজত শিক্ষা-দীক্ষাৰ প্ৰতি কিছু সজাগতা আহিছিল। তথাপি সেই সজাগতা আন কোনো কোনো জনগোষ্ঠীৰ লগত ফেৰ মাৰিব পৰাবিধৰ নাছিল। আজিৰ সময়তো জনগোষ্ঠীটোৰ ৭০ বছৰৰ উৰ্ধৰ একাংশ লোক সম্পূৰ্ণৰূপে নিৰক্ষৰ বুলি ক'ব পাৰি। বৰ্তমান সময়ত মটক জনগোষ্ঠীৰ শৈক্ষিক দিশত পূৰ্বতকৈ কিছু উন্নতি হৈছে। জনগোষ্ঠীটোৰ নতুন প্ৰজন্মৰ মাজত শিক্ষাৰ প্ৰয়োজনীয়তাৰ সচেতনতা বৃদ্ধি পোৱাটোও নিতান্তই সুখবৰ।

**সামৰণি ঃ**

'মটক জনগোষ্ঠীঃ ডিব্ৰুগড় জিলাৰ এটি সমীক্ষা' শীৰ্ষক লেখাটিত যিখিনি কথাৰে বিষয়টি আলোচনা কৰা হৈছে, সেইখিনি ক্ষেত্ৰভিত্তিক অধ্যয়নৰ আধাৰত তথ্য সহকাৰে উপস্থাপন কৰা হৈছে। অৱশ্যে অধ্যয়নৰ সময় অত্যন্ত কম হোৱাৰ বাবে বহুকেইটা দিশৰ বিভিন্ন তথ্য সংগ্ৰহ কৰিব পৰা নগ'ল। বিষয়টিৰ প্ৰতি সুবিচাৰ কৰি শেষত সামগ্ৰিকভাৱে এটা কথা ক'ব পাৰি যে ডিব্ৰুগড়ৰ উন্নয়নত মটকসকলৰ যে বহুখিনি অৱদান আছে, সেই কথাৰ গুৰুত্ব কোনেও নুই কৰিব নোৱাৰে।

---

**সহায়ক গ্ৰন্থঃ**

১) মটক সমাজ আৰু সংস্কৃতিঃ ড° কৰবী বৰুৱা গগৈ, সম্প্ৰীতি প্ৰকাশন, ডিব্ৰুগড়।

২) ফুখাও চামৰা মটকঃ ড° কৰবী বৰুৱা গগৈ, সম্প্ৰীতি প্ৰকাশন, ডিব্ৰুগড়।

●●●

# ডিব্ৰুগড়ৰ নাট্য চৰ্চা

**মুনীন শৰ্মা**

## ।প্ৰাক্ কথন।।

ডিব্ৰুগড় চহৰখনৰ এক চহকী সাংস্কৃতিক ঐতিহ্য আছে। বৃটিছ যুগত অসমৰ বিভিন্ন ঠাইত —প্ৰশাসনিক আৰু বাণিজ্যিক প্ৰয়োজনত—যি নগৰায়নৰ সূচনা হৈছিল তাৰ লগত সংগতি ৰাখি আধুনিক আৰু বহুভাষিক সংস্কৃতিৰ বীজ ৰোপিত হৈছিল সৰু সৰু চহৰবোৰত। এই প্ৰক্ৰিয়াৰ আভাস ডিব্ৰুগড়ৰ নাট্য ঐতিহ্যত দেখা পাওঁ। আজি চহৰখনৰ বিভিন্ন মঞ্চত ন-পুৰণি নাট্যদলে কৰা যিবোৰ নাট্যকৰ্ম প্ৰত্যক্ষ কৰোঁ, তাৰ মূল শিপাডাল বিচাৰি গ'লে আমি এই নাট্য ঐতিহ্যৰ প্ৰতি চকু দিব লাগিব। অতি আনন্দ আৰু আশাৰ কথা যে উক্ত ঐতিহ্যৰ নিৰ্মাণত আগভাগ লোৱা দুটা অনুষ্ঠান আজিও সগৰ্বে জীয়াই আছে। কেৱল জীয়াই থকাই নহয়, ইলেকট্ৰনিক মিডিয়াই কঢ়িয়াই অনা সাংস্কৃতিক প্ৰদূষণৰ দিনতো দীৰ্ঘজীৱী নাট্যানুষ্ঠান দুটাই নিজৰ সাধ্যানুসাৰে চহৰখনৰ পুৰণি পৰম্পৰা ৰক্ষা কৰিবলৈ যত্ন কৰিছে।

আজিৰ সাংস্কৃতিক কৰ্মীয়ে চহৰখনৰ নাট্য অতীতৰ সম্ভেদ পালে নতুন প্ৰেৰণা— হয়তো কিছু দিক নিৰ্দেশনাও পাব। এই আশা বুকুত বান্ধিয়েই আমি প্ৰৱন্ধটো যুগুত কৰিবলৈ আগবাঢ়িছোঁ।

### শতবৰ্ষ গৰকা দুটা নাট্যানুষ্ঠানৰ চমু ইতিবৃত্ত ঃ

পুৰণি ডিব্ৰুগড়ত অসমীয়া নাটকৰ মঞ্চায়নৰ কথা ভাবিলেই চকুৰ আগত বাহি উঠে এচাম সংস্কৃতিপ্ৰেমী মানুহৰ নিৰলস প্ৰচেষ্টাৰ ছবিখন। বাধা বিঘিনি থাকিলেও আজি নাটক এখন মঞ্চস্থ কৰাটো সিমান টান কাম নহয়। শতাধিক বছৰ পূৰ্বে অৱস্থা কিন্তু একেবাৰে বেলেগ আছিল। তেতিয়া নাটক এখন কৰিবলৈ লোৱাটোৱেই আছিল এক ধৰণৰ দুঃসাহসমূলক কাম। ঊনৈশ শতিকাৰ শেষ পাদত আধা-গাঁও, আধা-চহৰৰ ৰূপ লোৱা ডিব্ৰুগড়ত কিন্তু এমুঠি দৃঢ়মনা মানুহে এনে দুঃসাহসৰেই পৰিচয় দিছিল। প্ৰত্যাহ্বানৰ মুখামুখি হৈ নাট্য পৰম্পৰাৰ সূচনা কৰা এই মানুহচামৰ কথা শ্ৰদ্ধেয় অতুলচন্দ্ৰ হাজৰিকাদেৱে এইদৰে লিখিছে ঃ

"আজিৰ পৰা প্ৰায় এশ বছৰৰ পূৰ্বে ডিবুৰু নগৰীত স্থাপিত হোৱা অসমীয়া নাট্যশালাৰ ইতিহাস হৈছে ঘাত-প্ৰতিঘাতৰ অগ্নি পৰীক্ষাত উত্তীৰ্ণ হোৱা অসমীয়া সংস্কৃতিৰ ইতিহাসৰ এটি অধ্যায়। ইংৰাজী শিক্ষাৰ পোহৰ পোৱাৰ পিছত ইয়াত প্ৰগতিশীল নাগৰিকসকলৰ মনত য়ুৰোপীয় নাট্যাদৰ্শত অভিনয় কৰাৰ হেঁপাহ ওপজে।

১৮৭২ চনতঁ ভৱকান্ত বৰুৱা আৰু ৰাধানাথ চাংকাকতিয়ে সেই বিষয়ে তৎপৰতা দেখুৱায়। কলিকতা থিয়েটাৰৰ আঁতিগুৰি পোৱা বঙালী বন্ধুবিলাকৰ পৰামৰ্শমতে তেওঁলোকে বঙলা ভাষাতে 'প্ৰ াদ চৰিত্ৰ'ৰ অভিনয় কৰি ডিব্ৰুগড়ত আধুনিক নাট্যমঞ্চৰ বীজ ৰোপণ কৰিছিল। অসমীয়া আৰু বঙালী উভয় সম্প্ৰদায়ৰ লোকে সেই অভিনয়ত ভাগ লৈছিল। গুণাভিৰাম বৰুৱা ডাঙৰীয়াও অভিনয়ৰ বিশিষ্ট দৰ্শক আছিল। তেওঁ সেই সময়তে অসমীয়া বন্ধুসকলৰ লগত অংকীয়া নাটৰ ভাওনা, অসমীয়া ভাষাত নাটৰ অভিনয় কৰাৰ কথা আলোচনা কৰিছিল। দুৰ্গাপূজাৰ উপলক্ষত তেতিয়া অভিনয় পতা হৈছিল। সমূহ ৰাইজৰ চেষ্টাত পাঁচ আলিত থকা পূজাঘৰ আৰু বঙালী এমেছাৰ থিয়েটাৰৰ ভেটি এইদৰেই স্থাপন হয়। 'প্ৰ াদ চৰিত্ৰ'ৰ অভিনয়ে আধুনিক নাটৰ প্ৰতি মানুহৰ মন ঢাল খুৱালে।ঁ পূৰ্ণকান্ত দেৱশৰ্মাই ১৮৭২ চনতে 'মধুমালতী' নামৰ নাট এখন লিখিছিল। পিছে তেওঁ নাট লিখি যেনিবা কোদোৰ

*লেখক এগৰাকী বিশিষ্ট নাট্যকাৰ তথা ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক।*

বাহতহে জুই দিলে। এজন মান্যৱন্ত ডাঙৰীয়াৰ হাতত সেই নাটখন পৰিলগৈ। ডাঙৰীয়াই নাট লিখাৰ বাবে লিখকক তীব্ৰ তিৰস্কাৰ কৰিলে আৰু লিখকেও নাটখনিব অগ্নিসংস্কাৰ কৰিহে সেই যাত্ৰালৈ উদ্ধাৰ পালে।”

জনসংখ্যা বৃদ্ধি হোৱাৰ লগে লগে ডিবুৰুবাসীয়ে ভাষা-সম্প্ৰদায় অনুযায়ী একোটা চুবুৰী পাতি লয়। পুৰণি থিয়েটাৰ ঘৰটো এইদৰে বঙালী প্ৰধান অঞ্চলত পৰে। সেইবাবে অসমীয়া লোকসকলেও সুকীয়া নাটশাল পাতিবলৈ ল’লে।

তাৰেই ফলস্বৰূপে বৰ্তমান চৰকাৰী ছোৱালী হাইস্কুল থকা ঠাইত খেৰ বাঁহেৰে সজা নাট্যমন্দিৰ এটা হৈ উঠিল। নতুন নাট্যমন্দিৰ স্থাপনৰ আগতে বৰ্তমানে থকা ঠাইতে ঘনশ্যাম খাৰঘৰীয়া ফুকন আৰু ফণীধৰ চলিহা ডাঙৰীয়াৰ যত্নত খেৰ বাঁহেৰে এটা পূজাঘৰো সজা হৈছিল। এই কাৰ্যই এখন অসমীয়া মৌলিক নাটৰ অভিনয় কৰিবলৈ উদগনি দিয়ে। ১৮৮৫ চনত পুনৰ পূৰ্ণকান্ত শৰ্মাক এখনি নাট লিখি দিবলৈ ৰাইজৰ ফলাৰ পৰা অনুৰোধ জনোৱা হ’ল। পিছে প্ৰথম বাৰৰ তিতা কেঁহা অভিজ্ঞতাৰ পৰা তেওঁ সেই কাম কৰিবলৈ গাত নল’লে। অৱশ্যে ‘জনৈক জ্ঞানী’ বুলি নাম দি আন এজনে ‘অভিমন্যু বধ’ নামৰ নাট এখন লিখি দিয়ে আৰু সেই নাটৰ অভিনয় কৰা হয়। পিছত জনা যায় যে সেইজন আছিল ঁভাৰত চন্দ্ৰ দাস, ই.এ.চি.। এই ‘অভিমন্যু বধ’ৰ অভিনয়ৰ বিষয়ে বেণুধৰ ৰাজখোৱা ডাঙৰীয়াই ভাষণ প্ৰসংগত কৈছিল —“মই তেতিয়া হাইস্কুলত পঢ়িছিলো— ১৮৮৮ চন। দুৰ্গাপূজাৰ লগতে ‘অভিমন্যু বধ’ থিয়েটাৰ হৈছিল। অভিমন্যুৰ ভাও লৈছিল মণিৰাম দেৱানৰ নাতি ভৰকান্ত দুৱৰাই। তেওঁ পাঠখিনি নকল কৰাই আনি তাৰ পিছত নিজে হাত ফুৰাই লৈ এনে সুন্দৰকৈ অভিনয় কৰিছিল যে যেতিয়া সপ্তৰথীয়ে বেঢ়ি দৰি তেওঁক সাংঘাতিক আক্ৰমণ কৰিলে তেতিয়া তেওঁ যি বিলাপ কৰিলে সেই বিলাপত সৰু ল’ৰাবিলাকে কান্দি কোঢ়াল কৰিবলৈ ধৰিলে। যি এইদৰে দৰ্শকক হুঁহুৱাৰ আৰু কন্দুৱাব পাৰে তেৱেঁইহে প্ৰকৃত অভিনেতা। শিৱসাগৰত আমি যি অভিনয় কৰিছিলো তাতো সীতাৰ পাতাল প্ৰৱেশৰ আগতে যিবিলাক কৰুণ কাহিনী বৰ্ণনা কৰিছিল তাৰ দ্বাৰা হৃদয় দ্ৰৱীভূত হৈছিল।”

অতুলচন্দ্ৰ হাজৰিকাদেৱে ‘মঞ্চলেখা’ৰ পৰা উদ্ধৃত এই অংশটিত অৱশ্যে ‘অভিমন্যু বধ’ৰ আগৰ পৰ্বৰ কেতবোৰ কথাৰ উল্লেখ পোৱা নাযায়। এই সম্পৰ্কে আমি কিছু তথ্যৰ সন্ধেদ পাওঁ ডিব্ৰুগড়ৰ ‘ইণ্ডিয়া ক্লাৱ এণ্ড থিয়ট্ৰিকেল ইন্সটিটিউশ্যন’ৰ এগৰাকী জ্যেষ্ঠ সদস্য তথা সু-অভিনেতা শ্ৰী সৌমিত্ৰ কুমাৰ সেনে প্ৰস্তুত কৰি উলিওৱা এটি নাতিদীৰ্ঘ নিৱন্ধত। নিৱন্ধটি অৱশ্যে এতিয়াও হাতে লিখা অৱস্থাতে আছে আৰু লিখা হৈছে ইংৰাজী ভাষাত। ‘বিজয় সংঘ’ৰ অনুৰোধৰ প্ৰতি সঁহাৰি জনাই তেখেতে নিৱন্ধটি আমাৰ স্মৃতিগ্ৰন্থৰ বাবে ব্যৱহাৰৰ অনুমতি দিয়ে। তেখেতৰ পৰামৰ্শ অনুসৰিয়েই তলত নিৱন্ধটিৰ কিয়দংশৰ সাৰাংশ অসমীয়ালৈ তৰ্জমা কৰি দিয়া হৈছে।

“ঊনবিংশ শতিকাৰ শেষৰ দুটি দশক পৰ্যন্ত ডিব্ৰুগড়ত বিশেষভাৱে উল্লেখযোগ্য কোনো সাংস্কৃতিক অনুষ্ঠান গঢ় লৈ উঠা নাছিল যদিও ইয়াত এক সুন্দৰ সাংস্কৃতিক পৰিৱেশ বিৰাজমান আছিল। সাংস্কৃতিক সমভাৱাপন্ন কিছুলোকে নিয়মিতভাৱে তেওঁলোকৰ সংগীত চৰ্চা অব্যাহত ৰাখিছিল। ১৮৮০-৮১ চনত এ.আৰ.টি কোম্পানীৰ চাহাবসকলে তেওঁলোকৰ কোম্পানীৰ চাকৰিত মকৰল কৰিবলৈ বংগদেশৰ পৰা কিছু বাঙালী লোকক ডিব্ৰুগড়লৈ আনে আৰু সেইসকল লোকে ডিব্ৰুগড়ৰ স্থানীয় বাসিন্দাসকলৰ লগত মিলিজুলি দুৰ্গাপূজা, কালীপূজা ইত্যাদি পাতিবলৈ আৰম্ভ কৰে। মাধৱ চন্দ্ৰ ৰাজখোৱা নামৰ এগৰাকী অসমীয় লোকে পাঁচ আলি অঞ্চলত থকা তেওঁৰ মাটি এটুকুৰা (বৰ্তমান যি স্থানত Little Palace নামৰ হোটেলখন বিৰাজমান)। এটি নাটঘৰৰ বাবে দান কৰে আৰু ইয়াৰ ফলশ্ৰুতিত তৎকালেই অৰ্থাৎ ১৮৮২ চনতে (অতুলচন্দ্ৰ হাজৰিকাৰ মতে ১৮৭২ চনত), ডিবুৰু চহৰৰ প্ৰথমখনি আধুনিক মঞ্চনাট ‘প্ৰ াদ চৰিত্ৰ’ ই মঞ্চত আৰোহণ কৰে। ১৮৮৮ চনত কেইগৰাকীমান সংস্কৃতিবান লোকৰ প্ৰচেষ্টাত উপৰোক্ত মাটিডোখৰতে গঢ় লৈ উঠে এটি নাট্যানুষ্ঠান যাৰ নাম ৰখা হৈছিল DIBRUGARH AMATEUR THEATRICAL INSTITUTION। এই কথা অৱশ্যেই সহজে অনুমেয় যে উক্ত নাটঘৰটিৰ মঞ্চ আক প্ৰেক্ষাগৃহ বাঁহ-কাঠ আৰু খেৰৰ চাউনীৰে নিৰ্মিত হৈছিল। পৰৱৰ্তী কালত বিলাসচন্দ্ৰ প্ৰামাণিক সম্পাদক হৈ থকা কালছোৱাত নাটঘৰটিৰ চালত টিনপাত লগোৱা হয়। সেইকালৰ ডিব্ৰুগড়ৰ এগৰাকী প্ৰখ্যাত চিকিৎসাবিদ তথা সমাজকৰ্মী ফণী ঘোষৰ আন্তৰিক প্ৰচেষ্টাত নাট-ভৱনটিৰ বাবে পুঁজি সংগ্ৰহৰ আয়োজন কৰা হয় আৰু সংগৃহীত পুঁজিৰ ধনেৰে ৰে’লৰে ইঞ্জিনীয়াৰ সৰোজ ঘোষৰ তত্বাৱধানত মেট্ৰ আৰ্হিৰ পকীমঞ্চ আৰু প্ৰেক্ষাগৃহ নিৰ্মাণ কৰি উলিওৱা হয়। ১৯০৮ চনত ‘ইণ্ডিয়া ক্লাব’ নামৰ অনুষ্ঠানটিয়ে প্ৰতিষ্ঠা লাভ কৰে আৰু ইয়াত বিজুলী সংযোগৰ ব্যৱস্থা হয় ১৯৩৩ চনত।

পিছে দ্বিতীয় মহাযুদ্ধই অনুষ্ঠানলৈ দুৰ্যোগ নমাই আনে। ব্ৰহ্মদেশৰ পৰা প্ৰব্ৰজন হোৱা শৰণাৰ্থীৰে ডিব্ৰুগড় চহৰখন ভৰি পৰাত সেইসকলক আশ্ৰয় দিয়াৰ বাবে চৰকাৰে উক্ত দুয়োটা অনুষ্ঠানকেই অধিগ্ৰহণ কৰে। ‘ইণ্ডিয়া ক্লাব’টো লোৱা হৈছিল আমেৰিকান সৈন্যৰ বাবে আৰু ‘এমেচাৰ থিয়েটাৰ হলটো’ লোৱা হৈছিল শৰণাৰ্থীসকলৰ বাবে। এই অধিগ্ৰহণৰ ফলত এই দুয়োটা

অনুষ্ঠানৰ বহু মূল্যবান আচবাব ধ্বংসপ্ৰাপ্ত হয়। আৰ্থিকভাৱে জুৰুলা হৈ পৰা অনুষ্ঠান দুটিৰ বাবে এইবোৰৰ পুনৰ নিৰ্মাণ প্ৰায় অসম্ভৱ হৈ পৰিছিল। ফলত সদস্যসকল মানসিকভাৱে ভাঙি পৰে আক তেওঁলোকৰ আগৰ সেই কৰ্মোদ্যমো নোহোৱা হ'বলৈ আৰম্ভ হয়। এনে পৰিপ্ৰেক্ষিতত কৰ্তৃপক্ষই আশুতোষ দাসগুপ্তক চৰ্তসাপেক্ষে ঘৰটো চিনেমা হলৰ বাবে ভাড়াত দিয়ে, যি চৰ্ত অনুসৰি ক্লাব কৰ্তৃপক্ষইও প্ৰয়োজনবোধে নাটক মঞ্চস্থ কৰাৰ অধিকাৰ হাতত ৰাখিব পাৰে।

১৯৫১ চনত 'ডিব্ৰুগড় এমেচাৰ থিয়ট্ৰিকেল ইন্সটিটিউশ্যন' আৰু 'ইণ্ডিয়া ক্লাব'ক একত্ৰিত কৰাৰ বাবে অহৰহ প্ৰচেষ্টা চলিলেও ই সম্ভৱ হৈ উঠা নাছিল। অৱশেষত ১৯৫৩ চনৰ ২৩ আগষ্ট তাৰিখে দ্বিতীয় বাৰৰ বাবে সুৰেন্দ্ৰনাথ ঘোষৰ সভাপতিত্বত এখনি সভা অনুষ্ঠিত হয় আৰু তাতেই দুয়োপক্ষৰ মত বিৰোধৰ ওৰ পেলাই দুয়োটি অনুষ্ঠান একত্ৰিত হৈ 'ইণ্ডিয়া ক্লাব এণ্ড থিয়ট্ৰিকেল ইন্সটিটিউশ্যন' নামেৰে নামাংকিত হয়। এই অনুষ্ঠানটিৰ প্ৰতিষ্ঠাপক সভাপতি আৰু সম্পাদক আছিল যথাক্ৰমে ডাঃ ফণীন্দ্ৰনাথ ঘোষ আৰু অনাদিভূষণ ৰায়।

ডিব্ৰুগড় এমেচাৰ থিয়ট্ৰিকেল ইন্সটিটিশ্যনে ইয়াৰ প্ৰথমছোৱাত মাথোন পৌৰাণিক নাটকহে মঞ্চস্থ কৰিছিল। কাৰণ তেওঁলোকে কিনি অনা সাজ পোছাকবোৰ তেনেধৰণৰ নাটকৰ বাবেহে উপযুক্ত আছিল। যুগৰ পৰিৱৰ্তনৰ লগে লগে তেওঁলোকে ঐতিহাসিক আৰু সামাজিক নাট মঞ্চস্থ কৰিবলৈ আৰম্ভ কৰে। অস্তিত্বৰ শতাধিক বছৰৰ এই কালছোৱাত 'ইণ্ডিয়া ক্লাবে' ভালেকেইজন মঞ্চশিল্পীক ৰাইজৰ মাজলৈ উলিয়াই দিছে। মহান নাট্যকাৰ অভিনেতা উৎপল দত্তৰ লিট্‌ল থিয়েটাৰ গ্ৰুপে এই মঞ্চত নাট পৰিৱেশন কৰি প্ৰেক্ষাগৃহটিৰ ভূয়সী প্ৰশংসা কৰি গৈছে।

দুটা সাংস্কৃতিক অনুষ্ঠান একত্ৰিত হৈ এটা দীৰ্ঘজীৱি নাট্যানুষ্ঠানৰ জন্ম দিয়াৰ প্ৰক্ৰিয়াটো আমোলাপট্টি নাট্য মন্দিৰৰ ক্ষেত্ৰতো লক্ষ্যণীয়। ভাওনা সংস্কৃতিত অভ্যস্ত তৎকালীন অসমীয়া সমাজেও তেতিয়া স্বাভাৱিকতে পৌৰাণিক নাটৰ মঞ্চায়নকেই সময়োপযোগী বুলি মানি লৈছিল। অতুল চন্দ্ৰ হাজৰিকাদেৱে উল্লেখ কৰা পূৰ্ণকান্ত দেৱশৰ্মাৰ 'মধু মালতী' নাটখনিৰ বিড়ম্বনাৰ বাবে নিশ্চয় তৎকালীন অসমৰ সামাজিক-সাংস্কৃতিক অৱস্থানেই দায়ী। সি যি কি নহওক, পৌৰাণিক ঐতিহাসিক- সামাজিক -- পৰ্যায়ক্ৰমে এই তিনি তৰপীয়া নাট মঞ্চায়নৰ ধাৰা আমোলাপট্টি নাট্য মন্দিৰৰ ক্ষেত্ৰতো দৃষ্ট হয়। একেদৰেই দৃষ্ট হয়, পুৰণি নাট্যানুষ্ঠানটিৰ বুকুতে নতুন নামকৰণেৰে এটি স্বতন্ত্ৰৰীয়া অনুষ্ঠান গঢ়ি তোলাৰ প্ৰৱণতা। ১৯৫১ চনত 'ডিব্ৰুগড় এমেচাৰ থিয়ট্ৰিকেল ইন্সটিটিউশ্যন' আৰু 'ইণ্ডিয়া ক্লাৱ' পৰস্পৰে পৰস্পৰৰ বুকুত বিলীন হোৱাৰ দৰে 'আমোলাপট্টি নাট্যমন্দিৰ' আৰু নৱগঠিত 'ডিব্ৰুগড় আৰ্ট প্লেয়াৰ্ছ চচাইটি' নামৰ অনুষ্ঠানটো এটা সময়ত একাকাৰ হৈ যায়। ১৯৪৪ চনৰ পৰাই আমোলাপট্টি নাট্য মন্দিৰৰ কাম কাজ নৱগঠিত চ'চাইটিৰ যোগেদি হৈছিল। কিন্তু এই দায়িত্ব আনুষ্ঠানিকভাৱে অৰ্পণ কৰা হোৱা নাছিল বাবে কাৰ্যক্ষেত্ৰত কিছু বেমেজালিৰ সৃষ্টি হৈছিল। এই আসোঁৱাহ দূৰ কৰিবৰ বাবে মূল 'এমেচাৰ নাট্য মন্দিৰ' আৰু 'ডিব্ৰুগড় আৰ্ট প্লেয়াৰ্ছ চচাইটি'ৰ সভ্যসকলৰ শ্ৰী প্ৰসন্ন কুমাৰ বৰুৱাৰ সভাপতিত্বত বহা এখন যুটীয়া সভাত নাট মন্দিৰৰ সকলো ভাৰ আইনতঃভাৱে 'আৰ্ট প্লেয়াৰ্চ চ'চাইটি'ক অৰ্পণ কৰি অনুষ্ঠানৰ সকলো কাম ডেকাসকলক সম্পন্ন কৰিবলৈ সকলো ক্ষমতা দিয়া হয়।" (লক্ষ্মীকান্ত দত্ত-শাৰঙ্গধৰ ৰাজখোৱা সংকলিত, ডিব্ৰুগড় আমোলাপট্টি এমেচাৰ নাট্য মন্দিৰৰ চমু ইতিহাস, পৃঃ ১৮-১৯)

অতুলচন্দ্ৰ হাজৰিকাৰ 'মঞ্চলেখা'ত ডিব্ৰুগড় আৰ্ট প্লেয়াৰ্চ চ'চাইটিৰ জন্ম পৰ্বৰ বিষয়ে কিছু লাগতিয়াল তথ্য আছে। এই তথ্যবোৰৰ পৰা আমি উমান পাব পাৰোঁ কেনেকৈ মহাযুদ্ধৰ প্ৰভাৱত আমাৰ সাংস্কৃতিক জীৱন বিকল হৈ পৰিছিল আৰু কিমান আন্তৰিক দৃঢ়তাৰে সাংস্কৃতিক পুনৰুজ্জীৱনৰ কাৰণে তৎপৰ হৈছিল আমাৰ অগ্ৰজসকল। 'মঞ্চলেখা'ত আমি পঢ়িবলৈ পাওঁ ঃ "১৯৩৯ চনত আৰম্ভ হোৱা দ্বিতীয় মহাসমৰ ১৯৪১ চনৰ ডিচেম্বৰ মাহত বিশ্বযুদ্ধত পৰিণত হ'ল। মিলিটেৰীৰ আগমন আৰু সমৰসজ্জাই মানুহৰ সামাজিক জীৱনৰ তোলপাৰ ঘটালে। সাংস্কৃতিক জীৱনৰ ভেঁটি কঁপালে। তাৰ ফলস্বৰূপে ডিব্ৰুগড়ৰ নাট্যমন্দিৰৰ দুৱাৰ অনিৰ্দিষ্ট কালৰ বাবে জাপ গৈ ঠিকাদাৰৰ বেতৰ গুদামত পৰিণত হ'ল। মহাযুদ্ধৰ হেঁচা এই প্ৰান্তত বেছিকৈ পৰি মানুহৰ জীৱনক নিয়ন্ত্ৰণ কৰিছিল। অন্ধকাৰ হৈ পৰি থকা নাট্যমন্দিৰৰ দুৰৱস্থা দেখি ডেকাসকলৰ মন বিশেষভাৱে ব্যথিত হয়। তাৰ ফলস্বৰূপে ১৯৪৪ চনৰ ৮ জুলাই তাৰিখে শ্ৰী জগতচন্দ্ৰ দাসে আহ্বান কৰা সভা এখনত উপস্থিত থকা ২৮ জন সদস্য লগ লাগি ডিব্ৰুগড় আৰ্ট প্লেয়াৰ্চ চ'ছাইটি' নামেৰে এক সাংস্কৃতিক সমাজ গঠন কৰে। ইয়াৰ পোনপ্ৰথম কাৰ্যনিৰ্বাহক সভাৰ সভাপতি আৰু যুটীয়া সম্পাদক নিৰ্বাচিত হয় ক্ৰমে ৰবীন্দ্ৰকুমাৰ বৰুৱা, যুগলচন্দ্ৰ শৰ্মা আৰু নৃপেন্দ্ৰ কুমাৰ বৰুৱা। ১৯৪৪ চনৰ ছেপ্টেম্বৰত ইয়াৰ সভ্য সংখ্যা হয়গৈ ৭০ জন। ১৯৪৪ চনৰ ১৭ আগষ্টত বহা সাধাৰণ সভাত এই সমাজৰ নিয়মাৱলী গৃহীত হয়। প্ৰথম সভাতেই নাটঘৰৰ ভিতৰৰ পৰা বেত আদি গুচাই নিয়মিতভাৱে সান্ধ্য ক্লাৱ চলোৱাৰ মনস্থ কৰা হয়। ঠাহ খোৱা গুদামৰ কিছু ঠাই মুকলি কৰি নিতান্ত প্ৰয়োজনীয় চকী মেজ লৈ সভ্যসকলে গোট খাই সান্ধ্য ক্লাব চলাবলৈ ধৰিলে। এই সময়তে প্ৰস্তাৱিত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৰ্থে লোকপ্ৰিয়

গোপীনাথ বৰদলৈয়ে পুঁজি সংগ্ৰহৰ উদ্দেশ্য গোটেই অসম ভ্ৰমণ কৰে। (নাট) এখনি অভিনয়ক কৰি বিশ্ববিদ্যালয়ৰ পুঁজিলৈ দান আগবঢ়াবলৈ সভ্যসকলে মন মেলিলে। পাছে বহু বছৰ ব্যৱহাৰ নোহোৱাৰ বাবে আৰু মেৰামতিৰ অভাৱত জৰাজীৰ্ণ হৈ পৰা নাট্যমন্দিৰত অভিনয় কৰাটো সহজ কথা নাছিল। সভ্যসকলে সজ উদ্দেশ্য সাধিবৰ বাবে কৃতসঙ্কল্প হৈ নিজেই আৱৰ্জনা আঁতৰাই নাট্যমন্দিৰটো মেৰামতি কৰি অস্থায়ীভাৱে অভিনয়ৰ উপযোগী কৰি তুলিলে আৰু তেওঁলোকে ১৯৪৫ চনৰ ১৯ মে'ৰ নিশা ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদৰ হাতে লিখা 'ৰূপালীম' নাটক সফলতাৰে মঞ্চত তুলিলে। সেই অভিনয়ত সংগৃহীত হোৱা সমুদায় ধন ২১৩৫ টকা গুৱাহাটী বিশ্ববিদ্যালয় পুঁজিলৈ দান কৰা হ'ল। তেতিয়াৰ পৰা দুৰ্গাপূজা আৰু এই চহৰত বহা নানা সভা আদিক উপলক্ষ কৰি নিয়মিতভাৱে অভিনয় হ'বলৈ ধৰিলে।"

পৰৱৰ্তীকালত ১৯৭৪ আৰু ১৯৭৫ চনত নাট্যমন্দিৰে (অথবা ডিব্ৰুগড় আৰ্ট প্লেয়াৰ্চে) Moliere ৰ The Would Be Gentlement' ৰ মুনীন শৰ্মাকৃত অসমীয়ানুবাদ 'ম'ৰাছালি দুবাৰকৈ মঞ্চস্থ কৰি উল্লেখযোগ্য সফলতা লাভ কৰে। তাৰ পিছত পুনৰ দীৰ্ঘ বিৰতিৰ অন্তত (১৯৯৭ চনত) স্থানীয় জয়শ্ৰী সংঘৰ সহযোগত মঞ্চস্থ কৰে নাট্যকাৰ পৰিচালক দেউতি বৰুৱাৰ 'কেপ্টেইন গগৈ'। শেহতীয়াভাৱে জ্যোতিপ্ৰসাদৰ জন্ম শতবাৰ্ষিকীৰ স'তে সংগতি ৰাখি স্থানীয় বিজয় সংঘৰ সহযোগত চাৰিটা নিশাৰ বাবে মঞ্চস্থ কৰে জ্যোতিপ্ৰসাদৰ 'লভিতা' নাট। উল্লেখযোগ্য যে এই আমোলাপট্টি নাট্যমন্দিৰৰ মঞ্চতেই ১৯৪৭ চনত এই 'লভিতা' নাটখনি মঞ্চস্থ হৈছিল স্বয়ং জ্যোতিপ্ৰসাদৰ তত্বাৱধানত।

**২০ শতিকাৰ দ্বিতীয়াৰ্ধৰ কেইটামান নাট্যানুষ্ঠান**

মহাযুদ্ধই সমাজ-জীৱনত সৃষ্টি কৰা বিপৰ্যয়-বেমেজালিৰ অন্ত পৰাৰ পিছত আমাৰ মানুহে পুনৰ সংস্কৃতি চৰ্চাৰ ফালে মন দিলে। ইপিনে ভাৰতৰ ৰাজনৈতিক মঞ্চৰ পৰা সাম্ৰাজ্যবাদী বৃটিছ শক্তিয়ে বিদায় লোৱাৰ ফলত মানুহৰ মনত অভূতপূৰ্ব উৎসাহ-উদ্দীপনাৰ সৃষ্টি হ'ল। শিল্প-সংস্কৃতিৰ বিভিন্ন দিশক সমৃদ্ধ কৰি জাতীয় জীৱনক সমুন্নত কৰাৰ আদৰ্শই বহুতকেই অনুপ্ৰাণিত কৰিব লৈ ধৰিলে। সমান্তৰালভাৱে 'ভাৰতীয় গণনাট্য সংঘ'ৰ সাংস্কৃতিক চিন্তা তথা কৰ্মৰাজিয়ো একাংশ শিল্পীক গণমুখী ভাৱধাৰাৰ প্ৰতি আকৃষ্ট কৰিলে। এনে এক আশাব্যঞ্জক পৰিস্থিতিত ন-ন আঁচনি বুকুত বান্ধি বিভিন্ন সাংস্কৃতিক অনুষ্ঠান ফলে-ফুলে জাতিষ্কাৰ হৈ উঠিল। ডিব্ৰুগড়ত এই ধৰণৰ অনুষ্ঠানৰ ভিতৰত গণনাট্য সংঘৰ ডিব্ৰুগড় শাখা, জ্ঞানদায়িনী সংঘ, ৰত্ন সংঘ, প্ৰদীপ সংঘ, মঞ্চৰূপা, জয়শ্ৰী সংঘ আদিয়েই প্ৰধান। কোৱা বাহুল্য নাট্য চৰ্চাৰ আলোচনা প্ৰসংগত আমি এই অনুষ্ঠানবোৰৰ ভিতৰত 'জয়শ্ৰী সংঘ'ৰ নামেই ল'ব লাগিব।

মোহনাঘাট অঞ্চলৰ এগৰাকী শিল্পী মনৰ ব্যক্তি প্ৰয়াত মনমোহন দাসৰ আগ্ৰহ আৰু তৎপৰতাত 'জয়শ্ৰী সংঘ' নামৰ সামাজিক-সাংস্কৃতিক অনুষ্ঠানটি গঢ় লৈ উঠিছিল।১৯৪৫ চনত জয়শ্ৰী সংঘৰ গৃহটি তেখেতেই নিৰ্মাণ কৰোৱাই দিছিল। তেখেতৰ এগৰাকী সুযোগ্য দুহিতাই সংঘটি পৰিচালনাৰ কামত আগভাগ লোৱাৰ বাবেই হয়তো 'জয়শ্ৰী'ৰ আদিপৰ্বৰ সেই সময়ছোৱাত ই এটি 'মহিলা সংঘ' হিচাপে গুৰুত্বও লাভ কৰিছিল। প্ৰথমাৱস্থাত সেই মহিলাসকলে এই সংঘত এখন 'মইনা মেল' আৰু এখন সংগীত বিদ্যালয় আৰম্ভ কৰে আৰু সংঘৰ চেষ্টাত এখন আলোচনীও প্ৰকাশ কৰি স্থানীয় ৰাইজৰ ভূয়সী প্ৰশংসা বুটলিবলৈ সমৰ্থ হয়।

পৰৱৰ্তী কালত এই আদিছোৱাৰ যথেষ্ট সংখ্যক মহিলা আঁতৰি যাবলগীয়াত পৰে-- বিভিন্ন কাৰণত, যিবোৰৰ অন্যতম আমাৰ বোধেৰে বৈবাহিক কাৰণটি অন্যতম। ফলস্বৰূপে এটা সময়ত সংঘটি একপ্ৰকাৰ বন্ধ হোৱাৰেই উপক্ৰম ঘটিছিল। চন ইংৰাজী ১৯৫৬ ত পাড়াৰ যুৱকসকলে সংঘটি পুনৰুজ্জীৱিত কৰাৰ প্ৰচেষ্টাৰে শ্ৰী দেউতি বৰুৱাৰ নেতৃত্বত নতুনকৈ সাংস্কৃতিক কৰ্মকাণ্ড আৰম্ভ কৰাৰ আঁচনি হাতত লয়। থিত লাগিব পৰাকৈ হাততে ঘৰ এটি পোৱা হেতুকে তেওঁলোকে প্ৰথমতে সেই সংঘৰ গৃহতে এখনি সংগীত বিদ্যালয় আৰম্ভ কৰি দিয়ে আৰু এই সংগীত বিদ্যালয়খন চলাই নিয়াৰ দায়িত্বভাৰ অৰ্পণ কৰে খ্যাতনামা সংগীতশিল্পী কান(সুবীৰ) মুখাৰ্জীৰ ওপৰত। আনফালে নাটক মঞ্চস্থ কৰিব পৰাকৈ এখনি মঞ্চৰ অভাৱ হোৱা হেতুকে শ্ৰী দেউতি বৰুৱাৰ ককায়েক প্ৰয়াত ৰঘুবীৰ বৰুৱাই তেখেতৰ বাসগৃহৰ সমীপতে নাট মঞ্চায়নৰ সেই ব্যৱস্থাপনা কৰি দি জয়শ্ৰী সংঘৰ মঞ্চ নাট পৰিক্ৰমাৰ জয়যাত্ৰা আৰম্ভৰ পথ সুগম কৰি দিয়ে।এই সময়ছোৱাৰ ভিতৰত তেওঁলোকে মঞ্চস্থ কৰিছিল ঃ 'কাশ্মীৰ কুমাৰী', 'মিৰাটৰ দুৰ্দিন', 'একলব্য' আদি নাট। কলা-সাহিত্যৰ নিৰৱ সাধক প্ৰয়াত হেম চেতিয়াৰ বিৰচিত 'তথাপিতো হোৱা নাই ক্লান্ত' নামৰ নাটকখনিৰ পিছৰ পৰাই জয়শ্ৰীৰ নাট্যচৰ্চাই এক নতুন মাত্ৰা আৰু গতি লোৱা আৰম্ভ কৰে।

সৌ সিদিনালৈকে নাট্যদলটিৰ নিয়মিত নাট্যচৰ্চাৰ ফলশ্ৰুতি হিচাপেই নাট্যদলটিৰ বুকুত সৃষ্টি হয় পৰিচালক-নাট্যকাৰ দেউতি বৰুৱা প্ৰমুখ্যে বিজু ফুকন, বিষ্ণু খাৰঘৰীয়া, প্ৰবীণ বৰুৱা, সুৰজিৎ বৰুৱা, ৰাণাজ্যোতি বৰুৱা আদিৰ দৰে মঞ্চ তথা বোলছবি অভিনেতাসকল। দেউতি বৰুৱাৰ দ্বাৰা বিৰচিত আৰু পৰিচালিত কেইখনমান নাটে ডিব্ৰুগড় তথা অসমৰ ভালেমান মঞ্চত আলোড়নৰ সৃষ্টি কৰে। পিছলৈ 'জয়শ্ৰী'য়ে বংগৰ

নাট্যকাৰ উৎপল দত্তৰ নাট প্ৰযোজনাত মনোনিৱেশ কৰে। তাৰে ভিতৰত উল্লেখযোগ্য কেইখনমান হৈছেঃ 'লেনিনৰ আহ্বান', 'মানুহৰ অধিকাৰ' আৰু 'জালিয়ানাৱালাবাগ'। এই কেউখন নাটেই মঞ্চসফল হিচাপে স্বীকৃত। অসমীয়া বোলছবি জগতলৈ 'জয়শ্ৰী'ৰ একমাত্ৰ উপহাৰ 'বৃষ্টি'। সত্তৰৰ দশকত নিৰ্মিত 'বৃষ্টি' ইয়াৰ বিষয়বস্তু আৰু প্ৰয়োগৰ দিশৰ পৰা নিঃসন্দেহে এক বলিষ্ঠ পদক্ষেপ।

ডিব্ৰুগড়ৰ 'বিজয় সংঘ'ই এই বছৰ (২০১০) তেওঁলোকৰ সংঘৰ সোণালী জয়ন্তী উদযাপন কৰিছে। দৰাচলতে এই অনুষ্ঠানটো ৫৩ বছৰ আগতেই প্ৰতিষ্ঠা লাভ কৰে। ডিব্ৰুগড়ৰ এগৰাকী বিশিষ্ট শিক্ষাবিদ প্ৰয়াত নৰ্মদা চৌধুৰীৰ তত্ত্বাৱধানত তেওঁলোকৰ বাসগৃহৰ এটি গুদামঘৰতে ১৯৫৭ খ্ৰীষ্টাব্দত জন্ম লয় 'বিজয় সংঘ'ই। প্ৰথম অৱস্থাত 'বিজয় সংঘ'ৰ কাম-কাজ খেলা-ধূলাতেই আবদ্ধ আছিল। ১৯৬২ চনৰ পৰাহে তেওঁলোকে নাট্যাভিনয় কৰে। এই সংঘৰ দুৱঅৰ সকলো সম্প্ৰদায়ৰ, সকলো শ্ৰেণীৰ তথা সকলো বৰ্গৰ ল'ৰা-ছোৱালীৰ বাবে মুকলি আছিল। ফলত অসমীয়া, বঙলা, হিন্দী -- এই তিনিওটি ভাষাতে গীত-মাত নাটচৰ্চাৰ পৰম্পৰা চালু হৈ গৈছিল এই সংঘত। এতিয়া য'ত ভাৰতীয় ষ্টে বেংকৰ প্ৰধান শাখা আছে, তাত তাহানি United Cultural Society এ দুৰ্গাপূজা উপলক্ষে প্ৰতি বছৰে বাংলা নাটকৰ অভিনয় কৰিছিল। এই নাট্যানুষ্ঠানবোৰৰ সাৱলীল অভিনয় আৰু সাংগঠনিক দক্ষতা দেখি 'বিজয় সংঘ'ৰ চেমনীয়া সভ্যসকলে প্ৰচুৰ প্ৰেৰণা লাভ কৰিছিল। নাট্য-চৰ্চাৰ আদি পৰ্বত নাটকৰ বক্তব্যৰ ওপৰত বিশেষ গুৰুত্ব নিদিলেও ষাঠিৰ দশকৰ মাজভাগৰ পৰা বিজয় সংঘই নাটকৰ সামাজিক দায়বদ্ধতাৰ প্ৰয়োজনীয়তাৰ কথা আন্তৰিকতাৰে অনুভৱ কৰিব ধৰে। ১৯৭১ চনত শাৰদীয় মহোৎসৱৰ সপ্তমীৰ নিশা 'বিজয় সংঘ'ই প্ৰযোজনা কৰে বাৰ্টোল্ট ব্ৰেখটৰ 'তিনি পইচাৰ পালা' (The Three Penny Opera)। ১৯৭৫ চনত অসমীয়ালৈ অনূদিত 'তিনি পইচাৰ অপেৰা'ই অসমৰ নাট্যজগতত এক আলোড়নৰ সৃষ্টি কৰে আৰু অসমৰ বিভিন্ন মঞ্চত এই নাট মঞ্চস্থ কৰা হয়। 'বিজয় সংঘ' প্ৰযোজিত কেইখনমান উল্লেখযোগ্য নাট হৈছে ঃ উৎপল দত্তৰ 'দ্বীপ' আৰু 'টিনৰ তৰোৱাল, জ্যোতিপ্ৰসাদৰ 'কাৰেঙৰ লিগিৰী' আৰু 'লভিতা', ফণী শৰ্মাৰ 'চিৰাজ', ব্ৰেখটৰ 'তিনি পইচাৰ অপেৰা', আৰু 'প্ৰভু-ভৃত্য সংবাদ', মুনীন শৰ্মাৰ 'সভ্যতাৰ সংকট', 'ৰূপান্তৰ', 'কোৰাচ', 'ব্যতিক্ৰম' ইত্যাদি। এই সংঘই এতিয়ালৈকে দুখন টেলিনাট প্ৰস্তুত কৰিছেঃ 'ৰাজদৰ্শন' (মূল বাংলা, নাট্যকাৰ মনোজ মিত্ৰ) আৰু 'কালক্ষণ' (কাহিনী ও চিত্ৰনাট্য ঃ মুনীন শৰ্মা)।

সত্তৰ দশকৰ মাজভাগত চৌকিডিঙি অঞ্চলত 'চৌকিডিঙি যুথ ক্লাব' নামেৰে নাট্যচৰ্চাৰ এটি অনুষ্ঠান মূৰ দাঙি উঠে। অকালতে ইহসংসাৰ ত্যাগ কৰিবলগীয়া হোৱা তৰুণ নাট্যকাৰ অনিল মজুমদাৰ আছিল এই C.Y.C. ৰ অন্যতম চালিকা শক্তি। মজুমদাৰৰ দ্বাৰা ৰচিত আৰু পৰিচালিত 'প্ৰস্তুতি' নামৰ একাংক নাটখনিয়ে ইয়াৰ বলিষ্ঠ বিষয়বস্তু আৰু অভিনৱ টেকনিকৰ বাবে সেই সময়ত আলোড়নৰ সৃষ্টি কৰিছিল। মজুদাৰৰেই বিৰচিত আৰু পৰিচালিত 'ৰঙা নদীৰ পাৰ' নামৰ পূৰ্ণাংগ নাটখনিয়েও যথেষ্ট জনপ্ৰিয়তা অৰ্জন কৰিছিল আৰু অন্যান্য ঠাইত সমাদৃত হৈছিল। মজুমদাৰৰ অকাল বিয়োগৰ পিছত C.Y.C.-এ আন কোনো নাট্যকৰ্মত হাত দিয়া দৃষ্ট হোৱা নাই।

পিচে ফিনিক্স পাখীৰ দৰে চৌকিডিঙ্গি যুথ ক্লাবৰ স্থান পূৰাই চৌকিডিঙি অঞ্চলৰে উদয়পুৰত নতুন এটি নাট্যদলৰ উদয় হ'ল ১৯৭৯ চনত। ডেকাহঁতে দলটিৰ নামকৰণ কৰিলে 'আজনকা' অৰ্থাৎ 'আমাৰ জন্ম নাটকৰ কাৰণে।' পূৰ্ণাংগ নাট প্ৰযোজনাত হাত দি 'আজনকা'ই মঞ্চস্থ কৰা প্ৰথমখনি নাট আছিল কমলা বৰগোহাঁইৰ গল্পৰ আধাৰিত নাট্যৰূপ 'মই এটা সাপ'। নাট্যৰূপ দিছিল আজনকাৰেই প্ৰয়াত নাট্যকৰ্মী মনোৰঞ্জন ফুকনে। চফল ডেকা বয়সতে ইহসংসাৰ ত্যাগ কৰা মনোৰঞ্জনক তেওঁৰ অনুগামী সকলে আজনকাৰ ডেউকাৰ তলৰ বতাহ বুলি জ্ঞান কৰিছিল। এই মনোৰঞ্জনে 'কলাজত আমি' নামৰ এখন সম্পূৰ্ণ ভিন্ন স্বাদৰ নাট ৰচনাৰে তেওঁৰ বিৰল নাট্যপ্ৰতিভাৰ স্বাক্ষৰ এৰি থৈ গৈছে। 'আজনকা'ই আন দুগৰাকী নাট্যকাৰৰো জন্ম দিছেঃ দুলাল ভট্টাচাৰ্য আৰু অসীম শৰ্মা। এই নাট্যদলৰ দুখনমান উল্লেখযোগ্য প্ৰযোজনা হ'ল ঃ 'বিহুৰামৰ বাগিচা'। (মূল বাংলা ঃ মনোজ মিত্ৰ), দিলীপ হাজৰিকা কৰ্তৃক অনুবাদিত শ্বেক্সপীয়েৰৰ 'হেমলেট' দুলাল ভট্টাচাৰ্য্য বিৰচিত 'অথ বাঞ্ছা পূৰণ সংবাদ' ইত্যাদি। কালক্ৰমত 'আজনকা'ই নাট্যচৰ্চাৰ ক্ষেত্ৰত সুপৰিকল্পিত আৰু পদ্ধতিগতভাৱে আগবাঢ়িবলৈ 'আখৰা ঘৰ' নামেৰে এটি নাট প্ৰশিক্ষণ কেন্দ্ৰ গঢ়ি তোলে আৰু দৰাচলতে এই আখৰা ঘৰৰ বুকুতেই জন্ম হয় ভালেইকেইজন সম্ভাৱনাপূৰ্ণ অভিনেতা-অভিনেত্ৰীৰ। আখৰা-ঘৰে স্বতন্ত্ৰৰীয়াকৈ কেবাখনো নাট মঞ্চস্থ কৰে। পিছে শেহতীয়াভাৱে বাজিমাৎ কৰা তেওঁলোকৰ প্ৰযোজনাটি আছিল 'এটা গাধৰ মৃত্যুত'। অতি বলিষ্ঠ সামাজিক বিষয়বস্তু আধাৰিত এই অনুবাদ নাটখনিত সকলো ন-পুৰণি অভিনেতা-অভিনেত্ৰীয়েই সুন্দৰ অভিনয় কৰিছিল। পিছে নাটখনিত পাহৰিব নোৱৰা ধৰণৰ অভিনয় কৰিছিল লক্ষ্যজিৎ কোঁৱৰ আৰু গৌৰৱ শৰ্মাই।

সত্তৰৰ দশকত আত্মপ্ৰকাশ কৰা ডিব্ৰুগড়ৰ এটি উল্লেখযোগ্য নাট্যদল হ'ল 'ভাবীকাল নাট্যগোষ্ঠী' (১৯৭১)। কঠোৰ নিয়মানুৱৰ্তিতা, সামাজিক দায়বদ্ধতা আৰু শৃংখলাবোধৰ মাজৰে নাট্যচৰ্চা কৰা ভাবীকাল নাট্যগোষ্ঠীয়ে বাংলা, অসমীয়া আৰু হিন্দী এই তিনিওটি ভাষাতে নাট প্ৰযোজনা কৰি সচেতন মহলৰ মৰম আৰু শ্ৰদ্ধা অৰ্জন কৰি আহিছে। এই সংঘৰ অবিস্মৰণীয় কেইটিমান প্ৰযোজনা হৈছেঃ অৰুণ মুখাৰ্জীৰ 'মাৰীচ সংবাদ', মনোজ মিত্ৰৰ 'সাজানো বাগান', উৎপল দত্তৰ 'বৈশাখী মেঘ', 'ৰাজৰক্ত' নামৰ বাংলা নাটক অসমীয়া অনুবাদ 'গিনিপিগ', আৰু সত্যপ্ৰসাদ বৰুৱাৰ অসমীয়ানুবাদ 'এন্টগ'নি'।

১৯৮৩ চনত ডিবুৰুৰ বুকুত জন্ম লয় 'নাট্যচৰ্চা' নামৰ আন এটি নাট্যগোষ্ঠীয়ে। মায়ামৰীয়া বিদ্ৰোহৰ পটভূমিত প্ৰয়াত নাট্যকাৰ মুনীন ভূঞা বিৰচিত পূৰ্ণাংগ নাট 'জ ৰৌৰৌৱা পৰজা'ৰ জৰিয়তে নাট্যচৰ্চাই ডিবুৰুৰ মঞ্চত আত্মপ্ৰকাশ কৰে। ইয়াৰ আগতে এই নাট্যগোষ্ঠীয়ে ডিবুৰুৰ বিভিন্ন স্থানত 'শ্ৰব্যনাট অনুষ্ঠান'ৰ আয়োজন কৰিছিল। এই কথা স্বীকাৰ্য যে মূলতঃ মুনীন ভূঞাৰ 'হাতী আৰু ফন্দী', 'জৰৌৰৌৱা পৰজা' আৰু সন্ধিক্ষণ'ক কেন্দ্ৰ কৰিয়ে নাট্যচৰ্চাই, প্ৰতিষ্ঠা আৰু প্ৰসিদ্ধি লাভ কৰে। এই কেইখনৰ পিছত তেওঁলোকৰ প্ৰযোজিত তিনিখন অনুদিত নাটক হ'লঃ 'ন্যায় নিষ্ঠা' (মূল ঃ অলবেৰ কেমু)। 'মা' (মূলঃ বাৰ্টোল্ট বেখটু) আৰু 'হানুচ' (মূল ঃ ভীষ্ম সাহানী।) ধাৰাবাহিকভাৱে নাট প্ৰযোজনাৰ ক্ষেত্ৰত নিৰ্ভীকভাৱে আগুৱাই যোৱা নাট্যচৰ্চাৰ কৰ্মকাণ্ড হঠাতে স্তব্ধ হৈ পৰে নাট্যকাৰ পৰিচালক মুনীন ভূঞাৰ অকাল বিয়োগত। আমাৰ একান্ত আশা, নাট্যচৰ্চাৰ বুকুত অচিৰেই হওক নতুন প্ৰাণৰ সঞ্চাৰ।

১৯৯২ চনৰে পৰা 'নটসূৰ্য ফণী শৰ্মা নাট সমাৰোহ' উদযাপনৰ জৰিয়তে 'চয়নিকা' নামৰ নাট্যনুষ্ঠানটিয়ে মাৰ বান্ধি থিয় দিয়ে ইয়াৰ সাংস্কৃতিক কৰ্মকাণ্ড আগবঢ়াই নিবলৈ। উল্লেখনীয় যে এতিয়ালৈকে চয়নিকাৰ দ্বাৰা আয়োজিত নিজা তথা আমন্ত্ৰিত সকলোবোৰ নাট প্ৰযোজনাই অনুষ্ঠিত হৈছে 'ফণী শৰ্মা নাট সমাৰোহ' উদযাপনৰ উপলক্ষ্যত। প্ৰতি বছৰে জুলাই আগষ্ট মাহত তিনি চাৰিদিন ধৰি আয়োজন কৰি অহা সমাৰোহত অসমৰ উপৰি বংগ, উৰিষ্যা, দিল্লী আদিৰ খ্যাতিমান দলে নাট মঞ্চস্থ কৰি ডিবুৰুৰ নাট্যমোদী ৰাইজৰ হেঁপাহ পূৰণ কৰিছে, উদ্বুদ্ধ কৰিছে নাট্যদলবোৰক ন-ন নাট্যভাবনাৰে। চয়নিকাৰ নিজা প্ৰয়োজনসমূহৰ ভিতৰত উল্লেখযোগ্য ঃ 'গোমধৰ কোঁৱৰ', 'মহাৰাজা', 'সূৰ্যৰ অন্তিম কিৰণৰ পৰা সূৰ্যৰ প্ৰথম কিৰণলৈ' ইত্যাদি। কিন্তু আজিৰ তাৰিখলৈকে দৰ্শকৰ দৃষ্টিত তেওঁলোকৰ সৰ্বোৎকৃষ্ট প্ৰযোজনা বোধহয় অৰুণ শৰ্মা বিৰচিত শিশু নাট 'পোষ্টাৰ।' আটাইকেইজন শিশু অভিনেতাৰ অনবদ্য অভিনয়, দীপু ঘোষৰ সুপৰিকল্পিত মঞ্চ সজ্জা তথা পৰিচালক হিচাপে হৰেশ বেজবৰুৱা আৰু ৰাতুল বৈশ্যৰ অক্লান্ত পৰিশ্ৰমৰ স্মৃতি আমাৰ মনত চিৰসেউজীয়া হৈ থাকিব এই 'পোষ্টাৰ' নাটৰ প্ৰযোজনাৰ সন্দৰ্ভত।

বিগত শতিকাৰ শেষ দশকৰ মাজভাগৰে পৰা এই চহৰত "সন্মিলিত মহিলা সমাজ' নামৰ এটি সামাজিক-সাংস্কৃতিক অনুষ্ঠানে নাট্যচৰ্চাৰ ক্ষেত্ৰতো সক্ৰিয় ভূমিকা ল'বলৈ আৰম্ভ কৰে। কুশীলৱত মাথোন নাৰীৰ অভিনয়ৰে, অৰ্থাৎ নাৰী পুৰুষ উভয় বৰ্গৰ চৰিত্ৰতে মাথোন মহিলা শিল্পীৰ অভিনয়ৰে এই নাট্যগোষ্ঠীয়ে জ্যোতিপ্ৰসাদৰ 'কাৰেঙৰ লিগিৰী'ৰ দৰে কঠিন নাট মঞ্চস্থ কৰি ৰাইজক অভিভূত কৰে। দুলিয়াজান আৰু ডিগবৈতো এওঁলোকে এই নাটখনি মঞ্চায়নৰ আমন্ত্ৰণ পায় আৰু মঞ্চায়নত উল্লেখযোগ্য সফলতা অৰ্জন কৰে। 'সন্মিলিত মহিলা সমাজ'ৰ আন এখনি মঞ্চসফল নাট 'জয়মতী।' ইয়াৰ উপৰি এই সমাজে মাজে-সময়ে একাংক নাট প্ৰতিযোগিতাৰ আয়োজনৰ কৰি নাট্যশিল্পৰ প্ৰচাৰ-প্ৰসাৰ তথা উত্তৰোত্তৰ উন্নতি সাধনৰ প্ৰচেষ্টা চলাই আহিছে।

মাজে মধ্যে দুই-এবাৰৰ বাবে সফলভাৱে নাট মঞ্চায়ন কৰি ৰাইজৰ সমাদৰ লাভ কৰা বহু নাটকৰ বিৰৰণীয়েই হয়তো এই চমু টোকাত স্থান পোৱা নাই, তাৰ বাবে আমি দুঃখিত। সীমিত পৰিসৰৰ বাবে আমি নিৰ্বাচন কৰি লৈছোঁ মাত্ৰ এনে নাট্যদলসমূহকে, যিবোৰে অন্ততঃ দহ বছৰ কাল নিৰৱিচ্ছিন্নভাৱে নিজকে নাট্যকৰ্মৰ সৈতে যুক্ত ৰাখিছে। অজানিতে ৰৈ যোৱা অন্যান্য ভুল ত্ৰুটিৰ বাবে এই প্ৰতিবেদক ক্ষমাপ্ৰাৰ্থী।

## ।। সংযোজন।।

(নাট্যকৰ্মৰ স'তে প্ৰত্যক্ষভাৱে জড়িত নহৈও সাংস্কৃতিক বাতাবৰণক প্ৰদূষণমুক্ত কৰাত কেতবোৰ সামাজিক অনুষ্ঠানে অগ্ৰণী ভূমিকা লয়। ডিব্ৰুগড়ৰ 'মিলনজ্যোতি সংঘ' তেনে এটি অনুষ্ঠান। সেই গতিকে এই নিৱন্ধৰ শেষত এই সংঘ সম্পৰ্কে টোকা যোগ দিয়া হ'ল। প্ৰাসংগিক বিবেচনা কৰি 'দিশাৰী'ৰ বিষয়েও দুআষাৰ লিখা হ'ল।)

## ।। মিলনজ্যোতি সংঘ।।

ডিব্ৰুগড় চহৰৰ দক্ষিণ জালান নগৰৰ মিলন প্ৰাথমিক বিদ্যালয়ৰ পৰা মিলনজ্যোতি সংঘই তেওঁলোকৰ কৰ্মকাণ্ড আৰম্ভ কৰে ১৯৬৫ চনত। ফেঁহুজালিৰ এই পথত যি সকল বৰেণ্য ব্যক্তি এই সংঘৰ সৈতে জড়িত আছিল তেওঁলোক হ'লঃ প্ৰয়াত গণেশ চন্দ্ৰ শৰ্মা (প্ৰাক্তন সভাপতি) হৰেন গগৈ, ফণীধৰ হাজৰিকা, চিৰাজুল হক হাজৰিকা, ৰমেশ মোহন কুলী, শৰৎ গোস্বামী, তথা সৰ্বশ্ৰী

প্ৰভাত বৰকাকতি, অতুল বৰবৰা ইত্যাদি। সংঘৰ চেমনীয়াসকল তেতিয়া যুক্ত আছিল পথ উন্নয়নৰ কাম তথা সৰস্বতী পূজা, মাঘ বিহু, শংকৰদেৱৰ তিথি ইত্যাদি উদ্‌যাপনৰ কামত। কিন্তু আটাইতকৈ গুৰুত্বপূৰ্ণ যিটো কাম তেওঁলোকে হাতত লৈছিল, সেইটো হৈছে এটি ফুটবল দল গঠন কৰা। প্ৰভাত কাকতিদেৱে এই বিষয়ত যথেষ্ট আগভাগ লৈছিল। শ্ৰীঅমৰ পাণ্ডে আৰু শ্ৰী জিতেন বৰবৰাই যথাক্ৰমে সভাপতি আৰু সম্পাদকৰ দায়িত্ব ভাৰ গ্ৰহণ কৰিছিল। এওঁলোকৰ লগতে শ্ৰী অমিয় হাজৰিকা আৰু শ্ৰী বিপুল বৰবৰাক দায়িত্ব দিয়া হৈছিল 'মিলনজ্যোতি সংঘ'ৰ সংবিধানখন প্ৰস্তুত কৰিবলৈ স্মৰ্তব্য যে 'মিলনজ্যোতি সংঘ' নামটো প্ৰস্তাৱ কৰিছিল শ্ৰী প্ৰদীপ গগৈ আৰু শ্ৰী বিপিন গগৈয়ে।

১৯৬৮ চনত সংঘৰ বাবে এটুকুৰা মাটি বিচাৰি উলিওৱা হয় বৰ্তমানৰ ডিব্ৰুগড় ল'ৰাৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সমীপত। মাটিটুকুৰাৰ তৎকালীন গৰাকী আছিল 'মহাবীৰ জালান ডেভেলপমেণ্ট ট্ৰাষ্ট' নামৰ সংস্থাটি। এই স্থানতে মিলনজ্যোতি সংঘৰ খেল বাঁহেৰে সজোৱা নতুন ঘৰটি সংস্থাপিত হয়। ১৯৭৫ চনৰ জৰুৰীকালীন সময়ছোৱাত সংঘই কেতবোৰ অযথা হাৰাশাস্তিৰ সন্মুখীন হ'বলগীয়াত পৰে মাটিটুকুৰাৰ মালিকানাৰ প্ৰশ্নকলৈ। মাটিটুকুৰা দৰাচলতে মিউনিচিপালিটিৰ সম্পত্তি বুলি দেখুৱাই সংঘৰ খেৰ বাঁহেৰে নিৰ্মিত ঘৰটি ভাঙি পেলোৱা হয়। কিন্তু মিলনজ্যোতি সংঘৰ শুভাকাংক্ষীসকলে থিয় দিয়ে এই অন্যায়ৰ বিৰুদ্ধে। তৎকালীন অসম মন্ত্ৰীসভাৰ হস্তক্ষেপত যেনিবা সেই মাটিটুকুৰাৰ মালিকানা স্বত্ব পুনৰ মিলনজ্যোতি সংঘৰ হাতলৈ ঘূৰি আহে। তেতিয়া পৰা 'মিলনজ্যোতি'য়ে ইয়াৰ বিভিন্ন ক্ৰিয়াকাণ্ডৰ ক্ষেত্ৰত পিছলৈ ঘূৰি চোৱা নাই।

অসমৰ ক্ৰীড়া জগতত বিশেষ সুনাম থকা 'মিলনজ্যোতি সংঘ'ই ১৯৭০ চনৰ পৰাই ফুটবলকে আদি কৰি বিভিন্ন খেল প্ৰতিযোগিতা অনুষ্ঠিত কৰি এক অনুকৰণীয় ভূমিকা লৈ আহিছে। ডিব্ৰুগড় চহৰত সু-সংহত গ্ৰন্থমেলা আয়োজন কৰাৰ ক্ষেত্ৰতো সংঘই অগ্ৰণী ভূমিকা পালন কৰি আহিছে। ১৯৯৪ চনত মিলনজ্যোতি সংঘৰ উদ্যোগত অনুষ্ঠিত প্ৰথম ডিব্ৰুগড় গ্ৰন্থমেলাই পটুৱৈ সমাজৰ লগতে ডিব্ৰুগড় চহৰৰ সমস্ত শৈক্ষিক জগতখনতে এক নতুন আশাৰ সঞ্চাৰ আৰু বৌদ্ধিক বাতাবৰণৰ সৃষ্টি কৰিছিল।

নাট্য চৰ্চাৰ স'তে পোনপটীয়াভাৱে জড়িত নহ'লেও ডিব্ৰুগড় মিলনজ্যোতি সংঘ নিজ গুণে মহীয়ান। ক্ৰীড়া-জগতত এই সংঘৰ অৱদান অনবদ্য। বিশাল গ্ৰন্থমেলাৰ আয়োজন কৰিও মিলনজ্যোতি সংঘ উজনি অসমৰ ৰাইজৰ প্ৰশংসাৰ পাত্ৰ হৈছে। এনে এটি সংঘৰ চমু বৃত্তান্ত 'বিজয় সংঘ'ৰ সোণালী জয়ন্তীৰ স্মৃতি গ্ৰন্থত ছপাবলৈ পাই আমি অতি আনন্দিত।

দিশাৰী ঃ ১৯৮১ চনত ডিব্ৰুগড় চহৰৰ শান্তিপাৰা অঞ্চলত স্থাপিত 'দিশাৰী' নামৰ সামাজিক সাংস্কৃতিক অনুষ্ঠানটিৰ নামো উল্লেখ কৰিব লাগিব এই প্ৰসংগত। ৰক্তদান কাৰ্যসূচী দিশাৰীয়ে আৰম্ভ কৰিছিল ইয়াৰ প্ৰাথমিক কাৰ্যসূচী। কতজন পীড়িতলোকে যে এওঁলোকৰ ৰক্তদানৰ পৰা নৱজীৱন লাভ কৰিছে তাৰ ইয়ত্তা নাই। পিছলৈ ধৰ্ম, ভাষা, সাম্প্ৰদায়ৰ সকলো প্ৰাচীৰ ভাঙি দিশাৰীয়ে পৰৱৰ্তী কালত গঢ়ি তুলিবলৈ চেষ্টা কৰিছে এখন সুস্থ আৰু নিৰোগী সমাজ তেওঁলোকৰ প্ৰগতিশীল গীত-মাত-নাটৰ অনুষ্ঠানৰ জৰিয়তে। প্ৰতিবছৰে গ্ৰীষ্মৰ বন্ধত এওঁলোকে আয়োজন কৰে শিশু তথা কিশোৰ সকলৰ বাবে এক প্ৰগতিশীল শিশু কৰ্মশালাৰ। ডিবৰুৰ প্ৰায় সকলো নাট তথা সাংস্কৃতিক অনুষ্ঠানৰ সৈতে এওঁলোকৰ লোকসকল প্ৰত্যক্ষ বা পৰোক্ষভাৱে জড়িত।

আজনকা, আখৰা ঘৰ, বিজয় সংঘ, ইণ্ডিয়া ক্লাৱ আদি অনুষ্ঠানসমূহৰ কৰ্মকাণ্ডত এই অনুষ্ঠানসমূহৰ ভূমিকাও দৰাচলতেই প্ৰশংসনীয়।

●●●

**সম্পাদকৰ টোকাঃ বিষয়বস্তুৰ গুৰুত্ব উপলব্ধি কৰি ডিব্ৰুগড়ৰ 'বিজয় সংঘ'ৰ ২০১০ চনত সম্পন্ন হোৱা সোণালী জয়ন্তী সমাৰোহৰ স্মৃতিগ্ৰন্থ *'প্ৰতীতি'*ত প্ৰকাশিত এই প্ৰবন্ধটো লেখকৰ সন্মতি সহকাৰে পুনৰ প্ৰকাশ কৰা হৈছে।**

# অসমীয়া শিশু-সাহিত্য ঃ ডিব্ৰুগড়ৰ অৱদান

প্ৰসেনজিৎ কুমাৰ গোস্বামী

অতীতৰ পৰা বৰ্তমানলৈকে অসমীয়া ভাষা সাহিত্যৰ বিভিন্ন দিশত বিভিন্ন গুণী, জ্ঞানী ব্যক্তিয়ে অৰিহণা আগবঢ়াই ভাষা সাহিত্যৰ ভঁৰাল চহকী কৰাত সহায় কৰিছিল আৰু কৰি আছে। অতীতৰ সেই ধাৰা আজিও অব্যাহত আছে। প্ৰবন্ধ-পাতি, গল্প, কবিতা, উপন্যাস, নাটক আদি ৰচনাৰ ক্ষেত্ৰত মানুহৰ নাম যিদৰে মনলৈ আহে , সেইদৰে শিশু-সাহিত্যৰ সম্পৰ্কত চিন্তা চৰ্চা কৰা সকলোৰে নাম মনলৈ অহা দেখা নাযায়।

ডিব্ৰুগড় মাথোন প্ৰাকৃতিক সম্পদতেই চহকী নহয়। অন্যান্য বিষয়ৰ দৰেই সাহিত্য সংস্কৃতিৰ ক্ষেত্ৰতো যুগ যুগ ধৰি ডিব্ৰুগড়ে সুনাম কঢ়িয়াই আনিছে। ডিব্ৰুগড়ৰ কেইবাগৰাকীও বৰেণ্য সাহিত্যিকে 'অসম সাহিত্য সভা'ৰ সভাপতিৰ আসন অলংকৃত কৰিছে। অন্যান্য খ্যাতি কঢ়িয়াই অনা বিষয়ৰ কথা নকলোঁৱেইবাহু

ছাত্ৰ-জীৱনৰ পৰাই আৰু চাকৰি কৰি থাকোতে সাহিত্য চৰ্চা কৰা অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি বেণুধৰ ৰাজখোৱাদেৱে শিশুৰ বাবে 'সৰু ল'ৰাৰ গীত', 'নীতিপাঠ', 'সাহিত্য প্ৰৱেশ', 'ল'ৰাৰ পুথি' আদি ৰচনা কৰিছিল। ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ ডিব্ৰুগড়ৰ তামোলবাৰী চাহ বাগিচাত জন্ম হৈছিল। ডিব্ৰুগড় বাগ্মীবৰ নীলমণি ফুকন উচ্চ মাধ্যমিক (পূৰ্বৰ জৰ্জ ইন্সটিটিউচন) বিদ্যালয়ত পঢ়ি থকাৰ সময়তেই 'শোণিত কুঁৱৰী' নাটক ৰচনা কৰি ৰাইজৰ প্ৰশংসা লাভ কৰিছিল। সুন্দৰৰ পূজাৰীগৰাকীয়ে অধিকাংশ গীত, নাটক আদি তামোলবাৰী চাহ বাগিচাতেই ৰচনা কৰিছিল।

'অসম সাহিত্য সভা'ৰ প্ৰাক্তন সভাপতি 'বনফুলৰ কবি' যতীন্দ্ৰ নাথ দুৱৰাই ৰচনা কৰা কবিতা, কথা-কবিতা, আদি বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ পাঠ্যক্ৰমত অন্তৰ্ভূক্ত হৈছিল। ডিব্ৰুগড়ত জন্ম লাভ কৰা সত্যেন বৰকটকীয়ে 'পৰ্বতীয়া সাধু', 'ল'ৰা লুৰিৰ সাধু', 'অসমৰ ট্ৰাইবেল সাধু' আদি ৰচনা কৰিছিল। তুলসী শংকৰ প্ৰসাদ দত্তই 'সাধু কথাৰ জোলোঙা' নামৰ শিশু পুথি ৰচনা কৰিছিল। ড° ৰোহিনীকান্ত বৰুৱাই অনেক শিশু-সাহিত্য ৰচনা কৰি অসম সাহিত্য সভাৰ 'কমলা দেৱী শিশু-সাহিত্য বঁটা' লাভ কৰিছিল। তেখেতৰ পত্নীৰ ইচ্ছানুসৰি তেখেতৰ বাসভৱনক আইন শিক্ষাৰ্থে দান দি 'ড° ৰোহিনী কান্ত বৰুৱা আইন কলেজ ' নামকৰণ কৰা হয়। পদ্মনাথ বৰঠাকুৰ শিশু আলোচনী 'অকণ'ৰ লেখক আছিল। 'অসম সাহিত্য সভা'ৰ প্ৰাক্তন সভাপতি শৈলধৰ ৰাজখোৱাদেৱে শিশুৰ বাবে বিভিন্ন বিষয়ক লৈ কবিতা ৰচনা কৰিছিল। ডিব্ৰুগড় কাছাৰীৰ পৰা চিৰস্তাদাৰ হিচাবে অৱসৰ লোৱা 'অসম সাহিত্য সভা'ৰ প্ৰাক্তন সভাপতি মফিজুদ্দিন আহমদ হাজৰিকাৰ 'জ্ঞানমালিনী' নামৰ কবিতা পুথিখনিৰ কেইটামান কবিতা বিদ্যালয়ৰ পাঠ্যক্ৰমতো অন্তৰ্ভুক্ত হৈছিল। "নোৱাৰোঁ কথাটি বোপা বেয়া কথা বৰ, কদাপি নহয় সিটি কথা মানুহৰ" স্তৱকেৰে আৰম্ভ হোৱা কালজয়ী কবিতাটোৰ কবি চুলেমান খাঁৰ বাসগৃহ ডিব্ৰুগড় আমোলাপট্টিত আছিল। ডিব্ৰুগড় জেউতি মৰল পথ নিৱাসী মাণিক চন্দ্ৰ বৰ্মনদেৱে অসমীয়া আৰু হিন্দী ভাষাত শিশুৰ বাবে 'পৌৰাণিক আখ্যান', 'ড° ৰাজেন্দ্ৰ প্ৰসাদ', 'তুলসীদাস' আদি পুথি ৰচনা কৰিছিল। বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ বাবে পাঠ্যপুথি ৰচনা কৰা ডিব্ৰুগড় চৰকাৰী ল'ৰাৰ হাইস্কুলৰ একালৰ শিক্ষক দুলাল চন্দ্ৰ বৰঠাকুৰদেৱে শিশুৰ বাবে হাঁহি ধেমালিমূলক লেখা, নাটক আদি ৰচনা কৰিছিল। চাহ খেতিয়ক নন্দেশ্বৰ চক্ৰৱৰ্তীদেৱে শিশুৰ বাবে 'আদি পাঠ', 'কবিতাৰ পুথি', 'নৃত্য কৃত্য দৰ্পণ' আদি ৰচনা কৰিছিল। তেখেতৰ পুত্ৰ বিষ্ণুপ্ৰসাদ চক্ৰৱৰ্ত্তীদেৱে 'শ্ৰীমন্ত শংকৰ', 'ৰাম গোবিন্দ' আদি

*লেখক এগৰাকী বিশিষ্ট অধিবক্তা, শিশু-সাহিত্যিক আৰু 'শিশু সাহিত্য সমাজ, অসম'ৰ সভাপতি।*

পুথি ৰচনা কৰিছিল। 'ৰণুৱা কবি' হিচাবে পৰিচিত ডিব্ৰুগড় উকীল সন্থাৰ আইনজীৱী আলোক চন্দ্ৰ ৰাজখোৱাৰ প্ৰকাশিত বিশখন গ্ৰন্থৰ ভিতৰত শিশু-সাহিত্যও আছিল। সাহিত্যিক পূৰ্ণকান্ত দেৱশৰ্মাই ওঠৰ শতিকাতে অসমীয়া ভাষাত পাঠ্যপুথিৰ অভাৱ পূৰণ কৰিবলৈ ছাত্ৰ-ছাত্ৰীৰ বাবে 'জ্ঞানাংকুৰ' নামৰ পুথি ৰচনা কৰিছিল। তেখেতে বাগ্মীবৰ নীলমণি ফুকন ককা জৰ্জ ইন্সটিটিউচনত শিক্ষকতা কৰি থাকোতেই ''ন জোন' নামৰ শিশু-আলোচনী সম্পাদনা কৰিছিল। তেখেতে শিশুৰ বাবে ৰচনা কৰা কবিতা বিদ্যালয়ৰ পাঠ্যক্ৰমত অন্তৰ্ভূক্ত হৈছিল। ডিব্ৰুগড়ৰ মহেশ বৰুৱাদেৱে শিক্ষকতাৰ কালছোৱাত ইংৰাজৰ দিনত অসমীয়া ভাষাৰ উপযুক্ত ব্যৱহাৰত গুৰুত্ব দিছিল। তেখেতে 'হিতোপদেশ'ৰ চাৰিটা খণ্ড অসমীয়ালৈ অনুবাদ কৰিছিল। তদুপৰি তেখেতে শিশুৰ বাবে 'দুই বুঢ়ীৰ সাধু' ৰচনা কৰিছিল। পদ্মকুমাৰী গোহাঁয়ে ৰাজনৈতিক জীৱনৰ ব্যস্ততাৰ মাজতে 'ৰুণজুনৰ সপোন' শিশুৰ বাবে ৰচনা কৰিছিল। ডিব্ৰুগড় গাভৰুপথাৰ প্ৰাইমেৰী বিদ্যালয়ৰ শিক্ষক পানীন্দ্ৰ নাথ গগৈদেৱে শিশুৰ বাবে কবিতা ৰচনা কৰিছিল। 'ল'ৰা শিক্ষা' পুথি প্ৰকাশ কৰা এইগৰাকী নমস্য লেখকে 'অসম সাহিত্য সভা'ৰ প্ৰাক্তন সভাপতি পদ্মনাথ গোহাঞিদেৱৰ লগত যুটীয়াভাৱে পুথি ৰচনা কৰিছিল। ডিব্ৰুগড় চিৰিংচাপৰিৰ শিৱনাথ ভট্টাচাৰ্য্যদেৱে শিশুৰ বাবে 'সাঁথৰ মালা' পুথি ৰচনা কৰিছিল। ১৯৩০ চনত সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ কন্যা, অসমীয়া কথাছবি মনোমতীৰ প্ৰযোজক চাহ-খেতিয়ক ৰোহিনী কুমাৰ বৰুৱাৰ পত্নী ৰত্নাৱলী বৰুৱাই 'বাঁহী' আলোচনীত 'ৰাজা ৰামমোহন ৰায়ৰ জীৱনী' লিখিছিল। অণু দেৱী বৰদলৈয়ে 'অলং দলং পৰিছে' নামৰ শিশু সাহিত্য ৰচনা কৰাৰ বাদেও শিশুৰ বাবে কবিতা প্ৰকাশ কৰিছিল। পদ্মশ্ৰী ডাঃ মথুৰা নাথ ভট্টাচাৰ্য্যই শিশুৰ বাবে ল'ব লগা যত্নৰ বিষয়ে প্ৰৱন্ধ লিখাৰ বাদেও অসমীয়া আৰু ইংৰাজীত দহখন পুথি ৰচনা কৰিছিল। 'অসম সাহিত্য সভা'ৰ প্ৰাক্তন সভাপতি উপন্যাস-সম্ৰাট ৰজনীকান্ত বৰদলৈদেৱে ৰচনা কৰা শিশু সাহিত্যই পাঠ্যপুথিত ঠাই পাইছিল। 'অসম সাহিত্য সভা'ৰ প্ৰাক্তন সভাপতি ড° মহেন্দ্ৰ বৰাদেৱে শিশুৰ বাবে 'গালিভাৰ', 'ডন কুইকছোট্', 'নীল সাগৰৰ সাধু', 'ইয়েলিং পি. নকিঅ', 'পিটাৰ পেন', 'আফকেজটেন' আদি শিশু পুথি ৰচনা আৰু অনুবাদ কৰিছিল। 'অসম সাহিত্য সভা'ৰ প্ৰাক্তন সভাপতি, বুৰঞ্জীবিদ ড° লীলা গগৈদেৱে শিশুৰ বাবে কবিতা ৰচনা কৰাৰ বাদেও 'ৰংমনৰ কথা', 'ল'ৰা লাচিত', 'খঁৰা শিয়ালৰ বিয়া', 'পোনাকণৰ সপোন', 'জয়মতী আৰু মূলা গাভৰু', 'লাচিত বৰফুকন', 'জোনবাই এ' বেজি এটা দিয়াঁ' আদি শিশু সাহিত্য ৰচনা কৰিছিল। সাহিত্য সংস্কৃতিৰ ক্ষেত্ৰখনৰ অন্য এগৰাকী স্বনামধন্য ব্যক্তি ড° কেশৱানন্দ দেৱগোস্বামীয়ে 'নাহিবি জপনা দেই', 'কীৰ্তনৰ সাধু', 'ক'ব জানিলে কথা' আদি শিশুৰ বাবে ৰচনা কৰিছিল। শৈলবালা বৰুৱাই শিশুৰ বাবে 'বুদ্ধিমতী ভাদৈ', 'ৰাজকুমাৰী পিপৰা সুন্দৰী', 'উলাহৰ লয়লাস' (ওমলাগীত) আদি শিশুৰ বাবে ৰচনা কৰিছিল। 'অনুবাদ কুঁৱৰী' হিচাবে খ্যাত নিৰুপমা ফুকনে 'শিশু সাহিত্য সমাজ, অসম'ৰ বিশেষ সন্মানীয় সদস্যৰ সন্মান লাভ কৰিছিল। 'বুলবুল বাদশ্বাহ', 'গীত গোৱা চৰাই', 'কাশ্মীৰ দেশৰ সাধু', 'নেপালৰ সাধু', 'মইনাৰ মৌকোঁহ' আদি পুথি ৰচনা কৰিছিল। বিশিষ্ট অৰ্থনীতিবিদ ভুবন বৰুৱাই পূৰ্বতে 'আমাৰ প্ৰতিনিধি' আলোচনীত দেশ-বিদেশৰ অকণিৰ বিষয়ে লিখিছিল।

নমস্য ব্যক্তি নবীন চন্দ্ৰ বৰদলৈদেৱে শিশুৰ বাবে সুখপাঠ্য কবিতা ৰচনা কৰিছিল। ভুবন বৰুৱাদেৱৰ পত্নীৰ ভাৰতী বৰুৱাই শিশু 'মিকুল'ক কেন্দ্ৰ কৰি বহুতো শিশু-সাহিত্য ৰচনা কৰিছিল। ৰিপুনাথ বুঢ়াগোহাঞিদেৱে শিশুৰ বাবে 'ওমলা ঘৰৰ গল্প', 'ৰং মেলাৰ ফুল' আদি পুথি ৰচনা কৰিছিল। ডিব্ৰুগড়ৰ ৰাজহুৱা জীৱনৰ অতি উদ্যোগী পুৰুষ, আজীৱন শিক্ষক, সাংবাদিক, হেৰম্ব বৰদলৈদেৱে শিশুৰ বাবে 'হেৰম্ব খুড়া' নামেৰে অধুনালুপ্ত বাতৰি কাকত 'ভূমিপুত্ৰ'ত লিখাৰ বাবে বিভিন্ন জীৱনী প্ৰকাশ কৰিছিল। ডিব্ৰুগড় হনুমানবক্স কানৈ কলেজৰ একালৰ শিক্ষক, বিশিষ্ট গীতিকাৰ তফজ্জুল আলিয়ে শিশুৰ বাবে 'অঘৰী ককাইদেউৰ গীত' ৰচনা কৰিছিল। একেখন মহাবিদ্যালয়তে আজীৱন শিক্ষাদান কৰা ডিম্বেশ্বৰ চলিহাদেৱক ২০১৩ চনৰ ৪ ছেপ্টেম্বৰত 'শিশু সাহিত্য সমাজ, অসম'ৰ তৰফৰ পৰা বিশেষভাৱে 'সন্মানীয় সদস্য' সন্মানেৰে বৰণ কৰা হৈছিল। ত্ৰিশখনৰো অধিক গ্ৰন্থ ৰচনা কৰা চলিহাদেৱে 'চৰাই', 'প্ৰাণীজগতৰ বিস্ময়', 'চৰাই চিনো আহক', 'বিজ্ঞান কুইজ', 'যশস্বী বিজ্ঞানী', 'ফেচু ৰজা হ'ল', 'শিয়াল পণ্ডিত', 'এটি ঘনচিৰিকাৰ পতন' আদিকে ধৰি বহুতো শিশু সাহিত্য ৰচনা কৰিছিল। শিশু সাহিত্যিক কৈলাশ শৰ্মাই শিশু উপন্যাস 'উকুলি মুকুলি', 'নৰীয়া ৰজাৰ পৰীয়া', 'পূৰ্বাঞ্চলৰ সাধু', 'দক্ষিণাঞ্চলৰ সাধু', 'উত্তৰাঞ্চলৰ সাধু', 'পুৰতি তৰাৰ বিয়া' আদি ৰচনা কৰিছিল। ড° প্ৰ াদ কুমাৰ বৰুৱাদেৱে অধুনালুপ্ত 'জ্ঞানপীঠ' আলোচনীত শিশুৰ বাবে উপাদেয় শিশু সাহিত্য ৰচনা কৰিছিল। ডিব্ৰুগড় জিলা সাহিত্য সভাৰ এইগৰাকী প্ৰাক্তন সভাপতিয়ে কেইবাখনো শিশু সাহিত্যৰ পুথি প্ৰকাশ কৰিছিল। তেখেতৰ পত্নী ড° উষাৰাণী বৰুৱাই 'জ্ঞানপীঠ' আলোচনীৰ লগতে অন্যান্য কাকত- আলোচনীতো শিশু সাহিত্যৰ চৰ্চা কৰিছিল। মুকুট গগৈয়ে শিশুৰ উপযোগী কবিতা ড° ভবেন্দ্ৰনাথ শইকীয়াৰ সম্পাদিত 'সঁফুৰা'ত লিখিছিল। 'অকণিৰ ফুলনি', 'অকণিৰ ৰংঘৰ' তেখেতৰ প্ৰকাশিত শিশু পুথি। ডিব্ৰুগড়

চিৰিং চাপৰিৰ যতীন্দ্ৰ কুমাৰ বৰ্মনদেৱে ‘সাধু শুনিবা কোনে?’, ‘কাঠৰ পুতলাৰ বিলৈ’, ‘সৰোজিনী নাইডুৰ জীৱনী’, ‘বৰফৰ ৰাণী’, ‘বিদেশী সাধুৰ অসমীয়া ৰূপান্তৰ’ প্ৰকাশ কৰিছিল। তেখেতৰ সুযোগ্য ভাতৃ পানীন্দ্ৰ কুমাৰ বৰ্মনে ছাত্ৰ-ছাত্ৰীৰ উপযোগীকৈ ‘কুইজ’ আৰু ‘সমিধান সঁফুৰা’, ‘ভাৰতীয় সংবিধানৰ জিলিঙনি’ প্ৰকাশ কৰিছিল। ডাঃ ঘনকান্ত গোস্বামীয়ে আমাৰ অসম কাকতৰ শিশুৰ পৃষ্ঠাত শিশুৰ বাবে অনুবাদ সাধু প্ৰকাশ কৰিছিল। একালৰ ডিব্ৰুগড়ৰ বাসিন্দা লিলি দেৱীয়ে ‘আইতা আৰু নাতি ল’ৰা’, ‘সদগুৰু গুৰু নানক’ আদি ৰচনা কৰিছিল। বিশিষ্ট গীতিকাৰ শিশু সাহিত্যিক ড° মনোৰমা বৰগোহাঞিয়ে শিশুৰ বাবে কবিতা, সাধু, উপন্যাস আদি ৰচনা কৰিছিল।

উল্লেখ কৰি অহা নমস্য শিশু সাহিত্যিকসকল আজি সংসাৰত নাই। মন কৰিবলগীয়া কথা যে, এইসকলেই আমাক শিশু সাহিত্যৰ ক্ষেত্ৰত চিন্তা চৰ্চা কৰিবলৈ বাট দেখুৱাই গৈছে। আমি সাধাৰণতে ধৰ্মকাৰ্য, বিবাহ কাৰ্যৰ ক্ষেত্ৰত পূৰ্বপুৰুষক স্মৰণ কৰি শুভ কাৰ্যৰ ক্ষেত্ৰত আগবাঢ়োঁ। এই নীতি-নিয়ম বিভিন্ন জনগোষ্ঠীৰ ক্ষেত্ৰতো প্ৰযোজ্য। এই চিন্তা আগত ৰাখিয়েই ডিব্ৰুগড়ৰ বৰ্তমানৰ শিশু সাহিত্যিকসকলৰ বিষয়ে লিখিবলৈ বহি পূৰ্বপুৰুষসকলক স্মৰণ কৰিছোঁ। পৰম শক্তিৰ ওচৰত প্ৰাৰ্থনা কৰি স্বৰ্গগত সকলোৰে নাম ল’বলৈ চেষ্টা কৰিছোঁ। সেইদৰে স্বৰ্গগত শিশু সাহিত্যিকসকলৰ আশীৰ্বাদ লৈ বৰ্তমানে ডিব্ৰুগড়ত (জিলা পৰ্যায়ত সম্ভৱ নহ’ল) বাস কৰা শিশু সাহিত্যিকসকলৰ বিষয়ে এটি থুলমূল ধাৰণা এই স্মৃতিলেখাৰ জৰিয়তে আগবঢ়াবলৈ চেষ্টা কৰিছো।

সাধাৰণতে দেখা যায় যে অধিকাংশ লেখক-লেখিকাই শিশুৰ বাবে লিখা-মেলা নকৰে। কিন্তু ডিব্ৰুগড়ত অনেকজনেই শিশু সাহিত্য সম্পৰ্কীয় চিন্তা-চৰ্চা কৰে। নিজকে শিক্ষক বুলি পৰিচয় দিবলৈ ভাল পোৱা স্বনামধন্য ড° নগেন শইকীয়াদেৱে ‘অসমীয়া বৰ্ণমালা’, চিঠি পালোঁ পঢ়ি চালোঁ’ নামৰ দুখন শিশুপযোগী গ্ৰন্থ ৰচনা কৰিছে। তদুপৰি ১৯৭৫ চনত এইগৰাকী বৰেণ্য সাহিত্যিকে ‘অসম সাহিত্য সভা’ৰ প্ৰধান সম্পাদকৰ পদত অধিষ্ঠিত হৈ ডিগবৈত সাদিনীয়াকৈ শিশু সাহিত্যৰ কৰ্মশালা পৰিচালনা কৰিছিল। সাহিত্যিক পেঞ্চনাৰ বিশিষ্ট অনুবাদক শ্ৰীদেৱী প্ৰসাদ বাগড়োদিয়াই অনুবাদ কৰা শিশু সাহিত্যৰ পুথিখন হৈছে— ‘সুখৰ পৃথিৱী’। অসমীয়া শিশু সাহিত্যলৈ বিভিন্ন দিশত বৰঙণি যোগোৱা কাব্যহৃদয় সন্মানেৰে সন্মানিত ড° কৰবী ডেকা হাজৰিকাৰে ‘জুনুকাৰ এৰাতি’, ‘চিকমিক কাহিনী’, ‘সেউজী মনৰ কাহিনী’, ভ ৰতীয় সাহিত্যৰ মৌচাক’, ‘লায়ন কিং’, ‘গান গোৱা ভূত’, ‘মইনাৰ মৌ কবিতা’, ‘আইতাৰ সাধুকথা’ আদি উল্লেখযোগ্য শিশু সাহিত্য।

‘শিশু সাহিত্য সমাজ, অসম’ৰ তৰফৰ পৰা ‘সাহিত্য সাধিকা’ৰ লগতে আন বিভিন্ন সংগঠনৰ পৰা বিভিন্ন সন্মান লাভ কৰা নীহাৰিকা চৌধুৰীৰ শিশু সাহিত্যসমূহ এনেধৰণৰঃ ‘সোণালী পাহাৰৰ ভয়’, ‘ৰাখীৰ সপোন’, ‘টুম্পা’, ‘সপোনৰ দেশত ৰুণজুন’, ‘জাতকৰ সাধু’, ‘মানচু নামৰ দুষ্ট মেকুৰীটো’, ‘পাখি ভগা পখিলা’, ‘মাইনুৰ সপোন’ আদি। ‘শিশু সাহিত্য সমাজ, অসম’ৰ কাৰ্যকৰী সভাপতি, লেখক, কৃতী শিক্ষক, ‘সাহিত্য-সাধক’ উপাধি-প্ৰাপক কিৰণ চন্দ্ৰ মেছৰ শিশু সাহিত্যসমূহ হ’লঃ ‘বৰশী’, ‘সুন্দৰপুৰৰ সুমধুৰ ককা’, ‘বৰ্ণময় জীৱন’ আদি। ‘পদ্মশ্ৰী’ সন্মানেৰে সন্মানিত শ্ৰী প্ৰহ্লাদ চন্দ্ৰ তাছাৰ শিশু সাহিত্যসমূহ হৈছেঃ ‘সুৱদী সুৰীয়া অসমীয়া ভাষা’, ‘অসমীয়া বৰ্ণমালাৰ ৰহঘৰা’ (প্ৰথম খণ্ড আৰু দ্বিতীয় খণ্ড)। বিশিষ্ট সমালোচক, সাহিত্যিক, কৃতী শিক্ষক, ‘শিশু সাহিত্য সমাজ, অসম’ৰ আজীৱন সভ্য গহ্বেশ্বৰ শইকীয়াদেৱৰ শিশু সাহিত্যসমূহ এনেধৰণৰঃ ‘কাঠৰ বাকচত চাৰিশ বছৰ’, ‘এটা সোণৰ বাকচ’, ‘শহা পহু আৰু দৈত্য’, ‘অভিশপ্ত অজগৰ’, ‘শংকৰ মাধৱ’, ‘জ্যোতি-বিষ্ণু’, ‘অকণিৰ ৰূপকথা’ (পুৰস্কাৰ প্ৰাপ্ত), ‘আমাৰ মহাপুৰুষ’, ‘অসম গৌৰৱ’, ‘মহৎ লোকৰ অমৰ বাণী’ আদি। বিশিষ্ট ভাষাবিদ ড° ভীমকান্ত বৰুৱাদেৱে ভাষা সাহিত্যৰ চৰ্চাৰ বাদেও নাগালেণ্ডৰ নগা ল’ৰা ছোৱালীৰ বাবে নাগামিজ ভাষাতে ছপা কৰি প্ৰকাশ কৰা প্ৰথম কুঁহিপাঠ ‘বাচ্ছা পাঠ’ৰ পিছতে শিশুৰ বাবে ‘ওমলা ঘৰ’কে ধৰি অন্যান্য শিশু সাহিত্য ৰচনা কৰে। তেখেতৰ পত্নী নীলিমা বৰুৱাই ‘প্ৰতিবিম্ব’ নামৰ পুথিত আহোম যুগৰ স্থাপত্য ভাস্কৰ্যৰ বিষয়ে চমু আভাস দিছে। সু-লেখিকা ডালিমী চলিহাই শিশুৰ বাবে ‘আবৃত্তি কৰো আঁহা’ নামৰ পুথি ৰচনা কৰাৰ বাদেও বিভিন্ন আলোচনীত শিশুৰ বাবে লিখি আহিছে। বিশিষ্ট সাহিত্যিক ৰত্নেশ্বৰ বৰাদেৱৰ শিশু সাহিত্যৰ প্ৰকাশিতগ্ৰন্থ হ’লঃ ‘অকণিহঁতলৈ মজা মজা সাধুকথা’। তেখেতে বাতৰি কাকত, আলোচনীৰ শিশু শিতানতো নিয়মীয়াকৈ লিখি আহিছে। ড° দিলীপ কলিতাৰ প্ৰকাশিত উল্লেখযোগ্য পুথিসমূহ এনেধৰণৰঃ ‘বান্দৰ ‘শিয়াল আৰু ভালুকৰ সাধু’, ‘ৰাক্ষসৰ সাধু’, ‘ৰং- বিৰঙৰ ভূত’(সাধু), ‘তাৰৈ আৰু আমৈ’(শিশু কবিতা), ‘নেজাল ৰাক্ষসৰ সাধু’, ‘শিয়াল ৰজাৰ সাধু’, ‘অজলা জোঁৱাইৰ সাধু’, ‘সোণ মইনাৰ সাধু’, ‘সোণ মইনাৰ ৰামায়ণ’, ‘সোণ মইনাৰ মহাভাৰত’ আদি। ‘শিশু সাহিত্য সমাজ, অসম’ৰ সাহিত্য-সাধিকা উপাধি লাভ কৰা পদ্মলতা য়েইনৰ শিশু সাহিত্যসমূহ হৈছেঃ ‘ৰূপোৱালী নিয়ৰ’, ‘মৰমৰ অকণিহঁতলৈ আইতাৰ চিঠি’, ‘আমাৰ ককা ড° দুৰ্গেশ্বৰ দলে’। ‘শিশু সাহিত্য সমাজ, অসম’ৰ আজীৱন সদস্য ধনীৰাম বৰুৱাৰ প্ৰকাশিত শিশু

সাহিত্যৰ গ্ৰন্থ হ'ল ঃ 'বন্ধু আৰু বন্ধুত্ব'। 'শিশু সাহিত্য সমাজ, অসম'ৰ সম্পাদক সমীৰণ কুমাৰ দাসৰ প্ৰকাশিত শিশুপযোগী পুথিসমূহ এনেধৰণৰ ঃ 'নতুন কবিতাৰ ৰং', 'কাকলি', 'মৌ কোঁহ', 'অকণিৰ একাংকিকা নাটক' আদি।

'শিশু সাহিত্য সমাজ, অসম'ৰ 'সাহিত্য সাধিকা' সন্মান লাভ কৰা কাঞ্চন বৰুৱাই 'কণ মইনাৰ কবিতা আৰু কিছু কথা' লিখি শিশু সাহিত্যলৈ বৰঙণি আগবঢ়াইছে। সাহিত্যিক পেঞ্চনাৰ হেমপ্ৰভা তাছাৰ শিশু সাহিত্যসমূহ এনেধৰণৰ ঃ 'আমাৰে মইনা শুব এ', 'কোমল চৰাইৰ সাধু', 'অজান দেশৰ সাধু', 'এধানি পোহৰ বোটলোঁ', আদি। বিশিষ্ট লেখিকা গৌৰী শইকীয়াৰ শিশু সাহিত্যসমূহ হৈছে ঃ 'সোণৰ পাহাৰৰ পখী', 'তিনি পইচাৰ খেল', 'আইতাৰ সাধু' আদি। আৰাধনা দত্তই 'বৰ্ণমালাৰ পদ্য', 'অলপ ধেমালি, অলপ তথ্য' (অকণিহঁতলৈ দুকুৰি পদ্য), 'ৰসিক ভাইটিৰ লিমাৰিক', 'বিশিষ্ট ব্যক্তিৰ বাল্যকাল' আদি ৰচনা কৰিছে। ড° ৰঞ্জু ভট্টাচাৰ্য্যই শিশুসকলৰ বাবে লিখা শিশুগীতৰ পুথিখনৰ নাম 'সুৰধ্বনি'। অসমীয়া আৰু বাংলা - উভয় ভাষাতে সাহিত্য-চৰ্চা কৰা সংগীতা বৰুৱা শইকীয়াই শিশু সাহিত্যলৈ আগবঢ়োৱা পুথিসমূহ হৈছে ঃ 'সমিধান সঁফুৰা', 'সময় বালিত সোণোৱালী খোজ', 'দীপ মামাৰ ডায়েৰী', 'চোটদেৰ ৰসৰাজ লক্ষ্মীনাথ বেজবৰুয়া' আদি। 'কথা বৈভৱ' বঁটা আদি লাভ কৰা হনুমান বক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ অধ্যাপক ড° মৃদুল শৰ্মাই শিশু সাহিত্য ৰচনা কৰিছে। অধুলালুপ্ত শিশু আলোচনী 'জ্ঞানপীঠ'ৰ সম্পাদক দেৱকৃষ্ণ বৰুৱা এগৰাকী বিশিষ্ট চিত্ৰশিল্পী, মনোহাৰী দেৱী কানৈ মহাবিদ্যালয়ৰ অৱসৰী ভাৰপ্ৰাপ্ত অধ্যক্ষা ড° গায়ত্ৰী দেৱী গোস্বামীয়ে অনুবাদ কৰা টলষ্টয়ৰ গ্ৰন্থখন হৈছে 'মানুহ কিদৰে জীয়াই থাকে'। ডাঃ মালাৰাণী দেৱী দত্তৰ প্ৰকাশিত শিশু-সাহিত্য ঃ 'বৰণীয় লোকৰ স্মৰণীয় কথা', 'বিজ্ঞানৰ কুৰিটা কথা'। ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ বাণিজ্য মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ বিভাগীয় প্ৰধান, 'অসম সাহিত্য সভা'ৰ 'অসম সংঘ আমেৰিকা বঁটা'প্ৰাপক ড° নৱজ্যোতি দত্তই শিশুৰ বাবে ৰচনা কৰা গীত, কবিতা, প্ৰবন্ধৰ লগতে কেইবাটাও শিশুপযোগী বিজ্ঞান-কবিতাও প্ৰকাশ পাইছে। কেইবাটাও কালজয়ী শিশুপযোগী বিজ্ঞানভিত্তিক কল্প-চুটিগল্প(Science Fiction Short Stories)ও বিভিন্ন কাকত-আলোচনীৰ পাতত প্ৰকাশ হোৱা ড° দত্তৰ দ্বাৰা অনূদিত 'বাঁহৰ ঘৰ', 'সূৰ্য নমা সাত খলপীয়া চিৰি'কৈ ধৰি কেইবাখনো শিশু-গ্ৰন্থ 'নেচনেল বুক ট্ৰাষ্ট'ৰ দ্বাৰা প্ৰকাশিত হৈছে। একে মহাবিদ্যালয়ৰে ড° বিদিশা মহন্তৰ কলমেৰে অন্যান্য শিশু-সাহিত্যৰ লগতে ই. নেছবিটৰ 'দি এনচাণ্টেদ কাছল'ৰ অসমীয়া অনুবাদ 'যাদু লগা দুৰ্গটো' নিসৃত হোৱাটোও আমাৰ বাবে গৌৰৱৰ কথা। আমাৰ এই লেখাত শিশুৰ বাবে লিখা শিশুসকলৰ তথ্য সামৰিব পৰা নাই যদিও ডিব্ৰুগড়ৰ লিটিল ফ্লাৱাৰ স্কুলৰ ছাত্ৰী নক্ষত্ৰ এছ. প্ৰিয়মৰ এঘাৰ বছৰ বয়সত'নতুন আৱিষ্কাৰ'ত প্ৰকাশিত তেওঁৰ 'পৃথিৱীৰ বন্ধুলৈ এখন চিঠি' শীৰ্ষক চুটিগল্পটোৱেই উত্তৰ-পূৰ্বাঞ্চলৰ আটাইতকৈ কম বয়সীয়াই লিখা বিজ্ঞানভিত্তিক কল্প-চুটিগল্প বুলিব পৰাৰ সম্ভাৱনাৰ কথাটোও, বিশেষকৈ এনে এক ধাৰাৰ চুটিগল্প লিখাটোও নিসন্দেহে আমাৰ ডিব্ৰুগড়বাসীৰ বাবে গৌৰৱৰ কথা। অধিবক্তা জয়ৰাম বৰাই কেইবাখনো শিশু-সাহিত্য ৰচনা কৰিছে। 'সদৌ অসম লেখিকা সমিতি'ৰ 'সদস্যা ৰত্ন' সন্মান লাভ কৰা ৰেণু ফুকনে ছাত্ৰ-ছাত্ৰীৰ বাবে 'চ্যুকাফা' শীৰ্ষক জীৱনী-গ্ৰন্থৰ ৰচনা কৰিছে। ডাঃ বিপিন্দ্ৰ নাথ কাকতিয়ে শিশুৰ স্বাস্থ্য সম্বন্ধীয় অনেক পুথি প্ৰৱন্ধ ৰচনা কৰিছে। হাতীমৰা প্ৰাথমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত সহকাৰী শিক্ষয়িত্ৰী লতিকা ভূঞা কলিতাৰ শিশুৰ বাবে ৰচিত পুথিসমূহ হৈছে ঃ 'শিশুৰ জ্যোতিপ্ৰসাদ' (জীৱনী আৰু গীত), 'বিপ্লৱী শিল্পী বিষ্ণু প্ৰসাদ ৰাভা' (জীৱনী আৰু গীত), 'ভাল ছাত্ৰ হোৱাৰ উপায়', 'গৰমৰ বন্ধত জোন, বেলি আৰু তৰা' আদি। নিৰ্মলা সোণোৱালৰ ৰচিত শিশু-পুথি হ'ল ঃ 'অকণিৰ অৰণ্য'। ড° মধুমিতা গোস্বামী বৰঠাকুৰে ৰচনা কৰা শিশু-সাহিত্যসমূহ হৈছে ঃ 'বাইবেলৰ সাধু', 'চিংকী, নয়নী আৰু সিহঁতৰ ধেমালি', 'শকুন্তলা'. 'অকণিৰ মুকুণ্ড মাধৱ',' সন্তোষ আৰু সেউজী পাতৰ সপোন' আদি। ড° জয়ন্ত কুমাৰ বৰাই শিশুৰ বাবে উপাদেয় পুথি ৰচনা কৰিছে। 'অসম সাহিত্য সভা'ৰ সভাপতি, বিশিষ্ট প্ৰকাশক সূৰ্য্য হাজৰিকাদেৱে বহু বছৰৰ আগতে শিশুৰ বাবে জানিবলগীয়া কথাৰ বিভিন্ন পুথি ৰচনা কৰিছিল। আকাশবাণী, ডিব্ৰুগড়ৰ 'সেউজ চ'ৰা'ইও শিশু-সাহিত্যৰ ক্ষেত্ৰখনলৈ যথেষ্ট বৰঙণি আগবঢ়াইছে। এই ক্ষেত্ৰত ৰঞ্জনা বৰুৱা, পৰশা কোঁৱৰ আদিৰ নাম উল্লেখযোগ্য। পৰশা কোঁৱৰে মহাপুৰুষ 'শ্ৰীমন্ত শংকৰদেৱৰ জীৱনী' শিশুৰ বাবে ৰচনা কৰি উলিয়াইছে। শিশু-সাহিত্যলৈ আকাশবাণীৰ বৰঙণিৰ ক্ষেত্ৰত ডাঃ ইন্টিকাবুৰ ৰহমানৰ নামো ল'ব পাৰি। 'অসম আদিত্য' কাকতত সাংবাদিক হৰেণ সোণোৱালে কাকতখনৰ 'মৌবন' শিতানত নিয়মীয়াকৈ মনোগ্ৰাহী শিশু-সাহিত্য লিখি আহিছে। বিশিষ্ট সাংবাদিক ভূষণজ্যোতি সন্দিকৈ আৰু অৰ্পণা বৰাই শিশুৰ নাটকৰ ক্ষেত্ৰত যথেষ্ট কাম কৰিছে। তেওঁলোকে শিশুৰ বাবে নাটকো ৰচনা কৰিছে। বাতৰি-কাকত, আলোচনীৰ পৃষ্ঠাত বিশিষ্ট শিশু সাহিত্যিক, গৈৰিকা বৰুৱা আহমেদ, সাহিত্যিক পেঞ্চনাৰ ড° ভাৰতী দত্তৰো বহুতো শিশুপযোগী লিখা-মেলা প্ৰকাশ পাইছে। থানুৰাম সোণোৱালে

'জানো আঁহা' নামৰ পুথি শিশুৰ বাবে ৰচনা কৰিছে। ডিব্ৰুগড়ৰ মিনু বৰুৱাই শিশুৰ বাবে সাধুৰ পুথি ৰচনা কৰিছে। ড° প্ৰাতসলতা বুঢ়াগোহাঁই, কুমকুম দত্তইও শিশুৰ বাবে লিখি আহিছে। ড° শান্তনু লহকৰে 'সঁফুৰা'ত স্বাস্থ্য বিষয়ক ৰচনা লিখিছিল। বিণু শৰ্মাই 'মইনাৰ সাধু', 'ভৌতিক কাহিনী' শিশুৰ বাবে ৰচনা কৰি উলিয়াইছে।। প্ৰসেনজিৎ কুমাৰ গোস্বামীৰ প্ৰকাশিত শিশু-সাহিত্যৰ গ্ৰন্থ মুঠ পোন্ধৰখন। ইয়াৰ ভিতৰত 'ল'ৰাৰ মিত্ৰদেৱ', 'অকণিৰ আইন-আদালত', 'পোহৰ বিচাৰি যাওঁ', 'ড° লীলা গগৈ', 'লাহেকৈ পৰিছে জুনুকা বাজিছে', 'সোণমণি পালেগৈ সপোনপুৰ', 'ড° নগেন শইকীয়া', 'শৈশৱৰ দিনবোৰ', 'ভাষা-সাহিত্যৰ তেৰগৰাকী মহাৰথী', 'চিৰবৰণীয় ড° ভূপেন হাজৰিকা', 'মামণি বাইদেউ', 'ফুলৰ দৰে হৃদয় যাৰ', 'ল'ৰাৰ ধ্বনি কবি' আদি উল্লেখনীয়। ডিব্ৰুগড়ৰ মোলাৰাম কোচে শিশুৰ বাবে প্ৰকাশ কৰা পুথিখনৰ নাম হ'ল ঃ 'অকণিৰ আধ্যাত্মিকতা'। 'শব্দৰথী' সন্মানেৰে সন্মানিত ৰুদ্ৰ গগৈদেৱেও শিশু সাহিত্যলৈ যথেষ্ট বৰঙণি আগবঢ়াইছে। বিশিষ্ট লেখক সুমন দত্তইও শিশুৰ বাবে লেখা মেলা কৰি আহিছে। শিখা বৰঠাকুৰ আগমাচাৰ্যৰ 'মইনাৰ সাধু' খোজ অসম'ৰ উদ্যোগত অনুষ্ঠিত গ্ৰন্থমেলাত উন্মোচন কৰা হৈছিল। গ্ৰন্থমেলাসমূহত লেখক আৰু প্ৰকাশকসকলে গ্ৰন্থমেলাৰ বাকৰিত গ্ৰন্থ উন্মোচন কৰাটো অসমীয়া ভাষা সাহিত্যৰ বাবে গৌৰৱৰ বিষয়। বিভিন্ন অনুষ্ঠানৰ অধিৱেশনতো বহুতো গ্ৰন্থ উন্মোচন কৰা হয়। বহু সময়ত লেখকসকলে নিজৰ টকা খৰচ কৰি গ্ৰন্থ প্ৰকাশ কৰিও আত্মতৃপ্তি লাভ কৰে। অপ্ৰিয় সত্য যে বহুতো লেখক-লেখিকাৰ গ্ৰন্থত কৰা খৰচ কোনো কালে ঘূৰি নাহিলেও গুৰুত্ব থকা বিষয়ৰ গ্ৰন্থৰ মূল্যায়নসময়ত হোৱাটো নিশ্চিত। উল্লেখযোগ্য যে 'শিশু সাহিত্য সমাজ, অসম'ৰ উদ্যোগত ২০১৭ চনত প্ৰায়বোৰ শিশু সাহিত্যিককে সামৰি এখন সাধুৰ পুথি' সাধু কথাৰ সাধু' প্ৰকাশ কৰা হৈছিল। ইলেকট্ৰনিক মাধ্যমেও অসমীয়া শিশু-সাহিত্যৰ উন্নতিত যথেষ্ট সহায় আগবঢ়োৱা দেখা গৈছে। বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাই কিতাপ এখন চকুত লগাকৈ প্ৰকাশ পোৱাত যথেষ্ট সহায় কৰিছে। এই কথা দিনৰ পোহৰৰ দৰে সত্য যে কিতাপৰ কোনো কালেই মৃত্যু নহয়। অসমীয়া শিশু-সাহিত্যৰ সোঁতো বিশাল ব্ৰহ্মপুত্ৰৰ পানীৰ দৰে চিৰদিন বৈ থাকিব।

•••




# ডিব্ৰুগড়ৰ চিকিৎসা সেৱা ঃ ঐতিহ্য আৰু উত্তৰণ

**ডাঃ প্ৰণয় ফুকন**

**উ**নবিংশ শতিকাৰ শেষ ভাগলৈকে ভাৰতৰ সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলত আধুনিক চিকিৎসা বিজ্ঞানৰ পোহৰ পৰা নাছিল। বেজালি আৰু অন্যান্য অন্ধবিশ্বাসৰ দ্বাৰাই চিকিৎসা চলিছিল। বৃটিছ্ৰ আগমনৰ লগে লগে সমাজৰ বিভিন্ন দিশত পশ্চিমীয়া সভ্যতা আৰু সংস্কৃতিৰ প্ৰভাৱ পৰিবলৈ আৰম্ভ কৰিছিল। দুই এজন প্ৰশিক্ষিত চিকিৎসক আহি অসম মুলুকত আহি ভৰি দিছিল। এই সন্ধিক্ষণতে ১৯৫৮ চনত জন বেৰী হোৱাইট নামৰ ২৩ বছৰীয়া বৃটিছ চিকিৎসক এজনে বেংগল মেডিকেল চাৰ্ভিছৰ অফিচাৰ হিচাবে ভাৰতত পদাৰ্পণ কৰিছিল। ঠাণ্ডা দেশৰ পৰা আহি গৰম ঠাইত জন বেৰী হোৱাইটৰ শৰীৰ অসুস্থ হৈ পৰাত তুলনামূলক ভাৱে ঠাণ্ডা ঠাই উজনি অসমলৈ পঠিয়াইছিল। কলিকতাৰ পৰা ব্ৰহ্মপুত্ৰ হৈ ষ্টিমাৰেৰে উজাই আহি এই তৰুণ এছিছটেণ্ট চাৰ্জনজনে নাগাখুলি ঘাটত নামি তেতিয়াৰ সেন্দূৰীয়া আলিয়েদি ডিব্ৰুগড়ত পদাৰ্পণ কৰিছিল। সেই সময়ৰ ডিব্ৰুগড় চহৰৰ সেই সেন্দূৰীয়া আলি আৰু বৃটিছ চাহাবৰ বাসগৃহসমূহ ১৯৫০ চনৰ বৰ ভূমিকম্পৰ ফলত ব্ৰহ্মপুত্ৰত বিলীন হ'ল। জন বেৰী হোৱাইট আহি তেতিয়াৰ অবিভক্ত লক্ষীমপুৰ জিলাৰ চিভিল চাৰ্জন হিচাবে যোগদান কৰি অঞ্চলটোত থকা ব্ৰিটিছ অফিচাৰ সকলৰ চিকিৎসাৰ উপৰি চাহ বাগানসমূহৰ চিকিৎসালয় সমূহৰ চিকিৎসা ব্যৱস্থা উন্নীতকৰণৰ দিশত বিশেষ মনযোগ দিছিল। সেই সময়ত চিভিল চাৰ্জনসমূহৰ যথেষ্ট প্ৰশাসনীয় ক্ষমতা আছিল। চিকিৎসা সেৱাৰ ক্ষেত্ৰত বেৰী হোৱাইটৰ নাম চৰকাৰৰ ওচৰত বিখ্যাত হৈ পৰিছিল। শুনা যায় ভাৰতীয় স্বাধীনতা সংগ্ৰামৰ উকমুকনিৰ সময়ছোৱাত হিংসাত্মক কাৰ্যকলাপ চলিছিল আৰু অসমৰ স্থানীয় মানুহৰ বিষযুক্ত ধনুকাড়েৰে বহুতো বৃটিছ চাহাব আঘাতপ্ৰাপ্ত হৈছিল। সেই সময়ত জন বেৰী হোৱাইটে যথেষ্ট পাৰদৰ্শিতাৰে সেইসকলৰ চিকিৎসা কৰিছিল। উচ্চ বিষয়াই জন বেৰী হোৱাইটৰ প্ৰশংসা কৰি অসমৰ সেই সময়ৰ কমিছনাৰলৈ লিখিছিল, "I have to add also the highly meriterious conduct of Assistant surgeon white, whose devotion and attention to the sounded, in position of great risk, was beyond all praise" অৱশ্যে কেৱল বৃটিছসকলকে নহয়, স্থানীয় চাহ বাগান আৰু অন্যান্য মানুহৰ স্বাস্থ্যৰ প্ৰতিও এই চিকিৎসকজনে যথেষ্ট প্ৰয়াস কৰিছিল।

কেৱল চিকিৎসাৰ ক্ষেত্ৰতে নহয়, বেৰী হোৱাইট চাহ আৰু কয়লাৰ ব্যৱসায়তো পাৰদৰ্শিতা দেখুৱাইছিল। উজনি অসমত 'অসম ট্ৰেডিং ক'ম্পেনী' আৰু শদিয়া-ডিব্ৰুগড় ৰে'লৰে পথ সৃষ্টিৰ ক্ষেত্ৰতো বেৰী হোৱাইট আছিল মূল মানুহ। তেওঁ চাহ বাগান পৰিচালনাৰ কামো কৰিছিল।

সুদীৰ্ঘ দিন উজনি অসমত কাম কৰাৰ পিছত অৱসৰ লৈ ইংলেণ্ডলৈ ঘূৰি যোৱাৰ প্ৰাক মুহূৰ্ততে বেৰী হোৱাইটে তেওঁৰ জমা টকাৰ পৰা তেতিয়াৰ দিনৰ পঞ্চাছ হাজাৰ টকা (এতিয়া যাৰ মূল্য এক কোটিতকৈও বেছি) ডিব্ৰুগড়ত এখন মেডিকেল স্কুল খুলিবৰ বাবে দান কৰি থৈ যায়। ১৮৯৬ চনত বেৰী হোৱাইটৰ লণ্ডনত মৃত্যু হয়। ১৮৯৮ চনত ডিব্ৰুগড়ৰ গ্ৰাহাম বজাৰ অঞ্চলত 'বেৰী হোৱাইট মেডিকেল স্কুল'ৰ শুভ আৰম্ভণি হয় আৰু ১৯০২ চনত আনুষ্ঠানিক উদ্বোধন কৰা হয়। সেই স্কুলৰ পৰা এল. এম. পি. চিকিৎসক (Licentiated Medical Practitioner), দুবছৰীয়া পাঠ্যক্ৰমৰ কম্পাউণ্ডাৰ, এক বছৰীয়া পাঠ্যক্ৰমৰ দ্বাৰা নাৰ্চিং এছিছটেণ্ট আদিৰ সৃষ্টি হ'বলৈ ধৰে। প্ৰাক্-স্বাধীনতাৰ যুগত অসমৰ বিভিন্ন অঞ্চলত এই এল.এম.পি. ডাক্তৰসকলে

*লেখক 'তিনিচুকীয়া চিকিৎসা মহাবিদ্যালয়'ৰ স্ত্ৰী আৰু প্ৰসূতি ৰোগ বিভাগৰ মুৰব্বী অধ্যাপক, এগৰাকী জনপ্ৰিয় চিকিৎসক তথা বিশিষ্ট কবি-সাহিত্যিক।*

চিকিৎসাসেৱা আগবঢ়াই আহিছিল আৰু কম্পাউণ্ডাৰসকলে চাহ বাগান, আঞ্চলিক চিকিৎসালয় আদিত সেৱা আগবঢ়াইছিল। এইদৰেই বিংশ শতাব্দীৰ আদিতেই অসমত আধুনিক চিকিৎসা সেৱাৰ আৰম্ভ হৈছিল। দ্বিমত নোহোৱাকৈয়ে আধুনিক চিকিৎসা সেৱাৰ গুৰু ভাগ কৃতিত্ব দিব লাগিব জন বেৰী হোৱাইটক। এই মহানুভৱ মনীষী দুজনৰ মংগলময় চিন্তা-চৰ্চাৰ কাৰণে অসমবাসী চিৰকৃতজ্ঞ। এইদৰেই ডিব্ৰুগড় চহৰ হৈ পৰিছিল অসমৰ আধুনিক চিকিৎসা সেৱাৰ বাটকটীয়া চহৰ।

ইয়াৰ পিছত ভাৰতে স্বাধীনতা লাভৰ প্ৰাক্‌মুহূৰ্তত ডিব্ৰুগড়ত এখন পূৰ্ণাংগ মেডিকেল কলেজ স্থাপনৰ যো-জা চলিছিল। স্বাধীনতা লাভ কৰা বছৰতে অসমৰ দুটা উল্লেখযোগ্য অনুষ্ঠান আৰম্ভ হৈছিল। শিক্ষাৰ ক্ষেত্ৰত গুৱাহাটী বিশ্ববিদ্যালয় আৰু মেডিকেল শিক্ষা আৰু সেৱাৰ ক্ষেত্ৰত ডিব্ৰুগড়ত 'অসম চিকিৎসা মহাবিদ্যালয'। নামটোৰ 'অসম' শব্দটো মন কৰিবলগীয়া। সমগ্ৰ অসমৰে চিকিৎসা সেৱাৰ মূল বিন্দু হৈ উঠিছিল 'অসম চিকিৎসা মহাবিদ্যালয'। আৰু উত্তৰ-পূবৰ সকলো অংশৰে পৰা ৰোগী আহি ইয়াত চিকিৎসা লাভ কৰিছিল। আমি ছাত্ৰ হৈ থকা অৱস্থাতো মণিপুৰ, মেঘালয়, ত্ৰিপুৰা, নগালেণ্ড, অৰুণাচল আদি সকলো ৰাজ্যৰে জটিল ৰোগীৰ সমূহ ডিব্ৰুগড়লৈ আহিছিল।

১৯৪৭ চনৰ তিনি নৱেম্বৰত অসম মেডিকেল কলেজৰ আনুষ্ঠানিক আৰম্ভণি হৈছিল। প্ৰিমিয়াৰ গোপীনাথ বৰদলৈ, ভুবনেশ্বৰ বৰুৱা আদি নেতাসকলৰ লগতে ডিব্ৰুগড়ৰ বহুতো উল্লেখযোগ্য ব্যক্তিৰ প্ৰচেষ্টাত বহুতো বাত বিতণ্ডাৰ শেষত মেডিকেল কলেজখন গঢ় লৈ উঠিছিল। সমগ্ৰ ডিব্ৰুগড়বাসীয়ে এই মেডিকেল কলেজখন ডিব্ৰুগড়ত স্থাপনৰ কাৰণে একপ্ৰকাৰ এক আন্দোলনৰ সূচনা কৰিছিল। এখন আধুনিক চিকিৎসা-সেৱাৰ প্ৰতিষ্ঠান ডিব্ৰুগড়ত স্থাপন হোৱাৰ আনন্দ সমগ্ৰ অসমতে বিয়পি পৰিছিল।

প্ৰথমে মেডিকেল কলেজৰ কামবোৰ জন বেৰি হোৱাইট মেডিকেলত আৰম্ভ হৈছিল আৰু বৰ্তমানৰ মেডিকেল কলেজৰ স্থানত তেতিয়া উপবিষ্ট আছিল 'আমেৰিকান মিলিটেৰী হস্পিটেল'। আমি চিকিৎসক হিচাপেও আমেৰিকান সৈন্যৰ চিকিৎসকসকলে এৰি থৈ যোৱা বহুতো সা-সৰঞ্জাম ব্যৱহাৰ কৰিছিলোঁ। আমেৰিকান মিলিটেৰী হস্পিটেলৰ ওচৰতে থকা ঘোঁৰা দৌৰা চাপৰিটো বৰ্তমান মেডিকেল কলেজৰ চৌহদলৈ পৰিৱৰ্তন হৈছিল। ১৯৫০ চনৰ ভুঁইকঁপৰ পিছত মেডিকেল কলেজখন সম্পূৰ্ণকৈ নতুন চৌহদলৈ স্থানান্তৰিত কৰা হয়। অৱশ্যে বেৰী হোৱাইট মেডিকেল কলেজৰ কিছুমান গৃহ এতিয়াও ৰাজ্যিক চিকিৎসা বিভাগে ব্যৱহাৰ কৰি আছে । শেহতীয়াকৈ এটা পুৰণি গৃহ সংৰক্ষণৰ ব্যৱস্থা কৰা হৈছে।

এই মেডিকেল কলেজখন ১৯৪৭ চনত ডাঃ হেম বৰুৱাক অধ্যক্ষ হিচাপে লৈ ৯২ জন ছাত্ৰৰে আৰম্ভ হৈছিল। সেই সময়ত মেডিকেল কলেজৰ শিক্ষক হিচাপে অসমীয়া মানুহ নাছিল আৰু ভাৰতৰ বিভিন্ন অঞ্চলৰ পৰা শিক্ষকসকল আহিছিল। বিশেষকৈ ভাৰত ,পাকিস্তান বিভক্ত হোৱাৰ পিছত লাহোৰ মেডিকেল কলেজ, ঢাকা মেডিকেল কলেজ আদিৰ কেইবাজনো জ্যেষ্ঠ শিক্ষকে আৰম্ভণিতে অসম চিকিৎসা মহাবিদ্যালয়ত যোগদান কৰিছিল। ইয়াৰ পিছত অৱশ্যে 'অসম চিকিৎসা মহাবিদ্যালয'ৰ বহুতো ছাত্ৰ-ছাত্ৰীয়ে এম.বি.বি.এছ পাঠ্যক্ৰম শেষ কৰি ইংলেণ্ডলৈ চৰকাৰী জলপানি লৈ 'ৰয়েল কলেজ'ৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী যেনে FRCP, FRCS, FRCOG আদি লৈ ঘূৰি আহি শিক্ষক হিচাপে যোগদান কৰি কলেজখনৰ শিক্ষাৰ সৌষ্ঠৱ বঢ়াইছিল। এই শিক্ষকসকলৰ উচ্চ পৰ্যায়ৰ শিক্ষাদান আৰু কৃতী ছাত্ৰ-ছাত্ৰীৰ সমাহাৰে ডিব্ৰুগড় মেডিকেল কলেজখনক চিকিৎসা শিক্ষাৰ এক তীৰ্থস্থানত পৰিণত কৰিছিল। এ. এম. চি.ৰ নাম পৃথিৱীত বিয়পি পৰিছিল। এ. এম. চি.ৰ পৰা উত্তীৰ্ণ হৈ বাহিৰলৈ যোৱা চিকিৎসকসকলৰ সুখ্যাতিও বিয়পি পৰিছিল। ভাৰতৰ বিভিন্ন ঠাইৰ উপৰি বিদেশৰ ছাত্ৰ-ছাত্ৰীও ইয়ালৈ পঢ়িবলৈ আহিছিল। ১৯৬২ চনত গুৱাহাটীত অসমৰ দ্বিতীয়খন মেডিকেল কলেজ স্থাপন নোহোৱালৈকে এ.এম.চি.য়েই আছিল সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ চিকিৎসা শিক্ষাৰ একমাত্ৰ অনুষ্ঠান।

এ. এম. চি.ৰ পৰা এতিয়ালৈকে আঠ হাজাৰতকৈ অধিক স্নাতক আৰু তিনি হাজাৰতকৈও অধিক বিশেষজ্ঞ চিকিৎসক উত্তীৰ্ণ হৈ ওলাই গৈ ভাৰতৰে নহয়, পৃথিৱীৰ বিভিন্ন ঠাইত সুখ্যাতিৰে সেৱা আগবঢ়াইছে। আৰম্ভণিতে ৯২ জন ছাত্ৰ-ছাত্ৰীৰে আৰম্ভ হোৱা এই মেডিকেল কলেজখনত বৰ্তমান বছৰি স্নাতক পৰ্যায়ত দুশজন স্নাতকোত্তৰ পৰ্যায়ত প্ৰায় ১৫০জন শিক্ষাৰ্থীৰ নামভৰ্তিকৰণৰ ব্যৱস্থা আছে।

চিকিৎসা বিজ্ঞানৰ স্নাতক, স্নাতকোত্তৰ পাঠ্যক্ৰমৰ উপৰি মহাবিদ্যালয়খনত ফাৰ্মাচি ডিপ্লমা, নাৰ্ছিং, কলেজ, ডেণ্টেল কলেজ, ফিজিঅ'থেৰাপিৰ পাঠ্যক্ৰম, লেবৰেটৰী পাঠ্যক্ৰম, অপাৰেচন থিয়েটাৰ টেকনিছিয়ান আদি বিভিন্ন পাঠ্যক্ৰমৰ প্ৰৱৰ্তন হৈছে আৰু সেইসমূহো সুচাৰুৰূপে চলি আছে।

অৱশ্যে এ.এম. চি.ৰ কিছুমান বিয়োগাত্মক দিশ নথকা নহয়। বৰ্তমানৰ টেক্‌নলজিৰ লগত মিল ৰাখি কলেজখনে যিমান অগ্ৰগতি লাভ কৰিব লাগিছিল, সিমানকৈ হৈ উঠা নাই। বিশেষকৈ ৰাজধানী চহৰ গুৱাহাটীত অৱস্থিত চৰকাৰী মেডিকেল কলেজখন

যি গতিত আগবাঢ়িল, তাৰ তুলনাত এই ঐতিহ্যপূৰ্ণ মেডিকেল কলেজখন পাছ পৰি থাকিল। তাৰ প্ৰধান কাৰণ নতুন চুপাৰ স্পেচিয়েলিটি পাঠ্যক্ৰমসমূহ চৰকাৰে গুৱাহাটীত কেতিয়াবাই আৰম্ভ কৰিলে যদিও এ. এম. চি.ত নামত মাথোন কেইটামান পাঠ্যক্ৰম দুবছৰমান আগেয়েহে আৰম্ভ কৰিছে। কেবাটাও বিভাগত এতিয়ালৈকে শিক্ষাৰ্থী নাই। লাহে লাহে এ.এম.চিয়ে পূৰ্বৰ সেই সুনাম ঘূৰাই অনাৰ চেষ্টা কৰিছে। কিন্তু, মই অনুভৱ কৰোঁ ১৯৪৭ চনত স্থাপন হোৱাৰ সময়ত কলেজখনৰ প্ৰতি ডিব্ৰুগড়বাসীৰ যি আগ্ৰহ, উদ্দীপনা আছিল, সেই পৰিমাণৰ সচেতনতা বৰ্তমান ডিব্ৰুগড়বাসীৰ নাই। ইয়াৰ প্ৰধান কাৰণ হয়তো ডিব্ৰুগড়ত লাহে লাহে গঢ় লৈ উঠা বেচৰকাৰী চিকিৎসালয়সমূহ, য'ত সামৰ্থ্যবানসকলে সুচিকিৎসা লাভ কৰিব পাৰে।

ডিব্ৰুগড়ৰ চিকিৎসা সেৱাৰ উত্তৰণৰ কথা ক'বলৈ গ'লে বেচৰকাৰী চিকিৎসালয়সমূহৰ কথা নোকোৱাকৈ নোৱাৰি। যিহেতু ডিব্ৰুগড় এটা সময়ত সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলৰ চিকিৎসা-সেৱাৰ কেন্দ্ৰ বিন্দু হৈ উঠিছিল, সেই সময়তে দুই-এখনকৈ বেচৰকাৰী চিকিৎসালযো স্থাপন হ'বলৈ আৰম্ভ হৈছিল।

ডাঃ আশাৰাম ডামানী নামৰ এজন মেধাবী যুৱকে উদ্যোগ লৈ নিজাকৈ ডামানী নাৰ্চিংহোমৰ আৰম্ভণি কৰিছিল। ইয়াৰ পিছতে যোৱা ত্ৰিশ চল্লিশ বছৰৰ ভিতৰত ডিব্ৰুগড় চহৰত সময়ে সময়ে কেইবাখনো উল্লেখযোগ্য প্ৰাইভেট হস্পিটেল স্থাপন কৰা হৈছে। তাৰ ভিতৰত আটাইতকৈ উল্লেখযোগ্য হস্পিটেলখন হ'ল 'আদিত্য ডায়েগনষ্টিক এণ্ড হস্পিটেল'। 'আদিত্য হস্পিটেল'ত বিভিন্ন উন্নত ধৰণৰ প্ৰযুক্তি থকাৰ উপৰি চিকিৎসা শিক্ষাৰ ক্ষেত্ৰতো এই চিকিৎসালয়খনৰ বৰঙণি আছে। এই চিকিৎসালয়ৰ ডি.এন.বি. (স্নাতকোত্তৰ ডিগ্ৰী)ৰ পাঠ্যক্ৰম সুচাৰুৰূপে প্ৰায় ডেৰ দশকজুৰি চলি আছে। 'আদিত্য নাৰ্চিং কলেজ'তে বছৰি জি.এন.এম. নাৰ্চিং পাঠ্যক্ৰম সুখ্যাতিৰে চলি আছে। চিকিৎসালয়খনে নিজাকৈ ফিজিঅ'থেৰাপী কলেজ আৰম্ভ কৰিও সেৱা আগ বঢ়াই আছে।

ডিব্ৰুগড় চহৰখনে মেডিকেল কলেজ আৰু অন্যান্য প্ৰাইভেট হস্পিটেলসমূহ থকাৰ সুবাদতে উজনি অসমৰ মেডিকেল চহৰ হিচাবে পৰিগণিত হৈছে। ব্ৰহ্মপুত্ৰৰ ওপৰত সাজি উলিওৱা দুখন দলং ক্ৰমে বগীবিল দলং আৰু ধলা-শদিয়া দলঙৰ কাৰণে উত্তৰ পাৰৰ বিভিন্ন জিলা আৰু অৰুণাচল প্ৰদেশৰ পৰা বহুতো ৰোগী সু আৰু উন্নত চিকিৎসাৰ কাৰণে ডিব্ৰুগড়লৈ আহিবলৈ ধৰিছে। সেয়েহে ডিব্ৰুগড় চহৰত চিকিৎসাৰ কাৰণে অহা লোকৰ সমাগম বাঢ়িছে।

ডিব্ৰুগড় চহৰত বিভিন্ন সময়ত চিকিৎসা বিজ্ঞানৰ বিভিন্ন বিভাগসমূহৰ বিভিন্ন ধৰণৰ কৰ্মশালা, চেমিনাৰ, কনফাৰেন্স আদি অনুষ্ঠিত হৈ থাকে। ভাৰতৰ আৰু বিদেশৰ পৰা অহা বিশেষজ্ঞসকলে এইবোৰ অনুষ্ঠানত অংশগ্ৰহণ কৰি চিকিৎসা বিজ্ঞানৰ নতুন নতুন আৱিষ্কাৰ প্ৰযুক্তি আদিৰ বতৰাৰ আদান-প্ৰদান কৰে। এইদৰেই চিকিৎসা সেৱাৰ ক্ষেত্ৰত ডিব্ৰুগড় চহৰে সম্পূৰ্ণ উজনি অসম, নাগালেণ্ড আৰু অৰুণাচলৰ জনসাধাৰণলৈ যোৱা এটা শতিকাতকৈও অধিক কাল আধুনিক চিকিৎসা সেৱা আগবঢ়াই আহিছে। অসম চিকিৎসা মহাবিদ্যালয়ৰ পৰা উত্তীৰ্ণ হোৱা বিশেষজ্ঞসকলৰ তত্ত্বাৱধান আৰু শিক্ষকতাত অসমৰ বিভিন্ন ঠাইত নতুন নতুন মেডিকেল কলেজ স্থাপন হ'বলৈ আৰম্ভ কৰিছে।

আমি আশা কৰোঁ অনাগত দিনবোৰত ডিব্ৰুগড় চহৰে পূৰ্বতকৈ সমৃদ্ধ ৰূপত অসমবাসীক চিকিৎসা সেৱা আগবঢ়াই যাবলৈ সক্ষম হ'ব আৰু ডিব্ৰুগড় চহৰখনো আগতকৈও এখন প্ৰাণোচ্ছল চহৰ হৈ সময়ৰ বুকুত চিৰকাল জিলিকি থাকিব।

●●●

# ডিবৰুৰ আইন জগত

**বিশ্বজিৎ বৰুৱা**

**অ**সম তথা আমাৰ এই সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰে আইনৰ ক্ষেত্ৰখনত ডিব্ৰুগড়ৰ এক সুনাম সেই তাহানি কালৰ পৰাই আছে।

এটা সময় আছিল যেতিয়া আইনৰ ডিগ্ৰীপ্ৰাপ্ত অধিবক্তাৰ সংখ্যা নিচেই সীমিত আছিল। ডিবৰুও ব্যতিক্ৰম নাছিল। ডিব্ৰুগড়ৰ মুষ্টিমেয় অধিবক্তাসকলেই তেতিয়াৰ লক্ষীমপুৰ জিলাৰ উপৰি কাষৰীয়া পাৰ্বত্য জিলাকেইখনলৈ মাহটোত চাৰি-পাঁচ দিনৰ বাবে গৈ আইনৰ সেৱা আগবঢ়াইছিল।

পাৰ্বত্য জিলাকেইখন পিছলৈ নাগালেণ্ড আৰু অৰুণাচল প্ৰদেশ হিচাবে ৰাজ্যৰ মৰ্যাদা লাভ কৰিলে যদিও আজিৰ পৰা কিছু বছৰৰ আগলৈকে ডিব্ৰুগড়ৰ অধিবক্তাসকলেই এক বৃহৎ অঞ্চলত আইনসেৱা আগবঢ়াইছিলগৈ। এইবাবেই হয়তো ডিব্ৰুগড়ৰ আইনজীৱিসকলে আইনৰ চৰ্চাৰ ক্ষেত্ৰত বিশেষ পৰিপক্কতা লাভ কৰিবলৈ সক্ষম হৈছিল আৰু ডিব্ৰুগড়ত বিচাৰাধীন অথবা বিচাৰকাৰ্য সমাপন হোৱা বহু গোচৰৰ বিষয়ে কলিকতা-এলাহাবাদ-দিল্লী আদিৰ আইনৰ ক্ষেত্ৰখনতো আলোচনা হৈছিল।

ডিব্ৰুগড়ৰ অধিবক্তাই কলিকতা হাইকৰ্টৰ উপৰি সৰ্বোচ্চ ন্যায়ালয়ৰ মজিয়াতো বলিষ্ঠভাৱে নিজৰ নিজৰ মক্কেলৰ গোচৰ পৰিচালনা কৰি সফল কাম হোৱাৰ নজিৰ আছে।

এইবিলাক কথা ডিব্ৰুগড়বাসীয়ে জানে নে নাজানে অথবা দেশৰ আইন জগতখনত ডিব্ৰুগড়ৰ অধিবক্তাই যি সুদৃঢ় স্বাক্ষৰ ৰাখি থৈ গৈছে, সেয়া লৈ গৌৰৱ কৰে নে নকৰে মই নাজানো। কিন্তু কলিকতা বা এলাহাবাদৰ নাগৰিকে নিজৰ গৌৰৱমণ্ডিত অতীতক যিদৰে শিৰ সমুন্নত কৰি সোঁৱৰণ কৰে দেখি সঁচাই ভাল লাগে।

অথচ দেশৰ অন্য অঞ্চলতকৈও দেশৰ আইনজগতত ডিব্ৰুগড়ৰ বলিষ্ঠ পদক্ষেপ আজিৰ তাৰিখতো ভোটা তৰাৰ দৰে জিলিকি আছে।

উদাহৰণস্বৰূপে কওঁ— ভাৰতবৰ্ষৰ সৰ্বোচ্চ ন্যায়ালয়ত একে সময়তে একেখন ৰাজ্যৰ, একেখন জিলাৰ, আনকি একেখন ৰাজহ গাঁৱৰে (Revenue village) দুজনকৈ আইনজ্ঞই সৰ্বোচ্চ ন্যায়ালয়ৰ সন্মানীয় ন্যায়াধীশৰ দুখনকৈ আসন শুৱনি কৰি ৰখাৰ সৌভাগ্য নিশ্চয় ভাৰতবৰ্ষৰ অন্য কোনো ৰাজ্য-জিলা-গাঁৱৰ হোৱা নাই। এয়া সম্ভৱ হৈছে কেৱল ডিব্ৰুগড়ৰ ক্ষেত্ৰতেহে

অসম ৰাজ্যৰ ডিব্ৰুগড় জিলাৰ ডিব্ৰুগড় টাউনৰ খলিহামাৰি ৰাজহ গাঁৱৰ স্বৰ্গীয় কেশৱ চন্দ্ৰ গগৈৰ পুত্ৰ শ্ৰী ৰঞ্জন গগৈ আৰু একে গাঁৱৰে স্বৰ্গীয় অনাদিভূষণ ৰয়ৰ পুত্ৰ শ্ৰী অমিতাভ ৰয়ে একে সময়তে ভাৰতবৰ্ষৰ সৰ্বোচ্চ ন্যায়ালয়ৰ অতি সন্মানীয় ন্যায়াধীশ পদত কাৰ্যৰত হৈ ডিব্ৰুগড়ৰ নাম ভাৰতবৰ্ষৰ আইনজগতত উজ্জ্বলাই তুলিবলৈ সক্ষম হৈছিল। বৰ্তমানে দেশৰ ন্যায় বিভাগৰ সৰ্বোচ্চ পদত অধিষ্ঠিত হৈছে শ্ৰী ৰঞ্জন গগৈ। ডিব্ৰুগড়ৰ এই দুই উজ্জ্বল জ্যোতিষ্কই ভাৰতৰ আইনজগত পোহৰাই তুলিবলৈ সক্ষম হোৱাৰ লগতে ডিব্ৰুগড়বাসীলৈও বিৰল গৌৰৱ কঢ়িয়াই আনিছে ।

এয়া আমাৰ বাবে হিয়া-মন শাঁত পৰি যোৱা এক বিৰল পৰিঘটনা নহয়নে?

আমাৰ ভৱিষ্যৎ প্ৰজন্মৰ বাবে উৎসাহ-উদ্যমৰ এয়া এক অনন্য নিদৰ্শন হ'ব নোৱাৰেনে?

আহক, ডিবৰুৰ আইন জগতৰ অতীতত আজি অকণমান ভুমুকি মাৰি চাওঁ।

**Local Wisemen (লোকেল ৱাইজমেন)**

১৮ শতিকাৰ আগভাগত ডিব্ৰুগড়ত দুজন বিচাৰপতি নিয়োগ কৰা হৈছিল। তেওঁলোকক 'সদৰ আমিন' আৰু 'সদৰ মুন্সিফ' বোলা হৈছিল।

*লেখক এগৰাকী বিশিষ্ট অধিবক্তা তথা সাংবাদিক হোৱাৰ উপৰি এগৰাকী মননশীল নিবন্ধকাৰ। 'সপোন চহৰ ঃ ঐতিহ্যমণ্ডিত ডিবৰু' তেখেতৰ তথ্যপূৰ্ণ অথচ মনোৰম শৈলীৰ উল্লেখনীয় গ্ৰন্থ।*

উল্লেখযোগ্য যে, তেতিয়া কোনো লিখিত আইন নাছিল যদিও ব্ৰিটিছ সংসদে ইউনিফৰ্ম চিভিল কোড (Uniform Civil Code) প্ৰস্তুত কৰাৰ ব্যৱস্থা কৰিছিল। এই দুজন বিচাৰপতিৰ পদত প্ৰথম অৱস্থাত ইংৰাজ ব্যক্তিকে নিয়োগ কৰা হৈছিল যদিও কেইবছৰমান পিছতে স্থানীয় শিক্ষিত লোকৰ বাবে এই পদ দুটা এৰি দিয়া হৈছিল। আপীলিয় আদালত (Appellate court) ত অৱশ্যে ইংৰাজ বিচাৰপতিয়েই বহিছিল।

এই বিচাৰপতিসকল ইংৰাজ হোৱা বাবে তেওঁলোকে স্থানীয় মানুহক দোভাষী হিচাবে বিচাৰিছিল যদিও সেই সময়ত ইংৰাজী বা হিন্দী জনা মানুহ এই অঞ্চলত একেবাৰে নথকাৰ বাবে বাহিৰৰ পৰা মানুহ আনি ইংৰাজে কাম চলাবলগীয়া হোৱা বাবেই বাংলা ভাষাই অসমক গো-গ্ৰাসে গিলিবলৈ আৰম্ভ কৰিছিল।

স্থানীয় ল'ৰা কলিকতালৈ গৈ ওকালতি পঢ়ি শিক্ষা সাং কৰি উকীল হিচাবে পঞ্জীয়নভুক্ত হ'বলৈ যিহেতু যথেষ্ট সময়ৰ প্ৰয়োজন হৈছিল, সেয়েহে ব্ৰিটিছ সংসদে নিয়ম কৰি জিলা জজক উকীল নিয়োগ কৰাৰ অধিকাৰ দিছিল। জজে নিয়োগ কৰা ব্যক্তিজন ওকালতি পাছ নকৰা হ'ব লাগিব — should not be a qualified lawyer।

উজনি অসমৰ বহু মৌজাদাৰ বা সমাজৰ উচ্চস্তৰীয় ব্যক্তিক মোকৰ্দমাত বাদী বা বিবাদীৰ হৈ গোচৰ পৰিচালনা কৰিবলৈ উকীল হিচাবে নিযুক্তি দিয়াৰ কাকত-পত্ৰ জিলা উপায়ুক্তৰ কাৰ্যালয়ৰ মহাফেজখানা (Mahfoozkhana) ত দেখিবলৈ পালোঁ।

উকীল নাছিল এই অঞ্চলত। উকীল নথকাকৈতো আদালত নচলেহু সমাজৰ কিছুসংখ্যক মুখিয়াল লোকক ডিষ্ট্ৰিক্ট কালেক্টৰে নিজস্ব এক্তিয়াৰ অনুযায়ী 'প্লীডাৰ' হিচাপে নিযুক্তি দি গোচৰ পৰিচালনা কৰাৰ ব্যৱস্থা কৰিছিল। এনে মুখিয়াল লোকক চৰকাৰীভাৱে *লোকেল ৰাইজমেন* বুলি সম্বোধন কৰা হৈছিল।

**আদালতত অসমীয়া ভাষা**

ইংৰাজী ভাষাৰ জ্ঞান নথকাকৈ কাছাৰীৰ কাম-কাজ চলোৱাটো কঠিন।

উল্লেখযোগ্য যে ইংৰাজ শাসনৰ আৰম্ভণি সময়ছোৱাত অসমত ইংৰাজী শিক্ষাৰ প্ৰচলন নাছিল। ১৮৩৫ চনত লৰ্ড বেণ্টিংকৰ ঘোষণা অনুযায়ী অসমৰ প্ৰতিখন জিলাত একোখনকৈ স্কুল প্ৰতিষ্ঠা কৰাৰ দিহা কৰা হয়।

কিন্তু ১৮৩৬ চনত কোম্পানীয়ে অসমীয়া ভাষাৰ স্বীকৃতি তুলি লৈ বাংলা ভাষা প্ৰৱৰ্তন কৰাৰ ফলস্বৰূপে এক ব্যাপক খেলিমেলিৰ সৃষ্টি হয়। এনে ভাষা নীতিৰ বাবে অসমলৈ বংগৰ পৰা ইংৰাজী জনা অসংখ্য লোকক আমদানি কৰা হয়। এই আমদানিকৃত লোকসকলক মূলতঃ চৰকাৰী কাৰ্যালয়-কাছাৰীত নিযুক্তি দিয়াত এই কাৰ্যালয়-কাছাৰীসমূহ বংগীয় লোকেৰে ভৰি পৰিল।

এই স্কুলবিলাকত পাঠদান কৰিবৰ বাবে বংগৰ পৰা ইংৰাজী ভাষা জনা অসংখ্য শিক্ষককো আমদানি কৰা হৈছিল। ইয়াৰ ভিতৰৰে এজন আছিল হৰিশ চন্দ্ৰ বাগসী। বংগদেশৰ ফৰিদপুৰ জিলাত জন্ম হোৱা বাগসী ইংৰাজী বিষয়ৰ বি.এ. আৰু আইনৰ স্নাতক আছিল। কিন্তু শিক্ষকতা কৰিবলৈ অহা বাগসীক তদানীন্তন ডেপুটি কমিচনাৰে শিক্ষকতাৰ পৰিৱৰ্তে ওকালতি কৰিবলৈ অনুৰোধ জনায়।

সেইমৰ্মে হৰিশ চন্দ্ৰ বাগসীয়ে ১৮৭২ চনত ডিবৰুৰ কাছাৰীত প্ৰথমজন উকীল হিচাপে যোগদান কৰে। ইয়াৰ পিছত ১৮৭২ চনৰ পৰা ১৮৯৮ চনলৈকে আৰু সাতজন উকীল বৃদ্ধি পোৱাৰ তথ্য পোৱা যায়। এওঁলোক হৈছে— আৰ.চি. মিত্ৰ, ডি. এন. দাস, শিৱৰাম শৰ্মা, চি. কে. চক্ৰৱৰ্তী, পি.চি. গাংগুলি, মুন্সী কাফায়ত উল্লা আৰু মুন্সী আমিন ফাজি। ১৮৭২ চনত হৰিশ চন্দ্ৰ বাগসীৰে আৰম্ভ হোৱা অনুষ্ঠানটি ১৯৩৫ চনলৈকে Dibrugarh Bar Library নামেৰে জনাজাত আছিল।

১৯৩৬ চনত সমিতি পঞ্জীকৰণ আইন অনুযায়ী পঞ্জীয়ন কৰি Dibruugarh Bar Association নামেৰে নামকৰণ কৰা হয়। এই সন্থাৰ পঞ্জীয়ন নং ১/১৯৩৬।

যি কি নহওক আনন্দৰাম ঢেকিয়াল ফুকন, গুণাভিৰাম বৰুৱা, ফাডাৰ নাথান ব্ৰাউন, মাইলছ ব্ৰন্সন, ৰেভাৰেণ্ড কট্টাৰ, হেমচন্দ্ৰ বৰুৱা আদি ব্যক্তিসকলৰ আশাসুধীয়া প্ৰচেষ্টাত অসমত যেনিবা আকৌ অসমীয়া ভাষাৰ প্ৰচলন আৰম্ভ হ'ল।

১৮৮০ চনৰ পৰা অসমৰ আদালতত অসমীয়া ভাষাৰ প্ৰচলন হ'ল।

**Bar Library (বাৰ লাইব্ৰেৰী )**

১৮৮০ চনত কাছাৰী ভৱন সম্পূৰ্ণ হোৱাৰ পিছত এই ভৱনৰ কাষতে থকা ডিবৰুৰ প্ৰথমজন চিভিলিয়ান ডেপুটি কমিচনাৰ মেক উইলিয়াম চাহাবৰ বঙলাটো DIBRUGARH BAR ASSOCIATION ক প্ৰদান কৰা হয়।

প্ৰথম অৱস্থাত উকীল সন্থাৰ পৰা চৰকাৰে এই ঘৰটোৰ বাবদ বছৰি এটকা ভাড়া লৈছিল যদিও কাছাৰীৰ সৈতে ক'ৰ্ট অফিচাৰ হিচাবে যুক্ত হৈ থকা উকীলসকলক বহা আৰু অধ্যয়নৰ সুবিধা দিয়াটো চৰকাৰী দায়িত্ব হিচাবে ঘোষণা কৰাত ভাড়াৰ প্ৰসংগ সিমানতে তল পৰিল।

আজি মেক উইলিয়াম হলৰ চিন-চাব নাইকিয়া হ'ল। পুৰণি ঘৰটো ভাঙি তাত নতুন অট্টালিকা সজোৱা হৈছে।

ডিব্ৰুগড় উকীল সন্থাৰ ইতিহাস অধ্যয়ন কৰা মহেন্দ্ৰ নাথ গগৈৰ মতে, Dibrugarh Bar Association ৰ সেই তাহানি কালৰ পৰাই এক বিশেষত্ব আছিল যে সমাজ, সাহিত্য, সংস্কৃতি, ৰাজনীতি আদিৰ প্ৰতি বিশেষভাৱে অৰিহণা যোগোৱা ব্যক্তিসকলৰ ইয়াতে সমাৱেশ ঘটিছিল।

Dibrugarh Bar Association ৰ প্ৰথম ছজন খ্যাতনামা প্ৰবীণ উকীলৰ ভিতৰত শিৱনাথ শৰ্মা, বি.এল. দেৱৰ নাম আমি এইখিনিতে উল্লেখ কৰিব পাৰোঁ। তেখেতৰ জন্মস্থান যদিও ৰজাদিনীয়া যোৰহাট নগৰত আছিল, তেখেতে কৰ্মময় জীৱনৰ অধিক কাল অতিবাহিত কৰিছিল ডিব্ৰুগড় নগৰত।

তেখেতৰ সেইকালৰ বন্ধু সতীৰ্থসকল আছিল ডিব্ৰুগড় নগৰৰ বিশিষ্ট লোক-- বিখ্যাত চাহ খেতিয়ক প্ৰসন্ন কুমাৰ বৰুৱা, উজনি অসমৰ প্ৰথম গ্ৰেজুৱেট জগন্নাথ বৰুৱা, বি.এ, ৰায় বাহাদুৰ সদানন্দ দুৱৰা, বি.এল., খ্যাতনামা সাংবাদিক-সাহিত্যিক লব্ধ প্ৰতিষ্ঠ ফৌজদাৰী উকীল বশম্বদ মিত্ৰ- এম.এ., বি.এল., *Times Of Assam* ৰ প্ৰতিষ্ঠাপক ডিব্ৰুগড় নগৰৰ অন্যতম খনিকৰ ৰাধানাথ চাংকাকতি আদি অসমৰ বৰেণ্য লোকসকল।

চাংকাকতিদেৱ যথাক্ৰমে ১৮৯৮ চনত ডিব্ৰুগড় বাৰ লাইব্ৰেৰীৰ চেক্ৰেটাৰী আৰু ১৯১৫ চনত সভাপতি আছিল। ইয়াৰ উপৰি তেখেত আছিল ডিব্ৰুগড় মিউনিচিপেলিটিৰ উপ-সভাপতি।

বাৰ লাইব্ৰেৰীৰ আন এজন খ্যাতনামা ফৌজদাৰী উকীল হ'ল একালৰ অসমৰ 'টাইমছ্ অব আসাম' কাকতৰ বিশিষ্ট সাংবাদিক বশম্বদ মিত্ৰ।

তেখেতে কেৱল ওকালতি ব্যৱসায়তেই নহয়,অসমৰ উন্নতিৰ হকে বিভিন্ন দিশত বিভিন্নভাৱে বৰঙণি আগবঢ়াই গৈছে। বিশেষকৈ 'টাইমছ্ অব আসাম' কাকতৰ লগত জড়িত থাকি সংবাদ জগতত যি অৱদান দি গ'ল, তাৰ বাবেই তেখেতআমাৰ মাজত চিৰস্মৰণীয় হৈ ৰ'ব।

আজিৰ প্ৰবীণ উকীলসকলৰ মুখত শুনা মতে সেই সময়ত জিলাৰ ডেপুটি কমিচনাৰ চাহাবসকলক উকীলসকলেও সমীহ কৰি ওকালতি কৰিবলগীয়া হৈছিল। ডেপুটি কমিচনাৰ কাছাৰীলৈ সোমাই আহিলে সকলো উঠি দিব লগা হৈছিল। তেনে সময়তো কিন্তু মিত্ৰই নিৰ্ভীকভাৱে কাম কৰি গৈছিল আৰু নিজৰ স্বাধীন মনৰ পৰিচয় দিছিল।

মিত্ৰই ডিব্ৰুগড়ৰ পৰাই 'ইষ্টাৰ্ণ হেৰেল্ড' আৰু 'চিটিজেন' নামৰ দুখন কাকত প্ৰকাশ কৰিছিল। তেওঁ মূলতঃ বংগভাষী আছিল যদিও অসমীয়া জাতীয়তাবাদী শিবিৰৰ সৈতে প্ৰগাঢ় সম্পৰ্ক আছিল। অসমৰ প্ৰথম জাতীয়তাবাদী ৰাজনৈতিক অনুষ্ঠান অসম এছ'চিয়েনচনৰ তেওঁ বিশিষ্ট সদস্য আছিল আৰু সেয়েহে তেওঁ ডিব্ৰুগড়ৰ সামাজিক আৰু ৰাজনৈতিক জীৱনত বিশিষ্ট আসন লাভ কৰিছিল।

ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনলৈ বিশেষ অৰিহণা আগবঢ়োৱা অন্যতম অধিবক্তা আছিল শ্যামচন্দ্ৰ চৌধুৰী, লক্ষেশ্বৰ বৰুৱা, ফৈইজনুৰ আলী, যোগেশ চন্দ্ৰ গোহাঁই, ভীমবৰ দেউৰী আদি।

মহেন্দ্ৰ নাথ গগৈৰ 'ডিবৰুৰ পাৰে পাৰে' শীৰ্ষক প্ৰবন্ধত উল্লেখ কৰিছে—Dibrugarh Bar Library ৰ সদস্যসকলে নিজৰ ব্যৱসায়তে ব্যস্ত নাছিল। সামাজিক কাম-কাজ, সাহিত্যসেৱা, শিক্ষা প্ৰচাৰৰ ক্ষেত্ৰত বহুখিনি অৰিহণা আগবঢ়াই থৈ গৈছে।

সেই সময়ৰ দুৰ্যোগৰ মাজতো শিক্ষাৰ ক্ষেত্ৰত আগবঢ়োৱা অৰিহণাৰ বাবে তেখেতসকল আমাৰ মাজত সদায়ে জীয়াই থাকিব।

এই *বাৰ এছ'চিয়েচন*ৰ গৌৰৱমণ্ডিত অতীত আছে।

এই বাৰৰ পৰাই ওলাই গৈ দুজন ব্যক্তি অসমৰ মুখ্যমন্ত্ৰী হৈছিলগৈ। পাৰ্বতি কুমাৰ গোস্বামী গৈ সৰ্বোচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ হৈছিলগৈ। একেদৰে ন্যায়াধীশ তথা উপাচাৰ্য শৰৎ কুমাৰ দত্ত; ন্যায়াধীশসকল চফিকুল হক, বি এল হান্সাৰিয়া, ডি এন বৰুৱা আদি এই বাৰৰে সদস্য আছিল।

জাতীয় আন্দোলনৰ অগ্ৰণী নেতৃবৃন্দ যোগেশ বৰগোহাঁই, লক্ষেশ্বৰ বৰুৱা, ফাইজুনৰ আলি, জীৱন ফুকন আদিও এই বাৰৰ পৰাই ওলাই যোৱা স্বাধীনতা-সেনানী। ভীমবৰ দেউৰীৰ কথা আজি কোনে পাহৰিব পাৰে? সদানন্দ দুৱৰা, শক্তিপদ পাত্ৰ, বশম্বদ মিত্ৰ আদিৰ লেখীয়া অধিবক্তা এইখন বাৰৰে সদস্য আছিল।

ওকালতি জীৱনৰ লগে লগে সাংবাদিকতাৰ ক্ষেত্ৰতো অগ্ৰণী ভূমিকা লোৱা ৰমেশ চন্দ্ৰ চাংকাকতি, দুৰ্গানাথ চাংকাকতি আদিক আজি কোনে পাহৰিব পাৰে?

ইয়াৰ পিছত ডিব্ৰুগড় বাৰ লাইব্ৰেৰীৰ ইতিহাস অধিক গৌৰৱমণ্ডিত।

অধিবক্তা খান চাহাব চয়িদুৰ ৰহমান ইয়াৰ সদস্যসকলৰ মাজৰ পৰা গৈ সুদক্ষ মন্ত্ৰী হৈছিলগৈ। পিছত মন্ত্ৰীসভালৈ গৈছিল ৰমেশ মোহন কুলি, ললিত চন্দ্ৰ দলে, ভীমবৰ দেউৰী। তাৰ আগৰচাম-- ফৈজনুৰ আলি, যোগেশ চন্দ্ৰ গোহাঁই আদি। পিছলৈ যোগেন হাজৰিকা, কেশৱ চন্দ্ৰ গগৈ আদি অসমৰ মুখ্যমন্ত্ৰী হৈছিলগৈ। প্ৰবীণ কংগ্ৰেছী সুদক্ষ মন্ত্ৰী ভীমবৰ দেউৰী, ৰমেশ চন্দ্ৰ বৰুৱা এই সন্থাৰে সদস্য আছিল।

ৰাধানাথ চাংকাকতিদেৱৰ বহু সিদ্ধান্তই চৰকাৰে গ্ৰহণ কৰিবলৈ বাধ্য হৈছিল। এই বাৰ লাইব্ৰেৰীৰ সদস্য পাৰ্বতী কুমাৰ গোস্বামী গৈ সৰ্বোচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ হৈছিলগৈ। প্ৰয়াত

গোস্বামীদেৱে ডিব্ৰুগড়ত তেতিয়াই মুকলি কৰা আইনগত দিহা-পৰামৰ্শ আগবঢ়োৱা ফাৰ্ম 'এছ'চিয়েটেড ল এডভাইজৰছ' তেখেতৰ সুযোগ্য পুত্ৰ, সৰ্বোচ্চ ন্যায়ালয়ৰ অধিবক্তা শ্ৰী প্ৰশান্ত কুমাৰ গোস্বামীদেৱৰ পৰামৰ্শৰে প্ৰয়াত গোস্বামীদেৱৰ ভতিজা, অধিবক্তা তথা শিশু সাহিত্যিক প্ৰসেনজিৎ কুমাৰ গোস্বামী আৰু এই নিবন্ধৰ লেখক জড়িত হৈ কাম-কাজখিনি আগবঢ়াই নিবলৈ পাই ধন্য মানিছোঁ।

উল্লেখযোগ্য যে ব্ৰিটিছে ১৮৪০ চনতেই ইয়াত আৰম্ভ কৰা ন্যায়িক ব্যৱস্থা আৰু ইয়াৰ বিৱৰ্তনত ডিব্ৰুগড় আদালতৰ যি ভূমিকা সেয়া ইতিমধ্যে সৰ্বজন স্বীকৃত হৈছে। এই আদালতৰ যোগেদিয়েই ভাৰতৰ ন্যায়িক ব্যৱস্থাৰ বিৱৰ্তনত প্ৰভাৱ পেলাবলৈ সক্ষম হোৱা উজ্বল জ্যোতিষ্কস্বৰূপ আইনজ্ঞসকলৰ অৱিহণাও ভাৰতীয় ন্যায়িক ব্যৱস্থাত ইতিমধ্যে স্বীকৃত হৈছে।

Dibrugarh Bar Association ৰ সদস্যসকলৰ মাজৰ পৰাই কেৱল ন্যায়ালয়ৰে নহয়; বৰঞ্চ হাৰিয়ানাৰ কুৰুক্ষেত্ৰ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য পদত আসীন হৈছে, দুজনকৈ সদস্যই অসমৰ মুখ্যমন্ত্ৰীৰ আসনতো অধিষ্ঠিত হৈছে। ইতিমধ্যে কৈ অহা হৈছে যে জাতীয় আন্দোলনৰ অগ্ৰণী নেতৃবৃন্দৰ বুজনসংখ্যক এই সন্থাৰে সদস্য আছিল। আজিৰ তাৰিখতো অসমৰ আইন জগতৰ কেইবাজনো তাৰকা এই সন্থাৰ সদস্য।

## Habibur Rahman, Advocate : A Life Sketch
## নেতাজীৰ পৰামৰ্শদাতা হবিবুৰ ৰহমান

হবিবুৰ ৰহমান। তেখেতে যে স্বদেশৰ স্বাধীনতাৰ বাবে নেতাজী সুভাষ চন্দ্ৰ বসুৰ সৈতে নিজৰ জীৱন উছৰ্গা কৰিছিল সেই গৌৰৱমণ্ডিত কথা নতুন পুৰুষৰ বহুতেই নাজানে।

আইনজ্ঞ হবিবুৰ ৰহমান আছিল নেতাজী সুভাষ চন্দ্ৰ বসুৰ পৰামৰ্শদাতা মণ্ডলীৰ এজন অন্যতম সদস্য। সেই হিচাবে তেওঁ 'আজাদ হিন্দ ফৌজ' (Indian National Army, চমুকৈ INA)ৰ ৰাজনৈতিক শাখাৰ এক গুৰুত্বপূৰ্ণ অংশৰ দায়িত্বত আছিল।

সুভাষ চন্দ্ৰ বসুৰ বিমান দুৰ্ঘটনাত মৃত্যু হোৱাৰ সময়ত হবিবুৰ ৰহমান একেখন বিমানতে তেওঁৰ সাৰথি হৈ আছিল।

বিশিষ্ট সাহিত্যিক-গৱেষক সাৰংগধৰ ৰাজখোৱাই হবিবুৰ ৰহমানৰ মৃত্যু সম্পৰ্কত লিখিছে — "I remember an interesting episode. Habibur Rahman once a great friend of mine was practising in the Dibrugarh Bar. I had to negotiate a matrimonial alliance between a Muslim girl of a reputed Assamese Muslim family and my friend Habibur Rahman. He used to stay at a hired house in the town and I need to visit him whenever I found time. But I failed to persuade him to agree to my proposal. One day that he disappeared. After sometime I learnt that he joined the Indian National Army organized by Netaji Subhash Bose, who later was reported to have died in plane crash. I heard also that Habibur Rahman was with Netaji. It is still mystery like the mystery of Netaji himself." *(Assam Tribune, March 1, Sunday 1991)*

মহেন্দ্ৰ নাথ গগৈয়ে লিখিছে — "নেতাজী সুভাষ বসুৰ মৃত্যু সম্পৰ্কে পৃথিৱীৰ বিভিন্ন দেশত তোলপাৰ লাগিছে। কিন্তু দুখৰ কথা আমাৰ মাজৰে এজন হবিবুৰ ৰহমানে সেই একে উদ্দেশ্যেৰেই দেশৰ স্বাধীনতাৰ বাবে জীৱন উছৰ্গা কৰিলে, তথাপি আমি একো নাজানো বা জানিবলৈ ইচ্ছা নকৰোঁ।'

হোমেন বৰগোহাঞিয়ে কৈছে —

অসমৰ সাহিত্য আৰু সংবাদ জগতৰ এজন প্ৰখ্যাত লোক শ্ৰীযুত হোমেন বৰগোহাঞিয়ে এনেদৰে কৈছে — "মই ডিব্ৰুগড়ত ছাত্ৰ হৈ থাকোতেই এটা কথা মন কৰিছিলোঁ যে সেই সময়ত ডিব্ৰুগড়ৰ বঙালীসকলৰ মাজত পৰোপকাৰ আৰু নিঃস্বাৰ্থ সমাজসেৱাৰ প্ৰৱণতা আছিল।

পৰোপকাৰ কৰাৰ ক্ষেত্ৰত তেওঁলোকে কেতিয়াও অসমীয়া- বঙালীৰ ভেদভাৱ মনলৈ নানিছিল। উদাহৰণস্বৰূপে শিশিৰ দাস নামৰ এজন ডেকা ব্যায়ামবীৰে ডিব্ৰুগড় চৰকাৰী হাইস্কুলৰ বাকৰিত সদায় গধূলি এজাক ল'ৰাক বিনা পাৰিশ্ৰমিকে ব্যায়াম শিকাইছিল। তেওঁৰ শিষ্যবোৰৰ ভিতৰত বঙালীতকৈ অসমীয়া ল'ৰাই বেছি আছিল।

ক'বলৈ দুখ লাগে আমাৰ অতি মৰমৰ শিশিৰ দাৰ ডেকা বয়সতে অকাল মৃত্যু হ'ল। শিশিৰ দাই যদি আমাৰ শাৰীৰিক উৎকৰ্ষ সাধনৰ দায়িত্ব লৈছিল, আমাৰ মানসিক উৎকৰ্ষ সাধনৰ দায়িত্ব স্বেচ্ছাই গ্ৰহণ কৰিছিল অমল বাগচীয়ে।

অমল বাগচীয়ে ওকালতি কৰিছিল।

তেখেতৰ নিজৰ এটি ব্যক্তিগত লাইব্ৰেৰী আছিল। আন উকীলে কাছাৰীৰ পৰা আহি বিছনাত বাগৰি জিৰণি লয় অথবা খোজকাঢ়ি ফুৰিবলৈ যায় অথবা কাৰোবাৰ ঘৰত গৈ অলপ সময় আড্ডা মাৰে।

অমল বাগচীয়ে কিন্তু কাছাৰীৰ পৰা আহি চাহ জলপান খায়েই নিজৰ লাইব্ৰেৰীত বহিছিল। তেওঁ কিছুমান বচা বচা ছাত্ৰক

তেওঁৰ ব্যক্তিগত লাইব্ৰেৰীৰ সদস্য কৰি লৈছিল। সদস্য হ'বৰ কাৰণে মাচুল দিব নালাগিছিল। অমল বাগচীয়ে লাইব্ৰেৰীত বহাৰ লগে লগেই সেই ল'ৰাবোৰ (তেওঁলোকৰ মাজত ময়ো আছিলোঁ) তেওঁৰ লাইব্ৰেৰীলৈ গৈছিল আৰু বাগচীয়ে নিজে ল'ৰাবোৰক কিতাপ বাছি দিছিল।

তেওঁৰ লাইব্ৰেৰীত গল্প উপন্যাস নাছিল; আছিল কেৱল জ্ঞান-বিজ্ঞানৰ বিবিধ কিতাপ। বৈদিক ব্ৰাহ্মণৰ নিচিনা চেহেৰাৰ সৌম্যকান্তি অমল বাগচীয়ে বেছি কথা নকৈছিল। কিন্তু ল'ৰাবোৰৰ উপকাৰৰ কাৰণে তেওঁ যি কেইষাৰ কথা কৈছিল, সেই কেইষাৰ কথা কাৰো পক্ষে গোটেই জীৱনত পাহৰা সম্ভৱ নাছিল। অন্ততঃ মই আজিলৈকে পাহৰা নাই।

অন্যান্য বহুতো কিতাপৰ লগতে অমল বাগচীয়ে মোক মহাভাৰতৰ বাংলা গদ্যানুবাদৰ বাৰটা খণ্ড পঢ়িবলৈ বাধ্য কৰিছিল।

অমল বাগচীদেৱ ডিব্ৰুগড়ৰ ঐতিহ্যপূৰ্ণ লাইব্ৰেৰী 'তৰুণ সমিতি'ৰো সম্পাদক আছিল। ডিব্ৰুগড় বাৰ লাইব্ৰেৰীৰ বহুতো প্ৰবীণ সদস্যই এই সমিতিৰো সদস্য আছিল।'

## Dibrugarh Court Building
### ডিব্ৰুগড় ক'ৰ্ট বিল্ডিং

ডিবৰুৰ মাটিত প্ৰথমবাৰৰ বাবে ভৰি দি পুৰণি স্থাপত্যকৰ্মৰ অন্যতম আৰ্হি স্বৰূপ ক'ৰ্ট বিল্ডিংটো প্ৰত্যক্ষ কৰি সকলোকে আপ্লুত হোৱা দেখিবলৈ পাইছোঁ।

অসমৰ অন্য ঠাইৰ পৰা অথবা ভাৰতবৰ্ষৰ অন্য কোণৰ পৰা ডিব্ৰুগড় আদালতলৈ অহা বহু অধিবক্তা অথবা আইন-জগতৰ সৈতে জড়িত ব্যক্তিক মই এই আদালতৰ চাৰি চুক দেখুৱাবলগীয়া হৈছিল। তেওঁলোকে এই ভৱন প্ৰাংগণ দৰ্শন কৰি অতি সন্তুষ্টি প্ৰকাশ কৰে। এই ভৱন যে ডিবৰুবাসীৰ এক আপুৰুগীয়া সম্পদ আৰু ই ভাৰত চৰকাৰৰ সংশ্লিষ্ট বিভাগৰ পৰা 'হেৰিটেজ ষ্টেটাছ' লাভ কৰিব লাগে তাত অকণো সন্দেহ নাই বুলি মতামত ব্যক্ত কৰে।

মই এসময়ত এই চহৰৰ সামাজিক অনুষ্ঠানসমূহৰ সৈতে জড়িত হৈ থাকোতে এই Buildingৰ উন্নতিকল্পে বহুজনক বহু স্মাৰকপত্ৰ দাখিল কৰিছিলোঁ।

## About Jaduram Barooah
## J.R.Barooah & Sons

১৮৭২ চনত নিৰ্মাণকাৰ্য সম্পূৰ্ণ হোৱা এই ভৱনটিৰ নিৰ্মাণকাৰ্যৰ বাবে নিয়োজিত ঠিকাদাৰ আছিল এজন অসমীয়া ব্যক্তি যাদুৰাম বৰুৱা।

এই কথা স্পষ্ট কৰি থ'ব খোজোঁ যে মোৰ পূৰ্বৰ লেখা এটাত এই নামটো যদুনাথ বুলি প্ৰকাশ হৈছিল। প্ৰকৃততে যদুনাথ নহয়, যাদুৰাম বৰুৱাহে। এওঁ আছিল অসমহিতৈষী মণিৰাম দেৱানৰ পুত্ৰ।

এয়াও ডিবৰুবাসীৰ বাবে কম গৌৰৱৰ কথা নহয়।

ড° ৰোহিণীকান্ত বৰুৱাৰ সোঁৱৰণীত উল্লেখ কৰা হৈছিল— 'I found him (Parbati Kumar Goswami) a busy practioner in 1938 when I joined the Dibrugarh Bar. He always comported himself with dignity. The Bar was treating him well, Bhimbar Deori, Bhuban Chandra Dutta, Heramba Bora, Habibur Rahman, Jibanram Phukan, Bidyadhar Baruah, Anadi Bhushan Rai, Sudhir Mohan Ganguly, Ramesh Chandra Barooah, Bipin Borgohain were some of our associates during those days at Dibrugarh Bar.'

১৮৭৭ চনত ডিব্ৰুগড়ত ভাৰত চৰকাৰে (বেংগল গৱৰ্ণমেণ্ট) গেজেট জাননী জাৰি কৰি ডিব্ৰুগড়ক দ্বিতীয় শ্ৰেণীৰ নগৰ বুলি স্বীকৃতি দিয়ে। লগে লগে গঠন হয় পৌৰসভা।

ড° শৰৎ ফুকনে লাভ কৰা তথ্য অনুযায়ী— এই পৌৰসভাৰ প্ৰথমজন পৌৰপতি হয় এফ. চি. হেনাৰ চাহাব। তাৰ পিছত ক্ৰমে ডব্লিউ. এন. ডানকান, ডব্লিউ. জে ৰিড, জে. এফ. গানিং, এইচ. ডব্লিউ. জেক'ল, এলবাৰ্ট ই. উডচ, জে. জে. ৱাৰ্মি ৱালে, এ. এইচ. ডব্লিউ. বেণ্টিংক, এইচ. হেৰাট, এন. ই. পাৰি আৰু ১৯১২ চনত প্ৰথমজন অসমীয়া পৌৰপতি হয় অধিবক্তা পৰশুৰাম খাউণ্ড।

১৮৮৭ চনত 'আসাম ৰেলৱে'জ এণ্ড ট্ৰেডিং কোম্পানী'ৰ উদ্যোগত গঠন কৰা হয় *মেচাৰ্চ ষ্টিল এণ্ড হেড' কোম্পানী*। মূলতঃ আইন বিষয়ক সমস্যাসমূহ চোৰা-চিতা আৰু মতামত প্ৰকাশৰ বাবে গঠন কৰা এই কোম্পানীৰ মালিকদ্বয় আছিল মিঃ ষ্টিল আৰু মিঃ হেড'। এই কোম্পানীৰ মূল চলিচিটৰ তথা আইনজ্ঞ আছিল মিঃ বাকিংহাম। তেৱেঁই ডিব্ৰুগড় হৰ্চ ক্লাব, ডিব্ৰুগড় ক্লাব আৰু এনভাইৰনমেণ্ট ক্লাবৰ প্ৰতিষ্ঠাপক আছিল। অসমৰ প্ৰাকৃতিক প্ৰেমত উদ্বাউল বাকিংহাম চাহাবে ১৯৬৫ চনত ডিব্ৰুগড়তে শেষ নিশ্বাস ত্যাগ কৰে।

ন্যায়াধীশৰ পদৰ পৰা অৱসৰ গ্ৰহণ কৰি এই আদালততে ওকালতি কৰা ভুৱন চন্দ্ৰ বৰুৱাই ১৯৭১ চনতে তেওঁৰ 'লিগেল এইড টু দ্য পুৱৰ' শীৰ্ষক গ্ৰন্থৰে যি লোক-আদালতৰ ধাৰণা দি গৈছিল, সেইয়াই আজি দেশব্যাপি জনপ্ৰিয়তা লাভ কৰিবলৈ সক্ষম হোৱাটো মন কৰিবলগীয়া।

ডিব্ৰুগড় নাগৰিক সংঘৰ এইটো এটা অতি পুৰণি দাবী— ডিব্ৰুগড়ত উচ্চন্যায়ালয়ৰ এক স্থায়ী খণ্ডপীঠ স্থাপন কৰিব লাগে। নাগৰিক সংঘৰ এই দাবী সময়ে সময়ে ডিব্ৰুগড় উকীল সন্থায়ো উত্থাপন কৰি আহিছে আৰু সদৌ অসম উকীল সন্থাকে ধৰি সংশ্লিষ্ট অন্যান্য সংগঠনসমূহেও ইয়াৰ প্ৰয়োজনীয়তা স্বীকাৰ কৰি যথোপযুক্ত স্থানত এই দাবী উত্থাপনৰ বাবে এক প্ৰতিনিধি দল দিল্লীলৈ প্ৰেৰণ কৰিছিল। ডিব্ৰুগড়ত উচ্চন্যায়ালয়ৰ খণ্ডপীঠ স্থাপন কৰাৰ প্ৰয়োজনীয়তা আৰু স্থাপনৰ ক্ষেত্ৰত সকলো সা-সুবিধা থকা স্বত্বেও ৰাজ্য চৰকাৰে যথোপযুক্ত গুৰুত্ব সহকাৰে বিষয়টো গ্ৰহণ নকৰাৰ বাবে জনস্বাৰ্থ জড়িত বিষয়টো সত্তৰ-আশী দশকৰ পৰাই স্থবিৰ হৈ ৰ'ল।

ডিব্ৰুগড় স্থিত কৰ্ট বিল্ডিংটোৰ স্থপতিকৰ্ম উচ্চ ন্যায়ালয়ৰ আদালত পৰিচালনাৰ বাবে অতিকে সূচল। ইয়াত থকা লাইব্ৰেৰী স্বয়ং সম্পূৰ্ণ। সেয়েহে ডিব্ৰুগড়ৰ নাগৰিকৰ এই দাবী তদানীন্তন সাংসদ ভদ্ৰেশ্বৰ বুঢ়াগোহাঁয়ে ৰাজ্যসভাত যেতিয়া উত্থাপন কৰিছিল তেতিয়া তদানীন্তন আইন মন্ত্ৰীয়ে প্ৰত্যুত্তৰত কৈছিল, 'ডিব্ৰুগড়ত উচ্চ ন্যায়ালয়ৰ এক খণ্ডপীঠৰ দাবী অত্যন্ত স্বাভাৱিক। ডিব্ৰুগড় উচ্চন্যায়ালয়ৰ এক স্থায়ী খণ্ডপীঠ স্থাপন কৰিবলৈ কেন্দ্ৰীয় চৰকাৰ আগ্ৰহী, কিন্তু তাৰ বাবে প্ৰথম প্ৰস্তাৱ ৰাজ্য চৰকাৰৰ ফালৰ পৰা আহিব লাগিব।' লগতে আইন মন্ত্ৰীয়ে এইটোও কৈছিল, 'No proposal has been received by the centre from the Government of Assam in this regard.'

জনসংখ্যাৰ দিশৰ পৰা ডিব্ৰুগড় যিদৰে অসমৰ দ্বিতীয়খন বৃহৎ জিলা, সেইদৰে চৰকাৰী ৰাজহ প্ৰদানৰ দিশৰ পৰাও জিলাখনৰ গুৰুত্ব কম নহয়।

১৯৭৭-৮৮ চনৰ এক সৰ্বভাৰতীয় পৰ্যায়ৰ অৰ্থনৈতিক সমীক্ষা অনুযায়ী অবিভক্ত ডিব্ৰুগড় জিলা ভাৰতবৰ্ষৰে দ্বিতীয়খন সৰ্বাধিক ৰাজহ প্ৰদান কৰা জিলা আছিল। এতিয়াও শিৱসাগৰ, ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলাত পৰিচালিত হৈ থকা উদ্যোগসমূহৰ পৰা ৰাজ্য আৰু কেন্দ্ৰ দুয়ো চৰকাৰে বুজন পৰিমাণৰ ৰাজহ সংগ্ৰহ কৰে। স্বাভাৱিকতে এই জিলাত মাটি-বাৰী আৰু উদ্যোগ বিবাদ সম্পৰ্কীয় দেৱানী গোচৰ আৰু আবেদনৰ সংখ্যা নিঃসন্দেহে অনা-ঔদ্যোগিক জিলাসমূহতকৈ অধিক।

এই গোচৰ আৰু আবেদনসমূহৰ বাবে সৰ্বসাধাৰণ লোকে পাঁচশ কিলোমিটাৰ পৰ্যন্ত দূৰৰ গুৱাহাটীলৈ অহা-যোৱা কৰি, হোটেলত থাকি নিজস্ব গোচৰ পৰিচালনা কৰি থাকিব লগাটো স্বাভাৱিকতে আশ্চৰ্যৰ কথা। ভাৰত চৰকাৰে এহাতেদি Justice to the Doorstep ধাৰণা কাৰ্যকৰী কৰিবলৈ জনসজাগতাৰ সৃষ্টি কৰাৰ উদ্দেশ্যে কোটি কোটি টকা খৰচ কৰিছে ; অথচ একোটা সাধাৰণ আপীল, ৰিভিজন অথবা জামিন আবেদনৰ নিচিনা সামান্য গোচৰ দাখিল কৰিবলৈ সৰ্বসাধাৰণ লোকক হাজাৰ কিলোমিটাৰ দৈৰ্ঘ্যৰ দূৰত্ব দৌৰাই কাৰ কি স্বাৰ্থ সিদ্ধি কৰি নাগৰিকৰ দুৱাৰ মুখলৈ ন্যায় নিয়াৰ প্ৰয়াস কৰিছে সেয়া অতি ভাৱিবলগীয়া কথা।

১৯৬৯ চনৰ পৰাই স্থায়ী বিচাৰ পীঠৰ দাবী উত্থাপন হৈ আছে, ন্যায় নাগৰিকৰ পদূলিলৈ নিয়াৰ অভিলাষী আঁচনি গ্ৰহণ কৰা হৈছে। অথচ আশ্চৰ্যৰ কথা -- উজনি অসমৰ পৰা বিভিন্ন আদালত আদি তুলি নি ৰাজধানীৰ চৌপাশেহে কেন্দ্ৰীভূত কৰা হৈছে। ইয়াৰ এটা উদাহৰণ হৈছে ডেজিগনেটেড আদালত। ডিব্ৰুগড়ৰ নাগৰিকে বাৰম্বাৰ দাবী উত্থাপন কৰি অহাৰ পিছতো ডিব্ৰুগড়ত ৰাজহ ব'ৰ্ডৰ এক শাখা আদালত এই পৰ্যন্ত স্থাপন কৰা নহ'ল।

●●●

**সম্পাদকৰ টোকা ঃ** 'সপোন চহৰ ঃ ঐতিহ্যমণ্ডিত ডিবৰু' শীৰ্ষক গ্ৰন্থত অন্তৰ্ভুক্ত এই বহুচৰ্চিত, মননশীল প্ৰবন্ধটো লেখকৰ অনুমতিসাপেক্ষে প্ৰকাশ কৰা হৈছে।

# আকাশবাণী ডিব্ৰুগড় আৰু উজনি অসমৰ শৈক্ষিক-সাংস্কৃতিক তথা আৰ্থসামাজিক জাগৰণ

লোহিত ডেকা

**আ**কাশবাণীয়ে দেশৰ শৈক্ষিক, সাংস্কৃতিক আৰু আৰ্থ-সামাজিক বিকাশৰ ক্ষেত্ৰত যোৱা প্ৰায় নটা দশকত অভাৱনীয় অৰিহণা আগবঢ়াই আহিছে। মহান বৌদ্ধ আদৰ্শ — 'বহুজন হিতায়, বহুজন সুখায়' মূলমন্ত্ৰেৰে শিক্ষা, তথ্য আৰু বিনোদনৰ সেৱা আগবঢ়াই বিশ্বৰ সৰ্ববৃহৎ অনাতাঁৰ প্ৰসাৰণ সংস্থা আকাশবাণীয়ে ভাৰতবৰ্ষক সমৃদ্ধ কৰিছে। স্বাধীনতাৰ পাছত দেশক সাংস্কৃতিকভাৱে উজ্জীৱিত কৰি শক্তিশালী ৰূপত একত্ৰিত কৰাৰ ক্ষেত্ৰত আকাশবাণীৰ ভূমিকাৰ কথা দোহৰাৰ প্ৰয়োজন নাই। আজি দেশৰ তিনিশতকৈও অধিক আকাশবাণী কেন্দ্ৰই নিজ নিজ এলেকাৰ সাংস্কৃতিক সমলবোৰক তুলি ধৰি বৃহৎ ভাৰতীয় ধাৰাত মিলিবলৈ দি বৈচিত্ৰ্যময় ভাৰতীয় সংস্কৃতিৰ নৈখন গভীৰ কৰি তুলিছে। আকাশবাণী ডিব্ৰুগড়েও একেই সূত্ৰৰে অসম তথা অৰুণাচল প্ৰদেশৰ সাংস্কৃতিক জাগৰণৰ বাবে কাম কৰি আহিছে।

যোৱা পাঁচোটা দশকত অসমৰ, বিশেষকৈ উজনি অসমৰ শৈক্ষিক বিকাশৰ লগতে সংগীত প্ৰতিভাবোৰক চিনাক্ত কৰি আগবঢ়াই দিয়া, আধুনিক সংগীতৰ শিল্পীসকলক পৰীক্ষা-নিৰীক্ষাৰে চৰ্চা কৰিবলৈ ক্ষেত্ৰ এখন তৈয়াৰ কৰি দিয়া, লোক-সংস্কৃতিৰ সমলবোৰ চিনাক্ত কৰি সেইবোৰৰ সংৰক্ষণৰ লগতে চৰ্চাৰ ব্যৱস্থা কৰি দিয়া, পৰিৱৰ্তিত আৰ্থ-সামাজিক প্ৰেক্ষাপটত পৰিৱেশ সচেতনতা গঢ়ি তোলা আৰু বৈজ্ঞানিক চিন্তা-চেতনাৰে প্ৰয়োজন অনুসাৰি নতুন কৰ্মসংস্কৃতি গঢ়ি তুলিবলৈ সমাজখনক উৎসাহিত কৰাৰ ক্ষেত্ৰত আকাশবাণী ডিব্ৰুগড়ৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে। আকাশবাণীৰ কেন্দ্ৰ একোটা তাৰ কৰ্মী-শিল্পী-কলাকুশলীসকলৰ প্ৰতিভা বিকাশ আৰু প্ৰদৰ্শনৰ এখন সুন্দৰ মঞ্চ। আকাশবাণীৰ কেন্দ্ৰ একোটাই পৰিকল্পিতভাৱে কাম কৰিলে বিলুপ্ত হ'বলৈ ধৰা সাংস্কৃতিক সম্পদকো পুনৰ উজ্জীৱিত কৰি সমাজত বোৱাই দিব পাৰে। আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰ তেনে কাম সফলতাৰে কৰাৰ অভিজ্ঞতাৰে পৰিপুষ্ট। আনুষ্ঠানিক বা অনানুষ্ঠানিক শিক্ষাৰ লগতে অৰ্থনৈতিক ক্ষেত্ৰৰ কৰ্মসংস্কৃতিৰ পৰা লোকসংস্কৃতিৰ প্ৰচাৰ, প্ৰসাৰ, সংৰক্ষণ তথা বিকাশলৈ আকাশবাণী ডিব্ৰুগড়ৰ ইতিহাসত কেবাটাও কৃতকাৰ্যতাৰ কাহিনীৰ উদাহৰণ আছে। কৃষি-অৰ্থনীতি ক্ষেত্ৰৰ কৰ্মসংস্কৃতিত প্ৰভাৱ পেলোৱা তেনে দুটা কাৰ্যসূচীৰ উদাহৰণ হ'ল 'অনাতাঁৰ মীন শিক্ষা পাঠ্যক্ৰম' আৰু 'বালিচন্দা'। সেইদৰে, সাম্প্ৰতিক সমাজৰ চাকৰিমুখী আৰু নগৰমুখী প্ৰৱণতা তথা বিশ্বৰ বজাৰ সৰ্বস্ব অৰ্থনীতিৰ প্ৰেক্ষাপটত আমাৰ ৰাজ্যখনৰ কৃষিক্ষেত্ৰৰ নিয়োগ আৰু অৰ্থনৈতিক বিকাশৰ প্ৰচুৰ সম্ভাৱনাৰ সুযোগ গ্ৰহণ কৰিবলৈ যুৱচামক অনুপ্ৰাণিত কৰা এক অনুষ্ঠানৰ নাম হ'ল — 'প্ৰয়োজকৰ চিন্তা'। একেদৰে, পৰিৱেশ সংৰক্ষণৰ ক্ষেত্ৰত মানুহৰ দৈনন্দিন জীৱন পৰিক্ৰমা আৰু পৰিৱেশৰ প্ৰতি থকা সাধাৰণ ব্যৱহাৰ সলনি কৰি দিয়া এক কাৰ্যসূচীৰ নাম হ'ল — 'গ্ৰীণ ব্ৰডকাষ্টিং' বা 'সেউজীয়া অনাতাঁৰ প্ৰসাৰ'। শেহতীয়াকৈ 'লোকসংগীত মাধুৰী' যুৱ-প্ৰজন্মৰ মাজত লোকসংগীত জনপ্ৰিয় কৰা এক সফল কাৰ্যসূচীৰ নাম। একেদৰে, নাটকৰ মাধ্যমেৰে ভাষা ৰক্ষাৰ লগতে সমাজৰ বিভিন্ন বিষয়ৰ প্ৰতি ৰাইজৰ সচেতনতা বৃদ্ধিৰ বাবে কাম কৰিবলৈ গাঁৱে-ভূঁইয়ে সিঁচৰতি হৈ থকা নাট্যকৰ্মীসকলক উৎসাহিত কৰাৰ উদ্দেশ্যে প্ৰতিবছৰে আয়োজন কৰা এক অনুষ্ঠান — 'অনাতাঁৰ নাট সমাৰোহ'।

*লেখক আকাশবাণী ডিব্ৰুগড়ৰ কাৰ্যক্ৰম মুৰব্বী। এগৰাকী তথ্যনিষ্ঠ নিবন্ধকাৰ আৰু জনপ্ৰিয় বক্তা হিচাপেও তেখেত সুপৰিচিত।*

আকাশবাণী ডিব্ৰুগড়ৰ সেৱাই ইতিমধ্যে পঁচপন্নটা বছৰ অতিক্ৰম কৰিছে। কেন্দ্ৰটোৱে পাৰ হৈ যোৱা সময়খিনিত শৃংখলাবদ্ধভাৱে শিক্ষা, তথ্য আৰু বিনোদনৰ সমলেৰে অলেখ অনুষ্ঠান প্ৰচাৰ কৰি আহিছে। ৰাইজৰ কাষ চাপিলে স্পষ্টকৈ বুজিব পৰা যায় যে এই অনুষ্ঠানবোৰে শ্ৰোতা ৰাইজৰ মন জয় কৰি আকাশবাণী ডিব্ৰুগড়ক ৰাইজৰ আস্থাভাজন কৰি তুলিছে। এতিয়া কথা হ'ল, সাধাৰণতে কোনো ৰাজহুৱা অনুষ্ঠানে সমাজৰ প্ৰতি আগবঢ়োৱা অৱদানৰ লেখ কামৰ জোখেৰে লোৱা হয় বা ল'ব পাৰি। কিন্তু, জনসেৱা প্ৰচাৰ মাধ্যম একোটাৰ অৱদান বা কামৰ লেখ কেৱল দৃশ্যমান তথ্য বা উদাহৰণেৰে ল'ব নোৱাৰি। বহুবোৰ কামে আমি অনুভৱ কৰিব নোৱৰাকৈ সমাজত ক্ৰিয়া কৰি থাকে। সেয়েহে, প্ৰচাৰ মাধ্যমৰ ব্যক্তিসকলে বা সাংবাদিকসকলে যিমানেই সাধাৰণ নহওক কিয়, প্ৰতিটো কাম সু-চিন্তিতৰূপত দায়িত্বসহকাৰে সম্পন্ন কৰাটো নিতান্তই প্ৰয়োজনীয় কথা। যোৱা প্ৰায় তিনিটা দশক আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰটোৰ অনুষ্ঠান প্ৰযোজনা আৰু পৰিচালনাৰ স'তে জড়িত হৈ থাকি আমি অনুভৱ কৰিছোঁ যে কেন্দ্ৰটোৱে যোৱা পাঁচোটা দশকৰ পৰিক্ৰমাত সমাজৰ সামগ্ৰিক বিকাশৰ বাবে প্ৰয়োজনীয় বিষয়বোৰ বিবেচনা কৰি নিজৰ সকলো কাম অতি নিষ্ঠা আৰু দায়বদ্ধতাৰে সম্পাদন কৰি আহিছে। কৃষি, স্বাস্থ্য, অৰ্থনীতি, সাহিত্য, সংস্কৃতি, সামাজিক ন্যায়, শিক্ষা, পৰিৱেশ সংৰক্ষণ, মাতৃ আৰু শিশুকল্যাণ, ক্ৰীড়া, যুৱকল্যাণ আদি সকলো প্ৰয়োজনীয় বিষয়তেই আকাশবাণী ডিব্ৰুগড়ে বিশেষ গুৰুত্বসহকাৰে কাম কৰিছে। উদাহৰণস্বৰূপে, 'মীন শিক্ষা পাঠ্যক্ৰম', 'বালিচন্দা', 'কল্পবৃক্ষ', ''এইড্ছ'ৰ সজাগতা পাঠ্যক্ৰম'', 'গ্ৰীণ-ব্ৰডকাষ্টিং' বা সেউজীয়া অনাতাঁৰ প্ৰসাৰ, 'প্ৰযোজকৰ চিন্তা', 'মহিলা আৰু সমাজ', যুৱসমাজৰ দক্ষতা বিকাশৰ অনুষ্ঠান — 'প্ৰেৰণা', 'অনাতাঁৰ নাট সমাৰোহ', 'ভাওনা সমাৰোহ', লোকগীতৰ ৰিয়েলিটি শ্ব'— 'লোকসংগীত মাধুৰী' আদিৰ নাম ল'ব লাগিব। সাধাৰণতে একোটা আকাশবাণী কেন্দ্ৰই নীতি নিৰ্ধাৰণ কৰি তথ্য, শিক্ষা আৰু বিনোদনক প্ৰধান উপাদান হিচাবে লৈ সময়সাপেক্ষে শ্ৰোতাৰ ৰুচি অনুসৰি সিবোৰক বিভিন্ন পৰিমাপত মিশ্ৰণ কৰি অনুষ্ঠান প্ৰস্তুত কৰে। আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰইও সেই অনুসৰি বিভিন্ন সময়ত বিভিন্ন অনুষ্ঠান প্ৰস্তুত কৰি আহিছে। শেহতীয়াকৈ আকাশবাণী ডিব্ৰুগড়ে তথ্য বা শিক্ষাৰ স'তে সমানুপাতিক ৰূপত বিনোদন মিশ্ৰিত কৰি প্ৰয়োজনভিত্তিক বিষয়সৰ্বস্ব অনুষ্ঠান প্ৰযোজনাত বিশেষভাৱে গুৰুত্ব প্ৰদান কৰি আহিছে। সামগ্ৰিকভাৱে ৰেডিঅ'ৰ অনুষ্ঠান পৰিকল্পনা আৰু ব্যৱস্থাপনাৰ ক্ষেত্ৰত ভৌগোলিক আৰু সামাজিক কাৰকবোৰক বিশেষভাৱে বিবেচনা কৰা হয়। কাৰণ, প্ৰযুক্তিগত কাৰণৰ বাবেই নিৰ্দিষ্ট ভৌগোলিক এলেকাৰ জনসাধাৰণক লক্ষ্য কৰিহে অনুষ্ঠান প্ৰচাৰ কৰিব লগা হয়। কোনো বিশেষ ব্যৱস্থাৰে অনুষ্ঠান শুনাসকলক বাদ দি আকাশবাণী ডিব্ৰুগড় বা অন্যান্য আকাশবাণী কেন্দ্ৰৰ অনুষ্ঠান একোটা নিৰ্দিষ্ট এলেকাৰ ভিতৰতহে শুনা যায়। গতিকে, সেই নিৰ্দিষ্ট ভৌগোলিক এলেকাৰ ভিতৰত বাস কৰা জনসাধাৰণক লক্ষ্য কৰিহে অনুষ্ঠান প্ৰস্তুত কৰা হয়। তেনেদৰে অনুষ্ঠান পৰিকল্পনা বা প্ৰস্তুত কৰোঁতে ঠাইখনৰ জলবায়ু, জনসাধাৰণৰ আৰ্থ-সামাজিক অৱস্থা, সাংস্কৃতিক পৰম্পৰা আৰু বৈশিষ্ট্য বা শ্ৰোতাসকলৰ ৰুচিবোধক বিশেষভাৱে বিবেচনা কৰা হয়। সেয়ে নহ'লে অনাতাঁৰ কেন্দ্ৰটোৰ সেৱা অনৰ্থক হৈ পৰে। উদাহৰণস্বৰূপে, ভৌগোলিক অৱস্থিতি অনুসৰি আকাশবাণী টাৱাঙ কেন্দ্ৰৰ সেৱা সমুদ্ৰপৃষ্ঠৰ পৰা দহ হাজাৰ ফুট উচ্চতাত হিমালয়ৰ বুকুত, অতি শীতল জলবায়ুৰ মাজত থকা এখিনি মানুহক উদ্দেশ্য কৰি আগবঢ়োৱা হয়। সেই অঞ্চলৰ জনসাধাৰণ প্ৰধানতঃ বৌদ্ধ ধৰ্মাৱলম্বী, আধুনিক শিক্ষাত পাছ পৰা। কৃষি আৰু পশুপালন তেওঁলোকৰ প্ৰধান জীৱিকা। তেওঁলোক আৰ্থিকভাৱে পাছ পৰা। অঞ্চলটোত জলবায়ু অনুসৰি দিনৰ দৈৰ্ঘ্য কম আৰু অতিপাত ঠাণ্ডা বাবে সন্ধিয়াতেই মানুহবোৰ ঘৰৰ ভিতৰত সোমাই থাকিবলগীয়া হয়। এলেকাটোত স্থানীয় বাসিন্দাৰ দুগুণতকৈও অধিক সংখ্যক সামৰিক লোক আৰু দেশৰ বিভিন্ন অঞ্চলৰ পৰা যোৱা চৰকাৰী চাকৰিয়াল আছে। তেনে পৰিস্থিতিত তথ্যৰ পৰিমাণ কমকৈ ৰাখি শিক্ষা আৰু বিনোদনক প্ৰধান উপাদান হিচাবে লৈ অনুষ্ঠান প্ৰস্তুত কৰাৰ প্ৰয়োজনীয়তা বেছি। কিন্তু, তাৰ বিপৰীতে উজনি অসমৰ নখন জিলা আৰু পূব অৰুণাচল প্ৰদেশৰ আঠখন জিলাক সামৰি গঠিত আকাশবাণী ডিব্ৰুগড়ৰ কাৰ্য-ক্ষেত্ৰখনৰ ভৌগোলিক বিচিত্ৰতাৰ সমান্তৰালভাৱে সামাজিক, শৈক্ষিক, সাংস্কৃতিক আৰু অৰ্থনৈতিক বৈচিত্ৰ্যও বেছি। সেয়েহে আকাশবাণী ডিব্ৰুগড়ৰ বাবে অনুষ্ঠান পৰিকল্পনা আৰু প্ৰযোজনা কৰোঁতে তাত্বিক উপাদানবোৰৰ সংমিশ্ৰণ জটিল হয়। আৰু, একেখিনি শ্ৰোতাৰ বাবে হ'লেও বিষয় আৰু সময়ভেদে বেলেগ বেলেগ প্ৰণালীৰে অনুষ্ঠান উপস্থাপন কৰিবলগীয়া হয়। আকাশবাণী ডিব্ৰুগড়ৰ ব্ৰডকাষ্টাৰসকলৰ বাবে আন এক আমোদজনক কথা হ'ল — এই কেন্দ্ৰটোৰ শ্ৰোতাসকল সাংঘাতিক সচেতন, বহিৰ্মুখী আৰু তৰ্কপৰায়ণ (argumentative)। শ্ৰোতাৰ এই চৰিত্ৰই আকাশবাণী ডিব্ৰুগড়ৰ অনুষ্ঠানবোৰক এক বিশেষ মাত্ৰা প্ৰদান কৰিছে।

আজিৰ তাৰিখত আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰই দৈনিক প্ৰায় ওঠৰ ঘণ্টাকৈ অনুষ্ঠান প্ৰসাৰণ কৰে। তাৰে প্ৰায় ছঘণ্টাৰ অনুষ্ঠান ৰীলে' কৰা হয় আৰু বাকী বাৰ ঘণ্টাৰ অনুষ্ঠান নিজাববীয়াকৈ প্ৰস্তুত কৰা হয়। এতিয়া আৰম্ভণি কালৰে পৰা যদি প্ৰতি দিনে গড়ে পাঁচ ঘণ্টাকৈও নিজা অনুষ্ঠান সম্প্ৰচাৰ কৰা বুলি ধৰোঁ,

তেনেহ'লে ৫৫ বছৰত আকাশবাণী ডিব্ৰুগড়ে প্ৰচাৰ কৰা অনুষ্ঠানৰ মুঠ সময়ৰ পৰিসৰ এক লাখ ঘণ্টা(৫৫ বছৰ = ২০০৭৫ দিন × ৫ ঘণ্টা = ১০০৩৭৫ ঘণ্টা)তকৈয়ো অধিক হ'ব। ৰাইজৰ প্ৰতি সদায় দায়বদ্ধ হৈ কাম কৰা আকাশবাণীৰ এই অনুষ্ঠানবোৰে ৰাইজক কেনেধৰণে উপকাৰ কৰিছে, সেই কথা ক'বলৈ গ'লে এই লেখা বহু দীঘলীয়া হ'ব। কিন্তু, এটা কথা নিশ্চিত যে আকাশবাণী ডিব্ৰুগড়ে ইয়াৰ সমগ্ৰ জীৱন- পৰিক্ৰমাত নিজৰ প্ৰসাৰণ পৰিসৰৰ অন্তৰ্গত এলেকাৰ জনসাধাৰণৰ বাবে কেৱল ভালেই কৰিছে। সাম্প্ৰতিক কালৰ সামাজিক মাধ্যমবোৰৰ কাম-কাজ লক্ষ্য কৰি আকাশবাণীক বহুতেই ৰক্ষণশীল বুলি ক'ব খোজে। কিন্তু, তেনে মুঠেও নহয়। আকাশবাণীয়ে কিছুমান 'ক'ড অব কণ্ডাক্ট' বা আচৰণ নীতি মানি চলে। কাক কি কেনেদৰে ক'ব, দুৰ্বল, পিছপৰা শ্ৰেণী অথবা চুবুৰীয়া ৰাষ্ট্ৰৰ প্ৰতি আচৰণ কেনে হ'ব, অনুষ্ঠান বা ব্যক্তিবিশেষৰ ভাল-বেয়া কামৰ কথা কেনেদৰে ক'ব, কেনে বিশেষণ ব্যৱহাৰ কৰিব, কেনে মন্তব্য বা বিজ্ঞাপন প্ৰচাৰ কৰিব আদি স্পষ্ট ভাষাত লিখা কিছুমান নিয়ম মানি চলে। এই নিৰ্দেশনাৰ জৰিয়তে কিন্তু আকাশবাণীয়ে সমাজৰ অহিতকাৰী বা অনিষ্টকাৰী কামক সমালোচনা কৰিব নোৱাৰে বুলি কেতিয়াও কোৱা নাই । বৰং বহু ক্ষেত্ৰত সাৰ্বজনীন হিতৰ বাবে অন্য প্ৰচাৰ মাধ্যমৰ তুলনাত বহুখিনি আগবাঢ়ি গৈ আকাশবাণীয়ে প্ৰচলিত নীতি আৰু ব্যৱস্থাৰ বিৰুদ্ধে কাম কৰাৰ উদাহৰণ আছে। আকাশবাণীৰ আদৰ্শ আৰু কাৰ্যপ্ৰণালীয়ে অনুষ্ঠান প্ৰযোজনাৰ ক্ষেত্ৰত নতুন চিন্তা-ভাৱনা, নতুন দৃষ্টিভংগী প্ৰয়োগ বা পৰীক্ষা-নিৰীক্ষা কৰাত কেতিয়াও বাধা আৰোপ কৰা নাই। অনাতাঁৰ প্ৰসাৰণৰ ক্ষেত্ৰখনত আকাশবাণীয়ে এতিয়ালৈকে অনেক নতুন ধ্যান-ধাৰণা বা চিন্তা উদ্ৰেককাৰী বিষয় উত্থাপন কৰি সেইবোৰৰ যুক্তিযুক্ততা প্ৰতিপন্ন কৰিবলৈ বা নতুন প্ৰকৰণ একোটা সমাজত প্ৰচলন কৰিবলৈ সক্ষম হৈছে। আকাশবাণী ডিব্ৰুগড়েও এই ক্ষেত্ৰত বহুকেইটা উদাহৰণ দাঙি ধৰিছে। অসমীয়া আধুনিক গীতৰ বিৱৰ্তন প্ৰক্ৰিয়াটো যদি চোৱা যায় তেনেহ'লে দেখিব যে দুটা স্পষ্ট ধাৰাৰ আৰম্ভণি আকাশবাণী ডিব্ৰুগড়ৰ পৰাই হৈছে। এটা হ'ল পাশ্চাত্য ষ্টাইলেৰে প্ৰভাৱিত হৈ প্ৰচলিত লোকসংগীতৰ সুৰৰ ডাঠ চামনিখন আতৰাই 'অসমীয়া' স্বৰূপেৰে থিয় হোৱা ধাৰাটো আৰু আনটো হ'ল অসমৰ প্ৰেক্ষাপটত সম্পূৰ্ণ পাশ্চাত্য প্ৰভাৱেৰে সমৃদ্ধ ধাৰাটো। আনকি, অতি-সম্প্ৰতি প্ৰচলিত বিহুসুৰীয়া গীতৰ ধাৰাটোৰ বীজো অংকুৰিত হৈছিল আকাশবাণী ডিব্ৰুগড়তেইহুঁ গীতৰ পৰীক্ষা-নিৰীক্ষা সম্পৰ্কীয় আকাশবাণী ডিব্ৰুগড়ৰ আৰু বহু কথা আলোচনা কৰিবলগীয়া আছে। সেইবোৰ এতিয়ালৈ এৰিলোঁ। নাটকৰ ক্ষেত্ৰতো আকাশবাণী ডিব্ৰুগড়ে বিগত পাঁচটা দশকত বহুতো পৰীক্ষা-নিৰীক্ষা কৰিছে আৰু কেবাগৰাকীও ভাল নাট্যকাৰ সৃষ্টি কৰিছে। ইয়াৰ উপৰি এসময়ৰ 'আপোনাৰ গান', 'আজিৰ অন্তৰা', 'সুৰৰ পানচৈ', 'আজিৰ দিনটো', 'ফোন-ইন' অনুষ্ঠানবোৰ, একেবাৰে শেহতীয়া লোকগীতৰ ৰিয়েলিটি শ্ব'— 'লোকসংগীত মাধুৰী' আদিবোৰ নিশ্চিতভাৱে আকাশবাণীয়ে গ্ৰহণ কৰা নতুন ধ্যান-ধাৰণা আৰু দৃষ্টিভংগীৰ পৰিচয়জ্ঞাপক অনুষ্ঠানৰ উদাহৰণ। এতিয়া কেৱল যে ট্ৰেঞ্জিষ্টৰ বা ৰেডিঅ' চেটতহে আকাশবাণীৰ অনুষ্ঠান শুনিব পাৰি তেনে নহয়। আজিকালি আকাশবাণীৰ অনুষ্ঠান ইণ্টাৰনে'টত লাইভ-ষ্ট্ৰীম হয়। এতিয়া আকাশবাণীৰ অনুষ্ঠান ডি টি এইছ যোগে টেলিভিশ্বন চেটত , ফেচবুক — ইউটিউব আদি চ'চিয়েল মিডিয়া চাইট আদিৰ মাধ্যমতো শুনিব পাৰি। আকাশবাণীৰ সংগীতৰ অডিচনৰ সকলো কাম-কাজ আজিকালি অনলাইন প্ৰক্ৰিয়াৰেই হয়। এইবোৰ নিশ্চিতভাৱে নতুনত্বক গুৰুত্ব দিয়াৰ ভাল উদাহৰণ। আচলতে আকাশবাণীয়ে শ্ৰোতাক, সমাজৰ ঐতিহ্য আৰু পৰম্পৰাক শ্ৰদ্ধা কৰি পৰিৱৰ্তনৰ নামত, নতুন কিবা এটা কৰাৰ নামত একেবাৰে উন্মুক্ত বা নিয়ন্ত্ৰনহীন হৈ কাম নকৰে বাবে কিছুমানে ইয়াক ৰক্ষণশীল বুলি ভাৱে।

আকাশবাণী ডিব্ৰুগড়ে যোৱাটো শতিকাৰ শেষৰ দশকৰ আৰম্ভণিৰ পৰা পৰিৱেশ সংৰক্ষণৰ বিষয়ত দৃঢ়তাৰে কাম কৰিবলৈ আৰম্ভ কৰে আৰু এতিয়ালৈকে কৰি আছে। ১৯৯১ চনত আকাশবাণী ডিব্ৰুগড়ে 'সীমাই নবন্ধা পাৰ' নামৰ এখন তথ্যালেখ্যৰ জৰিয়তে ডিব্ৰু-ছৈখোৱা ৰাষ্ট্ৰীয় উদ্যানক ( তেতিয়া অভয়াৰণ্য) প্ৰথমবাৰৰ বাবে ৰাষ্ট্ৰীয় প্ৰেক্ষাপটত তুলি ধৰে। তাৰ পাছত বিভিন্ন পৰিৱেশ সংৰক্ষণৰ সজাগতা সম্পৰ্কীয় অনুষ্ঠানৰ লগতে ১৯৯৫-৯৬ চনত ছমহীয়া এলানি পৰিৱেশ সংৰক্ষণৰ অনাতাঁৰ পাঠদান অনুষ্ঠান (Radio Lessons) প্ৰচাৰ কৰিছিল। তাৰ পাছত আকাশবাণী ডিব্ৰুগড়ে একেলেঠাৰিয়ে ২০০৪, ২০০৫ আৰু ২০০৬ চনত 'সেউজীয়া অনাতাঁৰ প্ৰসাৰ' বা Green Broadcasting কাৰ্যসূচী ৰূপায়ণ কৰে। প্ৰতি বছৰে জুন মাহটোৰ সমগ্ৰ কাৰ্যসূচী পৰিৱেশ সংৰক্ষণ সম্পৰ্কীয় অনুষ্ঠান প্ৰচাৰ আৰু আগ্ৰাসী মনোভাৱেৰে সজাগতা অভিযানকে ধৰি কিছুমান বিশেষ কাৰ্যসূচীৰে এই গ্ৰীণ ব্ৰডকাষ্টিঙ বা সেউজীয়া অনাতাঁৰ প্ৰসাৰ সজোৱা হৈছিল। এতিয়া নিৰ্দিষ্ট অনুষ্ঠানৰ নামেৰে এই 'গ্ৰীণ ব্ৰডকাষ্টিং' চলা নাই যদিও এতিয়াও আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰই প্ৰতি বছৰৰ সমগ্ৰ জুন মাহটোত পৰিৱেশ সংৰক্ষণৰ কথাৰেই সকলোবোৰ অনুষ্ঠান সজায়। আকাশবাণী ডিব্ৰুগড়ৰ পৰিৱেশ সংৰক্ষণ সম্পৰ্কীয় এই সমগ্ৰ অনুষ্ঠানৰ প্ৰভাৱ সুদূৰপ্ৰসাৰী। গ্ৰীণ ব্ৰডকাষ্টিং চলি থকা সময়ত আকাশবাণীৰ অনুষ্ঠান শুনি সচেতন হৈ গোলাঘাট জিলাৰ কৃষক শ্ৰোতাই পৰিৱেশৰ অনিষ্ট কৰা অতি উচ্চ পৰ্যায়ৰ চৰকাৰী বিষয়াকো থানাত আবদ্ধ কৰি ৰখাৰ খবৰো আমি পাইছিলোঁ। আজিৰ তাৰিখত আমাৰ চকুত পৰা কথাটো হ'ল — যিকোনো মানুহেই এতিয়া

গছ এজোপা কাটিলে বা বন্যপ্ৰাণী এটা হত্যা কৰিলে তাৎক্ষণিক প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। এয়া আমাৰ সকলোৰে বাবে নিশ্চয় সুখকৰ কথা।

অসমীয়া ভাষাৰ উচ্চাৰণ বিভ্ৰাট সম্পৰ্কত বৈদ্যুতিন মাধ্যমৰ পৰিচালনাৰ স'তে জড়িত ব্যক্তিসকলেই সম্প্ৰতি আটাইতকৈ বেছি দোষবোধত ভুগিবলগীয়া হৈছে। ব্যাকৰণ আৰু অভিধান থকাৰ পাছতো আমি মাত ফুটাৰ পৰাই ভাষাটো কৈ অহা লোকসকলে শব্দৰ উপযুক্ত ব্যৱহাৰ আৰু বাক্য এটা শুদ্ধকৈ সজাব নজনাটো এতিয়াৰ আটাইতকৈ ডাঙৰ প্ৰত্যাহ্বান। এই বিষয়টো ভাষা গৱেষকসকলে বা ভাষাবিদসকলে গভীৰভাৱে চিন্তা কৰি এতিয়াই সমাধানৰ ব্যৱস্থা নকৰিলে অসমীয়া ভাষাই যে অদ্ভুত ৰূপ ল'ব তাক দোহৰাৰ প্ৰয়োজন নাই। ভাষা সদায় একে ৰূপতে থাকিব লাগে বা থাকিব বুলিও আমি ক'ব বিচৰা নাই। কিন্তু, বৈয়াকৰণিক নীতি-নিয়ম বা নিৰ্দেশনা থকাৰ পাছতো অসমীয়া মাধ্যমত পঢ়া স্নাতকোত্তৰ ডিগ্ৰীধাৰী ছাত্ৰ-ছাত্ৰীয়ে শব্দৰ ব্যৱহাৰ বা বাক্য-বিন্যাস একেবাৰেই নজনা ধৰণৰ অৱস্থা এটা হোৱাটো 'দুৰ্ভাগ্যজনক' শব্দটোৰ আগত কি বিশেষণ প্ৰয়োগ কৰি বুজাব পৰা যাব সেই কথা আমি নাজানো। আনৰ কথা নকৈ আকাশবাণী ডিব্ৰুগড়ৰ কথাকে ক'ব খুজিছোঁ। কেন্দ্ৰটোৱে আৰম্ভণী কালৰ পৰাই অসমীয়া শব্দৰ উচ্চাৰণৰ ক্ষেত্ৰত এক নিজস্ব পৰম্পৰা গঢ়ি তুলিছে। নতুন ঘোষক-ঘোষিকাসকলক সেই অনুসৰি শব্দৰ উচ্চাৰণৰ কথাবোৰ শিকাই দিয়া হয়। কিন্তু, পৰিৱৰ্তিত সামাজিক তথা আকাশবাণীৰ কৰ্মপ্ৰণালীৰ প্ৰেক্ষাপটত এই প্ৰক্ৰিয়াটো আগৰ দৰে ফলপ্ৰসূ হৈ থকা নাই। এতিয়া একেটা ঘোষণাকে বহুসময়ত বেলেগ বেলেগ ঘোষক-ঘোষিকাই বেলেগ বেলেগ উচ্চাৰণেৰে কৰা আমি প্ৰত্যক্ষ কৰিছোঁ। এই সমস্যা সমাধান কৰিব পৰা যাব যদিহে আমাক বিশেষজ্ঞসকলে এখন বিস্তৃত উচ্চাৰণৰ অভিধান বা নিৰ্দেশণা গ্ৰন্থ দিয়ে। তাকে নকৰি নতুন প্ৰজন্মৰ ঘোষক-ঘোষিকাই কাইলৈ 'কমলা' টেঙাটোক 'কম্-লা' টেঙা বুলি ক'লে আমি নিজকে ভো ভো পণ্ডিত সজাই তেওঁলোকক দোষাৰোপ কৰিলে নহ'ব। আমি আশা কৰোঁ, এই সমস্যাটো সমাধান কৰিবলৈ সোনকালেই কোনোবাই কিবা এটা কৰিব। আজি অনাতাঁৰ মাধ্যমৰ লিখনশৈলী বৈশিষ্টপূৰ্ণ হোৱা বাবে ইয়াক 'অনাতাঁৰ সাহিত্য' বুলি সাহিত্যৰ এটা বিশেষ ভাগ হিচাবে অভিহিত কৰিব পৰা যায় নেকি, সেই প্ৰশ্নও বিশেষজ্ঞ আৰু সাহিত্য সমালোচকসকলৰ আগত উত্থাপিত হৈছে। এটা কথা ক'বই লাগিব যে ৰেডিঅ' মাধ্যমৰ কথা বিবেচনা কৰি ৰচনা কৰা সাহিত্যৰ ভাষা আৰু প্ৰকাশভংগী কিছুমান বিশেষ চৰিত্ৰৰে বৈশিষ্টপূৰ্ণ হয়। সি নাটকেই হওক বা উপন্যাসেই হওক বা ভ্ৰমণ কাহিনীয়েই হওকতু ৰেডিঅ'ৰ আলেখ্যবোৰ কথা, কবিতা আৰু সংগীতৰ সংমিশ্ৰণত হোৱা এক অপূৰ্ব সৃষ্টি। সাধাৰণভাৱে সাহিত্য সৃষ্টিৰ নামত আলেখ্য লেখা দেখা নাযায়। অথচ এনে লিখনিবোৰৰ সাহিত্যিক বা ঐতিহাসিক মূল্য উলাই কৰিব পৰা বিধৰ মুঠেও নহয়। এটা সময়লৈকে নাটককো সাহিত্য বুলি স্বীকৃতি দিব খোজা হোৱা নাছিল। গীতবোৰকো সাহিত্যৰ অন্তৰ্গত কৰিব বিচৰা হোৱা নাছিল। এতিয়া এইবোৰ স্বীকৃত হৈছে। উপযুক্তসকলক পতিয়ন নিয়াব পাৰিলে হয়তো ৰেডিঅ'ৰ লেখাবোৰো 'অনাতাঁৰ সাহিত্য' বুলি স্বীকৃত হ'ব।

এটা কথা ঠিক যে ৰেডিঅ'টো এতিয়া বহুতৰে সংগী হৈ থকা নাই। গণমাধ্যমৰ ক্ষেত্ৰখনলৈ আজি বহু উপাদানৰ আগমন ঘটিছে। গতিকে, জনসাধাৰণে তথ্য-শিক্ষা-বিনোদনৰ বাবে বহুতো বিকল্প মাধ্যম পাইছে। কিন্তু, সেই বহুতৰ মাজত থাকিও সমাজৰ এটা চামে ৰেডিঅ'ক মুঠেও এৰি দিয়া নাই বা পাহৰা নাই। তেওঁলোকে সুবিধা পালেই ৰেডিঅ'টো শুনিবলৈ বা ৰেডিঅ'ৰ কথা পাতিবলৈ ভাল পায়। নতুনচামে তেওঁলোকৰ জীৱনচৰ্যাৰ তালিকাখনৰ পৰা ৰেডিঅ'ক আন-ইনষ্টল কৰি ৰাখিছে বুলি বহুতে কয়। এই পুৰণি আৰু নতুন শ্ৰোতাসকলক লৈ আকাশবাণীয়ে আজি যেনেধৰণৰ প্ৰত্যাহ্বানৰ সন্মুখীন হোৱা বুলি কোৱা হৈছে, তাক প্ৰতিহত কৰিবলৈ কৰণীয় নিশ্চয় বহুত আছে। অৱশ্যে, নতুনৰ বিপৰীতে পুৰণিসকলক লৈ অহা প্ৰত্যাহ্বান সিমান কঠিন নহয়। নতুন শ্ৰোতাক আকৰ্ষণ কৰিবলৈ আকাশবাণীয়ে বহু কষ্ট কৰিব লাগিব। আকাশবাণী ডিব্ৰুগড়ে নতুন প্ৰজন্মক আকৰ্ষণ কৰিবলৈ কিছুমান কাৰ্যসূচী হাতত লৈছে। নতুন প্ৰজন্মৰ ৰুচি অনুসৰি অনুষ্ঠান যুগুত কৰা, ষ্টুডিঅ'ৰ পৰা ওলাই আহি যুৱসমাজৰ মাজত সোমাই তেওঁলোকক অনুষ্ঠানৰ স'তে জড়িত কৰা, নিয়োগৰ সুবিধা হোৱাকৈ দক্ষতা বিকাশৰ সহায়ক তথ্য আৰু পৰামৰ্শৰে অনুষ্ঠান যুগুত কৰা, প্ৰতিভা চিনাক্তকৰণ আৰু প্ৰতিভা বিকাশৰ অনুষ্ঠান যুগুত কৰা আদি কাৰ্যসূচী এই ক্ষেত্ৰত প্ৰধান। কিন্তু, এইবোৰেই যথেষ্ট মুঠেও নহয়। আজিৰ তাৰিখত আকাশবাণীয়ে হেৰোৱা গৌৰৱ উদ্ধাৰ কৰিবলৈ হ'লে ৰুচিসাপেক্ষ উন্নত অনুষ্ঠান প্ৰস্তুত কৰাৰ সমান্তৰালকৈ প্ৰযুক্তিগত পৰিৱৰ্তনৰ দিশতো দৃঢ়তাৰে আগ বাঢ়িব লাগিব। আজিৰ জীৱন শৈলীত যিকোনো এটা কামৰ বাবে একে ঠাইতে বহু সময় বহি থকাৰ সময় কাৰোৱেই নাই। সকলোৱে একে সময়তে একাধিক কাম কৰিব বিচাৰে। তেনে আধুনিক জীৱনশৈলীয়ে জীৱনৰ দৈনন্দিন পৰিক্ৰমাত ৰেডিঅ'ৰ উপযোগিতা অধিক বুলি দাবী কৰিছে। সেয়েহে আমি ভাবোঁ, প্ৰযুক্তিগত পৰিৱৰ্তনেৰে সহায় কৰিব পাৰিলে আন সকলো গণমাধ্যমতকৈ ৰেডিঅ' সমাজৰ সকলো শ্ৰেণীৰ মাজত পুনৰ অধিক জনপ্ৰিয় গণমাধ্যম হিচাবে প্ৰতিষ্ঠা লাভ কৰিব।

●●●

# দিহিং-পাটকাই ৰাষ্ট্ৰীয় উদ্যান

**সৌম্যদ্বীপ দত্ত**

**অ**সমৰ দিহিং-পাটকাই ৰাষ্ট্ৰীয় উদ্যানৰ এটা সংগ্ৰামী ইতিহাস আছে। ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলাত অৱস্থিত জয়পুৰ-আপাৰ দিহিং আৰু দিৰক অৰণ্যক সামৰি এখন অভয়াৰণ্য গঠনৰ দাবী প্ৰথম উত্থাপন কৰে উত্তৰ-পূব ভাৰতৰ পৰিৱেশ সংৰক্ষণকাৰী গোষ্ঠী নেচাৰ্চ বেকনে। অকল এই দাবী উত্থাপন কৰিয়েই ক্ষান্ত হৈ নাথাকি পৰিৱেশ সংৰক্ষণকাৰী গোষ্ঠীটোৱে এই অৰণ্যাঞ্চলৰ প্ৰাথমিক বন্যপ্ৰাণীৰ জৰীপ সম্পন্ন কৰি প্ৰথমবাৰৰ বাবে এই কথা পোহৰলৈ আনিছিল যে এই আপুৰুগীয়া অৰণ্যখন বহুকেইটা লুপ্তপ্ৰায় বন্যপ্ৰাণীৰ বাসস্থান। লাহে লাহে নেচাৰ্চ বেকনে এই অৰণ্যখনৰ সংৰক্ষণৰ বাবে জনমত গঠনৰ কাম আৰম্ভ কৰে। কিছুমান অসৎ বিষয়া-কৰ্মচাৰী, কাঠৰ চোৰাং বেপাৰী তথা অৰণ্য ধ্বংসকাৰী চক্ৰই এই সংৰক্ষণমূলক কামত প্ৰবলভাৱে বাধা প্ৰদান কৰিবলৈ প্ৰচেষ্টা কৰিছিল। কিন্তু নেচাৰ্চ বেকনৰ নেতৃত্ব তথা কৰ্মীসকলৰ নিষ্ঠা, মনোবল আৰু কাম-কাজৰ ফলত এই অপশক্তিবোৰৰ পৰাজয় হয়।

জয়পুৰ-আপাৰ দিহিং আৰু দিৰক অৰণ্যক বচোৱাৰ এই প্ৰচেষ্টা জন-আন্দোলনত পৰিণত হয়। অসমৰ পৰিৱেশ আন্দোলনৰ ইতিহাসত এই আন্দোলন ‘বৰ্ষাৰণ্য সংৰক্ষণ আন্দোলন’ নামে খ্যাত। অসমত বৰ্ষাৰণ্য সংৰক্ষণৰ চেতনা তথা সাধাৰণ মানুহৰ মাজত বৰ্ষাৰণ্য সংৰক্ষণৰ প্ৰয়োজনীয়তাৰ কথাক লৈ প্ৰথম কাম-কাজ আৰম্ভ কৰে নেচাৰ্চ বেকনে।

উল্লেখযোগ্য যে অসমত বান্দৰজাতীয় বন্যপ্ৰাণী সংৰক্ষণৰ কামো প্ৰথম পৰিৱেশ-সংগঠনটোৱেই আৰম্ভ কৰে। ১৯৮২ চনৰপৰা সোণালী বান্দৰ সংৰক্ষণৰ মাজেৰে এই কামৰ শুভাৰম্ভ হয়। অসমত পোৱা ভাৰতৰ একমাত্ৰ বনমানুহ হলৌ বান্দৰৰ (Hoolock Gibbon) সংৰক্ষণৰ কামো প্ৰথম আৰম্ভ কৰে নেচাৰ্চ বেকনেই। অসমত হলৌ বান্দৰৰ সংখ্যাও যে অস্বাভাৱিকভাৱে কমি আহিছে এই তথ্যও সংগঠনটোৰ অনুসন্ধানৰ ফলতে প্ৰথম পোহৰলৈ আহে। হলৌ বান্দৰ সংৰক্ষণৰ বাবে নেচাৰ্চ বেকনে বিশেষ পদক্ষেপ ল’বলৈ আৰম্ভ কৰে। সংগঠনটোৱে অনুভৱ কৰে যে একমাত্ৰ অভয়াৰণ্য গঠনৰ জৰিয়তেহে এই বৰ্ষাৰণ্যখন চিৰস্থায়ীভাৱে সংৰক্ষিত হ’ব পাৰে। নেচাৰ্চ বেকনৰ অনুসন্ধানৰ ফলত এই কথা পোহৰলৈ আহে যে এই বৰ্ষাৰণ্যখন আঠ প্ৰজাতিৰ মেকুৰীজাতীয় প্ৰাণীৰ বাসস্থান। এইখন অৰণ্যত পাঁচোটাকৈ প্ৰজাতিৰ ধনেশ চৰাই পোৱা যায়। এইখন অৰণ্যই উজনি অসমৰ সৰ্বাধিক হাতীৰ বসতিপ্ৰধান অঞ্চল। তদুপৰি এইখন অৰণ্যত যিমান প্ৰজাতিৰ লুপ্তপ্ৰায় স্তন্যপায়ী বন্যপ্ৰাণী আৰু লুপ্তপ্ৰায় বনৰীয়া চৰাই পোৱা যায়, ভাৰতৰ অন্য কোনো অৰণ্যত তেনেকুৱা বন্যপ্ৰাণীৰ বিবিধতা বিৰল।

বৰ্ষাৰণ্যক অভয়াৰণ্য কৰাৰ দাবীত তথা সামগ্ৰিকভাৱে বৰ্ষাৰণ্যক সংৰক্ষণ দিয়াৰ উদ্দেশ্য আগত ৰাখি নেচাৰ্চ বেকনে ২০০১ চনত প্ৰথম আন্তৰ্জাতিক বৰ্ষাৰণ্য উৎসৱৰ আয়োজন কৰে। ভাৰতৰ বুকুত এয়াই প্ৰথমটো বৰ্ষাৰণ্য উৎসৱ, যাৰ মাজেৰে বৰ্ষাৰণ্য সংৰক্ষণৰ চেতনা সমগ্ৰ দেশবাসী আৰু বিশ্ববাসীক জনোৱা হৈছিল। বিভিন্ন গুণী-জ্ঞানী ব্যক্তি, প্ৰকৃতিবিদ, সাংবাদিক, বনসংৰক্ষককে ধৰি অসমৰ মুখ্যমন্ত্ৰী, গৃহমন্ত্ৰী, মুখ্য বনসংৰক্ষক আৰু ১২ খন দেশৰ প্ৰতিনিধিয়ে এই বৰ্ষাৰণ্য উৎসৱত যোগদান কৰিছিল। বৰ্ষাৰণ্যৰ দাঁতিতে থকা ডিব্ৰুগড় জিলাৰ জয়পুৰ নামৰ স্থানতএই বৰ্ষাৰণ্য উৎসৱ অনুষ্ঠিত হৈছিল। জয়পুৰক আদি কৰি বৰ্ষাৰণ্যৰ দাঁতিকাষৰীয়া ৰাইজৰ লগতে অসমৰ প্ৰকৃতিপ্ৰেমী

*লেখক অসম চৰকাৰৰ ‘অসম গৌৰৱ’ বঁটাৰে সন্মানিত এগৰাকী বিশিষ্ট পৰিৱেশকৰ্মী আৰু ‘নেচাৰ্চ বেকন’ নামৰ পৰিৱেশ সংৰক্ষণকাৰী গোষ্ঠীৰ সঞ্চালক।*

জনসাধাৰণে বিপুলভাৱে এই বৰ্ষাৰণ্য আন্দোলনত যোগ দিছিল।

উল্লেখযোগ্য যে ব্ৰহ্মপুত্ৰ উপত্যকাত এই অঞ্চলেই সৰ্ববৃহৎ অবিচ্ছিন্ন বৰ্ষাৰণ্যৰূপে জীয়াই আছিল। নেচাৰ্চ বেকনে সঠিক সময়ত বৰ্ষাৰণ্য সংৰক্ষণৰ বাবে আগভাগ নোলোৱাহেঁতেন, ইমানদিনে এই আপুৰুগীয়া অৰণ্যখনৰো একে দশা হ'লহেঁতেন, যিটো অন্যান্য সংৰক্ষিত বনাঞ্চলৰ (Reserve Forest) ক্ষেত্ৰত দেখা পাওঁ।

নেচাৰ্চ বেকনে বৰ্ষাৰণ্যৰ ৫০০ বৰ্গ কিলোমিটাৰ অৰণ্যক সামৰি অভয়াৰণ্য গঠনৰ বাবে চৰকাৰক প্ৰস্তাৱ আগবঢ়াইছিল। কিন্তু প্ৰথম অৱস্থাত বনবিভাগে এই অঞ্চলক অভয়াৰণ্যৰূপে সংৰক্ষিত কৰিবলৈ আগ্ৰহ দেখুওৱা নাছিল। বৰঞ্চ এই অৰণ্যৰ আপুৰুগীয়া বৃক্ষৰাজিক যাতে কাটিব পাৰে তাৰ বাবে ভাৰতৰ পৰিৱেশ আৰু বন মন্ত্ৰালয়ক আবেদনহে কৰিছিল। বৰ্ষাৰণ্যৰ গছবোৰ কাটিবৰ বাবে অনুমতি বিচাৰি অসমৰ বনবিভাগে ভাৰত চৰকাৰক আৱেদন কৰাৰ সময়ত নেচাৰ্চ বেকনে প্ৰৱল বাধা প্ৰদান কৰে আৰু এই প্ৰাণ-প্ৰাচুৰ্যময় অৰণ্য সংৰক্ষণৰ বাবে ভাৰত চৰকাৰক আৱেদন জনায়। ১৯৯৪ চনৰপৰা ২০০৪ চনলৈকে চলি থকা নেচাৰ্চ বেকনৰ প্ৰৱল আন্দোলনৰ ফলত এই বৰ্ষাৰণ্যখন নিশ্চিত মৃত্যুৰ হাতৰ পৰা ৰক্ষা পৰে।

অৱশেষত নেচাৰ্চ বেকনৰ প্ৰৱল হেঁচাত আৰু অসমৰ প্ৰকৃতিপ্ৰেমী ৰাইজৰ প্ৰবল জনমতৰ সন্মুখীন হৈ জয়পুৰ-আপাৰ দিহিং আৰু দিৰক অৰণ্যৰ ১১১.১৯ বৰ্গ কিলোমিটাৰ অৰণ্যক সামৰি ১৯ জুন, ২০০৪ চনত দিহিং-পাটকাই অভয়াৰণ্য গঠন কৰা হয়। এনেদৰেই অসমৰ প্ৰথমখন বৰ্ষাৰণ্য অভয়াৰণ্যৰ জন্ম হয় আৰু অসমৰ পৰিৱেশ আন্দোলনৰ এটা আন্তৰিক প্ৰচেষ্টাৰ জয় হয়। পুনৰায় নেচাৰ্চ বেকনৰ প্ৰচেষ্টাৰ ফলত ২০২১ চনৰ ১৫ জুনত বৰ্ষাৰণ্যৰ জয়পুৰ আৰু অন্যান্য অঞ্চলক সামৰি ২৩৪.২৬ বৰ্গ কিলোমিটাৰ বৰ্ষাৰণ্যক 'দিহিং পাটকাই ৰাষ্ট্ৰীয় উদ্যান' ৰূপে ঘোষণা কৰা হয়। আমাৰ অসমত যিমান অভয়াৰণ্য আৰু ৰাষ্ট্ৰীয় উদ্যান আছে, তাৰ ভিতৰত অন্যতম সমৃদ্ধিশালী ৰাষ্ট্ৰীয় উদ্যান হৈছে উজনি অসমৰ দিহিং-পাটকাই ৰাষ্ট্ৰীয় উদ্যান। ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলাৰ জয়পুৰ, আপাৰ দিহিং আৰু দিৰক বৰ্ষাৰণ্যৰ এক ক্ষুদ্ৰ অঞ্চলক লৈ গঠন কৰা হৈছে এই ৰাষ্ট্ৰীয় উদ্যান। এই ৰাষ্ট্ৰীয় উদ্যান্যৰ জন্মৰ মূলতে আছে নেচাৰ্চ বেকন নামৰ প্ৰকৃতি সংৰক্ষণকাৰী গোষ্ঠী আৰু শত-সহস্ৰ প্ৰকৃতিপ্ৰেমী অসমীয়া লোক। অদূৰ ভৱিষ্যতে নেচাৰ্চ বেকন, অসমৰ প্ৰকৃতিপ্ৰেমী ৰাইজ আৰু অসমক আন্তৰিকভাৱে ভালপোৱা ৰাজনৈতিক নেতা তথা বুদ্ধিজীৱীৰ প্ৰচেষ্টাত উজনিৰ সম্পূৰ্ণ বৰ্ষাৰণ্য সংৰক্ষিত হ'ব বুলি আমাৰ বিশ্বাস।

এই সমৃদ্ধিশালী অৰণ্যক কঠোৰভাৱে সংৰক্ষিত কৰি ৰখাৰ দায়িত্ব বৰ্তমান অসমৰ বেচৰকাৰী সংগঠন তথা ৰাইজৰ। বৰ্তমান দিহিং-পাটকাই ৰাষ্ট্ৰীয় উদ্যান আৰু ইয়াৰ সংলগ্ন বৰ্ষাৰণ্যাঞ্চল ভাৰতৰ এক উৎকৃষ্ট জৈৱবৈচিত্ৰ্যপূৰ্ণ অঞ্চল।

এই ৰাষ্ট্ৰীয় উদ্যানৰ অৰণ্য আৰু বৃক্ষবিন্যাস অসমৰ প্ৰকৃতি-ইতিহাসত এক বিস্ময়। কোনো প্ৰকৃতিপ্ৰিয় ব্যক্তি, প্ৰকৃতি বিজ্ঞানী বা প্ৰকৃতি-ইতিহাসৰ ছাত্ৰ-ছাত্ৰীৰ বাবে এই অৰণ্যৰ উদ্ভিদৰাজি নিশ্চিতভাৱে এক গুৰুত্বপূৰ্ণ গৱেষণা তথা অনুসন্ধানৰ বিষয়। অসমৰ অন্যান্য ৰাষ্ট্ৰীয় উদ্যান প্ৰত্যক্ষ কৰাৰ পিছত কোনোবাই যদি এই ৰাষ্ট্ৰীয় উদ্যানৰ উদ্ভিদৰাজি প্ৰত্যক্ষ কৰে, তেনেহ'লে তেওঁ এই তাৰতম্য বৰ সহজেই উপলব্ধি কৰিব পাৰিব। স্তন্যপায়ী বন্যপ্ৰাণীৰ বৈচিত্ৰ্যৰ ফালৰপৰাও এই অৰণ্য অতি সমৃদ্ধ। ৪০ প্ৰজাতিৰ স্তন্যপায়ী বন্যপ্ৰাণী পোৱা যায় এই অভয়াৰণ্যত। এই ৪০ প্ৰজাতিৰ স্তন্যপায়ী বন্যপ্ৰাণীৰ ভিতৰত ১৮টা প্ৰজাতিৰ স্তন্যপায়ী বন্যপ্ৰাণী বিশ্বব্যাপি লুপ্তপ্ৰায় প্ৰজাতিৰ তালিকাত অন্তৰ্ভুক্ত। এই লুপ্তপ্ৰায় স্তন্যপায়ী বন্যপ্ৰাণীবোৰ হ'ল— হাতী, ঢেঁকীয়াপতীয়া বাঘ, নাহৰফুটুকী, গোধাফুটুকী, হিমালয়ৰ ভালুক, মাটি ভালুক, কেঁকোৰাখোৱা নেউল, হলৌ বান্দৰ, লাজুকী বান্দৰ, টুপীমূৰীয়া বান্দৰ, গাহৰিনেজীয়া বান্দৰ, ষ্টাম্পটেল মেকাক, ৰাং কুকুৰ, বনৰৌ, দেওশৰ, হালধীয়া মাৰ্টিন ইত্যাদি। এই বৰ্ষাৰণ্য সংৰক্ষণৰ লগতে এই গোটেইবোৰ প্ৰজাতিৰ সংৰক্ষণৰ দিশটো ওতপ্ৰোতভাৱে যুক্ত হৈ আছে। এই ৰাষ্ট্ৰীয় উদ্যান তথা বৰ্ষাৰণ্য বান্দৰজাতীয় প্ৰাণীৰ বৈচিত্ৰ্যৰ ক্ষেত্ৰত ভাৰতৰ ভিতৰতে সৰ্বোৎকৃষ্ট। এই অঞ্চলৰ নিচিনা সাতটা প্ৰজাতিৰ বান্দৰজাতীয় প্ৰাণী ভাৰতৰ আন কোনো অভয়াৰণ্য আৰু ৰাষ্ট্ৰীয় উদ্যানত স্বাভাৱিক পৰিস্থিতিত দেখা পোৱা নাযায়।

বনৰীয়া চৰাইৰ ক্ষেত্ৰত দিহিং-পাটকাই ৰাষ্ট্ৰীয় উদ্যান অতি সমৃদ্ধ। এই অঞ্চলত ৩৮০টা প্ৰজাতিৰ বনৰীয়া চৰাইক নথিভুক্ত কৰা হৈছে, যাৰ ভিতৰত বহুকেইটা প্ৰজাতিৰ সংখ্যা অত্যন্ত কম তথা বিশ্বব্যাপি লুপ্তপ্ৰায়। উল্লেখযোগ্য যে এই অঞ্চলৰ চৰাইৰ বৈচিত্ৰ্যৰ ওপৰত এক অধ্যয়ন চলোৱা হৈছিল। এই অধ্যয়নত নেচাৰ্চ বেকন, বোম্বে নেচাৰেল হিষ্ট্ৰী চ'ছাইটি আৰু বাৰ্ড লাইফ ইণ্টাৰনেশ্যনেল নামৰ এটা সংস্থাই একত্ৰিতভাৱে কাম কৰিছিল। এই অধ্যয়নৰ পিছত এই অঞ্চলক IBA অৰ্থাৎ Important Bird Area Site বুলি প্ৰতিপন্ন কৰা হৈছে। এই অঞ্চলত পোৱা যায় পাঁচটা প্ৰজাতিৰ ধনেশ চৰাই, বিভিন্ন প্ৰজাতিৰ শেন, ঈগল, হুদু অৰ্থাৎ মাংসাহাৰী চিকাৰী চৰাই, ভদৰকলী, মৌপিয়া,

হাইঠা, ফেচু, ভীমৰাজ, ৰূপহী, চুলতান টিট্, বুলবুলি, ট্ৰগন, ডৰিক, বাঢ়েটোকা, শিলকপৌ ইত্যাদি চৰাই। পৃথিৱীৰ অন্যতম দুষ্প্ৰাপ্য বনৰীয়া হাঁহ তথা অসমৰ ৰাজ্যিক চৰাই দেওহাঁহৰ এক উৎকৃষ্ট বাসস্থান এই অঞ্চল। পৃথিৱীৰ ভিতৰতে দেওহাঁহৰ সংখ্যা ইয়াত বেছি।

বিভিন্ন প্ৰজাতিৰ পখিলা আৰু হাজাৰ হাজাৰ পতংগৰ বাসস্থান দিহিং-পাটকাই অৰণ্যাঞ্চল; সৰীসৃপ আৰু উভচৰ গোষ্ঠীৰ কিছুমান আপুৰুগীয়া প্ৰজাতিৰ প্ৰাণীও পোৱা যায় এই অঞ্চলত। তদুপৰি অঞ্চলটো এক অতি গুৰুত্বপূৰ্ণ হস্তী বসতি-অঞ্চল। ভাৰত চৰকাৰৰ হস্তী প্ৰকল্পত এই অঞ্চলক সামৰি লোৱা হৈছে; ফলত হস্তী সংৰক্ষণৰ বা হাতী প্ৰকল্পৰ কৃতকাৰ্যতা বহুখিনি নিৰ্ভৰ কৰিছে অঞ্চলটোৰ অৰণ্য সংৰক্ষণৰ ওপৰত। ইয়াৰ বাহিৰেও বিভিন্ন প্ৰজাতিৰ বন্যপ্ৰাণী, যেনে—শৰ পহু, সুগৰী পহু, কেটেলা পহু, জহামাল, নেউল, লতামাকৰি, হেপা, কেৰ্কেটুৱা ইত্যাদিও আছে এই অৰণ্যত যথেষ্ট। বন্যপ্ৰাণীৰ প্ৰাচুৰ্য, পৰিস্থিতিতান্ত্ৰিক বৈশিষ্ট্য আৰু ব্যাপ্তিয়ে দিহিং-পাটকাই অঞ্চলক এক অসাধাৰণ মাত্ৰা প্ৰদান কৰিছে। উজনি অসমৰ পৰ্যটন শিল্পৰ ভৱিষ্যৎ বহুখিনি নিৰ্ভৰ কৰিছে এই অঞ্চলৰ ওপৰ ত; কিয়নো উজনি অসমৰ দিহিং-পাটকায়েই একমাত্ৰ অঞ্চল, যিয়ে পৰ্যাপ্ত পৰিমাণে আন্তৰ্জাতিক আৰু ঘৰুৱা পৰ্যটকক এই অঞ্চলৰ প্ৰতি আকৃষ্ট কৰিব পাৰে। এই অঞ্চলক কেন্দ্ৰ কৰি পৰ্যটন শিল্প গঢ়ি উঠাৰ বাবে যি সুবিধা আৰু সমল আছে, উজনি অসমৰ ক'তো তেনেকুৱা নাই। এই অঞ্চলত পৰ্যটন শিল্প গঢ়ি উঠাৰ সুবিধাখিনি লৈ যদি আমি আলোচনা কৰোঁ, তেনেহ'লে আমাৰ ওচৰত ইয়াৰ সম্ভাৱনাৰ কথা স্পষ্ট হৈ উঠিব। প্ৰথমতে, এই অঞ্চল এক অবিশ্বাস্য বৰ্ষাৰণ্য তথা বন্যপ্ৰাণী সমৃদ্ধ অঞ্চল। এই বৰ্ষাৰণ্য আৰু ইয়াৰ বন্যপ্ৰাণীয়ে পৃথিৱীৰ বিভিন্ন প্ৰান্তৰপৰা অহা প্ৰকৃতিপ্ৰেমী পৰ্যটকক আকৰ্ষিত কৰিব পাৰে।

দ্বিতীয়তে, এই অঞ্চল বানাক্ৰান্ত অঞ্চল নহয়, ফলত বছৰৰ যি কোনো ঋতুতেই ইয়াত ভ্ৰমণ কৰিব পাৰি। তৃতীয়তে, এই অঞ্চলত বৰ সহজে গাড়ী লৈ, মটৰ চাইকেল লৈ, চাইকেলেৰে বা খোজকাঢ়িও যাব পৰা যায়। ডিব্ৰু-ছৈখোৱা বা পানীদিহিং অঞ্চলৰ অভ্যন্তৰত যেনেকৈ গাড়ী লৈ যোৱা সম্ভৱ নহয়, তেনেকুৱা অসুবিধা ইয়াত নাই। চতুৰ্থতে, এই অভয়াৰণ্য বিভিন্ন চহৰৰ লগত পকী ৰাস্তাৰে সংযোজিত। ডিব্ৰুগড়, তিনিচুকীয়া, দুলীয়াজান, মাকুম, ডিগবৈ, নাহৰকটীয়া, নামৰূপ, জয়পুৰ ইত্যাদি সমস্ত অঞ্চলৰপৰা এই অঞ্চললৈ নিয়মিত বাছ চলাচল কৰে। পঞ্চমতে, ভাৰতৰ বিভিন্ন প্ৰান্ত তথা মহানগৰীবোৰৰপৰা ৰে'লেৰে অহা-যোৱাৰ সুবিধা আছে। দিল্লী, কলকাতা, গুৱাহাটী, বাগডোগ্ৰা ইত্যাদিলৈকে নিয়মিত বিমান সেৱাৰ ব্যৱস্থা ইতিমধ্যেই এই অঞ্চলত প্ৰচলিত। ডিব্ৰুগড়ৰ মোহনবাৰী বিমানবন্দৰৰপৰা গাড়ীৰে এই অঞ্চললৈ যাবৰ বাবে সময় লাগে দুঘণ্টা। পৰ্যটকসকলে এই অঞ্চলত যিবোৰ সুবিধা গ্ৰহণ কৰিব পাৰে, ভাৰতৰ বেলেগ কোনো অভয়াৰণ্যত বা ৰাষ্ট্ৰীয় উদ্যানত তেনেকুৱা সুবিধা বিৰল। এই অঞ্চলত চৰাই পৰ্যৱেক্ষণ কৰিব পাৰি, জংঘল ট্ৰেকিং, মেমালছ্ ৱাচিং, ৰেফ্টিং, এলিফেণ্ট ৰাইডিং, জংঘল কেম্প, নেচাৰ ফটোগ্ৰাফী ইত্যাদি সকলো ধৰণৰ অৰণ্যভিত্তিক কাম-কাজ এই অভয়াৰণ্যত হ'ব পাৰে; যিবোৰৰ বাবে পৰ্যটকসকল ব্যাকুল হৈ থাকে। দিহিং-পাটকাই অভয়াৰণ্যক প্ৰধান দ্ৰষ্টব্য স্থান হিচাপে বাছি লৈ পৰ্যটকসকলে অৰুণাচলৰ বিভিন্ন স্থান, যেনে—খুনছা, দেওমালী, বৰদুৰীয়া, আনকি তেজু, পাছিঘাট, মালিনীথান ইত্যাদি দৰ্শনৰো সুবিধা ল'ব পাৰে। দিহিং-পাটকাই পৰিভ্ৰমণ কৰাৰ পিছত পৰ্যটকসকলে শিৱসাগৰ জিলাৰ বিভিন্ন মন্দিৰ আৰু স্থাপত্য পৰিদৰ্শন কৰিব পাৰে। মুঠতে বৰ্ষাৰণ্য তথা দিহিং- পাটকাই এনেকুৱা এটা অঞ্চল, যিখনে বিশ্ব পৰ্যটকক এই অঞ্চলৰ পিনে আকৃষ্ট কৰিব, ফলত এই অঞ্চলৰ ওচৰ-পাঁজৰৰ পৰ্যটনস্থলীবোৰো ইয়াৰদ্বাৰা উপকৃত হ'ব। দিহিং-পাটকাইক কেন্দ্ৰ কৰি তাৰ চাৰিওপিনৰ জনজাতীয় কৃষ্টি-সংস্কৃতি আৰু জীৱনশৈলী পৰ্যৱেক্ষণ কৰাৰো প্ৰত্যক্ষ সুযোগ পাব পৰ্যটকসকলে। দিহিং-পাটকাই তথা বৰ্ষাৰণ্যৰ চাৰিওপিনে যিবোৰ গাঁও আছে, তাৰ মানুহবোৰ অতিথিপৰায়ণ তথা সহযোগিতা আগবঢ়োৱাত কাৰ্পণ্য নকৰে। ভাৰতৰ প্ৰথম বৰ্ষাৰণ্য উৎসৱৰ সময়ত এই কথাৰ সত্যতা প্ৰমাণিত হৈছে। সেই সময়ত জয়পুৰবাসীয়ে পৃথিৱীৰ বিভিন্ন দেশৰপৰা অহা পৰ্যটকসকলক যিদৰে আদৰ-আপ্যায়ন কৰিছিল, তাৰবাবে সমগ্ৰ অসমবাসী গৰ্বিত হোৱা উচিত।

সেই সময়ত ডিব্ৰুগড় জিলাৰ জয়পুৰবাসীয়ে এইটো কথা প্ৰমাণ কৰিছিল যে অসমীয়া ৰাইজে স্বদেশী-বিদেশী পৰ্যটকসকলক আঁকোৱালি ল'ব জানে। জয়পুৰলৈ আহি থাকি যোৱা থাইলেণ্ড, আমেৰিকা, ইণ্ডোনেছিয়া, বলিভিয়া আৰু অষ্ট্ৰেলিয়াৰ বন্ধুসকলে এতিয়াও মোক চিঠিৰে জয়পুৰবাসীৰ কথা সোধে। পুনৰ আহিব বিচাৰে জয়পুৰলৈ। আমাৰ বৰ্ষাৰণ্যই এই বিদেশী পৰ্যটকসকসক যিমান মোহিত কৰিছিল, সিমানেই মোহিত কৰিছিল জয়পুৰবাসীয়ে। জয়পুৰ অঞ্চলত যদি অলপ পৰিকাঠামোগত ব্যৱস্থাৰ উন্নতি সাধন কৰিব পৰা যায়, তেনেহ'লে এই অঞ্চল হ'ব উজনি অসমৰ পৰ্যটন শিল্পৰ প্ৰাণকেন্দ্ৰ। মোৰ বোধেৰে এই অঞ্চলৰ বিধায়ক-মন্ত্ৰী তথা ৰাজনৈতিক নেতৃবৃন্দই পৰ্যটন শিল্পৰ বিকাশৰ বাবে অলপ চিন্তা তথা কাম কৰা উচিত।

এই অঞ্চলৰ পৰ্যটন বিকাশৰ মাজেৰে সামগ্ৰিকভাৱে এই অঞ্চলৰ লোকৰ অৰ্থনৈতিক বিকাশ ঘটোৱাও সম্ভৱ। প্ৰকৃতি সংৰক্ষণ আৰু জয়পুৰ অঞ্চল তথা সমগ্ৰ বৰ্ষাৰণ্যক কেন্দ্ৰ কৰি এই অঞ্চলক উল্লেখযোগ্য পৰ্যটনস্থলীলৈ পৰ্যৱসিত কৰিবলৈ আমি অংগীকাৰবদ্ধ।

দিহিং-পাটকাই ৰাষ্ট্ৰীয় উদ্যানৰ জন্মৰ পূৰ্বৰেপৰা আজিলৈকে নেচাৰ্চ বেকনে এই অমূল্য সম্পদ সংৰক্ষণৰ বাবে নিৰন্তৰভাৱে কাম কৰি আহিছে। ২০০১ চনত জয়পুৰত প্ৰথম বৰ্ষাৰণ্য উৎসৱৰ আৰম্ভ কৰিছিল নেচাৰ্চ বেকনে। সেই ধাৰাবাহিকতা অক্ষুণ্ণ ৰাখি অৰ্থাৎ ২০১৩ চনত আকাশবাণী ডিব্ৰুগড়ৰ লগত যুগ্মভাৱে সংগঠনটোৱে জয়পুৰতে 'ধৰিত্ৰী উৎসৱ-২০১৩' অনুষ্ঠিত কৰে। এই উৎসৱ উপলক্ষে কেন্দ্ৰীয় মন্ত্ৰী মাননীয় শ্ৰীপৱন সিং ঘাটোৱাৰদেৱে বাৰ্তা প্ৰেৰণ কৰিছিল। কেন্দ্ৰীয় মন্ত্ৰী শ্ৰীপৱন সিং ঘাটোৱাৰদেৱে প্ৰেৰণ কৰা বাৰ্তাৰ কিছু অংশ ইয়াতে তুলি ধৰিলোঁ—

"মই এই কথা জানিবলৈ পাই অতিশয় আনন্দিত হৈছোঁ যে আকাশবাণী ডিব্ৰুগড় আৰু উত্তৰ-পূব ভাৰতৰ অগ্ৰণী পৰিৱেশ সংৰক্ষণকাৰী গোষ্ঠী নেচাৰ্চ বেকনে বৰ্ষাৰণ্য সংৰক্ষণৰ দৰে এক মহান উদ্দেশ্য লৈ ধৰিত্ৰী উৎসৱ-২০১৩ আয়োজন কৰিছে। মোৰ হাৰ্দিক অভিনন্দন জ্ঞাপন কৰিলোঁ।

অসমৰ সামাজিক আৰু সাংস্কৃতিক বিকাশৰ বাবে প্ৰয়োজনীয় সকলো দিশতে আকাশবাণীয়ে আগবঢ়োৱা অৰিহণাৰ কথা আজি আৰু দোহৰাৰ প্ৰয়োজন নাই। আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰই প্ৰতিষ্ঠাৰ দিনৰেপৰাই নিষ্ঠাৰে কাম কৰি অহাৰ কথা মই ব্যক্তিগতভাৱে জানো। অসমৰ বৰ্ষাৰণ্য সংৰক্ষণৰ বাবে জনমত গঠন কৰাৰ ক্ষেত্ৰত আকাশবাণী ডিব্ৰুগড়ে অগ্ৰণী ভূমিকা গ্ৰহণ কৰি আহিছে। ২০০৪,২০০৫ আৰু ২০০৬ বৰ্ষত একেলেথাৰিয়ে কেন্দ্ৰটোৱে প্ৰচাৰ কৰা 'সেউজীয়া অনাতাঁৰ প্ৰচাৰ' বা 'গ্ৰীন ব্ৰডকাষ্টিং' কেন্দ্ৰটোৰ এই প্ৰচেষ্টাৰ এক স্পষ্ট নিদৰ্শন। মই আশা কৰোঁ, আহিবলগীয়া সময়বোৰত কেন্দ্ৰটোৱে আৰু অধিক ফলপ্ৰসূ ভূমিকাৰে সমাজৰ হকে কাম কৰি যাব।

উত্তৰ-পূৰ্বাঞ্চলৰ অগ্ৰণী পৰিৱেশ সংৰক্ষণকাৰী গোষ্ঠী নেচাৰ্চ বেকনে অসমৰ পৰিৱেশ সংৰক্ষণ, বিশেষকৈ বৰ্ষাৰণ্য সংৰক্ষণ, হলৌ বান্দৰ সংৰক্ষণ আৰু সাধাৰণ মানুহৰ মাজত পৰিৱেশ শিক্ষা ইত্যাদিৰ বাবে আগবঢ়াই অহা নিঃস্বাৰ্থ সেৱাৰ কথা আমি সকলোৱে জানো। ৰাজ্যৰ শদিয়াৰপৰা ধুবুৰীলৈ বন আৰু বন্যপ্ৰাণী সংৰক্ষণৰ ক্ষেত্ৰত জনতাৰ মাজত জাগৰণ তুলি এক আন্দোলনৰ জৰিয়তে কেইবাটাও কৃতকাৰ্যতাৰ কাহিনী ৰচা এই সংগঠনটোক ইতিহাসে নিশ্চয়কৈ সুঁৱৰিব। ৰাইজক লগত লৈ সময়সাপেক্ষে আৰু যুক্তিপূৰ্ণ কাৰ্যসূচীৰে তেওঁলোকে অধিক ফলপ্ৰসূ ৰূপত সাৰ্বজনীন মানৱতা আৰু জাতিৰ কল্যাণৰ হকে কাম কৰি যাওক—ধৰিত্ৰী উৎসৱৰ শুভক্ষণত মই তাকেই কামনা কৰিলোঁ।"

পৰিৱেশ সংৰক্ষণ বৰ্তমান সময়ৰ আটাইতকৈ গুৰুত্বপূৰ্ণ বিষয়। আমাৰ বনাঞ্চলবোৰক কোনো কাৰণতে আৰু অধিক বিনষ্ট হ'বলৈ নিদি সংৰক্ষণ কৰাটো কিমান প্ৰয়োজনীয় তাকে প্ৰকৃতিয়ে আমাক বুজাবলৈ ইতিমধ্যে আৰম্ভ কৰিছে। আমি কিছুমান অস্বাভাৱিক প্ৰাকৃতিক দুৰ্যোগৰ সন্মুখীন হৈছোঁ। কিন্তু সেয়া হ'লেও এতিয়াও আমাৰ পৰিস্থিতি নিয়ন্ত্ৰণৰ বাহিৰলৈ যোৱা নাই। এতিয়াও আমাৰ হাতত সম্পদ হৈ বহুতো বনাঞ্চল আছে। কিছুমান সুৰক্ষিত আৰু কিছুমান এতিয়াও অসুৰক্ষিত। এই সম্পদ ৰক্ষা কৰিব পাৰিম যদিহে ইয়াৰ মাহাত্ম্য আৰু গুৰুত্ব আমি সকলোৱে জানো আৰু বুজো। সেয়েহে প্ৰাথমিক পৰ্যায়ৰপৰা বিশ্ববিদ্যালয়ৰ পৰ্যায়লৈ পাঠ্যক্ৰমত পৰিৱেশ-শিক্ষা অন্তৰ্ভুক্ত কৰাৰ লগে লগে সেই বনাঞ্চলবিলাকত বাধ্যতামূলকভাৱে ছাত্ৰ-ছাত্ৰীক ভ্ৰমণ কৰোৱাই প্ৰায়োগিক শিক্ষা দিয়াৰ ব্যৱস্থা কৰিব লাগে। প্ৰয়োজন সাপেক্ষে এনে বনাঞ্চলৰ আশে-পাশে কোনো শিক্ষানুষ্ঠানৰ অধ্যয়ন কেন্দ্ৰ বা গৱেষণাগাৰো প্ৰতিষ্ঠিত হ'ব পাৰে। আমাৰ বৰ্ষাৰণ্য, দিহিং-পাটকাই ৰাষ্ট্ৰীয় উদ্যানৰ পৰাই আমি এনেধৰণৰ প্ৰচেষ্টা আৰম্ভ কৰিব পাৰোঁ।

২০০১ চনত নেচাৰ্চ বেকনৰ প্ৰচেষ্টা আৰু তত্ত্বাৱধানত প্ৰথম বৰ্ষাৰণ্য উৎসৱ ডিব্ৰুগড় জিলাৰ জয়পুৰক কেন্দ্ৰ কৰি অনুষ্ঠিত হয়। তাৰ পিছৰেপৰা চৰকাৰী পক্ষৰপৰা বৰ্ষাৰণ্য উৎসৱ পতা হ'লেও মাত্ৰ দুই বছৰ এই উৎসৱ পাতি চৰকাৰে বৰ্ষাৰণ্য উৎসৱৰ আয়োজন বন্ধ কৰি দিয়ে। পুনৰায় ভাৰতীয় জনতা পাৰ্টীৰ চৰকাৰ হোৱাৰ পিছত চৰকাৰৰ পৰোক্ষ সহযোগিতাত ৩০-৩১ ডিচেম্বৰ ২০১৭ তাৰিখে 'জয়পুৰ বৰ্ষাৰণ্য উৎসৱ-২০১৭' উদ্‌যাপন কৰা হয়। এই উৎসৱৰ আনুষ্ঠানিক সভাপতি আছিল সাংসদ শ্ৰীৰামেশ্বৰ তেলী মহোদয়। জয়পুৰ বৰ্ষাৰণ্য উৎসৱ- ২০১৭ত নেচাৰ্চ বেকনে সম্পূৰ্ণ সহযোগিতা আগবঢ়ায়, আৰু এই বৰ্ষাৰণ্য উৎসৱ যাতে প্ৰতিবছৰে পতা হয় তাৰবাবে চৰকাৰক অনুৰোধ কৰে। দিহিং-পাটকাই অভয়াৰণ্যক কেন্দ্ৰ কৰি যাতে চিৰস্থায়ীৰূপে অঞ্চলটোত প্ৰকৃতি পৰ্যটন গঢ় লৈ উঠে তাৰবাবে নেচাৰ্চ বেকনে নিৰন্তৰ প্ৰয়াস অব্যাহত ৰাখিছে।

এই উদ্দেশ্যে দিহিং-পাটকাই ৰাষ্ট্ৰীয় উদ্যানৰ দাঁতিকাষৰীয়া ৰাইজৰ মাজত বিভিন্ন প্ৰকৃতি-সংৰক্ষণমূলক সজাগতা কাৰ্যসূচী, বন্যপ্ৰাণী সংৰক্ষণৰ প্ৰশিক্ষণ আৰু প্ৰকৃতি-পৰ্যটনৰ বাবে যুৱ

সমাজক প্ৰশিক্ষণ আদিৰ কামো পৰিৱেশ সংৰক্ষণ গোষ্ঠীটোৱে নিয়মীয়াকৈ সম্পন্ন কৰি আহিছে। দিহিং-পাটকাই ৰাষ্ট্ৰীয় উদ্যানৰ জৈৱবৈচিত্ৰ্যৰ তথ্য সম্পৰ্কীয় কিতাপ-পত্ৰ আৰু অন্যান্য শিক্ষণ-সঁজুলি প্ৰস্তুতিৰ মাজেৰে, লগতে জনসাধাৰণৰ মাজত তাৰ প্ৰচাৰ আৰু প্ৰসাৰ ঘটাই পৰিৱেশ আন্দোলন তথা বৰ্ষাৰণ্য সংৰক্ষণ আন্দোলনক নেচাৰ্চ বেকনে উজ্জীৱিত কৰি ৰাখিছে। দিহিং-পাটকাই ৰাষ্ট্ৰীয় উদ্যানক কেন্দ্ৰ কৰি প্ৰতিবছৰে প্ৰকৃতি শিবিৰ আৰু বন্যপ্ৰাণী সংৰক্ষণৰ প্ৰশিক্ষণ অব্যাহত আছে।

## দিহিং-পাটকাই ৰাষ্ট্ৰীয় উদ্যানৰ ঘোষণা

দিহিং-পাটকাই ৰাষ্ট্ৰীয় উদ্যানৰ এটা সুকীয়া ইতিহাস আছে। প্ৰায় ২৫ বছৰ ধৰি নেচাৰ্চ বেকনৰ নেতৃত্বত অসমৰ বৰ্ষাৰণ্য সংৰক্ষণৰ বাবে যি আন্দোলন হৈছিল তাৰ ফলস্বৰূপে অসমৰ মূখ্যমন্ত্ৰী শ্ৰী সৰ্বানন্দ সোনোৱাল ডাঙৰীয়াই ৰ ডিচেম্বৰ ২০২০ চনত জয়পুৰ বৰ্ষাৰণ্য, লগতে আপাৰ দিহিং আৰু দিৰক অৰণ্যৰ নতুন অঞ্চলক সামৰি বৰ্ষাৰণ্যৰ ২৩১.৬৫ বৰ্গ কিলো মিটাৰ অঞ্চলক প্ৰাথমিকভাৱে ৰাষ্ট্ৰীয় উদ্যান ঘোষণা কৰে। ইয়াৰ পিছত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই ১৫ জুন ২০২১ তাৰিখে ২৩৪.২৬ বৰ্গ কিলোমিটাৰ বৰ্ষাৰণ্যক চূড়ান্তভাৱে ৰাষ্ট্ৰীয় উদ্যান ঘোষণা কৰে। অসমৰ বৰ্ষাৰণ্য সংৰক্ষণ আন্দোলনৰ ইতিহাসত এই ঘোষণা এটা যুগান্তকাৰী ঘটনা। দিহিং-পাটকাই ৰাষ্ট্ৰীয় উদ্যান ভাৰতৰ ৰাষ্ট্ৰীয় উদ্যানবোৰৰ ভিতৰত অন্যতম শ্ৰেষ্ঠ ৰাষ্ট্ৰীয় উদ্যান। জৈৱবৈচিত্ৰৰ তুলনামূলক বিচাৰত অসমৰ শ্ৰেষ্ঠ ৰাষ্ট্ৰীয় উদ্যান আমাৰ দিহিং-পাটকাই ৰাষ্ট্ৰীয় উদ্যান। ৪০ প্ৰজাতিৰ স্তন্যপায়ী বন্যপ্ৰাণী, ৩৮০ প্ৰজাতিতকৈ অধিক প্ৰজাতিৰ বনৰীয়া চৰাই, ৪২ প্ৰজাতিৰ উভচৰ আৰু সৰীসৃপ, ২০৫ প্ৰজাতিৰ পোক-পতংগ (যাৰ মাজত পখিলা আৰু মথবোৰো আছে), ৫২ প্ৰজাতিৰ বনৰীয়া মাছ, ১০৭ প্ৰজাতিৰ অৰণ্যকেৰু (Orchids), ১৬০ প্ৰজাতিতকৈ অধিক গছ-গছনি এতিয়ালৈকে এই ৰাষ্ট্ৰীয় উদ্যানত নথিভূক্ত কৰা হৈছে। এই আপুৰুগীয়া বৰ্ষাৰণ্য আৰু তাৰ জৈৱবৈচিত্ৰ আমাৰ পৰম্পৰা, ইয়াক সংৰক্ষণ দিয়াৰ দায়িত্ব আমাৰ প্ৰত্যেকৰ। দিহিং-পাটকাই ৰাষ্ট্ৰীয় উদ্যান অসমৰ গৌৰৱ, ইয়াক ৰক্ষা কৰাটো আমাৰ প্ৰত্যেকৰে জাতীয় কৰ্তব্য। অসমৰ বৰ্ষাৰণ্য সংৰক্ষণ আন্দোলনত অসমৰ প্ৰকৃতি প্ৰেমী সাধাৰণ ৰাইজে নেচাৰ্চ বেকনক যি অকৃত্ৰিম সহায়-সমৰ্থন আৰু সহযোগিতা আগবঢ়ালে তাৰ বাবে ৰাইজৰ প্ৰতি নেচাৰ্চ বেকনৰ সকলো কৰ্ম-কৰ্তা, সদস্য-সদস্যা আৰু বিষয়ববীয়াই আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ। অসমৰ বৰ্ষাৰণ্য সংৰক্ষণৰ যি যাত্ৰা নেচাৰ্চ বেকনে আৰম্ভ কৰিছিল সেই যাত্ৰা এতিয়াও সমাপ্ত হোৱা নাই। অসমৰ প্ৰতিখন বৰ্ষাৰণ্যৰ চিৰস্থায়ী সংৰক্ষণৰ ব্যৱস্থা সম্পূৰ্ণ নোহোৱালৈকে আমি আমাৰ বৰ্ষাৰণ্য সংৰক্ষণৰ কাম-কাজক আগুৱাই লৈ যাম। অসমৰ সকলো বৰ্ষাৰণ্য সংৰক্ষিত হওক।

## দিহিং-পাটকাই ৰাষ্ট্ৰীয় উদ্যানত পৰ্যটন

দিহিং-পাটকাই ৰাষ্ট্ৰীয় উদ্যান প্ৰকৃতি-পৰ্যটকসকলৰ বাবে আদৰ্শ ঠাই। ডিব্ৰুগড় আৰু তিনিচুকীয়া হৈ, নাহৰকটীয়া-জয়পুৰ হৈ সহজেই এই ৰাষ্ট্ৰীয় উদ্যানত সোমাব পাৰি। ডিগবৈ, ডুমডুমা, মাৰ্ঘেৰিটাৰপৰাও সহজে ৰাষ্ট্ৰীয় উদ্যানলৈ যাব পৰা যায়। ৰে'ল, বাছ আৰু বিমানৰ যোগাযোগ-ব্যৱস্থা এই অঞ্চলত নিয়মিত ৰূপত আছে। নিকটতম বিমানবন্দৰ ডিব্ৰুগড়ৰ মোহনবাৰী বিমানবন্দৰ। থকা-মেলাৰ বাবে ডিব্ৰুগড়, দুলীয়াজান, নাহৰকটীয়া, তিনিচুকীয়া, মাৰ্ঘেৰিটা, ডিগবৈ, ডুমডুমা আদি স্থানত পৰ্যাপ্ত ব্যৱস্থা আছে। ডিগবৈ, ডুমডুমা আৰু জয়পুৰত বনবিভাগৰ বাংলো আছে। বছৰৰ যি কোনো সময়তে ৰাষ্ট্ৰীয় উদ্যানলৈ যাব পাৰি। ৰাষ্ট্ৰীয় উদ্যানৰ অভ্যন্তৰৰ কোনো কোনো স্থানত গাড়ীৰে যাব পৰা বাট-পথ আছে। এই অৰণ্য খোজকাঢ়ি ফুৰাৰ বাবেও অতি উত্তম ঠাই। বাৰিষাৰ সময়ত ৰাষ্ট্ৰীয় উদ্যানৰ মাজেৰে প্ৰৱাহিত হোৱা বুঢ়ীদিহিং নদী আৰু নামচাং নদীত 'ৰ্যাফ্‌টিং' কৰাৰ সুবিধা আছে। নদী পথেৰে নাৱেৰে অৰণ্যৰ ৰাষ্ট্ৰীয় উদ্যানত সোমাব পাৰি। অৰণ্যত তম্বু তৰাৰ ব্যৱস্থা আছে। দিহিং-পাটকাই ৰাষ্ট্ৰীয় উদ্যান চৰাই পৰ্যৱেক্ষকসকলৰ বাবেও অত্যন্ত আদৰ্শ ঠাই। অৰণ্যৰ দাঁতিত টিপামফাকে গাঁৱত বৌদ্ধ মন্দিৰ অন্যতম দ্ৰষ্টব্য স্থান। ৰাষ্ট্ৰীয় উদ্যানৰ দাঁতিৰ গাঁওবোৰত জনগোষ্ঠীয় সংস্কৃতি বহুতৰ বাবে আগ্ৰহৰ বিষয় হ'ব পাৰে। দিহিং-পাটকাই ৰাষ্ট্ৰীয় উদ্যান ভ্ৰমণ কৰিব বিচৰাসকলে বা ইতিমধ্যে যিসকলে দিহিং-পাটকাই ৰাষ্ট্ৰীয় উদ্যান ভ্ৰমণ কৰিছে, তেওঁলোকে পৰ্যটকসকলৰ উদ্দেশ্যে প্ৰণীত 'দিহিং-পাটকাই অভয়াৰণ্য' আৰু 'দিহিং পাটকাই ৰাষ্ট্ৰীয় উদ্যান' নামৰ কিতাপ দুখন সংগ্ৰহ কৰিব পাৰে।

●●●

# ইতিহাসৰ পম খেদি ঃ ডিব্ৰুগড়ৰ সংবাদ সাহিত্য

**ইকবাল আহমেদ**

ডিবৰু নদীৰ পাৰত অৱস্থিত মনোমোহা ডিব্ৰুগড় চহৰ অসমৰ দ্বিতীয় বৃহত্তম চহৰ। ইতিহাসে ৰিঙিয়াই যে এই চহৰতে আধুনিক অসমৰ সাহিত্য, সমাজ আৰু সংস্কৃতিৰ নতুন ধাৰাৰ উন্মেষ ঘটিছিল। প্ৰবাহমান কালৰ সোঁতত উজাই চহৰখনত ক্ৰমশঃ চিন্তাৰ ন-ন পৰিসৰ উজ্জীৱিত হৈছিল । সমাজ-জীৱনৰ প্ৰতিটো স্তৰতে চহৰখনে নতুন ৰূপত ন-সাজ পিন্ধে, পুৰণিক বাদ দি নতুনক আকোঁৱালি লয়।

ন-পুৰণি সংমিশ্ৰণৰ মাজেৰেই সৃষ্টি হয় এক নতুন সমাজ-জীৱন। আধুনিকতাৰ কাঠিৰ স্পৰ্শত ঢাপে ঢাপে সেই সামূহিক জীৱনধাৰা মনমোহা হৈ পৰে । সমকালৰ অৰ্থনীতিৰ ক্ৰমশঃ ঊৰ্ধগামী ৰেখাডালৰ পম খেদি ইংৰাজ শাসকসকলে অফুৰন্ত প্ৰকৃতিৰ দানেৰে সমৃদ্ধ খনিজ সম্পদসমূহ উদ্‌ঘাটন আৰু আহৰণৰ জৰিয়তে এই চহৰলৈ উজাই আনিছিল প্ৰগতিৰ স্পন্দন। ইংৰাজ শাসকসকলৰ ব্যৱসায়িকভিত্তিক বদান্যতাৰ বাবেই চহৰখনৰ আশে-পাশে লাহে-লাহে স্থাপন হৈছিল সৰু-বৰ, শাৰী শাৰী চাহবাগানৰ। খনিজ সম্পদ যেনে--- তেল আৰু কয়লা উদ্‌ঘাটনৰ প্ৰেক্ষাপটত ইংৰাজ শাসকে ৰাজ্যত প্ৰথমবাৰৰ বাবে চলালে ৰেলগাড়ী আৰু জাহাজ চলালে। ৰাজ্যৰ প্ৰথমখন মেডিকেল স্কুল, যিখন পৰৱৰ্তী সময়ত উত্তৰ-পূবৰ প্ৰথমখন মেডিকেল কলেজ অৰ্থাৎ 'অসম চিকিৎসা মহাবিদ্যালয়' হিচাপে স্থাপন হ'ল; সেইখনো ইংৰাজৰ দিনতেই স্থাপন হৈছিল। সমকালৰ অসমৰ বিভিন্ন ঠাইত আধুনিক শিক্ষাৰ স্কুলসমূহ স্থাপন হোৱাৰ সমান্তৰালভাৱে ৰাজ্যৰ প্ৰথমখন ছোৱালী স্কুলো ইংৰাজ-শাসিত অসমত ডিব্ৰুগড়তে স্থাপিত হ'ল। গতিকে ৰাজ্যখনৰ ভিতৰতে এই চহৰখন হৈ উঠিছিল এখন আধুনিক চহৰ। সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক জীৱনৰ দ্ৰুত পৰিৱৰ্তনৰ লগে লগে ডিব্ৰুগড় সংবাদৰ দিশতো এটি ভাণ্ডাৰ হৈ পৰিল।

দূৰদৃষ্টিসম্পন্ন ইংৰাজ শাসকসকলে চহৰখনক শিক্ষা, ব্যৱসায়, কলা- সংস্কৃতিৰ এক কেন্দ্ৰথলীলৈ ৰূপান্তৰ ঘটালে। সামৰিক দিশৰ প্ৰতি অগ্ৰাধিকাৰ দি ইংৰাজসকলে লক্ষীমপুৰ (লখিমপুৰ) জিলাৰ সদৰ ঠাই লক্ষীমপুৰৰ পৰা ডিব্ৰুগড়লৈ উঠাই আনিছিল। স্মৰ্তব্য যে ১৮৩৯ খ্ৰীষ্টাব্দৰ পৰা ১৮৭১ খ্ৰীষ্টাব্দলৈকে ব্ৰহ্মপুত্ৰ নদীৰ উত্তৰ পাৰৰ লক্ষীমপুৰ আৰু দক্ষিণ পাৰৰ ডিব্ৰুগড় আৰু তিনিচুকীয়া লক্ষীমপুৰ জিলাৰ অন্তৰ্ভুক্ত আছিল। যি কি নহওক, পৰৱৰ্তী সময়ত প্ৰশাসনিক সুবিধাৰ বাবে বিংশ শতিকাৰ নব্বৈৰ দশকৰ আৰম্ভণিতে ডিব্ৰুগড় আৰু তিনিচুকীয়া -- এই দুখন জিলাৰ সৃষ্টি কৰা হয়। ডিব্ৰুগড় চহৰ প্ৰশাসনিক মূল কেন্দ্ৰ হিচাপে পৰিগণিত হোৱাৰ বাবে আৰু ওচৰে-পাজৰে উৎপাদিত চাহ, কয়লা, খনিজ তেল ৰপ্তানীৰ আন্তঃগাৰ্থনি উপলব্ধতাৰ প্ৰেক্ষাপটত চহৰখন মাথোঁ ঘটনা বহুল চহৰ হোৱাতে থমকি নৰৈ ক্ৰমাৎ বুদ্ধিজীৱীসকলৰ কেন্দ্ৰস্থললৈও ৰূপান্তৰিত হ'বলৈ ধৰে। ইংৰাজ শৈলীৰ শিক্ষা তথা ইংৰাজী ভাষাই স্কুল, কলেজ, কোৰ্ট, কাছাৰীত নিজৰ স্থিতি দৃঢ় কৰিব পৰাৰ ফলশ্ৰুতিত ৰাইজে ভিন্-ভিন্ দিশৰ সংবাদসমূহ জানিবলৈ ইচ্ছা কৰিবলৈ ল'লে। চহৰখনৰ বৌদ্ধিক পৰিৱেশ ক্ৰমাৎ সংবাদমুখী হৈ পৰে। এনেকৈয়ে চহৰখনত সংবাদপত্ৰ জন্ম হোৱাৰ উকমুকনিৰ সূচনা হয়।

ঊনবিংশ শতিকাৰ অন্তিমটো দশকত অসমৰ সংবাদ জগতত এক নতুন যুগৰ সূচনা হয়। অসমৰ প্ৰথমখন ইংৰাজী সাপ্তাহিক সংবাদপত্ৰৰ জন্ম হৈছিল এইখন চহৰতে। অসমৰ বৌদ্ধিক সমাজৰ প্ৰতি ১৮০ বছৰে গৰকা ডিব্ৰুগড় চহৰৰ এয়া হ'ল অবিস্মৃত বৰঙণি। অসমৰ সংবাদপত্ৰৰ ইতিহাসত লিপিবদ্ধ

*লেখক 'সদৌ অসম সাংবাদিক সংস্থা'ৰ প্ৰাক্তন সভাপতি তথা এগৰাকী বিশিষ্ট সাংবাদিক।*

এই ঘটনা ভাৰতবৰ্ষৰ ভিতৰতো উল্লেখযোগ্য আছিল। ১৮৪৬ খ্ৰীষ্টাব্দৰ জানুৱাৰী মাহত অসমপ্ৰেমী মিছনেৰী অলিভাৰ টি . কাট্টাৰৰ পৰিচালনাত অসমৰ প্ৰথমখন আলোচনী কাকত 'অৰুনোদই'ৰ জন্ম হৈছিল। 'অৰুনোদই'ৰ প্ৰকাশৰ প্ৰায় ৫০ বছৰৰপাছত ডিব্ৰুগড় চহৰৰ হনুমান সিংহানিয়া পথত (H.S. Road) অৱস্থিত ৰাধানাথ প্ৰেছৰ (যি পৰৱৰ্তী সময়ত 'টাইমছ্ অফ আছাম' প্ৰেছ নামেৰে জনাজাত হৈছিল) পৰা অসমৰ প্ৰথমখন ইংৰাজী সাপ্তাহিক কাকত 'টাইমছ্ অফ আছাম' ১৮৯৫ খ্ৰীষ্টাব্দৰ ৫ জানুৱাৰীৰ পৰা প্ৰকাশ হ'বলৈ আৰম্ভ হয়। অসমৰ ইংৰাজী সাংবাদিকতাৰ পিতৃ ৰূপে পৰিগণিত হোৱা চাংকাকতি আছিল 'টাইমছ্ অফ আছাম'ৰ' প্ৰতিষ্ঠাপক সম্পাদক। ১৮২৩ খ্ৰীষ্ঠাব্দৰ ৭ মাৰ্চলৈকে তেওঁ কাকতখনৰ স্বত্বাধিকাৰ হোৱাৰ লগতে প্ৰকাশক আৰু সম্পাদকৰ দায়িত্ব সুচাৰুৰূপে পালন কৰিলেও তেওঁৰ মৃত্যুৰ কেইবছৰমানৰ ভিতৰতে কাকতখনৰ প্ৰকাশ সম্পূৰ্ণৰূপে বন্ধ হৈ পৰে। ভাৰতৰ প্ৰখ্যাত কাকত 'ষ্টেটছ্ম্যান' জন্মৰো প্ৰায় এবছৰৰ পূৰ্বে ডিব্ৰুগড়ৰ প্ৰথিতযশা সাংবাদিক ৰাধানাথ চাংকাকতিয়ে অসমভূমিত ইংৰাজী সাপ্তাহিক কাকতৰ জন্ম দি অসমৰ বাতৰি কাকতৰ ইতিহাসত স্বৰ্ণাক্ষৰে নিজৰ নামৰ লগতে ডিব্ৰুগড়ৰ নামো সোণালী আখৰেৰে লিখি থৈ গ'ল। চাংকাকতিৰ মৃত্যুৰ পিছতেই স্থানীয় জৰ্জ ইনষ্টিটিউশ্যনত শিক্ষকতা কৰি থকা লক্ষীনাথ ফুকনে প্ৰায় তিনিবছৰ কাল 'টাইমছ অফ আছাম' সম্পাদনা কৰিছিল। ফুকনৰ মতে 'অৰুনোদই'কৈ ধৰি অসমত প্ৰকাশিত বিভিন্ন ধৰণৰ বাতৰি কাকতৰ ভিতৰত 'টাইমছ অফ আসাম'য়েই প্ৰায় দুকুৰি বছৰ কাল প্ৰকাশিত হোৱা সমকালৰ একমাত্ৰ বাতৰি কাকত। চাংকাকতিৰ বিষয়ে উল্লেখ কৰি ফুকনে লিখিছিল, "চাংকাকতিয়ে কাকত সম্পাদনা কৰিলে আঠাইশ বছৰ। তেখেতৰ আগে পিছে এতিয়ালৈকে অসমৰ কোনো কাকতত একে লেঠাৰিয়ে ইমান দিন কোনো সম্পাদক থকা নাই। সফল বাটকটীয়া আৰু আৰ্হি দেখুৱাওঁতা হিচাপে অসমৰ সাংবাদিকতাৰ ক্ষেত্ৰত চাংকাকতিৰ অবদান অতুলনীয়।" লক্ষীনাথ ফুকনৰ পৰৱৰ্তী সময়ছোৱাত কাকতখনৰ সম্পাদকসকলৰ ভিতৰত আছিল প্ৰবোধ চন্দ্ৰ দত্ত, তিলক শৰ্মা, কেদাৰনাথ গোস্বামী, মহম্মদ আব্দুলা, প্ৰভাত চন্দ্ৰ শৰ্মা, ইন্দুভূষণ চক্ৰৱৰ্ত্তী, জীৱনৰাম ফুকন আৰু শাৰদা শংকৰ দত্ত। ১৯৪৭ খ্ৰীষ্টাব্দৰ ছেপ্টেম্বৰলৈকে সুদীৰ্ঘ ৫২ বছৰ কাল কাকতখন নিয়মীয়াকৈ প্ৰকাশ হৈছে। স্বৰ্গীয় জীৱনৰাম ফুকনৰ ঐকান্তিক প্ৰচেষ্টাৰ ফলস্বৰূপে ১৯৪৮ খ্ৰীষ্টাব্দৰ ১৫ আগষ্টত পুনৰ 'টাইমছ্ অফ আছাম'ৰ আত্মপ্ৰকাশ ঘটিছিল। কিন্তু ১৯৫০ চনৰ ২২ অক্টোবৰত ব্ৰহ্মপুত্ৰ নৈত তেওঁৰ সলিল সমাধি ঘটাত 'টাইমছ অফ আছাম'ৰ প্ৰকাশ চিৰকালৰ বাবে বন্ধ হৈ যায়।

ইতিহাসৰ পাত খুঁচৰিলে জানিব পৰা যায় যে 'টাইমছ্ অফ আছাম' প্ৰকাশ হৈ থকা অৱস্থাতে ডিব্ৰুগড় চহৰৰ পৰা আৰু কেইখনমান কাকত যেনে বশম্বদ মিত্ৰৰ সম্পাদনাত 'ইষ্টাৰ্ন হেৰল্ড' (১৯০২-০৮), কালীনাথ ৰায়ৰ সম্পাদনাত 'চিটিজেন' (১৯০৮-০৬), কৃষ্ণচন্দ্ৰ বৰুৱাৰ সম্পাদনাত 'আছাম ক্ৰনিকল' (১৯১২) প্ৰকাশিত হোৱাত ডিব্ৰুগড়ত বাতৰি কাকত প্ৰকাশৰ প্ৰক্ৰিয়াটো জীয়াই ৰখাত সহায়ক হয়।

১৯১০ খ্ৰীষ্টাব্দত ডিব্ৰুগড়ত 'আলোচনী ক্লাব' নামেৰে এক অধ্যয়ন চক্ৰৰ প্ৰতিষ্ঠা হয়। শিৱৰাম শৰ্মা বৰদলৈ, দুৰ্গানাথ চাংকাকতি, ডাঃ লক্ষীপ্ৰসাদ চলিহা, আনন্দৰাম বৰুৱা, নীলমণি ফুকন, সদানন্দ দুৱৰা, কুন্তি ফুকননী আদি ব্যক্তিসকলৰ উদ্যোগত জন্ম লোৱা 'আলোচনী ক্লাব'ৰ সৌজন্যত 'আলোচনী' নামৰ এখন মাহেকীয়া কাকতৰ (১৯১০-১৭) আত্মপ্ৰকাশ হয়। আলোচনী ক্লাবৰ সদস্যসকলে ১৯১৭ চনত সাহিত্য কাণ্ডাৰী পদ্মনাথ গোহাঁই বৰুৱাৰ সভাপতিত্বত শিৱসাগৰত অনুষ্ঠিত হোৱা 'অসম সাহিত্য সভা'ৰ প্ৰথম অধিৱেশনত ডিব্ৰুগড়ৰ হৈ যোগদান কৰে। অধিৱেশনৰ পৰৱৰ্তী সময়ত এই 'আলোচনী অধ্যয়ন চক্ৰ'ই 'ডিব্ৰুগড় সাহিত্য সভা'লৈ ৰূপান্তৰিত হয়। 'আলোচনী' মাহেকীয়া কাকতৰ প্ৰথম সম্পাদক আছিল প্ৰসন্ন কুমাৰ বৰুৱা। প্ৰকাশক আৰু মেনেজাৰ আছিল আনন্দৰাম বৰুৱা। প্ৰথম সম্পাদক বৰুৱাৰ পাছত দুৰ্গানাথ চাংকাকতিয়ে 'আলোচনী' সম্পাদনা কৰিছিল। শেষৰ তিনি নে চাৰিটা বছৰৰ সম্পাদক আছিল বাগ্মীবৰ নীলমণি ফুকন।

১৯১৮ খ্ৰীষ্টাব্দৰ ২৬ আগষ্টৰ পৰা চন্দ্ৰকুমাৰ আগৰৱালাৰ পৃষ্ঠপোষকতাত আৰু ৰায়বাহাদুৰ সদানন্দ দুৱৰাৰ সম্পাদনাত 'সাদিনীয়া অসমীয়া' নামৰ কাকতখন ডিব্ৰুগড়ৰ 'অসমীয়া প্ৰেছ'ৰ পৰা ছপা হৈ প্ৰকাশ হৈছিল। পৰৱৰ্তী সময়ত ১৯২৪ চনৰ পৰা কাকতখন গুৱাহাটীৰ 'নিউ প্ৰেছ'ৰ পৰা সাদিনীয়া হিচাপে প্ৰকাশ হৈছিল। ১৯৪৬ চনৰ পৰা কাকতখন দৈনিক কৰা হৈছিল যদিও সুদীৰ্ঘ চাৰিটা দশকৰ পিছত ১৯৫৮ চনৰ ১২ এপ্ৰিলত কাকতখনৰ প্ৰকাশ বন্ধ হৈ যায়। 'অসমীয়া' কাকতখনৰ অন্যান্য সম্পাদকসকল আছিল ঃ মহেশ্বৰ বৰুৱা, লোকনায়ক অমিয় কুমাৰ দাস, লক্ষীনাথ ফুকন, হৰেন্দ্ৰ নাথ বৰুৱা, দেৱ কান্ত বৰুৱা, আনন্দ চন্দ বৰুৱা, মোহন চন্দ্ৰ মহন্ত, জ্যোতিপ্ৰসাদ আগৰৱালা, পদ্মধৰ চলিহা, যোগেন্দ্ৰনাথ বৰকাকতি, নিৰণ ভুঞা।

প্ৰখ্যাত চাহ-খেতিয়ক, নন্দেশ্বৰ চক্ৰৱৰ্ত্তীৰ উদ্যোগত ১৯৩৯ চনৰ জুলাই মাহত ডিব্ৰুগড়ৰ 'সদাশিৱ প্ৰেছ'ৰ পৰা সাপ্তাহিক বাতৰি কাকত 'তৰুণ অসম' প্ৰকাশ হৈছিল। প্ৰথমজনা সম্পাদক আছিল অগ্নিকবি কমলাকান্ত ভট্টাচাৰ্য্যৰ জ্যেষ্ঠ পুত্ৰ তৰুণ

কুমাৰ ভট্টাচাৰ্য্য। 'তৰুণ অসম' বাতৰি কাকতখনৰ লগত ডিব্ৰুগড়ৰ সাৰদা শংকৰ প্ৰসাদ দত্ত, কৃষ্ণকান্ত বৰুৱা, নবীন চন্দ্ৰ বৰদলৈ আৰু ভৰত বৰপূজাৰী জড়িত আছিল বুলি জনা যায়। ১৯৪২ চনৰ জুন মাহত 'তৰুণ অসম'ৰ প্ৰকাশ বন্ধ হৈ যায়।

ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত হোৱা আৰু কেইখনমান উল্লেখযোগ্য সমসাময়িক কাকত আছিল ঃ সূৰ্য্যধৰ ৰাজখোৱাৰ 'ৰণ', ৰজনীকান্ত বৰদলৈ প্ৰকাশিত 'অসম প্ৰদীপিকা', তাপস্ বাগছী প্ৰকাশিত 'জাগৰণ', ভোলানাথ গোহাঁইৰ 'অসম ৰায়ত' আদি।

অসমৰ প্ৰথমখন ইংৰাজী দৈনিক বাতৰি কাকত 'আছাম ট্ৰিবিউন' প্ৰথম অৱস্থাত ১৯৩৯ চনৰ ৪ আগষ্টত ডিব্ৰুগড় চহৰৰ ৰজনীকান্ত বৰদলৈ পথত অৱস্থিত 'বৰুৱা প্ৰেছ'ৰ পৰা সাপ্তাহিক হিচাপে প্ৰকাশিত হৈছিল। এই 'বৰুৱা প্ৰেছ' আছিল গুণ গোবিন্দ বৰুৱা আৰু তিনিচুকীয়াৰ প্ৰতিষ্ঠিত চাহ খেতিয়ক সোমেশ্বৰ বৰুৱাৰ। বৰুৱা প্ৰেছৰ আধাতকৈ বেছি অংশৰ অংশীদাৰ আছিল সোমেশ্বৰ বৰুৱা। গুণ গোবিন্দ বৰুৱাৰ সুযোগ্য পুত্ৰ ৰাধা গোবিন্দ বৰুৱাই বাস্তৱ দৃষ্টিভংগীৰে বিবেচনা কৰি লক্ষ্মীনাথ ফুকনৰ দ্বাৰা সম্পাদনা কৰা সাপ্তাহিক 'আছাম ট্ৰিবিউন' কাকতখনকে গুৱাহাটীলৈ তুলি নি দৈনিক ইংৰাজী কাকত 'আসাম ট্ৰিবিউন' প্ৰকাশ কৰি উলিয়ায়। সেই দিন ধৰি কাকতখন অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ প্ৰথম ইংৰাজী কাকত হিচাপে পৰিগণিত হৈ আহিছে। অসমৰ সংবাদ জগতত 'টাইমছ্ অব আছাম'ৰ পাছত 'আছাম ট্ৰিবিউন'ৰ দ্বাৰাই এক নতুন দিগন্তৰ সূচনা হয়। কালক্ৰমে গুৱাহাটীৰ পৰা প্ৰকাশিত 'আসাম ট্ৰিবিউন' হৈ পৰে সমগ্ৰ পূৰ্বাঞ্চলত বসবাস কৰা জনসাধাৰণৰ মানসিক সংযোগৰ সাঁকো। কাকতখনৰ প্ৰতিষ্ঠাতা সিংহ পুৰুষ ৰাধাগোবিন্দ বৰুৱাই (১৯০০-১৯৭৭) কাকতখনৰ প্ৰতিষ্ঠা কৰাৰ লগতে অক্লান্ত পৰিশ্ৰম, ধৈৰ্য অধ্যাবসায় আৰু দূৰদৃষ্টিপূৰ্ণ দৃষ্টিভংগীৰে গঢ় দিয়াত ই এখন আগশাৰীৰ কাকত হিচাপে খ্যাতি অৰ্জন কৰাৰ লগতে সৰ্বভাৰতীয় স্বীকৃতি আহৰণ কৰিবলৈও সক্ষম হয়। কাকতখনৰ সম্পাদকসকল হ'ল ঃ লক্ষীনাথ ফুকন, সতীশ চন্দ্ৰ কাকতি, ৰবীন বৰুৱা, নৰেণ ডেকা, ড০ পাৰ্থসাৰথি দত্ত, প্ৰফুল্ল গোবিন্দ্ৰ বৰুৱা আৰু প্ৰশান্তজ্যোতি বৰুৱা।

ডিব্ৰুগড়ৰ পৰা বহু বাতৰি কাকত তথা মাহেকীয়া, পষেকীয়া, সাপ্তাহিক, ছমহীয়া, বছৰেকীয়া আদি বিভিন্ন সময়ৰ মূৰকত প্ৰকাশিত আলোচনী সময়ে সময়ে প্ৰকাশ হ'লেও প্ৰায়বোৰ কাকত বা আলোচনীৰ জীৱনকাল বৰ দীঘলীয়া নাছিল। ডিব্ৰুগড় চহৰখনৰ পৰা প্ৰকাশিত আলোচনী-কাকত আদিৰ সঠিক তথ্য পোৱাটো এটা অতি কঠিন কাম।এই সম্পৰ্কে কোনো বিজ্ঞানসন্মত গৱেষণা হৈছে নে নাই জনা নাযায়। গতিকে, এই সম্পৰ্কে লিখিবলৈ হ'লে বিভিন্ন সূত্ৰ, বয়োজ্যেষ্ঠসকলৰ পৰা পোৱা তথ্যৰ ওপৰতে ভিত্তি কৰিব লাগিব। সেই সময়ত ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত কাকত আলোচনীসমূহৰ ভিতৰত আছিল 'আসাম বান্ধৱ' (তাৰানাথ চক্ৰৱৰ্তী), 'প্ৰদীপিকা' (ৰজনীকান্ত বৰদলৈ), 'সংগ্ৰাম' (হেম কোঁৱৰ), 'পাব্লিক ভইচ্' (সাৰদা শঙ্কৰ প্ৰসাদ দত্ত), 'জনবল' (অশ্বিনী কুমাৰ চৌধুৰী), 'মজদুৰ' (অৰুণ কুমাৰ ভট্টাচাৰ্য), 'ফ্ৰন্টিয়াৰ হেৰল্ড' আৰু 'সোণৰ অসম' (পদ্ম বিকাশ বৰগোহাঞি), 'সাৰথি' (পদ্মকুমাৰী বৰগোহাঞি) 'সংগম' (তফুজ্জল আলি), 'পূবেৰুণ' (প্ৰমোদ চন্দ্ৰ বৰদলৈ), 'জ্ঞানদীপ', 'চাহ মজদুৰ' (ভৰত বৰপূজাৰী), 'পঞ্চশীল' (নবীন চন্দ্ৰ বৰদলৈ), 'বিকাশ', 'বীৰজোৱান' (হেৰম্ব বৰদলৈ), 'জাগ্ৰত অসম' (মেহদী আলম), 'জনছবি' (মহিবুদ্দিন আহমদ), 'অভিমত', 'বিকাশ' (শৰৎ নেওগ) 'অনুবাদ' (কবীন ফুকন), 'পষেকীয়া বহ্নিমান' (সূৰ্য্য হাজৰিকা), প্ৰগতিশীল দ্বিভাষিক পষেকীয়া 'গণচেতনা' (সম্পাদক ঃ শশীন দাস), 'মিনাৰ' (জমিৰুদ্দিন আহমেদ), 'ডিব্ৰুগড় বাৰ্তা(হেৰম্ব বৰদলৈ), 'আলোড়ন', 'শিল্পী সংবাদ' (ৰহমত আলি) আদি। 'স্পন্দন' (অসমীয়া সাপ্তাহিক- ১৯৮৩, সম্পাদক ড° পৰীক্ষিত হাজৰিকা) কাকতখন 'অসম স্পন্দন' নামকৰণেৰে লক্ষীকান্ত মজিন্দাৰ বৰুৱাৰ সম্পাদনাত নিয়মীয়াভাৱে এতিয়াও প্ৰকাশিত হৈ আছে। 'দি নৰ্থ ইষ্ট নিউজ' (মুখ্য সম্পাদক- ড° উদয়ন মিশ্ৰ, সম্পাদক- ৰণ দুৱৰা), 'বাতাবৰণ' (সম্পাদক - ৰাজীৱ বৰগোহাঞি), 'মৌচাক' (সঞ্জীৱ বৰদলৈ), 'নতুন প্ৰভাত', 'ৰেঙণি', 'ব্ৰহ্মপুত্ৰ' (বিশ্বজিৎ বৰুৱা), 'গগনা', 'বিহুশিঙা', 'জেতুকা', 'সাময়িকী' (মানবেন্দ্ৰ বৰঠাকুৰ), 'সাৰথি' (মহিলা আলোচনী, সম্পাদক-- পদ্মকুমাৰী গোহাঞি), 'অগ্ৰবাণী' (সনৎ কুমাৰ বৰুৱা), 'প্ৰচাৰক' (মহম্মদ চুলেমান খা), 'দময়ন্তী' (হেম চেতিয়া), 'মাতৃভূমি' (ঘনশ্যাম দাস), 'নৱজ্ঞান' (কিৰণ অভয়পুৰীয়া), ড° নগেন শইকীয়াৰ সম্পাদনাত 'উত্তৰায়ণ', বীৰেণ বৰুৱাৰ সম্পাদনাত 'কৌস্তভ', ডিম্বেশ্বৰ চলিহাৰ সম্পাদনাত 'বিজ্ঞান বিচিত্ৰা', ৰীতা ঠাকুৰৰ সম্পাদনাত 'উন্মেষ' (২০১৮-১৯) আদিও যোৱা সময়ছোৱাত ডিব্ৰুগড়ৰ পৰা প্ৰকাশ হোৱা অসংখ্য সৰু-বৰ কাকত-আলোচনীৰ নাম-তালিকাত অন্তৰ্ভুক্ত হৈছে। উত্তম কুমাৰ বৰুৱা সম্পাদনাত ১৯৯৪ চনত 'চিন্তাদূত' আলোচনী প্ৰকাশ হৈ ওলাইছিল। এই আলোচনীখন প্ৰায় এটা দশক নিয়মীয়াকৈ প্ৰকাশ হৈ আছিল যদিও পাছলৈ বন্ধ হ'ল। বিংশ শতিকাৰ নৱৈৰ দশকত প্ৰকাশিত এখন উল্লেখনীয় বাৰ্তালোচনী হ'ল 'ৰাইজমেল'। ইকবাল আহমেদৰ মুখ্য সম্পাদনা আৰু তপন শৰ্মা বৰুৱাৰ সম্পাদনাত প্ৰকাশ হোৱা বাৰ্তালোচনীখনৰ প্ৰকাশক আছিল উত্তম কুমাৰ বৰুৱা। স্বাধীনোত্তৰ ডিব্ৰুগড়ৰ উল্লেখনীয় আলোচনী আৰু বাতৰি-কাকতৰ ধাৰাটোক

উল্লিখিত কাকত-আলোচনীসমূহে প্ৰতিনিধিত্ব কৰে।

ডিব্ৰুগড়ৰ পৰা বাতৰি-কাকত প্ৰকাশৰ ধাৰা অব্যাহত ৰাখি ২০০০ চনৰ ৩০ আগষ্টত নিবন্ধ লেখক, সাংবাদিক পেইম-থি-গোহাঁইৰ সম্পাদনাত প্ৰকাশ পায় সাপ্তাহিক 'ভূমিপুত্ৰ'। 'সাপ্তাহিক ভূমিপুত্ৰ' অতি কম সময়ৰ ভিতৰতে ড° পাৰ্থ সাৰথি দত্তৰ সম্পাদনাত 'দৈনিক ভূমিপুত্ৰ'লৈ ৰূপান্তৰিত হয। কাকতখনে উজনিৰ বিভিন্ন জিলাৰ পাঠকৰ মাজত সমাদৰ লাভ কৰিলেও কেইবছৰমান চলাৰ পাছতে বন্ধ হৈ পৰে।

ইয়াত উল্লেখ কৰিব পাৰি যে তিনিচুকীয়াৰ সাংবাদিক ৰূপহ চলিহাৰ সম্পাদনা আৰু ডিব্ৰুগড়ৰ বেংক কৰ্মচাৰী জিতেন কলিতাৰ উদ্যোগত সান্ধ্য বাতৰি কাকত, 'দৈনিক প্ৰতিক্ষণ' প্ৰকাশ পোৱাটো ডিব্ৰুগড়ৰ সংবাদ জগতৰ বাবে এটি উল্লেখযোগ্য ঘটনা। কিয়নো ই আজিও প্ৰতি গধূলি চহৰৰ বাতৰি কাকত বিক্ৰেতাৰ দোকানসমূহ এই কাকতখনে শুৱনি কৰি আছে। এই সান্ধ্য বাতৰিকাকতৰ সম্পাদক ৰূপহ চলিহাৰ পৰৱৰ্তী সম্পাদকসকল আছিল ইকবাল আহমেদ, সপোনজ্যোতি দত্ত, ভূষণজ্যোতি সন্দিকৈ, মনজিৎ বৰা। বৰ্তমান এই সান্ধ্য বাতৰি কাকত 'দৈনিক প্ৰতিক্ষণ' যাদৱ গগৈৰ সম্পাদনাত নিয়মিত প্ৰকাশ হৈ আছে। কাকতখনে স্থানীয় ৰাইজৰ আস্থা আৰু অকৃত্ৰিম সহাঁৰি পাইছে বুলি এই লেখকৰ বিশ্বাস জন্মিছে।

সম্পূৰ্ণ আধুনিক ডিজিটেল পদ্ধতিৰে ডিব্ৰুগড়ৰ পৰা দৈনিক কাকত এখন প্ৰকাশ কৰাৰ বাবে বহুদিনৰ পৰা কৰি থকা এটি প্ৰয়াস ২০১৮ চনৰ ২৬ ডিচেম্বৰত 'অসম আদিত্য' নামৰ দৈনিক কাকতখনৰ প্ৰকাশৰ মাধ্যমেৰে বাস্তৱায়িত হয়। বিশিষ্ট চিকিৎসক, সুলেখক ডাঃ নিৰ্মল চাহেৱালাৰ বহুদিনৰ পৰা বুকুত বান্ধি ৰখা সপোনে অৱশেষত প্ৰাণ পালে। ডিব্ৰুগড়ৰ পৰা আৰম্ভ হোৱা 'অসম আদিত্য'ৰ জয়যাত্ৰাৰ আঁৰত সম্পাদকীয় উপদেষ্টা হিচাপে প্ৰথমৰে পৰাই ড° নগেন শইকীয়াৰ অৱদানে আছে। মুখ্য সম্পাদক ডাঃ নিৰ্মল চাহেৱালা, সম্পাদক অৰুণ দাসৰ সুদক্ষ পৰিচালনাৰ বাবে 'অসম আদিত্য'ই প্ৰাৰম্ভিক সময়ছোৱাতে উজনিৰ জিলাসমূহৰ প্ৰতিটো প্ৰান্তৰ পাঠকৰ মাজত সমাদৰ লাভ কৰাৰ সম্ভেদ পোৱা গৈছিল। বহু যুগৰ বিৰতিৰ ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত দৈনিক 'অসম আদিত্য' প্ৰথমৰে পৰাই ডিব্ৰুগড় আৰু গুৱাহাটীৰ পৰা একেলগে প্ৰকাশ হৈ থকাটো ডিব্ৰুগড়বাসীৰ বাবে নিশ্চিতভাৱে এটি সুখবৰ। কাকতখনৰ সম্পাদক অৰুণ দাসৰ পাছত সম্প্ৰতি পূৰ্বৰ কাৰ্যবাহী সম্পাদক মনজিৎ বৰাৰ সম্পাদনাত কাকতখন নিয়মীয়াকৈ প্ৰকাশ হৈ আছে।

ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত একাংশ ক্ষুদ্ৰ বাতৰি কাকত যেনে ঃ 'বাতাবৰণ', 'অসম স্পন্দন', 'ব্ৰহ্মপুত্ৰ' আদি অনিয়মীয়াভাৱে আজিও প্ৰকাশ হৈ আছে। সোনোৱাল কছাৰী স্বায়ত্বশাসিত পৰিষদৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ৰতন হাজৰিকাৰ সম্পাদনাত মাহেকীয়া সংবাদপত্ৰ সম্প্ৰতি 'সোনোৱাল বাৰ্তা' প্ৰতিমাহে প্ৰকাশ হৈ আহিছে।

ডিব্ৰুগড়ৰ পৰা সাংবাদিকতা আৰম্ভ কৰা বহুকেইজন সাংবাদিক বিৰল প্ৰতিভাৰ অধিকাৰী আছিল। ইয়াৰ মাজত ৰাধানাথ চাংকাকতি, লক্ষীনাথ ফুকন, কেদাৰনাথ গোস্বামী, সদানন্দ দুৱৰা, বশম্বদ মিত্ৰ, ৰমেশ চন্দ্ৰ চাংকাকতি, নবীন বৰদলৈ, ইন্দ্ৰভূষণ চক্ৰৱৰ্তী, সাৰদা শঙ্কৰ প্ৰসাদ দত্ত, নিৰেশ চন্দ্ৰ বাগচী, শাৰংগধৰ ৰাজখোৱা, বিপিন কুমাৰ বৰগোহাঁই, মহেশ্বৰ চুতীয়া, তুলসী দাস বাৰ্মা, দীপ্তি কুমাৰ বিশ্বাস আদিয়ে অসম তথা ভাৰতৰ বিভিন্ন প্ৰখ্যাত কাকতত নিজ নিজ প্ৰতিভাৰ স্বাক্ষৰ বিভিন্ন লিখনিৰ মাজেৰে জিলিকাই গৈছে। এওঁলোকৰ পৰৱৰ্তী কালছোৱাত জিলাখনৰ বহুতো সাংবাদিকে নিজ নিজ মফস্বলীয় ঠাইৰ পৰা অসমৰ সংবাদজগতলৈ অৱদান আগবঢ়াইছিল। তেওঁলোক হ'ল— নীলকান্ত শৰ্মা, ভৰত বৰপূজাৰী, হেৰম্ব বৰদলৈ, শৰৎ বৰকটকী, ড° দেৱৰঞ্জন ধৰ, তিলেন্দ্ৰ নাথ মহন্ত, মিন্টু মনোৱাৰ হুছেইন, উচ্চ কমল চেতিয়া, নীলিম চৌধুৰী, তপন শৰ্মা বৰুৱা, মুকুট সিংহ ফুকন, অমল কুমাৰ হৰ, প্ৰদীপ দত্ত, গণেশ মহন্ত, ৰহমদ আলি, ভৰত বৰুৱা আৰু মনত নপৰা বহু প্ৰতিভা সম্পন্ন সাংবাদিকে।

শেষত আমাৰ অনুসন্ধানৰ আওতালৈ অনাকাংক্ষিতভাৱে হয়তো বহু সংবাদ জগতৰ সংবাদপত্ৰ তথা আলোচনীৰ নাম বাদ পৰি যাব পাৰে, তাৰ বাবে আমি পাঠকৰ ওচৰত ক্ষমাপ্ৰাৰ্থী।

●●●

# ডিব্ৰুগড় সাহিত্য সভা ঃ ইতিহাসৰ পম খেদি

**বিভাস দুৱৰা**

**এ**কো একোটা জাতি সুদীৰ্ঘকালৰ বাবে জীয়াই থাকিবলৈ ভাষা, কলা-সংস্কৃতি, সাহিত্যও সমান্তৰালভাৱে জাতিৰ সৈতে সংপৃক্ত হৈ থাকিব লাগিব। নহ'লে এদিন চহকী বুলি গৰ্বৰে কোৱা সেই একোটা বৃহৎ জাতিও ইতিহাসৰ পাততহে জিলিকি ৰ'ব। তেনে উদাহৰণ বিশ্বৰ বুকুত অলেখ আছে। সেয়ে একোটা জাতিৰ লগতে ইয়াৰ সৈতে বিজড়িত সকলো উপাদানৰ সঠিককৈ উপস্থাপন হোৱা বা কোনো বিকৃতকৰণ নোহোৱাৰ পৰা ৰক্ষা কৰা আদিকে ধৰি বিভিন্ন দিশত সঠিক দিক-নিৰ্দেশনা প্ৰদায়ক অভিভাৱক হিচাপেই 'অসম সাহিত্য সভা'ৰ দৰে বহু অনুষ্ঠানৰ জন্ম হৈ আহিছে। বিশ্বৰ প্ৰায়বোৰ স্থানতে নিজ জাতি, ভাষা, কলা-সংস্কৃতি তথা সাহিত্যৰ হকে নিঃস্বাৰ্থভাৱে কাম কৰিবলৈকে এনে অনুষ্ঠান থকাটো সমাজৰ বাবে এক শুভংকৰ দিশ।

আমাৰ এই অসম মুলুকতো ইয়াণ্ডাবু সন্ধিৰ পাছত তাহানিৰ বৃটিছৰ দিনতে ঐতিহ্যমণ্ডিত ডিব্ৰুগড়ত ১৮৯৩ চনত 'ডিব্ৰুগড় সাহিত্য সভা'ৰ জন্ম হৈছিল। পাছলৈ এই অনুষ্ঠান 'অসম সাহিত্য সভা'ৰ শাখা হিচাপে অন্তৰ্ভুক্ত হয়। জন্মলগ্নত এই অনুষ্ঠানৰ সম্পাদক আছিল শিৱনাথ (শৰ্মা) বৰদলৈ। সেই সময়ৰ ডিব্ৰুগড়ৰ ৰিহাবাৰী অঞ্চলত, বৰ্তমানৰ ৰাধানাথ চাংকাকতি পথৰ কাষতে (আৰ. কে. বি. পথত থকা 'কৰ্মাচিয়েল ইকুইপমেন্ট' প্ৰতিষ্ঠানৰ পাছফালে) 'ডিব্ৰুগড় সাহিত্য সভা'ৰ কাৰ্যালয় আছিল। অৱশ্যে, এই কাৰ্যালয় ব্যক্তিগত ঘৰত নে আন বেলেগ ব্যৱসায়িক প্ৰতিষ্ঠানত আছিল, সেয়া স্পষ্টকৈ জানিব পৰা নাই। সেই সময়ৰ 'জোনাকী' আলোচনীত 'ডিব্ৰুগড় সাহিত্য সভা'ৰ এখন আলোকচিত্ৰ ছপা হোৱাৰ পৰাহে এই সন্দৰ্ভত অলপ মাথোঁ আভাস পোৱা গৈছে।

প্ৰসংগক্ৰমে উল্লেখনীয় যে তেতিয়া 'ডিব্ৰুগড় সাহিত্য সভা'ৰ কাৰ্যালয় থকা অঞ্চলটোত সংশ্লিষ্ট পথটোৰ দুয়োকাষে ৰিহা গছ থকাৰ বাবেই অঞ্চলটোক ৰিহাবাৰী বুলি কোৱা হৈছিল। ৰিহাবাৰীত এটা ৰে'লৰে ষ্টেচন আছিল। সেই সময়ত বৰ্তমানৰ ডিব্ৰুগড় চহৰখনো এতিয়াৰ পৰা প্ৰায় পাঁচ-ছয় কিলোমিটাৰ উত্তৰলৈ ব্ৰহ্মপুত্ৰৰ দিশে আছিল। সেই সময়ত 'ডিব্ৰুগড় সাহিত্য সভা'ৰ বিষয়ববীয়াসকল কোন কোন আছিল? কাৰ্যসূচীসমূহ বা কেনে ধৰণৰ আছিল? বা, কোনো বৃটিছ বিষয়াও এই অনুষ্ঠানত জড়িত হৈ আছিল নে কি? মাত্ৰ কেইদিনমানৰ অধ্যয়নৰ আধাৰত (আনকি বিজ্ঞসকলক সোধ-পোচ কৰিও) এইসমূহ তথ্য সংগ্ৰহ কৰিবলৈ মই অপাৰগ হৈছোঁ। স্বাধীনতাৰ পূৰ্বেই ৫৪ বছৰীয়া হোৱা 'ডিব্ৰুগড় সাহিত্য সভা' সম্পৰ্কীয় সম্পূৰ্ণ তথ্য থাওকতে উদ্‌ঘাটন কৰি পাঠক সমাজক দিব নোৱৰাটো মোৰ বাবে স্বাভাৱিক। তৎসত্ত্বেও কানৈ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যাপক তথা মোৰ ভাতৃসম ড° নৱজ্যোতি দত্তৰ নেৰানেপেৰা তাগিদাৰ বাবেই মই 'ডিব্ৰুগড় সাহিত্য সভা'ৰ বিষয়ে পঢ়ুৱৈ সমাজক যৎকিঞ্চিৎ তথ্য দিয়াৰ প্ৰয়াসহে কৰিছোঁ মাত্ৰ। এই লেখকে অনুসন্ধানত পোৱা তথ্য অনুসৰি চহৰখনৰ বৰ্তমানৰ জিলা পশু চিকিৎসালয়ৰ কাষত থকা পুৰণি ঐতিহাসিক 'ৰাধানাথ চাংকাকতিৰ ভৱন'(কেজৰিৱাল ভৱন)ৰ পৰাই 'ডিব্ৰুগড় সাহিত্য সভা'ৰ কাম কাজ চলিছিল বুলিও বিভিন্নজনে আলোচনা কৰা শুনা যায়। যি হওক, প্ৰাক্-স্বাধীন কালতেই প্ৰতিষ্ঠাৰ অৰ্ধ-শতাব্দীৰ ইতিহাস গৰকা 'ডিব্ৰুগড় সাহিত্য সভা'ৰ অস্তিত্বই ডিব্ৰুগড়বাসীৰ মন-মগজুত প্ৰাক্-স্বাধীন কালৰে পৰাই যে জাতিৰ উত্তৰণৰ স্বাৰ্থত সামূহিকভাৱে সাহিত্য তথা কলা-সংস্কৃতিৰ সাধনাৰ বাবে কৰ্মসূচী গ্ৰহণৰ উদ্যম আছিল, সেই কথা নিশ্চিতভাৱে প্ৰমাণ কৰে। স্বাধীনতা-যুঁজৰ সময়ছোৱাত হয়তোবা স্বাভাৱিকতেই 'ডিব্ৰুগড় সাহিত্য সভা'ৰ কাম-কাজতো স্থবিৰতা আহিছিল। অৱশ্যে, এই বিষয়ক কোনো স্পষ্ট তথ্য এই লেখকৰ হাতত নাই। এই

*লেখক ডিব্ৰুগড় সাহিত্য সভাৰ উপ-সভাপতি, এগৰাকী বিশিষ্ট লেখক, সাংবাদিক তথা সাহিত্য-সংগঠক।*

লেখকে লাভ কৰা তথ্য অনুসৰি ১৯১৭-১৮ চনত ডিব্ৰুগড় সাহিত্য সভাৰ সভাপতি আৰু সম্পাদক হিচাপে ক্ৰমে অম্বিকাগিৰী ৰায়চৌধুৰী আৰু আদ্যনাথ শৰ্মাই কাৰ্যনিৰ্বাহ কৰিছিল। তেনেদৰে, ১৯২৫-২৬ বৰ্ষত সভাপতি আছিল পদ্মধৰ চলিহা আৰু সম্পাদকৰ দায়িত্ব পালন কৰিছিল মফিজুদ্দিন আহমদ হাজৰিকাই। ১৯২৭-২৮ বৰ্ষত ৰজনীকান্ত বৰদলৈ আৰু শাৰংগধৰ ৰাজখোৱাই ক্ৰমে সভাপতি আৰু সম্পাদকৰ দায়িত্ব পালন কৰিছিল। ১৯৩২-৩৩ ৰ কাৰ্যকালত বেণুধৰ ৰাজখোৱা সভাপতি হৈ থাকোতে দুলাল বৰঠাকুৰ আৰু মানিক চন্দ্ৰ শৰ্মাই যুটীয়াভাৱে সম্পাদকৰ দায়িত্ব পালন কৰিছিল। ১৯৩৫-৩৬ বৰ্ষত বাগ্মীবৰ নীলমণি ফুকনৰ সভাপতিত্বৰ কালতো পুনৰ দুলাল বৰঠাকুৰ আৰু মানিক চন্দ্ৰ শৰ্মায়েই যুটীয়া সম্পাদকৰ দায়িত্বত আছিল। ১৯৩৭-৩৮ বৰ্ষত লক্ষীধৰ শৰ্মা আৰু দামোদৰ হাজৰিকাই ক্ৰমে সভাপতি আৰু সম্পাদকৰ দায়িত্ব পালন কৰিছিল। একেদৰে ১৯৩৯-৪২ ৰ কালছোৱাত গোবিন্দ চন্দ্ৰ শৰ্মা আৰু শিবসিংহাসন মিশ্ৰ, ১৯৪৩-৪৫ বৰ্ষত বিষ্ণুকিংকৰ কলিতা আৰু শিৱসিংহাসন মিশ্ৰ, ১৯৪৭-৪৮ বৰ্ষত অশ্বিনীচৰণ চৌধুৰী আৰু আনন্দৰাম হাজৰিকাই ক্ৰমে সভাপতি আৰু সম্পাদকৰ দায়িত্ব পালন কৰিছিল। উল্লেখ্য যে ১৯৫০ চনত হোৱা বৰ ভুঁইকঁপৰ বাবে ১৯৬০ চনলৈকে 'ডিব্ৰুগড় সাহিত্য সভা'খন নিষ্ক্ৰিয় হৈ পৰিছিল। সেই সময়ছোৱাৰ কোনো তথ্য বিচাৰি পোৱা নগ'ল। তেনেদৰে ১৯৬১-৬২ বৰ্ষত লক্ষীকান্ত দত্ত আৰু বিপিন চন্দ্ৰ শৰ্মা, ১৯৬২-৬৩ বৰ্ষত বিমলেশ্বৰ ফুকন আৰু বিপিন চন্দ্ৰ শৰ্মা, ১৯৬৩-৬৪ আৰু ১৯৬৪-৬৫, ১৯৬৫-৬৬ বৰ্ষ তিনিটাত বিমলেশ্বৰ ফুকন আৰু হেৰম্ব বৰদলৈ, ১৯৬৬-৭৩ ৰ সময়ছোৱাত বিমলেশ্বৰ ফুকন আৰু ভীমকান্ত বৰদলৈ, ১৯৭৩-৭৪ বৰ্ষত ড° সত্যেন্দ্ৰ নাৰায়ণ গোস্বামী আৰু হেৰম্ব বৰদলৈ, ১৯৭৪-৭৬ ৰ কালছোৱাত পদ্মকুমাৰী বৰগোহাঁই আৰু প্ৰফুল্ল চন্দ্ৰ ভট্টাচাৰ্যই ক্ৰমে সভাপতি আৰু সম্পাদকৰ দায়িত্ব পালন কৰিছিল বুলি উপলব্ধ তথ্যসমূহে প্ৰমাণ কৰে। একেদৰে ১৯৭৬-৭৭ বৰ্ষত বিনন্দ চন্দ্ৰ বৰুৱা আৰু জ্যোতিন্দ্ৰধৰ দত্ত, ১৯৭৭-৭৮ বৰ্ষত বিপিন কুমাৰ বৰগোহাঁই আৰু জ্যোতিন্দ্ৰধৰ দত্ত, ১৯৭৮-৭৯ আৰু ১৯৭৯-৮১ বৰ্ষত ড° নগেন শইকীয়া আৰু থানেশ্বৰ বৰা, ১৯৮১-৮৩ বৰ্ষত ৰিপুনাথ বুঢ়াগোহাঁই আৰু প্ৰফুল্ল চন্দ্ৰ ভট্টাচাৰ্য, ১৯৮৩-৮৪ বৰ্ষত ৰিপুনাথ বুঢ়াগোহাঁই আৰু বলীন চন্দ্ৰ বৰুৱা, ১৯৮৪-৮৭ ৰ কাৰ্যকালত ড° কেশৱানন্দ দেৱগোস্বামী আৰু ড° প্ৰ াদ কুমাৰ বৰুৱাই অনুষ্ঠানটোৰ সভাপতি আৰু সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। তেনেদৰে ১৯৮৭-৮৮ বৰ্ষত অনন্ত কুমাৰ সন্দিকৈ আৰু অনিল কুমাৰ দুৱৰা, ১৯৮৭-৯০ ৰ সময়ছোৱাত হেৰম্ব বৰদলৈ আৰু থানেশ্বৰ বৰা, ১৯৯০-৯১ বৰ্ষ আৰু ১৯৯১-৯২ বৰ্ষত নিৰ্মল চক্ৰ ৱৰ্তী আৰু থানেশ্বৰ বৰা, ১৯৯৩-৯৪ বৰ্ষত নিৰ্মল চক্ৰৱৰ্তী আৰু লোকেশ্বৰ বৰা, ১৯৯৫-৯৬ বৰ্ষত প্ৰহলাদ চন্দ্ৰ তাছা আৰু বলীন চন্দ্ৰ বৰুৱাই 'ডিব্ৰুগড় সাহিত্য সভা'ৰ ক্ৰমে সভাপতি আৰু সম্পাদকৰ দায়িত্ব পালন কৰিছিল। ইয়াৰ পাছত ১৯৯৬ ৰ পৰা ১৯৯৮ লৈ টংকেশ্বৰ বৰা আৰু বলীন চন্দ্ৰ বৰুৱা, ১৯৯৮-২০০২ ৰ সময়ছোৱাত টংকেশ্বৰ বৰা আৰু লোকেশ্বৰ বৰা, ২০০২-২০০৬ ৰ কালছোৱাত হৰেন গগৈ আৰু থানেশ্বৰ বৰা, ২০০৬ ৰ পৰা ২০১৩ চনলৈ লক্ষীনাথ গগৈ আৰু অনিল প্ৰসাদ সিংহ, ২০১৩-১৫ ৰ সময়ছোৱাত ড° ভাৰতী দত্ত আৰু চন্দন ফুকন, ২০১৫-১৭ ৰ কাৰ্যকালত দুৰ্লভ চেতিয়া আৰু চন্দন ফুকন আৰু ২০১৮-২০২০ ৰ সময়ছোৱাত হেমপ্ৰভা তাছা আৰু গৌতম গগৈয়ে ক্ৰমে সভাপতি আৰু সম্পাদকৰ দায়িত্ব পালন কৰিছিল। ২০২০-২০২৪ ৰ বৰ্তমান পৰ্যন্ত সময়ছোৱাত সভাপতি ড° শশীকান্ত শইকীয়া, উপ-সভাপতি বিভাস দুৱৰা আৰু সম্পাদক ৰাতুল গোঁহাই (২৯ নৱেম্বৰ, ২০২০ ৰ পৰা)ৰ নেতৃত্বত এই ঐতিহ্যপূৰ্ণ জাতীয় সাহিত্য সংগঠনটো পৰিচালিত হৈ আহিছে। উল্লেখ্য যে ২০১৭ চনত প্ৰকাশ পোৱা 'ডিব্ৰুগড় সাহিত্য সভাৰ ইতিবৃত্ত' শীৰ্ষক গ্ৰন্থখনৰ পৰা উল্লিখিত তথ্যখিনি গ্ৰহণ কৰা হৈছে। আনহাতে ১৮৯৩ চনৰ পৰা ১৯১৬ চনলৈকে 'ডিব্ৰুগড় সাহিত্য সভা'ৰ সভাপতি,সম্পাদক কোন আছিল, সেই বিষয়ে কোনো তথ্য নোপোৱাৰ বাবে এই লেখাত সেই বিষয়ে উল্লেখ কৰিব পৰা নগ'ল।

প্ৰাসংগিক যে ডিব্ৰুগড় মাজমজিয়াৰ ৰিহাবাৰী অঞ্চলৰ পৰা ডিব্ৰুগড় সাহিত্য সভাৰ কাম-কাজ চলি থকাৰ মাজতেই বিংশ শতিকাত ডিব্ৰুগড়ৰ চৌকিডিঙী অঞ্চলৰ জালান বাগানৰ এটা চুকত (বৰ্তমানৰ স্থানত) স্থায়ীভাৱে 'ডিব্ৰুগড় সাহিত্য সভা'ৰ এক কেঁচা ঘৰ নিৰ্মাণ কৰাত তেতিয়াৰে পৰা এতিয়ালৈকে মূলতঃ সেই স্থানৰ পৰাই ডিব্ৰুগড় সাহিত্য সভাৰ কৰ্মসূচীৰ ধাৰা অব্যাহত আছে। অৰ্থাৎ খ্ৰীষ্টিয় ঊনবিংশ শতিকাৰ পাছত পৰৱৰ্তী বিংশ শতিকাৰ ১৯৭৪-৭৫ চন মানৰ পৰা ডিব্ৰুগড় সাহিত্য সভাৰ কাম-কাজ বৰ্তমানৰ কাৰ্যালয়ৰ পৰাই নিয়াৰিকৈ পৰিচালিত হৈ আহিছে।

বৰ্তমান ড° শশীকান্ত শইকীয়া আৰু ৰাতুল গোঁহাইৰ নেতৃত্বত ডিব্ৰুগড় সাহিত্য সভাই ইয়াৰ পূৰ্বৰ কেইটামান বছৰতকৈ অধিক সজীৱ হৈ উঠিছে বুলি মই অনুভৱ কৰোঁ। এই সমিতিখনে প্ৰতিটো বৰ্ষতে সাহিত্য, ভাষা, কলা-সংস্কৃতিৰ লগত সংগতি ৰাখি বহু মনোগ্ৰাহী কাৰ্যসূচী ৰূপায়ণ কৰি সাহিত্যপ্ৰেমী বা অনুৰাগীৰ মন জয় কৰিবলৈকো সক্ষম হৈছে। এই সকলো কাৰ্যক্ৰমণিকাত

কৃষ্ণৰ সুদৰ্শন চক্ৰৰ দৰেই সমিতিখনৰ ওপৰত দৃষ্টি ৰাখি সমিতিখনক 'অসম সাহিত্য সভা'ৰ সন্মানীয় সভাপতি তথা পদ্মশ্ৰী বঁটাপ্ৰাপক, ডিব্ৰুগড়ৰ সু-সন্তান ড° সূৰ্য্যকান্ত হাজৰিকাদেৱে বিশেষভাৱে উদ্‌গনি দি আহিছে ।

'অসম সাহিত্য সভা'ৰ দ্বাৰা 'শতদল শাখা' হিচাপে (পঞ্জীয়ন নং- ৬৯/২০১৭-১৮) স্বীকৃতিপ্ৰাপ্ত 'ডিব্ৰুগড় সাহিত্য সভা'ৰ ২০২৩-২০২৫ কাৰ্যকালৰ কাৰ্যনিৰ্বাহক সমিতিৰ বিষয়ববীয়াসকল হ'ল ঃ সভাপতি— ড° শশীকান্ত শইকীয়া, উপ-সভাপতি— বিভাস দুৱৰা, সম্পাদক — ৰাতুল গোহাঁই, সহকাৰী সম্পাদক — যাদৱ গগৈ, কোষাধ্যক্ষ — ভুবনজ্যোতি বৰুৱা, সাংগঠনিক সম্পাদক — মীনাক্ষী দাস বৰুৱা, পত্ৰিকা সম্পাদক — ড° ৰুণুমা শৰ্মা, প্ৰকাশন সচিব — আৰাধনা দত্ত, আকাশ উপ-সমিতি — উদয়ন্তী হাজৰিকা আৰু ভাৰতী বৰুৱা দুৱৰা, কুঁহি উপ-সমিতি — উৎপলা দাস আৰু দীপ্তি বৰপাত্ৰ গোঁহাই, ৰামধেনু উপ-সমিতি — বিউটি লেখাৰু শইকীয়া আৰু অৰ্পনা ফুকন দাস, প্ৰচাৰ সম্পাদক — জেছিম আহমেদ আৰু কাৰ্যালয় সম্পাদক হিৰণ্য বৰা। সমিতিৰ কাৰ্যনিৰ্বাহক সদস্যসকল হ'ল ঃ ক্ৰমে ৰণজিৎ গগৈ, মুক্তামণি হাজৰিকা, হোমেন ফুকন, বিপ্লৱ ভূঞা, ধনটি শইকীয়া, ৰাহুল দাস, জানী সোণোৱাল, মৃদুল শৰ্মা, ৰমেশ শইকীয়া, পৰাগ দত্ত, সন্তোষ যাদৱ, বিতুমণি ফুকন, ৰিতুপৰ্ণ শেনচোৱা, দীপিকা গগৈ আৰু দীনেশ দাস।

এনে এখন শাখা সাহিত্য সভাৰ পৰা তথা ডিব্ৰুগড়বাসীৰ হৈ 'অসম সাহিত্য সভা'ৰ সভাপতিৰ আসন অলংকৃত কৰিবলৈ সক্ষম হোৱা বিশিষ্ট আৰু চিৰনমস্য ব্যক্তিসকলৰ ক্ৰম-তালিকাখন এনে ধৰণৰ ঃ

ৰজনীকান্ত বৰদলৈ (১৮৬৭-১৯৫৫ সমগ্ৰ জীৱনকাল), বেণুধৰ ৰাজখোৱা (১৯২৫ চনত সদস্য হিচাপে অন্তৰ্ভুক্ত হৈছিল), কমলাকান্ত ভট্টাচাৰ্য, মফিজুদ্দিন আহমদ হাজৰিকা, নীলমণি ফুকন, অম্বিকাগিৰী ৰায়চৌধুৰী, যতীন্দ্ৰনাথ দুৱৰা, পদ্মধৰ চলিহা, ড° মহেন্দ্ৰ বৰা, ড° লীলা গগৈ, ড° নগেন শইকীয়া, প্ৰ াদ চন্দ্ৰ তাছা আৰু শেহতীয়াকৈ ড° সূৰ্য্যকান্ত হাজৰিকা।

আনহাতে, 'ডিব্ৰুগড় সাহিত্য সভা'ৰ সভাপতি হেমপ্ৰভা তাছা আৰু সম্পাদক গৌতম গগৈৰ কাৰ্যকালৰে (২০১৮-২০২০) পৰা বৰ্তমানলৈকে (ফেব্ৰুৱাৰী '২০২৫ ত অন্ত পৰিব) ডিব্ৰুগড় সাহিত্য সভাৰ উপ-সভাপতিৰ আসনত এই অভাজন অধিষ্ঠিত হৈ আহিছে। উল্লেখযোগ্য যে ড° শশীকান্ত শইকীয়াৰ সভাপতিত্বৰ কাৰ্যকালত ডিব্ৰুগড়ৰ বিধায়ক শ্ৰীযুত প্ৰশান্ত ফুকনৰ বিধায়ক পুঁজিৰ সাহায্যৰে 'ডিব্ৰুগড় সাহিত্য সভা'ৰ মূল মঞ্চৰ সংবৰ্ধন কৰাৰ লগতে ৰান্ধনিঘৰসহ আটকধুনীয়া গা-ধোৱা ঘৰৰ লগতে এটা তিনি কোঠালিযুক্ত অতিথিশালা নিৰ্মাণ কৰা হয়। এই অতিথিশালাত কম খৰছতে থকাৰো সু-ব্যৱস্থা আছে। ইয়াৰ সমান্তৰালকৈ সাহিত্য সভাৰ শৌচাগাৰ, প্ৰস্ৰাৱগাৰৰ পুনঃনিৰ্মাণ, পানী টেংকৰ ব্যৱস্থাৰে চৌহদৰ ভিতৰতে দমকল বহুৱাই বৰ্তমানৰ সমিতিখনে সকলো দিশতে উন্নয়নৰ বীজ সিঁচিবলৈকো সক্ষম হৈছে। এইসমূহ যাৱতীয় আন্তঃগাঁথনি উন্নয়নৰ কাম-কাজৰ সমান্তৰালভাৱে জাতীয় জীৱনৰ বৃহত্তৰ স্বাৰ্থত পূৰ্বৰ ঐতিহ্য ৰক্ষা কৰি সমিতিখনে ইয়াৰ মূল লক্ষ্য ভাষা-সাহিত্য তথা কলা-সংস্কৃতিৰ চৰ্চাৰ ক্ষেত্ৰত বিশেষ অৰিহণা যোগোৱাৰ এক পৰিৱেশ ৰচনাৰে কাম কৰাৰ এক উদ্যম বুকুত বান্ধি সমাগত সময়তো 'ডিব্ৰুগড় সাহিত্য সভা'ক প্ৰোজ্জ্বল কৰি ৰখাৰ বাবে যি ভূমিকা গ্ৰহণ কৰিছে, সমাগত সময়ে তাক মনত ৰাখিব বুলি মই বিশ্বাস কৰোঁ।

।। চিৰ চেনেহী মোৰ ভাষা জননী।। জয়তু ডিব্ৰুগড় সাহিত্য সভা।।

●●●

**বিশেষ দ্ৰষ্টব্য ঃ** অতি খৰখেদাকৈ হাততে পোৱা তথ্যৰ ভিত্তিত অতি কম সময়ৰ ভিতৰত এই লেখা প্ৰস্তুত কৰা হৈছে। সেয়ে কোনো বিজ্ঞজনে তথ্যত কোনো ভুল দেখা পালে বা কিবা তথ্যৰ সম্বল থাকিলে লেখকক জনাবলৈ বিনম্ৰতাৰে অনুৰোধ জনালোঁ। কৃতজ্ঞতা স্বীকাৰ ঃ ড° সূৰ্য্যকান্ত হাজৰিকা (সভাপতি,অসম সাহিত্য সভা), শ্ৰীযুত ইন্দ্ৰ গগৈ (প্ৰাক্তন সভাপতি, ডিব্ৰুগড় জিলা সাহিত্য সভা)।

# চলচিত্ৰ জগতঃ ডিব্ৰুগড়ৰ অৱদান

**শৈলেন্দ্ৰ কুমাৰ দত্ত**

**অ**সমৰ শিল্প বাণিজ্যৰ মানচিত্ৰত এটি অতিশয় পৰিচিত নাম হ'ল ডিব্ৰুগড়। চাহ-নগৰী হিচাপে খ্যাত নগৰখন আছিল নদ-নদী সেউজ বননি তথা চৌদিশে চাহ বাগিচা তথা সুন্দৰ জলবায়ুৰে সজীৱ এখনি আকৰ্ষণীয় ৰম্যভূমি। এই ডিব্ৰুগড়ৰ সমীপৰ তামোলবাৰী চাহ বাগিচাত ওপজা ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ হাততেই ১৯৩৫ চনত অসমীয়া চিনেমাই জন্ম লাভ কৰাটো স্বাভাৱিকতেই ডিব্ৰুগড়বাসীৰ বাবে অতি গৌৰৱৰ কথা।

জ্যোতিপ্ৰসাদ আগৰৱালাই স্কুলীয়া শিক্ষাও ইয়াতেই গ্ৰহণ কৰিছিল। পাছলৈ তেওঁ তামোলবাৰী চাহ বাগিচাৰ পৰিচালক হিচাপেও দায়িত্ব পালন কৰিছিল। সুন্দৰৰ সেন্দূৰীয়া আলিয়েদি বাট বোলোঁতে সুন্দৰৰ পূজাৰী জ্যোতিপ্ৰসাদে এদিন এখনি চিনেমা নিৰ্মাণ কৰাৰ কল্পনা কৰিলে। ভবা মতে কাম। ফলস্বৰূপে ১৯৩৫ চনত অসমীয়া প্ৰথম চিনেমাৰ জন্ম হয়। অসম তথা সমগ্ৰ ভাৰততে আলোড়নৰ সৃষ্টি কৰা এই চিনেমাখনে এক যুগান্তকাৰী অভিলেখ স্থাপন কৰে। তেতিয়া মুম্বাই চহৰত হিন্দী চিনেমা নিৰ্মাৰ কাম আৰম্ভ হৈছিলহে মাথোন। লক্ষ্মীনাথ বেজবৰুৱাৰ 'সতী জয়মতী' নামৰ নাটকৰ আধাৰত নিৰ্মিত ছবিখনিত অভিনয় কৰিছিল আইদেউ সন্দিকৈ, ফুনু বৰুৱা (পৰশুৰাম বৰুৱা), স্বৰ্গজ্যোতি বৰুৱা, মোহিনী ৰাজকুমাৰী, মনোভিৰাম বৰুৱা, শুভ বৰুৱা, স্নেহ চন্দ্ৰ বৰুৱা আৰু বহু ন-পুৰণি শিল্পী। জয়মতী আছিল ভাৰতৰ তৃতীয়খন সবাক চিনেমা।

ডিব্ৰুগড়ৰ প্ৰসিদ্ধ চাহ খেতিয়ক ৰোহিনী বৰুৱাই ব্যৱসায়ৰ লগতে সাংস্কৃতিক জগতখনৰ লগতো অলপ-অচৰপ জড়িত আছিল। তেওঁ ৰজনীকান্ত বৰদলৈৰ বিখ্যাত উপন্যাস 'মনোমতী'খনৰ আধাৰত এখনি চিনেমা নিৰ্মাণ কৰাৰ আগ্ৰহ প্ৰকাশ কৰে। ১৯৪১ চনত তেখেতে 'আৰ. কে. প্ৰডাকচন'ৰ বেনাৰত অসমীয়া তৃতীয়খন চিনেমা মনোমতী ৰাইজক উপহাৰ দিয়ে। মনোমতী চিনেমাৰ প'ষ্টাৰ আছিল অসমীয়া চিনেমাৰ ক্ষেত্ৰত প'ষ্টাৰৰ প্ৰথম প্ৰচলন। পৰিচালক অভিনেতা আছিল ৰোহিনী বৰুৱা। সংগীত পৰিচালক আছিল কমল নাৰায়ণ চৌধুৰী আৰু জীৱন ৰায়। সম্পাদনাত জীৱন ফুকন আৰু বীৰেন গুহ। নাম ভূমিকাত অভিনয় কৰিছিল নীলিমা দত্ত(দাস)ই। সাহিত্যিক লক্ষ্মীনাথ বেজবৰুৱাৰ জী তথা ৰোহিনী বৰুৱাৰ পত্নী ৰত্না বৰুৱাই প্ৰমিলাৰ চৰিত্ৰত অভিনয় কৰিছিল। অন্যান্য চৰিত্ৰত আছিল ৰাধাগোবিন্দ বৰুৱা, মাধৱ দাস, শকুন্তলা আদি। নৃত্য পৰিচালনা কৰিছিল বিষ্ণুপ্ৰসাদ ৰাভাই। ১৯ ৰীল দৈৰ্ঘ্যৰ এই চিনেমাখন প্ৰথম অসমীয়া পূৰ্ণ দৈৰ্ঘ্যৰ চিনেমা বুলি জনা যায়। চিত্ৰনাট্য গীত আৰু সংলাপ আছিল প্ৰভাত শৰ্মাদেৱৰ আৰু কেমেৰাত আছিল এ. কে. সেন। এসময়ত ব্ৰহ্মদেশৰ মান সেনাই অসমক কেবাবাৰো আক্ৰমণ কৰি অসম তথা চুবুৰীয়া ৰাজ্যৰ সকলো লোককে নিৰ্মম অত্যাচাৰ কৰিছিল। সেই কাহিনীৰ আধাৰতে লিখা 'মনোমতী' উপন্যাস আধাৰিত চিত্ৰনাট্য আধাৰিত 'মনোমতী' চিনেমাখনে দৰ্শকৰ বিপুল সঁহাৰি লাভ কৰিছিল।

ডিব্ৰুগড়ৰ চিৰিং চাপৰি নিবাসী প্ৰয়াত শিল্পী ভৰত বৰপূজাৰীদেৱে ১৯৫৯ চনত নিজা কাহিনীৰ আধাৰত নিৰ্মাণ 'কেচাঁসোণ' নামৰ এখনি চিনেমা নিৰ্মাণ কৰি উলিয়ায়। প্ৰযোজনাত আছিল হৃদয় আগৰৱালা। কাহিনী-চিত্ৰনাট্য ভৰত বৰপূজাৰীৰ, পৰিচালনাত ফণী শৰ্মা আৰু সংগীত পৰিচালনা আছিল ভূপেন হাজৰিকাৰ।

ডিব্ৰুগড়ত কৰ্মৰত অৱস্থাত কলানুৰাগী অভিযন্তা অমৰ পাঠকদেৱে ১৯৬৭ চনত 'সংগ্ৰাম' নামৰ এখনি মনোৰঞ্জনধৰ্মী

*লেখক ডিব্ৰুগড়ৰ এগৰাকী সাংস্কৃতিক কৰ্মী তথা আকাশবাণীৰ স্বীকৃতিপ্ৰাপ্ত এগৰাকী সুপৰিচিত গীতিকাৰ।*

চিনেমা নিৰ্মাণ কৰে। অভিনয়ত আছিল নিপন গোস্বামী, বিদ্যা ৰাও, পুণ্য দাস, জোনালী দুৱৰা, আব্দুল হক চৌধুৰী। খলনায়কৰ ভূমিকাত আছিল ডিব্ৰু কলেজৰ প্ৰবক্তা তথা খলিহামাৰি বাসিন্দা প্ৰদীপ (পুৰু) ভূএগ্ৰা। সংগীত পৰিচালনা আছিল কলিকতাৰ অসিত গাংগুলিৰ। মধুৰ গীতকেইটি আছিল— 'জীৱনটো তুমি যদি ভাল পোৱা', 'আজিয়েই মোৰ শেষ গান', 'মধুৰ মুৰুতি মুৰাৰু'(বৰগীত), 'মন মোৰ উতলা', 'সোণ মোৰ শোৱাঁ', 'যা যাৰে ছলিয়া তুচে নেহি বলো' আদি।

ডিব্ৰুগড়ৰ আশে- পাশে বৰ্হিদৃশ্য সমাপন কৰা ১৯৬৮ চনত নিৰ্মিত হোৱা 'মৰম তৃষ্ণা'ৰ পৰিচালক আছিল আব্দুল মজিদ। অভিনয় কৰিছিল ৰোহিনী বৰুৱা, ৰেখা বৰা, ৰঞ্জনা বৰদলৈ, ভোলা কাকতি, ডাঃ ৰুদ্ৰ গোস্বামী, জ্ঞানদা বৰা, ভোলা কাকতি আদিয়ে। এইখন আছিল খলনায়ক দীনেশ দাসৰ প্ৰথম ছবি আৰু চিনেমাত নেপথ্য শিল্পী স্বৰূপে খগেন মহন্ত আৰু পাৰবীন চুলতানাৰ এয়া প্ৰথম খোজ।

ডিব্ৰুগড়ৰ 'ৰংঘৰ চিনে প্ৰডাকচন'ৰ বেনাৰত ১৯৬৯ চনত 'ডাঃ বেজবৰুৱা' নিৰ্মাণ হয় । প্ৰথম অসমীয়া থ্ৰীলাৰধৰ্মী চিনেমাখনি পৰিচালক ব্ৰজেন বৰুৱাই অতি কম বাজেটেৰে নিৰ্মাণ কৰি সকলো দিশৰ পৰাই এখন সফল ছবি ৰাইজক উপহাৰ দিয়ে। সেই সময়ত পুণেৰ ফিল্ম ইন্সটিটিউটৰ পৰা উত্তীৰ্ণ হৈ অহা নিপন গোস্বামীৰ সুন্দৰ অভিনয় আছিল চিনেমাখনিৰ আকৰ্ষণৰ মূল বিন্দু।ব্ৰজেন বৰুৱাৰ অভিনয় আৰু পৰিচালনা আছিল প্ৰশংসনীয়। অন্যান্য শিল্পীসকল আছিল মেঘালী দেৱী, ৰঞ্জনা বৰদলৈ, ৰেণু শইকীয়া, প্ৰতিভা ঠাকুৰ, তৰুণ দুৱৰা, সত্যেন চৌধুৰী, প্ৰবীণ বৰা আদি। ৰমেন বৰুৱাৰ সংগীত পৰিচালনাত প্ৰথমবাৰলৈ নেপথ্য গায়ক হৈ কণ্ঠ প্ৰদান কৰে ভাতৃ দ্বীপেন বৰুৱাই। চৌদিশে জনপ্ৰিয় হৈ পৰা গীতকেইটি আছিল 'জিলিকি জিলিকা তৰা আকাশৰে', 'ফুল ফুল অ', 'ফুলে মেলিলে পাহি', 'কি নাম দি মাতিম', 'মইনা কোন বিধাতাই সাজিলে' ইত্যাদি। উল্লেখযোগ্য যে বিজু ফুকনে এই চিনেমাখনিত প্ৰথম ভুমুকি মাৰিছিল। ডিব্ৰুগড়ৰ প্ৰায়বোৰ শিল্পী তথা বিখ্যাত 'কুইভাৰ্চ' অৰ্কেষ্ট্ৰা বেণ্ডৰ সকলো সদস্য আৰু ৰংঘৰ চিনেমা হলৰ বহু কৰ্মচাৰীয়ে এই চিনেমাখনত অভিনয় কৰাৰ সুবিধা পাইছিল। বিশেষ যে চিনেমাখনিৰ লগতে ইয়াৰ গীতকেইটি আজিও জনপ্ৰিয় হৈ আছে।

১৯৭০ চনত মনোৰঞ্জন আগৰৱালা, দেৱৰঞ্জন আগৰৱালা আৰু নিভা বৰুৱাৰ প্ৰযোজনাত অসমৰ ৰাইজে এখনি মনোৰঞ্জনধৰ্মী চিনেমা উপহাৰ পায়। নাম 'বৰুৱাৰ সংসাৰ'। ডিব্ৰুগড়, গুৱাহাটী আদি বিভিন্ন ঠাইত শ্বুটিং হোৱা চিনেমাখনিত অভিনয় কৰিছিল নিপন গোস্বামী, বিজু ফুকন, তচুদ্দক ইউচুফ, ব্ৰজেন বৰুৱা, অনিমা ভট্ট, বীণা বাৰুৱতী, ৰাণী পাঠক, বিৰিঞ্চি ভট্টাচাৰ্য, গোলাপ শৰ্মা, নীৰেন বৰুৱা, ডাঃ চন্দন পাঠক, প্ৰতিভা ঠাকুৰ আদিয়ে। ৰমেন বৰুৱাৰ সংগীত পৰিচালনাত ভাতৃ দ্বীপেন বৰুৱাই গোৱা 'গা গা আজি গাই যা, এই গীতকে গা' শীৰ্ষক গীতটিৰ জনপ্ৰিয়তা আজিও ৰাইজৰ মাজত আছে।

একে বছৰতে ডিব্ৰুগড়ত নিৰ্মাণ হোৱা অন্য এখন ছবি হ'ল 'সোণতৰা'। নিপ বৰুৱাৰ কাহিনী চিত্ৰনাট্য সংলাপ আৰু পৰিচালনাৰে সোণতৰাৰ সংগীত পৰিচালক আছিল ৰমেন বৰুৱা। সম্পাদনাত শিৱ সাধন ভট্টাচাৰ্য আৰু চিত্ৰগ্ৰহণ নলিন দুৱৰাৰ। অভিনয়ত প্ৰশান্ত হাজৰিকা, ইলা কাকতি, তচুদ্দক ইউচুফ, প্ৰদীপ ভূএগ্ৰা, বিৰিঞ্চি ভট্টাচাৰ্য, ৰঞ্জনা বৰদলৈ, মীনাক্ষী দাস, বিনীতা গোহাঁই, হীৰেণ চৌধুৰী, জিন্টি বৰুৱা, নীৰা দত্ত, নীৰেন বৰুৱা, মল্লিকা বৰুৱা, কৃষ্ণা বৰুৱা আৰু বহুতো।

১৯৭৪ চনত মুক্তি পোৱা চিনেমা হ'ল প্ৰবীণ বৰা প্ৰযোজিত আৰু পৰিচালিত 'পৰিণাম'। ডিব্ৰুগড়তে নিৰ্মিতএই চিনেমাখনত ডাঃ ইফতিকাৰ আহমেদ, ইলা কাকতি, ইভা আচাও, প্ৰদীপ ভুএগ্ৰা, জুনু বৰুৱা, জেইবা মমতাজ আৰু প্ৰবীণ বৰাই অভিনয় কৰিছিল। সংগীত পৰিচালনাত আছিল ৰমেন বৰুৱা।

সেই বছৰতে গল্পকাৰ যোগেশ দাসৰ কাহিনীৰ আধাৰত ডিব্ৰুগড়ৰ চাহ বাগানত 'ৰতনলাল' শীৰ্ষক চিনেমাখনৰ দৃশ্যগ্ৰহণ কৰা হয়। অসম চাহ মজদুৰ সংঘই প্ৰযোজনা কৰা ছবিখনৰ চিত্ৰগ্ৰহণ আৰু পৰিচালনা আছিল নলিন দুৱৰাৰ। চিত্ৰনাট্য আৰু সংলাপ ভৱত বৰপূজাৰীদেৱৰ। চাহ বাগিচাৰ বনুৱাসকলৰ জীৱনধাৰাক লৈ নিৰ্মিত ছবিখনিত অভিনয় কৰিছিল ঝৰ্ণা শইকীয়া, বিশ্বজিত সেনগুপ্ত, ধীৰু ভূএগ্ৰা, দেৱীকা মিত্ৰ আৰু ৰঞ্জনা বৰদলৈয়ে। উল্লেখনীয় যে তেতিয়াৰ মন্ত্ৰী পৱন সিং ঘাটোৱাৰেও এই চিনেমাখনত এটি সৰু চৰিত্ৰত অভিনয় কৰিছিল। সংগীত পৰিচালনা কৰিছিল এসময়ৰ জ্যোতিপ্ৰসাদ আগৰৱালাদেৱৰ একান্ত সান্নিধ্যত থকা নিৰ্মল চক্ৰৱৰ্তীদেৱে।

একেটা বছৰেই ডিব্ৰুগড়ৰ জয়শ্ৰী সংঘৰ বেনাৰত নিৰ্মিত হোৱা 'বৃষ্টি' চিনেমাখনে এক বিশেষ অভিলেখৰ সৃষ্টি কৰিছিল। বিশিষ্ট নাট্যকাৰ দেউতি বৰুৱাৰ কাহিনী পৰিচালনা চিত্ৰনাট্য আৰু সংলাপেৰে বৃষ্টিত ঘটিছিল বিষ্ণু খাৰঘৰীয়াৰ প্ৰথম পদাপৰ্ণ। এজন শিক্ষিত নিবনুৱাৰ অন্তৰত থকা অনুভূতিখিনিৰ বৰ্হিপ্ৰকাশ ফুটাই তোলাত তেওঁ যথেষ্ট সফল হৈছিল। জয়ন্ত হাজৰিকাৰ সঙ্গীত পৰিচালনাত তেখেতৰ সুমধুৰ কণ্ঠত —'সুৰাত মগন ভয়াল ৰাতি' গীতটি অতি জনপ্ৰিয় হৈছিল আৰু সেই জনপ্ৰিয়তা আজিও সজীৱ হৈ থকা দেখা যায়। অন্য গীতসমূহ — 'ৰম্ভা মেনকা কিম্বা যুতিকা', 'কাৰোবাৰ দুনয়ন সৰগৰ তৰা যেন লাগে' (কুল বৰুৱা),

'তুলসীৰ তলে তলে' (নিৰ্মলা মিশ্ৰ) আদিও অপূৰ্ব সৃষ্টি। অভিনয়ত আছিল —বিজু ফুকন, বিষ্ণু খাৰঘৰীয়া, মীনাক্ষী দাস, দেউতি বৰুৱা, ৰুদ্ৰ বৰুৱা আৰু জয়শ্ৰী সংঘৰ সভ্যসকল। কাহিনী, পৰিচালনা, সংলাপ, সংগীত আৰু অভিনয়ৰ যোগেদি বৃষ্টি চিনেমাখন অতি উচ্চ মানৰ হৈছিল। এই চিনেমাখনক লৈ ডিব্ৰুগড়বাসীৰ লগতে সমগ্ৰ অসমবাসীয়ে আজিও গৌৰৱ কৰে।

১৯৭৭ চনত 'লুইত পাৰ ফিল্মছ'ৰ বেনাৰত মনোৰঞ্জন আৰু দেৱৰঞ্জন আগৰৱালা আৰু নিভা বৰুৱাৰ সহযোগত এখনি ব্যতিক্ৰমী চিনেমা নিৰ্মাণ হয়।। নাম 'সোণমা'। নিপ বৰুৱাৰ পৰিচালনাৰে ছবিখনিত ৰমেন বৰুৱাৰ সংগীত পৰিচালনা আছিল উচ্চ মানৰ। অভিনয়ত আছিল বিষ্ণু খাৰঘৰীয়া আৰু চিনেমাখনৰ আকৰ্ষণৰ প্ৰাণকেন্দ্ৰস্বৰূপ নৱাগত ঈশানী গোস্বামী। এই চিনেমাখন বাংলা ভাষাত 'মণিমা' নামেৰে পুনৰ্নিৰ্মাণ কৰা হয়।

ডিব্ৰুগড়ৰ 'এম. আৰ. ফিল্মছ'ৰ বেনাৰত ১৯৮৬ চনত নিৰ্মিত হৈছিল 'মধুছন্দা'। ৰমা বৰুৱা আৰু অৱতাৰ সিং প্ৰযোজিত আৰু দাৰা আহমেদ পৰিচালিত ছবিখনৰ অভিনয়ত আছিল— ব্ৰজেন বৰা, জেবিন আহমেদ, পূৰবী শৰ্মা, মুক্তি সিং লোহাৰ। এটি বিশেষ ভূমিকাত আছিল— ৰঞ্জনাা বৰদলৈ আৰু বিৰিঞ্চি ভট্টাচাৰ্য। নয়নৰ সংগীত পৰিচালনাৰ চিনেমাখনিৰ বাবে চাৰুকমল হাজৰিকা আৰু ডঃ অমৰ জ্যোতি গগৈয়ে চাৰিটা গীত ৰচনা কৰিছিল। ডিব্ৰুগড়ৰ সুগায়িকা কণ্ঠদান কৰা চিনেমাখনত 'প্যাৰ মেইনে মাংগাা' শীৰ্ষক এটি হিন্দী গীতো সন্নিবিষ্ট হৈছিল। খলনায়ক মুক্তি সিং লোহাৰৰ সমৰ কলা প্ৰদৰ্শন আছিল চিনেমাখনিৰ এক উল্লেখযোগ্য দিশ।

১৯৮৭ চনত ইউনাইটেড ফিল্মচৰ বেনাৰত ডিব্ৰুগড়ৰ অন্য এখন মনোৰঞ্জনধৰ্মী চিনেমা হ'ল- ' অ' চেনাই'। অভিনয়ত আছিল নিপন গোস্বামী, ৰাজীৱ গোস্বামী, বিশ্বজিত, মামনি শইকীয়া, ৰশ্মিৰেখা, নীৰজ শইকীয়া আৰু বহুতো। পৰিচালনাত মুম্বাইৰ মুকুল দত্ত আৰু সংগীত পৰিচালনাত আছিল বিপুল বাহাদুৰ।

১৯৯০ চনত ডিব্ৰুগড়ৰ পটভূমিত পূৰ্বাঞ্চল ফিল্মচ আৰু ডলফিন ফিল্মচৰ প্ৰযোজনাত জাহ্নু বৰুৱাৰ পৰিচালনাত নিৰ্মিত হয় এখনি ব্যতিক্ৰমী ছবি নাম বনানী। অভিনয়ত আছিল সুশীল গোস্বামী, বিষ্ণু খাৰঘৰীয়া, মৃদুলা বৰুৱা, মুনীন শৰ্মা, গোলাপ দত্ত, জ্যোতিপ্ৰকাশ ভট্টাচাৰ্য, লক্ষ্মী সিনহা, মনামী বেজবৰুৱা আদি। সংগীত পৰিচালনাত আছিল প্ৰশান্ত বৰদলৈ আৰু সত্য বৰুৱা।

১৯৯৪ চনত মুক্তি পোৱা 'একত্ৰিশ জুন' চিনেমাৰ পৰিচালনাত আছিল ডিব্ৰুগড়ৰ ভাস্কৰ বৰা। সংগীত পৰিচালনা আছিল প্ৰশান্ত বৰদলৈৰ। কাহিনী, সংলাপ আৰু চিত্ৰনাট্য আছিল ৰঞ্জিত শৰ্মাৰ। অভিনয়ত আছিল পংকজ মহন্ত, প্ৰাঞ্জল শইকীয়া, মাধুৰীমা চৌধুৰী, মনিতা কাকতি, দেৱেন দত্ত, কমল শৰ্মা (ৰাণা), বাদল দাস, বাদল চৌধুৰী, গৌৰী দত্ত, ৰাহুল দত্ত আদি। এইখন প্ৰথম অসমীয়া ফেন্টাচী চিনেমা। চিনেমাখনৰ পৰিকল্পনা ডিব্ৰুগড়তে হৈছিল। গুৱাহাটী, শ্বিলং আদি বিভিন্ন ঠাইত ইয়াৰ চিত্ৰগ্ৰহণ সম্পন্ন হৈছিল।

ডিব্ৰুগড়ৰ সু-সন্তান লেখক, প্ৰকাশক, গীতিকাৰ, কবি, সাংবাদিক তথা 'পদ্মশ্ৰী'সন্মানেৰে বিভূষিত সূৰ্য্য হাজৰিকাই ২০১০ চনত মহাপুৰুষ শংকৰদেৱৰ জীৱনৰ আধাৰত 'শ্ৰীমন্ত শঙ্কৰদেৱ' শীৰ্ষক এখনি চিনেমা নিৰ্মাণ কৰি উলিয়াইছিল।। দেশে বিদেশে সমাদৰ লভা এই চিনেমাখনিৰ বাবে ডিব্ৰুগড়বাসী গৌৰৱান্বিত।

ভালেমান বছৰ বিৰতিৰ পাচত ডিব্ৰুগড়ৰ পৰা পুনৰ স্থানীয় উদ্যোগী যুৱক সুনীল গগৈৰ প্ৰযোজনাত 'গানে কি আনে' শীৰ্ষক চিনেমাখনৰ নিৰ্মাণ হৈছিল। জুবিন গাৰ্গৰ অভিনয় আৰু সংগীত পৰিচালনাৰ চিনেমাখনত অভিনয় কৰা শিল্পীসকল আছিল ঃ নিপন গোস্বামী, বিজু ফুকন, পৰিনীতা বৰঠাকুৰ, হিৰণ্য ডেকা, ৰিম্পী দাস আৰু হিমাগ্নি গগৈ। কাহিনী নীলাভ জোনাক বৰুৱাৰ আৰু সহকাৰী প্ৰযোজক আছিল — ৰাজেশ যশপাল, ৰাজেশ আৰু গৌতম চক্ৰৱৰ্তী। এক নতুন ৰোমাণ্টিক ধাৰাৰে আকৰ্ষণীয়ভাৱে সজোৱা ছবিখনৰ চিত্ৰগ্ৰহণৰ বেছিভাগেই মুম্বাই মহানগৰতসম্পন্ন হোৱাৰ লগতে আন একাংশ অসমৰ বিভিন্ন অঞ্চলত সম্পন্ন হৈছিল।। স্বনামধন্য বিশিষ্ট কবি হীৰেন ভট্টাচাৰ্যদেৱৰ কেইটিমান গীত 'গানে কি আনে'ত সংযোজন কৰা হৈছিল।

প্ৰাসংগিক যে ডিব্ৰুগড়ৰ ভালেমান যুৱক-যুৱতী শেহতীয়াকৈ অসমীয়া ছবিজগতখনৰ সমান্তৰালভাৱে মুম্বাইৰ চিনেমা জগতৰ বিভিন্ন দিশতো একাগ্ৰতাৰে জড়িত হৈ পৰিছে। আমাৰ বিশ্বাস, চলচিত্ৰ জগতখনৰ প্ৰতি তেওঁলোকৰ আন্তৰিক একাগ্ৰতা তেওঁলোকক ব্যক্তিগতভাৱে সুপ্ৰতিষ্ঠিত কৰাৰ লগতে চলচিত্ৰ জগতখনত ডিব্ৰুগড়ৰ ঐতিহ্য বৰ্তাই ৰখাত স্বাভাৱিকতেই এক শুভংকৰ পদক্ষেপ হিচাপে পৰিগণিত হ'ব।

●●●

# ডিব্ৰুগড়ৰ প্ৰকাশন ব্যৱসায় ঃ ঐতিহ্যৰ অৱলোকন


## ড° বিদিশা মহন্ত


**অ**সমৰ গ্ৰন্থ প্ৰকাশৰ ইতিহাসলৈ ভুমুকি মাৰিলে আমি দেখা পাওঁ যে ঊনবিংশ শতিকাৰ আগলৈকে বিজ্ঞানসন্মত ভাৱে অসমত গ্ৰন্থ প্ৰকাশ হোৱা নাছিল। যদিও গুটেনবাৰ্গে যোড়শ শতিকাতে আধুনিক ছপাযন্ত্ৰৰ আবিষ্কাৰ কৰিছিল তথাপিও অসমত আধুনিক ছপাশালত ছপাহৈ ওলোৱা কিতাপ তাৰ প্ৰায় দুশ বছৰলৈকে নাছিল। অসমত আধুনিক ছপাযন্ত্ৰৰে কিতাপ প্ৰকাশৰ বাটকটীয়া হিচাপে আমি খ্ৰীষ্টান মিছনেৰীসকলৰ নাম ল'বই লাগিব। ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যেই হওক বা অন্য সুদূৰপ্ৰসাৰী পৰিকল্পনাই থাকক, কিন্তু অসমীয়া ভাষাত ছপা ৰূপত প্ৰকাশ হোৱা প্ৰথমখন কিতাপ আছিল 'ধৰ্মপুস্তক'। বাইবেলৰ 'নিউ টেষ্টামেন্ট'ৰ আত্মাৰাম শৰ্মাই কৰা অনুবাদ 'ধৰ্মপুস্তক' নামেৰে উইলিয়াম কেৰীৰ উদ্যোগত ১৮১৩ চনত প্ৰকাশ হৈ ওলায়। প্ৰকাশন প্ৰতিষ্ঠান আছিল ব্ৰিটিছ বেপ্টিষ্ট মিছন। তাৰ পিছত ১৮৩৬ চনত শদিয়াত স্থাপন কৰা আমেৰিকান বেপ্টিষ্ট প্ৰেছৰ পৰা নাথান ব্ৰাউন আৰু অলিভাৰ কটৰৰ উদ্যোগত বানানৰ পুথি এখন প্ৰকাশ পায়। অসমৰ ভূমিত প্ৰতিষ্ঠা হোৱা এইটোৱেই প্ৰথম ছপাশাল। ইয়াৰ পিছত এলিজা ব্ৰাউন, মাইলছ ব্ৰনছন, উইলিয়াম বাৰ্ড আদি মিছনেৰীয়ে অসমীয়া ভাষাত বিভিন্ন গ্ৰন্থ প্ৰণয়ন আৰু প্ৰকাশ কৰাৰ লগতে সেইবোৰৰ প্ৰকাশৰো ব্যৱস্থা কৰে। এলিজা ব্ৰাউনে শদিয়াত ১৮৩৬ চনমানত অসমীয়া মাধ্যমৰ এখন আৱাসিক ছাত্ৰী বিদ্যালয় স্থাপন কৰে আৰু শিক্ষাদানৰ উদ্দেশ্যে গণনৰ অংক আৰু বৰ্ণমালা পুথি 'বাৰে মতৰা' আৰু 'ভূগোল বিৱৰণ' লিখে। মিছনেৰীসকলৰ লগত থাকি খ্ৰীষ্টধৰ্মত দীক্ষিত হৈ গ্ৰন্থ প্ৰণয়ন আৰু প্ৰকাশৰ লগত জড়িত হোৱা ভালেকেইজন অসমীয়া ব্যক্তিও আছিল। তেখেতসকলৰ ভিতৰত উল্লেখযোগ্য হ'ল নিধি লিবাই ফাৰ'ৱেল (নিধিৰাম কেওঁট) বাতিৰাম দাস, কলিবৰ দাস আৰু কান্দুৰা ৰ'লিন। ইয়াৰ ভিতৰত নিধি লিবাই ফাৰ'ৱেলে কেইবাখনো গ্ৰন্থ ৰচনা কৰিছিল। ইয়াৰ ভিতৰত উল্লেখনীয় আছিল 'ভাৰতবৰ্ষৰ দণ্ডবিধি আইন', 'পদাৰ্থ বিদ্যাসাৰ', 'স্বৰগৰ বিৱৰণ', 'নৰকৰ বিৱৰণ' আদি। অসমৰ পৰা 'অৰুনোদই' নামৰ বাতৰি কাকতৰ প্ৰকাশ মিছনেৰীসকলৰ অনন্য কীৰ্তি আছিল ।

উজনি অসমৰ এখন প্ৰধান চহৰ ডিব্ৰুগড়ত ঊনৈশ শতিকাৰ ১৮৮১ চনতে প্ৰথমটো ছপাশাল প্ৰতিষ্ঠা হৈছিল। এই ছপাশাল প্ৰতিষ্ঠাত উদ্যোগ লৈছিল জন বেৰী হোৱাইটে। তাৰে ফলশ্ৰুতিত ৰাধানাথ চাংকাকতিয়ে 'ৰাধানাথ প্ৰেছ' নামৰ এটি ছপাশাল স্থাপন কৰিছিল। সেই প্ৰেছৰ পৰাই 'দ্য টাইমছ অৱ আসাম' নামৰ সাপ্তাহিক বাতৰি কাকতখন নিয়মিত ৰূপত প্ৰকাশ পাইছিল। এই কাকতখন ১৮৯৫ চনৰ পৰা প্ৰায় ২৯ বছৰ কাল নিয়মিত প্ৰকাশ হৈছিল। ১৮৮৬ চনত ডিব্ৰুগড়তে আন এজন উদ্যোগী ব্যক্তি শিৱনাথ ভট্টাচাৰ্য্যই 'ভট্টাচাৰ্য্য এজেঞ্চী' নামেৰে এক গ্ৰন্থ ব্যৱসায় প্ৰতিষ্ঠান আৰম্ভ কৰে। আউনীআটীয় সত্ৰাধিকাৰ দত্তদেৱ গোস্বামীৰ উদ্যোগত প্ৰকাশ হোৱা 'আসাম বিলাসিনী' আলোচনীতে ১৮৭৮-৮০ চনত চোৱা চোৱাকৈ প্ৰকাশ পোৱা ভোলানাথ দাসৰ 'সীতা হৰণ কাব্য' ১৮৮৮ চনত শিৱনাথ ভট্টাচাৰ্য্যই প্ৰথমবাৰৰ বাবে গ্ৰন্থ-ৰূপত প্ৰকাশ কৰি উলিয়ায় । ভট্টাচাৰ্য্য এজেঞ্চীয়ে মূলতঃ বৈষ্ণৱ সাহিত্য আৰু অন্যান্য ধৰ্মীয় গ্ৰন্থ প্ৰকাশ কৰি উলিয়াইছিল। প্ৰাৰম্ভিক অৱস্থাত তেওঁলোকে গ্ৰন্থসমূহ কলিকতাত ছপা কৰি আনিছিল। ভট্টাচাৰ্য্য প্ৰেছৰ পৰা প্ৰকাশ হোৱা কিতাপৰ পিছফালে বিজ্ঞাপনৰ আকাৰত এনেদৰে লিখা হৈছিল ঃ


*লেখিকা ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ বাণিজ্য মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ সহকাৰী অধ্যাপক।*

"বিভিন্ন প্ৰাচীন প্ৰকাশ ধৰ্মগ্ৰন্থ, তন্ত্ৰ মন্ত্ৰ, পূজা পদ্ধতি, গল্প-উপন্যাস, নাটক, গীতি নাটিকা, কাব্য-কবিতা, বিজ্ঞান ও জ্যোতিষ, যৌন ও চিকিৎসা, বনৌষধি, জীৱন কাহিনী, ভ্ৰমণ কাহিনী, ফকৰা-যোজনা, চৰিত, আইনাম, বিয়ানাম, বিহুনাম আৰু গীত-মাত ইত্যাদি যোগান ধৰা একমাত্ৰ প্ৰতিষ্ঠান।

ভট্টাচাৰ্য্য এজেঞ্চী, অসমৰ প্ৰাচীন প্ৰকাশক আৰু গ্ৰন্থ বিক্ৰেতা।"

সেই সময়ত তেওঁলোকে যোগান ধৰা আৰু অসমৰ বিভিন্ন ঠাইৰ পৰা প্ৰকাশিত কিতাপসমূহৰ তালিকাও গ্ৰন্থসমূহৰ পিছফালে দিয়া আছিল। এইবোৰৰ বেছিভাগেই আছিল মহাকাব্যৰ আশ্ৰয় লৈ ৰচনা কৰা কাব্য আৰু চৰিত পুথি।

১৮৯৩ চনত ডিব্ৰুগড়ৰ পূৰ্ণকান্ত শৰ্মাই মহাপুৰুষ শংকৰদেৱৰ ৰামবিজয় অংকীয়া নাটৰ আৰ্হিত 'হৰধনু ভংগ' নামৰ অংকীয়া নাট আৰু কৃত্তিবাসী ৰামায়ণৰ কাহিনীৰ আধাৰত 'হৰিশ্চন্দ্ৰ' নামৰ অংকীয়া নাট ৰচনা কৰে। ১৮৮৯ চনত তেখেতে 'অনাদি পাতন' পুথিখনি সম্পাদনা কৰি কলিকতাৰ পৰা প্ৰকাশ কৰোৱাই আনে। একেদৰে সেই সময়ত 'খোবা খুবীৰ উপাখ্যান', 'হিতকথা' আদি নানা পুথিও বিভিন্ন লেখকৰ ব্যক্তিগত উদ্যোগত ছপা কৰি অনা হৈছিল।

ঊনবিংশ শতিকাত প্ৰকাশিত গ্ৰন্থসমূহৰ বিষয়ে বিচাৰ কৰিলে আমি দেখোঁ যে বেছিভাগেই ধৰ্মীয় চৰিত অথবা প্ৰাথমিক শিক্ষাৰ বাবে প্ৰয়োজনীয় পুথি। এই ক্ষেত্ৰত অসমৰ অন্যান্য অঞ্চলৰ লগতে ডিব্ৰুগড়ো পিছ পৰি থকা নাছিল। পানীন্দ্ৰনাথ গগৈয়ে 'ল'ৰা শিক্ষা' নামৰ এখন পুথি তিনিটা খণ্ডত লিখি উলিয়াইছিল। এই পুথিখনৰে দ্বিতীয় সংস্কৰণ ১৮৯৩ চনত প্ৰকাশ হয়। প্ৰকাশক 'ডিব্ৰুগড় এজেন্সি কোম্পানী'। ল'ৰা-ছোৱালীৰ বাবে অতি প্ৰয়োজনীয় পুথিখনত পাঠ্যক্ৰমৰ উপৰি নীতি শিক্ষা আৰু গা ভালে ৰখাৰ নিয়মো সন্নিৱিষ্ট কৰা হৈছিল। অৱশ্যে সুখৰ খবৰ যে প্ৰায় এশ ত্ৰিশ বছৰৰ মূৰত ২০২২ চনত পুনৰ ডিব্ৰুগড়ৰ পৰাই অসমৰ অগ্ৰণী প্ৰকাশক গোষ্ঠী 'বনলতা'ৰ উদ্যোগত 'পানীন্দ্ৰনাথ গগৈ ৰচনাৱলী' প্ৰকাশ হৈ ওলাইছে। এই ৰচনাৱলীৰ সম্পাদকৰ দায়িত্ব বহন কৰিছে শিক্ষক আৰু সমালোচক ড° অৰবিন্দ ৰাজখোৱাই।

সমান্তৰালভাৱে সেই সময়ত ডিব্ৰুগড়ত কেইবাটাও ছপাশাল আৰু কেইবাখনো গ্ৰন্থ-বিপণী গঢ় লৈ উঠিছিল। উল্লেখযোগ্য ছপাশাল আছিল আসাম ৰে'লৱে ট্ৰেডিং কোম্পানীৰ ছপাশাল (১৮৯০)। একেদৰে 'আসাম পুস্তকালয়' সমকালৰ এখন উল্লেখনীয় গ্ৰন্থ-বিপণী। ১৮৯৮ চনত ডিব্ৰুগড়ৰ মোহনাঘাটৰ মুহিৰাম দাসে 'হৰিদেউ কানিয়াৰ কথা' নামৰ এখন উপন্যাস লিখিছিল। এই উপন্যাসখনৰ প্ৰকাশক (মুদ্ৰক) আছিল আসাম ৰে'লৱে ট্ৰেডিং কোম্পানিৰ ছপাশাল। ব্যক্তিগত উদ্যোগৰ লগতে এই ছপাশাল তথা প্ৰকাশকসকলৰ উদ্যোগত প্ৰকাশ পোৱা সমকালৰ গ্ৰন্থসমূহৰ অন্যতম আছিল 'জ্ঞানাংকুৰ' (পূৰ্ণানন্দ শৰ্মা; ১৮৮৩), 'নলচৰিত' (পূৰ্ণানন্দ শৰ্মা; ১৮৮৯), 'বিয়াৰ নাম' (সংকলক— মুক্তানাথ বৰুৱা, ১৮৯০), 'জ্ঞান মালিনী' (মফিজুদ্দিন আহমদ হাজৰিকা; ১৮৯৬), 'প্ৰসূতি' (কুশকান্ত বৰকাকতি; ১৮৯৭), 'পটন্তৰ মালা'(গোপাল চন্দ্ৰ দাস; ১৯০০), 'ল'ৰা কবিতা' (দুৰ্গাপ্ৰসাদ মজিন্দাৰ বৰুৱা, ১৮৯৮), 'স্বপ্ন চৰিত্ৰ' (হেমলতা কাকতি, ১৯০০) আদি।

'আসাম কমাৰ্ছিয়েল কোম্পানী, ৰিহাবাৰী, ডিব্ৰুগড়'ৰ 'গৌৰীশংকৰ যন্ত্ৰ' নামৰ ছপাশালটো সেই সময়ৰ এক অন্যতম ছপাশাল আছিল। সেই প্ৰেছতে মুদ্ৰিত হৈ ১৯১৪ চনত বেণুধৰ ৰাজখোৱাৰ 'বিহু' নামৰ কিতাপখন ৰত্নেশ্বৰ চক্ৰৱৰ্তীৰ দ্বাৰা প্ৰকাশ হৈ ওলাইছিল। একে লেখকৰে 'চোৰৰ সৃষ্টি' নামৰ ধেমেলীয়া নাটখন ১৯৩১ চনত ডিব্ৰুগড়ৰ ৰিহাবাৰী স্থিত 'ব্ৰহ্মপুত্ৰ প্ৰেছ'ৰ পৰা প্ৰকাশ হৈছিল। লেখকে এইখন কিতাপ নিজেই প্ৰকাশ কৰিছিল।

'জোনাকী যুগ'তেই ডিব্ৰুগড়ত বাতৰি কাকত আৰু আলোচনী আদিৰ প্ৰকাশ হৈছিল। চন্দ্ৰকুমাৰ আগৰৱালাই ইয়াতে 'অসমীয়া ছপাশাল' প্ৰতিষ্ঠা কৰি 'অসমীয়া' নামৰ বাতৰি কাকত প্ৰকাশ কৰিছিল। ১৯০5 চনত ডিব্ৰুগড়ৰ পৰাই কৃষ্ণচন্দ্ৰ বৰুৱাৰ সম্পাদনাত 'আসাম ক্ৰনিকল' প্ৰকাশিত হৈছিল। একে সময়তে আমেৰিকান মিছনেৰীসকলেও 'দীপ্তি' নামৰ মাহেকীয়া আলোচনী প্ৰকাশ কৰি উলিয়াইছিল। সমসাময়িকভাৱে দুৰ্গানাথ চাংকাকতিৰ সম্পাদনাত 'আলোচনী' শীৰ্ষক আলোচনী আৰু তাৰানাথ চক্ৰৱৰ্তীৰ সম্পাদনাত 'আসাম বান্ধৱ' নামৰ মাহেকীয়া কাকত প্ৰকাশ পাইছিল। তাৰ পিছত পযেকীয়া আলোচনী 'সত্যবাদী', 'সন্ত প্ৰদীপ', 'প্ৰচাৰক', 'ঘৰ জেউতি', 'তৰুণ অসম' আদি কাকত-আলোচনীয়ে বিংশ শতিকাৰ প্ৰথম ভাগত ডিব্ৰুগড়ৰ বিদ্বৎ সমাজক সমৃদ্ধ কৰিছিল।

বিংশ শতিকাৰ আগভাগত ডিব্ৰুগড়ত 'মেধি ব্ৰাদাৰ্চ' আৰু 'ষ্টুডেণ্টছ্ এম্প'ৰিয়াম' নামৰ দুখন গ্ৰন্থ বিপণী প্ৰতিষ্ঠা হয়। ডিব্ৰুগড়ৰ গ্ৰন্থ প্ৰকাশ আৰু বিতৰণৰ ক্ষেত্ৰত এই দুটি প্ৰতিষ্ঠানৰ বৰঙণি উল্লেখনীয়। সেইছোৱা সময়ত ডিব্ৰুগড়ত ভালেকেইজন সাহিত্যিকে আত্মপ্ৰকাশ কৰিছিল। সেইসকলৰ ভিতৰত বাগ্মীবৰ নীলমণি ফুকন, ৰজনীকান্ত বৰদলৈ, বেণুধৰ ৰাজখোৱা, আলোক

ৰাজখোৱা, যতীন্দ্ৰনাথ দুৱৰা, শৈলধৰ ৰাজখোৱা, জ্যোতিপ্ৰসাদ আগৰৱালা আদি। ঊনবিংশ আৰু বিংশ শতাব্দীৰ মাজত পাঠ্যপুথি লেখক তথা প্ৰকাশক হিচাপে ডিব্ৰুগড়ৰ মহেশ বৰুৱাৰ নাম উল্লেখনীয়।

১৯৪৮ চনত উদ্যোগী ব্যক্তি চন্দ্ৰকান্ত হাজৰিকাৰ দ্বাৰা ডিব্ৰুগড়ত 'বাণী মন্দিৰ' প্ৰতিষ্ঠা হয়। জন্মলগ্নৰে পৰা এই প্ৰতিষ্ঠানে অসমীয়া সাহিত্যৰ প্ৰকাশ আৰু প্ৰচাৰৰ বাবে যৎপৰোনাস্তি চেষ্টা কৰি আহিছে। সম্প্ৰতি 'বাণীমন্দিৰ'ৰ তিনিটা শাখা ক্ৰমে গুৱাহাটী, তেজপুৰ আৰু যোৰহাটত আছে। বৰ্তমানো বাণী মন্দিৰে সগৌৰৱে নিজৰ বাণী সাধনা অব্যাহত ৰাখিছে। সমান্তৰালভাৱে 'কৃষ্ণকান্ত প্ৰেছ', 'লখিমী প্ৰেছ ' আদিতো ব্যক্তিগত উদ্যোগত বহুতো কিতাপে প্ৰকাশৰ মুখ দেখিছিল। উদ্যমী আৰু সাহিত্যানুৰাগী ব্যক্তি মাখন হাজৰিকাৰ উদ্যোগত ১৯৭২ চনত ডিব্ৰুগড়ত 'বনলতা'ৰ প্ৰতিষ্ঠা হৈছিল। বনলতাৰ দ্বাৰা প্ৰকাশিত প্ৰথমখন কিতাপ আছিল পৰীক্ষিত হাজৰিকাৰ 'বলি চলন'। আৰম্ভণিৰে পৰা 'বনলতা'ই নতুন লেখক-লেখিকাৰ সৃষ্টিত গুৰুত্ব দি আহিছে। সম্প্ৰতি চৰ্চিত বহুকেইজন অসমীয়া সাহিত্যিকে 'বনলতা'ৰ জৰিয়তেই তেওঁলোকৰ লেখক জীৱনৰ পাতনি মেলিছিল। 'বনলতা'ৰ উদ্যোগত 'বনলতা সাহিত্য' শীৰ্ষক এখন সাহিত্য বিষয়ক দ্বিবাৰ্ষিক আলোচনীও প্ৰকাশ হৈ আহিছে। বিংশ শতিকাৰ নৱৈৰ দশকত গুৱাহাটীত 'বনলতা'ৰ শাখা প্ৰতিষ্ঠা হয়। গুৱাহাটীত 'বনলতা'ৰ দায়িত্ব গ্ৰহণ কৰে মাখন হাজৰিকাৰ ভাতৃ অনন্ত হাজৰিকাই। বৰ্তমান একবিংশ শতিকাৰ দ্বিতীয় দশকত 'বনলতা'ই পঞ্চাশ বছৰৰ গৌৰৱময় ঐতিহ্য বহন কৰি আগুৱাই গৈছে। প্ৰতিষ্ঠাতা মাখন হাজৰিকাৰ আদৰ্শৰে দ্বিতীয় প্ৰজন্মৰ প্ৰদ্যুৎ হাজৰিকাই ন-ন কিতাপ প্ৰকাশেৰে ৰাইজৰ সেৱাত ব্ৰতী হৈছে। 'কীৰ্তন', 'ভাগৱত পুৰাণ'ৰ পৰা আৰম্ভ কৰি 'আধুনিক অসমীয়া অভিধান', 'অসমীয়া বৈজ্ঞানিক পৰিভাষা কোষ', বিভিন্ন সাহিত্যিকৰ ৰচনাৱলী, 'নামঘোষা'ৰ ইংৰাজী অনুবাদ, বিভিন্ন সৃষ্টিশীল

সাহিত্যমূলক গ্ৰন্থ আদিৰ মেটমৰা সম্ভাৰেৰে 'বনলতা'ই অসমীয়া ভাষা-সংস্কৃতিৰ ভঁৰাল চহকী কৰাত অগ্ৰণী ভূমিকা লৈ আহিছে। অতি সম্প্ৰতি 'বনলতা'ই শিশু সাহিত্যৰ প্ৰকাশ আৰু প্ৰচাৰত মনোনিৱেশ কৰিছে। 'বুঢ়ী আইৰ সাধু'ৰ কমিকচ্‌ৰ ৰূপ আৰু ৰাছিয়ান সাহিত্যিক আলেকজান্দৰ ৰাস্কিনৰ 'দেউতা যেতিয়া অকণমানি আছিল' শীৰ্ষক অসমীয়া অনুবাদ শিশুসকলৰ বাবে বনলতাৰ সোণালী জয়ন্তীৰ উপহাৰ। বিশ্বসাহিত্যৰ উল্লেখনীয় গ্ৰন্থসমূহৰ সোৱাদ অসমৰ পাঠকক দিবলৈ আৰম্ভণিৰে পৰাই 'বনলতা'ই যত্ন কৰি আহিছে। তাৰ ফলশ্ৰুতিতে প্ৰকাশ পাইছে 'বেনহুৰ', 'আফ্ৰিকাৰ মানুহ খোৱা সিংহ', 'বৰ্ণ ফ্ৰী' আদিৰ পৰা আৰম্ভ কৰি শেহতীয়াকৈ 'দা ফল্ট ইন আৱাৰ ষ্টাৰ', 'চেভেন মুন্‌চ অব মালি আল মেইডা'লৈকে বিচিত্ৰ গ্ৰন্থৰ সম্ভাৰ। প্ৰদ্যুৎ হাজৰিকাৰ উদ্যোগত ২০২৩ চনত বনলতাৰ আন দুটি শাখা ক্ৰমে 'যোৰহাট' আৰু 'লখিমপুৰ'ত স্থাপন কৰা হৈছে।

বিংশ শতিকাৰ নৱৈৰ দশকতে ডিব্ৰুগড়ৰ আন এক অগ্ৰণী গ্ৰন্থ প্ৰকাশন প্ৰতিষ্ঠান 'কৌস্তভ প্ৰকাশন' আৰম্ভ হৈছিল। 'কৌস্তভ প্ৰকাশন'ৰ শ্ৰীযুত বিৰেন বৰুৱাৰ উদ্যোগত 'কৌস্তভ' নামৰ এখন মাহেকীয়া আলোচনীয়েও প্ৰকাশৰ মুখ দেখিছিল। ড° নগেন শইকীয়াৰ 'মিতভাষ'কে ধৰি যথেষ্ট সংখ্যক মূল্যবান গ্ৰন্থ 'কৌস্তভ প্ৰকাশন'ৰ পৰা প্ৰকাশ পাই আহিছে।

ডিব্ৰুগড়ৰ এই গ্ৰন্থ প্ৰকাশক আৰু বিক্ৰেতাসকলে নিয়মীয়াভাৱে গ্ৰন্থমেলাসমূহতো সক্ৰিয় অংশ গ্ৰহণ কৰি আহিছে। ডিব্ৰুগড়কে ধৰি সমগ্ৰ অসমতে এচাম সচেতন পাঠক আৰু লেখক সৃষ্টিত এই প্ৰকাশন প্ৰতিষ্ঠানসমূহে উল্লেখযোগ্য বৰঙণি আগবঢ়াইছে।

গতিকে দেখা যায় যে ডিব্ৰুগড়ত ঊনবিংশ শতিকাৰ শেষৰফালে আৰম্ভ হোৱা গ্ৰন্থ প্ৰকাশৰ ইতিহাসে একবিংশ শতিকাত এক বিশাল ৰূপ ধাৰণ কৰিছে । সম্প্ৰতি একবিংশ শতিকাৰ এই তৃতীয় শতিকাতো অব্যাহত থকা এই সবল আৰু সফল যাত্ৰাৰ জৰিয়তে ডিব্ৰুগড়ৰ এই প্ৰকাশন -ইতিহাসে অসমীয়া সাহিত্যৰ জগতত নিজৰ স্থিতি সগৌৰৱে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হোৱাটো আমাৰ বৌদ্ধিক সমাজৰ বাবে নিশ্চিতভাৱে এটি সুখবৰ।

-------------

**সহায়ক গ্ৰন্থপঞ্জী ঃ**


ঊনবিংশ শতিকাত প্ৰকাশিত অসমৰ গ্ৰন্থ ইতিহাস— ড০ সূৰ্য্য হাজৰিকা

বৈৰাগী কীৰ্তন— ঁগাম বৈৰাগী

আই কুঁৱৰী— শ্ৰী ঘনকান্ত কোঁৱৰ

চোৰৰ সৃষ্টি — বেণুধৰ ৰাজখোৱা

বিহু— বেণুধৰ ৰাজখোৱা।

ডিব্ৰুগড়ৰ বুৰঞ্জী— সম্পাদনা— ড০ ডম্বৰুধৰ নাথ

ডিব্ৰুগড়— সম্পাদক— চিত্ৰ বৰুৱা

গৰীয়সী(ডিচেম্বৰ, ২০১৮)


●●●

# ডিব্ৰুগড়ৰ গ্ৰন্থাগাৰ সেৱা ঃ ঐতিহ্য আৰু উত্তৰণ

দীপিকা দাস

ইতিহাসৰ বুকুত গ্ৰন্থাগাৰসমূহ সভ্যতাৰ দলিল স্বৰূপ। বিশ্বৰ বিজ্ঞান প্ৰযুক্তি, সাহিত্য সংস্কৃতি, ৰাজনীতি, অৰ্থনীতি, ধৰ্ম আদি সকলো বিষয়ৰ গ্ৰন্থাৰাজিৰ সাচন-সামৰণ আৰু সংৰক্ষণৰ জৰিয়তে ভৱিষ্যৎ প্ৰজন্মক ভিন্ন স্বাদেৰে জ্ঞান বুটলিবলৈ সক্ষম কৰি তোলে গ্ৰন্থাগাৰসমূহে। মানৱ সভ্যতাৰ বিকাশত মানুহে যেতিয়া শিলত কাটি, গছৰ বাকলিত, তাম্ৰপত্ৰ, ভুজ্যপত্ৰ, সাঁচিপাত আদিত আখৰ লিখিবলৈ আৰম্ভ কৰিছিল — তেতিয়াৰ পৰা লিপি সংৰক্ষণৰ তাগিদা আৰম্ভ হৈছিল। এয়াই গ্ৰন্থাগাৰ। জন্মৰ উক্‌মুকনি বুলিব পাৰি। ইতিহাসৰ পাত খুঁচৰিলে পোৱা যায় যে গ্ৰন্থাগাৰ এটা ঐতিহ্য বহনকাৰী সামাজিক অনুষ্ঠান। ৫০০ খ্ৰীষ্টপূৰ্বত ভাৰতৰ প্ৰসিদ্ধ নালন্দা বিশ্ববিদ্যালয়ৰ পুথিভঁৰালটিত ৯০,০০,০০০ গ্ৰন্থ আছিল এই গ্ৰন্থাগাৰটিৰ 'ৰত্নসাগৰ', 'ৰত্নোদধি', আৰু 'ৰত্নৰঞ্জক' নামেৰে তিনিটা পৃথক গৃহত সাহিত্য, বেদ-বেদান্ত, চিকিৎসাবিদ্যা, তৰ্কশাস্ত্ৰ, দৰ্শনশাস্ত্ৰ, ধৰ্মশাস্ত্ৰ আদি সকলো বিষয়ৰ গ্ৰন্থ আছিল। পৃথিৱীখ্যাত এই পুথিভঁড়াললৈ দেশ-বিদেশৰ পণ্ডিত আহি বিশ্ববিদ্যালয়খনত থাকি জ্ঞান ভাণ্ডাৰৰ পৰা বিদ্যা শিক্ষা লৈ নিত্য মিত্ৰদেশলৈ উভতিছিল।

ছিৰিয়াৰ 'এবলা পুথিভঁড়াল' খ্ৰীষ্টপূৰ্ব ২২৫০ত স্থাপন হোৱা পৃথিৱীৰ প্ৰথম পুথিভঁড়াল হিচাপে চিহ্নিত হৈছে। এই পুথিভঁড়াল মাটিৰ ফলিত লিখিত সাত লাখ গ্ৰন্থেৰে সমৃদ্ধ আছিল। ১৮০০ খ্ৰীষ্টাব্দৰ ২৪ এপ্ৰিলত আমেৰিকাৰ ৱাশ্বিংটনত স্থাপিত হোৱা 'দ্য লাইব্ৰেৰী অৱ কংগ্ৰেছ' গ্ৰন্থাগাৰ বৰ্তমান পৃথিৱীৰ ভিতৰত সৰ্ববৃহৎ গ্ৰন্থাগাৰ।

ডিব্ৰুগড়ৰ গ্ৰন্থাগাৰ সেৱা এক ঐতিহ্যপূৰ্ণ ইতিহাসেৰে সমৃদ্ধ। ডিব্ৰুগড় শব্দটো 'ডিব্ৰু' আৰু 'গড়' এই শব্দ দুটাৰ সংযোগত গঢ় লৈ উঠিছে। 'ডিব্ৰু' শব্দটো 'ডিবৰু' নৈখনৰ পৰা আহিছে। বৃটিছে ডিবৰু নৈৰ পাৰত সেনাৰ ছাউনী পতাৰ সময়ত নৈখনক ভেটিবলৈ এটা 'গড়' নিৰ্মাণ কৰিছিল। তাৰ পৰাই 'গড়' শব্দটোৰ আগমন ঘটি দুয়োটা শব্দৰ সংযোজনত 'ডিব্ৰুগড়' নামটো হয়। ১৯৭৯ চনৰ ২ অক্টোবৰত লক্ষীমপুৰ জিলাৰ পৰা পৃথক হৈ স্বতন্ত্ৰ ডিব্ৰুগড় জিলাৰ গঠন হয়। শেহতীয়া তথ্য অনুসৰি মুঠ ১৩,২৬,৩৩৫ সংখ্যক লোকৰ বসতি থকা জিলাখনৰ লগত অসমৰ গ্ৰন্থাগাৰ আন্দোলনৰ এক এৰাব নোৱৰা সম্পৰ্ক আছে।

অসমত গ্ৰন্থাগাৰৰ অৱস্থিতি আহোম যুগৰ ৰজা চুকাফাৰ পৰা আৰম্ভ হৈছে বুলি ক'ব পাৰি। তেতিয়াই ইতিহাস লিখন আৰু সংৰক্ষণৰ ব্যৱস্থা কৰা হৈছিল। সেই সময়ৰ গ্ৰন্থাগাৰসমূহ 'গন্ধিয়া ভঁড়াল' নামে জনাজাত আছিল। পঞ্চদশ শতিকাত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে ধৰ্মগ্ৰন্থসমূহ নামঘৰ বা সত্ৰত ৰখাৰ ব্যৱস্থা কৰে আৰু সৰ্বসাধাৰণ ৰাইজৰ পঢ়াৰ সুবিধা কৰি দিয়ে। সেই সময়ত মহাপুৰুষজনাই গ্ৰন্থসমূহ প্ৰতিলিপি কৰিবলৈ 'লেখাৰু' নিয়োগ কৰিছিল। এয়াই ৰাজহুৱা গ্ৰন্থাগাৰৰ আৰম্ভণি বুলিব পাৰি।

অসমত কুমুদেশ্বৰ বৰঠাকুৰৰ নেতৃত্বত ১৯৩০ চনত গুৱাহাটীৰ লতাশিল খেলপথাৰত এখন সভা পাতি পৰিকল্পিতভাৱে ৰাজহুৱা গ্ৰন্থাগাৰ নিৰ্মাণৰ উদ্যোগ লোৱা হয়। বৰঠাকুৰদেৱৰ প্ৰচেষ্টাত ১৯৩৮ চনৰ ১ জানুৱাৰীত 'অসম পুথিভঁড়াল সংঘ'ই প্ৰতিষ্ঠা লাভ কৰে। সেই বৰ্ষতেই 'অসম গ্ৰন্থাগাৰ সংস্থা'ৰ প্ৰথম অধিৱেশনখন ডিব্ৰুগড়ত অনুষ্ঠিত হয়। ভাৰতবৰ্ষত প্ৰথম পঞ্চবাৰ্ষিক পৰিকল্পনাৰ ফলস্বৰূপে অসমৰ গুৱাহাটী, নগাঁও, যোৰহাট, ডিব্ৰুগড়, তেজপুৰ আৰু ধুবুৰী জিলা পুথিভঁড়াল স্থাপন হৈছিল। অসমত এতিয়ালৈকে চৰকাৰীভাৱে স্বীকৃত ২০৪ টা গ্ৰাম্য পুথিভঁড়াল আছে।

তাৰ ভিতৰত ৬ টা গ্ৰাম্য পুথিভঁড়াল ডিব্ৰুগড় জিলাত অৱস্থিত। এই ৬ টা পুথিভঁড়াল ডিব্ৰুগড় জিলা পুথিভঁড়ালৰ অন্তৰ্গত আৰু Directorate of Library Services ৰ সুবিধালব্ধ হৈ আছে। এই গ্ৰন্থাগাৰসমূহত অসম চৰকাৰৰ আৰ্থিক অনুদানেৰে গ্ৰন্থসমূহ সংৰক্ষণ আৰু সম্বৰ্ধন হৈ আহিছে। তাৰ উপৰি কলিকতাস্থিত 'ৰাজা ৰামমোহন ৰায় লাইব্ৰেৰী ফাউণ্ডেশ্যন'ৰ পৰাও গ্ৰন্থ, আলমাৰী, আচবাব আৰু কম্পিউটাৰাইজেচনৰ সাহায্য লাভ কৰে।

*লেখিকা ডিব্ৰু মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিক আৰু গ্ৰন্থাগাৰ বিষয়ক তথ্যৰাজিৰ এগৰাকী নিৰৱচ্ছিন্ন অনুসন্ধানকাৰী।*

ডিব্ৰুগড় জিলাৰ আটাইতকৈ পুৰণি পুথিভঁড়ালটি হ'ল 'লবোৰাম দত্ত পুথিভঁড়াল, চৌকিডিঙ্গী'। এই গ্ৰন্থাগাৰটি ব্যক্তিগত পুথিভঁড়াল হিচাপে ১৯৩৫ চনত স্থাপন হৈছিল। কিন্তু বৰ্তমান ইয়াৰ অস্তিত্ব বিচাৰি পোৱা নগ'ল।

স্বেচ্ছাসেৱী সংস্থাৰ উদ্যোগত ১৯৩৭ চনত প্ৰতিষ্ঠা হোৱা 'বৰপথাৰ সত্ৰ সংঘ আৰু পুথিভঁড়াল' ডিব্ৰুগড়ৰ প্ৰথমটো গ্ৰাম্য পুথিভঁড়াল। আৰম্ভণিৰে পৰা কিতাপ পঢ়াৰ সুবিধা দিয়াৰ উপৰি বিভিন্ন সামাজিক উন্নয়নৰ কাম এই পুথিভঁড়ালটোৱে কৰি আহিছে।

ৰাম গোস্বামীয়ে ক'বৰ দৰে, 'পুথিভঁড়াল এক সামাজিক অনুষ্ঠানৰূপে গঢ় দিয়াটো প্ৰগতিশীল চিন্তাধাৰাৰ অন্য এক বলিষ্ঠ অভিব্যক্তিহে।" সেই দিশৰ পৰা চালে ডিব্ৰুগড় জিলাৰ পুথিভঁড়ালসমূহে এখন প্ৰগতিশীল সমাজ গঢ় দিয়া বুলি ক'ব পাৰি। ১৮৪০ চনত প্ৰতিষ্ঠা হোৱা ডিব্ৰুগড় চৰকাৰী উচ্চতৰ মাধ্যমিক বালক বিদ্যালয়ৰ পুথিভঁড়ালটিয়ে প্ৰায় ১৮ টা দশক ধৰি ছাত্ৰসকলৰ বৌদ্ধিক চিন্তা চৰ্চাত সহায় কৰি আহিছে। এই পুথিভঁড়ালটিত এতিয়াও ১৮৮০ চনতে অসম প্ৰকাশন পৰিষদে প্ৰকাশ কৰা গ্ৰন্থ সংৰক্ষিত হৈ আছে। শেহতীয়াকৈ ইয়াত এটা অধ্যয়ন কোঠা সংলগ্ন কৰা হৈছে। বিদ্যালয়খনৰ ছাত্ৰসকলে গ্ৰন্থাগাৰৰ বাবে নিৰ্ধাৰিত বিশেষ শ্ৰেণীত পুথিভঁড়ালৰ গ্ৰন্থসমূহ অধ্যয়ন কৰে।

ডিব্ৰুগড় হনুমানবক্স সূৰজমল কানৈ মহাবিদ্যালয়ৰ ঐতিহ্যমণ্ডিত পুথিভঁড়ালটো মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠাকালৰ গ্ৰন্থাগাৰিকৰ নামেৰে 'অশ্বিনীচৰণ চৌধুৰী কেন্দ্ৰীয় পুথিভঁড়াল' হিচাপে জনাজাত। ১৯৪৫ চনত মহাবিদ্যালয়খন প্ৰতিষ্ঠা হোৱাৰে পৰা গ্ৰন্থাগাৰটিয়ে ছাত্ৰ-ছাত্ৰীসকলক কিতাপ পঢ়াৰ ক্ষেত্ৰৰ এটি উচ্চ মানৰ পৰিৱেশ প্ৰদান কৰি আহিছে। এই গ্ৰন্থাগাৰত ১৮৮০, ১৮৮৫, ১৮৯০, ১৯০১, ১৯০২, ১৯০৩, ১৯০৪ চনৰ বহুতো দুষ্প্ৰাপ্য গ্ৰন্থ সংৰক্ষণ হৈ আছে। 'ৰাধিকা', 'শকুনিৰ প্ৰতিশোধ' আদি গ্ৰন্থৰ প্ৰথম সংস্কৰণ তেনে গ্ৰন্থৰ উদাহৰণ।

ডিব্ৰুগড় জিলাৰ বৰ্তমানৰ জিলা পুথিভঁড়ালটি ১৯৫৫ চনতে প্ৰতিষ্ঠা কৰা হৈছিল। গ্ৰন্থাগাৰটিত ৫ বছৰ বয়সৰ পৰা সকলো শিশু, কিশোৰ -কিশোৰী, ছাত্ৰ-ছাত্ৰী, পুৰুষ-মহিলা, চাকৰিয়াল বা অৱসৰপ্ৰাপ্ত যিকোনো মানুহে সদস্যভুক্ত হ'ব পাৰে। প্ৰতিখন কাৰ্ডত দুখনকৈ কিতাপ ঘৰলৈ নিব পাৰে। গ্ৰন্থাগাৰটিত পঢ়িব পৰা সুসজ্জিত আৰু আটোমটোকাৰিকৈ ৰখা অধ্যয়ন কক্ষ আছে। সম্প্ৰতি ইয়াত থকা কিতাপৰ সংখ্যা ১,১৫,৫১৫ খন আৰু পঢুৱৈৰ সংখ্যা ১২,৯১৮ জনা। শিশুসকলৰ বাবেও ইয়াত বিশেষ অধ্যয়ন-কক্ষ আছে।

পঢ়াৰ সুবিধাৰ উপৰি বিভিন্ন ধৰণৰ খেলা সামগ্ৰীও এই পুথিভঁড়ালত উপলব্ধ। সমাজখনক জ্ঞানচৰ্চাৰ কেন্দ্ৰবিন্দু হিচাপে এই পুথিভঁড়ালে সেয়া আগবঢ়াই আহিছে।

১৯৫৬-১৯৮৭ চনৰ ভিতৰত ৬ টা গ্ৰাম্য পুথিভঁড়ালে ডিব্ৰুগড় জিলাত প্ৰতিষ্ঠা লাভ কৰিছিল। সেইকেইটা হ'ল — তৰুণ সংঘ, চহৰীকটা, ডিব্ৰুগড় (১৯৫৬); নৱজীৱন সামুহিক কেন্দ্ৰ আৰু পুথিভঁড়াল, পাণধোৱা, টেঙাখাত (১৯৫৬); প্ৰদীপ পুথিভঁড়াল, নতুন বলাইগাঁও, ডিব্ৰুগড় (১৯৬০); অৰুণোদয় সংঘ আৰু পুথিভঁড়াল, লেপেটকটা, বৰবৰুৱা (১৯৬২); পূৰেৰুণ সামুহিক কেন্দ্ৰ, ডিকম, ৰহমৰীয়া (১৯৭৬) আৰু ব্লু ক্লাৱ, চাবুৱা, ডিব্ৰুগড় (১৯৮৭)। ইয়াৰ উপৰি স্বেচ্ছাসেৱী সংগঠনৰ জৰিয়তে ২০০২ চনত প্ৰতিষ্ঠা লাভ কৰা 'প্ৰগতি পুথিভঁড়াল, ৰৈমাৰী' নামৰ এটা গ্ৰাম্য পুথিভঁড়ালেও সমাজখনৰ উত্তৰণত ভূমিকা গ্ৰহণ কৰিছে। শিশু আৰু কৈশোৰ কালছোৱাই গ্ৰন্থ অধ্যয়নৰ অভ্যাস গঢ়ি তোলাটো অত্যন্ত জৰুৰী হোৱাৰ সূত্ৰে গ্ৰামাঞ্চলত এই গ্ৰাম্য পুথিভঁড়ালসমূহৰ অৱদান স্বাভাৱিকতেই অনস্বীকাৰ্য।

ডিব্ৰুগড়ৰ জিলাৰ শৈক্ষিক গ্ৰন্থাগাৰসমূহৰ মান যথেষ্ট উন্নত। বিশ্ববিদ্যালয়, মহাবিদ্যালয়ৰ সমূহ গ্ৰন্থাগাৰেই উন্নত বিজ্ঞান প্ৰযুক্তিৰ লগত খোজ মিলাই কম্পিউটাৰৰ সহায়ত আধুনিকীকৰণ কৰা হৈছে।

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ 'লক্ষ্মীনাথ বেজবৰুৱা কেন্দ্ৰীয় গ্ৰন্থাগাৰ'টি ১৯৬৭ চনত প্ৰতিষ্ঠা হয়। সম্প্ৰতি প্ৰায় ২,২৫,০০০ গ্ৰন্থৰে সমৃদ্ধ তিনিমহলীয়া গ্ৰন্থাগাৰটি ভাৰতৰ ভিতৰতে এটা উন্নত মানৰ পুথিভঁড়াল। বৰ্তমান ৪০০০ ছাত্ৰ-ছাত্ৰীয়ে ব্যৱহাৰ কৰি থকাৰ উপৰি এম ফিল, পি.এইচ.ডিৰ গৱেষকেও এই পুথিভঁড়ালটিৰ পৰা জ্ঞান লাভৰ সুযোগ পাই আহিছে। এই পুথিভঁড়ালটি ডিব্ৰুগড় জিলাৰ সৰ্ববৃহৎ আৰু সুসজ্জিত গ্ৰন্থাগাৰ হিচাপে পৰিচিত।

ডিব্ৰুগড় হনুমানবক্স সূৰজমল কানৈ বাণিজ্য মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰটি পৰৱৰ্তী সময়ত ইয়াৰ প্ৰতিষ্ঠাপক অধ্যক্ষ তথা ডিব্ৰুগড়ৰ শৈক্ষিক উত্তৰণত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰা ড° লক্ষীপ্ৰসাদ দত্তৰ স্মৃতিত 'ড° লক্ষীপ্ৰসাদ দত্ত গ্ৰন্থাগাৰ' হিচাপে নামকৰণ কৰা হয়। ১৯৬০ চনত স্থাপিত এই গ্ৰন্থাগাৰটিত বৰ্তমান থকা কিতাপৰ সংখ্যা ৩০,৪১৬ খন। গড়ে ১০০ ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ন কৰা এই পুথিভঁড়ালটিয়ে মহাবিদ্যালয়খনৰ লগতে জিলাখনৰ শৈক্ষিক উন্নয়নত গুৰুত্বপূৰ্ণ অৱদান প্ৰদান কৰি আহিছে।

১৯৬৩ চনত ডিব্ৰুগড়ৰ মাজমজিয়াত প্ৰতিষ্ঠা লাভ কৰা আন দুখন মহাবিদ্যালয় হ'ল — ডিব্ৰু মহাবিদ্যালয় আৰু মনোহাৰী দেৱী কানৈ মহিলা মহাবিদ্যালয়। জন্মলগ্নৰে পৰা দুয়োখন মহাবিদ্যালয়তে একোটাকৈ আটকধুনীয়া, সমৃদ্ধ পুথিভঁড়াল গঢ় লৈ উঠিছে।

'ডিব্ৰু মহাবিদ্যালয় কেন্দ্ৰীয় পুথিভঁড়াল' অসমৰ ভিতৰতে এটা উল্লেখনীয় পুথিভঁড়াল হিচাপে স্বীকৃত হৈছে। ৪৫,৯৩৫ খন গ্ৰন্থেৰে সৈতে এই পুথিভঁড়াল জিলাখনৰ মহাবিদ্যালয় গ্ৰন্থাগাৰসমূহৰ ভিতৰত সৰ্বাধিক গ্ৰন্থ সম্ভাৰেৰে সমৃদ্ধ। ইয়াৰ ভিতৰত চল্লিশ, পঞ্চাশ দশকৰ ৫ অনা মূল্যৰ কিতাপো আছে।

তাৰ উপৰি ৬০ খন দুষ্প্ৰাপ্য গ্ৰন্থও আছে । ৩২০০ ছাত্ৰ-ছাত্ৰীৰ সদস্যভূক্তিৰে ১২০ খন আসনযুক্ত দুমহলীয়া গ্ৰন্থাগাৰটিয়ে ২০১৪ বৰ্ষৰ পৰা আই.এছ. বি.এন. সম্বলিত 'গ্ৰন্থকৃটী' নামৰ এখন গৱেষণাধৰ্মী বছৰেকীয়া আলোচনী প্ৰকাশ কৰি আহিছে। তাৰ উপৰি গ্ৰন্থৰ প্ৰতি ছাত্ৰ-ছাত্ৰীৰ আগ্ৰহ বঢ়োৱাৰ লক্ষ্যৰে এই পুথিভঁড়ালটোৱে ২০১৭ চনৰ পৰা 'ৰিডাৰ্ছক্লাব'ৰ জৰিয়তে কুৰিখন বৈঠক পাতিছে। এই বৈঠকত এখন গ্ৰন্থৰ বিষয়ে ক'বলৈ এজন বক্তা আমন্ত্ৰণ কৰি অনা হয়। ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক শিক্ষয়িত্ৰী সকলোৱে গ্ৰন্থখনৰ বিষয়ে বক্তা গৰাকীৰ লগত মন বিনিময় কৰি বৈঠকখন অধিক তথ্যসমৃদ্ধ আৰু মনোগ্ৰাহী কৰি তোলে। এই বৈঠকখন প্ৰতি মাহৰ তৃতীয় শনিবাৰে পতা হয়। ছাত্ৰ-ছাত্ৰীৰ ডিজিটেল অধ্যয়নৰ প্ৰতি লক্ষ্য ৰাখি এই গ্ৰন্থাগাৰত বাৰটাকৈ বিনামূলীয়া ইণ্টাৰনেট সেৱা যুক্ত কম্পিউটাৰ আৰু দুটা kindle ৰো ব্যৱস্থা কৰা হৈছে।

মনোহাৰী দেৱী কানৈ গাৰ্লছ কলেজৰ কেন্দ্ৰীয় পুথিভঁড়ালত সম্প্ৰতি ৩৪৭৬০ খন গ্ৰন্থ আছে। দৈনিক গড়ে ১২০ গৰাকী ছাত্ৰীয়ে গ্ৰন্থাগাৰটোত অধ্যয়ন কৰে। এই গ্ৰন্থাগাৰেও বুক ক্লাব, গ্ৰন্থাগাৰিক দিৱস আদি পাতি আহিছে। এই গ্ৰন্থাগাৰটিৰ বিশেষত্ব হ'ল Live Reading Service। মহাবিদ্যালয়খনৰ চোতালত ৰাতিপুৱা দহ বজাৰ পৰা দুপৰীয়া দুই বজালৈ গ্ৰন্থাগাৰটোৰ এগৰাকী কৰ্মীয়ে নিৰ্বাচিত কিতাপ একোখনপঢ়ি থাকে। ছাত্ৰী তথা শিক্ষক-শিক্ষয়িত্ৰীসকলে যাৰ যেতিয়াই সময় থাকে, সেই অনুসৰি এই গ্ৰন্থখন শুনি তাৰ বিষয়বস্তুৰ জ্ঞান ল'ব পাৰে।

কলা, বাণিজ্য আৰু বিজ্ঞান শাখাৰ উচ্চ শিক্ষা প্ৰদান কৰা ডিব্ৰুগড় জিলাৰ মহাবিদ্যালয় পৰ্যায়ৰ তেৰটা গ্ৰন্থাগাৰ, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ গ্ৰন্থাগাৰ আদিৰ উপৰি 'অসম চিকিৎসা মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰ'টোৱেও ডিব্ৰুগড়ৰ সমাজখনক বহু পৰিমাণে উপকৃত কৰিছে। ১৯৪৭ চনতে স্থাপিত হোৱা এই গ্ৰন্থাগাৰটিত সম্প্ৰতি থকা গ্ৰন্থৰ সংখ্যা ৪৩,২১৮ খন। চিকিৎসা বিজ্ঞানৰ অতি আধুনিক আৰু উচ্চ মানসম্পন্ন গ্ৰন্থ আৰু আলোচনীৰে সমৃদ্ধ গ্ৰন্থাগাৰটোৱে প্ৰায় ১৪,৬০০ পঢ়ুৱৈক বৰ্তমান সেৱা আগবঢ়াই আছে।

ডিব্ৰুগড় জিলাখন বহুকেইজন সাহিত্যিক যেনে ড° লীলা গগৈ, ড° মহেন্দ্ৰ বৰা, ড° নগেন শইকীয়া, ড° শশীকান্ত শইকীয়া আদিয়ে বসবাস কৰা এখন উৰ্বৰাভূমি। ড° লীলা গগৈদেৱৰ ব্যক্তিগত পুথিভঁড়ালটি 'Institute of Tai Studies and Research Centre' লৈ দান দিছিল। অসমৰ বিভিন্ন ঠাইত ব্যক্তিগত পৰ্যায়ত গঠন হোৱা পুথিভঁড়ালসমূহে জ্ঞানসন্ধানী ৰাইজক নানা ধৰণেৰে প্ৰভাৱিত কৰি আহিছে। ডিব্ৰুগড়ৰ মিলন নগৰত থকা 'বৰ্ণমালা' আৰু গান্ধীনগৰত অৱস্থিত 'অন্তৰ্বাণী' তেনে দুটা পুথিভঁড়াল। ড° নগেন শইকীয়াদেৱৰ তত্বাৱধানত ১৯৭৬ চনতেই আৰম্ভ হোৱা ব্যক্তিগত গ্ৰন্থাগাৰটো ২০১০ চনত 'বৰ্ণমালা' বুলি নামকৰণ কৰা হৈছিল। বৰ্তমান প্ৰায় ৩৫,০০০ৰো অধিক গ্ৰন্থৰে সমৃদ্ধ গ্ৰন্থাগাৰটি ২০১১ চনত 'সাৰস্বত ন্যাস'লৈ আগবঢ়োৱা হয়। অসমৰ প্ৰথম চিফ্ কমিছনাৰৰ স্বাক্ষৰ সম্বলিত ঊনবিংশ শতিকাত প্ৰকাশিত 'Report of the Province of Assam' গ্ৰন্থখনো 'বৰ্ণমালা'ত সংৰক্ষিত হৈ আছে। মাইল্‌চ ব্ৰন্সনৰ 'অসমীয়া অভিধান', হেমচন্দ্ৰ বৰুৱাৰ 'অসমীয়া ব্যাকৰণ' (১৮৬০), 'হেমকোষ'ৰ প্ৰথম সংস্কৰণ আদিৰ উপৰি Western Cultural History, Scientific Movement ৰ ছবি আৰু বিৱৰণ থকা এখন দুষ্প্ৰাপ্য 'History of Western Culture ৰ গ্ৰন্থৰ তিনিটা খণ্ডও এই গ্ৰন্থাগাৰত আছে। জিলাখনৰ বিভিন্ন ঠাইৰ পৰা এই গ্ৰন্থাগাৰলৈ পঢ়ুৱৈ আহে। বেছিভাগ পঢ়ুৱৈ গৱেষক ছাত্ৰ-ছাত্ৰী। অসমীয়া, ইংৰাজী, বঙালী, সংস্কৃত আটাইবোৰ ভাষাৰে গ্ৰন্থ এই গ্ৰন্থাগাৰত আছে।

২০১৫ বৰ্ষত ডিব্ৰুগড় হনুমানবক্স কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াদেৱৰ তত্বাৱধানত গঢ় লৈ উঠা ব্যক্তিগত পুথিভঁড়াল 'অন্তৰ্ধানী'ত বৰ্তমান কিতাপ সংখ্যা ৩০০০। অসমৰ লগতে দেশ-বিদেশৰ বহুতো পঢ়ুৱৈয়ে এই গ্ৰন্থাগাৰটি ভ্ৰমণ কৰাৰ তথ্য পোৱা যায়।

**ডিব্ৰুগড় জিলাৰ গ্ৰন্থাগাৰসমূহঃ**

**ক্ৰমিক নং — নাম/ঠিকনা — স্থাপিত — কিতাপৰ সংখ্যা — পঢ়ুৱৈৰ সংখ্যা — দৈনিক পঢ়ুৱৈৰ সংখ্যা**

১/ ডিব্ৰুগড় চৰকাৰী উচ্চতৰ মাধ্যমিক বালক বিদ্যালয় পুথিভঁড়াল, মিলন নগৰ — ১৮৪০—১০০০—৫০০—৫০

২/ লবোৰাম দত্ত, পুথিভঁড়াল চৌকিডিঙ্গী, ডিব্ৰুগড় — ১৯৩৫

৩/ বৰপথাৰ সত্ৰ সংঘ আৰু পুথিভঁড়াল, বৰপথাৰ — ১৯৩৭-২০০০

৪/ অশ্বিনীচৰণ চৌধুৰী কেন্দ্ৰীয় পুথিভঁড়াল, ডিব্ৰুগড় হনুমানবক্স সূৰজমল কানৈ মহাবিদ্যালয় — ১৯৪৫—৪৩০০০—৩০০০—৭৫

৫/ অসম চিকিৎসা মহাবিদ্যালয় গ্ৰন্থাগাৰ — ১৯৪৭—৪৩২১৮—১৪৬০০— ৪০

৬/ জিলা পুথিভঁড়াল, ডিব্ৰুগড় — ১৯৫৫— ১,১৫,৫১৫, ১২৯১৮— ৩৫

৭/ তৰুণ সংঘ, চহৰীকটা, ডিব্ৰুগড় — ১৯৫৬—৭০০০—৫৮০—১০

৮/ নৱজীৱন সামুহিক কেন্দ্ৰ আৰু পুথিভঁড়াল — ১৯৫৬—৬০০০—১৫০—১৫

৯/ প্ৰদীপ পুথিভঁড়াল, নতুন বলাইগাঁও, ডিব্ৰুগড় — ১৯৬০—৬৭০০—৩৭০—১৫

১০/ লক্ষীৰাম দত্ত পুথিভঁড়াল, ডি. এইচ. এচ.কে কানৈ

বাণিজ্য মহাবিদ্যালয় — ১৯৬০—৩০,৪১৬—১৫৩০—১০০

১১/ অৰুণোদয় সংঘ আৰু পুথিভঁড়াল, লেপেটকটা, বৰবৰুৱা — ১৯৬২—৬০০০—৫৭০—১০

১২/ ডিব্ৰু মহাবিদ্যালয় কেন্দ্ৰীয় পুথিভঁড়াল, বৈৰাগীমঠ — ১৯৬৩—৪৫৯৩৫—২১০০—১১০

১৩/ মনোহাৰী দেৱী কানৈ মহিলা কেন্দ্ৰীয় পুথিভঁড়াল — ১৯৬৩—৩৪৭৬০—৮৬০—১২০

১৪/ কেন্দ্ৰীয় পুথিভঁড়াল, নাহৰকটীয়া মহাবিদ্যালয় — ১৯৬৪—৩০,০০৯— ১০৫৯ — ২০০

১৫/ লক্ষ্মীনাথ বেজবৰুৱা গ্ৰন্থাগাৰ, ডিব্ৰুগড় বিশ্ববিদ্যালয় — ১৯৬৭—২,২৫,০০০ — ৪০০০—১৫০

১৬/ দুলিয়াজান মহাবিদ্যালয় গ্ৰন্থাগাৰ দুলিয়াজান — ১৯৬৯—২৩,৯৫০— ৪৭৩৬— ১৯৬

১৭/ দীনেশ চন্দ্ৰ দত্ত মেম'ৰিয়েল কেন্দ্ৰীয় গ্ৰন্থাগাৰ, ডি.ডি. আৰ, মহাবিদ্যালয় চাবুৱা — ১৯৭১—২০৪৫০—১৫০৬—৯২

১৮/ টিংখং মহাবিদ্যালয় গ্ৰন্থাগাৰ, নামৰূপ — ১৯৭২ — ১৭০০০

১৯/ নামৰূপ মহাবিদ্যালয় কেন্দ্ৰীয় গ্ৰন্থাগাৰ — ১৯৭৩—১৪০০০—৮০০—৭০

২০/ পূবেৰুণ সামূহিক কেন্দ্ৰ, ডিকম, ৰহমৰীয়া — ১৯৭৬— ১৫৬০

২১/ বেণুধৰ ৰাজখোৱা গ্ৰন্থাগাৰ আৰু তথ্য কেন্দ্ৰ, খোৱাং মহাবিদ্যালয় — ১৯৮২—১৯০০০—৮০০—৫০

২২/ ইয়ং ব্লু ক্লাৱ, চাবুৱা, ডিব্ৰুগড় — ১৯৮৭—৭০০০—২৭৫—১২

২৩/ পিথুবৰ ছোৱালী স্নাতক মহাবিদ্যালয় গ্ৰন্থাগাৰ — ১৯৮৯—৯০০০—২০০০—৫০

২৪/ দুলিয়াজান ছোৱালী মহাবিদ্যালয় গ্ৰন্থাগাৰ — ২০০০—৭৭৬৫—৫৫০—১০০

২৫/ প্ৰগতি পুথিভঁড়াল, বৈমাৰী — ২০০২— ৫০০

২৬/ নন্দলাল বৰগোহাঞি চিটি মহাবিদ্যালয় গ্ৰন্থাগাৰ — ২০০২—১০২৬৩—১০০০— ৩০

২৭/ মৰাণ বাণিজ্য মহাবিদ্যালয় গ্ৰন্থাগাৰ — ২০০৮—৩০০০—১০৮—৩০

২৮/ বৰ্ণমালা — ২০১০—৩৫০০০

২৯/ অন্তৰ্বাণী — ২০১৫— ৩০০০

ডিব্ৰুগড় জিলাৰ গ্ৰন্থাগাৰ সেৱাৰ ঐতিহ্য প্ৰায় এশ চৌৰাশী বছৰীয়া (১৮৪০-২০২৪)। বিশ্বায়নৰ যুগত বজাৰখন ঘৰৰ ভিতৰ সোমাওঁতে বহুতো মূল্যবান সময় আমি ম'বাইল, ডেক্সটপ আৰু লেপটপত খৰছ কৰিছোঁ। স্বাভাৱিকতেই ছপা কিতাপৰ আদৰ আগতকৈ হ্ৰাস পাইছে। ডিজিটেল যুগৰ লগত মিলাই ইলেকট্ৰনিক বুক বা ইলেকট্ৰনিক জাৰ্নেল আদি অনলাইনপঠন সামগ্ৰীৰ চাহিদা বাঢ়িছে। শৈক্ষিক গ্ৰন্থাগাৰবোৰেও সময়ৰ লগত খোজ মিলাই পঢ়ুৱৈৰ তাগিদা অনুযায়ী গ্ৰন্থ বা ই -বুক যোগান ধৰিছে। অন্যহাতে জিলা গ্ৰন্থাগাৰ, গ্ৰাম্য পুথিভঁড়াল বা ব্যক্তিগত পুথিভঁড়ালসমূহ পৰম্পৰাগত নিয়মতেই চলি আছে। প্ৰয়োজনীয় গ্ৰন্থখন কম সময়ত বিচাৰি পাবলৈ গ্ৰন্থাগাৰসমূহ বিজ্ঞানসন্মতভাৱে সজাই কম্পিউটাৰৰ সহায়ত আধুনিক কৰিব লাগিব বুলি মই ভাবোঁ। সেইমৰ্মে উচ্চতৰ মাধ্যমিক স্কুলসমূহত অৰ্হতাসম্পন্ন গ্ৰন্থাগাৰিক নিয়োগ কৰাটো প্ৰয়োজনীয় হৈ পৰিছে। জিলা গ্ৰন্থাগাৰসমূহতো একেজন গ্ৰন্থাগাৰিককে দুই তিনিখন জিলাৰ জিলা পুথিভঁড়ালৰ দায়িত্ব দিয়াত গ্ৰন্থাগাৰৰ সঠিক দিশত উত্তৰণ হোৱাত বাধা আহি পৰিছে। এইক্ষেত্ৰত ২০০২ চনত প্ৰতিষ্ঠা লাভ কৰা 'ডিব্ৰুগড় গ্ৰন্থাগাৰ সংস্থা'ই মুখ্য ভূমিকা ল'লে ডিব্ৰুগড় গ্ৰন্থাগাৰ সেৱাৰ ভৱিষ্যত উজ্জ্বল হ'ব।

ডিব্ৰুগড় জিলাৰ গ্ৰন্থাগাৰসমূহৰ এটা Union catalogue তৈয়াৰ কৰিলে কোনটো পুথিভঁড়ালত প্ৰয়োজনীয় গ্ৰন্থখন আছে, তাক বিচাৰি পাবলৈ সহজ হ'ব। তাৰোপৰি Dibrunet নামেৰে এটা Networking ব্যৱস্থাৰে আটাইবোৰ গ্ৰন্থাগাৰকেই সামৰি ল'ব পাৰিলে ঐতিহ্যপূৰ্ণ গ্ৰন্থাগাৰসমূহৰ সৰ্বাধিক ব্যৱহাৰ হ'ব আৰু জ্ঞানাকেষী বিদ্বৎ সমাজে কম সময়তে সঠিক তথ্যৰ সন্ধান পাব পাৰিব। উঠি অহা প্ৰজন্মইও এনেধৰণৰ উচ্চ প্ৰযুক্তিৰে সংলগ্ন গ্ৰন্থাগাৰৰ সেৱা লাভ কৰিবলৈ আকৰ্ষিত হ'ব বুলি ভাবিব পাৰি। অসম চৰকাৰে 'Library legistation Act' খন গ্ৰহণ কৰি গ্ৰন্থাগাৰ সেৱাৰ উত্তৰণত সহায় কৰিলে নতুন প্ৰজন্মৰ বৌদ্ধিক শ্ৰীবৃদ্ধিৰ লগতে হিংসা, অত্যাচাৰ আদিৰ নিৰ্মূলকৰণতো পৰোক্ষভাৱে হ'লেও এয়া সহায়ক হ'ব বুলি আশা কৰিব পাৰি।

**সহায়ক গ্ৰন্থ ঃ**


(ক) Public Library Service in Dibrugarh District a study- a dissertation submitted by Jadajyoti Gogoi at Dibrugarh University in 2002-2003.

(খ) গ্ৰাম্য পুথিভঁড়াল আৰু পুথিভঁড়ালী— অমৰেন্দ্ৰ চন্দ্ৰ ৰায়

(গ) স্নাতক মহলাৰ গ্ৰন্থাগাৰ আৰু তথ্যবিজ্ঞান — ড° ৰাকিদুৰ ৰহমান


●●●


**বিশেষ দ্ৰষ্টব্য ঃ** এই প্ৰবন্ধটি প্ৰস্তুত কৰোঁতে যথেষ্ট সীমাবদ্ধতাৰ মাজেৰে ডিব্ৰুগড়ৰ জিলাৰ গ্ৰন্থাগাৰ সেৱাৰ সামগ্ৰিক আভাস এটি দাঙি ধৰা হৈছে। এয়া কোনো পধ্যেই সম্পূৰ্ণ ইতিহাস নহয়। লগতে এই প্ৰবন্ধটি প্ৰস্তুত কৰোতে পোৱা সহায়ৰ বাবে বিশেষভাৱে ড° নগেন শইকীয়া, ড° শশীকান্ত শইকীয়া, সুমন দত্ত, গুণীন দিহিঙীয়ালৈ কৃতজ্ঞতা জনালোঁ।

# সুৰৰ মায়াৰে মন্ত্ৰমুগ্ধ কৰা ডিব্ৰুগড়ৰ চাৰিগৰাকী শিল্পী

**প্ৰাঞ্জল পাত্ৰ**



**স**ংগীতে মানুহৰ আত্মা আৰু মনোভাৱক গতিশীল কৰি তোলে। সেয়ে সংগীত সম্পৰ্কত দাৰ্শনিক প্লেটোৱে কৈছে— "সংগীত এটা নৈতিক নিয়ম। ই বিশ্বব্ৰহ্মাণ্ডক আত্মা, মনক ডেউকা, কল্পনাক উৰণ, আৰু জীৱন তথা সকলোকে মনোমোহা ৰূপ আৰু আনন্দ দিয়ে।" আনহাতে বাৰ্থহল্ড এৰ'বেট্ছৰ মতে "সংগীতে আত্মাৰ পৰা ধুই পেলায় দৈনন্দিন জীৱনৰ ধূলি।" মুঠতে সংগীতে আমাক কি নিদিয়ে বহু সময়ত মনৰ শোক, অৱসাদ, উত্তেজনা কিম্বা অশান্ত-অস্থিৰ মনটোক সুস্থ কৰি তুলিবলৈ সক্ষম হয় গানে। গানৰ অৰ্থপূৰ্ণ কথাই, সুৰৰ লালিত্যই মানুহৰ মনলৈ আনিব পাৰে এক আচম্বিত সুখানুভূতি। গীত এটাৰ ভাৱ-ভাষাতেই থাকে গীতৰ সৌন্দৰ্য। অসমীয়া গীতি সাহিত্য তথা সংগীত জগতলৈ অনবদ্য অৱদান আগবঢ়োৱা অনেক ব্যক্তি আমাৰ এই ডিব্ৰুগড়ত আছিল আৰু আছে। ডিব্ৰুগড়ত জন্ম গ্ৰহণ কৰা অথবা বিভিন্ন কাৰণত ডিব্ৰুগড়ৰ বায়ু-পানী সেৱন কৰি একান্ত ডিব্ৰুগড়ীয়া হৈ পৰা এনে অনেকগৰাকী যশস্বী গীতিকাৰ-সুৰকাৰে অসমৰ সংগীত জগত চহকী কৰি তুলিছে। এনে গীতিকাৰ-সুৰকাৰসমূহৰ ভিতৰত যিকেইগৰাকীয়ে আশী দশকৰ পৰা এতিয়ালৈকে ডিব্ৰুগড়ৰ সামাজিক-সাংস্কৃতিক ক্ষেত্ৰখনত বিশেষভাৱে স্থান দখল কৰি আহিছে। তেনে চাৰিগৰাকী যশস্বী শিল্পী প্ৰশান্ত বৰদলৈ, হীৰেন গোহাঁই, চৈয়দ চাদুল্লা আৰু ৰাজেন গোহাঁইৰ বিষয়ে কিছু কথাৰে আজিৰ এই লেখা প্ৰস্তুত কৰা হৈছে।

**প্ৰশান্ত বৰদলৈ ঃ** এগৰাকী যশস্বী গীতিকাৰ, সুৰকাৰ তথা সংগীত পৰিচালক হ'ল প্ৰশান্ত বৰদলৈ। 'ভাল লাগে মোৰ ফুলপাহি, পুৱা উঠিয়েই দেখি', 'শাৰদী কোমল জোনাক মায়াৰে মন উতলা কৰে', 'ব'হাগ ধুনীয়া জোনালী পৰত, শুকুলা কপৌ পাহি' আদি অসংখ্য জনপ্ৰিয় গীতসমূহে বিংশ শতিকাৰ শেষ আৰু একবিংশ শতিকাৰ প্ৰথমছোৱা সময়ত অসমৰ শ্ৰোতাৰ হৃদয় জয় কৰিছিল। সেই সময়ত ৰেডিঅ' তথা মিউজিক প্লে'য়াৰত সঘনে বাজি থকা এই গীতসমূহৰ প্ৰণেতা আছিল বৰদলৈদেৱ। এতিয়াও তেখেতে নিৰৱচ্ছিন্নভাৱে গীত ৰচনা কৰিয়েই আছে। এহেজাৰৰো অধিক গীত ৰচনাৰে এক প্ৰকাৰৰ অভিলেখ সৃষ্টি কৰা বুলি ক'লেও হয়তো অত্যুক্তি কৰা নহ'ব। তেখেতৰ বহু জনপ্ৰিয় গীত বৰ নামী-দামী শিল্পীয়ে কণ্ঠদান কৰিছে। গীতিকাৰ, সুৰকাৰ, সংগীত পৰিচালকৰূপে তেখেতৰ বহুকেইটা উল্লেখযোগ্য গীত আছে। তাৰে ভিতৰত ভূপেন হাজৰিকাই কণ্ঠদান কৰা— জীৱন জুৰি, অঞ্জলি, তুমি মোৰ প্ৰেৰণা। জয়ন্ত হাজৰিকাই— এই প্ৰণয় এটি ভুল নহয়। পুলক বেনাৰ্জীয়ে— আহিবনে ঘূৰি। মিহিৰ বৰদলৈয়ে— বিশাল আকাশৰ, যি ফুলনি। কুল বৰুৱাই—

*লেখক এগৰাকী সাংবাদিক তথা 'অসম আদিত্য' কাকতৰ স্তম্ভলেখক।*

তেনেকৈ নাচাবা, জোনাক যদিহে। হীৰা দাসে— হে দেৱতা। ডলী ঘোষে— ভাল লাগে, অ' চেনাই, নাহৰ ফুলিবৰ হ'লনে, বনত জুই লাগিলে। মধুমতী গোস্বামীয়ে— সীমাহীন মনৰ আশা, চোৰা ঘনে ঘনে, এই ৰাতি, বেলি মাৰ যোৱা। মন্দিৰা শৰ্মা লাহিড়ীয়ে— হৃদয়পূৰ্ণ, শীতৰ শেষত, মই এখন ছবি আঁকিছো। মুনমী বৰাই— শাৰদী কোমল, এই নিজান ৰাতি, কোমল কুঁহি, ইয়াতো বতাহ বলে। মনোৰঞ্জন গগৈয়ে— ব'হাগ ধুনীয়া। মালবিকা বৰাই— ফাগুন তোমাৰ, স্মৃতিয়ে যেতিয়া। মনজ্যোস্না মহন্তই— পদুমেৰে ভৰা। শিৱানী বৰুৱাই— তুমিতো নাজানা। মমতা বৰঠাকুৰে— বাঁহী নুশুনিলে, তুমি মোৰ। হাচিনা হাজৰিকাই— সেই সন্ধিয়া আদি উল্লেখযোগ্য। বিশিষ্ট শিল্পী প্ৰশান্ত বৰদলৈৰ মতে ১৯৬৭ চনৰ পৰা আকাশবাণী, দূৰদৰ্শনৰ ধাৰাবাহিক, কথাছবি, কেছেট, চিডি, ভ্ৰাম্যমাণ নাট্যদল আদিত এহেজাৰৰ অধিক গীত বাণীবদ্ধ, প্ৰচাৰিত, প্ৰকাশিত তথা পৰিৱেশিত হৈছে। তেখেতৰ তিনিখন সংগীতৰ কিতাপ হ'ল— মনৰ পানচৈ (১৯৭৬), মোৰ প্ৰেম মোৰ গীত (২০০4) আৰু মোৰ গীত (প্ৰকাশৰ পথত)। তেখেতে সম্পূৰ্ণ নিজৰ গীতেৰে ৩০ খন শ্ৰাব্য কেছেট কৰিছিল। তাত প্ৰায় ২৪০ টা গীত বাণীবদ্ধ হৈছে। কমাৰচিয়েল ৰেকৰ্ডো বহুকেইখন কৰিছে। 'জীৱন পাত্ৰ', 'আই অ' আই', আৰু 'পদ্ম চকু' শীৰ্ষক তিনিটা গীতত তেখেতে নিজে কণ্ঠদান কৰিছে। তেখেতৰ গীতত কণ্ঠদান কৰা অন্যান্য কণ্ঠশিল্পীসকল হ'ল— জ্যোতিষ ভট্টাচাৰ্য, জ্যোতিৰ্ময় কাকতী, ৰিদিপ দত্ত, মহানন্দ মজিন্দাৰ বৰুৱা, দিলীপ চৌধুৰী, শান্ত্বনা বৰুৱা, বৈকুণ্ঠ গগৈ, শান্তা উজীৰ, মিতালী চৌধুৰী, ৰাজেন গোহাঁই, নাচৰিন হেলিম, অপূৰ্ব বেজবৰুৱা, চাৰু গোহাঁই, তৰালী শৰ্মা, লীণা বেজবৰুৱা, জুবিন গাৰ্গ, মধুস্মিতা বৰঠাকুৰ, মধুস্মিতা ভট্টাচাৰ্য, আৰিফুল হক, ইমন, কুঁহি নাহিদ আফ্ৰিন, মৰমী মিনাক্ষী, ঝিম পাঠক আদি। ইয়াৰ উপৰি কলিকতা আৰু মুম্বাইৰ জনপ্ৰিয় কণ্ঠশিল্পীয়েও বৰদলৈদেৰৰ গীতত কণ্ঠ নিগৰাইছে। সেইসমূহ হ'ল— কলিকতাৰ ঊষা উত্থুপ, ইনা মুখাৰ্জী, সুব্ৰত মিত্ৰ। মুম্বাইৰ কুমাৰ চানু, অভিজিৎ, সাধনা স্বৰগম আৰু কবিতা কৃষ্ণমূৰ্তি। বৰদলৈদেৰৰ অসমীয়া কথাছবিৰ গীতসমূহ হৈছে— দিলা কিনো ৰং (মুনমী, আৰিফুল), বনৰীয়া জুৰিটি (মুনমী), জীৱনৰে ভুল (কুমাৰ চানু), হৃদয়ৰ দিয়া নিয়া (অভিজিৎ), প্ৰেম অন্তৰময় (সাধনা স্বৰগম), কঁপালৰ লিখন (তৰালী শৰ্মা)। অসমীয়া কথাছবিৰ গীতিকাৰ তথা সংগীত পৰিচালক হিচাপেও তেখেতে কাম কৰিছে। সেইসমূহ হ'ল— মৃদুল গুপ্তাৰ 'অভিমান', ভাস্কৰ বৰাৰ 'একত্ৰিছ জুন', জাহ্নু বৰুৱাৰ 'বনানি', ৰাজেন ৰাজখোৱাৰ 'সপোন', অশোক বৈশ্যৰ 'যৌৱনে আমনি কৰে' আৰু চাৰু কমল হাজৰিকাৰ 'অঞ্জলি'। অতি সম্প্ৰতিও তেখেতৰ গীতৰ চাহিদা কমি যোৱা নাই। যোৱা জানুৱাৰী মাহত ড° দীপ্তি দেবীয়ে এটা, ইমন বৰুৱাই দুটা, জিমি জিজ্ঞাসাই এটা আৰু জ্যোতি বৰুৱাৰ সৈতে তেখেতে নিজেই এটি গীতত কণ্ঠদান কৰা আটাইকেইটা গীত তেখেতে ৰচনা কৰা। তদুপৰি যোৱা ২ ফেব্ৰুৱাৰীত মুকলি হোৱা চন্দন তালুকদাৰৰ অসমীয়া কথাছবি 'সত্য ঃ দ্যা ট্ৰুথ'তো তেখেতৰ প্ৰণীত 'হ'বনে' শীৰ্ষক গীতটোত কণ্ঠদান কৰিছে অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী জুবিন গাৰ্গ আৰু অৰুন্ধতী ভানুপ্ৰিয়াই।

ডিব্ৰুগড়ৰ চিৰিংচাপৰিত ১৯৪২ চনৰ ১৫ আগষ্টত জন্মগ্ৰহণ কৰা বৰদলৈদেৱে জেউতি মৰল প্ৰাথমিক বিদ্যালয়ত শিক্ষা জীৱনৰ পাতনি মেলি ডিব্ৰুগড় চৰকাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ পৰা ১৯৫৯ চনত হাইস্কুল শিক্ষান্ত পৰক্ষীত উত্তীৰ্ণ হয়। ডিব্ৰুগড় হনুমানবক্স কানৈ মহাবিদ্যালয়ৰ পৰা স্নাতক ডিগ্ৰী গ্ৰহণ কৰি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা সমাজতত্ত্ব বিভাগত স্নাতকোত্তৰ ডিগ্ৰী লৈ সেই বিভাগৰে প্ৰবক্তা হিচাপে যোগদান কৰে ১৯৬৯ চনত। বৰদলৈদেৰ ডিব্ৰুগড়ত জন্মগ্ৰহণ কৰিলেও তেওঁৰ পিতৃ-মাতৃ দেৱকান্ত বৰদলৈ আৰু অৰুণা দেৱী গুৱাহাটীৰ বাসিন্দা আছিল। উল্লেখ্য যে দেৱকান্ত বৰদলৈ আছিল উপন্যাস সম্ৰাট ৰজনীকান্ত বৰদলৈৰ কনিষ্ঠ পুত্ৰ আৰু অৰুণা দেৱী হ'ল পদ্মশ্ৰী নলিনীবালা দেৱীৰ কনিষ্ঠা জীয়াৰী। ককাক ৰজনীকান্ত বৰদলৈদেৱে জিলা উপায়ুক্তৰূপে চৰকাৰী চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰাৰ পাছত মাকুমৰ সমীপৱৰ্তী এলেকাত 'হবেদা' নামেৰে এখন চাহ বাগিচা স্থাপন কৰিছিল। সেই সূত্ৰে কুৰি শতিকাৰ আৰম্ভণিতে অৰ্থাৎ ১৯১৮ চনত ডিব্ৰুগড় চহৰৰ চিৰিংচাপৰি এলেকাত এটি বাসগৃহ নিৰ্মাণ কৰি নিগাজীকৈ বসবাস কৰে আৰু সেইখন ঘৰতেই এইগৰাকী মহান গীতিকাৰৰ জন্ম হয়। সৰুৰে পৰা ঘৰখনত সংগীতৰ এক অনুকূল পৰিৱেশ লাভ কৰিছিল প্ৰশান্ত বৰদলৈদেৱে। তেখেতৰ পিতৃ-মাতৃ দুয়োজনেই তেখেতক এই ক্ষেত্ৰত প্ৰেৰণা যোগাইছিল। তেখেতৰ বৰদেউতাক সূৰ্য্যকান্ত বৰদলৈ আছিল শাস্ত্ৰীয় সংগীতৰ সৈতে বিশেষভাৱে জড়িত ব্যক্তি। ফলত ঘৰখনত প্ৰায়েই জলসা হৈছিল। বহু গুণী-জ্ঞানী ব্যক্তি তেখেতৰ ঘৰখনত সমাগম হৈছিল। সেয়ে সৰুৰে পৰা তেখেত সংগীতৰ প্ৰতি অনুৰাগী আছিল। আনহাতে খেলা-ধূলাৰ প্ৰতিও তেখেতৰ ধাউতি আছিল। ফুটবল, ক্ৰিকেট, বেডমিণ্টন আদি খেলবোৰ খেলি ভাল পাইছিল। সবাতোকৈ প্ৰিয় খেল আছিল ফুটবল। কিন্তু কলেজীয়া জীৱনতে তেখেতে সংগীতৰ জগতখনত এনেকৈ সোমাই পৰিল যে সেই সময়ৰ পৰাই মঞ্চত গীত পৰিৱেশন কৰিবলৈ আৰম্ভ কৰিলে। লগে লগে গীত ৰচনা আৰু সুৰ কৰি সংগীত যাত্ৰাত এক বিশেষ গতিৰে ধাৱিত হৈ পৰিল।

১৯৬৭ চনত আকাশবাণী গুৱাহাটীৰ পৰা গীতিকাৰৰূপে স্বীকৃতি লাভ কৰাৰ পাছত সংগীতৰ বহুল পৃথিৱীখনত তেখেতে ভৰি থ'লে। এনেদৰেই ডিব্ৰুগড়ৰ লগতে সমগ্ৰ অসম তথা কলিকতা আৰু মুম্বাইৰ সংগীত ক্ষেত্ৰখনো বৰদলৈদেৱৰ চিনাকি হৈ পৰিল। আজি চাৰিকুৰি বছৰ অতিক্ৰম কৰা প্ৰশান্ত বৰদলৈদেৱে অসমৰ সংগীত ক্ষেত্ৰলৈ যি অৱদান আগবঢ়ালে, সেয়া চৰকাৰ-জনসাধাৰণ সকলোৱে একেষাৰে স্বীকাৰ কৰিছে। তেখেতৰ জীৱনজোৰা এই সংগীত সাধনাৰ বাবে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে ইতিমধ্যে স্বীকৃতি প্ৰদান কৰিছে। ২০১৫ চনত গুৰুকুল সংগীত-নৃত্য কলা কেন্দ্ৰই 'জীৱনজোৰা সাধনা বঁটা' প্ৰদান কৰিছে। ২০১৮ চনত জননেতা ৰমেশ চন্দ্ৰ বৰুৱা স্মৃতি ৰক্ষা সমিতিয়ে 'সাংস্কৃতিক বঁটা' প্ৰদান কৰিছে। অসম চৰকাৰে তেখেতক 'ৰাজ্যিক শিল্পী বঁটা-২০১৯' প্ৰদান কৰিছিল । স্বেচ্ছাসেৱী সংগঠন 'খোজ অসম'ৰ পঞ্চম ডিব্ৰুগড় গ্ৰন্থমেলাত 'সংগীতপ্ৰাণ' উপাধি প্ৰদান কৰাৰ লগতে সম্প্ৰতি চৰকাৰী পেন্সনাৰ সন্থা, অসমৰ ডিব্ৰুগড় শাখাই যোৱা ১৭ জানুৱাৰীত সম্বৰ্ধনা জ্ঞাপন কৰে আৰু শ্ৰুতি শিল্পী সমাজ, ডিব্ৰুগড় আৰু এন ডি-২৪ৰ উদ্যোগত যোৱা ২০ জানুৱাৰীত অনুষ্ঠিত 'আলোকৰে যাত্ৰা' শীৰ্ষক অনুষ্ঠানত 'সংগীত ৰত্ন' সন্মানেৰে বিভূষিত কৰা হয়।

**হীৰেন গোহাঁই ঃ** প্ৰাক্ স্বাধীনতাৰ সময়ৰ পৰা একবিংশ শতিকাৰ প্ৰথম ভাগলৈ ৰচিত গীতসমূহক অসমীয়া গীতি সাহিত্যৰ দ্বিতীয় স্তৰ বুলি কোৱা হয়। এই দ্বিতীয় স্তৰৰ গীতি সাহিত্যলৈ অনৱদ্য অৱদান আগবঢ়োৱা এগৰাকী স্বনামধন্য গীতিকাৰ হৈছে— হীৰেন গোহাঁই। তেখেতে কেৱল গীত ৰচনা



কৰাই নহয়, গীতসমূহ মৰ্যাদাপূৰ্ণভাৱে সুৰাৰোপিত কৰিছে। গীতৰ কথা, ছন্দ, লয় আৰু ভাৱৰ যি গভীৰতা, সেয়া তেখেতৰ গীতত দেখিবলৈ পোৱা যায়।

কৰ্মসূত্ৰে গোহাঁইদেৱে অধিক সময় ডিব্ৰুগড়তে বসবাস কৰিছিল যদিও ১৯৪৬ চনৰ ১ ডিচেম্বৰত শিৱসাগৰ নগৰৰ সমীপৰ দিলিহি ধাইআলি গোহাঁই গাঁৱত জন্মগ্ৰহণ কৰিছিল। ইফালে শিৱসাগৰত জন্মগ্ৰহণ কৰিলেও পিতৃৰ চাকৰি সূত্ৰে শৈশৱৰ পৰাই অবিভক্ত অসমৰ শ্বিলং, গুৱাহাটী, ধুবুৰী, তুৰা, মঙলদৈ, গোৱালপাৰা, যোৰহাট, শিৱসাগৰ, শিলচৰ, তেজপুৰ আদিকে ধৰি বহু ঠাই ঘূৰা-ফুৰা কৰিব লগা হৈছিল। শ্বিলঙৰ এখন প্ৰাথমিক বিদ্যালয়ত শিক্ষা জীৱনৰ পাতনি মেলি অসমৰ বিভিন্ন ঠাইত পঢ়া-শুনা কৰিব লগা হয়। গোহাঁইদেৱৰ পিতৃ ৰিপুনাথ বুঢ়াগোহাঁই আছিল এগৰাকী বুৰঞ্জীবিদ। প্ৰায় এশখন গ্ৰন্থ প্ৰণয়ন কৰা গোহাঁইদেৱৰ দেউতাকে ৰেচন আৰু বয়ন শিল্প বিভাগত অধীক্ষক পদত চাকৰি কৰিছিল। ১৯৫১ চন মানতে শ্বিলঙত প্ৰতিষ্ঠা হোৱা প্ৰথমটো আকাশবাণী কেন্দ্ৰত বুৰঞ্জীবিদগৰাকীৰ নাটক আৰু গীত পৰিৱেশন হৈছিল। সেই তেতিয়াই তেখেতে শ্বিলং আকাশবাণী কেন্দ্ৰৰ দ্বাৰা স্বীকৃতি লাভ কৰিছিল। তদুপৰি ককাদেউতাক, খুৰাক আদিও সংগীতত পাৰ্গত লোক আছিল। তেনে এক পৰিৱেশেই হয়তো হীৰেন গোহাঁইদেৱকো সংগীতৰ প্ৰতি আকৃষ্ট কৰি তুলিছিল। তদুপৰি সেই সময়ৰ বিভিন্ন সংগীতজ্ঞ, নাট্যকাৰ আদিৰ সান্নিধ্য লাভ কৰিছিল। তেনে এক প্ৰভাৱো আন এক কাৰণ বুলি তেখেতে ক'ব খোজে। স্কুলীয়া দিনৰ পৰা দুই-এক গীত গাবলৈ লৈছিল আৰু কলেজীয়া জীৱনৰ পৰা গীত ৰচনা কৰিছিল। ১৯৬৩-৬৪ চন মানত দৰং মহাবিদ্যালয়ত পঢ়ি থাকোতে তেখেতে শ্ৰেষ্ঠ গায়কৰ সন্মানো লাভ কৰিছিল। সেই সময়ত তেখেতৰ মহাবিদ্যালয়তে পঢ়া জ্যেষ্ঠসকলৰ ভিতৰত শিল্পী নিপন গোস্বামী, নাট্যকাৰ প্ৰফুল্ল বৰা, শিল্পী দিলীপ চৌধুৰী, গীতিকাৰ বংকিম শৰ্মা, অভিনেতা জন্‌ছ মহলীয়া (সহপাঠী) আদিৰ সান্নিধ্যই গীত ৰচনাৰ ক্ষেত্ৰত উদগনি দিছিল। গোহাঁইদেৱে দৰং মহাবিদ্যালয়ৰ পৰা স্নাতক ডিগ্ৰী গ্ৰহণ কৰাৰ পাছতেই ১৯৬৭ চনত গুৱাহাটী আকাশবাণী কেন্দ্ৰত ঘোষকৰ চাকৰি লাভ কৰে। গতিকে স্নাতকোত্তৰ ডিগ্ৰী গ্ৰহণ কৰাৰ মন এটা আছিল যদিও আকাশবাণীৰ ছিফ্‌ট ডিউটীৰ বাবে তেখেতৰ সেয়া সম্ভৱ হৈ নুঠিল। তেতিয়া গুৱাহাটী কেন্দ্ৰলৈ অহা ড° ভূপেন হাজৰিকা, খগেন মহন্ত, বীৰেন্দ্ৰনাথ দত্ত, দীপালী বৰঠাকুৰ, হেমেন হাজৰিকা, মুকুল বৰুৱাকে আদি কৰি অসমৰ বিখ্যাত শিল্পীসকলক লগ পাইছিল। সেইসকলেও এইক্ষেত্ৰখনত কাম কৰিবলৈ প্ৰৰোক্ষভাৱে অনুপ্ৰেৰণা যোগোৱা বুলি ক'ব খোজে। গুৱাহাটী

কেন্দ্ৰত দুবছৰ সময় চাকৰি কৰাৰ পাছত ডিব্ৰুগড় কেন্দ্ৰলৈ তেখেতক বদলি কৰা হয়। ফলত ১৯৬৯ চনৰ পহিলা জানুৱাৰীৰ দিনা ডিব্ৰুগড় আকাশবাণী কেন্দ্ৰ মুকলি হোৱাৰ দিনাই তেখেতে ঘোষক হিচাপে যোগদান কৰে। পৰৱৰ্তী সময়ত ১৯৭৫ চনত তেখেতৰ ঘোষক পদটোৰ পৰা আঁতৰাই 'মিউজিক কম্পোজাৰ' হিচাপে স্বীকৃতি প্ৰদান কৰে। লক্ষণীয় যে ডিব্ৰুগড় কেন্দ্ৰৰ পৰা ঘোষক হিচাপে প্ৰথম গোহাঁইদেৱৰ মাতটোৱেই শ্ৰোতাই শুনিবলৈ পাইছিল। তাৰ পাছৰ পৰাই ডিব্ৰুগড় কেন্দ্ৰত প্ৰথম আধুনিক গীত সম্প্ৰচাৰৰ কাম আৰম্ভ হ'ল। কণ্ঠশিল্পীৰ বাবে পৰীক্ষা অনুষ্ঠিত হ'ল। শিশুসকলৰ অনুষ্ঠান, আইদেউসকলৰ অনুষ্ঠান, নাটক আদি বিভিন্ন ধৰণৰ অনুষ্ঠানেৰে আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰটো ক্ৰমান্বয়ে শ্ৰোতাৰ মাজত জনপ্ৰিয় হৈ পৰিবলৈ ধৰিলে। কেন্দ্ৰটোৰ উন্নয়নৰ ক্ষেত্ৰত তেখেতে থাওকতে বীৰেন ফুকন, দেবেন শৰ্মা, শ্যামনন্দ বৈশ্য, লুটফুৰ ৰহমান আদি বহুগৰাকীৰ ব্যক্তিৰ নাম উল্লেখ কৰে।

হীৰেন গোহাঁইদেৱ আকাশবাণীৰ এগৰাকী গীতিকাৰ-সুৰকাৰ হোৱাৰ উপৰি স্বীকৃতিপ্ৰাপ্ত কণ্ঠশিল্পীও আছিল। দুবছৰ দিন তেখেতে আকাশবাণীত গীত পৰিৱেশন কৰিছিল। কিন্তু সুৰকাৰ হিচাপে তেখেতৰ যি কৰ্তব্য সেই কামত তেখেত অতি ব্যস্ত হৈ পৰিছিল। বিংশ শতিকাৰ সেইখিনি সময়ত আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰত বহুতো স্বীকৃতিপ্ৰাপ্ত কণ্ঠশিল্পীয়ে গীত গাইছিল। এটা কথা উল্লেখ কৰিব লাগিব যে কেন্দ্ৰটোৱে তেতিয়াৰ পৰা বৰ্তমান সময়লৈকে অনেক শিল্পীৰ জন্ম দিলে। প্ৰথম ভাগত এশৰো অধিক কণ্ঠশিল্পীয়ে স্বীকৃতি লাভ কৰিছিল। ফলত সেইসমূহ শিল্পীৰ গীতৰ সুৰ কৰা, প্ৰয়োজনত গীতৰ দুই-এক শব্দ সামান্য সলনি কৰি সুৰাৰোপিত কৰা, নাটক অথবা অন্যান্য অনুষ্ঠানসমূহৰ গীতসমূহৰ সংগীতৰ কামতো তেখেত অতি ব্যস্ত হৈ পৰে। ফলত নিজৰ কণ্ঠশিল্পীৰ প্ৰতিভাক সমান্তৰালভাৱে আগুৱাই নিবলৈ সময় নোপোৱা বুলি তেখেতে কয়। দৰাচলতে তেখেত এগৰাকী কৰ্তব্যপৰায়ণ ব্যক্তি। সেয়ে কৰ্তব্যৰ কামটোতহে বেছি গুৰুত্ব প্ৰদান কৰিছিল। এনেদৰেই আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰত চাকৰি কৰি ডিব্ৰুগড়ৰ সমাজ জীৱনৰ লগতো জড়িত হৈ অৱশেষত ২০০৬ চনত অৱসৰ গ্ৰহণ কৰে।

বিংশ শতিকাৰ শেষ ভাগত ৰেডিঅ'ত সঘনে শুনা এই গীতবোৰে শ্ৰোতাৰ মনবোৰ এতিয়াও হয়তো পুলকিত কৰি তোলে। 'নাহৰ ফুলাৰ বতৰতে মোৰ' শীৰ্ষক ডলী ঘোষে গোৱা গীতটো ৰচনা আৰু সুৰ কৰিছে গোহাঁইদেৱে। কেৱল এয়াই নহয় গোহাঁইদেৱৰ ৰচিত 'নবজাবা বাঁহিটি', 'কুঁৱলিৰ এই ছবিখন', 'ভালপাওঁ বুলি কাকো যে নেপালোঁ কৈ' আদি অনেক গীতে মোৰ দৰে হেজাৰ হেজাৰ শ্ৰোতাক এতিয়াও আচ্ছন্ন কৰি ৰাখিছে। তেখেতৰ কথা আৰু সুৰেৰে সজোৱা অনেক সুমধুৰ গীতে কেইবা দশক জুৰি শ্ৰোতাক মুগ্ধ কৰি ৰাখিছিল। এতিয়াও অসমীয়া গীত ভালপোৱা চিন্তাশীল মনৰ ব্যক্তিয়ে হীৰেন গোহাঁইৰ গীত শুনে। অনাতাঁৰ কণ্ঠশিল্পী ৰুমী গোস্বামীৰ মতে, ডিব্ৰুগড় অনাতাঁৰ কেন্দ্ৰৰ মাজেদি অসমীয়া সংগীত জগতখনলৈ ৰোমাণ্টিচিজিম নমাই অনা প্ৰথম ব্যক্তিজনেই হ'ল হীৰেন গোহাঁই। এইখিনিতে আন এটা কথা উল্লেখ কৰিব লাগিব যে ২০১০ চনত ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত 'দৈনিক বৰ্তমান' কাকতৰ জৰিয়তে জ্যেষ্ঠ সাংবাদিক হৰেন সোনোৱাল আৰু প্ৰয়াত আদিত্য শইকীয়াৰ সম্পাদনাত বহুকেইগৰাকী বিশিষ্ট লেখক-শিল্পীৰ মনৰ কথাৰে 'হীৰেন গোহাঁইৰ বিশেষ সংখ্যা' নামৰ এখন পৰিপূৰিকা প্ৰকাশ কৰিছিল। তাত বিশিষ্ট লেখক গন্ধেশ্বৰ শইকীয়া, শিল্পী ভৰেশ গোস্বামী, চৈয়দ ছাদুল্লা, নাট্যকাৰ অসীম কুমাৰ শৰ্মা আদি সকলোৱেই হীৰেন গোহাঁইদেৱ যে এগৰাকী অতি সহজ-সৰল লোক, সেই কথা স্বীকাৰ কৰিছে। অনবৰতে মুখত হাঁহিটো ওলমি থকা গোহাঁইদেৱ সময়ৰ প্ৰতিও আছিল অতি সচেতন।

আধুনিক সময়ৰ সৰহসমূহ গীতৰ ক্ষেত্ৰতে তেখেত বৰ আশাবাদী নহয়। তদুপৰি আগৰ কেছেট আৰু চিডিসমূহত যি সুকীয়া আমেজ বা সৌন্দৰ্য বিচাৰি পাইছিল, এতিয়াৰ ইউটিউব যুগত সেয়া নাই বুলি ক'ব খোজে। গোহাঁইদেৱৰ বহু কালজয়ী গীত ৰচনাৰে সংগত জগতখনক চহকী কৰি তোলাৰ লগতে অসমীয়া গীতি-সাহিত্যলৈ মূল্যৱান বৰঙনি আগবঢ়াই আহিছে। নিৰ্দিষ্ট সংখ্যাটো মনত ৰখা নাই যদিও প্ৰায় এহেজাৰ গীত ৰচনা আৰু হাজাৰোধিক গীত সুৰ কৰা গোহাঁইদেৱৰ অসংখ্য গীত অডিঅ' কেছেট, চিডিত সন্নিৱিষ্ট হৈ আছে। তেখেতৰ গীত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ লগতে মুম্বাইৰ কুমাৰ চানু, উদিত নাৰায়ণ, অলকা য়াগনিক আদিয়ে গাইছে। আকাশবাণীত খগেন মহন্ত, পুলক বেনাৰ্জী, কুল বৰুৱা, ডলী ঘোষ, মমতা বৰঠাকুৰ, মন্দিৰা শৰ্মা, শান্তনা বৰুৱা, ৰুমী গোস্বামী আদি অনেকে গাইছে। আকাশবাণীৰ স্বীকৃতিপ্ৰাপ্ত গীতিকাৰ, সুৰকাৰ, কণ্ঠশিল্পী তথা সংগীত প্ৰযোজক হিচাপে পৰিচিত গোহাঁইদেৱ এতিয়াও নিজৰ কামত ব্যস্ত হৈ আছে। আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ কণ্ঠশিল্পীৰ পৰীক্ষাকে আদি বহুতো কামত তেখেতে সেৱা আগবঢ়াই আহিছে। কেঁচা মাটিৰ গোন্ধ থকা তথা মানুহ, প্ৰকৃতি, প্ৰেম আদি বিচিত্ৰৰূপৰ সঁচা ছবি আঁকিব পৰা তেখেতৰ অপৰূপ শব্দ ব্যঞ্জনাৰে প্ৰকাশ কৰা গীত আৰু যাদুকৰী সুৰবোৰে সদায়ে শ্ৰোতাক মোহিত কৰি ৰাখিব বুলি আশা কৰিলোঁ।

**চৈয়দ চাদুল্লা ঃ** ডিব্ৰুগড়ৰ অন্যতম এগৰাকী গীতিকাৰ, সুৰকাৰ, আবৃত্তিকাৰ, নাট্যকাৰ, অনাতাঁৰ অভিনেতাৰ নাম হ'ল— চৈয়দ চাদুল্লা। যাৰ গহীন পুৰুষসুলভ কণ্ঠৰ যাদুৱে সকলোকে আকৰ্ষণ কৰি আহিছে। বিংশ শতিকাৰ আশী দশকৰ পৰা একবিংশ শতিকাৰ প্ৰথমভাগলৈকে ডিব্ৰুগড় আকাশবাণীক যেন এক বিশেষ মাত্ৰা প্ৰদান কৰিছিল তেখেতৰ যাদুকৰী কণ্ঠই। এই কথা সেই সময়ৰ ৰেডিঅ'ৰ শ্ৰোতাই ভালকৈ হৃদয়ংগম কৰিছিল। এইগৰাকী ঈৰ্ষণীয় কণ্ঠৰ গৰাকীৰ জন্ম হয় ১৯৪৮ চনৰ ১ ফেব্ৰুৱাৰীত ডিব্ৰুগড় নগৰৰ মাজমজিয়া সদৰ থানাৰ কোৱাৰ্টাৰত। তেখেতে খলিহামাৰি প্ৰাথমিক বিদ্যালয়ত শিক্ষা জীৱনৰ পাতনি মেলে যদিও আৰক্ষী বিভাগত চাকৰি কৰা দেউতাকৰ শিলঙলৈ বদলি হোৱাত তৃতীয় শ্ৰেণীটো ককাকৰ ঘৰ শিৱসাগৰ বকতা মৌজাৰ জুটুলিটিঙত পঢ়িব লগা হয়। পুনৰ চতুৰ্থ শ্ৰেণীৰ পৰা সপ্তম শ্ৰেণীলৈকে শিলঙত পঢ়ি ডিব্ৰুগড়লৈ ঘূৰি আহি ডিব্ৰুগড় চৰকাৰী উচ্চ মাধ্যমিক বালক বিদ্যালয়ত আৰু শেষত হনুমানবক্স কানৈ মহাবিদ্যালয়ৰ পৰা বিজ্ঞান বিভাগত স্নাতক ডিগ্ৰী গ্ৰহণ কৰে। শিলঙতেই প্ৰথম তেখেতে গীটাৰখন দেখা পাইছিল। খাচীয়া ডেকাবোৰে বজাই থকা গীটাৰখনৰ প্ৰেমত পৰিছিল। সেয়ে, তেখেতে দেউতাকক গীটাৰ এখন কিনি দিবলৈ খাটনি ধৰিলে। কিন্তু দেউতাকে বিচাৰিছিল যে তেখেত এগৰাকী পুলিছ অফিচাৰ হোৱাতো। গতিকে দেউতাকে গীটাৰ কিনি



নিদিলে। সেয়ে শিলঙত চাদুল্লাদেৰৰ গীটাৰ কিনা বা শিকা নহ'ল। পাছত ডিব্ৰুগড়লৈ আহি তেখেতে গীটাৰ শিকিলে আৰু কিনিলেও। সেই সময়ত ডিব্ৰুগড়ৰ এটা এন আৰ চিৰ অফিচত মানুহৰ নাম-ঠিকনা আদি লিখাৰ কাম উলাইছিল। এটা নাম-ঠিকনাৰ বাবদ দহ পইচা দিছিল। সেই কাম কৰি তেখেতে ২৪০ টকা গোটাইছিল আৰু তাৰে ১৪০ টকাৰে এখন গীটাৰ কিনিছিল। এয়া মেট্ৰিক পাছ কৰাৰ পাছৰ কথা। এনেকৈ তেখেত সোমাই পৰিছিল সংগীতৰ পৃথিৱীৰ বুকুত।

কানৈ মহাবিদ্যালয়ত পঢ়ি থাকোতেই সংগীতৰ ক্ষেত্ৰখনত এঢাপ বগাবলৈ সক্ষম হৈছিল চাদুল্লাদেৰ। তেখেতে মহাবিদ্যালয়খনত লগ পাইছিল— অভিনেতা বিজু ফুকন, অনাতাঁৰ শিল্পী ক্ৰমে ৰাজেন গোহাঁই, ভৰেশ গোস্বামী, হেমন্ত দত্ত আদিক। আটায়ে আছিল সংগীতৰ প্ৰতি প্ৰবল অনুৰাগী। সেয়ে সকলোৰে মিলি এক বাদ্যযন্ত্ৰী গ্ৰুপ গঠন কৰিলে। নাম দিলে— The Quivers। গ্ৰুপটোৱে কানৈ মহাবিদ্যালয়তে পোনপ্ৰথমবাৰৰ বাবে প্ৰদৰ্শন কৰে। তাৰ পাছতেই তেখেতলোক বহি থাকিব লগা নহ'ল। অসমৰ বিভিন্ন ঠাইলৈ নিমন্ত্ৰণ আহিল আৰু দ্যা কুইভাৰ্ছে ইখনৰ পাছত সিখন মঞ্চত সংগীতৰ প্ৰদৰ্শন সুন্দৰকৈ কৰি গ'ল। ড° ভূপেন হাজৰিকা, জয়ন্ত হাজৰিকা, খগেন মহন্ত আদিক বিভিন্ন মঞ্চত লগ পালে। এনেদৰে পাছলৈ এইসকল বিশিষ্ট শিল্পীৰ গীতৰ অনুষ্ঠানত কুইভাৰ্ছে অংশগ্ৰহণ কৰিবলৈ সক্ষম হয়। ১৯৬৭ চনৰ ফেব্ৰুৱাৰী মাহত ডিব্ৰুগড়ৰ লেপেটকটাত আকাশবাণীৰ প্ৰথমটো ট্ৰেন্সমিটাৰ উদ্বোধনী অনুষ্ঠানত কুইভাছ গ্ৰুপে সংগীতানুষ্ঠান পৰিৱেশন কৰিছিল। ১৯৭১ চনত ডিব্ৰুগড় আকাশবাণী কেন্দ্ৰৰ অস্থায়ী ঘোষক পদত পৰীক্ষা দি পাছ কৰাত পাঁচ বছৰ কাল অসমীয়া আৰু ইংৰাজীৰ ঘোষক হিচাপে কাম কৰে। ১৯৭৫ চনৰ ছেপ্টেম্বৰ মাহৰ পৰা আকাশবাণীৰ 'ষ্টাফ আৰ্টিছ' হিচাপে চাকৰি নিয়মীয়া হৈ পৰে। মাজতে ১৯৮৩ চনত আকাশবাণী ব'ম্বে (মুম্বাই) কেন্দ্ৰলৈ বদলি হৈছিল যদিও পুনৰ ১৯৮৫ চনত ডিব্ৰুগড়লৈ ঘূৰি আহে আৰু ২০০৮ চনত অৱসৰ গ্ৰহণ কৰে। ডিব্ৰুগড় মলখুবছাৰ আকাশবাণী কেন্দ্ৰটো আৰম্ভ হোৱাৰ পাছতে ১৯৭৬ চনত প্ৰথম সাপ্তাহিক মনোৰঞ্জন অনুষ্ঠান 'বৰ্ণালী'ৰ ৰচনা, কল্পনা, প্ৰযোজনা আৰু উপস্থাপন কৰিছিল, যি প্ৰায় ডেৰ দশক ধৰি শ্ৰোতাৰ মাজত জনপ্ৰিয় হৈ পৰিছিল। তেখেতে একে সময়তে আৰম্ভ কৰা চিঠি-পত্ৰৰ অনুষ্ঠান 'ডাক পখিলি'ও প্ৰায় ডেৰ দশক ধৰি চলিছিল। ১৯৮৬ চনত 'হেল্ল মন্দাকিনী' শীৰ্ষক প্ৰথমটো ফোন-ইন মনোৰঞ্জন অনুষ্ঠানৰ ৰচনা-কল্পনা, প্ৰযোজনা আৰু উপস্থাপন কৰিছিল, সেইটোও এটা দশক ধৰি চলিছিল। একেধাৰে ঘোষক, গীটাৰ বাদক, সুৰকাৰ, গীতিকাৰ, নাট্যকাৰ, নাটকৰ প্ৰযোজনা,

অভিনয় আদি কৰি গ'ল নিৰৱচ্ছিন্নভাৱে। তেখেত আকাশবাণীৰ স্বীকৃতিপ্ৰাপ্ত গীতিকাৰ (অসমীয়া), সুৰকাৰ (গ্ৰেড ১), গীটাৰ বাদক (গ্ৰেড ১), নাটকৰ কণ্ঠ অভিনেতা (গ্ৰেড এ) আৰু স্বীকৃতিপ্ৰাপ্ত নাট্যকাৰ। উল্লেখ্য যে ভাৰতৰ প্ৰখ্যাত কণ্ঠশিল্পী ঊষা মংগেস্কাৰ, ভূপিন্দৰ সিং, অনুপ জাল'টা, পাৰবিন চুলতানা আদিৰ সৈতে তেখেতে গীটাৰ সংগত কৰিবলৈ সুবিধা লাভ কৰিছিল। অৱসৰৰ পাছতো তেখেত মঞ্চত সংগীত পৰিৱেশন, গীটাৰ আৰু পিয়ানু শিক্ষা প্ৰদানৰ লগতে মাজে-সময়ে আকাশবাণীৰ অনুষ্ঠানৰ লগতো জড়িত হৈ পৰিছিল। আকাশবাণী কেন্দ্ৰত চাকৰি কৰি থকা কালছোৱাতেই তেখেতে জীৱনৰ মূল্যৱান সৃষ্টিৰাজি অথবা কাম-কাজসমূহ কৰিবলৈ সক্ষম হ'ল। আকাশবাণীৰ বাবে কুৰিৰো অধিক আলেখ্য প্ৰযোজনা, বহুকেইখন নাটক আৰু ধাৰাবাহিক ৰচনা কৰিলে। তেখেতে আকাশবাণীৰ সৰ্বভাৰতীয় পৰ্যায়ত দুখন নাটক আৰু ৬ খনকৈ আলেখ্যৰ বাবে গুৰুত্বপূৰ্ণ বঁটা লাভ কৰিবলৈ সক্ষম হৈছে। বন্যপ্ৰাণী সম্পৰ্কীয় আলেখ্য 'অলপ অশ্ৰু বিচাৰি' আৰু শিশু শ্ৰমিক সম্পৰ্কীয় 'দেৱতা'ৰ বাবে প্ৰথম পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হৈছিল। বিশেষ ৰচনা শাখাত 'গান্ধীজী' শীৰ্ষক আলেখ্য আৰু 'বিচাৰ' নামৰ নাটকখনৰ বাবে বঁটা লাভ কৰিছিল। অনাতাঁৰ নাট 'উৰুখা' আৰু আলেখ্য 'নৱ চেতনাৰ উন্মেষ'ৰ বাবে দ্বিতীয় শ্ৰেষ্ঠ বঁটা লাভ কৰিছিল। দূৰদৰ্শন, ডিস্কভাৰী চেনেল আৰু নেচনেল জিঅ'গ্ৰাফিক চেনেলৰ প্ৰায় এশখন তথ্যচিত্ৰত আৰহ কণ্ঠ প্ৰদান কৰিছে। ইয়াৰোপৰি অসমৰ আগশাৰীৰ আলোচনী আৰু দৈনিক বাতৰি কাকতৰ বাবে স্তম্ভলেখা লেখিছে। এনেবোৰ সৃষ্টি আৰু উল্লেখনীয় কৰ্মৰ বাবেই ইতিমধ্যে ২০২১ চনত অসম চৰকাৰে 'আহমদ আলী বাঁশকান্দি বঁটা' প্ৰদান কৰিছে। সদৌ অসম ছাত্ৰ সন্থা, সাহিত্য সভাকে আদি কৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে তেখেতক সম্বৰ্ধনা জনাইছে।

মন্দিৰা শৰ্মা লাহিড়ীয়ে কণ্ঠদান কৰা 'অহাৰ দৰে আঁতৰি উভতি গ'লা...' গীতটো অনুপম সুৰেৰে সুৰীয়া কৰিছিল চাদুল্লাদেৱে। গীতিকাৰ সূৰ্য কুমাৰ ৰাজাৰ এই গীতটো কেইবা দশক ধৰি অতি জনপ্ৰিয় হৈ আহিছে। জ্যোতিষ ভট্টাচাৰ্যৰ কণ্ঠত প্ৰাণ পোৱা 'যোৱাৰ পৰত সৰা শেৱালি বুটলি' শীৰ্ষক গীতটোও চাদুল্লাদেৱে সুৰ কৰিছিল। গীতিকাৰ আছিল চবিন মেধি। এনেদৰে প্ৰায় ১৮০ টাৰো অধিক গীত সুৰ কৰাৰ উপৰি বহুকেইটা মূল্যৱান গীত ৰচনা কৰিছে। আপোন গাঁওখনৰ প্ৰতি সকলো মানুহৰে টান এটা থাকে। গাঁৱৰ পৰা অহা চহৰমুখী মানুহবোৰে এই কথা মৰ্মে মৰ্মে উপলব্ধি কৰে। সুখ-স্বাচ্ছন্দ্যৰে নগৰৰ ওখ অট্টালিকাৰ মাজত বসবাস কৰা বহু সংবেদনশীল মানুহে বুকুৰ কোনোবা এটা কোণত আপোন গাঁওখনক লৈ ফুৰে। তেনে এক উপলব্ধিৰে চাদুল্লাদেৱে এটা জনপ্ৰিয় গীত লিখিছিল। কিয়নো এটা বছৰ তেখেত গাঁৱৰ বোকা-পানীত ডাঙৰ হৈছিল। তেতিয়া সেই গাঁৱৰ মৌ প্ৰাণ কৰিবলৈ সক্ষম হৈছিল তেখেত। কিন্তু পাছলৈ পঢ়া-শুনাকে ধৰি কৰ্মব্যস্ততাৰ মাজত থাকি পুনৰ গাঁৱলৈ যাবলৈ সময় নহ'ল। গতিকে গাঁওখনলৈ বৰকৈ মনত পৰাত এই গীতটো লিখিছিল এনেদৰে— "বহুদিন গাঁৱলৈ যোৱাই হোৱা নাই/ বুকুৰ আপোন আছে কত/ দেখাই হোৱাই নাই...।" তেনেকৈ কাজিৰঙাৰ গঁড় হত্যাৰ কথাবোৰেও চাদুল্লাদেৱৰ অনুভৱী মনক বৰকৈ প্ৰভাৱিত কৰিছিল। আশীৰ দশকত কাজিৰঙাত গঁড় হত্যা কৰাৰ পদ্ধতি বেলেগ আছিল। গঁড় অহা-যোৱা কৰাৰ পথত প্ৰকাণ্ড গাঁত খান্দি খেৰ আৰু ঘাঁহজাতীয় বন আদিৰে গাঁতটোৰ মুখখন ঢাকি ৰাখিছিল আৰু গঁড় আহি গাঁতটোত সোমোৱাৰ লগে লগে দুষ্ট প্ৰকৃতিৰ এই চোৰাং চিকাৰীবোৰে জীয়াই জীয়াই গঁড়ৰ খৰ্গসমূহ কাটি লৈ গৈছিল। তেনে এটা গঁড় তেখেতে নিজ চকুৰে দেখা পাইছিল, ফলত পাছলৈ চাদুল্লাদেৱে লিখিছিল— "কাজিৰঙা মই কাজিৰঙা/ মোৰ বিননি বন্ধু তুমি শুনা নে নোশুনা..."। এইবোৰৰ উপৰি অতি নিৰ্ভীক আৰু সত্যবাদী সাংবাদিক পৰাগ কুমাৰ দাসক ৰাজপথত দিন দুপৰতে দুৰ্বৃত্তই গুলীয়াই হত্যা কৰা তথা সমকালীনভাৱে ব্ৰহ্মপুত্ৰ ৰে'লত হোৱা বোমা বিস্ফোৰণৰ ফলত নিৰীহৰ হত্যালীলাৰ বিভীষিকাময় পৰিস্থিতিৰ বাবে লিখিছিল— 'বাৰুদৰ কোলাহলতে আজি মাৰ গ'ল/ নিৰীহ মানুহৰ আৰ্তনাদ/ মানুহেই মানুহৰ কৰিবলৈ সংহাৰ মাৰণাস্ত্ৰৰ আজি কৰিছে পোহাৰ..." আদিকে ধৰি বহুকেইটা মননশীল গীত ৰচনা কৰিলে।

লক্ষণীয় যে সৰুতেই তেখেতে ৰেডিঅ'ৰ ঘোষক হোৱাৰ মন এটা বান্ধি লৈছিল। সেই সময়ত তেখেতলোকৰ ঘৰত ৰেডিঅ' নাছিল। সেয়ে আনৰ ঘৰৰ খিৰিকীৰ কাষত গৈ ৰেডিঅ' শুনিছিল আৰু তেতিয়া গানৰ মাজে মাজে কথা কৈ থকা বিষয়টোৱে তেখেতক বৰকৈ আকৰ্ষণ কৰিছিল। পাছত সেই সময়ৰ অসমৰ ৰাজধানী শ্বিলঙত পঢ়ি থাকোতে শ্বিলং আকাশবাণী কেন্দ্ৰটো তেখেতে ওচৰৰ পৰা চাই আহিছিল আৰু ৰেডিঅ'ৰ ঘোষক হোৱাৰ মনতো অধিক গাঢ় হৈ পৰিছিল। কিন্তু তেতিয়া ৰেডিঅ' চেণ্টাৰৰ ভিতৰলৈ সোমাবলৈ তেখেতৰ সাহস হোৱা নাছিল। শ্বিলঙত পঞ্চম শ্ৰেণীমানত পঢ়ি থাকোতেই 'এৰা বাটৰ সুৰ' নামৰ ছবিখন শ্বুটিং কৰিবলৈ যোৱা চফল ডেকা বয়সৰ ভূপেন হাজৰিকাক চাবলৈ দৌৰি গৈছিল। কিন্তু একেবাৰে ওচৰলৈ কাকো যাব দিয়া নাছিল। সেইখিনি সময়ত তেখেতে যে এসময়ত ভূপেন হাজৰিকাৰ লগত বাদ্য সংগত কৰিব বা তেখেতৰ গীত ভূপেন হাজৰিকাই গাব, সেই কথা কল্পনাই কৰা নাছিল। কিন্তু আজি এইগৰাকী বিশিষ্ট ব্যক্তিয়ে আকাশবাণীৰ সৰ্বভাৰতীয়

পৰ্যায়ত বঁটা লাভ কৰিলে, কিমান যে সংগীতৰ মঞ্চত বাদ্য পৰিৱেশন কৰিলে, গীত-নাট ৰচনা কৰিলে, সুৰ কৰিলে, সেয়া সঁচাই ভাবি চাবলগীয়া।

**ৰাজেন গোহাঁই ঃ** ডিব্ৰুগড়ৰ আন এগৰাকী অন্যতম কণ্ঠশিল্পী, সুৰকাৰ, আকাশবাণীৰ স্বীকৃতিপ্ৰাপ্ত শিল্পী হ'ল ৰাজেন গোহাঁই। তেখেত ১৯৪৬ চনৰ ১৫ জানুৱাৰীত তিনিচুকীয়া নগৰৰ খগেশ্বৰ গোহাঁই ৰোডত অৱস্থিত এক যৌথ পৰিয়ালত জন্ম গ্ৰহণ কৰে। গোহাঁইদেৱৰ মাকৰ গৰ্ভত থাকোঁতেই দেউতাক ঢুকাইছিল। ফলত মাক আৰু সাতগৰাকী বায়েকে ডাঙৰ-দীঘল কৰে তেখেতক। যৌথ পৰিয়ালটোত দদায়েকেই আছিল ঘৰৰ মূল ব্যক্তি। গতিকে দদায়েকেই গোটেই দায়িত্বখিনি লয়। আদৰ্শ প্ৰাথমিক বিদ্যালয়ত শিক্ষা জীৱনৰ পাতনি মেলি তিনিচুকীয়াৰ চেনাইৰাম উচ্চ মাধ্যমিক বিদ্যালয়ৰ পৰা ১৯৬৩ চনত উচ্চ মাধ্যমিক চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ ডিব্ৰুগড়ৰ হনুমানবক্স কানৈ মহাবিদ্যালয়ৰ বিজ্ঞান শাখাত পঢ়ে। তাতেই তেখেতে বিজু ফুকন, চৈয়দ চাদ্দুলা, ভৱেশ গোস্বামী, হেমন্ত দত্ত, প্ৰবীণ ফুকন, প্ৰিন্স আদিক লগ পায় আৰু সকলোৱে মিলি The Quivers নামৰ এটা ব্ৰেণ্ড খোলে। এনেদৰেই তেখেতলোকৰ সংগীতৰ জয়যাত্ৰা আৰম্ভ হয়। এই গ্ৰুপটোত অৱশ্যে প্ৰথম অৱস্থাত তেখেতে ড্ৰামছেটহে বজাইছিল। আনহাতে তেখেতে গীটাৰ আৰু তবলাও শিকিছিল। দৰাচলতে ঘৰখনতেই গোহাঁইদেৱে সংগীতৰ এক পৰিৱেশ পাইছিল। বায়েকহঁতে গান গোৱাৰ উপৰি এগৰাকীয়ে ভায়োলিন আৰু এগৰাকীয়ে এছ্‌ৰাজ বজাইছিল। লগতে



দেউতাকে আগতেই হাৰম'নিয়াম-তবলাকে আদি কৰি বহুকেইপদ বাদ্য সামগ্ৰী ঘৰখনত গোটাই ৰাখিছিল। সেয়ে ঘৰখনৰ পৰিৱেশে ৰাজেন গোহাঁইদেৱক সংগীতৰ প্ৰতি বিশেষভাৱে আকৰ্ষিত কৰি তুলিছিল। একেবাৰে সৰুতেই ঘৰতেই তেখেতক তবলা শিকাবলৈ এগৰাকী শিক্ষক আহিছিল। কিন্তু দুবছৰমান শিকাৰ পাছতেই শিক্ষকগৰাকী ঢুকোৱাৰ বাবে সেই শিক্ষা তাতেই অন্ত পৰে। পাছত ঘৰৰ ওচৰৰে 'দুৰ্গাবাৰী সংগীত বিদ্যালয়'ত পৰেশ ৰায়ৰ তত্বাৱধানত শাস্ত্ৰীয় সংগীতৰ শিক্ষা গ্ৰহণ কৰিছিল। তাৰ পৰা ভাটখাণ্ডে বিশ্ববিদ্যালয়ৰ অধীনত প্ৰথমা আৰু মধ্যমা উত্তীৰ্ণ হৈছিল। কিন্তু সেই সময়ত অসমত হোৱা ভাষা আন্দোলনৰ কাৰণে বিদ্যালয়খন বন্ধ হৈ পৰাত বিশাৰদ লোৱা নহ'লগৈ। এবাৰ সপ্তম শ্ৰেণীমানত পঢ়ি থাকোতেই তিনিচুকীয়াস্থিত অইল ইণ্ডিয়াৰ অফিচ এটাত ৰবীন্দ্ৰ জয়ন্তীৰ অনুষ্ঠান এটাত গোহাঁইদেৱে ৰবীন্দ্ৰ সংগীত পৰিৱেশন কৰিছিল। অনুষ্ঠানলৈ ডিব্ৰুগড়ৰ কানৈ মহাবিদ্যালয়ৰ উপাধ্যক্ষ যোগীৰাজ বসুদেৱ গৈছিল। গোহাঁইদেৱৰ কণ্ঠত ৰবীন্দ্ৰ সংগীতটো উপাধ্যক্ষগৰাকীয়ে শুনি এক প্ৰকাৰৰ অভিভূত হৈ পৰিছিল। সেয়ে পাছত বসুদেৱে ৰবীন্দ্ৰ সংগীতৰ দুখন ডাঙৰ সংকলন গোহাঁইদেৱলৈ বুলি প্ৰেৰণ কৰিছিল।

কলেজত পঢ়াৰ আগৰে পৰা ৰাজেন গোহাঁইদেৱে বিভিন্ন মঞ্চত গীত গাইছিল। ইফালে কানৈ মহাবিদ্যালয়ত নামভৰ্তি কৰাৰ পাছত মহাবিদ্যালয় সপ্তাহৰ সংগীত প্ৰতিযোগিতাত প্ৰায়ে প্ৰথম স্থান দখল কৰিবলৈ সক্ষম হৈছিল গোহাঁইদেৱ। গীতিকাৰ তফজ্জুল আলীদেৱক তেখেতে নিজৰ মহাবিদ্যালয়তে সান্নিধ্য পাইছিল আৰু সংগীত শিক্ষা গ্ৰহণ কৰিছিল। ইফালে যোগীৰাজ বসুদেৱৰো সান্নিধ্য পাবলৈ সক্ষম হ'ল। গোহাঁইদেৱে মহাবিদ্যালয়ৰ ছাত্ৰাৱস্থাতে কুইভাৰ্ছ গ্ৰুপটোৰ জৰিয়তে বাদ্যযন্ত্ৰী দল হিচাপে উজনি অসমৰ প্ৰায়বোৰ ঠাইতে সংগীত পৰিৱেশন কৰি ফুৰিছিল। এবাৰ বন্ধু ভৱেশ গোস্বামীৰ অনুৰোধমৰ্মে গুৱাহাটীৰ ৰেডিঅ' চেণ্টাৰত কণ্ঠ সংগীতৰ পৰীক্ষা দিবলৈ যাৱতীয় নথি-পত্ৰ ভৰ্তি কৰি জমা দিয়ে আৰু পৰীক্ষাত অৱতীৰ্ণ হয়। প্ৰথমবাৰ গুৱাহাটীৰ আকাশবাণী কেন্দ্ৰত কণ্ঠ সংগীতৰ পৰীক্ষাত উত্তীৰ্ণ হ'বলৈ সক্ষম হোৱা নাছিল যদিও দ্বিতীয়বাৰ ১৯৭১ চনত বহুত সংখ্যক প্ৰশিক্ষাৰ্থীৰ ভিতৰত তেখেত অকলে উত্তীৰ্ণ হৈছিল। তেতিয়াৰ পৰাই তেখেত সংগীতৰ মহান ব্যক্তিসকল ক্ৰমে— কুল বৰুৱা, খগেন মহন্ত, গীতিকাৰ কেৰশ মহন্ত, নৰকান্ত বৰুৱা আদিক লগ পাইছিল। ১৯৭৫ চনত আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰত সংগীত বিভাগৰ 'সুৰকাৰ' হিচাপে যোগদান কৰে। প্ৰায় পাঁচ বছৰমানৰ পাছত ডিব্ৰুগড়ৰ চৌকিডিঙীত সদৌ অসম জনসাংস্কৃতিক পৰিষদৰ এখন অধিৱেশন অনুষ্ঠিত হৈছিল। অধিৱেশনৰ পাছতেই

জনসাংস্কৃতিক পৰিষদে বিষ্ণুৰাভা সংগীতৰ সংৰক্ষণৰ বাবে এটা ৰেকৰ্ড কৰিবলৈ শিল্পী লোকনাথ গোস্বামী আৰু ৰাজেন গোহাঁইদেৱক দায়িত্ব অৰ্পণ কৰে। ফলত ১৯৮২ চন মানত তেজপুৰৰ অজিত সিংহাক পৰিচালক হিচাপে লৈ বিষ্ণুপ্ৰসাদ ৰাভাৰ গীতৰ প্ৰথমখন ৰেকৰ্ড উলিয়াই তেখেতলোকে। সেই সময়ত ডিব্ৰুগড়ত ৰেকৰ্ডিং ষ্টুডিঅ' নথকাৰ বাবে কলিকতাত গীতসমূহ বাণীবদ্ধ কৰিছিলিগৈ। তেখেতে প্ৰথমখন গীতৰ কেছেট কৰিছিল 'বৰষা তুমি আহানা'। কেছেটখন পৰিচালনা কৰিছিল ধ্ৰুৱজ্যোতি গগৈয়ে। এনেদৰে কলিকতালৈ গৈ গৈ ৰেকৰ্ডিং কৰি প্ৰায় বাৰখন কেছেট কৰিছিল। তেখেতে কণ্ঠদান কৰা জনপ্ৰিয় গীতসমূহৰ ভিতৰত উল্লেখযোগ্য আছিল— 'বৰষা তুমি আহা, জিৰি জিৰি আহা না...', 'শেৱালি পাহিয়ে কোমল মিচিকি হাঁহিৰে...'। তেখেতে প্ৰথম সুৰ কৰা গীতটো আছিল— 'সেই সন্ধিয়া নাহে দুনাই, নাহে আৰু সেই সপোন...'। অৱশ্যে তেখেতৰ নিজৰ দৃষ্টিত ভাল সুৰৰ গীত দুটি হ'ল— গণেশ গগৈৰ 'ৰেঘা দিব লাগে যদি ৰেখা লেখি অৰুণৰ, নেভাঙিবা নিশাই আহি মাধুৰিমা সপোনৰ' আৰু হেমন্ত দত্তৰ 'আকাশৰ ৰংবোৰ হেঙুলীয়া হ'ল, দিনৰ পোহৰবোৰ কেনি গুচি গ'ল।' দুয়োটা গীতেই শিল্পী ডলী ঘোষে কণ্ঠদান কৰিছিল।

চাকৰি কালত তেখেতে অসংখ্য গীত সুৰ কৰিলে, প্ৰযোজনা কৰিলে, সংগীতালেখ্য আদিত সংগীত কৰিলে। ফলত তেখেতৰ গীত গোৱা বৰ বেছি নহ'ল। ত্ৰিশ বছৰীয়া আকাশবাণীৰ চাকৰি কালত অসংখ্য গীতত সুৰ কৰাৰ লগতে বহুতো সংগীতালেখ্য প্ৰযোজনা আৰু সংগীত কৰিছিল তেখেতে। তাৰ ভিতৰত 'অ মোৰ আপোনাৰ দেশ' নামৰ সংগীতালেখ্যখনৰ বাবে ৰাজেন গোহাঁইদেৱে আকাশবাণীৰ সৰ্বভাৰতীয় পৰ্যায়ত বিশেষ বঁটা লাভ কৰিবলৈ সমক্ষ হৈছিল। 'অ মোৰ আপোনাৰ দেশ' গীতটোক লৈয়ে সম্পূৰ্ণ সংগীতালেখ্যখন ৰচনা কৰিছিল লেখক চৈয়দ আব্দুল মালিকে। সেই সময়ত কণ্ঠশিল্পীসকলক লৈ আকাশবাণীয়ে বিভিন্ন ঠাইত সংগীতানুষ্ঠান কৰিছিল। গোহাঁইদেৱে সেই সুযোগ লাভ কৰিছিল। তেখেতে অৰুণাচল, মণিপুৰ, শিলচৰ, গুৱাহাটী, মেঘালয় আদিত সংগীত পৰিৱেশন কৰিবলৈ সুবিধা পাইছিল। চাকৰি কৰি থকা অৱস্থাতে বিবাহ পাশত আৱদ্ধ হৈ ডিব্ৰুগড় নগৰতে ঘৰ-বাৰী স্থাপন কৰি স্থায়ী বাসিন্দা হৈ পৰে। 'মিউজিক কম্প'জাৰ' হিচাপে চাকৰি কৰা গোহাঁইদেৱে শেহৰফালে এ গ্ৰেডলৈ উন্নীত হ'বলৈ সক্ষম হৈছিল। তেখেতে ২০০৭ চনত চাকৰি জীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰে। অৱসৰৰ পাছতো দুই-এক সামাজিক অনুষ্ঠানৰ সৈতে জড়িত হৈ কাম কৰি আহিছে আৰু শেহতীয়াকৈ সংগীতৰ এক কামত তেখেত ব্যস্ত হৈ আছে।

এইকেইগৰাকী গীতিকাৰ-সুৰকাৰ সুৰৰ মূৰ্ছনাৰে উদ্ভাসিত হৈ আছে ডিব্ৰুগড়। ইয়াৰ বাহিৰেও অতীজৰে পৰা ডিব্ৰুগড়ৰ সংগীত ক্ষেত্ৰত গীতিকাৰ-সুৰকাৰৰূপে অনেকে উল্লেখযোগ্য শিল্পীয়ে বৰঙণি আগবঢ়াই আহিছে। এক দৃষ্টিত প্ৰথমগৰাকী গীতিকাৰ-সুৰকাৰ হিচাপে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ নামো উল্লেখ কৰিব পাৰি নিশ্চয়। কিয়নো জন্মসূত্ৰে এই মহান শিল্পীগৰাকী ডিব্ৰুগড়ৰ তামুলবাৰী চাহ বাগিচাত জন্মগ্ৰহণ কৰি ডিব্ৰুগড়ৰ জৰ্জ হাইস্কুল, ডিব্ৰুগড় চৰকাৰী বালক বিদ্যালয় আদিত স্কুলীয়া শিক্ষাগ্ৰহণ কৰিছিল। ইয়াৰ পাছতেই নলিনী ৰঞ্জন বৰঠাকুৰ, ভৱেশ গোস্বামী, হেমন্ত দত্ত, শৈলেন কুমাৰ দত্ত, মনোৰমা বৰগোহাঁই, সূৰ্য ভাগৱতী, সৈতেন শৰ্মা, মুকুট সিং ফুকন, শশীন মোহন অধিকাৰী, দীপালী কাকতি, বিপুল ফুকন, বকুল দাস আদি অনেকগৰাকীৰ সুৰকাৰৰ নাম ল'ব পাৰি।

●●●

# বাণিজ্যৰ পৰা সাহিত্যৰ পৰিক্ৰমালৈ ঃ এক সুৰীয়া যাত্ৰা

**ললিত শৰ্মা**

"কিতাপেই আধুনিক পৃথিৱীৰ শাসক। যি সমাজত কিতাপৰ প্ৰচলন নাই সেই সমাজ থকা নথকা একে অৰ্থাৎ কিতাপৰ প্ৰচলন, কিতাপৰ মান নিৰীক্ষণ কৰিয়েই আমি এখন সমাজৰ আধুনিকতাৰ মান নিৰ্ণয় কৰিব পাৰোঁ।"— এই কথাষাৰ কৈছিল ভল্টেয়াৰে। আমি সকলোৱে অৱগত যে যিমান ব্যস্ততাৰ মাজতো কিতাপ, গ্ৰন্থৰ প্ৰতি মানুহৰ ৰুচি অধিক। মানুহৰ মনত প্ৰতিদিন সৃষ্টিশীল চিন্তা আৰু সমাজক নতুন দিশলৈ আগুৱাই নিবলৈ চিন্তা মনলৈ আহে। মানুহে তাক লিখি সন্তুষ্টি লাভ কৰে। চিন্তাবোৰ কিতাপ বা গ্ৰন্থৰ আকাৰে প্ৰকাশ পালে তাৰ মূল্য সমগ্ৰ সমাজত সকলোৱে অনুভৱ কৰে।

ইয়াৰ লগতে দেখা যায় যে কিতাপ বা গ্ৰন্থ লিখাৰ বাবে ভালকৈ অধ্যয়ন কৰাটো আৱশ্যক। লিখিলে মনৰ ভিতৰত থকা বহু কথা প্ৰকাশ পায়। সমাজৰ অন্যান্য লোকসকলো উপকৃত হয়। কিতাপ বা গ্ৰন্থই সাহিত্য-সংস্কৃতিক উন্নত কৰাত বিস্তৃত ভূমিকা পালন কৰে। মানুহক জ্ঞান লাভৰ বাবে কিতাপ জৰুৰী। প্ৰতিজন ব্যক্তিক জ্ঞান আহৰণৰ বাবে কিতাপক সহায়ক কৰি তুলি ল'ব লাগিব। দেখা গৈছে ৰুচি অনুসৰি বহু ধৰণৰ উন্নত সমাজত কিতাপ পাঠকৰ বাবে প্ৰকাশ কৰিবলৈ লিখকৰ প্ৰচেষ্টা অব্যাহত আছে। স্কুলীয়া বা কলেজীয়া জীৱনৰ বিস্তৃত কৰ্মৰত জীৱনত বা চাকৰিৰ পৰা অব্যাহতি লোৱাৰ পিছতো কিতাপ লিখাৰ ৰুচিৰ জৰিয়তে জনপ্ৰিয়তা লাভ কৰাটো এটা গুৰুত্বপূৰ্ণ বিষয়। মানুহে কৰ্মব্যস্ত জীৱনতো কিতাপ আৰু গ্ৰন্থৰ প্ৰতি প্ৰীতি অটুট ৰাখিছে।

ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ বাণিজ্য মহাবিদ্যালয় উত্তৰ-পূৰ্বাঞ্চলৰ আটাইতকৈ পুৰণি বাণিজ্য কলেজ। এই কলেজৰ ছাত্ৰ-ছাত্ৰী দেশ-বিদেশত প্ৰতিষ্ঠিত। নিজৰ প্ৰতিভাৰ জৰিয়তে ইয়াৰ বিদ্যাৰ্থীসকলে সমাজক বিভিন্ন যোগাত্মক দিশত উজ্জ্বলাই তুলি কলেজলৈ সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। সাহিত্য-সংস্কৃতি আদিত ৰুচি থকা ছাত্ৰ-ছাত্ৰী, অধ্যাপক আদিয়ে সম্পাদন কৰা সাহিত্যচৰ্চাৰ তথ্যৰাজি সংগ্ৰহ কৰিলে সাহিত্য-জগতলৈ এই বাণিজ্য মহাবিদ্যালয়খনৰ জয়-যাত্ৰাৰ বিষয়ে সঠিকভাৱে অৱগত হ'ব পৰা যাব। মহাবিদ্যালয়খনৰ বহুজনে ইতিমধ্যে বিভিন্ন গ্ৰন্থ প্ৰকাশ কৰি সমাজত নিজৰ প্ৰতিভাৰ চিনাকি দিবলৈ সক্ষম হৈছে। সেয়েহে প্ৰাসংগিক তথ্যসমূহ সংগ্ৰহ কৰাটো কলেজখনৰ বাবে এক সুন্দৰ তথা প্ৰয়োজনীয় পদক্ষেপ হ'ব বুলি মই বিবেচনা কৰোঁ। মহাবিদ্যালয়খনৰ পৰা সাহিত্য সৃষ্টিৰ ক্ষেত্ৰত ব্ৰতী বহু ন-পুৰণি ছাত্ৰ-ছাত্ৰী, অধ্যাপক-অধ্যাপিকাৰ এক তালিকা সকলোৱে প্ৰচেষ্টাত প্ৰকাশ কৰিবলৈ কৰ্তৃপক্ষ আগ বাঢ়ি আহিব লাগে।

ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ বাণিজ্য মহাবিদ্যালয়ৰ সাহিত্যচৰ্চাৰ দিশটোৰ বিষয়ে নিজাববীয়াকৈ তথ্য সংগ্ৰহ কৰোঁতে গম পোৱা গৈছে যে সাহিত্য-সংস্কৃতিৰ জগতত বাণিজ্য মহাবিদ্যালয়খনৰ ভূমিকা কম নহয়। কলেজৰ প্ৰাক্তন ছাত্ৰ বৰ্তমান অসম সাহিত্য সভাৰ সভাপতিৰ পদত। ভাৰত চৰকাৰৰ পৰা 'পদ্মশ্ৰী' সন্মান লাভ কৰা বিশিষ্ট সাংবাদিক তথা শিক্ষাবিদ আৰু সম্প্ৰতি অসমৰ জাতীয় অনুষ্ঠান 'অসম সাহিত্য সভা'ৰ সভাপতিৰ আসন অলংকৃত কৰি থকা ড° সূৰ্য্য হাজৰিকাদেৱ এই মহাবিদ্যালয়ৰে প্ৰাক্তন ছাত্ৰ। কলেজৰ দিনৰ পৰাই সাহিত্য-সংস্কৃতিৰ প্ৰতি আকৰ্ষিত আছিল। তেখেতে কলেজৰ বাৰ্ষিক আলোচনী 'কানৈ বাণিজ্য মহাবিদ্যালয় আলোচনী'(পাছলৈ এই আলোচনীখনৰ নাম 'বাণিজ্য দৰ্পণ' কৰা হৈছিল) ও সম্পাদনা কৰিছিল। এই লেখকৰ হাতত থকা তথ্য অনুসৰি এই পৰ্যন্ত তেখেতৰ দ্বাৰা সংকলিত আৰু সম্পাদিত গ্ৰন্থৰ মুঠ সংখ্যা ৬৭ খন। তেখেতে সম্পাদনা কৰা বাতৰি কাকতৰ সংখ্যা হৈছে ৫খন।

*লেখক আমাৰ মহাবিদ্যালয়ৰ এগৰাকী প্ৰাক্তন ছাত্ৰ আৰু ডিব্ৰুগড়ৰ এগৰাকী বিশিষ্ট সাংবাদিক।*

বিভিন্ন কৰ্মব্যস্ততাৰ মাজতো তেখেতে সামাজিক, সাহিত্যিক, সাংস্কৃতিক আদিৰ প্ৰতি সক্ৰিয়ভাৱে সেৱা আগবঢ়াই অহাটো আমাৰ বাবে সুখবৰ। তেখেতৰ দ্বাৰা কেইবাখনো গ্ৰন্থ ইতিমধ্যে পাঠক সমাজত জনপ্ৰিয় হৈছে। বিভিন্ন কলা-সাহিত্যৰ অৱদানৰ বাবে তেখেতে ইতিমধ্যে বিভিন্ন বঁটাও লাভ কৰিছে।

বি. এছ. এন. এল.ৰ পৰা অৱসৰ গ্ৰহণ কৰা আমাৰ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ দিলীপ লেখাৰুৰ সাহিত্য ৰুচিও মন কৰিবলগীয়া। তেখেতৰ বিভিন্ন বিষয়ক মৌলিক প্ৰৱন্ধ বিভিন্ন পত্ৰ-পত্ৰিকাত প্ৰকাশ হৈছে। 'যোগ', 'পৰ্যটন', 'মাৰ্টিন লুথাৰ কিং (জুনিয়ৰ)' শীৰ্ষক মুঠ চাৰিখন গ্ৰন্থও এই পৰ্যন্ত তেওঁ প্ৰকাশ কৰি উলিয়াইছে।

আন এজন প্ৰাক্তন ছাত্ৰ মনোহৰ বৰ্মাই হিন্দীত 'অপনে পৰায়ে', 'পৰম কী প্ৰতীতি' আদি গ্ৰন্থৰ লগতে অসমীয়াৰ পৰা হিন্দীলৈ 'ৰাধানাথ ফুকনৰ ৰচনাৱলী'ৰ অনুবাদ কৰি প্ৰশংসনীয় কাম কৰিছে। তেখেতৰ ভালেসংখ্যক আন লেখাও প্ৰকাশ হৈছে। এই মহাবিদ্যালয়ৰে প্ৰাক্তন ছাত্ৰ বেংকৰ বিষয়া, প্ৰবন্ধক সন্তোষ শৰ্মাই অৱসৰৰ পাছত ইংৰাজীত 'The Lost Girl' শীৰ্ষক উপন্যাস, হিন্দীত 'সুনসান চড়কো পে' শীৰ্ষক কবিতা পুথি ৰচনা কৰি প্ৰকাশ কৰিছে।

মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° খনীন্দ্ৰ মিশ্ৰ ভাগৱতীদেৱৰ বহু লেখা কাকত-আলোচনী, স্মৃতিগ্ৰন্থত প্ৰকাশ হোৱাৰ উপৰি পাঠ্যক্ৰমৰ পুথি তথা 'ৰক্তদান' শীৰ্ষক এখন গুৰুত্বপূৰ্ণ অনূদিত পুথি প্ৰকাশ হৈ ওলাইছে।

মহাবিদ্যালয়খনৰ অসমীয়া বিভাগৰ বিভাগীয় প্ৰধান অধ্যাপক ড° নৱজ্যোতি দত্তৰ বহু মূল্যৱান বিষয়ক গুৰুত্বপূৰ্ণ লেখা অসমৰ আগশাৰীৰ বাতৰি-কাকত, পত্ৰ-পত্ৰিকা, আলোচনীত প্ৰকাশ যোৱা কেবাটাও দশকত প্ৰকাশ পাই আহিছে। সাহিত্য অকাডেমীৰ অনূদিত চুটিগল্পৰ সংকলনতো ড° দত্তৰ দ্বাৰা অনূদিত চুটিগল্প সংকলিত হোৱাৰ উপৰি 'নেচনেল বুক ট্ৰাষ্ট'ৰ দ্বাৰা তেখেতৰ দ্বাৰা অনূদিত তিনিখন মনোগ্ৰাহী শিশুপযোগী, ৰঙীন সচিত্ৰ গ্ৰন্থ শেহতীয়াকৈ প্ৰকাশ পাইছে। গীত, কবিতা, প্ৰবন্ধৰ গ্ৰন্থৰ উপৰি পূৰ্বে সাংবাদিকতা তথা আলোচনী সম্পাদনাৰে সৈতে জড়িত ড° দত্তৰ কলমৰ পৰা ইতিমধ্যে সাংবাদিকতা বিষয়ক 'সাংবাদিকতা আৰু অসমীয়া সাংবাদিকতা' আৰু 'Print Journalism : Footsteps of Women from Assam' শীৰ্ষক দুখনকৈ গুৰুত্বপূৰ্ণ গ্ৰন্থৰো সৃষ্টি হৈছে।

মহাবিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰ মনজিৎ বৰা একাধাৰে সাংবাদিক আৰু লেখক। 'আজিৰ দৈনিক বাতৰি', 'দৈনিক প্ৰতিক্ষণ' আদিকে ধৰি দৈনিক, সাপ্তাহিক পযেকীয়া বহু কাকতৰ সম্পাদনাৰ সৈতে জড়িত সক্ৰিয় সংবাদসেৱী হিচাপে তেখেতে ইতিমধ্যে প্ৰতিষ্ঠা লাভ কৰিছে। ছাত্ৰ-সংগঠনৰ পৰা সংবাদ সাহিত্যৰ জগতত পদাৰ্পণ কৰি আজিলৈকে তেখেতে বহু লেখা প্ৰকাশ কৰিছে। বিভিন্ন সাংবাদিক সংগঠনত বিভিন্ন পদত দায়িত্ব পালন কৰি কেইবাখনো গ্ৰন্থ, স্মৃতিগ্ৰন্থ, আলোচনী, পত্ৰ-পত্ৰিকা, প্ৰকাশিত কৰিও তেখেতে সমাজলৈ সেৱা আগবঢ়াইছে। বৰ্তমান 'অসম আদিত্য' শীৰ্ষক দৈনিক কাকতখনৰ সম্পাদক পদত তেখেতে কাৰ্যনিৰ্বাহ কৰি আছে।

আনহাতে, মহাবিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰ ড° মনীষ দাস ১০ খন গ্ৰন্থ ইতিমধ্যে প্ৰকাশ কৰি উলিওৱাৰ পাছত অনাগত সময়ত ৫ খন প্ৰকাশ কৰিবলৈ প্ৰস্তুতি চলাইছে। তেখেতৰ এই ১৫ খন গ্ৰন্থৰ প্ৰকাশে নিশ্চিতভাৱে সাহিত্যৰ জগতলৈ আমাৰ মহাবিদ্যালয়খনৰ এক সক্ৰিয় অৱদানকে সূচাব। ইয়াৰ উপৰি গ্ৰন্থ প্ৰকাশনৰ জগতত পদাৰ্পণ কৰা কলেজৰ বহু প্ৰাক্তন ছাত্ৰ যেনেঃ বজৰং তোডী, মুৰাৰী কেডিয়া, মহেশ মুনকা আদিকে ধৰি কলেজৰ বহু গ্ৰন্থ প্ৰকাশকৰ নাম বহুতেই হয়তো নাজানে।

বৰ্তমান মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলৰ সাহিত্য-সংস্কৃতিৰ ৰুচিৰ প্ৰতি লক্ষ্য ৰাখি আমাৰ মহাবিদ্যালয়খনৰ তৰফৰ পৰা বহুতো কৰিব পৰা যায় বুলি মোৰ মনত ভাৱ হয়। এই পৰিৱেশ শক্তিশালী কৰাৰ কাৰণে সুদূৰ ভৱিষ্যত বহু ছাত্ৰ-ছাত্ৰীৰ জীৱনত বহু আশা আকাংক্ষা পূৰণ হ'ব। বাণিজ্য কলেজ হিচাপে আমাৰ মহাবিদ্যালয়খনৰ সুনাম আছে। এই সুনামৰ আঁৰত হৈছে যে উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীৰ জ্ঞানৰ বিভিন্ন ক্ষেত্ৰত নিজৰ পৰিচয় দিবলৈ সক্ষম। বৰ্তমান কলেজৰ পৰিৱেশো আজিৰ তাৰিখত সকলো দিশতে আগতকৈ উন্নত হৈছে। সেয়েহে আমি মহাবিদ্যালয়ৰ প্ৰাক্তন সাহিত্যানুৰাগী বিদ্যাৰ্থীসকলে বৰ্তমানৰ সাহিত্যানুৰাগী ছাত্ৰ-ছাত্ৰীসকলৰ লগ হৈ মহাবিদ্যালয় প্ৰশাসন তথা সাহিত্যানুৰাগী অধ্যাপকসকলৰ সহযোগিতাৰে এটি 'সাহিত্য মঞ্চ' নিশ্চয় গঠন কৰিব পাৰোঁ। এয়া আমাৰ দায়িত্ব আৰু কৰ্তব্য।

আমি জনা মতে বৰ্তমানৰ বহু ছাত্ৰ-ছাত্ৰীৰে সাহিত্যৰ ৰুচি আছে। ইতিমধ্যে 'যাদুকৰী দুৰ্গ'কে ধৰি কেবাখনো অনূদিত গ্ৰন্থ তথা আন মৌলিক গ্ৰন্থও ৰচনা কৰা মহাবিদ্যালয়খনৰ অধ্যাপক ড° বিদিশা মহন্তকে ধৰি বহু সাহিত্যিচৰ্চা কৰা আন বহু অধ্যাপক তথা ছাত্ৰ-ছাত্ৰীৰ এক সূচী প্ৰস্তুত কৰিলে কলেজখনে সাহিত্যৰ দিশত সামূহিকভাৱে এক নতুন আন্দোলনৰ সূচনা কৰিবলৈ সক্ষম হ'ব। আগন্তুক দিনত সাহিত্য যাত্ৰাত বহু ন-পুৰণি ছাত্ৰ-ছাত্ৰীকে ধৰি অধ্যাপক-অধ্যাপিকাৰ পৰিচয় দাঙি ধৰিব পাৰিম বুলি মই আশাবাদী।

●●●

# D.H.S.K. Commerce College 2014-2024 : An Overview

**Dr. Tanka Prasad Upadhyaya**

**D.**H.S.K. Commerce College in Dibrugarh, established in 1960, is a renowned institution with a legacy of academic excellence. The College campus spans 0.81 acres, providing ample space for students' academic pursuits. The architectural design, covering 4558.42 sq. meters, is thoughtfully structured into two additional campuses at Khalihamari and Banipur.

The College exemplifies firm dedication to its vision and mission, aligning leadership with these guiding principles. The emblem signifies industrialization, tea heritage, and knowledge pursuit, echoing Swami Vivekananda's call for "Arise and awake." The institution strives to be a center of commerce education excellence, promoting accessibility, cooperation, creativity, and holistic development. Governance entails faculty involvement and fostering stakeholder communication through various mediums.

The College successfully completed its 1st cycle of NAAC assessments in 2004, and the 2nd & 3rd Cycles in 2018 and 2024 respectively under the guidance of Principal Dr. K.M. Bhagawati. These achievements have been possible due to the dedicated support by the students, administration, teachers, office staff, library staff, alumnus and all other stakeholders.

The College boasts more than 1650 students with 11 departments, supported by 26 permanent faculty members and 10 permanent office staff, a government-funded institution and is permanently affiliated with Dibrugarh University. We follow the university's prescribed curriculum through a well-documented process for effective delivery. Some faculty members serve on the Board of Studies, helping shape the course curriculum. Each department prepares an Academic Teaching plan annually. The College uses an academic calendar for continuous evaluation, incorporating ICT-based presentations, group discussions, practical exams, research projects, and internships. Two compulsory in-semester examinations prepare students for the end-semester exams. Courses address gender identities, ethics, and environmental issues, including sustainability, biodiversity, and climate change.

Our students have consistently excelled in cultural activities, sports, and extension activities, showcasing their diverse talents and commitment. The College offers a conducive ambience for learning, fostering intellectual growth and holistic development. By catering to the educational needs of the North-Eastern states, the College plays a pivotal role in shaping the future of the region.

Faculty members employ student-centric methods like experiential and participative learning, and problem-solving to enhance learning experiences. Activities include NSS and NCC camp field visits,

***The writer is an Associate Professor & HoD of the Department of Banking in our college. He also served as the co-ordinator of 'Internal Quality Assurance Cell'(IQAC) of our college for the period 2014-2024.***

industrial visits, internships, workshops, seminars, group discussions, role-plays, subject quizzes, news analysis, educational games, and current affairs discussions. ICT tools, including Wi-Fi-enabled smart classrooms with LCD panels, are utilized. The College follows Dibrugarh university norms for internal assessments, ensuring transparency and efficiency. Internal evaluations include exams, viva, presentations, and assignments, with results reviewed for feedback. Programme and Course Outcomes for B.Com (CBCS) and FYUGP are updated online.

The College ensures equal opportunities for students from all backgrounds. The institution strictly adheres to the syllabus, academic calendar, and guidelines prescribed by Dibrugarh University, ensuring a structured and standardized learning schedule. Beyond the regular curriculum, the College offers Diploma and Certificate courses, including Diploma in Computer Application, Hospitality - Food and Beverage Service Steward Certificate Course, Basics of Stock Market for Beginners

The College has witnessed a consistent increase in student enrollments over recent years, indicating its rising popularity and demand for its educational programs. With an intake capacity of 1,660 students, the College's appeal is evident. The Admission Committee supervises the admission process, ensuring the enrolment of quality and needy students in a fair and transparent manner. It maintains transparency in its admission process, rigorously adhering to UGC rules, university guidelines, and state government regulations. Admissions consider the number of seats allocated for ST/SC/OBC categories, following governmental directives. The Routine Committee prepares the class schedule, ensuring timely completion of the curriculum while accommodating extra academic activities. Departments create unit-wise lesson plans, ensuring comprehensive coverage of all topics within the academic timeframe. Attendance registers, in-semester marks, student activities, and other relevant data are meticulously maintained for future reference and analysis. Over the past decade, approximately 3500 outgoing students have progressed to higher education or secured placements in various sectors. Student engagement through workshops, seminars, quiz competitions, group discussions, and other activities enhances overall performance and provides a holistic learning experience. Departments are equipped with laptops, desktop computers, and internet facilities, empowering faculty and students with convenient access to digital resources. Audio-visual aids are integrated into teaching methodologies to cater to different learning styles. Guest faculty deliver lectures on various issues, enriching students intellectually. Remedial classes are organized for slow learners to bridge gaps in understanding. Over the past 10 years, our students have won 150 awards and medals for outstanding performance in sports and cultural activities at the university, state, national, and international levels. During the past 10 years, students of the institution have participated in 60 sports and cultural programs.

The College library boasts an extensive collection, including 29,798 textbooks covering a wide array of subjects, 8,795 reference books offering in-depth information and supplementary materials, 14 subscribed journals providing current and relevant scholarly articles, and 7 periodicals to keep users informed about the latest developments in various fields. The library embraces modern technology to enhance its services, participating in the N-List program provided by INFLIBNET, which offers electronic resources, databases, and scholarly content to students and faculty.

Since the academic year 2014-15, the library has adopted a partially automated system to manage its operations, including book acquisition, cataloging, circulation, serial control, and an Online Public Access Catalogue (OPAC). The SOUL-3.0 system, a fully-featured and scalable library management system, facilitates cataloging, customizable searches, and online circulation. Additionally, barcode technology is used for efficient membership registration and book issuance/return, with students receiving a bar-coded Identity Card upon admission that doubles as a library membership card. The OPAC system enables users to search the entire library collection, providing comprehensive bibliographic information and the

physical location of each book. The library also houses 12 LAN-connected desktop computers in the Internet Section, equipped with Wi-Fi and internet connectivity, allowing users to access online resources, conduct research, and utilize online services, with a printer available for printing materials accessed from the internet.

All 26 sanctioned faculty positions are currently occupied. The College boasts a skilled faculty with 18 holding Ph.D. degrees, 8 pursuing Ph.D.s, and 4 serving as Ph.D. supervisors under Dibrugarh University.

The IQAC takes regular feedback from various stakeholders such as Students, Teachers, Alumni, Employers and parents, which are analyzed carefully and leads to actionable changes. Feedback reports are transparently communicated via the College website. Internal examinations are conducted systematically by an examination committee, ensuring transparency by showing answer scripts to students. Re-examinations are facilitated for those unable to attend exams, and the College transitioned to online exams via Google Classroom with effect from 2020-21. The College displays Programme Outcomes (POs) and Course Outcomes (COs) on its website. Over the last five years, students have achieved an impressive average pass percentage of 90%.

The College thoughtfully organizes orientation programs for fresh students, bridging the gap between admission and regular classes. During the pandemic, the College adapted to online platforms, ensuring uninterrupted learning. The College leverages multimedia tools like overhead projectors, desktops, and laptops, employing ICT-enabled teaching methods to cater to diverse learning styles. Student-driven seminars empower learners to present papers on contemporary topics, honing research and public speaking skills. The Mentor-Mentee cell personalizes guidance, boosting academic success and personal growth among students. Through dynamic adaptations, technology integration, and student-centric approaches, our College maintains a focus on continuous improvement. This commitment reflects the institution's dedication to providing a high-quality educational experience. The institution benefits from a high-speed network, powered by a dedicated leased line that ensures a steadfast 90 Mbps connection. This network combines BSNL and Bharat Fibre lines to provide uninterrupted internet access, empowering digital learning and research. The Computer Lab, equipped with 50 PCs and a 32 Mbps leased line, encourages students to explore the realm of technology.

Faculty members have published 95 books and chapters in edited volumes over the past 10 years (2014-2024), significantly contributing to academic discourse. The faculty has also published about 100 research papers in UGC CARE-recognized journals, showcasing the College's commitment to research excellence. The recent acquisition of the SPSS package enhances research activities, providing advanced analytical capabilities for scholars. In the past 10 years, the College has organized 120 workshops, seminars, and conferences on diverse topics like Research Methodology, IPR, and entrepreneurship, enhancing skills for students and faculty.

The College sensitizes students to social issues through initiatives such as cleaning programs, HIV/AIDS awareness, Covid-19 response, blood donation, cloth donation, environmental awareness, and eco-friendly activities. Faculty members have received six awards from government and recognized bodies for their impactful extension activities, highlighting the institution's societal contributions. We organized approximately 150 extension and outreach programs in collaboration with industry, community, and NGOs through platforms like NSS and NCC. The College has signed six functional MoUs with institutions and industries in India, demonstrating its commitment to collaboration.

Our College is dedicated to fostering student support and holistic growth through various initiatives. Collaborating with governmental, non-governmental bodies, industries, and individuals, the College offers scholarships and freeships. Activities like soft skills workshops, capacity development programs, yoga sessions, and health campaigns nurture students beyond academics. The College provides guidance for competitive exams and career counseling via the ICG

Cell. Over the past decade, approximately 3800 students have benefitted, making informed academic and professional decisions. Notably, over 1000 outgoing students have progressed to higher education or secured placements in government and non-government sectors.

The DHSK Commerce College Alumni Association (DHSKCCAA) has been registered under the Cooperative Societies Act in 2023, serves as a crucial bridge between the institution and its former students. The Association is regularly updating its database for maintaining full records of pass out students of this college and their progression.

The College employs a comprehensive approach to assess teacher performance, adhering to the guidelines of the State government, UGC, and the affiliating University. The Performance Based Appraisal System ensures accountability and continuous improvement. It prioritizes faculty welfare by offering various benefits such as Child Care and Maternity Leave, Financial Security through insurance, Career Advancement Support etc. Teachers receive financial aid for attending conferences, workshops, and professional body membership fees. Over the past 10 years, all teaching and non-teaching staff members have actively engaged in Faculty Development Programmes, enhancing their skills and professional growth.

The College is dedicated to fostering a safe, inclusive, and sustainable environment through impactful initiatives. The College promotes gender equity with Gender Audit initiatives and a zero-tolerance policy against sexual harassment via the Internal Complaints Committee (ICC). Safety and equity are supported by the Gender Champion Club (GCC), Women Cell, and female representation in various committees, alongside infrastructure like women's hostels and CCTV cameras. The Equal Opportunity Cell, Anti-ragging Cell, Day Care Centre, and gymnasium also contribute to a welcoming environment.

In 2022, the College conducted both an Academic and Administrative Audit and a Green Audit. The Academic and Administrative Audit demonstrated the institution's commitment to evaluation and refinement, underscoring its dedication to improving practices and maintaining high standards. The Green Audit assessed the College's environmental practices and resource usage, aiming to enhance sustainability efforts, identify areas for improvement, and promote eco-friendly initiatives on campus. In 2023, the College furthered its commitment to sustainability by conducting an Energy Audit to evaluate energy consumption patterns, identify inefficiencies, and propose energy-saving measures, thereby contributing to reduced environmental impact.

Sustainability is emphasized through solar energy use in the library, LED installations, waste management, water conservation, and green campus initiatives. Inclusivity is fostered by sensitizing students to diverse backgrounds and promoting unity through inter-College events and cultural rallies. Financial assistance programs ensure accessible education, reflecting the College's commitment to a nurturing, sustainable, and inclusive environment.

The effective implementation of the National Education Policy (NEP) poses a challenge due to constraints related to faculty shortages and resource availability, making it crucial to overcome these limitations to align the College's educational practices with the evolving educational landscape. Additionally, the dynamic nature of commerce and management education requires the College to stay updated with the latest developments in the field, which necessitates adapting the curriculum and teaching methodologies, demanding more financial, technical, and human resources. Another significant challenge is balancing the demand for financial resources with the available funds needed for the all-around development of the institution. Exploring avenues for resource mobilization is essential to maintain and enhance the College's infrastructure and facilities.

To address the College's current initiatives and future goals effectively, several immediate perspective plans are proposed such as:

Firstly, infrastructure development is paramount and so initiatives such as developing the College Playground at Banipur Campus, constructing additional rooms at Boys' hostel for secure accommodation, and establishing staff quarters for enhanced community

I recalled the first day at college, a mixture of excitement and trepidation, the light-hearted ragging by seniors that soon gave way to camaraderie. The labyrinth of class schedules and the lectures that laid a solid foundation in commerce, each word a building block of my knowledge. Memories of the sports day came flooding back, the sheer joy of playing badminton for hours under the vast, open sky.

Now, as I find myself in London, far from the familiar embrace of home, the roots that Dibrugarh planted within me have kept me grounded. These roots have nourished my dreams, allowing my aspirations to soar towards the skies and beyond. Though I have not mentioned them, my friends and classmates are etched in my heart-their laughter, pranks, and the gentle spirit of competition have been as instrumental in shaping me as the academic rigour imparted by the esteemed faculty of DHSK Commerce College.

To all who have been a part of this journey, my heartfelt thanks.

●●●

***The writer, an alumna of our college is a Sr. Global Advertising Leader at Publicies Group, London.***

# আমাৰ মহাবিদ্যালয়, আমাৰ গৌৰৱ

পৱন কুমাৰ গাড়োদিয়া

জয়জয়তে ডিব্ৰুগড় হনুমানবক্স সূৰজমল কানৈ বাণিজ্য মহাবিদ্যালয়ৰ হীৰক জয়ন্তী বৰ্ষ উদযাপন উপলক্ষে সকলোকে আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছোঁ।

সৰ্বপ্ৰথমে এই মহাবিদ্যালয়খনি প্ৰতিষ্ঠা কৰি শিক্ষাৰ ক্ষেত্ৰত আগবঢ়োৱা বিশিষ্ট অৱদানৰ বাবে কানৈ পৰিয়ালৰ লগতে অন্যান্য নমস্য ব্যক্তিসকললৈ আন্তৰিক শ্ৰদ্ধা নিৱেদন কৰিছোঁ। ছাত্ৰ-ছাত্ৰীসকলৰ শিক্ষা আহৰণৰ অৰ্থে কৰি যোৱা এই অতি মহান কাৰ্য্যৰ বাবে আমি সকলোৱেই তেওঁলোকৰ ওচৰত চিৰকৃতজ্ঞ হৈ থাকিম।

আমাৰ সৰ্বাংগীণ উন্নতিৰ বাবে উচ্চ শিক্ষা অতি প্ৰয়োজন আৰু আমাৰ এই মহাবিদ্যালয়ে এই দিশত অতি গৌৰৱময় ভূমিকা পালন কৰি আহিছে। এই মহাবিদ্যালয়ত ডিব্ৰুগড় চহৰৰ উপৰিও বিভিন্ন ঠাইৰ বহু বিদ্যাৰ্থীয়ে ইয়াত শিক্ষা লাভ কৰি আহিছে। আমাৰ এই শিক্ষা-কেন্দ্ৰও আগতকৈ বহু উন্নত হৈছে। শিক্ষাৰ নতুন বিষয়সমূহো ইয়াত সন্নিৱিষ্ট হৈছে।

আমাৰ এই কলেজত মই ১৯৭০ চনৰ পৰা ১৯৭৪ চনলৈকে শিক্ষা গ্ৰহণ কৰিছিলোঁ। তাৰ ফলশ্ৰুতিতে মই এক সুন্দৰ আৰু সফল জীৱনৰ গৰাকী হ'ব পাৰিছোঁ বুলি নিজকে গৌৰৱান্বিত বুলি অনুভৱ কৰিছোঁ। মোৰ অধ্যয়নকালৰ শিক্ষা গুৰুসকলক স্মৰণ কৰিলে মোৰ মনত অতি কৃতজ্ঞতাৰ ভাব জাগ্ৰত হয়। তেখেতসকলৰ ওচৰত আমি সদায়ে ঋণী হৈ থাকিম। শিক্ষা গুৰু সকললৈ আমাৰ আন্তৰিক শ্ৰদ্ধা নিবেদন কৰিছোঁ।

বৰ্তমান এই মহাবিদ্যালয়ৰ সকলো দিশতে উন্নতি হোৱা দেখি অতি আনন্দিত হৈছোঁ। পূৰ্বতে মহাবিদ্যালয়ত ছাত্ৰীৰ সংখ্যা খুবেই কম আছিল, কিন্তু বৰ্তমান সময়ত ইয়াৰ এক বিপৰীত ছবি দেখা পোৱা গৈছে। ছাত্ৰীসকলেও আজিৰ তাৰিখত বাণিজ্য শিক্ষা লাভ কৰি নিজৰ লগতে পৰিয়াল তথা সমাজক জীৱিকাৰ লগতে আন বিভিন্ন দিশত উত্তৰণৰ দিশত লৈ যাবলৈ সক্ষম হৈছে। আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ সকলৰ বাবে বাণীপুৰত এক ছাত্ৰাৱাস নিৰ্মাণ হৈ উঠিছে। ইতিমধ্যে চহৰৰ খলিহামাৰিত ছাত্ৰীসকলৰ বাবে এটি সুন্দৰ ছাত্ৰী নিৱাস আছে। ইয়াক লৈ আমি গৌৰৱ কৰিব পাৰোঁ। মহাবিদ্যালয়ৰ পুথিভঁৰালটোও অতি প্ৰয়োজনীয় বিভিন্ন গ্ৰন্থৰে পৰিপূৰ্ণ। ছাত্ৰ-ছাত্ৰীসকলে এই গ্ৰন্থসমূহ অধ্যয়ন কৰিলে নিতান্তই লাভান্বিত হ'ব।

মহাবিদ্যালয়ৰ হীৰক জয়ন্তীৰ স্মাৰক-গ্ৰন্থৰ মুখ্য সম্পাদক ড° নৱজ্যোতি দত্ত আৰু তেওঁৰ সহযোগীসকলক এই সুযোগতে মোৰ আন্তৰিক শুভেচ্ছা যাচিছোঁ। পৰিশেষত, আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ তথা মহাবিদ্যালয় পৰিচালনা সমিতিৰ সকলো বিষয়ববীয়া তথা সদস্যবৃন্দ তথা অধ্যাপকসকলৰ লগতে সকলো ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যৎ উন্নতি তথা মংগল কামনা কৰিছোঁ।

●●●

*লেখক আমাৰ মহাবিদ্যালয়ৰ প্ৰাক্তন বিদ্যাৰ্থী, এগৰাকী বিশিষ্ট নাগৰিক আৰু ব্যৱসায়ী তথা ডিব্ৰুগড় হনুমানবক্স সূৰজমল কানৈ বাণিজ্য মহাবিদ্যালয়ৰ 'প্ৰাক্তন বিদ্যাৰ্থী সংস্থা'ৰ সভাপতি।*

# DHSK Commerce College : Some Musings

**Pratim Barua**

**D**HSK Commerce College - entered its hallowed premises, as a student, way back in the year 1987. I am mentioning as a student, because I spent my early childhood in the Warden's Quarter of the DHSK College Girls' Hostel and myself and my siblings, along with the kids of the neighbouring areas used the premises of both DHSK and DHSK Commerce College as our play grounds in the evenings. It would be noteworthy that during my childhood, my mother Late Alaka Barua , a teacher of DHSK College, acted as the Warden of the Girls' hostel of that College, which is adjacent to DHSK Commerce College, even sharing a common boundary wall. (not sure if this is still true today). We would also invariably enjoy all the cultural functions organized in the college auditorium of DHSK Commerce College, as the auditorium was just beside our residence. Therefore, the college premises, the classrooms, auditorium etc. were actually quite familiar to me when I entered the college as a student.

During those days, honestly speaking, there was this perception that only the children of the business community and students, who could not get admitted into any other streams, studied Commerce. In fact I was the first person in my whole wide family (both maternal and paternal ) to have opted for Commerce studies. This was all the more baffling for everybody in my family because my HSLC marks were actually quite good enough to have got me admitted to so-called 'better' streams. The kind of heated discussions we had in our family during that time is a separate story altogether.

Another important aspect I remember during those times was that there were very few girl students studying commerce. If I remember correctly, out of about 100 students in my HS 1st year class, there were only about 5 girls. Thankfully, this scenario has changed drastically in the last couple of decades. The changing picture can be easily noticed in all higher education institutions, especially in the Universities, where in the M.Com programmes, we find equal if not more number of girl students pursuing their higher studies in commerce.

I completed my Higher Secondary from this College and the two years that I spent here played a significant role in shaping and defining my career path later on.

Finally, one other significant connect that I have with this college is that before I joined Dibrugarh University as faculty member in 2003, at the Centre for Management Studies, I got an opportunity to work as a part-time contractual teacher in the College in the Day Section. So, it was thanks to the College authorities of that time that I got the chance to hone my teaching skills here, which was a tremendous help in boosting my confidence in tackling the PG students in the University later on.

Today the College has successfully completed 64 years of its glorious existence and as a pioneer of commerce education in the north-east part of the country, I am very sure that the College will carry on the good works and help in building a strong, educated and knowledgeable society around us.

I, very sincerely, from the bottom of my heart, wish the College every success in all its future endeavours.

●●●

***The writer is an alumnus of our college. Presently he is a Professor as well as the Chairperson at the Centre for Management Studies, Dibrugarh University.***

# বিষ্ণুপ্ৰসাদ চক্ৰৱৰ্তী আৰু কানৈ বাণিজ্য মহাবিদ্যালয়

**সঞ্জীৱ কুমাৰ চক্ৰৱৰ্তী**

ডিব্ৰুগড় হনুমানবক্স সূৰজমল কানৈ বাণিজ্য মহাবিদ্যালয়খন প্ৰথম অবস্থাত এটা বিভাগ হিচাবে কানৈ মহাবিদ্যালয়ৰ লগতে চলি আছিল। আমাৰ প্ৰয়াত পিতৃ বিষ্ণু প্ৰসাদ চক্ৰৱৰ্তী সেই সময়ত মহাবিদ্যালয়খনৰ অৰ্থনীতি বিভাগৰ মুৰব্বী হিচাবে নিযুক্ত আছিল।

তেখেতে ১৯২২ চনৰ **১৮** অক্টোবৰত সেই সময়ৰ অসমৰ প্ৰসিদ্ধ চাহ খেতিয়ক ডিব্ৰুগড় চহৰৰ চিৰিং চাপৰি নিৱাসী প্ৰয়াত নন্দেশ্বৰ চক্ৰৱৰ্তী আৰু তাৰিণী দেবীৰ সন্তান হিচাপে জন্ম গ্ৰহণ কৰিছিল। ডিব্ৰুগড় জৰ্জ স্কুলৰ পৰা স্কুলীয়া শিক্ষা আৰম্ভ কৰি তেখেতে ১৯৪৭ চনত বেনাৰচ হিন্দু বিশ্ববিদ্যালয় পৰা স্নাতক ডিগ্ৰী লাভ কৰে। পিছত অসমলৈ আহি ১৯৫০ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অৰ্থনীতি বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিছিল। তেখেতে ১৯৫১ চনত ডিব্ৰুগড় হনুমান বক্স সূৰজমল কানৈ মহাবিদ্যালয়ত প্ৰবক্তা ৰূপে যোগদান কৰি কৰ্ম জীৱনৰ পাতনি মেলিছিল। পৰৱৰ্তী সময়ত তেখেতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ১৯৫৩ চনত আইনৰ ডিগ্ৰী লাভ কৰে।

১৯৬০ চনত কানৈ বাণিজ্য মহাবিদ্যালয়খনি পৃথকে এখন পূৰ্ণাংগ মহাবিদ্যালয় হিচাপে আৰম্ভ হয়। তেতিয়া তেখেতে এই নৱনিৰ্মিত মহাবিদ্যালয়খনত অৰ্থনীতি বিভাগৰ মুৰব্বী হিচাবে যোগদান কৰিছিল। ১৯৬৫ চনত তেখেত কানৈ বাণিজ্য মহাবিদ্যালয়ৰ 'ইকনমিক প্লেনিং ফৰাম'ৰ সভাপতি পদত নিযুক্ত হৈছিল। একে বছৰতে তেখেত কটন আইন মহাবিদ্যালয়ৰ উপাধ্যক্ষৰ পদতো নিযুক্ত হৈছিল। পাছলৈ ১৯৭৩ চনত তেখেত আইন মহাবিদ্যালয়খনৰ অধ্যক্ষৰ পদতো নিযুক্ত হৈছিল।

এনেদৰে এটা সুদীৰ্ঘ কাল তেখেত এই প্ৰতিষ্ঠানটিৰ সৈতে জড়িত হৈ আছিল। আমাৰ ঘৰৰ বা পৰিয়ালৰ সৈতে কানৈ বাণিজ্য মহাবিদ্যালয়ৰ এই দীঘলীয়া সম্পৰ্ক দেউতাই অৱসৰ লোৱাৰ সময়লৈকে বাহাল আছিল। কানৈ বাণিজ্য মহাবিদ্যালয়ৰ পৰা অৱসৰৰ পাছতো তেখেত কানৈ আইন মহাবিদ্যালয়ৰ দায়িত্ব পালনৰ বাবে গৈ আছিল। তেখেতে কানৈ বাণিজ্য মহাবিদ্যালয়ৰ পৰা উপাধ্যক্ষ হিচাপে আৰু কানৈ আইন মহাবিদ্যালয়ৰ পৰা অধ্যক্ষ হিচাপে অবসৰ গ্ৰহণ কৰে।

প্ৰাসংগিক যে কানৈ আইন মহাবিদ্যালয়খন আগতে বাণিজ্য মহাবিদ্যালয়ৰ লগতে একেলগে আছিল। পাছতহে নতুন ভৱন নিৰ্মাণ কৰাৰ ৰেডক্ৰছ ৰোডলৈ স্থানান্তৰ কৰা হৈছিল।

গোটেই জীৱন নিজকে শিক্ষাসদী কামত নিয়োগ কৰা মোৰ পিতৃৰ ২০০২ চনৰ ২ জানুৱাৰী দিনাৰ গৃহ চহৰ ডিব্ৰুগড়তে পৰলোক প্ৰাপ্তি ঘটে।

তেখেতৰ স্মৃতি বিজড়িত কানৈ বাণিজ্য মহাবিদ্যালয়ৰ হীৰক জয়ন্তী মহোৎসৱৰ উপলক্ষত ইয়াৰ সৈতে জড়িত সকলো ব্যক্তি তথা মহাবিদ্যালয় কৰ্তৃপক্ষৰ সকলোলৈকে আমাৰ পৰিয়ালৰ তৰফৰ পৰা আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছোঁ। লগতে, উত্তৰ-পূৰ্বাঞ্চলৰ বাণিজ্য শিক্ষাৰ এই ঐতিহ্যমণ্ডিত প্ৰতিষ্ঠানটিৰ উত্তৰোত্তৰ আন্তৰিকতাৰে কামনা কৰিলোঁ।

•••

*লেখক এগৰাকী ব্যৱসায়ী আৰু আমাৰ মহাবিদ্যালয়ৰ প্ৰাক্তন উপাধ্যক্ষ প্ৰয়াত বিষ্ণুপ্ৰসাদ চক্ৰৱৰ্তী ডাঙৰীয়াৰ কণিষ্ঠ পুত্ৰ।*

# Remeniscence

**Pulin Rajbongshi**

**"Education is the passport to the future
For tomorrow belongs to those who prepare
for it today" — MALCOLM**

D.H.S.K Commerce College is one of the pioneer institutions importing Commerce education in the entire north cabtern region. I Joined the college as lecturer in the banking department on 1st August 1990. I still remember, on the date of my joining, Dr C. D. Mishra, the principal of the college introduced me to other senior colleagues sitting in the Principal's chamber. On the next day, the head of the banking department, allotted me banking classes for degree and higher Secondary level. I enjoyed taking classes and I believe that teaching is such a profession which teach other professions. We were two faculty members in our department. Imran Hussain sir and other senior colleagues had been very kind and co-operative and encased me to provide services for the betterment of the college.

Since the number of students in own department were less so the teaching environment in the class was friendly and conducive both for the teacher and the learners as well. Every year the college conducted annual college week function and other events and I used to enjoy a lot by discharging my duties expecting quality presentations from the students in each and every event.

Imran Hussain Sir got retired from the college in 1995 and I became the Head of the Department, of course, at a later stage. There was position OF headship in every department Sometime, we had manage the classes till the appointment of a new teacher. Very soon, to our own liking, we got Dr. T. P. Upadhayaya as our new colleague. I had a very cordial relation with Dr. T. P. Upadhayaya on engaging or taking decisions for the settement of the department. Our students were also very sincere most of the time. They topped the list in the B.Com Final examination conducted by Dibrugarh University.

During my teaching years, I came across many dedicated principals like Dr. C.D. Mishra, Part G. Adhikary, M.M. Das, Dr. S.N. Mahanta, Dr. R.N. Borbora, Mrs. K. Khonnd and Dr. K.M. Bhagawati, whose over all contribution to the college would always be remembered. Dr. K.M. Bhagwati is perhaps the longest serving principal and under his able guidance many development activities took place like construction of extended A & B block buildings, construction of Girls' hostel, Boy's hostel at Banipur, introduction of post graduate Course in Commerce in the college etc.

I had also the opportunity of being the vice-principal of the college from Date 2017 Date 2019 following the retirement of Late P.K Sahu. It was a difficult task for me. Because in addition to my routine works, I had to discharge the responsibility as the Co-ordinator of KKHSOU Study Centre in the college. While continuing with that responsibilty, I had to be in constant touch with the learners for regular attendance in the class. We had also extended Services of our

*The writer is a retired Vice Principal and former HoD at the Department of Banking of our college.*

study centre offering the courses of Arts stream in Dibrugarh Jail, so that prisoners could manage to get degrees our weekly teaching-learning sessions. Apart from that, I took the responsibility of Assistant Examination Officer of the examination as well as evaluation centres in our college permitted by Dibrugarh University. Here lies the sincere effort on the part of zonal officar. Because the answer scripts given to the examiners were generally not received in time and to ensure timely return of the same, I had to be in constant touch with the examiners through frequent telephonic conversations, only to assure timely declaration of results by the university.

For judging the achievement of any institution what is needed is, how and to what extent, the students of the institution are trained and guided so as to purpose themselves to be able to serve the society, the state and the nation as a whole.

I retired from my job in January, 2019 leaving the next generation to lead the institution so that the institution may prosper and produce competent human resources to cope with the highly competetive job market.

In conclusion, I extend my simcere thanks to Dr. Nabajyoti Dutta, editor and Dr K.M. Bhagawati Principal as chief advisor of the Diamond Jubilee Souvnir Editing committee for giving me the opportunity to express my feelings about my beloved college.

●●●

---

# Those Golden Days...

**Binita Jain**

It was way back in the year 1988 that I had stepped in the campus of DHSK Commerce college. Those were the days when boys outnumbered girls in the Commerce stream. We girls would initially come to college in a group. But gradually the college became a familiar place and it did not matter who was coming along. All that mattered were the valuable lessons imparted during the day. Principal Manmohan Das Sir along with all the teachers ensured that we as students got the best of learning and guidance. The girls' common room has a special place in my heart as it was filled with fun, laughter and gossips. I still remember the uniform we had - white salwar kameez with maroon border and how we girls used to hate it. "But at the end of the day all that made a difference was the safe and secure environment of the college and the kind and caring teachers of the great Institution.Having been in the field of education since past 20 years and presently working as the Vice Principal of Royal Global School Guwahati, all I have is deep gratitude for all the great teachers who have taught me during school and college days. May the institution reach greater heights in days to come.

●●●

*The writer, an aluma of our college is the Vice Principal of Royal Global School, Guwahati.*

# Reminiscence of DHSK Commerce College ...

**Unmesh Kumar Jain**

D.H.S.K.Commerce College is a pioneer Institution of Commerce Education in Dibrugarh (Assam).It is making commerce education accessible to all sections of the society. It is teaching, guiding and motivating students for achieving quality education.The first Principal of this College was Late L.P.Dutt. After him, Dr.N.K. Basu became the Principal of the College succeded by Late Premchand Jain. The tenure of Late Jain was from November, 1974 to October, 1985.He did a lot of works during his tenure for both the infrastructural as well as academic development of the college. The original library building was constructed during his tenure.

My mother Late Chandra Mukhi Jain was also associated with this institution. She was a part time Professor in Hindi Department in the college. Though she was a regular teacher at DHSK College, later she was transferred to the MDK Girls' College. Finally, she retired from that College as the Head of the Hindi Department.

My elder brother Dr. Animesh Kumar Jain, presently working as Nuclear scientist at Chicago (USA) completed his Pre-university course in Science stream in 1968 from DHSK College, the first one of the Kanoi institutions. My eldest sister Ms. Asita Jain, an M.A. in English from Dibrugarh University who later pursued M.Mus.( Vocal) as well as M.Phil. in Music (Vocal) from Delhi University also did her B.A. from that college. On the other hand, my elder sister Ms. Udita Jain, who completed her M.A. in Political Science from Dibrugarh University pursued her B.A. course from M.D.K. Girls' College, another institution named after Kanoi family member. I, the youngest son of Late Premchand Jain took admission in DHSK Commerce College in 1972 and and completed the B.Com. course from the college. Later, I pursued my M.Com. (Business Adminsitration) from Rajasthan University. I served as an internal auditor in Bokel T.E. and Panitola T.E. in Dibrugarh and Tinsukia district respectively. I got retired as the incharge of Computer and Accounts section of Koilamari T.E. in the district of North Lakhimpur. My daughter Susmita Jain did her B. Com.(Hons in Accountancy) from this college. She did her M. Com.(Finance) from Dibrugarh University. My son Unnayan Jain pursued BE (Electronics & Communications) from Nagarjun College of Technology & Science, Bengaluru. Finally, he joined at the Google office in Hyderabad and thus, he too has entered into the arena of commerce. Thus, with the Kanoi named Colleges in general along with DHSK Commerce College in particular, a family legacy of ours' continued for decades.

Still, we profoundly remember those days of our attachment with the institutions concerned. At this very moment, the fond memories of my days at this institution have engulfed my heart. I cann't forget the able teaching staff, office staff as well as the grade IV staff of the college, who had given their full support to us to shape our lives and also have contributed for the betterment of the institution. I also wish all the present students of this beloved institution a bright and successful future ahead. I am thankful to Dr. Nabajyoti Dutta sir remembering me on this special occasion. I wish him all the success in life. Last but not the least, I wish DHSK Commerce College always remain in good stead in imparting commerce education in the society. On this happy occasion of the concluding function of the year long Diamond Jubilee Celebration of the DHSK Commerce College, I extend my heartfelt wishes to our beloved college for more and more prosperity to be achieved in its journey in the days to come.

●●●

***The writer is an alumnus of our college and the youngest son of Late Premchand Jain, former principal of this premier institution of higher education.***

# My Librarian Father and DHSK Commerce College

**Dr. Ranjan Phukan**

My father, Late Mohan Chandra Phukan (1942-2008) worked as a Librarian in DHSK Commerce College, Dibrugarh. He served this esteemed college for long 34 years.

In reminiscence, I could remember my father taking me to the library of the college after school and allowing me to have a glimpse of the storehouse of knowledge. I was very fascinated by the organised collection of books, printed materials, journals, and manuscripts of the library.

My father was very passionate about his work and liked helping the students by providing them with books/ study materials. My father was a kind-hearted man and liked by everyone around him. His senior/colleagues considered him a reliable and hard-working person, who was always willing to dedicate himself to the service of others. However, he had to leave for his heavenly abode early at the age of 66 years.

●●●

***The writer is a Professor at the Department of Petroleum Technology in Dibrugarh University.***

---

# মহাবিদ্যালয়ৰ এমুঠি স্মৃতি...

**ঘনলতা চাহু**

**ডি.** এইচ. এচ. কে. কমাৰ্চ কলেজ বুলিলেই আমাৰ জীৱনৰো এটা অধ্যায়। মোৰ প্ৰয়াত স্বামী প্ৰদীপ কুমাৰ চাহুৱে এইখন মহাবিদ্যালয়ৰ পৰাই উপাধ্যক্ষ হিচাপে অৱসৰ গ্ৰহণ কৰিছিল। তেখেত আছিল মহাবিদ্যালয়খনৰ বাণিজ্য বিভাগৰ শিক্ষক। বিভাগটোৰ এগৰাকী সহযোগী অধ্যাপক হোৱাৰ উপৰি তেখেতে বহু বছৰ বিভাগীয় প্ৰধান হিচাপেও দায়িত্ব পালন কৰিছিল। কলেজত হোৱা পৰীক্ষা বা পৰীক্ষা কেন্দ্ৰৰ বিভিন্ন কামকে ধৰি বিভিন্ন আনুষংগিক কামতো তেখেত জড়িত হৈছিল। কেবাটাও বছৰ ধৰি তেখেতে কলেজৰ এন. এচ. এচ. ৰো দায়িত্ব পালন কৰিছিল। এন. এচ. এচ.ৰ দায়িত্বত থাকোতে তেখেতে ছাত্ৰ-ছাত্ৰীসকলক শিক্ষামূলক ভ্ৰমণলৈ লৈ যোৱাৰ কথাও মোৰ মনত আছে। মুঠতে, তেখেতে মহাবিদ্যালয়খনৰ বাবে যিখিনি কৰিছিল, সেইখিনি দায়িত্ব সহকাৰে কৰিছিল বুলি আমি পতিয়ন গৈছিলোঁ। আনকি, অৱসৰৰ পাছতো তেখেতে কলেজৰ পুৱাৰ শাখাৰ শ্ৰেণীসমূহত পাঠদান কৰিবলৈ গৈছিল।

মহাবিদ্যালয়ৰ বিভিন্ন অনুষ্ঠানসমূহলৈও তেখেত অৱসৰৰ পাছতো গৈ আছিল। অৱসৰ লোৱাৰ কেইটামান বছৰৰ পাছতে তেখেতে আমাৰ মাজৰ পৰা কায়িকভাৱে বিদায় ল'লে। কিন্তু, স্মৃতিবোৰ থাকি গ'ল। আজি আমাৰ সকলোৰে মৰমৰ মহাবিদ্যালয়খনৰ হীৰক জয়ন্তী বৰ্ষৰ অনুষ্ঠানৰ এই সময়খিনিত তেখেতক আমি শ্ৰদ্ধাৰে সুঁৱৰিছোঁ। লগতে, তেখেতে জীৱনৰ সুদীৰ্ঘকাল কটোৱা এই মহাবিদ্যালয়খন ভৱিষ্যতে বিভিন্ন দিশত আৰু জাকত জিলিকা হৈ উঠক, সেই আশা কৰি সকলোলৈকে শ্ৰদ্ধা জনাই মোৰ অনুভৱখিনি ইমানতে সামৰিছোঁ।

*লেখিকা আমাৰ মহাবিদ্যালয়ৰ প্ৰয়াত উপাধ্যক্ষ প্ৰদীপ কুমাৰ চাহু ডাঙৰীয়াৰ সহধৰ্মিনী।*

# কানৈ কমাৰ্চ কলেজ ঃ অতীতৰ সোঁৱৰণী...

চিত্ৰ গগৈ

ডিব্ৰুগড় হনুমানবক্স সূৰজমল কানৈ বাণিজ্য মহাবিদ্যালয়ত আমাৰ চাকৰি জীৱনৰ প্ৰথমছোৱাত আমি খুব আনন্দ মনেৰে কাম কৰিছিলোঁ। মই চাকৰিত যোগদান কৰাৰ সময়ত প্ৰিন্সিপাল আছিল নিৰ্মল কুমাৰ বসু ছাৰ। তেখেতে আমাৰ সৈতে বৰ মৰমসনা ব্যৱহাৰ কৰিছিল। আমিও সেইবাবে আমাৰ কামবোৰ বৰ হেঁপাহেৰে কৰিছিলোঁ। আমি এনে ধৰণেৰে কাম কৰিছিলোঁ যে ঘৰ-দুৱাৰৰ কথাও সততে আমাৰ মনলৈ অহা নাছিল। কলেজখনেই যেন আমাৰ ঘৰ, সেই ভাৱটোৱেই আহিছিল। তেতিয়া কামো বেছি আছিল। কেইবাখনো কলেজৰ কাম একেলগে চলিছিল। কলেজৰ পুৱা আৰু দিবা শাখাৰ লগতে নতুনকৈ হোৱা বিশ্ববিদ্যালয়ৰ এম. কম. আৰু কানৈ ল কলেজৰ শ্ৰেণীসমূহো তেতিয়া ইয়াতেই চলিছিল। শিক্ষক-কৰ্মচাৰী সকলোৰে মাজত ইমান সৌহাৰ্দ্য আছিল যে কাৰোৰে প্ৰতি কাৰোৰে বেয়া ভাৱ একেবাৰে নাছিলেই! আমি সকলোৱেই যেন একে স্থিতিতে অৱস্থান কৰিছিলোঁ, তেতিয়া তেনে অনুভৱ হৈছিল। প্ৰিন্সিপাল হিচাপে প্ৰেমচান্দ জৈন ছাৰ, চাফাউদ্দিন আহমেদ ছাৰ, মাজতে পুনৰ অলপ দিনৰ বাবে দায়িত্ব গ্ৰহণ কৰা এল. পি. দত্ত ছাৰ, তাৰ পাছত চন্দ্ৰদেও মিশ্ৰ ছাৰ, কিছুদিনৰ বাবে দায়িত্ব গ্ৰহণ কৰা অধিকাৰী ছাৰ... এইসকল প্ৰিন্সিপালৰ লগত আমাৰ ঘনিষ্ঠ সম্পৰ্ক তথা যোগসূত্ৰ আছিল। তেখেতসকলৰ সৈতে আমাৰ বন্ধুত্বও আছিল। একে সময়তে তেখেতসকলৰ প্ৰতি আমাৰ ভক্তিৰ ভাৱো আছিল, সকলো ধৰণৰ সা-সন্মানো আমি তেখেতসকলক কৰিছিলোঁ। আমি দিনবোৰ বৰ আনন্দ মনেৰে কটাইছিলোঁ। এতিয়া ভাবিলে আচৰিতেই লাগে। তেনে ধৰণেৰেই আমি দিনবোৰ কটাই শেষ কৰিলোঁ আৰু!

ভাইচ-প্ৰিন্সিপালৰ দায়িত্ব লোৱা শৈলেন বৰুৱা ছাৰৰ সৈতেও আমাৰ আন্তৰিক সম্পৰ্ক আছিল। তেখেত পাছলৈ কানৈ ল কলেজৰ সৈতেও জড়িত হৈছিলগৈ। আন এগৰাকী ভাইচ-প্ৰিন্সিপাল বিষ্ণু চক্ৰৱৰ্তী ছাৰকো আমি বৰ ভাল পাইছিলোঁ। তেখেতসকলক আমি যদি কিবা এটা সুধিছিলোঁ বা প্ৰস্তাৱ দিছিলোঁ বা বিচাৰিছিলোঁ; যৎপৰোনাস্তি সেই ন্যায্যতাৰে সেইখিনি কৰি দিবলৈ চেষ্টা কৰিছিল।

তেখেতসকলে আমাক বুজি পাইছিল। চাকৰি জীৱনৰ পৰা অৱসৰৰ আগে আগে তেখেতসকলে মোৰ সৈতে ইমান মৰম-চেনেহেৰে দুআষাৰমান কথা পাতি গ'ল যে সেইকেইষাৰ কথা এতিয়াও মনত পৰি থাকে। ''গগৈদেউ, আমি আহিলোঁ। তোমালোক থাকিবা আৰু।'' বুলি তেখেতসকলে বিদায় বেলাত মোক মাতষাৰ দিওঁতে আমি বৰ আবেগিক হৈ পৰিছিলোঁ। তেখেতসকলৰ আমাৰ প্ৰতি ব্যৱহাৰ ইমান ভাল আছিল যে আমি যে 'কেৰাণী', সেই কথা মনলৈকে অহা নাছিল। আমি যেন একে স্থানতে অৱস্থান কৰিছোঁ। অন্ততঃ মানসিক সুখানুভূতি এটা তেখেতসকলৰ ব্যৱহাৰৰ পৰা আমি লাভ কৰিছিলোঁ। এইবোৰ সৰু সৰু অথচ গুৰুত্বপূৰ্ণ কথাতে আমাৰ মনবোৰ বৰ ভাল লাগিছিল। মানে আমাৰ সেইসকলৰ, নমস্য ব্যক্তিসকলৰ মানত আমি এয নিম্ন পৰ্যায়ৰ কৰ্মচাৰী, সেই কথাটো তেওঁলোকে আমাক কোনো দিনেই অনুভৱ কৰিবলৈ দিয়া নাছিল। তেখেতসকলে আমাক কোনোদিন অৱহেলাৰ চকুৰেও চোৱা নাছিল। সেই কাৰণে, কলেজৰ স্মৃতি বুলিলেই আগৰছোৱা আমাৰ ইমানেই ভাল লাগে যে এতিয়াও সেইবোৰ কথা সুঁৱৰি থাকো। এনে ধৰণেৰেই আমাৰ কামবোৰ চলি আছিল। অৱশ্যে, কোনো ধৰণৰ বিশেষ অসুবিধামূলক পৰিস্থিতিৰ সৃষ্টি হোৱা নাছিল। সময়বোৰ পাৰ হৈ গৈছিল।

আমাৰ চাকৰি জীৱনৰ পাছৰছোৱাও তেনেদৰেই পাৰ হৈ গ'ল। অধ্যক্ষ ৰঘু বৰবৰাতকৈ বয়সত মই চিনিয়'ৰ আছিলোঁ। মোক তেখেতে 'গগৈদেউ' বুলিয়েই সম্বোধন কৰিছিল। মই তেখেতক 'ছাৰ' বুলিয়েই সম্বোধন কৰিছিলোঁ। আমাৰ চাকৰিকালৰ শেষৰফাললৈ ২০০৪ বৰ্ষতে কলেজ পৰিদৰ্শনৰ উদ্দেশ্যে প্ৰথমবাৰৰ বাবে NAAC ৰ দল আহিছিল।

যি হওক, পূৰ্বৰ আমাৰ স্মৃতিবোৰ বৰ মধুৰ আছিল। সেইবোৰ আমি কেতিয়াও পাহৰিব নোৱাৰোঁ। এনেদৰেই আমি কলেজখনত চাকৰি জীৱনটো কটাই আহিলোঁ।

●●●

*লেখক আমাৰ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত তত্ত্বাৱধায়ক সহায়ক।*

# My Days at DHSK Commerce College

**Maitrayee Chaliha**

Why did you take up Commerce? You would have got admission in Science." Almost everyone I knew asked me this after my class 10 exams. I would patiently explain that taking up Commerce was my choice. Other than a cousin, I was the only one in the family to venture into this stream. My parents, though not ecstatic at my decision, supported me completely. Thus, started my two year stint at DHSK Commerce College. "It was a whole new world. The subjects were new and fascinating. We learnt new words, new concepts and new topics and struggled our way through journals, trial balances, debits, credits, balance sheets…Initially we were overwhelmed as this was the first time we were exposed to these subjects. Then with the guidance of our teachers these new concepts started making sense to us and did not seem so strange any longer. Slowly I started enjoying the challenges posed in accountancy problems, the intricacies of organizational structures,the thrill of successfully completing a balance sheet."The other major change was the transition from the highly protective walls of our school to a college environment. We were anxious about the seniors in college, how they would treat us. We had heard stories of the trials faced by the freshers – from funny to hilarious and some well, not so funny. This was a major concern for the first few weeks. However, we got off relatively unscathed. In fact, there was an amusing incident that I remember even now. One day, another first year student was asked to hand me something wrapped tightly in a bit of paper. Everyone looked on in anticipation as I opened the paper. There was a leech in it. To everyone's surprise I just shrugged and dropped it in the nearest bin instead of screaming as was probably expected of me. What my seniors did not know was that I was used to pulling off dozens of leeches from my dog daily. Leeches did not bother me let alone scare me! "I spent only two years at DHSK Commerce College but this place is special to me as it was here that I took my first step in a journey that ultimately led me to the exciting world of Corporate and Foreign Exchange laws. The seniors in college were always helpful. Our professors instilled in us a love for the new subjects we were exposed to during the two years (in school we had no exposure to subjects in the commerce stream). I have fond memories of friends I made during the two years (I am still in touch with a few) and our professors who guided us patiently during that time."Any writeup on my years at DHSK Commerce College would not be complete without a mention of Bhagawati Sir's (Dr K.M Bhagawati) contribution to our growth as students. He was our mentor, our guide and also a friend when needed. From giving us pep talks to lending us his books, he was always there for us. I will always be grateful to him for his time and encouraging words."I went on to complete my graduation outside Assam. However DHSK Commerce College will remain close to my heart as this is the place where my journey began.

●●●

*The writer, an alumna of our college is a Corporate and Foreign Exchange laws expert having extensive experience in Foreign inward and outward investments.*

# কানৈ বাণিজ্য মহাবিদ্যালয় আৰু মই

মৈত্ৰেয়ী বৰুৱা ভৌমিক

ডিব্ৰুগড় চহৰৰ মাজ-মজিয়াত অৱস্থিত ডিব্ৰুগড় হনুমানবক্স সূৰজমল কানৈ বাণিজ্য মহাবিদ্যালয় উত্তৰ পূৰ্বাঞ্চলৰ বাণিজ্য শিক্ষাৰ প্ৰথমখন পূৰ্ণাংগ মহাবিদ্যালয়। এই প্ৰতিষ্ঠানৰ লগত মোৰ জীৱন ওতপ্ৰোতভাৱে জড়িত। ১৯৭০ চনৰ কোনোবা এটা ক্ষণত মোৰ স্বৰ্গগত পিতৃ দেৱব্ৰত বৰুৱাই অধ্যাপক হিচাপে এই মহাবিদ্যালয়ত যোগদান কৰে আৰু সেই সূত্ৰেই মোৰ জন্মৰ আগৰ পৰাই মই ইয়াৰ লগত সাঙোৰ খাই পৰোঁ। দিন বাগৰাৰ লগে লগে বুজি উঠিছিলোঁ আমাৰ পৰিয়ালত এই মহাবিদ্যালয়ৰ স্থিতি কিমান সুদৃঢ়!!

আজি মহাবিদ্যালয়ৰ হীৰক জয়ন্তী উদযাপনৰ সময়ত মোৰ দেউতা আৰু মহাবিদ্যালয়ৰ সম্পৰ্কৰ মধুৰ স্মৃতিবোৰ মোৰ মনত সজীৱ হৈ উঠিছে। মহাবিদ্যালয়খন যেন দেউতাৰ হৃদয়ৰ স্পন্দন -- এনে লাগিছিল। যদিও এয়া দেউতাৰ জীৱিকাৰ ক্ষেত্ৰ আছিল, তথাপি মহাবিদ্যালয়খনৰ অস্তিত্ব দেউতাৰ ধমনীতো যেন স্পন্দিত হৈছিল, এনে অনুভৱ মোৰ হৈছিল। দেউতাৰ এই জীৱিকাই আমাৰ পৰিয়ালৰ চালিকা শক্তি আছিল। কিন্তু, দেউতাৰ বাবে এই মহাবিদ্যালয় কেৱল জীৱিকাৰ থলী নাছিল; মহাবিদ্যালয়খন তেওঁৰ বাবে আছিল সৰ্বস্ব। এই মহাবিদ্যালয়ৰ খেলা-ধূলা, পৰীক্ষা বা অন্যান্য যিয়েই নহওক সকলোতে দেউতাৰ তৎপৰতা দেখি আমি আচৰিত হৈছিলোঁ। মহাবিদ্যালয়ৰ ৰাতিপুৱা আৰু দিনৰ ক্লাছসমূহত সময়মতে উপস্থিত থাকি পাঠদান কৰাটো দেউতাৰ নিত্য-নৈমিত্তিক পূজা-অৰ্চনাৰ দৰে আছিল। সেয়া পুহৰ ঠেঁটুৰৈ ধৰা শীতৰ কুঁৱলিসনা পুৱাবেলাই হওক বা জেঠৰ উৎকট গৰমৰ দিনৰভাগৰ ক্লাছেই হওক, নিয়মিতভাৱে আহি সময়মতে যে উপস্থিত হ'বই লাগিব; সেয়াই আছিল দেউতাৰ নীতি।

এই কথাখিনি ভাবি থাকোতেই মনত পৰিছে সেই সময়ৰ মহাবিদ্যালয় পৰিয়ালৰ সহকৰ্মীসকলৰ দেউতাৰ সম্পৰ্কৰ কথা। অতি মধুৰ আৰু সৌহাদ্যপূৰ্ণ আছিল সেই সম্পৰ্কবোৰ। সহোদৰে যিদৰে মুখ দেখিলেই মনৰ বতৰা পায়, ঠিক সেইদৰেই দেউতাহঁতে যেন স্ত্ৰী-পুৰুষ নিৰ্বিশেষে ইজনে সিজনৰ মুখ দেখিলেই মনৰ বতৰা পাইছিল! তেওঁলোকে একেলগে জপিয়াই পৰিছিল মহাবিদ্যালয়খনৰ বিভিন্ন আহুকাল আঁতৰোৱাৰ যুঁজখনত। বয়োজ্যেষ্ঠজনে কণিষ্ঠজনক দিয়া সদুপদেশ কণিষ্ঠজনেও নিষ্ঠা সহকাৰে মানি লৈছিল। বন্ধুস্থানীয়সকলৰ মাজতো অতি সদ্ভাৱ আছিল। কিন্তু, সকলোৱেই পৰস্পৰক যথাযোগ্য সন্মান দিবলৈও পাহৰা নাছিল। এনেবোৰ কথাই কৰ্মক্ষেত্ৰত এটি সুন্দৰ বাতাবৰণৰ সৃষ্টি কৰিছিল। এনে সুন্দৰ পৰিৱেশ আৰু সম্পৰ্কৰ ফলত পৰস্পৰৰ পৰিয়ালৰ মাজতো সুন্দৰ সংযোগ স্থাপন হৈছিল। সেয়েহে, মহাবিদ্যালয় পৰিয়ালৰ সদস্যসকলৰ প্ৰত্যেকৰে সতি-সন্ততিবোৰৰ মাজৰ সম্পৰ্কটো একেখন চোতালত উমলি ডাঙৰ হোৱাৰ দৰে সহোদৰ সদৃশ হৈ পৰিছিল। এনেবোৰ সম্পৰ্কই আওপকীয়াকৈ হ'লেও সৰুৰে পৰাই আমাক সামাজিক দায়বদ্ধতাৰ পাঠ দিছিল বুলি মই আজিও অনুভৱ কৰোঁ। আজিও আমি সেয়ে প্ৰয়াত ডঃ দেৱৰঞ্জন ধৰ বৰদেউতা, স্বৰ্গীয় ঘনশ্যাম অধিকাৰী খুড়া, ডঃ শান্তনু গোস্বামী খুড়া, শ্ৰীযুতা কল্পনা খাউণ্ড বাইদেউ, শ্ৰীযুতা চন্দ্ৰলেখা কাকতি খুড়ী, শ্ৰীযুতা কুঞ্জলতা হাতীবৰুৱা বাইদেউ, শ্ৰীযুত সুবোধ চন্দ্ৰ পাল খুড়া, শ্ৰীযুত ৰমা গগৈ খুড়া, শ্ৰীযুত নাছিম খুড়া আৰু অন্যান্যসকলৰ পৰিয়ালবোৰ একেডাল সূতাৰে বান্ধ খাই আছোঁ।

*লেখিকা আমাৰ মহাবিদ্যালয়ৰ এগৰাকী জ্যেষ্ঠ সহায়ক।*

সেই সময়ত ছাত্ৰ-সমাজ আজিৰ দৰে Smart and Polished নাছিল। তেওঁলোকে ম'বাইল, ইণ্টাৰনেট ব্যৱহাৰ কৰি এতিয়াৰ ধৰণেৰে বিভিন্নজনৰ Touch ত থাকিব নেজানিলেও শিক্ষকসকলৰ লগত তেওঁলোক যেন এডাল অদৃশ্য সূতাৰে বান্ধ খাই আছিল। স্বভাৱত কোনো এজন ছাত্ৰ উদণ্ড, উশৃংখল যিয়েই নহওক কিয়; শিক্ষকসকলৰ স্থিতিক অৱমাননাৰ কথা কেতিয়াও সপোনতো ভবা নাছিল। শিক্ষকসকলো উশৃংখলতাৰ মাজতো ছাত্ৰসকলক শৃংখলিত কৰাৰ প্ৰক্ৰিয়াত যথেষ্ট সবল আৰু সক্ৰিয় আছিল। শিক্ষকসকলৰ ছাত্ৰ সমাজৰ লগত থকা পাৰস্পৰিক সম্পৰ্কৰ বাবে সেয়া সম্ভৱ হৈছিল। প্ৰতিজন ছাত্ৰৰ চৰিত্ৰৰ দুৰ্বল দিশটো আঙুলিয়াই তাক শুধৰণিৰ পথলৈ আনিবলৈ শিক্ষকসকলে অহোপুৰুষাৰ্থ কৰিছিল। সৰুৰে পৰাই দেউতা আৰু তেখেতৰ সহকৰ্মী তথা বন্ধুসকলৰ বিভিন্ন আলোচনা, কাৰ্যকলাপ আদিয়ে আমাৰ ব্যক্তিত্ব গঠনত যথেষ্ট সহায় কৰিছিল। ভাল-বেয়াৰ সংমিশ্ৰণতে এখন সমাজ গঠন হয়। সেয়েহে বেয়াখিনি সংশোধন কৰি সমাজৰ উৎকৰ্ষ সাধন কৰাৰ দায়িত্ব আমাৰ সকলোৰে। এনে এটা সম্যক ধাৰণা আমাৰ ব্যক্তিত্বত সেইখিনি সময়তে ঠন ধৰি উঠিছিল। সমাজ গঠনৰ দায়িত্ব শিক্ষকসকলে নিষ্ঠাৰে পালন কৰিবই যে লাগে, তেনে এটা ভাবো আমাৰ মনত বৰকৈ শিপাইছিল। শিক্ষক মানেই সৎ, সাহসী আৰু নিষ্ঠাবান এটি সত্তা আৰু সেয়াই যে প্ৰকৃত শিক্ষকৰ প্ৰতিচ্ছবি; তেনে এক ধাৰণা আমাৰ হৈছিল। সেই সময়ৰ শিক্ষকৰ আয় আছিল সীমিত, কিন্তু জ্ঞান আৰু সমাজ গঢ়াৰ ইচ্ছা আছিল অপৰিসীম।

বহু কথাই মনৰ মাজত অগা-দেৰা কৰিলেও সকলো কথা লিখি শেষ কৰিব নোৱাৰি। মোৰ দেউতা আৰু আমাৰ পৰিয়ালটোৰে এই মহাবিদ্যালয়ৰ পৰিয়ালৰ পৰা যিখিনি পালে, তাৰবাবে জীৱনৰ অন্তিম ক্ষণলৈকে আমি ঋণী হৈ থাকিম। কিন্তু, কিছু কথা উল্লেখ নকৰিলে মোৰ অনুভৱৰ অভিব্যক্তি সম্পূৰ্ণ নহ'ব। ১৯৯১ চনৰ ফেব্ৰুৱাৰী মাহত দেউতাৰ কৰ্কট ৰোগ ধৰা পৰিল। মই আগতেই কৈছোঁ সেই সময়ৰ শিক্ষকৰ আয় কম আছিল। তাতে মোৰ দেউতাই অমঞ্জুৰীকৃত পদ এটাতহে অধ্যাপনা কৰি আছিল। মা-দেউতাৰ সৈতে আমাৰ দুজনী বাই-ভনীৰ চাৰিজনীয়া পৰিয়ালটো দেউতাৰ কম আয়েৰেই পঢ়া-শুনাৰ খৰছ-পাতিকে সামৰি বৰ কষ্টেৰে চলি আছিলোঁ। সেই সময়ত মই স্নাতক পাঠ্যক্ৰমত ভৰ্তি হৈছিলোঁহে মাথোঁনহু তেতিয়া মোৰ ভন্টী আত্ৰেয়ী আছিল নৱম শ্ৰেণীৰ ছাত্ৰী। গতিকে, চিকিৎসাৰ ব্যয়-বহুলতাৰ কথা ভাবি আমাৰ মূৰত সৰগ ভাগি পৰিছিল। কিন্তু, কোৱা বাহুল্য যে দেউতাৰ অসুখৰ খবৰে যেন এই মহাবিদ্যালয়ৰ ভেঁটি অস্থিৰ কৰি তুলিছিল! লগতে দেউতাৰ সমাজত থকা জনপ্ৰিয়তা, নানান সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত থকা সুসম্পৰ্ক, ক্ৰীড়া জগতৰ সৈতেও থকা সম্পৰ্ক আদিৰ বাবে মাত্ৰ পোন্ধৰ দিনৰ ভিতৰত সকলোৰে সহযোগিতাৰ বাবে আমি দেউতাক মাদ্ৰাজলৈ চিকিৎসাৰ বাবে লৈ যাব পাৰিছিলোঁ। অৱশ্যে, দেউতাৰ পৰিয়াল-পৰিজনে নিঃস্বাৰ্থভাৱে আমালৈ সহায়ৰ হাত আগবঢ়াইছিল। মাদ্ৰাজত এমাহ চিকিৎসা কৰোৱাই অনাৰ পৰৱৰ্তী সময়ত 'অসম চিকিৎসা মহাবিদ্যালয়'ত তেখেতক পুনৰ ভৰ্তি কৰোৱা হৈছিল। তাত চিকিৎসাধীন হৈ থকা অৱস্থাতে ১৯৯১ চনৰ ১৮ মে'ত তেখেতে শেষ নিশ্বাস ত্যাগ কৰিছিল। এই সুদীৰ্ঘ সময়ছোৱাত আৰু দেউতাৰ অবৰ্তমানত আমাৰ পৰিয়ালটোক এই মহাবিদ্যালয় পৰিয়ালে যিদৰে আকোঁৱালি ৰাখিলে, সেয়া আমাৰ মানসপটত চিৰসেউজ হৈ থাকিব। এতিয়াও মনত আছে শেষৰ দিনা মাজৰাতি ঘৰলৈ ঘূৰাই অনা দেউতাৰ নিৰুত্তাপ শৰীৰটোৰ কাষত ককালত টঙালি বান্ধি আমাৰ লগত সমানে উজাগৰে ৰজনী পাৰ কৰিছিল ভূপেশ ভাগৱতী ছাৰ আৰু সুবোধ পাল খুড়াই। আজি মই এগৰাকী স্বাৱলম্বী নাৰী হিচাপে প্ৰতিষ্ঠিত হৈ মোৰ মাতৃ, ভগ্নী আনকি মোৰ সন্তানৰ দায়িত্ব সুকলমে পাৰ কৰিব পৰাৰ ক্ষেত্ৰত এইসকল ব্যক্তিৰ অৱদান অনস্বীকাৰ্য।

জন্মৰে পৰা বৰ্তমানলৈকে এই মহাবিদ্যালয়ৰ পৰিয়ালৰ লগত পাৰ কৰি অহা সময়বোৰত বহুতো পৰিৱৰ্তন দেখি আহিছোঁ। আজিৰ দিনত আমি তাহানিৰ তুলনাত যে আৰ্থিকভাৱে স্বচ্ছল হৈছোঁ, শিক্ষাৰ দিশতো আগবাঢ়িছোঁ, বিভিন্ন কাৰিকৰী দিশতো Ultra Modern হৈছোঁ -- সেয়া সত্য। কিন্তু, আমাৰ মানসিক সংকীৰ্ণতা ক্ৰমশঃ বাঢ়ি গৈছে। কেৱল পেচাগতভাৱে প্ৰতিষ্ঠানটোৰ লগত জড়িত হৈ থকাৰ বাদে আৰু যেন আন কোনো দায়বদ্ধতা আমাৰ নাই! শিক্ষাৰ্থীসকলো যেন কেৱল মাচুল দি পঢ়িবলৈহে আহিছে! সেয়েহে নম্বৰকেইটা যোগাৰ কৰিব পৰাকৈ জ্ঞান আয়ত্ত কৰিব পাৰিলেই যেন তেওঁলোকৰো কৰ্তব্য শেষ!! এনে কিছুমান চিন্তাই মনত অহৰ্নিশ ক্ৰিয়া কৰা অনুভৱ হয়। এই যান্ত্ৰিকতাই 'শিক্ষানুষ্ঠান মানৱ-সম্পদ আৰু সমাজ গঢ়াৰ প্ৰধান ক্ষেত্ৰ' কথাষাৰ ভুল বুলি প্ৰতিপন্ন কৰিছে নেকি ? যদি কৰিছে, তেন্তে তাৰ কাৰণ কি ? ? আমাৰ বাৰু নিজকে এবাৰ প্ৰশ্ন কৰিবৰ সময় হৈছে নেকি ?

●●●

# প্ৰয়াত পিতৃ কৰুণাকান্ত চৌধুৰী
# আৰু কানৈ বাণিজ্য মহাবিদ্যালয়

**জয়শ্ৰী চৌধুৰী**

যিখন কলেজত জীৱনৰ সৰহভাগ সময় মোৰ প্ৰয়াত পিতৃ স্বৰ্গীয় কৰুণাকান্ত চৌধুৰীয়ে পাৰ কৰিলে, যাৰ স্মৃতি সুঁৱৰিয়েই জীৱনৰ অন্তিম সময়খিনি তেওঁ কটাই আমাৰ মাজৰ পৰা আঁতৰি গ'ল, তেখেতৰ অবৰ্তমানত তেখেতৰ কন্যা হিচাপে, লগতে এই মহাবিদ্যালয়ৰ এগৰাকী প্ৰাক্তন ছাত্ৰী হিচাপেও মহাবিদ্যালয়ৰ হীৰক জয়ন্তীৰ এই গৌৰৱময় মুহূৰ্তত মোৰ মনত উদয় হোৱা ভাৱখিনি থুলমূলকৈ লিখিবলৈ লৈছোঁ।

মোৰ পিতৃৰ ঘৰ আছিল নলবাৰীত। কৰ্মসূত্ৰে তেখেত আহি ডিব্ৰুগড় সূৰজমল কানৈ বাণিজ্য মহাবিদ্যালয়ত এজন কৰ্মচাৰী ৰূপে চাকৰিৰ জীৱনৰ পাতনি মেলিছিল। সকলোৰে স'তে মিলিব পৰা গুণৰ অধিকাৰী হোৱাৰ বাবে অতি সোনকালে তেখেত কৰ্মক্ষেত্ৰত সকলোৰে প্ৰিয় হৈ পৰিছিল।

চাকৰি কৰি থকাৰ কেইদিনমান পিছতে মোৰ মাক তেখেতে বিয়া পাতিছিল আৰু এজন প্ৰকৃত দায়িত্বশীল স্বামী হিচাপে মাক সেইখন কলেজতে পঢ়িবলৈ নাম ভৰ্তি কৰি দিছিল। যিখন কলেজত তেখেতে চাকৰি কৰে, সেইখন কলেজতে তেখেতৰ পৰিবাৰক পঢ়ুৱাৰ কথাটো লৈ কিছু ক্ষেত্ৰত অসুবিধাৰ সন্মুখীন হৈছিল যদিও সেই দায়িত্বও তেখেতে অতি সুচাৰুৰূপে পালন কৰিছিল।

ডিব্ৰুগড় সুৰজমল কানৈ বাণিজ্য মহাবিদ্যালয়খন আমাৰ নিজৰ পৰিয়ালৰ দৰেই অনুভৱ হৈছিল। কিয়নো মোৰ মাৰ লগতে মইয়ো সেইখন কলেজৰ পৰাই ডিগ্ৰী লাভ কৰিছিলো। ইয়াৰ সম্পূৰ্ণ পাৰদৰ্শিতা মোৰ পিতৃদেৱলৈ যায়।

কলেজখনৰ যিকোনো কামতে মোৰ দেউতা আগৰণুৱা আছিল। প্ৰধানকৈ তেখেতৰ হাতৰ আখৰখিনি অতি সুন্দৰ আছিল। আমাৰ পৰীক্ষাৰ যিখন মাৰ্কশ্বীট লাভ কৰিছিলো সেইয়া মোৰ দেউতাৰ হাতৰ আখৰেৰে লিখা হৈছিল।

সদায় হাঁহি স্ফূৰ্তিৰে যিকোনো কষ্টৰে সকলো বাধা নেওচি আৰম্ভণিৰ পৰাই চাকৰি জীৱনৰ শেষ দিনটোলৈকে তেখেতে নিজৰ কলেজখনৰ প্ৰতি থকা দায়বদ্ধতাৰ সামৰণি মাৰিছিল।

এনে এজন ব্যক্তিক মোৰ পিতৃৰূপে পোৱাৰ বাবে মই ভগৱানৰ ওচৰত চিৰকৃতজ্ঞ হৈ থাকিম।কৃতজ্ঞ হৈ থাকিম আমাৰ মহাবিদ্যালয়খনৰ ওচৰতো য'ত কৰ্মজীৱন সম্পন্ন কৰি তেখেতে আমাৰ জীৱন গঢ়িলে, যাৰ বুকুতেই অধ্যয়ন কৰি মোৰ মাতৃ আৰু মই নিজেও উচ্চ শিক্ষাৰ অমৃত পাণ কৰাৰ সুযোগ পালোঁ। সামগ্ৰিকভাৱে আমাৰ গোটেই পৰিয়ালটোত ডিব্ৰুগড় হনুমানবক্স সূৰজমল কানৈ বাণিজ্য মহাবিদ্যালয়ৰ যি ভূমিকা, সেয়া আমি কেতিয়াও পাহৰিব নোৱাৰিম। এই স্মৃতি আমি সদায় মনত ৰাখিম।

●●●

*লেখিকা আমাৰ মহাবিদ্যালয়ৰ প্ৰাক্তন বিদ্যাৰ্থী তথা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী প্ৰয়াত কৰুণা চৌধুৰীৰ কন্যা।*

# কানৈ বাণিজ্য মহাবিদ্যালয়ৰ সৈতে মোৰ স্মৃতি বিজড়িত অলপমান কথা

গোপাল কৃষ্ণ ঘোষ

**মই** যেতিয়া কানৈ বাণিজ্য মহাবিদ্যালয়ৰ হিচাপ বিদ্যা বিভাগৰ প্ৰবক্তা হিচাপে যোগদান কৰিছিলো তেতিয়া মহাবিদ্যালয়ৰ অধ্যক্ষ আছিল মনোমোহন দাস। সেই সময়ত হিচাপবিদ্যা বিভাগৰ মুৰব্বী অধ্যাপক আছিল হৰিনাৰায়ণ যাদৱ।

যাদৱ ছাৰৰ বহু কথাই মনত পৰে। তেওঁক কেতিয়াও খং ৰাগ কৰা দেখা নাছিলোঁ। যি কোনো মুহূৰ্তত যি কোনো সহায় বিচাৰি গ'লে তেওঁ আমাক সৎ উপদেশ আৰু বিভিন্ন ধৰণৰ দিহা পৰামৰ্শ দিছিল। আমাৰ মহাবিদ্যালয়ৰ প্ৰথম নাকৰ পৰিদৰ্শনৰ আগত বিভাগীয় কাম কাজবোৰ তেওঁৰ অনুপ্ৰেৰণাতে আমি বাকী সকলে আগবঢ়াই লৈ গৈছিলোঁ। আনকি গোটেই দিন কাম কৰাৰ পিছত সন্ধিয়া আমি বিভাগৰ সকলোৱে মিলি কানৈ মহাবিদ্যালয়ৰ কেন্টিনত চাহ খাই আহি আকৌ ৰাতি ৯/১০টা লৈকে বিভিন্ন কাম কৰিছিলোঁ।

যাদৱ ছাৰৰ এটা কথা বেছিকৈ মনত পৰে। তেওঁ কলেজৰ বিভিন্ন মিটিঙত ধুনীয়া ধুনীয়া শায়েৰী পাঠ কৰি সকলোকে আনন্দৰ খোৰাক যোগাইছিল। তেওঁ মুৰব্বী অধ্যাপক হৈ থকা সময়ত Accountancy ল'বলৈ বহুত ছাত্ৰ-ছাত্ৰীয়ে আবেদন কৰিছিল আৰু তেওঁ যথাসম্ভৱ সকলোকে সুযোগ কৰি দিয়াৰ ব্যৱস্থা কৰিছিল। আনকি কোনো কাৰণত কোনেও ৰৈ গ'লে বিভাগীয় মিটিং পাতি সেই ছাত্ৰ-ছাত্ৰীকে সুযোগ প্ৰদান কৰিছিল।

যাদৱ ছাৰৰ অৱসৰৰ পাছত হিচাপে বিদ্যা বিভাগৰ মুৰব্বী অধ্যাপক হিচাপে দায়িত্ব লয় নাছিম ৰাজিদ আলী ছাৰে। তেওঁ মুৰব্বী অধ্যাপক হৈ থাকোতে আমি আমাৰ ডিপাৰ্টমেণ্টত বিভিন্ন বিষয়ৰ আলোচনা চক্ৰ অনুষ্ঠিত কৰিছিলোঁ। সেই আলোচনা চক্ৰত বিভাগৰ সকলোৱে Paper Present কৰিছিল। বিশেষকৈ আলি ছাৰে নিজে Power Present কৰি ল'ৰা ছোৱালীক অনুপ্ৰাণিত কৰিছিল। আমি কেতিয়াবা কোনো কথা ভালকৈ বুজি নাপালে ছাৰক সুধিলে ছাৰে আমাক ভালকৈ বুজাই দিছিল। মুঠৰ ওপৰত Commerce Education সম্বন্ধে ছাৰৰ অগাধ জ্ঞান থকা বুলি আমি পতিয়ন গৈছিলোঁ।

তেওঁ সদায় হিচাপ বিদ্যা বিভাগৰ বিভিন্ন বিষয়ৰ কিতাপ বাহিৰৰ পৰা অৰ্ডাৰ দি আনিছিল আৰু নিজেও Accountancy ৰ কিতাপ লিখিছিল। হিচাপবিদ্যা বিভাগত এটা বিষয় আছিল এফএছএ। মই শুনা মতে সেই বিষয়ত ছাৰে লিখা কিতাপে ছাত্ৰ-ছাত্ৰীৰ মাজত খুবেই সুনাম অৰ্জন কৰিছিল। মুঠতে হিচাপ বিদ্যা বিভাগৰ তেওঁ এজন Authority আছিল। তেওঁৰ সময়ত 'প্ৰজেক্ট' এটা বিষয় আছিল। সেই প্ৰজেক্টৰ কাম-কাজবোৰ আমি সকলোৱে মিলি নিয়াৰিকৈ কৰিছিলোঁ। সেই প্ৰজেক্টৰ Viva লওঁতে প্ৰায়েই তেওঁ মোক 'মাৰ্কছ' দিবলৈ দিছিল। Internal Assessment ৰ 'মাৰ্ক'বোৰ আমি সকলোৱে নিয়াৰিকৈ বিশ্ববিদ্যালয়লৈ পঠাইছিলোঁ। যি কোনো কাম তেওঁ নিয়াৰিকৈ কৰিছিল। বিশেষকৈ কম্পিউটাৰৰ কামবোৰ কৰাত তেওঁ বৰ সিদ্ধহস্ত আছিল। তেওঁ সদায় মোক 'ঘোষ বাবু' বুলি মাতিছিল। পাছত তেওঁ উপাধ্যক্ষ হৈ থাকোতে মই অৱসৰ লওঁ । তেওঁ উপাধ্যক্ষ পদত থাকিয়েই অৱসৰ লয়।

আমাৰ বিভাগত আন এজন অধ্যাপক আছিল ড° কুমুদ গোস্বামী। তেওঁ বৰ শান্ত স্বভাৱৰ আৰু ক্লাছ লোৱাৰ পৰা আদি কৰি নিজৰ কাম-কাজবোৰ বৰ নিয়াৰিকৈ কৰিছিল। তেওঁ পাছলৈ

*লেখক আমাৰ মহাবিদ্যালয়ৰ হিচাপবিদ্যা বিভাগৰ অৱসৰপ্ৰাপ্ত সহযোগী অধ্যাপক।*

ডিব্ৰুগড় বিশ্ববিদ্যালয়ত যোগদান কৰে। তেখেতৰ লগতো মোৰ আন্তৰিকতা আছিল। বিশ্ববিদ্যালয়লৈ যোৱাৰ পাছত তেখেত শৈক্ষিক দিশত আগবাঢ়ি গৈছে আৰু তেখেতৰ Guidance ত কেইবাজনেও ডক্টৰেট ডিগ্ৰী লাভ কৰিছে বুলি শুনি মনত বৰ আনন্দ লাগে।

ইয়াৰ পাছত আমাৰ বিভাগত অধ্যাপক শৈলেন গগৈয়ে যোগদান কৰে। তেওঁ বৰ্তমান মহাবিদ্যালয়ৰ উপাধ্যক্ষ। Rotation System প্ৰৱৰ্তন হোৱাত তেওঁ বিভাগৰ মুৰব্বী অধ্যাপকৰ দায়িত্বও লয়। তেওঁৰ লগত মোৰ ঘৰুৱা সম্বন্ধ। সদায় ফোন কৰি মোৰ খা -খবৰ লয়। অধ্যাপনাৰ লগতে তেওঁ কলেজৰ NSS ৰ দায়িত্বও বহন কৰিছিল। তেওঁৰ পৰিচালনাত NSS ৰ ছাত্ৰসকলে নিয়াৰিকৈ সকলো দায়িত্ব পালন কৰিছিল।¯ মহাবিদ্যালয়ৰ যি কোনো কামৰ দায়িত্ব পালন কৰিবলৈও তেওঁ কুণ্ঠাবোধ নকৰে।

নাক ৰ পৰিদৰ্শনৰ সময়ত ৰাতিলৈকে কাম কৰি তেওঁ মদাৰখাটৰ গাঁৱৰ ঘৰলৈ গৈছিল। তেওঁৰ যিটো কৰ্মোদ্যম, তাৰ পৰা প্ৰেৰণা পোৱা যায়।

ইয়াৰ পাছতে হিচাপবিদ্যা বিভাগত প্ৰবক্তা হিচাপে যোগদান কৰোঁতাজন হ'ল সত্যৰঞ্জন দলে। অধ্যাপক দলে খুব অমায়িক আৰু শান্ত স্বভাৱৰ ব্যক্তি। তেওঁৰ লগত সদায় হাঁহি-ধেমালি কৰিছিলোঁ। কিন্তু, তেওঁ কেতিয়াও বেয়া পোৱা নাছিল। শিক্ষাদান সম্বন্ধীয় যাৱতীয় কাম-কাজ তেওঁ নিয়াৰিকৈ কৰে। এই মহাবিদ্যালয়ত যোগদান কৰাৰ পাছত তেওঁ Research ৰ কামত মনোনিৱেশ কৰে আৰু পি. এইচ. ডি. ডিগ্ৰী লাভ কৰে। তেওঁৰ কেবাটাও লেখা National Journal ত প্ৰকাশ হৈছে। Assam Tribune ত তেওঁৰ লেখা প্ৰকাশ হোৱাটোৱেও আমাক অনুপ্ৰেৰণা যোগায়।

ইয়াৰ পাছত হিচাপবিদ্যা বিভাগত জেক ব কোঁৱৰে প্ৰবক্তা হিচাপে যোগদান কৰে। এই কলেজৰ ছাত্ৰ জীৱনৰ পৰাই জেকব নিয়মানুৱৰ্তী আৰু শৃংখলা-পৰায়ণ। শ্ৰেণীৰ দায়িত্ব পালনৰ উপৰি তেওঁ কলেজৰ আন আন কামৰ সৈতেও জড়িত থাকে। জেকবেও Research ৰ কামত মনোনিৱেশ কৰি পি. এইচ. ডি. ডিগ্ৰী লাভ কৰে।

পৰৱৰ্তী সময়ত কেশৱানন্দ হালৈয়ে বিভাগটোত প্ৰবক্তা হিচাপে যোগদান কৰে। তেওঁৰ সৈতে মোৰ এবাৰ নে দুবাৰ সাক্ষাৎ হৈছে আৰু শুনা মতে তেওঁ সকলো কাম শৃংখলাবদ্ধতা আৰু নিয়মানুৱৰ্তিতাৰে কৰে।

হালৈৰ পাছতে বিভাগটোত অলপ দিনৰ বাবে উজ্জ্বল ফুকনে অস্থায়ীভাৱে সেৱা আগ বঢ়াইছিল। তাৰ পাছত বিভাগত স্থায়ীভাৱে যোগদান কৰোঁতাজন হ'ল বৰছিং হান্সে। তেওঁৰ সৈতে মোৰ যোগাযোগ নথকাৰ বাবে মই বিশেষ একো উল্লেখ কৰিব নোৱাৰিলোঁ।

সেই সময়ত আমি ছাত্ৰ-ছাত্ৰীসকলক লৈ বিভিন্ন ঠাইলৈ গৈছিলোঁ। তাৰ ভিতৰত যাদৱ ছাৰৰ লগত যোৱা ডিব্ৰু ছৈখোৱা অভয়াৰণ্য, আলী ছাৰৰ সৈতে যোৱা জয়পুৰ ৰেইন ফৰেষ্ট আৰু হালৈ ছাৰৰ সৈতে পানীদিহিং পক্ষী অভয়াৰণ্যৰ কথা মনত পৰে। পাল ছাৰে শীতৰ বতৰত সুবিধা পালেই পিকনিকৰ আয়োজন কৰিছিল। তাৰ ভিতৰত ভিতৰত বগীবিল আৰু নামফাকেলৈ যোৱাৰ কথা মনত পৰে। তাত বিভিন্ন ধৰণৰ খাদ্য খোৱাৰ কথা মনত পৰিলে আজিও মন পুলকিত হয়।

এতিয়াও এই বিভাগত পাঁচজন অধ্যাপকে নিয়াৰিকৈ সকলো ধৰণৰ কাম কাজ চলাই আছে বুলি শুনিলে মনটো আনন্দিত হৈ উঠে। পৰীক্ষাৰ ফলাফলত এই বিভাগে সদায় আগভাগ লৈছিল। বহুকেইজন ছাত্ৰ-ছাত্ৰীয়ে প্ৰায় প্ৰতিবাৰেই প্ৰথম শ্ৰেণী লাভ কৰিছিল।¯ সেই ধাৰা এতিয়াও চলি আছে বুলি মোৰ ধাৰণা।

আমি সদায় Department Room ত নানা ধৰণৰ শৈক্ষিক বিষয় আলোচনা কৰিছিলোঁ। সেইবোৰ কথা মনত পেলাই অতীতক ৰোমন্থন কৰাৰ আনন্দই আজিও মোৰ মন ভৰাই তোলে।

কলেজৰ অধ্যক্ষ পদত অধিষ্ঠিত হোৱা প্ৰায় সকলোৰে লগত মোৰ বৰ আন্তৰিকতা আছিল। যেনে স্বৰ্গীয় মনোমোহন দাস ছাৰ, স্বৰ্গীয় ড° সুৰেন মহন্ত ছাৰ, ড° ৰঘু নাথ বৰবৰা ছাৰ, ধ্ৰুৱজ্যোতি ভট্টাচাৰ্য ছাৰ, কল্পনা খাউণ্ড বাইদেউ আৰু বৰ্তমান অধ্যক্ষ ড° খনীন্দ্ৰ মিশ্ৰ ভাগৱতী ছাৰ। সকলো অধ্যক্ষই কম বেছি পৰিমাণে কলেজখনৰ উন্নতি সাধনা কৰিছে।

বিশেষকৈ বৰ্তমানৰ অধ্যক্ষ ড° খনীন্দ্ৰ মিশ্ৰ ভাগৱতী ছাৰৰ অক্লান্ত পৰিশ্ৰমৰ ফলত মহাবিদ্যালয়ৰ শৈক্ষিক দিশকে ধৰি সকলো দিশতে উন্নতি হৈছে। তেওঁৰ দিনত এই মহাবিদ্যালয়ত এম.কম. শ্ৰেণী খোলা হয়। ছাত্ৰ-ছাত্ৰীসকলে ইয়াতে এম. কম. পঢ়াৰ সুবিধা লাভ কৰিছে। তেওঁৰ কাৰ্যকালতে এই মহাবিদ্যালয়ত চি. এ. পৰীক্ষাৰ কেন্দ্ৰও হৈছে। যাৰ ফলত ডিব্ৰুগড়ৰ C.A. Student সকলে পৰীক্ষা দিবলৈ এতিয়া আৰু বাহিৰলৈ যাব নালাগে। ভাগৱতী ছাৰে নাকৰ Peer Team ৰ সদস্য হিচাপেও কলেজ পৰিদৰ্শন কৰি মহাবিদ্যালয়ৰ সুনাম কঢ়িয়াই আনিছে।

উপাধ্যক্ষ হিচাপে অৱসৰ লোৱা গোপাল শৰ্মা ছাৰৰ লগতো মোৰ বৰ আন্তৰিকতা আছিল। মই সততে বিভিন্ন বিষয়ত তেওঁৰ

পৰা যুক্তি পৰামৰ্শ লৈছিলোঁ।

কলেজৰ বিভিন্ন বিভাগৰ অন্যান্য অধ্যাপকসকলৰ লগতো মোৰ আন্তৰিকতা কম নাছিল। যেনে অসমীয়া বিভাগৰ স্বৰ্গীয় ঘনশ্যাম অধিকাৰী ছাৰ আৰু কুঞ্জলতা হাতীবৰুৱা বাইদেউ। বাংলা বিভাগৰ ড° ডি. আৰ. ধৰ ছাৰ। অধিকাৰী ছাৰে ধৰ ছাৰক 'ঐ বঙাল' বুলি ধেমালিৰ সুৰত মতাৰ কথা মনত পৰে। তেওঁলোকৰ বন্ধুত্ব ইমানেই গভীৰ আছিল যে ধৰ ছাৰে কেতিয়াও অধিকাৰী ছাৰক বেয়া পোৱাৰ কথা মনত নপৰে। অধিকাৰী ছাৰে অৱসৰ লোৱাৰ পাছত অসমীয়া বিভাগত প্ৰবক্তা হিচাপে যোগদান কৰে নৰজ্যোতি দত্তই। । শ্ৰী দত্তইও পি.এইচ.ডি ডিগ্ৰী লাভ কৰিছে। তেওঁৰ লগত মোৰ বিভিন্ন বিষয়ৰ আলোচনা হয়। ধৰ ছাৰৰ পাছত বাংলা বিভাগত যোগদান কৰে ৰেখা চক্ৰৱৰ্তীয়ে। তেওঁৰ লগতো মোৰ আন্তৰিক যোগাযোগ আছিল। ৰেখা চক্ৰৱৰ্তীৰ পাছত বাংলা বিভাগত ড° স্বপ্না নাথে যোগদান কৰে। তেওঁ কলেজৰ বিভিন্ন কাম-কাজ তথা ACTA ৰ লগতও জড়িত থকা বুলি জানি ভাল লাগে।

কমাৰ্চ বিভাগৰ অধ্যাপক ড° চহনলাল আগৰৱালা, স্বৰ্গীয় প্ৰদীপ চাহু, ড° ভূপেশ ভাগৱতী আৰ ড° তুলিকা মটকৰ লগতো মই আন্তৰিকতা বজাই ৰাখিছিলোঁ। ড° ভাগৱতীয়ে মহাবিদ্যালয়ৰ সংগীতটো ৰচনা কৰি এক উল্লেখনীয় কাম কৰিছে।

ইংৰাজী বিভাগৰ C.L.K. বাইদেউ আৰু সৰিতা গোস্বামী বাইদেউৰ লগত মই বহুত কথা Share কৰিছিলোঁ। বিশেষকৈ সৰিতা গোস্বামী বাইদেউৰ লগত ক্ৰিকেটৰ কথা বেছিকৈ আলোচনা হৈছিল। ইয়াৰ পাছত এই বিভাগলৈ অহা লুকু মৰাং আৰু ড° ইপ্সিতা ভট্টাচাৰ্যৰ লগতো মোৰ সুসম্পৰ্ক আছিল।

অৰ্থনীতি বিভাগৰ ড° শান্তনু গোস্বামী, প্ৰশান্ত দাস ( পাছলৈ উপাধ্যক্ষ পাছত অধিষ্ঠিত হয়) আৰু ড° চিত্ৰা ৰয়, অনিতা বৰুৱাৰ লগত সুসম্পৰ্ক বজাই ৰাখিছিলোঁ। বিশেষকৈ শান্তনু গোস্বামী ছাৰে মিটিঙত দিয়া যুক্তিসংগত ভাষণবোৰৰ কথা মনত পৰে। তেওঁ কলেজৰ পৰিচালনা সমিতিৰ সদস্য হৈ থাকোতে কলেজৰ পৰা কোনো মাননি লোৱা নাছিল। এইটোৱে কলেজখনৰ প্ৰতি তেওঁ কিমান নিষ্ঠাবান আছিল, তাকে সূচায়।

পৰিসংখ্যা বিভাগৰ অধ্যাপক সুবোধ পাল আৰু অধ্যাপিকা ড° দেৱী মল্লিকা ৰাজখোৱা বাইদেউৰ লগত মই বিভিন্ন বিষয়ৰ আলোচনা কৰিছিলোঁ।। বিশেষকৈ পাল ছাৰ আৰু আন কেইবাজনৰ প্ৰচেষ্টাত কলেজত Co-operative গঠন কৰা হৈছিল। আমি সকলোৱে Co-operative ৰ সদস্য হৈ মাহিলি বৰঙণি দিছিলোঁ। প্ৰত্যেক বছৰৰ শেষত প্ৰত্যেকজন সদস্যই লভ্যাংশ পাইছিল আৰু অৱসৰ লোৱাৰ সময়ত এটা উল্লেখনীয় পৰিমাণৰ টকা পাইছিল। পাল ছাৰে কলেজৰ যিকোনো সমস্যা সমাধানৰ ক্ষেত্ৰত সদায় আগভাগ লৈছিল। নাকৰ প্ৰথম 'ভিজিট'ৰ সময়ত তেওঁ Co-ordinator আছিল।

বেংকিং বিভাগৰ ইমৰান হুছেইন ছাৰ আৰু অধ্যাপক পুলিন ৰাজবংশী (পিছলৈ উপাধ্যক্ষ পদত অধিষ্ঠিত হোৱা)ৰ লগতো সুসম্পৰ্ক বজাই ৰাখিছিলোঁ। ইমৰান ছাৰে সদায় লাহে ধীৰে যুক্তি সংগতভাৱে কথা কৈছিল। হুছেইন ছাৰে অৱসৰ লোৱাৰ পিছত মাজত পপীবুল বৰুৱাই সেই বিভাগত কিছুদিনৰ কাৰণে কাম কৰিছিল। পিছত বেংকিং বিভাগত টংক উপাধ্যায়ে প্ৰবক্তা হিচাপে যোগদান কৰে। তেওঁ পিছলৈ গৌহাটী বিশ্ববিদ্যালয়ৰ পৰা পি.এইচ.ডি. ডিগ্ৰী লাভ কৰে। ড° উপাধ্যায়ৰ লগত মোৰ বহুত বিষয়ৰ আলোচনা হৈছিল। তেওঁ বৰ শান্ত স্বভাৱৰ ব্যক্তি। কোনো কাৰণতে তেওঁক মই খং-ৰাগ কৰা দেখা নাই।

মেনেজমেণ্ট বিষয়ৰ অধ্যাপক ৰমাকান্ত গগৈ ছাৰ আৰু ড° জয়দেৱ গগৈৰ লগতো মোৰ সুমধুৰ সম্পৰ্ক আছিল। মেনেজমেণ্ট বিভাগত মাজতে প্ৰান্তিম ঠাকুৰে কিছুদিনৰ কাৰণে কাম কৰিছিল। অধ্যাপক ঠাকুৰৰ লগত মই বহুত ধৰণৰ আলোচনা কৰিছিলোঁ।

হিন্দী বিভাগৰ অধ্যাপক কিৰণ হাজৰিকাৰ লগত মোৰ সাগৰ সদৃশ গভীৰ বন্ধুত্ব আছিল। তেওঁ কলেজৰ এন.চি.চি.ৰ দায়িত্ব বহন কৰিছিল। পিছত তেওঁ এই মহাবিদ্যালয়ৰ পৰা গৈ টেঙাখাত মহাবিদ্যালয়ত অধ্যক্ষ হিচাপে কামত যোগদান কৰাৰ পাছতো তেওঁৰ লগত সদায় যোগাযোগ ৰক্ষা কৰি চলিছিলোঁ। তেওঁ ইউ.জি.চিৰ সদস্য পদো লাভ কৰিছিল। বৰ্তমান ড° হাজৰিকা দিল্লীত IGNOU ৰ Pro-vice chancellor হিচাপে নিযুক্তি লাভ কৰিছে। তেওঁ শিক্ষা-জগতৰ লগত গোটেই ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তত বিভিন্ন ক্ষেত্ৰত কাম কৰাৰ সুযোগ লাভ কৰিছে। ভগৱানৰ ওচৰত তেওঁৰ দীৰ্ঘায়ু আৰু কাম কৰাৰ ক্ষমতাৰ বাবে প্ৰাৰ্থনা জনাইছোঁ।

'কলেজ উইক'ৰ সময়ত field event ত আমি সকলো অধ্যাপক উপস্থিত থাকি খেল-ধেমালিবোৰ পৰিচালনা কৰাৰ কথা মোৰ আজিও মনত পৰে। বিৰতিৰ সময়খিনিত আমি থানা চাৰিআলিত হোটেলত দুপৰীয়াৰ সাজ খোৱাৰ আনন্দ উপভোগ কৰিছিলো।

আমাৰ কলেজৰ 'গ'ল্ডেন জুবিলি'ৰ সময়ত উলিওৱা বৰ্ণাঢ্য শোভাযাত্ৰাটোৰ কথা মোৰ স্মৃতিপটত আজিও ভাঁহি উঠে। সেই সময়ত কলেজৰ অধ্যক্ষ কল্পনা খাউণ্ড বাইদেউৱে গুৱাহাটীৰ পৰা North East Band দলটোক আনি শোভাযাত্ৰাত অংশগ্ৰহণ

কৰোৱাই মহাবিদ্যালয় পৰিয়াল তথা শুভানুধ্যায়ীসকলক আনন্দ দিছিল। মেঘালয়ৰ ৰাজ্যপাল মাননীয় আৰ. কে. মুছাহাৰীক এই অনুষ্ঠানলৈ আমন্ত্ৰণ জনাই আনি সুস্থ বাতাবৰণৰ মাজত মুকলি সভা অনুষ্ঠিত কৰা হৈছিল।

মই যেতিয়া এই মহাবিদ্যালয়লৈ প্ৰথম আহিছিলোঁ, তেতিয়া অফিচৰ একাউণ্টচ্ চেকচ্নৰ দায়িত্বত থকা স্বৰ্গীয় ভবানন্দ কোঁৱৰ, নন্দ শৰ্মা আৰু থানেশ্বৰ শইকীয়াৰ লগত সদ্ভাৱ বজাই ৰাখি চলিছিলোঁ। Establishment Section ৰ স্বৰ্গীয় নবীন চেতিয়া, চিত্ৰ গগৈ, স্বৰ্গীয় কৰুণা চৌধুৰী, লক্ষীমাই বৰুৱা বাইদেউ স্বৰ্গীয় দিব্যজ্যোতি বসু আৰু মৈত্ৰেয়ী বৰুৱা ভৌমিকৰ লগতো মই সুসম্পৰ্ক বজাই ৰাখিছিলোঁ আৰু মহাবিদ্যালয়ৰ বিষয়ে নানা ধৰণৰ আলাপ আলোচনা কৰিছিলোঁ। কেতিয়াবা নন্দ শৰ্মা, বসু, শইকীয়া আৰু মই চাহ খাবলৈ নালিয়াপুল বজাৰলৈ গৈছিলোঁ। আগতে cheque payment ৰ কাৰণে বেংকলৈ যাওঁতে কেতিয়াবা অফিচৰ কেইবাজনৰ লগত মইও চাহ খাবলৈ যোৱাৰ কথাটোও মাজে-মাজে মোৰ মনলৈ আহে। বৰ্তমানৰ সুব্ৰত ৰয়, অমৃত শইকীয়া, পদ্মা চেতিয়া আৰু মনোজৰ লগত মোৰ ভাল সম্পৰ্ক আছিল।

লাইব্ৰেৰীয়ান স্বৰ্গীয় মোহন ফুকনৰ কথাও মোৰ মনত পৰে। যেতিয়াই কোনো কিতাপ বা মেগাজিনৰ কথা কৈছিলোঁ, তেওঁ ধীৰেন চেতিয়াক কৈ সেইবিলাক পেকিং কৰি মোৰ বাবে থৈ দিছিল। মুঠৰ ওপৰত ফুকন এজন নিষ্ঠাবান কৰ্মী আছিল। পিছলৈ অহা অনুজয় শইকীয়াৰ লগতো ভাল সম্পৰ্ক আছিল। এতিয়া লাইব্ৰেৰীয়ান সংগীতা শেনচোৱা গগৈ বাইদেউ আৰু বৰ্তমানৰ এছ.এ প্ৰেমা চুতীয়া বাইদেউৰ লগতো মোৰ ভাল সম্পৰ্ক আছিল। মাজতে অলপ দিনৰ বাবে অস্থায়ীভাৱে কাম কৰি যোৱা সূৰজ গগৈৰ লগতো মোৰ ভাল ভাৱ আছিল।

